PGAS S3 C08

দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম

(চি.বি.চি.এচ., এন.ই.পি. ২০২০ অনুসৰি)

তৃতীয় ষাণ্মাসিক

অসমীয়া উপন্যাস

অসমীয়া



পদ্মনাথ গোহাঞিবৰুৱা মানৱিকী বিদ্যা অধ্যয়ন সত্ৰ

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° দীপ্তি ফুকন পাটগিৰি, প্ৰাধ্যাপক, (অৱসৰপ্ৰাপ্ত), গুৱাহাটী বিশ্ববিদ্যালয়
ড° উপেন ৰাভা হাকাচাম, প্ৰাধ্যাপক, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° বিমল মজুমদাৰ, প্ৰাধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়

পাঠ্যক্ৰম সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন, সহযোগী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

পাঠ্যবিষয়ৰ সমন্বয়ৰক্ষী ঃ ড° নিভা ৰাণী ফুকন, সহযোগী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ড° সঞ্জীৱ ৰৱা, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*
১ আৰু ২	ড°জোনমণি গগৈ, কৃষ্ণ ৰৱা বি.এড. কলেজ, লংকা
৩ আৰু ৪	ড°মঞ্জু গোস্বামী, আর্য্য বিদ্যাপীঠ মহাবিদ্যালয়, গুৱাহাটী
৫, ৯ আৰু ১০	ড° বিমল মজুমদাৰ, গুৱাহাটী বিশ্ববিদ্যালয়
৬	ড° বিমল মজুমদাৰ, গুৱাহাটী বিশ্ববিদ্যালয় আৰু ড°অপু ৰৱা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
৭, ৮, ১১, ১২, ১৩ আৰু ১৪	ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু আৰু ভাষা সম্পাদনা ঃ ড° শৈলেন ভৰালী, গুৱাহাটী বিশ্ববিদ্যালয়
(অধ্যায় ৫, ৭, ৮, ৯, ১০, ১৩ আৰু ১৪)
ড° প্ৰফুল্ল কুমাৰ নাথ, গুৱাহাটী বিশ্ববিদ্যালয় (অধ্যায় ৩, ৪, ১১ আৰু ১২)
ড° মৃণাল জ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
(অধ্যায় ১ আৰু ২)
ড° সজীৱ ৰৱা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (অধ্যায় ৬)

গাঁথনিক সম্পাদনা ঃ ড° নিভা ৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ড° সজীৱ ৰৱা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্ৰথম প্ৰকাশ ঃ জুন, ২০২৪

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-ShareAlike4.0 License (International): http.//creativecommons.org/licenses/by-nc-sa/4.0.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্ৰকাশিত।

মুখ্য কাৰ্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী-৭৮১ ০১৭
নগৰ চৌহদ ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১ ০২২, www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয় ঃ অসমীয়া উপন্যাস

এইখন স্নাতকোত্তৰ অসমীয়া পাঠ্যক্ৰমৰ তৃতীয় ষাণ্মাসিকৰ দ্বিতীয় বুনিয়াদী পাঠ্যবিষয়। পাঠ্যবিষয়খনত আধুনিক অসমীয়া সাহিত্যৰ অন্যতম শাখা উপন্যাসৰ আলোচনা কৰা হৈছে। এই পাঠ্যবিষয়ত সৰ্বমুঠ চৈধ্যটা অধ্যায় অন্তৰ্ভুক্ত কৰা হৈছে। সেই অধ্যায়সমূহৰ আলোচনাৰ মাজেদি অসমীয়া উপন্যাসৰ ধাৰাবাহিক প্ৰবাহলৈ উল্লেখনীয় যোগদান আগবঢ়োৱা কেইগৰাকীমান কৃতী ঔপন্যাসিকৰ উপন্যাস ৰচনাৰ লগত শিক্ষার্থীক পৰিচয় কৰাই দিয়াৰ চেষ্টা চলোৱা হৈছে।

পাঠ্যবিষয়ৰ প্ৰথম দুটা অধ্যায় হৈছে ক্ৰমে 'অসমীয়া উপন্যাসৰ ধাৰা-১' আৰু 'অসমীয়া উপন্যাসৰ ধাৰা-২'। ইয়াত অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্ব, প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া উপন্যাস আৰু স্বৰাজোত্তৰ কালৰ অসমীয়া উপন্যাসৰ ক্ৰমবিকাশ আৰু শ্ৰীবৃদ্ধিৰ কথা আলোচিত হৈছে। তৃতীয় আৰু চতুৰ্থ অধ্যায়ত ক্ৰমে 'ৰজনীকান্ত বৰদলৈ ঃ *দন্দুৰা দ্ৰোহ*-১' আৰু 'ৰজনীকান্ত বৰদলৈ ঃ *দন্দুৰা দ্ৰোহ*-২' —এই দুটা অধ্যায়ৰ আধাৰত অসমীয়া সাহিত্যৰ 'উপন্যাস সম্ৰাট' আখ্যাৰে বিভূষিত ৰজনীকান্ত বৰদলৈৰ ঐতিহাসিক উপন্যাস *দন্দুৰা দ্ৰোহ*ৰ আলোচনাভাগ আগবঢ়োৱা হৈছে। সেই আলোচনাৰ লগতে ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ জীৱন, কৃতি আৰু তেওঁৰ উপন্যাসসমূহত ফুটি উঠা বৈশিষ্ট্যসমূহৰ আলোচনা কৰা হৈছে। এই আলোচনাই শিক্ষার্থীক ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ লগতে মনোৰম ব্যক্তিত্বৰ গৰাকী ৰজনীকান্ত বৰদলৈৰ লগতো পৰিচয় কৰাই দিয়ে। অসমীয়া সামাজিক উপন্যাসৰ ধাৰাত বাস্না বৰুৱা অৰ্থাৎ বিৰিঞ্চি কুমাৰ বৰুৱা এটা প্ৰাতঃস্মৰণীয় নাম। তেওঁৰ *সেউজী পাতৰ কাহিনী* এনে এখন উপন্যাস য'ত চাহ বাগিচাৰ শ্ৰমিক শ্ৰেণীৰ জীৱন সংঘাত, তেওঁলোকৰ নিস্পেষিত প্ৰাণৰ কাতৰতা আৰু শ্ৰমিক নাৰীৰ মনৰ ক্ষোভ প্ৰকাশ পাইছে। পাঠ্যবিষয়ৰ অধ্যায় পাঁচ আৰু ছয় ক্ৰমে 'বিৰিঞ্চি কুমাৰ বৰুৱা ঃ *সেউজী পাতৰ কাহিনী*-১' আৰু 'বিৰিঞ্চি কুমাৰ বৰুৱা ঃ *সেউজী পাতৰ কাহিনী*-২'ৰ মাজেদি আমি এই গৰাকী অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতিৰ সাধকৰ অদ্বিতীয় কৃতিৰ লগতে তেওঁৰ জীৱন আৰু কৰ্মৰাজিৰ লগত পৰিচিত হ'ব পাৰোঁ। ইয়াৰ পৰৱৰ্তী দুটা অধ্যায় অৰ্থাৎ অধ্যায় সাত আৰু অধ্যায় আঠত কথাশিল্পী চৈয়দ আব্দুল মালিকৰ সামাজিক উপন্যাস *জীয়া জুৰিৰ ঘাটৰ* আলোচনা দুটা খণ্ডত কৰা হৈছে। এই গৰাকী বৰেণ্য কথাশিল্পীয়ে অসমীয়া উপন্যাস সাহিত্যলৈ অপৰিসীম অৱদান আগবঢ়াই থৈ গৈছে। তাৰ আলোচনা এই অধ্যায় দুটাত পঢ়িবলৈ পাব। নৱম আৰু দশম অধ্যায়ৰ শিৰোনাম ক্ৰমে 'বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ঃ *ৰাজপথে ৰিঙিয়ায়*-১' আৰু 'বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ঃ *ৰাজপথে ৰিঙিয়ায়*-২'। একাদশ আৰু দ্বাদশ অধ্যায়ৰ বিষয়বস্তু ৰূপে লোৱা হৈছে আধুনিক সময়ৰ অসমীয়া সাহিত্যৰ অন্য এগৰাকী প্ৰসিদ্ধ ঔপন্যাসিক, সাংবাদিক আৰু নিবন্ধকাৰ হোমেন বৰগোহাঞিৰ এখন বিশিষ্ট উপন্যাস *মৎস্যগন্ধা*। প্ৰান্ত্য সমাজ (Marginal Society)ৰ আলোচনা আজিৰ বিদ্যায়তনিক ক্ষেত্ৰখনত দৃষ্টিগোচৰ হোৱা এটা জনপ্ৰিয় বিষয় স্বৰূপ। তেনে এখন প্ৰান্ত্য সমাজৰ মনোজ্ঞ আলোচনা উপন্যাসৰ কাহিনীৰ মাজেদি অসমীয়া ঔপন্যাসিক হোমেন বৰগোহাঞিয়ে বিংশ শতিকাতে কৰি গৈছে। ইয়াত প্ৰাক্-স্বাধীনতা কালৰ অসমৰ উজনি অঞ্চলত অৱস্থান কৰা মৎস্যজীৱীৰ সমাজ এখনৰ বাস্তৱ চিত্ৰ অঙ্কন কৰিবলৈ ঔপন্যাসিকে যত্ন কৰা যেন বোধ হয়। উপন্যাসৰ কাহিনীটো বৰগোহাঞিৰ উৰ্বৰ সৃষ্টিৰ নমুনা যদিও তাৰ মাজেদি সমাজ সচেতন লেখক গৰাকীয়ে যেন এটা বিশেষ বাণী দিবলৈ প্ৰয়াস কৰিছে। 'হোমেন বৰগোহাঞি ঃ *মৎস্যগন্ধা*-১' আৰু 'হোমেন বৰগোহাঞি ঃ *মৎস্যগন্ধা*-২'ৰ অধ্যয়নে সেই কথাষাৰ স্পষ্ট কৰিব। এই পাঠ্যবিষয়ৰ অন্তিম দুটা অধ্যায় ক্ৰমে ত্ৰয়োদশ আৰু চতুৰ্দশ অধ্যায়ত আধুনিক অসমীয়া সাহিত্যৰ এগৰাকী অনন্য লেখিকা মামণি ৰয়ছম গোস্বামীৰ উপন্যাস *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাৰ* আলোচনা দুটা খণ্ডত আগবঢ়োৱা হৈছে। এইদৰে এই পাঠ্যবিষয়ে কম পৰিসৰতে অসমীয়া উপন্যাসৰ ঐতিহাসিক পৰিক্ৰমাৰ কেইটামান বিশিষ্ট বিন্দুত গুৰুত্ব আৰোপ কৰি শিক্ষার্থীক অসমীয়া উপন্যাসৰ ইতিহাসৰ বিষয়ে ধাৰণা দিবলৈ যত্ন কৰা হৈছে।

এই পাঠ্যবিষয়খন অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অর্থ সন্নিৱিষ্ট হৈছে। সেইদৰে— 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ সম্ভেদ আছে। প্রতিটো অধ্যায়ত থকা 'চিন্তা-চর্চা কৰক'সমূহে অধ্যয়ন অধিক সক্রিয় আৰু ফলপ্রসূ হোৱাত সহায় কৰিব। আকৌ, 'অগ্রগতি নিৰীক্ষণ'যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহৰ ৰূপৰেখা 'অগ্রগতিৰ খতিয়ান'ত সন্নিৱিষ্ট কৰা হৈছে। তাৰ সহায়েৰে আপুনি প্রশ্নবোৰৰ উত্তৰসমূহ লিখিবলৈ যত্ন কৰিলে অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান প্রশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্রসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্রস্তুত কৰা হৈছে। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ অসমীয়া উপন্যাসৰ ধাৰা-১ ৭-২০

অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্ব; প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া উপন্যাস

অধ্যায় ২ ঃ অসমীয়া উপন্যাসৰ ধাৰা-২ ২১-৩২

স্বৰাজোত্তৰ কালৰ অসমীয়া উপন্যাস

অধ্যায় ৩ ঃ ৰজনীকান্ত বৰদলৈ ঃ *দন্দুৰা দ্ৰোহ*-১ ৩৩-৪৫

ৰজনীকান্ত বৰদলৈ ঃ জীৱন আৰু কৃতি; ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

অধ্যায় ৪ ঃ ৰজনীকান্ত বৰদলৈ ঃ *দন্দুৰা দ্ৰোহ*-২ ৪৬-৬৩

দন্দুৰা দ্ৰোহঃউপন্যাসখনৰ সাধাৰণ আলোচনা, উপন্যাসখনৰ কাহিনীভাগ, উপন্যাসখনৰ চৰিত্ৰচিত্ৰণ, উপন্যাসখনৰ বৈশিষ্ট্যসমূহ

অধ্যায় ৫ ঃ বিৰিঞ্চি কুমাৰ বৰুৱা ঃ *সেউজী পাতৰ কাহিনী* -১ ৬৪-৭০

বিৰিঞ্চি কুমাৰ বৰুৱা ঃ জীৱন আৰু কৃতি; বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

অধ্যায় ৬ ঃ বিৰিঞ্চি কুমাৰ বৰুৱা ঃ *সেউজী পাতৰ কাহিনী* -২ ৭১-৯০

সেউজী পাতৰ কাহিনীঃ উপন্যাসখনৰ সাধাৰণ আলোচনা, উপন্যাসখনৰ কাহিনীভাগ, উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ, উপন্যাসখনৰ বৈশিষ্ট্যসমূহ; উপন্যাসখনত প্ৰতিফলিত হোৱা শ্ৰেণী সংগ্ৰাম

অধ্যায় ৭ ঃ চৈয়দ আব্দুল মালিক ঃ *জীয়া জুৰিৰ ঘাট*-১ ৯১-১০১

চৈয়দ আব্দুল মালিক ঃ জীৱন আৰু কৃতি; চৈয়দ আব্দুল মালিকৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

অধ্যায় ৮ ঃ চৈয়দ আব্দুল মালিক ঃ *জীয়া জুৰিৰ ঘাট*-২ ১০২-১১৬

জীয়া জুৰিৰ ঘাট ঃ উপন্যাসখনৰ সাধাৰণ আলোচনা, উপন্যাসখনৰ কাহিনীভাগ, উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ, উপন্যাসখনৰ বৈশিষ্ট্যসমূহ, উপন্যাসখনত প্ৰতিফলিত হোৱা মানবতাবাদ, উপন্যাসখনৰ সাহিত্যিক সৌন্দৰ্য

অধ্যায় ৯ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ঃ *ৰাজপথে ৰিঙিয়ায়*-১ ১১৭-১২৩

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য ঃ জীৱন আৰু কৃতি; বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

অধ্যায় ১০ ঃ বীৰেন্দ্র কুমাৰ ভট্টাচার্য্য ঃ *ৰাজপথে ৰিঙিয়ায়*-২ ১২৪-১৪১

ৰাজপথে ৰিঙিয়ায় ঃ উপন্যাসখনৰ সাধাৰণ আলোচনা, উপন্যাসখনৰ কাহিনীভাগ, উপন্যাসখনৰ চৰিত্র চিত্রণ, উপন্যাসখনৰ বৈশিষ্ট্যসমূহ, ৰাজনৈতিক উপন্যাস হিচাপে ৰাজপথে ৰিঙিয়ায়

অধ্যায় ১১ ঃ হোমেন বৰগোহাঞি ঃ *মৎস্যগন্ধা*-১ ১৪২-১৫৩

প্রান্ত্য সমাজ (Marginal Community) আৰু হোমেন বৰগোহাঞি; হোমেন বৰগোহাঞি ঃ জীৱন আৰু কৃতি; হোমেন বৰগোহাঞিৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

অধ্যায় ১২ ঃ হোমেন বৰগোহাঞি ঃ *মৎস্যগন্ধা*-২ ১৫৪-১৬৮

মৎস্যগন্ধা ঃ উপন্যাসখনৰ সাধাৰণ আলোচনা, উপন্যাসখনৰ কাহিনীভাগ, উপন্যাসখনৰ চৰিত্র চিত্রণ, উপন্যাসখনৰ বৈশিষ্ট্যসমূহ

অধ্যায় ১৩ ঃ মামণি ৰয়ছম গোস্বামী ঃ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*-১ ১৬৯-১৮৬

মামণি ৰয়ছম গোস্বামী ঃ জীৱন আৰু কৃতি; মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

অধ্যায় ১৪ ঃ মামণি ৰয়ছম গোস্বামী ঃ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*-২ ১৮৭-২১৩

দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা ঃ উপন্যাসখনৰ সাধাৰণ আলোচনা, উপন্যাসখনৰ কাহিনীভাগ, উপন্যাসখনৰ চৰিত্র চিত্রণ, উপন্যাসখনৰ বৈশিষ্ট্যসমূহ, উপন্যাসখনত প্রতিফলিত নাৰী কেন্দ্রিক চিন্তা, উপন্যাসখনত প্রয়োগ হোৱা ভাষা, আঞ্চলিক উপন্যাস হিচাপে *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*

প্রসঙ্গ পুথি ২১৪-২১৬

অধ্যায় ১ ঃ অসমীয়া উপন্যাসৰ ধাৰা-১

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্ব
১.৪ প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া উপন্যাস
১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৬ অধিক জানিবলৈ
১.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১.৮ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া উপন্যাসৰ আৰম্ভণি কালৰ বিষয়ে জ্ঞান লাভ কৰিব
- প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া উপন্যাসৰ গতি-প্ৰকৃতি সম্পৰ্কে ধাৰণা লাভ কৰিব
- সামগ্ৰিকভাৱে অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্বৰ পৰা প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া উপন্যাসৰ গতিধাৰা সম্পৰ্কে ধাৰণা লাভ কৰিব।

১.২ পৰিচয়

এই অধ্যায়টি 'অসমীয়া উপন্যাস' শীৰ্ষক তৃতীয় ষাণ্মাসিকৰ দ্বিতীয় বুনিয়াদী পাঠ্যবিষয়ৰ প্ৰথম অধ্যায়। আপুনি নিশ্চয় জানে যে 'উপন্যাস' হ'ল আধুনিক কালৰ সাহিত্য ৰচনা কৰাৰ এক ধৰণৰ কথাশৈলী। সাহিত্যৰ আটাইবোৰ ঠালৰ ভিতৰত সৰ্বোৎকৃষ্ট আৰু শিথিলবন্ধী ঠাল হ'ল উপন্যাস। অসমীয়া 'উপন্যাস' শব্দটো ইংৰাজী 'Novel' শব্দৰ প্ৰতিশব্দ হিচাপে ব্যৱহাৰ কৰা হয়। ইয়াৰ অৰ্থ নতুন, অভিনৱ আৰু জীৱন্ত বা সতেজ। ইয়াৰ উপৰি উপন্যাসক "এবিধ যথেষ্ট দীঘল মনে সজা কথাৰ ভাষাৰ গল্প, য'ত প্ৰকৃত জীৱনৰ প্ৰতিনিধিত্বমূলক চৰিত্ৰ আৰু কাৰ্যকলাপ কম-বেছি পৰিমাণে জটিল কাহিনীত চিত্ৰিত হয়" বুলিও চিহ্নিত কৰা হয়।

অৰুণোদয় যুগতে সাহিত্যৰ এই ঠালটি অসমীয়া সাহিত্য ক্ষেত্ৰত প্ৰৱেশ কৰে। এই বিষয়ে আপুনি ইতিমধ্যে অসমীয়া সাহিত্যৰ বুৰঞ্জীত থূলমূলকৈ অধ্যয়ন কৰি আহিছে। অসমীয়া সাহিত্যৰ বিভিন্ন যুগত সাহিত্যৰ এই ঠালটি কেনেদৰে পল্লৱিত হৈছিল সেই বিষয়েও আপুনি সম্যকভাৱে সাহিত্যৰ বুৰঞ্জীতে অধ্যয়ন কৰি আহিছে। অসমীয়া উপন্যাস সাহিত্যৰ ধাৰা সম্পৰ্কে বিস্তৃত পৰিচয় দাঙি ধৰিবলৈকে এই বিষয়টি আপোনাৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট কৰা হৈছে।

আলোচনাৰ সুবিধার্থে বিষয়টি দুটা অধ্যায়ত বিভাজন কৰি লোৱা গৈছে। প্রথম অধ্যায়টিত অসমীয়া উপন্যাসৰ প্রস্তুতি পর্বৰ পৰা প্রাক্-স্বাধীনতাৰ কালছোৱা সন্নিৱিষ্ট কৰা হৈছে আৰু দ্বিতীয়টো অধ্যায়ত স্বৰাজোত্তৰ কালৰ অসমীয়া উপন্যাস সম্পর্কে আলোচনা দাঙি ধৰা হৈছে। এই অধ্যায় দুটিৰ অধ্যয়নে আপোনাক অসমীয়া উপন্যাসৰ ধাৰা সম্পর্কে গভীৰ ধাৰণা প্রদান কৰিব।

১.৩ অসমীয়া উপন্যাসৰ প্রস্তুতি পর্ব

সাহিত্যৰ ঠাল হিচাপে 'উপন্যাস' পাশ্চাত্য সাহিত্যত কিছু পুৰণি যদিও ভাৰতীয় সাহিত্যত ই অর্বাচীন। দৰাচলতে ভাৰতলৈ মিছনেৰীসকল অহাৰ পাছতহে কেইবাটাও আঞ্চলিক ভাষাত কিছুমান গদ্য কাহিনীৰ সৃষ্টি হয়। এই সময়ৰ গদ্যৰ মূল বিষয়বস্তু আছিল ধর্মীয়, ব্যঙ্গাত্মক আৰু ঐতিহাসিক।

অসমীয়া সাহিত্যত উপন্যাস শীর্ষক নব্য সাহিত্য ধাৰাটি কেনেদৰে আৰম্ভ হ'ল সেই বিষয়ে আলোচনা কৰাৰ পূর্বে উপন্যাসনো কেনেদৰে সৃষ্টি হ'ল সেই বিষয়ে কিছু কথা জানি লোৱাৰ প্রয়োজনীয়তা উপলব্ধ হয়। ইতিমধ্যে উল্লেখ কৰা হৈছে যে অসমীয়া 'উপন্যাস' শব্দটো ইংৰাজী 'Novel' শব্দৰ প্রতিশব্দ; এই শব্দটো আকৌ ইটালীয় 'Novella' শব্দৰ পৰা উৎপত্তি হৈছে। ইয়াৰ অর্থ সাধুকথা, কাহিনী বা গল্প। অৱশ্যে এটা কথা ঠিক যে ইটালীয় 'Novella' শব্দৰ পৰা 'Novel' শব্দৰ সৃষ্টি হৈছে যদিও তাৰ বৈশিষ্ট্যৰ লগত উপন্যাসৰ বহু পার্থক্য বিৰাজমান। আচলতে উপন্যাস আধুনিক যুগৰ সৃষ্টি আৰু ইয়াৰ ঘাই আধাৰ হ'ল মানৰ জীৱন। ইয়াত কাহিনী বা ঘটনা বস্তু, চৰিত্র, সংলাপ, পৰিস্থিতি বা পৰিৱেশ, উৎকণ্ঠা, জীৱন-দর্শন, ৰচনা-ৰীতি, ভাষা আদি বিবিধ উপাদান অন্তর্সংলগ্নভাৱে যুক্ত হৈ থাকে।

চতুদর্শ শতিকাৰ গিয়োভানি বক্কেচ্ছিয়াৰ *ডেকামেৰণ*ৰ কাহিনীসমূহৰ নভেলা বুলি অভিহিত কৰা হৈছে যদিও তাৰ মাজত উপন্যাসৰ গুণাৱলী ফুটি উঠা নাই বুলি সমালোচকসকলে মন্তব্য কৰে। মূলতঃ "নাগৰিক সভ্যতাৰ উদ্ভৱ, ঔদ্যোগিক বিকাশ, সামাজিক অর্থনীতিৰ বিৱর্তন, বণিক শ্রেণীৰ উদ্ভৱ, ক্লাৰ আৰু কফি হাউচৰ জনপ্রিয়তা আৰু বৃদ্ধি, মুদ্রা যন্ত্রৰ আৱিস্কাৰ, সংবাদপত্রৰ প্রসাৰ, বৈজ্ঞানিক চিন্তাধাৰাৰ উৎকর্ষতা, মানবিকতাৰ বিকাশ আৰু ব্যক্তি স্বাতন্ত্র্যৰ প্রতিষ্ঠাই উপন্যাস সৃষ্টি আৰু বিকাশৰ অনুকুলতা দান কৰে" বুলি সত্যেন্দ্রনাথ শর্মাই মত পোষণ কৰিছে। অষ্টাদশ শতিকাত ডেনিয়েল ডিফোৱে ৰচনা কৰা *ৰবিঞ্চন ক্রুছো* (১৭১৯)কে প্রকৃত অর্থত উপন্যাস বুলি বিবেচনা কৰা হয়। সমসাময়িক সময়ত ইষ্টক গাথিলে ৰিছার্ডছনে ৰচনা কৰে *পামেলা* (১৭৪০) আৰু *ক্লেৰিছা হার্লো;* ফিল্ডিঙে *টম জোনচ্* (১৭৪১), *জোছেফ এন্দ্রুজ* (১৭৪২), *জোনথান্ ৱাইল্ড আৰু এমেলিয়া*। সমসাময়িক সময়ত ষ্টার্ণ, স্মলেট্ আৰু গল্ড'স্মিৰ্থেও কেইখনমান উপন্যাস লিখি এই নব্য সাহিত্য ধাৰাটো প্রতিষ্ঠাত সহায় কৰে। ইয়াৰ পাছতে ভিক্টোৰীয়া যুগত (১৮৩২-১৯০০)ত বিভিন্নজন সাহিত্যিকে, যেনে— ডিকেন্স, হেনৰী জেমচ, টমাচ হার্ডি আৰু বিংশ শতিৰাৰ প্রাৰম্ভতে এইচ জি ৱেলচ, ভার্জিনিয়া উলফ্, লৰেঞ্চ, জেমচ

জইচ, আনর্ল্ড বেনেট আদি ইংৰাজ ঔপন্যাসিকে উপন্যাসক এই নতুন মাত্রা প্রদান কৰে। ঠিক সেইদৰে ফ্রান্সত ভল্টেয়াৰ, স্তাধেল, বালজাক, ভিক্টৰ হুগো, আলেকজেণ্ডাৰ দুমা, এমিলি জোলা, জাপল ছার্ত্রে; ৰুচ দেশৰ পুছকিন, গোগল, তুর্গেনিভ, দস্তয়েভস্কি, টলষ্টয়, মেক্সিম গর্কি, বৰিচ পেষ্টাৰনক আদিয়ে সমগ্র বিশ্বতে উপন্যাসক এক নতুন ধাৰা হিচাপে প্রতিষ্ঠা কৰিলে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ উপন্যাস নামৰ নতুন সাহিত্য ধাৰাটোৰ সৃষ্টি কেনেদৰে হৈছিল সেই বিষয়ে চমুকৈ লিখক। (১৫০টা শব্দৰ ভিতৰত)

ভাৰতবর্ষত যে মিছনেৰীসকলৰ আগমনৰ পাছতহে সাহিত্যৰ এই নব্য ধাৰাটোৰ শুভাৰম্ভ ঘটিছিল সেই কথা ইতিপূর্বে উল্লেখ কৰি অহা গৈছে। ভাৰতত উপন্যাস নামৰ নব্য ধাৰাটো পোন প্রথমে আৰম্ভ হৈছিল বাংলা ভাষাত। ব্রিটিছসকলৰ অধীনত বঙ্গত নগৰকেন্দ্রিক সভ্যতাৰ উদ্ভৱৰ লগে লগেই উপন্যাস সৃষ্টিৰ অনুকুল পৰিৱেশৰ সৃষ্টি হয়। ১৮২৩ খ্রীষ্টাব্দত ভবানীচৰণ বন্দোপাধ্যায়ে ৰচনা কৰা *নববাবু-বিলাস* নামৰ কাহিনী পুথিখনক প্রথম বাংলা উপন্যাস বুলি বিবেচনা কৰা হয়। অৱশ্যে *সমাচাৰ দর্পণ* নামৰ কাকতখনৰ ২৪ ফেব্রুৱাৰী আৰু ৯ জুন তাৰিখে প্রকাশিত সংখ্যাত 'বাবুৰ উপাখ্যান' নামৰ কাহিনী প্রকাশ পাইছিল। সেই কাহিনীটোতে বঙালী তথা ভাৰতীয় উপন্যাসৰ বীজ অংকৰিত হৈছিল বুলি সমালোচকসকলে মন্তব্য কৰে। ১৮৬৪ খ্রীষ্টাব্দত বংকিমচন্দ্রৰ প্রথমখন উপন্যাস *দুর্গেশনন্দিনী* প্রকাশ পাইছিল আৰু ইয়াৰ পাছতে বিভিন্নজন লেখকৰ হাতত বাংলা উপন্যাসে ন ন ৰূপত উদ্ভাসিত হোৱাৰ লগতে ভাৰতীয় আন আন ভাষাটো উপন্যাস ৰচনা হ'বলৈ ধৰে।

অসমীয়া সাহিত্যৰ প্রসঙ্গত ক'ব পাৰি যে মিছনেৰীসকলে খ্রীষ্টধর্ম প্রচাৰৰ অর্থে এই ধাৰা আৰম্ভ কৰিছিল। ঊনবিংশ শতিকাটো অসমৰ ভাষা-সাহিত্যৰ বাবে বৰ তাৎপর্যপূর্ণ সময়। এই সময়ছোৱাৰ পটভূমি কেনে আছিল সেই বিষয়ে ইতিমধ্যে আপুনি এইটো যাথাসিকৰে সাহিত্যৰ বুৰঞ্জীত অধ্যয়ন কৰি আহিছে। অসমৰ বৌদ্ধিক দিশত এই শতিকাৰ মাজভাগত মিছনেৰীসকলে প্রকাশ কৰা *অৰুনোদই* কাকতৰ মাধ্যমেৰে নৱজাগৰণৰ প্রথমটি সোঁত সোমাই আহে। আধুনিক অসমীয়া সাহিত্যৰনৱতম সৃষ্টি উপন্যাসৰ প্রথম বীজটি ৰোপিত তথাসংস্থাপিত হৈছিল *অৰুনোদইৰ* বুকুত। অৱশ্যে মন কৰিবলগীয়া যে অসমত তেতিয়ালৈকে নগৰকেন্দ্রিক সভ্যতাই ভালদৰে খুপনি পুতিব পৰা নাছিল আৰু ব্যক্তি সত্তাই প্রতিপত্তি লাভ কৰা নাছিল। এক কথাত ক'ব পাৰি উপন্যাসৰ সমলৰ বাবে যি ধৰণৰ পৰিৱেশৰ প্রয়োজন তেনে এটি পৰিৱেশ সৃষ্টি হোৱা নাছিল। তথাপিতো সেই সময়ছোৱাতে আমেৰিকান খ্রীষ্টান মিছনেৰী ডঁ নাথান ব্রাউন চাহাবে বিখ্যাত ইংৰাজী কাহিনীকাৰ জন বুনিয়ানৰ *The Pilgrim's Progress* নামৰ উপন্যাসখন *যাত্রিকৰ যাত্রা* নামেৰে অসমীয়ালৈ অনুবাদ কৰে। এইখন উপন্যাস ১৮৪৮ চনৰ নৱেম্বৰ মাহৰ পৰা *অৰুনোদই* কাকতত ছোৱা-ছোৱাকৈ প্রকাশ পাইছিল। পুথি হিচাপে প্রকাশ পাইছিল ১৮৫৭

চনত।এই উপন্যাসখনত পাপেৰে জৰ্জৰিত মানুহে ভগৱৎ দৰ্শন লাভৰ জৰিয়তে কেনেকৈ মুক্তিৰ সন্ধান পাব পাৰে সেয়া প্ৰকাশ কৰা হৈছে। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে এইখন উপন্যাসৰ কাহিনী ভাগৰ লগত অসমৰ সমাজ জীৱনৰ সম্পৰ্ক নাছিল, কাহিনী সুদৃঢ় নহয়, গদ্য ভঙ্গী অপৰিমাৰ্জিত, বাক্যৰীতি ইংৰাজী বাক্যৰ ওচৰ চপা, আংগিকগত দিশতো বৰ দুৰ্বল। তথাপিতো এইখন উপন্যাসৰ জৰিয়তে অসমীয়া পাঠক উপন্যাস নামৰ কথাশিল্পৰ লগত পৰিচিত হ'ল। এক কথাত ক'ব পাৰি এইখন প্ৰথম অসমীয়া উপন্যাস। ইয়াৰ পাছত এ. কে. গাৰ্ণিয়ে *এলোকেশী বেশ্যাৰ বিষয়, কনি বেহেৰুৱাৰ বিষয়* আৰু *ৰুথৰ কাহিনী* অনুবাদ কৰে; ৰচনা কৰে *কামিনীকান্ত* নামেৰে এখনি নতুন উপন্যাস;ঠিক সেইদৰে শ্ৰীমতী গাৰ্ণিয়ে *ফুলমণি আৰু কৰুণা* বাংলাৰ পৰা অনুবাদ কৰে।

*এলোকেশী বেশ্যাৰ বিষয়*খন হ'ল মিছ এম. ই. লেছলীয়ে লিখা এখন উদ্দেশ্যধৰ্মী উপন্যাসিকাৰ অসমীয়া অনুবাদ। ১৮৭৭ চনত প্ৰকাশ পোৱা এইখন উপন্যাসত এলোকেশী নামৰ এগৰাকী বালবিধবা নাৰীয়ে কেনেদৰে জীৱনৰ পাকচক্ৰত পৰি অনৈতিক কামত লিপ্ত হৈছিল আৰু পৰিশেষত উদাৰ খ্ৰীষ্টিয়ান ধৰ্মত আশ্ৰয় লৈ পৱিত্ৰ জীৱনৰ পথলৈ প্ৰত্যাৱৰ্তন কৰিছে সেয়া বৰ্ণনা কৰা হৈছে। ঠিক সেইদৰে ১৮৭৭ চনতে প্ৰকাশ পোৱা *কামিনীকান্ত* নামৰ উপন্যাসখনত ১৫টা অধ্যায়ত কামিনীকান্ত নামৰ নৈষ্ঠিক হিন্দু ব্যক্তি এগৰাকীয়ে খ্ৰীষ্ট ধৰ্ম গ্ৰহণ কৰাৰ পাছত কেনেদৰে পৰিয়াল আৰু সমাজৰ পৰা বাধা পাইছিল সেয়া বৰ্ণনা কৰি শেষত কেনেদৰে পৰিবাৰকো খ্ৰীষ্টিয়ান ধৰ্মত দীক্ষিত কৰে সেয়া বহলাই বৰ্ণনা কৰা হৈছে। এই উপন্যাসখনৰ পটভূমি আৰু চৰিত্ৰসমূহ বঙালী সমাজৰ লগত তুলনীয়। "তথাপি ভাষাৰ ফালৰ পৰা ই এখন মৌলিক অসমীয়া উপন্যাস।" শ্ৰীমতী হানা কেথাৰিণ মুলেঞ্চৰ *ফুলমণি ও করুণার বিবরণ* উপন্যাসখন এ. কে. গাৰ্ণীৰ পত্নী মেৰী এফ. লৰেঞ্চে *ফুলমণি আৰু কৰুণা* নামেৰে অনুবাদ কৰি ১৮৭৭ চনত ছপাই উলিয়ায়। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে ১৮৫৪ চন মানতে এই পুথিখন আন কোনো শ্ৰীৰামপুৰৰ খ্ৰীষ্টিয়ান পাদুৰীয়ে অসমীয়ালৈ অনুবাদ কৰাৰ কথা আনন্দৰাম ঢেকিয়াল ফুকনে তেওঁৰ *A Few Remarks on the Assamese Language and on Vernicular Education in Assam*ত উল্লেখ কৰি গৈছে। এই উপন্যাসখনত খ্ৰীষ্টিয়ান ধৰ্মৰ মহত্ব দেখুৱাই দৈনন্দিনত জীৱনত ইয়াৰ প্ৰভাৱ কেনে; অৰ্থাৎ বৈবাহিক সম্বন্ধ, স্বামীৰ প্ৰতি স্ত্ৰীৰ কৰ্তব্য, শিশুক নৈতিক শিক্ষা প্ৰদান, স্ত্ৰী-শিক্ষাত গুৰুত্ব প্ৰদান আদি বিভিন্ন দিশ সম্পৰ্কে আলোকপাত কৰা হৈছে। সেইবাবেই হয়টো এই উপন্যাসখন অসমীয়াৰ উপৰি তেলেগু, কানাড়ী, মাৰাঠী ভাষালৈও অনূদিত হৈছিল। এ.কে. গাৰ্ণীয়ে ১৮৭৮ চনত অনুবাদ কৰিপ্ৰকাশ কৰে *কনি বেহেৰুৱাৰ বিষয়*। এইখন উপন্যাস স্কটলেণ্ডৰ পটভূমিত ৰচিত আৰু চৰাইৰ কণী বিচাৰি পৰ্বতলৈ যোৱা যুৱক এজনৰ দুঃসাহসিক কৰ্ম আৰু সেই সময়ত তেওঁৰ কেনেদৰে মানসিক পৰিৱৰ্তন সাধন হৈছিল সেয়া বৰ্ণনা কৰা হৈছে। তাৰ মাজতে খ্ৰীষ্টিয়ান ধৰ্মৰ দাৰ্শনিক ধাৰণা সন্নিৱিষ্ট কৰি পাৰ্থিৱ দুখ-দুৰ্গতিৰ পৰা পৰিত্ৰাণপাবলৈ খ্ৰীষ্টিয়ান ধৰ্মত আশ্ৰয় লোৱাৰ কথা ব্যক্ত কৰিছে। এই পুথিসমূহ মূলতঃ খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰৰ অৰ্থে ৰচনা কৰা হৈছিল। এই কেইখন উপন্যাস অসমীয়া সমাজৰ ৰুচি আৰু মানসিকতাৰ লগত বৰ ক্ষীণ সম্পৰ্কেৰেহে সংযোজিত আছিল।

এই সময়তে হেমচন্দ্ৰ বৰুৱাই ৰচনা কৰে *বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী*। প্ৰধানতঃ ব্যঙ্গাত্মকভাৱে সমাজৰ ভণ্ডামিবোৰ দাঙি ধৰাৰ উদ্দেশ্যে ৰচিত এইখন পুথিত সুগঠিত, সুবিন্যস্ত কাহিনী আৰু নিটোল চৰিত্ৰাঙ্কন নাই। ১৮৭৬ চনত প্ৰকাশিত এইখন পুথিৰ পটভূমি, চৰিত্ৰ, সংলাপ আদি সম্পূৰ্ণৰূপে অসমীয়া সমাজৰ পৰা আহৰণ কৰা। ইয়াত "প্ৰাচ্য-পাশ্চাত্যৰ দোমোজাত অসমীয়া সত্ৰীয়া সংস্কৃতিৰ অৱক্ষয় আৰু অসমীয়া মানুহৰ বিচিত্ৰ মানসিকতা আংশিকভাৱে ফুটি উঠিছে।" স্মৰণযোগ্য যে ব্যঙ্গ প্ৰধান সাহিত্য প্ৰকৃত ভাল উপন্যাসৰ শাৰীলৈ উঠিব নোৱাৰে, কাৰণ এনে ৰচনাত উপন্যাসৰ প্ৰয়োজনীয় অঙ্গবোৰৰ সুস্থ আৰু কলাত্মক বিকাশলৈ লক্ষ্য ৰখা নহয়। অৱশ্যে এটা কথা ঠিক যে এইখন পুথিৰ গদ্যই অসমীয়া গদ্যৰীতিৰ বিকাশত বিশেষ পদক্ষেপ ল'লে। সত্যেন্দ্ৰনাথ শৰ্মাই এই পুথিখনৰ ৰচনাত বঙ্গদেশত প্ৰকাশ হোৱা ব্যঙ্গধৰ্মী *নৱবাবুবিলাস, আলালের ঘরের দুলাল* আদি উপন্যাসকল্পৰ প্ৰভাৱ পৰাৰ সম্ভাৱনা ব্যক্ত কৰিছে।

হেমচন্দ্ৰ বৰুৱাৰ উপন্যাসখন প্ৰকাশ হোৱাৰ আঠ বছৰৰ পাছত, অৰ্থাৎ ১৮৮৪ চনত পদ্মাৱতী দেৱী ফুকননীৰ *সুধর্মাৰ উপাখ্যান* প্ৰকাশ হয়। ছয়টা পৰিচ্ছেদত বৰ্ণিত ৪২ পৃষ্ঠাৰ এই উপন্যাসখনত "সজ আৰু অসজ মানুহৰ কাৰ্য্যৰ ফল" দেখু�ৱাইছে বুলি উপন্যাসিকাই মন্তব্য কৰিছে। আকস্মিক সংযোগ, অপ্ৰত্যাশিত ঘটনাই কাহিনীটোক বাস্তৱধৰ্মী উপন্যাসৰ পৰা ভালেখিনি আঁতৰাই নিছে। সেয়ে এইখনো সাৰ্থক উপন্যাস হিচাপে চিহ্নিত নহ'ল। অৱশ্যে সেই সময়ত এগৰাকী অসমীয়া নাৰীয়ে এনে ধৰণৰ এখন উপন্যাস লিখি প্ৰকাশ কৰাটো সঁচাকৈয়ে আদৰণীয়। ১৮৮৫ চনত প্ৰকাশ হৈ থকা *আসাম বন্ধু* (সম্পাদক ঃ ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱা)ৰ প্ৰথম ভাগৰ সপ্তম আৰু অষ্টম সংখ্যাত কৰুণাভিৰাম বৰুৱাই লিখা *প্ৰমীলা* নামৰ উপন্যাস এখন ধাৰাবাহিকভাৱে দুটা সংখ্যাত প্ৰকাশ হৈছিল যদিও তাৰ পাছৰ সংখ্যা কেইটাত এইখন বাতৰিকাকত প্ৰকাশিত নহ'ল। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে অসমীয়া সাহিত্যত 'উপন্যাস' শব্দটো এইখন উপন্যাসৰ প্ৰসঙ্গতে *আসাম বন্ধুত* পোন-প্ৰথমবাৰৰ বাবে প্ৰয়োগ হয়।

প্ৰকৃতাৰ্থত উপন্যাসৰ বৈশিষ্ট্যৰে সমৃদ্ধ অসমীয়া প্ৰথমখন উপন্যাস হ'ল *ভানুমতী*, ঔপন্যাসিক পদ্মনাথ গোহাঞিবৰুৱা। এই উপন্যাসখন পুথি হিচাপে প্ৰকাশ পাইছিল ১৯০৮ চনত। পুথিখনৰ পাতনিত গোহাঞিবৰুৱাই লিখিছে— "ভানুমতী ৰচোঁতাৰ পোন প্ৰথম সাহিত্যিক অৰ্জ্জন। ইয়াক অসমীয়া সাহিত্যৰ ভঁড়ালত তেওঁৰ প্ৰথম লখিমী বুলিব লাগিব। ১৮১২-১৩ শকৰ *বিজুলীৰ* পোহৰত ছোৱা-ছোৱাকৈ প্ৰকাশ হৈছিল। তাৰ পাছত, ইয়াক সুকীয়াকৈ উলিয়াবৰ অৰ্থে ভালেমান দিনৰে পৰা মন কৰা হৈছিল; আনকি ৰচোঁতাৰ আনবিলাক কিতাপৰ তালিকাত ইয়াৰ নামো ওলাইছে। কিন্তু সময় আৰু সুবিধাৰ অভাৱত ইমান দিনলৈকে মনৰ কথা মনতে ৰৈছিল। এই গ্ৰন্থাকাৰৰ দ্বাৰাই সম্পাদিত *বিজুলীৰ* পোহৰত দেখা *ভানুমতীৰ* আঁতিগুৰি আগৰদৰেই আছে। এতিয়া মাথোন ভানুৰ কিৰণত সুকীয়াকৈ চালে, আৰু অলপ বেছিকৈ জেউতি চৰা দেখা যাব। সি যি হওক, সেই ৰাতিপুৱা ৰোৱা পুলিটি দুপৰীয়াৰ ৰ'দত ওলাব লগা হৈছে, এতিয়া, সি পাঠকৰ অনাদৰত লেৰেলি জয় নপৰিলেই হয়।" এইখিনিতে আলোচক পৰীক্ষিত হাজৰিকাই 'অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্ব' শীৰ্ষক প্ৰবন্ধত উল্লেখ কৰা মন্তব্যটি স্মৰণযোগ্য— "কাহিনী,

পটভূমি, চৰিত্ৰ, সংলাপ, পৰিবেশ, ৰস, উৎকণ্ঠা, আদৰ্শ আৰু ৰচনা-ৰীতিৰ পিনৰ পৰা ১৮৯১ চনত *বিজুলী* কাকতত প্ৰকাশিত পদ্মনাথ গোহাঞিবৰুৱাৰ *ভানুমতী* নামৰ ঘৰুৱা উপন্যাসখন নিঃসন্দেহে প্ৰথম মৌলিক অসমীয়া উপন্যাস বুলি ক'ব পাৰি।" এই উপন্যাসখন ঐতিহাসিক মোৱামৰীয়া বিদ্ৰোহৰ পটভূমিত আত্মজীৱনীমূলক (প্ৰথম পুৰুষত বৰ্ণনা) বৰ্ণনা পদ্ধতিৰে মৰাণ গোহাঞিবৰুৱাৰ ছোৱালী ভানুমতী আৰু সেই ঘৰতে সৰুৰে পৰা ডাঙৰ-দীঘল হোৱা চাৰু গোহাঞিৰ প্ৰণয় কাহিনী উপস্থাপন কৰা হৈছে। অৱশ্যে উপন্যাসখনৰ পৰিসমাপ্তি ঘটিছে বিষাদেৰে।

এইখিনিতে স্মৰণযোগ্য যে লক্ষ্মীনাথ বেজবৰুৱাৰ *পদুম কুঁৱৰী* উপন্যাসখনো *পদ্মাকুমাৰী* নামেৰে ১৮৯১ চনৰ *জোনাকী* কাকতৰ তৃতীয় বছৰ, প্ৰথম সংখ্যাৰ পৰা ছোৱা-ছোৱাকৈ প্ৰকাশিত হৈছিল। এইখন উপন্যাস ১৯০৫ চনত *পদুমকুঁৱৰী* নামেৰে গ্ৰন্থাকাৰে প্ৰকাশ পায়। এক কথাত ক'ব পাৰি এইখন দ্বিতীয় সাৰ্থক অসমীয়া উপন্যাস। এই উপন্যাসখন অসম বুৰঞ্জীখ্যাত দন্দুৱা দ্ৰোহৰ ঘটনাক কেন্দ্ৰ কৰি ৰচনা কৰা হৈছে। এই কাহিনীৰ লগত সূৰ্য্যকুমাৰ আৰু হৰদত্তৰ জীয়ৰী পদুমৰ প্ৰণয়-কাহিনী সংযোগ কৰি দিয়া হৈছে। এইখন উপন্যাসতো ৰাজনৈতিক দুৰ্যোগৰ লগে লগে সূৰ্য্য আৰু পদুমৰ প্ৰণয়ৰ শোকাৱহ পৰিণতি হৈছে।

১৮৯২ খ্ৰীঃত পদ্মনাথ গোহাঞিবৰুৱাৰ *লাহৰী* নামৰ উপন্যাসখন গ্ৰন্থাকাৰে প্ৰকাশ পায়। এইখনেই পুথি হিচাপে ছপা হোৱা প্ৰথম অসমীয়া উপন্যাস। পুথিখনৰ প্ৰথম তাঙৰণৰ পাতনিত লিখা কথাখিনি উল্লেখযোগ্য—"অসমীয়া উপন্যাস বুলিবলৈ আজিলৈকে এখনো পুথি ওলোৱা নাই। সেই অভাৱ আৰু দুৰ্নাম গুচাবৰ মনেৰেই *লাহৰী* ৰচিবলৈ লোৱা হয়।" গোহাঞিবৰুৱা ৰচনাৱলীৰ ভূমিকাত মহেশ্বৰ নেওগে *লাহৰী* সম্পৰ্কে কৰা এষাৰ মন্তব্য স্মৰণীয়—"১৮৯২ চনত এইখনি ছপা হৈ ওলাল আৰু পুথি আকাৰত ওলোৱা প্ৰথম অসমীয়া উপন্যাস বুলি পৰিগণিত হ'ল। কাৰণ বেজবৰুৱাৰ *পদুম কুঁৱৰী* আৰু স্বয়ং গোহাঞিবৰুৱাৰ *ভানুমতী* তেতিয়াও *জোনাকী* আৰু *বিজুলী*ৰ পাততে সিঁচৰতি হৈ আছিল।" *লাহৰি* উপন্যাসখনৰ পটভূমি হ'ল মানৰ অসম আক্ৰমণ। এইখন উপন্যাসত কীৰ্তিনাথ বুঢ়াগোহাঞিৰ ছোৱালী লাহৰী আৰু শান্তিৰাম মৰাণ গোহাঞিৰ ল'ৰা কমলৰ প্ৰণয় কাহিনী আঙ্কন কৰি তেওঁলোকৰ মিলনেৰে সমাপ্তি ঘটোৱা হৈছে।

*বিজুলী*ৰ দ্বিতীয় বছৰতো আন এখন উপন্যাস ছোৱা-ছোৱাকৈ প্ৰকাশ পাইছিল। *মেম* নামৰ এই উপন্যাসখনৰ ঔপন্যাসিক আছিল পদ্মনাথ গোহাঞিবৰুৱাৰ জ্যেষ্ঠ ভাতৃ নীলকণ্ঠ বৰুৱা। আঠটা অধ্যায়ত বিভক্ত এই উপন্যাসখনত ব্যঙ্গাত্মক উপস্থাপন ৰীতি ব্যৱহাৰ কৰা হৈছে যদিও কাহিনী গতিশীল ৰূপত উপস্থাপিত হৈছে। *মেমখন* উপন্যাস ৰূপে বৰ সাৰ্থক নাছিল। অৱশ্যে সামাজিক সমস্যা, নাৰী-নিৰ্যাতনৰ প্ৰতি দৃষ্টি নিক্ষেপ তথা তাৰ প্ৰতিকাৰৰ উপায় বিচৰা উপন্যাস হিচাপে এইখন উপন্যাসৰ ঐতিহাসিক মূল্য অস্বীকাৰ কৰিব নোৱাৰি।

এইকেইখন উপন্যাসৰ পাছত ৰচিত হ'ল ৰজনীকান্ত বৰদলৈৰ প্ৰথম আৰু একমাত্ৰ সামাজিক উপন্যাস *মিৰি-জীয়ৰী*। প্ৰকাশৰ চন ১৮৯৪। পাছলৈ ঐতিহাসিক উপন্যাস ৰচনা কৰি

'অসমৰ স্কট', 'উপন্যাস সম্ৰাট' হিচাপে খ্যাতি অৰ্জন কৰা ৰচনীকান্ত বৰদলৈয়ে অসমৰ ভূমিপুত্ৰ মিচিংসকলৰসমাজ জীৱনৰ পটভূমিত জঙ্কি আৰু পানেইৰ প্ৰণয়মূলক কাহিনীৰ আধাৰত এইখন উপন্যাস ৰচনা কৰিছিল। আলোচ্য সময়ছোৱাত ৰচিত উপন্যাসসমূহৰ ভিতৰত এইখন উপন্যাস নিঃসন্দেহে উৎকৃষ্ট বুলি সত্যেন্দ্ৰনাথ শৰ্মাই মত পোষণ কৰিছে— "অনভিজ্ঞ নবীন লিখকৰ প্ৰথম ভৰৰ ৰচনা কৰণেই উপন্যাস কেইখন ত্ৰুতিশূন্য নহয়... ...উপন্যাস সাহিত্যৰ ভেটি নিৰ্মাণ কৰাত এওঁলোকৰো বৰঙণি মুক্তকণ্ঠে স্বীকাৰ কৰিব লাগিব।"

ইয়াৰ পাছত এই শতিকাটিত আৰু দুখন অসমীয়া উপন্যাস প্ৰকাশ পাইছিল। যথা— হৰেশ্বৰ শৰ্মা বৰুৱাৰ *কুসুম-কুমাৰী*(১৮৯৮) আৰু মহীৰাম দাসৰ *হৰিদেও কানীয়াৰ কথা*(১৮৯৮)। প্ৰস্তুতি কালত অনুবাদ উপন্যাসেৰে (১৮৪৮) অসমীয়া উপন্যাস সাহিত্যৰ ধাৰাটি আৰম্ভ হৈ ১৮৯১ চনত নিভাঁজ অসমীয়া উপন্যাস সৃষ্টিৰ পৰিক্ৰমাৰে এই সাহিত্যৰ ঠালটি ১৮৯৪ চনত ৰজনীকান্ত বৰদলৈৰ হাতত পল্লৱিত হৈ উঠে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ আৰুণোদয় যুগত অসমীয়া উপন্যাস সাহিত্য কেনে ৰূপত আছিল সেই বিষয়ে চমুকৈ লিখক।

(১৫০টা শব্দৰ ভিতৰত)

১.৪ প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া উপন্যাস

ইয়াৰ আগৰ শাখাটোত অলোচনা কৰা উপন্যাসসমূহো প্ৰকৃততে প্ৰাক্-স্বাধীনতা কালৰে উপন্যাস; কিন্তু অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্বটোৰ সঠিক ধাৰণা প্ৰদান কৰিবলৈকে সেই উপন্যাসকেইখনৰ বিষয়ে পৃথকে আলোচনা কৰা হ'ল। এই শাখাটিত আমি ভাৰতবৰ্ষই ইংৰাজৰ ঔপনিৱেশিকতাৰ পৰা স্বাধীনতা লাভ কৰাৰ পূৰ্বে ৰচিত উপন্যাসৰাজিৰ বিষয়ে আলোচনা কৰিম।

অসমীয়া উপন্যাসৰ বিকাশ আৰু বিস্তাৰৰ প্ৰতি লক্ষ্য ৰাখি সাহিত্য সমালোচকসকলে বিংশ শতিকাৰ প্ৰথম অৰ্ধটোক 'বিকাশ তথা প্ৰতিষ্ঠাৰ পৰ্ব' আৰু তাৰ পৰৱৰ্তী সময়ছোৱাক 'বিস্তাৰ পৰ্ব' বুলি চিহ্নিত কৰিছে। অৱশ্যে শতিকাটোৰ সমগ্ৰ কালছোৱাৰ অসমীয়া উপন্যাসৰ গতি প্ৰকৃতি লক্ষ্য কৰিলে এই সময়ৰ অসমীয়া উপন্যাসক বিভিন্ন দৃষ্টিকোণেৰে বিভাজিত কৰিও আলোচনা কৰিব পাৰি। উদাহৰণ স্বৰূপে— লিখকৰ ৰচনাৰ ক্ৰমানুসাৰে, উপন্যাসৰ বিষয়বস্তুৰ ভিত্তিত, উপস্থাপন পদ্ধতিৰ ভিত্তিত, লেখকৰ দৃষ্টিভঙ্গীৰ ভিত্তিত, সমাজতাত্ত্বিক দৃষ্টিকোণেৰে, গঠন শৈলীৰ ভিত্তিত ইত্যাদি। আমাৰ এই আলোচনাত সকলো দৃষ্টিকোণৰ পৰা আলোচনা কৰাটো সম্ভৱপৰ নহয়। সেয়ে সামগ্ৰিকভাৱে অসমীয়া উপন্যাসৰ ধাৰাটিৰ ধাৰণা প্ৰদান কৰিবলৈ প্ৰধানতঃ লেখকসকলৰ ক্ৰমানুসাৰে আৰু বিষয়বস্তুৰ ভিত্তিতে আলোচনা কৰা হ'ব। প্ৰয়োজন সাপেক্ষে আন শ্ৰেণীবিভাগ সমূহো উল্লেখ কৰি যোৱা হ'ব।



জানি থোৱা ভাল

সাধাৰণতে উপন্যাসৰ বিষয়বস্তু অনুসৰিয়েই শ্ৰেণীবিভাজন কৰি আলোচনা কৰা হয়। মন কৰিবলগীয়া যে, উপন্যাসৰ বিষয়বস্তু অনুসৰি শ্ৰেণীবিভাজন কৰিলে তাৰ কেইবাটাও উপবিভাজন আহি পৰে। সেইকেইটা হ'ল— সামাজিক উপন্যাস, ৰাজনৈতিক উপন্যাস, ঐতিহাসিক উপন্যাস, জীৱনীমূলক উপন্যাস, পৌৰাণিক উপন্যাস, আত্মজীৱনীমূলক উপন্যাস, আঞ্চলিক উপন্যাস, চাইঞ্চ ফিকচন, মনস্তাত্ত্বিক উপন্যাস, দাৰ্শনিক উপন্যাস, লিৰিকেল উপন্যাস আদি। ইয়াৰ উপৰি বিভিন্ন সমালোচকে আৰু ভিন্ ভিন্ ধৰণে, অধিক সূক্ষ্ম শ্ৰেণীবিভাজনেৰেও শ্ৰেণীবিভাজন কৰি আলোচনা কৰা দেখা যায়।

মন কৰিব যে প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া উপন্যাসসমূহৰ মাজত আমি বিভিন্ন বিষয়বস্তুৰ পয়োভৰ দেখিবলৈ নাপাওঁ। স্বৰাজোত্তৰ কালতহে অসমীয়া উপন্যাসলৈ বিচিত্ৰ বিষয়বস্তুৰ আগমন ঘটে। অসমীয়া সাহিত্যৰ বুৰঞ্জী অধ্যয়ন কৰোঁতে আপুনি নিশ্চয় এই বিষয়ে ধাৰণা লাভ কৰিছে। প্ৰাক্-স্বাধীনতা কালত অসমীয়া উপন্যাসত মূলতঃ ঐতিহাসিক বিষয়বস্তুৰেই অধিক প্ৰাধান্য লাভ কৰিছিল। তাৰ মাজতে দুই-এখন উপন্যাসত সামাজিক ভাবধাৰা এটাইও গা-কৰি উঠিছিল। বিশেষকৈ চতুৰ্থ আৰু পঞ্চম দশকত ই অধিক প্ৰগাঢ় হৈ উঠে।

অসমীয়া উপন্যাসৰ প্ৰস্তুতি পৰ্বলৈ লক্ষ্য কৰিলে আমাৰ চকুত পৰে যে এই সময়ছোৱাত প্ৰধানতঃ ঐতিহাসিক উপন্যাসেই ৰচিত হৈছিল।প্ৰসঙ্গক্ৰমে উল্লেখ কৰি থোৱা হ'ল যে ঐতিহাসিক উপন্যাস মানে কিন্তু ইতিহাস নহয়। এই শ্ৰেণীৰ উপন্যাসত ইতিহাসৰ জুমুঠিত কল্পনাৰ ৰহণ সানি আলো-ছায়াময় ইতিহাসৰ সমাজখন তুলি ধৰা হয়। সেয়ে ঐতিহাসিক উপন্যাসক ইতিহাসৰ পৰিপূৰক বুলিহে চিহ্নিত কৰা হয়, ই ইতিহাসৰ পুনৰাবৃত্তি নহয়। এনে উপন্যাসত 'ইতিহাস চেতনা'ই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এইখিনিতেই প্ৰশ্ন উঠিব পাৰে যে ইতিহাস চেতনা মানে কি? ইতিহাস চেতনা সম্পৰ্কে শৈলেন ভৰালীয়ে মন্তব্য কৰিছে— "অতীত মাথোন অতীতেই নহয়, অনেক ক্ষেত্ৰত অতীত বৰ্তমানৰ লগত সংযুক্ত। এনে ধৰণৰ চেতনাৰ জৰিয়তে পাঠকৰ মনলৈ আত্মবিশ্লেষণৰ ভাব আনি দিব পাৰিব লাগে আৰ ইয়াতেই ফুটি উঠে একোখন ঐতিহাসিক উপন্যাসৰ সাৰ্বজনীনতা, এটা নিৰ্দিষ্ট যুগক অতিক্ৰম কৰি যাব পৰা ক্ষমতা।"

পদ্মনাথ গোহাঞিবৰুৱাৰ *ভানুমতী* আৰু *লাহৰী*, লক্ষ্মীনাথ বেজবৰুৱাৰ *পদুম কুঁৱৰী* উপন্যাসেৰে অসমীয়া ঐতিহাসিক উপন্যাসৰ ধাৰাটি আৰম্ভ হয় যদিও ৰজনীকান্ত বৰদলৈৰ হাততহে প্ৰতিষ্ঠা লাভ কৰে। ইতিমধ্যে আমি উল্লেখ কৰিছোঁ যে ৰজনীকান্ত বৰদলৈয়ে *মিৰি-জীয়ৰী* উপন্যাসখনতে ঔপন্যাসিক হিচাপে ভুমুকি মাৰিছিল। এইখন তেওঁৰ একমাত্ৰ সামাজিক উপন্যাস। পৰৱৰ্তী সময়ত বৰদলৈয়ে অসম বুৰঞ্জীৰ সঙ্কটপূৰ্ণ সময় এছোৱাক আধাৰ হিচাপে লৈ কেইবাখনো উপন্যাস ৰচনা কৰিলে। এই গোটেইকেইখন উপন্যাসেই ঐতিহাসিক উপন্যাস।

বৰদলৈৰ অসমৰ সংস্কৃতিক ঐতিহ্যৰ প্ৰতি থকা শ্ৰদ্ধাৰফলতেই কল্পনা আৰু বুৰঞ্জীৰ সুন্দৰ সমন্বয়ৰে লিখি উলিয়ালে সাতখন ঐতিহাসিক উপন্যাস।

মানৰ অসম আক্ৰমণৰ পটভূমিত তেওঁ লিখি উলিয়ালে *মনোমতী* (১৯০০), *ৰঙ্গিলী* (১৯২৫), *নিৰ্মল ভকত* (১৯২৬), *তাম্ৰেশ্বৰী মন্দিৰ* (১৯২৬) আৰু *ৰহদৈ লিগিৰী* (১৯৩০)। ঠিক সেইদৰে হৰদত্ত আৰু বীৰদত্তৰ নেতৃত্বত বদন বৰফুকনৰ বিৰুদ্ধে সংঘটিত হোৱা বিদ্ৰোহক কেন্দ্ৰ কৰি *দন্দুৰা দ্ৰোহ* (১৯০৯) আৰু আহোম ৰাজত্বৰ স্বেচ্ছাচাৰিতাৰ বিৰুদ্ধে সংঘটিত হোৱা মোৱামৰীয়া বিদ্ৰোহক কেন্দ্ৰ কৰি *ৰাধা ৰুক্মিণীৰ ৰণ* (১৯২৫)। এই গোটেইকেইখন উপন্যাসৰ শেষৰ দুখনত অসমৰ ৰাজনৈতিক ঘটনাৰাজী আৰু বাকী কেইখনত ৰোমাণ্টিক প্ৰণয়মূলক কাহিনীয়ে প্ৰাধান্য লাভ কৰিছিল। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে *ৰাধা ৰুক্মিণীৰ ৰণ* উপন্যাসখন সেই সময়ত *আসাম-হিতৈষী* কাকতত (১৯২৫) ছোৱা-ছোৱাকৈ প্ৰকাশ হৈছিল, পৰৱৰ্তী সময়তহে পুথি হিচাপে প্ৰকাশ পায়।



জানি থোৱা ভাল

ৰজনীকান্ত বৰদলৈৰ কেইখনমান উপন্যাসৰ ৰচনাৰ চন বিভিন্ন সাহিত্য সামলোচকে ভিন্ ভিন্ ধৰণে উল্লেখ কৰিছে। ইয়াত উল্লেখ কৰা চন সমূহ শৈলেন ভৰালীয়ে ৰচনা কৰা *অসমীয়া ঐতিহাসিক উপন্যাস* (তৃতীয় প্ৰকাশ, ১৯৯৬, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী) নামৰ পুথিখনৰ পৰা গ্ৰহণ কৰা হৈছে। সেই বাবে কেতিয়াবা আন পুথিৰ সৈতে অমিল পাব পাৰে।

ৰজনীকান্ত বৰদলৈয়ে তেওঁৰ গোটেইকেইখন ঐতিহাসিক উপন্যাসৰ জৰিয়তে জাতিৰ ঐতিহাসিক সংকটৰ ক্ষণত সৰ্বসাধাৰণ মানুহৰ সন্মুখত অতীতৰ দুৰ্যোগৰ কাহিনী দাঙি ধৰি তাৰ মাজেদি জনগণৰ চেতনাক জাগ্ৰত কৰিবলৈ চেষ্টা কৰিছিল।অধঃপতিত অসমীয়া সমাজত প্ৰাণ সঞ্চাৰ কৰিবলৈ তেওঁ এই উপন্যাসকেইখনৰ মাজেদি বৈষ্ণৱ ধৰ্মতত্ত্বৰ কিছু দিশো তুলি ধৰিছিল। উপন্যাসকেইখনত বৰদলৈৰ দেশপ্ৰেম আৰু ইতিহাস চেতনাৰ স্বাক্ষৰ সুস্পষ্ট। এই বিষয়ে এই পাঠ্যবিষয়ৰ তৃতীয় অধ্যায়ত কিছু কথা বহলাই আলোচনা কৰা হৈছে।

বৰদলৈৰ পৰৱৰ্তী কালত ঐতিহাসিক উপন্যাস ৰচনাত হাত দিয়ে হিতেশ্বৰ বৰবৰুৱা, শৰৎচন্দ্ৰ গোস্বামী, হৰিনাৰায়ণ দত্ত বৰুৱা আৰু দণ্ডিনাথ কলিতাই। বুঢ়াৰজা প্ৰতাপ সিংহৰ ৰাজত্ব কালত সংঘটিত হোৱা আহোম-কছাৰীৰ সংঘৰ্ষৰ পটভূমিত হিতেশ্বৰ বৰবৰুৱাই লিখি উলিয়াইছিল *মালিতা* (১৯১৪) নামৰ উপন্যাসখন। মূলতঃ প্ৰণয়মূলক ঘটনা এটাকে প্ৰাধান্য দি ৰচনা কৰা এইখন উপন্যাসক আংগিকগত দিশেৰেবিচাৰ কৰি বহু সমালোচকেউপন্যাসৰ শাৰীত ঠাই দিবই নিবিচাৰে। সলাল গোহাঞিৰ পুতেক অভয় গোহাঞিৰ লগত কছাৰী কোঁৱৰ ভীমবলৰ ভনীয়েক মালিতাৰ প্ৰণয়কথাৰ শোকাৱহ পৰিণতিয়েই এই উপন্যাসখনত ৰূপায়িত কৰা হৈছে। চুটিগল্পকাৰ হিচাপে পৰিচিত শৰৎচন্দ্ৰ গোস্বামীয়ে ইতিহাসৰ পটভূমিত *পাণিপথ* (১৯৩০) নামেৰে এখন

উপন্যাস লিখাৰ কথা সত্যেন্দ্রনাথ শর্মাই *অসমীয়া উপন্যাসৰ ভূমিকাত* উল্লেখ কৰিছে। অৱশ্যে উপন্যাসখনত ঐতিহাসিক পটভূমি এটা (বাবৰ আৰু ইব্রাহিম লোডীৰ মাজত সংঘটিত প্রথম পাণিপথৰ যুদ্ধ তথা বাবৰ আৰু ৰাণা সংগ্রাম সিংহৰ মাজত হোৱা ফাতেপুৰ চিক্রিৰ যুদ্ধৰ পটভূমি) দাঙি ধৰা হৈছে যদিও আঙ্গিকগত দিশেৰে উপন্যাসখনক ঐতিহাসিক উপন্যাস বুলি স্বীকাৰ কৰিব নোৱাৰি বুলিও তেওঁ উল্লেখ কৰিছে।

আহোম-মোগলৰ সংঘর্ষৰ পটভূমিত পুৰাতত্ত্ববিদ হৰিনাৰায়ণ দত্তবৰুৱাই ১৯৩১ চনত ৰচনা কৰে তেওঁৰ একমাত্র উপন্যাস *চিত্রদর্শন*। অসম বুৰঞ্জীখ্যাত শৰাইঘাট যুদ্ধৰ পটভূমিত ৰচিত এইখন উপন্যাসত ঔপন্যাসিকে সার্থকভাৱে ঐতিহাসিক উপন্যাসৰ বৈশিষ্ট্যসমূহ ৰক্ষা কৰাত সফলতা লাভ কৰিছে।

প্রাক্-স্বাধীনতাৰ কালছোৱাত ৰচিত আন এখন উল্লেখযোগ্য ঐতিহাসিক উপন্যাস হ'ল দণ্ডিনাথ কলিতাৰ *ফুল* (১৯০৮)। মানৰ তৃতীয় আক্রমণৰ পটভূমিত এটা প্রণয়মূলক কাহিনীৰে উপন্যাসখন আগবঢ়াই নিয়া হৈছে। অৱশ্যে এই উপন্যাসখনত ঐতিহাসিক ঘটনাৰ লগত কাহিনীৰ সম্পর্ক বৰ ক্ষীণ। ইয়াৰ পাছতো ১৯৪৮ চনত দণ্ডিনাথ কলিতাই *গণবিপ্লৱ* নামেৰে আন এখন ঐতিহাসিক উপন্যাস ৰচনা কৰিছিল।

প্রাক্-স্বাধীনতাৰ কালছোৱাতে অসমীয়া সামাজিক উপন্যাসৰ ধাৰাটোৰ শুভাৰম্ভ ঘটে। ইতিমধ্যে আমি উল্লেখ কৰি আহিছোঁ যে ৰজনীকান্ত বৰদলৈয়ে ১৮৯৪ চনতে *মিৰি-জিয়ৰী* উপন্যাসখন ৰচনা কৰি এই ধাৰাটিৰ পাতনি মেলে। অৱশ্যে তেওঁ পৰৱর্তী সময়ত সামাজিক উপন্যাসৰ পৰিৱর্তে ঐতিহাসিক উপন্যাস ৰচনাতহে অধিক আগ্রহী হৈ পৰাৰ কথা ইতিমধ্যে আমি কৰা আলোচনাৰ মাজত প্রতিভাত হৈছে। তেওঁৰ পিছতে আন কেইবাজনো অসমীয়া ঔপন্যাসিকে এই কালছোৱাত কেইবাখনো সামাজিক উপন্যাস ৰচনা কৰিছিল। তেওঁলোক হ'ল— হৰেশ্বৰ শর্মা বৰুৱা, নবীনচন্দ্র ভট্টাচার্য, চিন্তাহৰণ পাটগিৰি, দণ্ডীধৰ সোণোৱাল, ভৱদেৱ ভাগৱতী, কমলেশ্বৰ চলিহা, স্নেহলতা বৰুৱা, চন্দ্রপ্রভা শইকীয়া, দণ্ডিনাথ কলিতা, দেৱচন্দ্র তালুকদাৰ, দীননাথ শর্মা, বিৰিঞ্চি কুমাৰ বৰুৱা, নির্মলেশ্বৰ শর্মা, জমিৰউদ্দিন আহমেদ, ৰাধিকামোহন গোস্বামী আদি।

হৰেশ্বৰ শর্মা বৰুৱাৰ *কুসুম কুমাৰী* (১৯০৫), নবীনচন্দ্র ভট্টাচার্যৰ *চন্দ্রপ্রভা* (১৯০৮)— এই দুখন হ'ল বিংশ শতিকাৰ প্রথম দশক দুটাত ৰচিত সামাজিক উপন্যাস।তৃতীয় দশকৰ প্রাৰম্ভতে, ১৯২১ চনত চিন্তাহৰণ পাটগিৰিয়ে ৰচনা কৰে *সংসাৰচিত্র*, দণ্ডীধৰ সোণোৱালে *চপলা* (১৯২২), ভৱদেৱ ভাগৱতীয়ে *লীলা* (১৯২৭), স্নেহলতা বৰুৱাই *বীণা* (১৯২৬)। চতুর্থ দশকতো স্নেহলতা বৰুৱাই *বেমেজালি* (১৯৩৪), কমলেশ্বৰ চলিহাই *প্রিয়া* (প্রকাশৰ চন তাৰিখ উল্লেখ নাই যদিও এই দশকটিতে ৰচিত বুলি সাহিত্যৰ বুৰঞ্জীকাৰসকলে ঠাৰৰ কৰিছে।), চন্দ্রপ্রভা শইকীয়াই *পিতৃভিঠা* (১৯৩৭) ৰচনা কৰে। আলোচ্য কালছোৱাৰ এগৰাকী উল্লেখযোগ্য ঔপন্যাসিক হ'ল দণ্ডিনাথ কলিতা। তেওঁ ১৯২৮ চনত ৰচনা কৰা *সাধনা* সেই সময়ৰ শ্রেষ্ঠ উপন্যাস হিচাপে স্বীকৃত। ১৯৪৮ চনত প্রকাশ পায় যদিও ১৯৩৮ চনতে ৰচনা কৰা *আৰিষ্কাৰ* আৰু ১৯৪৯ চনত প্রকাশ

পোৱা *পৰিচয়খনো* চল্লিশ দশকতে ৰচনা কৰা হৈছিল। স্বাধীনতাৰ পৰৱৰ্তী কালত *গণবিপ্লৱৰ* নামেৰে (১৯৪৮) আন এখন ঐতিহাসিক উপন্যাসো তেওঁ ৰচনা কৰিছিল বুলি ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। দৈৱচন্দ্ৰ তালুকদাৰে ছাত্ৰ অৱস্থাতে *ধুঁৱলী-কুঁৱলী*(১৯২২)ৰচনা কৰি ঔপন্যাসিক হিচাপে আত্মপ্ৰকাশ কৰে। ইয়াৰ পাছতে ১৯২৪ চনত *আগ্নেয়াগিৰি* নামেৰে আন এখন উপন্যাস ৰচনা কৰে, প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে এইখন উপন্যাসৰে দ্বিতীয় খণ্ড *বিদ্রোহী* (১৯৪৮) প্ৰকাশিত হয় স্বৰাজোত্তৰ কালতহে। *আৱাহন* কাকতৰ ১৯৩১-৩২ চনত ছোৱা-ছোৱাকৈ প্ৰকাশ পোৱা তেওঁৰ *অপূৰ্ণ* দহ বছৰ পাছতহে পুথি হিচাপে প্ৰকাশিত হৈছিল। ঠিক সেইদৰে *আৱাহনতে* তেওঁৰ *আদৰ্শপীঠ*(চতুৰ্থ দশকৰ শেষৰ ফালে)প্ৰকাশ হৈছিল।স্বাধীনতাৰ পৰৱৰ্তী সময়ত তেওঁৰ কাপৰ পৰা *দুনীয়া* (১৯৬১) নামৰ আন এখন উপন্যাস নিসৃত হয়।

*আৱাহন*কাকতৰ সম্পাদক দীননাথ শৰ্মাই চতুৰ্থ দশকত সেইখন কাকততে ঔপন্যাসিক হিচাপে আত্মপ্ৰকাশ কৰিছিল। তেওঁৰ দুখন উপন্যাস— *ঊষা*(১৯৩৮-৩৯) আৰু *সংগ্ৰাম আৱাহনত* ছোৱা-ছোৱাকৈ প্ৰকাশ হৈছিল আৰু ষাঠিৰ দশকত দুয়োখনে ছপা ৰূপ লাভ কৰে। তাৰ পাছত তেওঁ স্বৰাজোত্তৰ কালত *নদাই* (১৯৬০), *শান্তি*(১৯৬১) আৰু *নবাৰুণ* (১৯৬৭) ৰচনা কৰে। প্ৰাক্-স্বাধীনতাৰ সময়ছোৱাতে নিৰ্মলেশ্বৰ শৰ্মাৰ *কেৰাণীৰ জীৱন, মই অসমীয়া, এটি জীৱন;* ৰাধিকামোহন গোস্বামীৰ *চাকনৈয়া* আৰু *বা-মাৰলী,* জমিৰউদ্দিন আহমেদৰ *সমাজ-সংঘাত-জীৱন*প্ৰকাশিত হৈছিল। অৱশ্যে সাহিত্যৰ বুৰঞ্জীত এই কেইখন উপন্যাসৰ প্ৰকাশৰ চন উল্লেখ নাই।

প্ৰাক্-স্বাধীনতাৰ কালছোৱাৰআটাইতকৈ শক্তিশালী ঔপন্যাসিকজন হ'ল বিৰিঞ্চি কুমাৰ বৰুৱা। তেওঁ মাত্ৰ দুখন উপন্যাস ৰচনা কৰি অসমীয়া উপন্যাস সাহিত্যত চিৰস্মৰণীয় হৈ ৰ'ল। উল্লেখযোগ্য যে তেওঁ দুয়োখন উপন্যাসেই বেলেগ বেলেগ ছদ্মনামেৰে লিখিছিল। প্ৰাক্-স্বাধীনতাৰ কালত বীণা বৰুৱা ছদ্মনামেৰে *জীৱনৰ বাটত* (১৯৪৪) আৰু স্বৰাজোত্তৰ কালত ৰাস্না বৰুৱা ছদ্মনামেৰে *সেউজী পাতৰ কাহিনী* (১৯৫৮) ৰচনা কৰিছিল। বিৰিঞ্চি কুমৰ বৰুৱাই ৰচনা কৰা *জীৱনৰ বাটত* উপন্যাসখনৰ মাজেদি অসমীয়া উপন্যাসক এক বিশেষ মাত্ৰা প্ৰদান কৰিলে। এইখন উপন্যাস অসমীয়া সাহিত্যৰ ইতিহাসত এক উজ্জ্বল কীৰ্তিস্তম্ভ হিচাপে চিহ্নিত হৈছে। শৈলেন ভৰালীৰ ভাষাৰে— "দ্বিতীয় মহাযুদ্ধৰ শেষৰ ফালে প্ৰকাশিত এই উপন্যাসখনত অসমীয়া গ্ৰাম্য তথা সামাজিক জীৱনৰ আটাইবোৰ দিশ ফট্‌ফটীয়াকৈ প্ৰতিফলিত হোৱাৰ উপৰিও সেই সময়ৰ বিশেষ উদ্যমৰ চিত্ৰও ভালদৰে প্ৰদৰ্শিত হৈছে। তাতোকৈ মন কৰিবলগীয়া কথা এইটোৱেই যে উপন্যাসখনত সন্নিৱিষ্ট উপাদানসমূহে এক সুসংগঠিত ৰূপ লাভ কৰিছে আৰু ই গভীৰভাৱে সংবেদনশীল হৈ উঠিছে। আমাৰ দৈনন্দিন জীৱনৰ সৰু-সুৰা ঘটনাক লৈয়ো যে ভাল উপন্যাস ৰচনা কৰিব পাৰি সেই কথাৰ প্ৰমাণ এই উপন্যাসখনেই দাঙি ধৰিলে। কাহিনীত ভাগ লোৱা প্ৰতিটো চৰিত্ৰই সামাজিক বাস্তৱতাৰ একোটা দিশৰ প্ৰতিনিধিত্ব কৰিছে।" এইখন উপন্যাসৰ বিষয়ে এই পাঠ্যবিষয়ৰে ষষ্ঠ অধ্যয়ত বহলাই আলোচনা কৰা হৈছে। সেই অধ্যায়টিতে উদ্ধৃত কথাষাৰৰ যথাৰ্থতা অনুধাৱন কৰিব।

এনেদৰেই প্ৰাক্-স্বাধীনতাৰ কালছোৱাত অসমীয়া উপন্যাসে এক গতিশীল ৰূপ লাভ কৰে। অৱশ্যে পৰৱৰ্তী কালতহে ই অধিক ফুলে-ফলে পল্লৱিত হৈ উজ্জ্বলি উঠে। এই বিষয়ে পৰৱৰ্তী অধ্যায়টোত আলোচনা কৰা হ'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ প্ৰাক্-স্বাধীনতা কালৰ অসমীয়া ঐতিহাসিক উপন্যাস সম্পৰ্কে এটি চমুটোকা যুগুত কৰক।

(১৫০টা শব্দৰ ভিতৰত)



১.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সাহিত্যৰ ঠাল হিচাপে 'উপন্যাস' পাশ্চাত্য সাহিত্যত কিছু পুৰণি যদিও ভাৰতীয় সাহিত্যত ই অৰ্বাচীন। দৰাচলতে ভাৰতলৈ মিছনেৰীসকল অহাৰ পাছতহে কেইবাটাও আঞ্চলিক ভাষাত কিছুমান গদ্য কাহিনীৰ সৃষ্টি হয়। এই সময়ৰ গদ্যৰ মূল বিষয়বস্তু আছিল ধৰ্মীয়, ব্যঙ্গাত্মক আৰু ঐতিহাসিক।
- ঊনবিংশ শতিকাটো অসমৰ ভাষা-সাহিত্যৰ বাবে বৰ তাৎপৰ্যপূৰ্ণ সময়। অসমৰ বৌদ্ধিক দিশত এই শতিকাৰ মাজভাগত মিছনেৰীসকলে প্ৰকাশ কৰা *অৰুনোদই* কাকতৰ মাধ্যমেৰে নৱজাগৰণ প্ৰথমটি সোঁত সোমাই আহে। আধুনিক অসমীয়া সাহিত্যৰ নৱতম সৃষ্টি উপন্যাসৰ প্ৰথম বীজটি ৰোপিত তথা সংস্থাপিত হৈছিল *অৰুনোদইৰ* বুকুত।
- আমেৰিকান খ্ৰীষ্টিয়ান মিছনেৰী ডাঃ নাথান ব্ৰাউন চাহাবে বিখ্যাত ইংৰাজী কাহিনীকাৰ জন বুনিয়ানৰ *The Pilgrim's Progress* নামৰ উপন্যাসখন *যাত্ৰিকৰ যাত্ৰা* নামেৰে অসমীয়ালৈ অনুবাদ কৰে আৰু এইখনেই প্ৰথম অসমীয়া উপন্যাস। ইয়াৰ পাছত এ. কে. গাৰ্ণিয়ে *এলোকেশী ৰেশ্যাৰ বিষয়, কনি বেহেৰুৱাৰ বিষয়* আৰু *ৰুথৰ কাহিনী* অনুবাদ কৰে; ৰচনা কৰে *কামিনীকান্ত* নামেৰে এখনি নতুন উপন্যাস; ঠিক সেইদৰে শ্ৰীমতী গাৰ্ণিয়ে *ফুলমণি আৰু কৰুণা* বাংলাৰ পৰা অনুবাদ কৰে। মূলতঃ খ্ৰীষ্টিয়ান ধৰ্ম প্ৰচাৰৰ অৰ্থে ৰচনা কৰা হৈছিল। এই কেইখন উপন্যাস অসমীয়া সমাজৰ ৰুচি আৰু মানসিকতাৰ লগত বৰ ক্ষীণ সম্পৰ্কেৰেহে সংযোজিত আছিল।
- প্ৰকৃতাৰ্থত উপন্যাসৰ বৈশিষ্ট্যৰে সমৃদ্ধ অসমীয়া প্ৰথমখন উপন্যাস হ'ল *ভানুমতী*, ঔপন্যাসিক পদ্মনাথ গোহাঞিবৰুৱা। এই উপন্যাসখন পুথি হিচাপে প্ৰকাশ পাইছিল ১৯০৮ চনত। প্ৰস্তুতি কালত অনুবাদ উপন্যাসেৰে অসমীয়া উপন্যাস সাহিত্যৰ ধাৰাটি আৰম্ভ হৈ নিভাঁজ অসমীয়া উপন্যাস সৃষ্টিৰ পৰিক্ৰমাৰে সাহিত্যৰ এই ঠালটি ৰজনীকান্ত বৰদলৈৰ হাতত পল্লৱিত হৈ উঠে।

- প্ৰাক্-স্বাধীনতাৰ কালছোৱাতে অসমীয়া সামাজিক উপন্যাসৰ ধাৰাটোৰ শুভাৰম্ভ ঘটে ৰজনীকান্ত বৰদলৈয়ে ৰচনা কৰা *মিৰি-জিয়ৰী* উপন্যাসখনতে। অৱশ্যে তেওঁ আৰু পৰৱৰ্তী সময়ত সামাজিক উপন্যাসৰ পৰিৱৰ্তে ঐতিহাসিক উপন্যাস ৰচনাৰ প্ৰতিহে অধিক আগ্ৰহী হৈ উঠে। এই সময়ছোৱাত ৰচিত অধিকাংশ উপন্যাস আছিল ঐতিহাসিক। অৱশ্যে এই সময়ছোৱাতে কেইবাজনো অসমীয়া ঔপন্যাসিকে কেইবাখনো সামাজিক উপন্যাস ৰচনা কৰিছিল।
- বিৰিঞ্চি কুমৰ বৰুৱাই এই সময়তে ৰচনা কৰা *জীৱনৰ বাটত* উপন্যাসখনৰ মাজেদি তেওঁ অসমীয়া উপন্যাসক এক বিশেষ মাত্ৰা প্ৰদান কৰিলে। এইখন উপন্যাস অসমীয়া সাহিত্যৰ ইতিহাসত এক উজ্জ্বল কীৰ্তিস্তম্ভ হিচাপে চিহ্নিত হৈছে।



১.৬ অধিক জানিবলৈ

১) ঠাকুৰ, নগেন (সম্পা.) (২০০০); *এশ বছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

২) নেওগ, মহেশ্বৰ (১৯৬৪); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩) বৰগোহাঞি, হোমেন (সম্পা.) (১৯৯৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড);* অসম ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

৪) বৰগোহাঞি, হোমেন (সম্পা.) (১৯৬৭); *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য;* যোৰহাট ঃ অসম সাহিত্য সভা।

৫) ভৰালী, শৈলেন (২০০৪); *মাধৱ কন্দলিৰ পৰা মামণি গোস্বামীলৈ;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৬) ভৰালী, শৈলেন (১৯৯৬); *অসমীয়া ঐতিহাসিক উপন্যাস;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৭) ভৰালী, শৈলেন (১৯৯৩); *উপন্যাস বিচাৰ আৰু বিশ্লেষণ;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৮) শৰ্মা, গোবিন্দ প্ৰসাদ (১৯৯৫); *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

৯) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৯); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১০) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৯৭); *অসমীয়া উপন্যাসৰ ভূমিকা;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১১) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৭); *অসমীয়া উপন্যাসৰ গতিধাৰা;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।



১.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ নভেল শব্দৰ উৎপত্তি... ...প্রথম উপন্যাস... ...কোনে কি কি উপন্যাস ৰচনা কৰিছিল... ...বিভিন্ন দেশত কোনে কোনে উপন্যাস ৰচনা কৰিছিল... ...সামগ্রিক আলোচনা।

২নং প্রশ্নৰ উত্তৰ ঃ অৰুণোদয় যুগৰ সাহিত্য... ...ইয়াৰ বৈশিষ্ট্য... ...কোনে কি কি উপন্যাস ৰচনা কৰিছিল... ...উপন্যাসসমূহৰ বিষয়বস্তু... ...সামগ্রিক আলোচনা।

৩নং প্রশ্নৰ উত্তৰ ঃ ঐতিহাসিক উপন্যাস মানে কি... ...ইয়াৰ বৈশিষ্ট্য... ...আলোচ্য সময়চোৱাত কোনে কি কি উপন্যাস ৰচনা কৰিছিল... ...উপন্যাসসমূহৰ কাহিনীভাগ... ...সামগ্রিক আলোচনা।

(এই আটাইকেইটা প্রশ্নৰ উত্তৰ লিখোতে আপুনি অধিক জানিবলৈত উল্লেখ থকা কিতাপসমূহৰ লগতে সাহিত্য বুৰঞ্জী আৰু এই পাঠ্যবিষয়ৰ গোটেইকেইটা অধ্যায় ভালদৰে অধ্যয়ন কৰি লোৱা অধিক ফলপ্রসূ হ'ব।)



১.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ঐতিহাসিক উপন্যাস মানে কি বুজে?

প্রশ্ন ২ ঃ অসমীয়া উপন্যাসৰ প্রস্তুতি পর্বত কেনেবোৰ কাৰকে অনুঘটকৰ কাম কৰিছিল সেই বিষয়ে বহলাই আলোচনা কৰক।

প্রশ্ন ৩ ঃ অসমীয়া উপন্যাস সাহিত্যত অৰুণোদয় যুগৰ অৱদান শীর্ষক এটি প্রবন্ধ লিখক।

প্রশ্ন ৪ ঃ প্রাক্-স্বাধীনতা কালৰ শ্রেষ্ঠ ঔপন্যাসিকজনৰ সাহিত্যকৃতি সম্পর্কে চমুকৈ লিখক?

প্রশ্ন ৫ ঃ প্রাক্-স্বাধীনতা কালৰ ঐতিহাসিক উপন্যাস সম্পর্কে এটি টোকা লিখক।

প্রশ্ন ৬ ঃ প্রাক্-স্বাধীনতা কালৰ সামাজিক উপন্যাস সম্পর্কে এটি টোকা লিখক।

প্রশ্ন ৭ ঃ চমুটোকা লিখক—

ক) ৰজনীকান্ত বৰদলৈ

খ) অসমীয়া উপন্যাস সাহিত্যলৈ মিছনেৰীসকলকৰ অৱদান

*** ***** ***

অধ্যায় ২ ঃ অসমীয়া উপন্যাসৰ ধাৰা-২

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ স্বৰাজোত্তৰ কালৰ অসমীয়া উপন্যাস
২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৫ অধিক জানিবলৈ
২.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
২.৭ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- স্বৰাজোত্তৰ কালৰ অসমীয়া উপন্যাসৰ গতি-প্রকৃতি সম্পর্কে অধ্যয়ন কৰিব
- স্বৰাজোত্তৰ কালৰ অসমীয়া উপন্যাসৰ বিষয়বস্তু সম্পর্কে আলোচনা আগবঢ়াব পাৰিব
- সামগ্রিকভাৱে অসমীয়া উপন্যাসৰ গতিধাৰা সম্পর্কে ধাৰণা লাভ কৰিব।

২.২ পৰিচয়

এই অধ্যায়টি 'অসমীয়া উপন্যাস' শীর্ষক তৃতীয় ষাণ্মাসিকৰ দ্বিতীয় বুনিয়াদী পাঠ্যবিষয়ৰ দ্বিতীয় অধ্যায়। ইয়াৰ আগৰ অধ্যায়টোত, অর্থাৎ পাঠ্যবিষয়খনৰ প্রথমটো অধ্যায়ত উপন্যাস নামৰ নব্য সাহিত্য ধাৰাটোৰ কেনেদৰে আৰম্ভ হৈছিল সেই বিষয়ে চমুকৈ আলোচনা কৰা হ'ল। ভাৰতীয় সাহিত্যক্ষেত্রতখনত এই ধাৰাটোৱে কেনেদৰে প্রৱেশ কৰিলে সেই বিষয়েও উনুকিয়াই দি অসমীয়া উপন্যাসৰ আদি পর্বটোৰ বিষয়ে বহলাই আলোচনা দাঙি ধৰা হৈছে। ইতিমধ্যে উল্লেখ কৰি অহা হৈছে যে *অৰুনোদই*ৰ পাততে আৰম্ভ হোৱা এই নব্য সাহিত্যধাৰাটোৱে ভাৰতবর্ষই স্বাধীনতা লাভ কৰা আগতেই প্রায় এক বিশিষ্ট স্থানত উপনীত হৈছে।বিশেষভাৱে প্রাক্-স্বাধীনতাৰ কালতে প্রকাশ পোৱা *জীৱনৰ বাটত* উপন্যাসখনেই এই ক্ষেত্রত এক মাইল খুঁটি স্বৰূপ।

এই অধ্যায়টিত আমি ভাৰতবর্ষই স্বাধীনতা লাভ কৰাৰ পাছত অসমীয়া উপন্যাস সাহিত্যই কেনে ৰূপ লাভ কৰিলে সেই বিষয়ে বহলাই আলোচনা কৰিম। বিশেষভাৱে ভাৰতবর্ষই স্বাধীনতা লাভ কৰাৰ পাছত অসমীয়া সাহিত্যিকসকলে তেওঁলোকৰ মনৰ খিৰিকি খুলি দিছিল যাতে দেশ-বিদেশৰ বিভিন্ন নব্য চিন্তা-ধাৰাৰ পোহৰেৰে তেওঁলোকৰ মন-মগজু আলোকিত হয়। সেই আলোকেৰে আলোকিত হৈ অসমীয়া উপন্যাসৰ ধাৰাটিক ন ন উপকৰণেৰে সজাই তুলিছিল। সেই বিষয়েই এই অধ্যায়টিত চমুকৈ আলোকপাত কৰা হৈছে। অধ্যায়টিৰ অধ্যয়নে আপোনাক

অসমীয়া উপন্যাসৰ ইতিহাস সম্পৰ্কে সঠিক ধাৰণা প্ৰদান কৰাৰ উপৰি অসমীয়া উপন্যাসৰ গতি-প্ৰকৃতি সম্পৰ্কে গভীৰ ধাৰণা প্ৰদান কৰিব।

২.৩ স্বৰাজোত্তৰ কালৰ অসমীয়া উপন্যাস

ভাৰতবৰ্ষই ব্ৰিটিছৰ পৰা স্বাধীনতা লাভ কৰাৰ পাছতে অসমীয়া উপন্যাস সাহিত্যৰ বিকাশো দ্ৰুততৰ হয়। স্বৰাজোত্তৰ কালৰ অসমৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক পটভূমি সম্পৰ্কে ইতিমধ্যে 'অসমীয়া সাহিত্যৰ বুৰঞ্জী' শীৰ্ষক এই ষাণ্মাসিকৰে প্ৰথম পাঠ্যবিষয়ৰ অধ্যয়সমূহত বহলাই আলোচনা কৰা হৈছে। সেয়ে ইয়াত পুনৰাবৃত্তি কৰা নহ'ল। সেই আলোচনাত উল্লেখ কৰাৰ দৰে নাগৰিক সভ্যতাৰ পত্তন, অৰ্থনৈতিক পৰিৱৰ্তন, শিক্ষাৰ বিস্তাৰ, মধ্যবিত্ত শ্ৰেণীৰ কৰ্মকাণ্ড, গণতান্ত্ৰিক ভাবধাৰাৰ বিকাশ, স্বাধীনতা লাভ, স্বাধীনতাৰ মোহভঙ্গ আদি বিভিন্ন কাৰকেও উপন্যাস সাহিত্যৰ জনপ্ৰিয়তাত উল্লেখযোগ্য বৰঙণি আগবঢ়ালে। উপন্যাস ৰচনাৰ সংখ্যা বৃদ্ধি পালে; বিষয়বস্তু, কলা-কৌশলৰ পৰিৱৰ্তন ঘটিল; নতুন চিন্তা-চৰ্চাৰ পৰিস্ফুৰণ ঘটিল। দ্বিতীয় মহাযুদ্ধই জন্ম দিয়া আৰ্থ-সামাজিক ব্যাধিসমূহে সমাজ জীৱন বিপৰ্যস্ত কৰি তুলিলে। এইবোৰে সৃষ্টিশীল লেখকসকলকো প্ৰভাৱিত কৰিলে। তেওঁলোকৰ ৰচনাৰাজিৰ মাজেদি সেইবোৰ প্ৰকাশ কৰিবলৈ, তুলি ধৰিবলৈ যথাসাধ্যে চেষ্টা কৰিলে। এই প্ৰেক্ষাপটে অসমীয়া ঔপন্যাসিকসকলকো ঐতিহাসিক বিষয়বস্তুৰ পৰিৱৰ্তে সমাজ জীৱনক আলোড়িত কৰা বিভিন্ন বিষয়বস্তুৰ আধাৰত উপন্যাস ৰচনা কৰিবলৈ অনুপ্ৰাণিত কৰিলে। প্ৰধানতঃ অৰ্থনৈতিক সংকট, প্ৰাচীন অৰ্থনীতিৰ পঁয়ালগা অৱস্থা, পুৰণি আৰু নতুন সংঘাত, নিপীড়িত শ্ৰমিক-কৃষকৰ দুৰ্দশা আৰু তাৰ প্ৰতিবাদকল্পে আৰম্ভ হোৱা সংগ্ৰাম, সমাজবাদী ভাবধাৰাৰ বিস্তাৰ, মাৰ্ক্সীয় দৰ্শনৰ প্ৰসাৰ, মানুহৰ মন সম্পৰ্কে সম্পন্ন হোৱা বিভিন্ন গৱেষণা আদিয়ে ঔপন্যাসিকসকলক নতুন ধৰণে চিন্তা-চৰ্চা কৰিবলৈ সমল যোগালে। সেইবাবেই শৈলেন ভৰালীয়ে এই সময়ছোৱাত ৰচিত সৰহভাগ উপন্যাসতে "আধুনিক সাহিত্যৰ দুটা প্ৰধান বৈশিষ্ট্য— বাস্তৱবাদ আৰু সামাজিক সচেতনতা" পৰিস্ফুট হৈছে বুলি মন্তব্য আগবঢ়াইছে।

স্বৰাজোত্তৰ কালত অতীতলৈ ঘূৰি চাই বা বুৰঞ্জীৰ পৰা শিক্ষা গ্ৰহণ কৰি তাৰ অনুপ্ৰেৰণাৰে সাহিত্য ৰচনা কৰাৰ আগ্ৰহ সমূলি নাইকিয়া হৈ গৈছিল বুলিয়েই ক'ব পাৰি। সাম্প্ৰতিক সমাজ জীৱন ইমান বেছি জটিল হৈ পৰিছিল যে অতীতৰ অনুপ্ৰেৰণাত সাহিত্য ৰচনা কৰাৰ প্ৰাসংগিকতাই প্ৰায় নাইকিয়া হৈছিল। অৱশ্যে তাৰ মাজতো ঐতিহাসিক উপন্যাস ৰচনা কৰাৰ সুঁতিৰো একেবাৰে শুকাই যোৱা নাছিল। স্বৰাজোত্তৰ কালত প্ৰকাশিত প্ৰথমখন ঐতিহাসিক উপন্যাস হ'ল দণ্ডিনাথ কলিতাৰ *গণবিপ্লৱ* (১৯৪৮)। মোৱামৰীয়া বিদ্ৰোহৰ পটভূমিত ৰচিত এইখন উপন্যাস কিন্তু সাৰ্থক ঐতিহাসিক উপন্যাস হিচাপে চিহ্নিত নহ'ল। সমালোচকসকলে এই উপন্যাসখনত ঐতিহাসিক উপন্যাসৰ বাবে প্ৰয়োজনীয় ৰসৰ সৃষ্টি নহ'ল বুলি অভিহিত কৰিছে। ইয়াৰ পাছতে ১৯৬৩ চনত ৰচিত পদ্ম বৰকটকীৰ *কোনো খেদ নাই* আন এখন ঐতিহাসিক উপন্যাস। এই উপন্যাসখনৰ সাৰ্থকতা হ'ল— ইয়াত ইতিহাসৰ বিষয় বা ঐতিহাসিক চৰিত্ৰক নতুন দৃষ্টিকোণেৰে

চোৱাৰ প্ৰৱণতা সুস্পষ্ট। এইখন ঐহিতাসিক উপন্যাসৰে পৰা অতীতক বৰ্তমানৰ পৰিপ্ৰেক্ষিতত বিচাৰ কৰি চোৱাৰ পৰম্পৰাটি আৰম্ভ হয়।

ইতিমধ্যে আমি উল্লেখ কৰিছোঁ যে আলোচ্য কালছোৱাত অসমৰ জনসাধাৰণৰ অৰ্থনৈতিক দুৰৱস্থাই অতীতৰ পৰা বিষয়বস্তু আহৰণ কৰি বা অতীতক সুঁৱৰি উপন্যাস ৰচনা কৰাৰ আগ্ৰহ নাইকিয়া কৰি পেলাইছিল। কিন্তু সত্তৰ আৰু আশীৰ দশকত কেইখনমান সাৰ্থক ঐতিহাসিক উপন্যাস ৰচিত হয়। সেইবোৰৰ ভিতৰত ত্ৰৈলোক্য ভট্টাচাৰ্যৰ *সাঁচিপাতৰ পুথি* (১৯৭৩) আৰু *চৰাইদেউ* (১৯৭৭); আৰু নৱকান্ত বৰুৱাৰ *ককাদেউতাৰ হাঁড়* (১৯৭৩) আৰু *গৰমা কুঁৱৰী* (১৯৮০), দেবেন্দ্ৰনাথ আচাৰ্যৰ *জঙ্গম* (১৯৮২) আৰু *কালপুৰুষ* (১৯৭৬) ধীৰেন বৰঠাকুৰৰ *বাঈচাহেবা* (১৯৮০) আদি উল্লেখযোগ্য। এইগোটেই কেইখন ঐতিহাসিক উপন্যাসত ইতিহাসৰ ঘটনাক নতুন দৃষ্টিভঙ্গীৰে চোৱাৰ আৰু অতীতৰ লগত বৰ্তমানক সংযোগ কৰাৰ চেষ্টা স্পষ্টভাৱে প্ৰকাশ পাইছে। এক কথাত ক'ব পাৰি ঐতিহ্য-প্ৰীতি আৰু জাতীয়-চৈতন্যই এই উপন্যাসসমূহৰ মূল চালিকাশক্তি।

স্বৰাজোত্তৰ কালত ৰচিত অধিকাংশ উপন্যাসেই প্ৰধানতঃ সামাজিক উপন্যাস। এই প্ৰসংগত গোবিন্দ প্ৰসাদ শৰ্মাই *উপন্যাস আৰু অসমীয়া উপন্যাস* পুথিত উল্লেখ কৰা এষাৰ মন্তব্য স্মৰণযোগ্য— "এইটো ঠিক যে উপন্যাস যিহেতু সাধাৰণতে মানুহক লৈয়েই ৰচিত আৰু মানুহ সামাজিক প্ৰাণী হিচাপে সমাজতেই থাকে, গতিকে সকলো উপন্যাসেই প্ৰাথমিকভাৱে সামাজিক উপন্যাস।" এই দৃষ্টিভঙ্গীৰে বিচাৰ কৰিলে অসমীয়া উপন্যাসসমূহক আমি সামাজিক উপন্যাস বুলিয়েই অভিহিত কৰিব পাৰোঁ। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে সাহিত্যয়ো তাৰ প্ৰকাশভংগী, আংগিক, বিষয়বস্তু আদি সকলো দিশৰে পৰিৱৰ্তন ঘটায়। এয়া উপন্যাসৰ ক্ষেত্ৰটো সমানে প্ৰযোজ্য। ইতিমধ্যে আৰু এটা কথা উল্লেখ কৰিছোঁ যে স্বৰাজোত্তৰ কালত অসমীয়া সমাজ জীৱনৰ আৰ্থ-সামাজিক-ৰাজনৈতিক ক্ষেত্ৰত বিৰাট পৰিৱৰ্তন সাধন হ'ল। সেই পৰিৱৰ্তনসমূহে অসমীয়া উপন্যাস সাহিত্যকো বিটোত কৰিলে। উপন্যাস সাহিত্যৰ মাজলৈ বিবিধ বিষয়বস্তুৰ আগমন ঘটিল, প্ৰকাশভঙ্গীৰ পৰিৱৰ্তন হ'ল, উপস্থাপন পদ্ধতি, কলা-কৌশলক লৈ বিভিন্ন পৰীক্ষা-নিৰীক্ষা আৰম্ভ হয়।

স্বৰাজোত্তৰ কালৰ অসমীয়া ঔপ্যনাসিকসকলৰ ভিতৰত বিৰিঞ্চি কুমাৰ বৰুৱা, প্ৰফুল্ল দত্ত গোস্বামী, মহম্মদ পিয়াৰ, দীননাথ শৰ্মা, ঘন গগৈ, হিতেশ ডেকা, উমাকান্ত শৰ্মা, ছৈয়দ আব্দুল মালিক, বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য, লক্ষ্মীনন্দন বৰা, অমূল্য বৰুৱা, হোমেন বৰগোহাঞি, মেদিনী চৌধুৰী, দেবেন্দ্ৰনাথ আচাৰ্য, মামণি ৰযছম গোস্বামী, নিৰুপমা বৰগোহাঞি, শীলভদ্ৰ, নিৰোদ চৌধুৰী, নৱকান্ত বৰুৱা, যোগেশ দাস, ৰোহিনী কুমাৰ কাকতি, নীলিমা দত্ত, কাঞ্চন বৰুৱা, মহিম বৰা, মহেন্দ্ৰ বৰঠাকুৰ, লুম্বেৰ দাই, পোলেন বৰকটকী, চন্দ্ৰপ্ৰসাদ শইকীয়া, ভবেন্দ্ৰনাথ শইকীয়া, অতুলানন্দ গোস্বামী, জয়ন্ত ৰংপী, যেচে দৰজে ঠংচি, ৰং বং তেৰাং, অৰূপা পটঙ্গীয়া কলিতা, ভূপেন শৰ্মা, ফনীন্দ্ৰ কুমাৰ দেৱচৌধুৰী, তিলোত্তমা মিশ্ৰ, ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য্য, অজিৎ বৰুৱা, আৰুণ গোস্বামী, অৰুণ শৰ্মা, ইমৰাণ শ্বাহ, দেৱব্ৰত দাস, ধ্ৰুবজ্যোতি বৰা আদি

ঔপন্যাসিকে বিভিন্ন শ্রেণীৰ উপন্যাস লিখি অসমীয়া উপন্যাসৰ ধাৰাটিৰ বিকাশৰ ক্ষেত্রত অৰিহণা যোগাইছে। ইয়াত উল্লেখ কৰা সকলৰ উপৰি আন বহুতো ঔপন্যাসিকে বিভিন্ন শ্রেণীৰ উপন্যাস ৰচনা কৰি অসমীয়া উপন্যাস সাহিত্যৰ ভঁৰাল চহকী কৰিছে। ইয়াত উদাহৰণ হিচাপে মাত্র কেইজনমান উল্লেখযোগ্য ঔপন্যাসিকৰ নামহে উল্লেখ কৰা হৈছে।



চিন্তা-চর্চা কৰক - ২.১

এই শাখাটিত উল্লেখ নকৰা স্বৰাজোত্তৰ কালৰ (১৯৪৭-২০০০ চনলৈ) অসমীয়া ঔপন্যাসিকসকলৰ এখন তালিকা প্রস্তুত কৰি তেওঁলোকে ৰচনা কৰা উপন্যাসসমূহৰ নাম লিখক।

স্বাধীনতা লাভ কৰাৰ ঠিক পাছতেই প্রকাশ পায় মহম্মদ পিয়াৰৰ *প্রীতি উপহাৰ*(১৯৪৮), *সংগ্রাম*(১৯৪৮) *মৰহা ফুল*(১৯৪৮), *জোৱাৰৰ ঢৌ*(১৯৪৯), *পুৱতি নিশাৰ আজান*(১৯৫৫), *ৰংজুলিৰ বিহুৱান* (১৯৬৭); কাঞ্চন বৰুৱাৰ *অসমীত যাৰ হেৰাল সীমা* (১৯৪৮)। উল্লেখযোগ্য যে অসমীয়া উপন্যাস সাহিত্যত আচহুৱা পৰিৱেশত মনোৰম কাহিনীৰে ৰোমাণ্টিক পৰিৱেশ সৃষ্টি কৰি উপন্যাস ৰচনা কৰা পৰম্পৰা আৰম্ভ হয় কাঞ্চন বৰুৱাৰ এইখন উপন্যাসৰ পৰা। এই উপন্যাসখন অৱশ্যে লিখা হৈছিল ১৯৪৫ চনতে। এই উপন্যাসসমূহত মূলতঃ ৰোমাণ্টিক প্রেম, দেশপ্রেম, সামাজিক সংস্কাৰধর্মী আদর্শ, নৈতিক মূল্যবোধ দাঙি ধৰাৰ লক্ষণ সুস্পষ্ট। এই সময়ছোৱাতে প্রধানতঃ ৰহস্যধর্মী উপন্যাস লিখা প্রেমনাৰায়ণ দত্তই আত্মপ্রকাশ কৰে। তেওঁৰ কাপৰ পৰা নিসৃত হয় *নিয়তিৰ নির্মালি*(১৯৫৩), *প্রণয়ৰ সুঁতি*(১৯৫৪), *প্রাণৰ পৰশ*(১৯৫৭), *আকাশৰ অন্তৰালত* (১৯৬২) আদি উপন্যাস।

ভাৰতবর্ষই স্বাধীনতা লাভ কৰাৰ কেইবছৰমান পাছতেই প্রকৃত অর্থত অসমীয়া আধুনিক উপন্যাসৰ আৰম্ভ হয়। পাশ্চাত্য সমালোচকসকলে আধুনিক উপন্যাসৰ বাবে নির্ধাৰণ কৰা বৈশিষ্ট্যবোৰ সুন্দৰ ৰূপত ফুটি উঠিছিল প্রফুল্ল দত্ত গোস্বামীৰ *কেঁচা পাতত কঁপনি*(১৯৫২)ত। অৱশ্যে ইয়াৰ আগতেই তেওঁ ৰচনা কৰা *শেষ ক'ত*(১৯৪৮) উপন্যাসখনত আধুনিক উপন্যাসৰ ভালেখিনি বৈশিষ্ট্য পৰিস্ফুট হয়। এই উপন্যাসখনৰ মাজত "সামন্ত মনোভাব আৰু আধুনিক সমাজবাদী দৃষ্টিভঙ্গীক দ্বন্দ্বও প্রকাশিত হৈছে" বুলি নগেন শইকীয়াই মত পোষণ কৰিছে। পিছে পৰিতাপৰ কথা যে সেই সময়ত উপন্যাস মানেই কাহিনী পঠনত অভ্যস্ত অসমীয়া পাঠকে সেয়া আদৰি নললে। কিন্তু অসমীয়া আধুনিকতাবাদী উপন্যাসৰ বাটকাটোঁতা হিচাপে প্রফুল্ল দত্ত গোস্বামীৰ নাম অসমীয়া উপন্যাস সাহিত্যৰ ইতিহাসত সদা স্মৰণীয় হৈ ৰ'ব। পৰৱর্তী সময়ত চন্দ্রপ্রসাদ শইকীয়াই *এদিন* (১৯৬৯), শীলভদ্রই *অনুসন্ধান* (১৯৮৭) আৰু ভূপেন্দ্র নাৰায়ণ ভট্টাচার্য্যই *মৰুদ্যান*(১৯৯১) ৰচনা কৰি এই ধাৰাটি প্রবহমান কৰি ৰাখিলে।

পঞ্চাশৰ দশকত বিৰিঞ্চি কুমাৰ বৰুৱাই ৰাস্না বৰুৱা ছদ্মনামেৰে তেওঁৰ দ্বিতীয়খন উপন্যাস *সেউজী পাতৰ কাহিনী*(১৯৫৮) ৰচনা কৰে। চাহ বনুৱাৰ জীৱনৰ পটভূমিত ৰচিত

এইখন উপন্যাসৰ মাজেদি ঔপন্যাসিকে তেওঁৰ প্ৰখৰ সমাজ চেতনাৰ স্বাক্ষৰ দাঙি ধৰি গৈছে। এই সময়ছোৱাতে যুদ্ধৰ ধামখুমীয়া আৰু চাহ বাগনৰ পটভূমিক লৈ যোগেশ দাসে লিখি উলিয়ালে *ডাৱৰ আৰু নাই* (১৯৫৫)। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে পঞ্চাশ আৰু ষাঠিৰ দশক দুটা অসমীয়া উপন্যাস সাহিত্যৰ ক্ষেত্ৰত লেখত ল'বলগীয়া দুটা দশক। এই দুটা দশকতে অসমীয়া উপন্যাসৰ ক্ষেত্ৰখনত বিবিধ ধাৰাৰ উপন্যাস ৰচনাৰ পৰিক্ৰমা আৰম্ভ হয়। বিৰিঞ্চি কুমাৰ বৰুৱাই বীণা বৰুৱা ছদ্মনামেৰে লিখা *জীৱনৰ বাটত* উপন্যাসখনৰ পৰাই গ্ৰাম্য পটভূমিত সমাজ বাস্তৱতাক আধাৰ হিচাপে লৈ উপন্যাস লিখাৰ পৰিক্ৰমা আৰম্ভ হয়। তেওঁ চিকুণাই যোৱা বাটটোৰে হিতেশ ডেকাই *আজিৰ মানুহ* (১৯৫৪), *নতুন পথ* (১৯৫৬), *ভাড়া ঘৰ* (১৯৫৮), *মাটি কাৰ* (১৯৬০), *এয়েতো জীৱন* (১৯৬১), *আচল মানুহ* (১৯৬৭); ঘনকান্ত গগৈয়ে *সোণৰ নাঙল* (১৯৫৬), *ভূমি কন্যা* (১৯৬২); ছৈয়দ আব্দুল মালিকে *সূৰ্যমুখীৰ স্বপ্ন* (১৯৬০), লক্ষ্মীনন্দন বৰাই *গংগা চিলনীৰ পাখি* (১৯৫৬), হোমেন বৰগোহাঞিয়ে *হালধীয়া চৰায়ে বাওধান খায়* (১৯৭৩), *পিতাপুত্ৰ* (১৯৭৫); অতুলানন্দ গোস্বামীয়ে *নামঘৰীয়া* (১৯৯০), দেবেন্দ্ৰ নাথ আচাৰ্যই *অন্য যুগ অন্য পুৰুষ* (১৯৭০) আদি উপন্যাস ৰচনা কৰে। এই উপন্যাসসমূহত গ্ৰাম্য জীৱনৰ আবেগ-অনুভূতি, আধুনিক নাগৰিক সভ্যতাৰ পত্তন, পৰম্পৰাগত মূল্যবোধ, অৱক্ষয়, আদৰ্শবাদিতা আৰু আদৰ্শহীনতাৰ সংঘাত আদি সজীৱ ৰূপত আত্মপ্ৰকাশ কৰিলে। উল্লেখযোগ্য যে এই সময়ছোৱাত অসমীয়া উপন্যাস সাহিত্যৰ আটাইতকৈ প্ৰসিদ্ধ ঔপন্যাসিকজন হ'ল ছৈয়দ আব্দুল মালিক। তেওঁ *ল.সা.গু* (১৯৪১) উপন্যাসেৰে প্ৰাক্-স্বাধীনতা কালতে ঔপন্যাসিক হিচাপে আত্মপ্ৰকাশ কৰিছিল যদিও স্বৰাজোত্তৰ কালতহে তেওঁৰ প্ৰতিভাই প্ৰসিদ্ধি লাভ কৰে। ঠিক সেইদৰে ৰাধিকামোহন গোস্বামীয়েও *চাকনৈয়া* (১৯৫৪) আৰু *বা মাৰলী* (১৯৫৮) উপন্যাস দুখনেৰে অসমীয়া সমাজৰ নৈতিক প্ৰমূল্যৰ অৱনতি দাঙি ধৰিছে। তিলক দাসে চল্লিশৰ দশকৰ শেষৰ ফালে *আৰতি* উপন্যাসেৰে আত্মপ্ৰকাশ কৰি পৰৱৰ্তী সময়ত *এই ৰং এই সুৰভি* (১৯৫৪), *পৰ্বতৰ ৰূপালী জোনাক* (১৯৬৬); গোবিন্দ মহন্তই *শেষ পথ* (১৯৪৯), *কৃষকৰ নাতি* (১৯৫২), *নতুন জীৱন* (১৯৫৪); অৰুণ দাসে *ব্যৰ্থ লগ্ন* (১৯৫৮); ধৰ্মেশ্বৰ কটকীয়ে *জীৱনৰ ভগা ৰংঘৰ* (১৯৫৬); যতীন্দ্ৰনাথ গোস্বামীয়ে *মাটিৰ বুকুত* (১৯৫৬) আদি উপন্যাস ৰচনা কৰিলে। এই উপন্যাসসমূহত আমি আগতে উল্লেখ কৰি অহাৰ দৰে ৰোমাণ্টিক প্ৰেম, দেশপ্ৰেম, সমাজিক সংস্কাৰৰ ধৰ্মী আদৰ্শ, নৈতিক মূল্যবোধ আদি দাঙি ধৰাৰ যত্ন পৰিলক্ষিত হৈছিল।

ইতিমধ্যে উল্লেখ কৰা হৈছে যে স্বৰাজোত্তৰ কালৰ প্ৰসিদ্ধ ঔপন্যাসিক এজন হ'ল চৈয়দ আব্দুল মালিক। তেওঁৰ উপন্যাসসমূহৰ মাজেদি বিভিন্ন প্ৰকৃতিৰ বিষয়বস্তু প্ৰকাশ পাইছে। প্ৰগতিবাদী ভাবধাৰাৰে *ৰথৰ চকৰি ঘূৰে* (১৯৫০), মধ্যবিত্ত শ্ৰেণীৰ মনসিকতাৰ প্ৰকাশেৰে *জীয়া জুৰীৰ ঘাট* (১৯৬০), *অঘৰী আত্মৰ কাহিনী* (১৯৬৯), *ড° অৰুণাভৰ অসম্পূৰ্ণ জীৱনী* (১৯৭৫); মানৱতাবাদী ভাবধাৰাৰ *ৰূপাবাৰিৰ পলস* (১৯৮০); মানুহৰ অস্বাভাৱিক মনস্তত্ত্বক লৈ *প্ৰাচীৰ আৰু কঙ্কাল* (১৯৬৮), *সোণালী সূতাৰে বন্ধা* (১৯৭২); জীৱনীমূলক উপন্যাস *ৰূপতীৰ্থৰ যাত্ৰী* (১ম খণ্ড, ১৯৬৩, ২য় খণ্ড ১৯৬৫) আৰু *ধন্য নৰ তনু ভাল* (১৯৮৭), *প্ৰেম অমৃতৰ নদী*



জীৱনীমূলক উপন্যাস ঃ যি বোৰ উপন্যাসৰ মূল বিষয়বস্তু কোনো ব্যক্তিৰ জীৱন তেনে উপন্যাসকে জীৱনীমূলক উপন্যাস বোলে। মন কৰিবলগীয়া যে জীৱনীমূলক উপন্যাস কিন্তু জীৱনী নহয়। জীৱনীৰ আধাৰত ৰচনা কৰা উপন্যাসহে।

(১৯৯৯) আদি প্ৰকাশ পাইছে। মালিকৰ উপন্যাসৰ বিষয়ে এই পাঠ্যবিষয়ৰে সপ্তম আৰু অষ্টম অধ্যায়ত বহলাই আলোচনা দাঙি ধৰা হৈছে। প্ৰসঙ্গক্ৰমে উল্লেখযোগ্য যে মালিকে ৰচনা কৰা *ৰূপতীর্থৰ যাত্ৰী* উপন্যাসখনত জ্যোতিপ্ৰসাদ আগৰৱালাৰ আদি জীৱনভাগ তুলি অনা হৈছে আৰু এইখনেই অসমীয়া সাহিত্যৰ প্ৰথম ***জীৱনীমূলক উপন্যাস।*** পৰৱৰ্তী সময়ত মেদেনী চৌধুৰীয়ে মাধৱদেৱৰ জীৱনক লৈ *ৰঙুকা বেহাৰ* (১৯৭৬), বিষ্ণুৰাভাৰ জীৱনৰ আধাৰত *ফেৰেঙ্গাদাও* (১৯৮২), ব্ৰজ শৰ্মাৰ জীৱনক লৈ *খোলাকটিৰ তাল* (১৯৮৯), আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱনৰ আধাৰত *বিপন্ন সময়* (১৯৯৯); লক্ষ্মীনন্দন বৰাই শঙ্কৰদেৱৰ জীৱনক আধাৰ কৰি *যাকেৰি নাহিকে উপাম* (১৯৯৩), মাধৱদেৱৰ জীৱনক লৈ *সেহি গুণনিধি* (১৯৯৯); প্ৰদীপ শইকীয়াই ওমৰ খয়ামৰ জীৱনৰ আধাৰত *ওমৰ খয়াম* (১৯৮৭), তিলোত্তমা মিশ্ৰই নিজৰ জীৱনক লৈ *স্বৰ্ণলতা* (১৯৯১), নিৰুপমা বৰগোহাঞিয়ে চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱনৰ আধাৰত *অভিযাত্ৰী* (১৯৯৩) চন্দ্ৰপ্ৰসাদ শইকীয়াই জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱনৰ আধাৰত *তোৰে মোৰে আলোকৰে যাত্ৰা* (১৯৯২) উপন্যাস ৰচনা কৰে।

অসমীয়া সাহিত্যৰ আধুনিকতা আন্দোলনৰ এগৰাকী অগ্ৰগণ্য হোতা তথা *ৰামধেনু* কাকতখনৰ সম্পাদক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য স্বৰাজোত্তৰ কালৰ এগৰাকী উল্লেখযোগ্য ঔপন্যাসিক। তেওঁ সাহিত্যৰ প্ৰগতিবাদী ধাৰণাটোত কাণ্ডাৰী হিচাপে ৰাজনৈতিক উপন্যাস লিখিবলৈ আৰম্ভ কৰে। ৰাজনৈতিক উপন্যাসৰ বিষয়ে গোবিন্দ প্ৰসাদ শৰ্মাই কৈছে— "যিবোৰ সামাজিক উপন্যাসৰ বিষয়বস্তু প্ৰধানতঃ বা বহুলাংশে ৰাজনীতি, তেনে উপন্যাসকে ৰাজনৈতিক উপন্যাস বোলা যায়।" তেওঁ ১৯৫৫ চনত ৰচনা কৰা *ৰাজপথে বিঙিয়ায়* এনে ধাৰাৰ প্ৰথমখন অসমীয়া উপন্যাস। তেওঁৰ দ্বিতীয়খন উপন্যাস *আই* (১৯৬০)ৰ বাদে আন উপন্যাসসমূহ এই ধাৰাৰ অন্তৰ্গত। উল্লেখযোগ্য যে *আই* উপন্যাসখনত স্বৰাজোত্তৰ কালৰ ভাৰত চৰকাৰৰ নতুন ভূমিনীতিয়ে সমাজত যি পৰিৱৰ্তন সাধিলে বা সৰ্বসাধাৰণৰ আৰ্থিক আৰু সামাজিক জীৱনলৈ যি বিভ্ৰাট নমাই আনিলে সেয়াই প্ৰকাশ কৰা হৈছে। তেওঁৰ আন কেইখন উল্লেখযোগ্য উপন্যাস হ'ল *ইয়াৰুইঙ্গম* (১৯৫০), *মৃত্যুঞ্জয়* (১৯৭০), *প্ৰতিপদ* (১৯৭০), *নষ্টচন্দ্ৰ* (১৯৬৮), *চিনাকি সুঁতি* (১৯৭১), *ডাইনী* (১৯৭৬)। ইয়াৰে ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ পটভূমিত ৰচিত উপন্যাস *মৃত্যুঞ্জয়ৰ* বাবে তেওঁ ১৯৭৯ চনত ভাৰত চৰকাৰে প্ৰদান কৰা সৰ্ব্বোচ্চ সাহিত্যিক সন্মান জ্ঞানপীঠেৰে বিভূষিত হৈছিল। ভট্টাচাৰ্য্য এই বঁটাৰে বিভূষিত প্ৰথমজন অসমীয়া সাহিত্যিক। এইজনা প্ৰসিদ্ধ অসমীয়া ঔপন্যাসিকৰ বিষয়ে এই পাঠ্যবিষয়ৰে নৱম অধ্যায়ত বহলাই আলোচনা দাঙি ধৰাৰ লগতে দশম অধ্যায়ত তেওঁৰ *ৰাজপথে বিঙিয়ায়* উপন্যাসখনৰ বিষয়ে আলোচনা কৰা হৈছে।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই ৰচনা কৰা *ইয়াৰুইঙ্গম* উপন্যাসখনত জনজাতীয় জীৱনৰ (নগা সমাজ জীৱনৰ বিভিন্ন দিশ) চিত্ৰ দাঙি ধৰা হৈছিল। মন কৰিবলগীয়া যে ষাঠিৰ দশকৰ পৰা বৰ্তমানলৈকে জনজাতীয় জীৱনক আধাৰ হিচাপে লৈ ভালেখিনি উপন্যাস ৰচনা কৰা হৈছে। কেইবাজনো জনগোষ্ঠীয় মূলৰ ঔপন্যাসিকেই এই ক্ষেত্ৰত হাত উজান দিছে। ৰজনীকান্ত

বৰদলৈৰ *মিৰি-জিয়ৰী* উপন্যাসখনতে আৰম্ভ হোৱা এই পৰম্পৰাটিৰ কেইখনমান উল্লেখযোগ্য উপন্যাস হ'ল— কৈলাশ শর্মাৰ *বিদ্রোহী নগাৰ হাতত* (১৯৫৮), ৰং বং তেৰাঙৰ *ৰং মিলিৰ হাঁহি* (১৯৮২), লুম্বেৰ দাইৰ *পাহাৰৰ শিলে শিলে* (১৯৬০), *পৃথিৱীৰ হাঁহি* (১৯৬৩), *মন আৰু মন* (১৯৬৮), *কইনাৰ দাম* (১৯৮৪); জয়ন্ত ৰংপিৰ *পুৱাতে এজাক ধনেশ* (১৯৭৭), অমূল্য বৰুৱাৰ *উ-খুন জংঙা* (১৯৭৩); য়েছে দৰজে ঠংচিৰ *চমন* (১৯৮১), *লিঙৱিক* (১৯৮৩); স্বর্ণ বৰাৰ *ডিয়ুং নদীৰ গীত* (১৯৮৫), *সোৱণশিৰীৰ ৰেলৰ উকি* (১৯৯০); যতীন মিপুনৰ *মিকচিজিলি* (১৯৯৩), নগেন্দ্র নাথ বৰুৱাৰ *গাজাউডিছা* (১৯৮৪), উমাকান্ত শর্মাৰ *ভাৰণ্ড পখীৰ জাক* (১৯৯২) ইত্যাদি।

আধুনিক কবি হিচাপেঅসমীয়া কাব্য সাহিত্যত স্মৰণীয় হৈ থকানৱকান্ত বৰুৱাই ষাঠিৰ দশকতে *কপিলীপৰীয়া সাধু* (১৯৫৪) ৰে ঔপন্যাসিক হিচাপে আত্মপ্রকাশ কৰিছিল। উল্লেখযোগ্য যে এইখন এখন আঞ্চলিক উপন্যাস। গোবিন্দ প্রসাদ শর্মাৰ মতে— "এটা অঞ্চলক কেন্দ্র কৰি, অর্থাৎ সেই অঞ্চলটোক কেৱল পটভূমিয়েই নহয়, বিষয়বস্তু হিচাপেও লৈ যিবোৰ উপন্যাস ৰচনা কৰা হয়, সেইবোৰ উপন্যাসকে আঞ্চলিক উপন্যাস বোলে।" অসমীয়া উপন্যাস সাহিত্যৰ কেইখনমান উল্লেখযোগ্য আঞ্চলিক উপন্যাস হ'ল নিৰুপমা বৰগোহাঞিৰ *সেই নদী নিৰৱধি* (১৯৬৩), শীলভদ্রৰ *মধুপুৰ* (১৯৭১), মামণি ৰয়ছম গোস্বামীৰ *দতাঁল হাতীৰ উঁয়ে খোৱা হাওদা* (১৯৮৮) আদি। নৱকান্ত বৰুৱাই পৰৱর্তী সময়ত *ককাদেউতাৰ হাড়* (১৯৭৩) আৰু *গড়মা কুঁৱৰী* (১৯৭৯) নামেৰে দুখন ঐতিহাসিক উপন্যাস আৰু বৌদ্ধ ধর্ম, সংস্কৃতি, গাথা আদিক লৈ *মানুহ আটাইবোৰ দ্বীপ* (১৯৮১) ৰচনা কৰিছিল। অসমৰ চাহ বনুৱাসকলৰ জীৱনক পটভূমি হিচাপে লৈ ৰচনা কৰা প্রথমখন উপন্যাস হ'ল *ডাৰৰ আৰু নাই* (১৯৫৫)। যোগেশ দাসে ৰচনা কৰা এইখন উপন্যাসত দ্বিতীয় মহাসমৰৰ সময়ত অসমীয়া সমাজ জীৱনলৈ অহা পৰিৱর্তনসমূহ তুলি ধৰাৰ লগতে চাহ বাগিচাৰ পটভূমিয়ে পোন প্রথমবাৰৰ বাবে অসমীয়া উপন্যাসত ঠাই পালে। ১৯৫৮ চনত বিৰিঞ্চি কুমাৰ বৰুৱাই লিখি উলিয়ালে *সেউজী পাতৰ কাহিনী*। এই কথা ইতিমধ্যে আগতেও উল্লেখ কৰি অহা হৈছে। অৱশ্যে চাহ বাগিচাৰ জীৱন আৰু সংস্কৃতিক একক ৰূপেৰে উপন্যাসত তুলি ধৰা হৈছে পৰৱর্তী কালত ৰচনা কৰা উমাকান্ত শর্মাৰ *এজাক মানুহ এখন অৰণ্য* (১৯৮৬)তহে। যোগেশ দাসে ৰচনা কৰা কেইখনমান উল্লেখযোগ্য অন্য উপন্যাস হ'ল— *জোনাকীৰ জুই* (১৯৫৯), *নিৰুপায় নিৰুপায়* (১৯৬৩), *ছাঁ জুই খেদি* (১৯৬৯)। ঠিক সেইদৰে উমাকান্ত শর্মাৰ আন কেইখনমান উল্লেখযোগ্য উপন্যাস হ'ল— *উড়ন্ত মেঘৰ ছাঁ* (১৯৬০), *ছিমছাঙৰ দুটি পাৰ* (১৯৬৪), *ৰঙা ৰঙা তেজ* (১৯৬৭), *ভাৰণ্ড পক্ষীৰ জাক* (১৯৯২) আদি। পদ্ম বৰকটকীয়েও *মনৰ দাপোণ* (১৯৫৮), *খবৰ বিচাৰি* (১৯৫৯), *বিচাৰৰ বাবে* (১৯৬১) ৰচনা কৰি অসমীয়া উপন্যাস সাহিত্যৰ স্বৰাজোত্তৰ কালৰ প্রাৰম্ভিৰ পর্যায়ত বৰঙণি যোগাইছিল।

প্রধানতঃ কেইবাখনো মননশীল অসমীয়া আলোচনীৰ সম্পাদক হিচাপে প্রতিষ্ঠিত চন্দ্রপ্রসাদ শইকীয়াই ১৯৫১ চনতে *এদিন* নামৰ উপন্যাসখনেৰে আত্মপ্রকাশ কৰিছিল। অৱশ্যে



পৌৰাণিক উপন্যাস ঃ যি বোৰ উপন্যাসৰ মূল বিষয়বস্তু বা চৰিত্ৰ কোনো পুৰাকথাৰ আধাৰত নিৰ্মাণ কৰা হৈছে তেনে উপন্যাসকে পৌৰাণিক উপন্যাস বোলে।

এই উপন্যাসখন পুথি হিচাপে প্ৰকাশ পাইছিল ১৯৬৯ চনতহে। তেওঁ কেইবাখনো উপন্যাস ৰচনা কৰিছে যদিও *মহাৰথীখনকেই* তেওঁৰ শ্ৰেষ্ঠতম উপন্যাস বুলিব পাৰি। *মহাভাৰতৰ* চৰিত্ৰ কৰ্ণক মুখ্য চৰিত্ৰ হিচাপে লৈ তেওঁ এই উপন্যাসখনত নতুন দৃষ্টিভঙ্গীৰে পৌৰাণিক কাহিনীটোত পোহৰ পেলাইছে। এইখন এখন ***পৌৰাণিক উপন্যাস***। এই সময়ছোৱাতে নাৰায়ণ বেজবৰুৱাই *নতুন দিগন্ত* (১৯৬২), আৰু *প্ৰেৰণাৰ প্ৰতীক* (১৯৬৪); সুৰেশ গোস্বামীয়ে *ৰশ্মিৰ কাৰেং* (১৯৬৫), *মোহন মইনা* (১৯৭০); নিৰোদ চৌধুৰীয়ে *স্তব্ধ বৃন্দাবন* (১৯৬৮), *দেৱী* (১৯৬৯), *কালহীৰা* (১৯৭০), *জটায়ু* (১৯৭১); কামাখ্যা সভাপণ্ডিতে *জীৱনৰ দাবী* (দুটা খণ্ড, ১৯৫৯, ৬১), *সদা মৰলৰ সোণাপুৰ* (১৯৬৬); ৰোহিনী কাকতিয়ে *এক নক্ষত্ৰৰ নিশা* (১৯৬৪), *সূৰ্যৰেখা* (১৯৬৫), *ৰ'দ আৰু কুঁৱলী* (১৯৬৭), *ভগ্নাংশ* (১৯৬৯); মহেন্দ্ৰ বৰঠাকুৰে *উদাসী সন্ধ্যা* (১৯৬২), *বেগম পাৰা* (১৯৭১), *বেলিফুল* (১৯৭১); নবীন বৰুৱাই *কটন কলেজ* (১৯৭০), *প্ৰেমিকা* (১৯৭০), *অমোঘ নিবিড় অন্ধকাৰ* (১৯৭২), *ফিনিক্স পখীৰ গান* (১৯৭৩); বসন্ত দাসে *জংছন* (১৯৭৪) আদি উপন্যাস ৰচনা কৰিছিল।



জানি থোৱা ভাল

অসমীয়া উপ্যনাস সাহিত্যত কেইবাজনো ঔপন্যাসিকে ছদ্মনামেৰে উপন্যাস ৰচনা কৰিছে। বিৰিঞ্চি কুমাৰ বৰুৱাই দুটা বেলেগ বেলেগ ছদ্মনামেৰে দুখন উপন্যাস লিখাৰ কথা ইতিমধ্যে উল্লেখ কৰা হৈছে। ঠিক সেইদৰে উমাকান্ত শৰ্মাই পশুপতি ভৰদ্বাজ ছদ্মনামেৰে উপন্যাস ৰচনা কৰিছিল। কাঞ্চন বৰুৱা নামেৰে ভুবনমোহন বৰুৱাই, কুমাৰ কিশোৰ নামেৰে কিশোৰীমোহন শৰ্মাই, ৰেৱতীমোহন দত্ত চৌধুৰীয়ে শীলভদ্ৰ আৰু ইন্দিৰা গোস্বামীয়ে মামণি ৰয়ছম গোস্বামী নামেৰে উপন্যাস ৰচনা কৰিছিল।

কাঞ্চন বৰুৱাই *অসীমত যাৰ হেৰাল সীমা* উপন্যাসখনেৰে অসমীয়া উপন্যাস সাহিত্যত আচহুৱা পৰিৱেশত মনোৰম কাহিনীৰে ৰোমাণ্টিক পৰিৱেশ সৃষ্টি কৰি উপন্যাস ৰচনা কৰা পৰম্পৰা আৰম্ভ কৰাৰ কথাও ইতিপূৰ্বে উল্লেখ কৰা হৈছে। পৰৱৰ্তী সময়ত কুমাৰ কিশোৰে *কবৰ আৰু কংকাল* (১৯৬৩), *এমুঠি তৰাৰ জিলমিল* (১৯৬৪), *বন্যাধৌত ব-দ্বীপ* (১৯৬৬); ৰোহিনীকুমাৰ কাকতিয়ে *শেতাঁ ৰ'দ* (১৯৬২), ভূপেন শৰ্মাই *উদ্ভীন উত্তৰীয়* (১৯৭৫), ফনীন্দ্ৰকুমাৰ দেৱচৌধুৰীয়ে *অনুৰাধাৰ দেশ* (১৯৮৯) ৰচনা কৰি এই ধাৰটিৰ ধাৰাবাহিকতাৰ ৰক্ষা কৰিছে।

স্বৰাজোত্তৰ কালৰ আন এগৰাকী উল্লেখযোগ্য ঔপন্যাসিক হোমেন বৰগোহাঞিৰ উপন্যাসত বিভিন্ন ধৰণৰ দাৰ্শনিক মতবাদৰ প্ৰভাৱ পৰা দেখা যায়। উদাহৰণস্বৰূপে তেওঁ প্ৰকৃতিবাদৰ দৃষ্টিৰে *সুবালা* (১৯৬৩), *অন্তৰাগ* (১৯৮৬), অস্তিত্ববাদৰ প্ৰকাশেৰে *তান্ত্ৰিক* (১৯৬৭) ৰচনা কৰিছে। স্বৰাজোত্তৰ কালত কেইখনমান মনস্তাত্ত্বিক উপন্যাসো ৰচিত হৈছে। গোবিন্দ প্ৰসাদ

শৰ্মাৰ মতে— "মনস্তত্ত্বৰ কোনো তত্ত্বৰ আধাৰত ৰচিত উপন্যাসক অথবা মানৰ মনৰ কোনোটি বিশেষ অৱস্থা অধ্যয়ন বা পৰ্যবেক্ষণ কৰি ৰচনা কৰা উপন্যাসক মনস্তাত্ত্বিক উপন্যাস বোলে।" যেনে— কুমাৰ কিশোৰৰ *এমুঠি তৰাৰ জিলিমিলি* (১৯৬৫), চৈয়দ আব্দুল মালিকৰ *ত্ৰিশূল* (১৯৬৮), পদ্ম বৰকটকীৰ *দুষ্মন্তৰ চুমা* (১৯৭০)।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ স্বাধীনোত্তৰ কালৰ অসমীয়া উপন্যাস সাহিত্যৰ ইতিহাসত এগৰাকী প্ৰধান ঔপন্যাসিক হিচাপে চৈয়দ আব্দুল মালিকৰ স্থান নিৰূপণ কৰক। (১৫০টা শব্দৰ ভিতৰত)

স্বাধীনোত্তৰ কালত কেইবাগৰাকী শক্তিশালী ঔপন্যাসিকাই আত্মপ্ৰকাশ কৰিছে। তাৰে কেইবাগৰাকীমান ঔপন্যাসিকাই এতিয়াও উপন্যাস ৰচনা অব্যাহত ৰাখিছে। এই সময়ছোৱাৰ কেইগৰাকীমান উল্লেখযোগ্য ঔপন্যাসিকা হ'ল— হিৰণময়ী দেৱী, শুচীব্ৰতা ৰায়চৌধুৰী, নিৰুপমা বৰগোহাঞি, নীলিমা দত্ত, প্ৰবীণা শইকীয়া, মামণি ৰয়ছম গোস্বামী, অৰূপা পটঙ্গীয়া কলিতা, তিলোত্তমা মিশ্ৰ, পূৰবী বৰমূদৈ আদি। হিৰণময়ী দেৱীয়ে *জীৱন সংগ্ৰাম* (১৯৫৬) আৰু শুচীব্ৰতা ৰায়চৌধুৰীয়ে *বা-মাৰলী* (১৯৫৮) ৰচনা কৰিছিল। নিৰুপমা বৰগোহাঞিয়ে *সেই নদী নিৰবধি* (১৯৬৩)ৰে ঔপন্যাসিকা হিচাপে আত্মপ্ৰকাশ কৰিছিল আৰু পৰৱৰ্তী সময়ত *ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ* (১৯৭৯), *অন্য জীৱন* (১৯৮৫), *চম্পাৱতী* (১৯৯০), *অভিযাত্ৰী* (১৯৯২), *নিজৰ পৰা নিলগত* (১৯৯৬) ৰচনা কৰে। নীলিমা দত্তই ৰচনা কৰা *আকাশ বস্তি* (?) খনকেই তেওঁৰ শ্ৰেষ্ঠ উপন্যাস হিচাপে সমালোচকসকলে চিহ্নিত কৰিছে। প্ৰবীণা শইকীয়াই *উত্তৰায়ণ* (১৯৬৭), *সিংহ দুৱাৰ* (১৯৮২) ৰচনা কৰিছিল। জ্ঞানপীঠ বঁটা বিজয়ী দ্বিতীয় গৰাকী অসমীয়া সাহিত্যিক মামণি ৰয়ছম গোস্বামীয়ে ১৯৭২ চনত *চেনাবৰ সোঁত* উপন্যাসখনেৰে ঔপন্যাসিকা হিচাপে আত্মপ্ৰকাশ কৰিছিল। পৰৱৰ্তী সময়ত তেওঁৰ কাপৰ পৰা নিসৃত হয় *নীলকণ্ঠী ব্ৰজ* (১৯৭৬), *অহিৰণ* (১৯৭৬), *মামৰে ধৰা তৰোৱাল* (১৯৮০), *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* (১৯৮৮), *তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা* (১৯৯৫) ইত্যাদি। তেওঁৰ উপন্যাসৰ বিষয়ে এই পাঠ্যবিষয়ৰে চতুৰ্দশ অধ্যায়ত বহলাই আলোচনা কৰা হৈছে। সাম্প্ৰতিক কালৰ এগৰাকী উল্লেখযোগ্য ঔপন্যাসিকা অৰূপা পটঙ্গীয়া কলিতাই *মৃগনাভিৰে* (১৯৮৪) আত্মপ্ৰকাশ কৰিছিল। তেওঁ ৰচনা কৰা আন উল্লেখযোগ্য উপন্যাসসমূহ হ'ল *অয়নান্ত* (১৯৯৪), *ফেলানী* (২০০৩)। তিলোত্তমা মিশ্ৰই যোৱা শতিকাটোত *স্বৰ্ণলতা* (১৯৯১) ৰচনা কৰি জীৱনীমূলক অসমীয়া উপন্যাসৰ ক্ষেত্ৰত উল্লেখযোগ্য বৰঙনি আগবঢ়াইছিল। পূৰবী বৰমূদৈৰ *গজৰাজ, প্ৰেম আৰু বন্দীত্ব* (১৯৯৯) আন এখন উল্লেখযোগ্য অসমীয়া উপন্যাস।

মূলতঃ গল্পকাৰ ৰূপে প্ৰসিদ্ধ লক্ষ্মীনন্দন বৰাই ষাঠিৰ দশকতে *নিশাৰ পূৰবী* (১৯৬২)ৰে ঔপন্যাসিক হিচাপে আত্মপ্ৰকাশ কৰিছিল। তেওঁ *গঙ্গা চিলনীৰ পাখি* (১৯৬৫), *পাতাল ভৈৰৱীৰে*

(১৯৮৬) অধিক জনপ্রিয়তা অর্জন কৰে। তেওঁ লিখা জীৱনীমূলক উপন্যাস কেইখনত নাম ইতিমধ্যে উল্লেখ কৰা হৈছে। ঠিক সেইদৰে গল্পকাৰ মহিম বৰাৰ *পুতলা ঘৰ* (১৯৭১), *হেৰুৱা দিগন্তৰ মায়া* (১৯৭৩); দেবেন্দ্রনাথ আচার্য্যৰ *অন্য যুগ অন্য পুৰুষ* (১৯৭১) এই সময়ছোৱাৰ উল্লেখযোগ্য ফচল। উল্লেখযোগ্য যে *অন্য যুগ অন্য পুৰুষত* অস্তিত্ববাদৰ সার্থক প্রকাশ ঘটিছে আৰু এইখনেই প্রথম অসমীয়া অস্তিত্ববাদী উপন্যাস। মধুপুৰৰ লিখক শীলভদ্রৰ *গধূলি* (১৯৮১), *অনুসন্ধান* (১৯৮৭) দুখন উল্লেখযোগ্য আধুনিকতাবাদী উপন্যাস বুলি সমালোচকসকলে চিহ্নিত কৰিছে। অনিল ৰায়চৌধুৰীয়ে ৰচনা কৰা *কাণ্ডাৰী* (১৯৭৯) আৰু *শত্রু* (১৯৮০) —এই দুখন প্রগতিবাদী ধাৰাৰ উপন্যাসৰ ভাল উদাহৰণ। গল্পকাৰ আৰু নাট্যকাৰ হিচাপে পৰিচিত ভবেন্দ্রনাথ শইকীয়াই ১৯৮৬ চনতহে *অন্তৰীপ* উপন্যাসখনেৰে ঔপন্যাসিক হিচাপে ভুমুকি মাৰে। ঠিক সেইদৰে অজিৎ বৰুৱাই ১৯৯২ চনত *এখন প্রেমৰ উপন্যাসেৰে* ঔপন্যাসিক হিচাপে ভুমুকি মাৰে। মূলতঃ নাট্যকাৰ হিচাপে পৰিচিত অৰুণ শর্মাই *উভলা শিপা* (১৯৭৯)ৰে ঔপন্যাসিক হিচাপে আত্মপ্রকাশ কৰিছিল। *পৰশুৰাম* (১৯৮৩), *আশীর্বাদৰ ৰং* (১৯৯৬) তেওঁৰ আন দুখন উল্লেখযোগ্য উপন্যাস। সাম্প্রতিক কালৰ এগৰাকী উল্লেখযোগ্য ঔপন্যাসিক হ'ল দেৱব্রত দাস। ১৯৯৬ চনত *ফুল আৰু চৰাইৰ ঠিকনা* আৰু *বৰষাৰ প্রথম সুবাস* উপন্যাস দুখনেৰে আত্মপ্রকাশ কৰা দেৱব্রত দাসৰ উপন্যাসত উত্তৰ আধুনিকতাবাদৰ লক্ষণ নিহিত হৈ আছে। অৱশ্যে পৰৱর্তী সময়তহে তেওঁ লিখা *ধূসৰতাৰ কাব্য* (২০০৫)ত ই সার্থক ৰূপত প্রতিভাত হৈছে। ঠিক সেইদৰে সন্তোষ কুমাৰ কর্মকাৰৰ *গদ্যময় জীৱনৰ উপকথা* (১৯৯৫), *গৃহভূমি* (১৯৯৫) যোৱা শতিকাটোৰ শেষ দশকৰ উল্লেখযোগ্য ৰচনা।

এইসকলৰ উপৰি আৰু বহু ঔপন্যাসিক-ঔপন্যাসিকাই আলোচ্য সময়ছোৱাত বিভিন্ন উপন্যাস ৰচনা কৰি অসমীয়া উপন্যাস সাহিত্যৰ ধাৰাটিৰ শ্রীবৃদ্ধিত অৰিহণা যোগাইছে। ইতিমধ্যে অসমীয়া উপন্যাসৰ ধাৰাটিয়ে এটা শতিকা অতিক্রম কৰিছে। অসমীয়া উপন্যাসৰ বিষয়ে কৰা এই আলোচনাটিত পৰিস্ফুট হৈছে যে স্বৰাজোত্তৰ কালত অসমীয়া উপন্যাসে বিষয়বস্তু আৰু কলা-কৌশলৰ বৈচিত্র্যৰে উদ্ভাসিত হৈ উঠিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ স্বৰাজোত্তৰ কালৰ অসমীয়া মহিলা ঔপন্যাসিকসকলৰ উপন্যাসসমূহৰ বিষয়ে চমুকৈ লিখক। (১৫০টা শব্দৰ ভিতৰত)



২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতবর্ষই বৃটিছৰ ঔপনিৱেশৰ পৰা স্বাধীনতা লাভ কৰাৰ পাছতে অসমীয়া উপন্যাস সাহিত্যৰ বিকাশো দ্রুততৰ হয়। উপন্যাসৰ বিষয়বস্তু, কলা-কৌশলৰ পৰিৱর্তন ঘটিল; নতুন চিন্তা-চর্চাৰ পৰিস্ফুৰণ ঘটিল। দ্বিতীয় মহাযুদ্ধই জন্ম দিয়া আর্থ-সামাজিক

ব্যাধিসমূহে সমাজ জীৱন বিপর্যস্ত কৰি তুলিলে। এইবোৰে সৃষ্টিশীল লেখকসকলক প্রভাৱিত কৰিলে। তেওঁলোকৰ ৰচনাৰাজিৰ মাজেদি সেইবোৰ তুলি ধৰিবলৈ যথাসাধ্য চেষ্টা কৰিলে। এই প্রেক্ষাপটে অসমীয়া ঔপন্যাসিকসকলকো ঐতিহাসিক বিষয়বস্তুৰ পৰিৱর্তে সমাজ জীৱনক আলোড়িত কৰা বিভিন্ন বিষয়বস্তুৰ আধাৰত উপন্যাস ৰচনা কৰিবলৈ অনুপ্রাণিত কৰিলে।

- প্রধানতঃ অর্থনৈতিক সঙ্কট, প্রাচীন অর্থনীতিৰ পঁয়ালগা অৱস্থা, পুৰণি আৰু নতুনৰ সংঘাত, নিপীড়িত শ্রমিক-কৃষকৰ দুর্দশা আৰু তাৰ প্রতিবাদকল্পে আৰম্ভ হোৱা সংগ্রাম, সমাজবাদী ভাবধাৰাৰ বিস্তাৰ, মার্ক্সীয় দর্শনৰ প্রসাৰ আদিয়ে ঔপন্যাসিকসকলক নতুন ধৰণে চিন্তা-চর্চা কৰিবলৈ সমল যোগালে।
- অধ্যয়টিত স্বৰাজোত্তৰ কালত ৰচিত ঐতিহাসিক উপন্যাসখিনিৰ বিষয়ে পৃথকভাৱে আলোচনা কৰাৰ লগতে এই সুদীর্ঘ কালছোৱাত ৰচিত বিভিন্ন ধাৰাৰ উপন্যাস আৰু ঔপন্যাসিকসকলৰ বিষয়ে বিস্তৃতভাৱে উল্লেখ কৰা হৈছে।



২.৫ অধিক জানিবলৈ

১) কটকী, প্রফুল্ল (১৯৭৯); *স্বৰাজোত্তৰ অসমীয়া উপন্যাস সমীক্ষা;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।

২) ঠাকুৰ, নগেন (সম্পা.) (২০০০); *এশ বছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৩) নেওগ, মহেশ্বৰ (১৯৬৪); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৪) বৰগোহাঞি, হোমেন (সম্পা.) (১৯৯৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড);* অসম ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

৫) বৰগোহাঞি, হোমেন (সম্পা.) (১৯৬৭); *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য;* যোৰহাট ঃ অসম সাহিত্য সভা।

৬) ভৰালী, শৈলেন (২০০৪); *মাধৱ কন্দলিৰ পৰা মামণি গোস্বামীলৈ;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৭) ভৰালী, শৈলেন (১৯৯৬); *অসমীয়া ঐতিহাসিক উপন্যাস;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৮) ভৰালী, শৈলেন (১৯৯৩); *উপন্যাস বিচাৰ আৰু বিশ্লেষণ;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৯) শর্মা, গোবিন্দ প্রসাদ (১৯৯৫); *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোর্ছ।

১০) শর্মা, সত্যেন্দ্রনাথ (২০০৯); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

১১) শর্মা, সত্যেন্দ্রনাথ (১৯৯৭); *অসমীয়া উপন্যাসৰ ভূমিকা;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

১২) শর্মা, সত্যেন্দ্রনাথ (২০০৭); *অসমীয়া উপন্যাসৰ গতিধাৰা;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

২.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ চৈয়দ আব্দুল মালিকৰ জীৱন আৰু কৃতি... ...তেওঁৰ উপন্যাসসমূহৰ নাম আৰু বিষয়বস্তু... ...সামগ্রিক আলোচনা।

২নং প্রশ্নৰ উত্তৰ ঃ স্বৰাজোত্তৰ কালৰ মহিলা ঔপন্যাসিকসকলৰ নাম... ...তেওঁলোকৰ সাহিত্যকৃতি... ...উপন্যাসসমূহ... ...সামগ্রিক আলোচনা।

(এই আটাইকেইটা প্রশ্নৰ উত্তৰ লিখোঁতে আপুনি অধিক জানিবলৈত উল্লেখ থকা কিতাপসমূহৰ লগতে সাহিত্য বুৰঞ্জী আৰু এই পাঠ্যবিষয়ৰ গোটেইকেইটা অধ্যায় ভালদৰে অধ্যয়ন কৰি লোৱা অধিক ফলপ্রসূ হ'ব।)

২.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ স্বৰাজোত্তৰ কালৰ অসমীয়া উপন্যাসৰ পটভূমি সম্পর্কে এটি প্রবন্ধ লিখক।

প্রশ্ন ২ ঃ স্বৰাজোত্তৰ কালৰ ঐতিহাসিক উপন্যাস সম্পর্কে এটি টোকা লিখক।

প্রশ্ন ৩ ঃ স্বৰাজোত্তৰ কালৰ সামাজিক উপন্যাস সম্পর্কে এটি টোকা লিখক।

প্রশ্ন ৪ ঃ প্রাক্-স্বাধীনতা আৰু স্বৰাজোত্তৰ কালৰ অসমীয়া উপন্যাসৰ বিষয়বস্তুৰ এটি তুলনামূলক প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৫ ঃ স্বৰাজোত্তৰ কালৰ অসমীয়া উপন্যাসৰ বিষয়বস্তুৰ কেনেদৰে সলনি হৈছিল সেই বিষয়ে আলোকপাত কৰক।

প্রশ্ন ৬ ঃ চমুটোকা লিখক—

ক) ঔপন্যাসিক নৱকান্ত বৰুৱা

খ) ঔপন্যাসিক হোমেন বৰগোহাঞিঁ

গ) ঔপন্যাসিক মামণি ৰয়চম গোস্বামী

ঘ) শীলভদ্রৰ উপন্যাস

ঙ) স্বৰাজোত্তৰ কালৰ অসমীয়া মহিলা ঔপন্যাসিক

*** ***** ***

অধ্যায় ৩ ঃ ৰজনীকান্ত বৰদলৈ ঃ *দন্দুৰা দ্রোহ-১*

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য
৩.২ পৰিচয়
৩.৩ ৰজনীকান্ত বৰদলৈ ঃ জীৱন আৰু কৃতি
৩.৪ ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ
৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৩.৬ অধিক জানিবলৈ
৩.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৩.৮ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ঔপন্যাসিক ৰজনীকান্ত বৰদলৈৰ জীৱনআৰু তেওঁৰ সাহিত্য কর্মৰ বিষয়ে জানিব পাৰিব
- ঔপন্যাসিক হিচাপে ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ বৈশিষ্ট্যসমূহৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব
- অসমীয়া উপন্যাস সাহিত্যত ৰজনীকান্ত বৰদলৈৰ স্থান সম্পর্কে জ্ঞান লাভ কৰিব
- ৰজনীকান্ত বৰদলৈৰ উপন্যাসত ছাৰ ওৱাল্টাৰ স্কট আৰু বঙ্কিম চন্দ্র চেট্টার্জীৰ প্রভাৱ সম্পর্কে ধাৰণা কৰিব পাৰিব
- ৰজনীকান্ত বৰদলৈৰ উপন্যাসৰ বিষয়বস্তু, বুৰঞ্জীৰ প্রভাৱ, সমাজ আৰু ধর্মীয় জীৱন, প্রাকৃতিক পৰিৱেশ আদিৰ বিষয়ে অনুধাৱন কৰিব পাৰিব
- ৰজনীকান্ত বৰদলৈৰ সৃজনী প্রতিভাৰ বিষয়ে আভাস লাভ কৰিব।

৩.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়াৰ তৃতীয় ষাণ্মাসিকৰ দ্বিতীয় বুনিয়াদী পাঠ্যবিষয় 'অসমীয়া উপন্যাস'ৰ এইটো হৈছে তৃতীয় অধ্যায়। এই অধ্যায়টিত আমি অসমৰ উপন্যাস সম্রাট ৰজনীকান্ত বৰদলৈৰ জীৱন আৰু তেওঁৰ সাহিত্য কৃতিৰ বিষয়ে অধ্যয়ন কৰিম। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিলৈ ৰজনীকান্ত বৰদলৈয়ে যিমানখিনি অৱদান আগবঢ়াই গৈছে সেয়া অনস্বীকার্য। বিশেষকৈ অসমীয়া উপন্যাস ৰচনাৰ ক্ষেত্রত বৰদলৈ অদ্বিতীয়। তেওঁৰ ৰচিত উপন্যাসসমূহৰ মাজেৰে অসমৰ ইতিহাস, ৰাজনৈতিক জীৱন, সামাজিক তথা ধর্মীয় জীৱন, অসমৰ প্রাচীন ৰীতি-নীতি, প্রেম-প্রণয়, অসমৰ প্রাকৃতিক পৰিৱেশ আদিৰ বাস্তৱ ছবি প্রতিফলিত হৈছে।

ৰৱদলৈয়ে মুঠ নখন উপন্যাস ৰচনা কৰিছে। তাৰ ভিতৰত এখন সামাজিক আৰু এখন মণিপুৰী আখ্যান এটিক ভিত্তি কৰি ৰচনা কৰা। বাকী সাতখন অসমৰ বুৰঞ্জীক আধাৰ হিচাপে লৈ ৰচনা কৰা। তেওঁৰ উপন্যাসসমূহ হ'ল— *মিৰি জীয়ৰী* (১৮৯৪), *মনোমতী* (১৯০০), *দন্দুৰা দ্রোহ* (১৯০৯), *ৰঙ্গিলী* (১৯০৯), *ৰাধা-ৰুক্মিণীৰ ৰণ* (১৯২৫), *নিৰ্মল ভকত* (১৯২৬), *তাম্রেশ্বৰী মন্দিৰ* (১৯২৬), *ৰহদৈ লিগিৰী* (১৯৩০), আৰু *থাম্বা-থোইবীৰ সাধু* (১৯৩২)। ইয়াৰে *মিৰিজীয়ৰী*খন সামাজিক উপন্যাস আৰু *থাম্বা-থোইবীৰ সাধু* মণিপুৰী আখ্যানৰ ভিত্তিত ৰচিত।

ৰৱদলৈৰ প্রতিখন উপন্যাসেই স্ব-মহিমাৰে উজ্জ্বল। ইতিহাসক আধাৰ হিচাপে লৈ উপন্যাস ৰচনা কৰাৰ অনুপ্রেৰণা তেওঁ ইংৰাজ সাহিত্যিক ছাৰ ওৱাল্টাৰ স্কট আৰু বাংলা সাহিত্যৰ বঙ্কিমচন্দ্র চেটার্জীৰ পৰা পাইছিল। *মিৰি জীয়ৰী* ৰৱদলৈৰ প্রথম উপন্যাস। জন-জাতীয় জীৱনক কেন্দ্র কৰি লিখা এইখন এখন বাস্তৱ জীৱনৰ পটভূমিৰ সামাজিক উপন্যাস। ইতিহাস আশ্রিত উপন্যাসসমূহত অসমৰ সমাজ, ধর্মীয় ৰীতি-নীতি, উৎসৱ-পার্বণ, বিশ্বাস, নাৰী-পুৰুষৰ প্রেম-প্রণয় আদিক অতি কৌশলপূর্ণভাৱে, নিজস্ব ৰীতিৰে উপস্থাপন কৰিছে। এই অধ্যায়টিৰ আলোচনাৰ মাজেৰে আমি ৰজনীকান্ত ৰৱদলৈৰ সাহিত্যিক জীৱন আৰু তেওঁৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্য সম্পর্কে এটি আভাস পাম।

৩.৩ ৰজনীকান্ত ৰৱদলৈ ঃ জীৱন আৰু কৃতি

ঔপন্যাসিক ৰজনীকান্ত ৰৱদলৈৰ জন্ম হৈছিল ১৮৬৭ চনৰ ২৪ নৱেম্বৰত গুৱাহাটীত। তেওঁৰ উপৰি পুৰুষসকল কনৌজৰ পৰা অহা লোক আছিল। পাছত আহোম ৰজাৰ অনুগ্রহত তেওঁলোক অসমৰ দিহিং অঞ্চলত থাকিবলৈ লয়। ৰজনীকান্ত ৰৱদলৈৰ উপৰিপুৰুষ বংশধৰসকলক দিহিংগীয়া খড়িৰ বংশধৰ বুলিও জনাজাত। ৰৱদলৈৰ ককাদেউতাক তুৰাৰাম ৰৱদলৈ (দেৱ শর্মা) আহোম স্বর্গদেউ চন্দ্রকান্ত সিংহকে ধৰি ৰাজবিষয়াসকলৰ জ্যোতিষ আদি গণনা কৰি দিয়া সন্মানীয় ব্যক্তি আছিল। অসমত মানৰ আক্রমণৰ সময়ত ককাক তুৰাৰাম ৰৱদলৈ পলাই গৈ বঙ্গৰ নদীয়া-শান্তিপুৰ আদি ঠাইত বসতি কৰিছিল। তাতেই সংস্কৃত শিক্ষা গ্রহণৰ সুযোগ পাই পণ্ডিত হিচাপে তেওঁ জনাজাত হৈ পৰিছিল। মানৰ আক্রমণ শাম কটাত তেওঁ পুনৰ কামৰূপৰ বজালী অঞ্চললৈ আহি বিয়া-বাৰু কৰাই ঘৰ-সংসাৰ কৰি থাকিবলৈ লৈছিল। ৰজনীকান্ত ৰৱদলৈৰ পিতৃ নৱকান্ত ৰৱদলৈৰো বজালীতে জন্ম হৈছিল। নৱকান্ত ৰৱদলৈয়ে পাছত হাজো, উত্তৰ গুৱাহাটী আৰু পাছত গুৱাহাটীতে বসতি কৰিবলৈ লয়।

ৰজনীকান্ত ৰৱদলৈয়ে উত্তৰ গুৱাহাটীতে সৰু কালছোৱাত মোমায়েকৰ ঘৰত থাকিবলৈ লৈছিল। মাত্র ন বছৰ বয়সতে তেওঁৰ পিতৃ নৱকান্ত ৰৱদলৈ স্বর্গগামী হয়। শৈশৱতে পিতৃক হেৰুৱাই মাক আৰু মোমায়েকৰ তত্ত্বাৱধানতে ৰৱদলৈ ডাঙৰ-দীঘল হয়। উত্তৰ গুৱাহাটীতে মোমায়েকৰ ঘৰত থাকি ৰৱদলৈয়ে প্রাথমিক শিক্ষা আৰম্ভ কৰিছিল। ল'ৰালি কালৰ পৰাই তেওঁ প্রখৰ বুদ্ধিসম্পন্ন, সহজ-সৰল আৰু নেতৃত্বসুলভ গুণৰ পৰিচয় দিছিল। ৰৱদলৈৰ বিদ্যা আৰম্ভ কৰাৰ

দিনাখন ঘৰত সৰস্বতী দেৱীক পূজা কৰি বিদ্যা আৰম্ভ কৰা হৈছিল। পূজা সমাপন কৰা ব্রাহ্মণ শশধৰ দেৱশর্মাই 'শ্রীমান ৰজনীবোপা বৰ বিদ্বান হ'ব' বুলি ভৱিষ্যৎবাণী কৰিছিল।

উত্তৰ গুৱাহাটীত মোমায়েকৰ ঘৰত থকা সময়তে ঘৰৰ লগুৱা এজনৰ মুখৰ পৰা সাধুকথা, চিকাৰ আদিৰ কথা শুনি তেওঁৰ মনত ভৱিষ্যতে এজন সাহিত্যিক হোৱাৰ ভাব অঙ্কুৰিত হৈছিল। শৈশৱৰ কালছোৱাত মিলাসিং, কাঞ্চন, জয়মল, ফেদেলা, গেন্ধেলা আদি অঘাইতং, পঢ়া-শুনা নকৰা ভালেমান ল'ৰা তেওঁৰ লগৰীয়া আছিল। এই লগৰীয়াবিলাকৰ লগত তেওঁ নৱগ্রহ, শৰণীয়া আদি পাহাৰ বগাইছিল। গুৱাহাটীৰ মাজ-মজিয়াত থকা শিলপুখুৰীত সাঁতুৰিছিল। ওচৰ-চুবুৰীয়াৰ বাৰীৰ আম লগৰ লগৰীয়াৰ লগত ভগাই খাইছিল। বিহুৰ সময়ত পাহাৰ-পথাৰৰ পৰা কাঠ-বাঁহ আৰু নৰা আদি যোগাৰ কৰি ভেলাঘৰ আৰু ভেলাপুজি আদি সাজি তেওঁ আনন্দ উপভোগ কৰিছিল। অঘাইতং, পঢ়া-শুনা সমূলি নকৰা লগৰীয়াবোৰৰ পৰামর্শদাতা হিচাপেও ৰৰদলৈয়ে সৰুৰে পৰাই এক অনন্য ব্যক্তিত্বৰ গৰাকী হিচাপে পৰিচয় দিছিল। স্কুলীয়া জীৱনত ঘৰুৱা পৰিৱেশৰ বাবে তেওঁৰ তিনিটা বছৰ অথলে গৈছিল যদিও তেওঁ থমকি ৰোৱা নাছিল। ঘৰুৱা পৰিৱেশ, মাক, মোমায়েক, পেহীয়েকৰ মৰম-স্নেহে তেওঁক ভৱিষ্যৎ জীৱনত আগুৱাই যোৱাত সাহস আৰু অনুপ্রেৰণা যোগাইছিল। এগৰাকী বিধৱা পেহীয়েকৰ মৰম-সাদৰে শৈশৱতে তেওঁৰ জীৱন গঢ়াত সহায়ক হৈছিল।

১৮৮৫ চনত ৰৰদলৈয়ে এণ্ট্রেন্স পৰীক্ষাত উত্তীর্ণ হয় আৰু ১৮৮৭ চনত কলিকতাৰ মেট্রোপলিটান কলেজৰ পৰা এফ.এ. পৰীক্ষাত উত্তীর্ণ হয়। এই সময়ছোৱাত তেওঁ কুৰি টকাৰ ইলিয়টিয় বৃত্তি পাইছিল। ইয়াৰ পাছত কলিকতাৰ চিটি কলেজত বি.এ. পঢ়িবলৈ লয়। একে সময়তে কলিকতাৰ মেডিকেল কলেজতো তেওঁ নামভর্তি কৰে যদিও একে সময়তে দুটা বিষয়ত পঢ়িলে বৃত্তি লাভ কৰাত সমস্যা হোৱাৰ বাবে তেওঁ মেডিকেল অধ্যয়নৰ পৰা বিৰত থাকে। ১৮৮৯ চনত তেওঁ সুখ্যাতিৰে বি.এ. ডিগ্রী লাভ কৰে। বি.এ. পাছ কৰি তেওঁ ওকালতি অধ্যয়নত মন দিছিল যদিও পিছত চাকৰিত মনোনিবেশ কৰিলে।

১৮৯০ চনত তেওঁ চৰকাৰী চাকৰিত যোগদান কৰে। তেওঁ প্রথমে গুৱাহাটীৰ জিলা কমিছনাৰৰ অফিচত কেৰাণীৰ কামত যোগদান কৰিছিল। গেইট চাহাবৰ অধীনত তেওঁ ব্রান্স-এছিছটেণ্ট হিচাপেও কাম কৰে। ১৮৯১ চনত তেওঁ ছাব ডেপুটি কালেক্টৰলৈ পদোন্নতি পায় আৰু লক্ষীমপুৰত চাকৰিত যোগদান কৰে। এই সময়তে তেওঁ মিৰিসকলৰ আচাৰ-প্রণালী শিকি *মিৰি জীয়ৰী* উপন্যাসখন লিখাৰ অনুপ্রেৰণা পাইছিল।

১৯০১ চনত তেওঁৰ এক্সট্রা-এছিছটেণ্ট কমিছনাৰ হিচাপে পদোন্নতি হয়। ১৯০৯ চনত নগাঁৱৰ অস্থায়ী উপায়ুক্ত হিচাপেও ৰৰদলৈয়ে কার্যনির্বাহ কৰে।চাকৰিৰ সময়ছোৱাত তেওঁ ৰৰপেটা, বিজনী, হাউলী, সৰভোগ আদি ঠাইলৈ যাবলগীয়া হৈছিল। ৰৰপেটাত থকা সময়তে তেওঁ তেওঁৰ উপন্যাস *মনোমতী*ৰ সমল গোটাব পাৰিছিল। সেই সময়ত ৰৰদলৈ এজন নগা সন্ন্যাসীৰ সান্নিধ্যলৈ আহিছিল আৰু তেওঁৰ পৰা শাক্ত আৰু শৈৱ ধর্মৰ অনেক সাৰগর্ভ তত্ত্বৰ অনুসন্ধান লাভ কৰিছিল। কিন্তু ৰৰদলৈৰ জীৱনত বৈষ্ণৱ ধর্মৰ প্রভাৱ অতি গুৰুত্বপূর্ণ। তেওঁৰ উপন্যাসসমূহত

বৈষ্ণৱ ধর্মৰ প্রভাৱ পৰা দেখা যায়। সমালোচক-সাহিত্যিক ত্রৈলোক্য নাথ গোস্বামীৰ মন্তব্য এই ক্ষেত্রত উল্লেখযোগ্য—

"ৰৱদলৈৰ উপন্যাসৰ ওপৰত ভাৰতীয় দর্শনৰ ধাৰা আৰু বিশেষকৈ বৈষ্ণৱ গুৰুসকলৰ ৰসময়ী ভক্তিৰ প্রভাৱ স্পষ্ট।"

ৰৱদলৈৰ *মনোমতী* উপন্যাসতে এই কথা স্পষ্ট ৰূপত প্রকাশ পাইছে। ৰৱদলৈয়ে লিখিছে—

"ৰৱপেটাতে মোৰ ধর্ম জীৱন আৰম্ভ হয়। ৰৱপেটা মোৰ পক্ষে মহাতীর্থ। ৰৱপেটায়ে মোক পৱিত্র শান্তিময়, প্রেমময় বৈষ্ণৱ ধর্মত আশ্রয় লোৱালে।"

নিজৰ কর্মদক্ষতা, নির্ভীকতা, সততা আৰু নানান সামাজিক দায়িত্ব পালন কৰি লগতে, সাহিত্য চর্চা কৰি ১৯১৮ চনত ৰৱদলৈয়ে চাকৰিৰ পৰা অৱসৰ গ্রহণ কৰে।

ৰজনীকান্ত ৰৱদলৈৰ সাংসাৰিক জীৱনো সুখৰ আছিল। এফ.এ. পাছ কৰাৰ পাছত ঘৰৰ অনুৰোধমতেই জগন্নাথ ৰৱদলৈৰ জীয়ৰী স্বর্ণময়ী দেৰীৰ সৈতে তেওঁৰ বিবাহ সম্পন্ন হয়। স্বর্ণময়ী দেৰীৰ সৈতে তেওঁৰ এখন সুখৰ সংসাৰ আছিল। ঘৰৰ অন্য পৰিয়ালৰ সদস্য, কাম-বন কৰা মানুহৰ প্রতিও ৰৱদলৈ সদয় আছিল। পত্নীয়ে শিৱৰাত্রি, লক্ষ্মীপূজা, সৰস্বতী পূজা, সত্যনাৰায়ণ পূজা আদি পূজা উপাসনা কৰাত তেওঁ বাধা প্রদান কৰা নাছিল। নিজে বৈষ্ণৱপন্থী হোৱা সত্ত্বেও আনৰ ধর্ম-কর্মৰ প্রতি তেওঁ উদাৰতা প্রকাশ কৰিছিল।

ছাত্র অৱস্থাৰ পৰাই ৰৱদলৈয়ে সাহিত্য চর্চা কৰিছিল। অসমীয়া সাহিত্য জগতলৈ তেওঁৰ অৱদান অনবদ্য। অসম আৰু অসমীয়া জাতি, অসমৰ ইতিহাস আদিৰ প্রতি তেওঁৰ অসীম শ্রদ্ধা আৰু প্রীতি আছিল। একাধাৰে এজন কবি, গল্পকাৰ, প্রাবন্ধিক, নাট্যকাৰ, ঔপন্যাসিক, ব্যঙ্গ ৰচনা লেখক, পাঠ্যপুথিৰ লেখক, ধর্মীয় ৰচনা লেখক, সম্পাদক হিচাপে অসমীয়া সাহিত্যত তেওঁৰ অৱদান লেখত ল'বলগীয়া। আনহাতে, অসম সাহিত্য সভাৰ সভাপতিৰ ভাষণ, বিভিন্ন সভা-সমিতি আদিত দিয়া তেওঁৰ ভাষণ-বক্তৃতাসমূহ অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। তেওঁৰ প্রবন্ধসমূহো আছিল বিবিধ বিষয়ৰ। সেইবোৰৰ ভিতৰত আছিল জীৱনীমূলক, শিক্ষামূলক, ভ্রমণ বিষয়ক, অনুবাদমূলক, প্রত্নতত্ত্ব বিষয়ক আদি। ৰৱদলৈয়ে তেওঁৰ জীৱন-স্মৃতি বিজড়িত এখনি আত্মজীৱনী লিখা বুলিও জনা যায়। যদিও সাহিত্যৰ প্রতিটো দিশতে তেওঁ হাত ফুৰাই গৈছে তথাপিও অসমীয়া সাহিত্য জগতত তেওঁ উপন্যাস সম্রাট হিচাপেহে পৰিচিত। ইংৰাজী উপন্যাস সাহিত্যত ছাৰ ওৱাল্টাৰ স্কট আৰু বাংলা উপন্যাস সাহিত্যৰ বঙ্কিমচন্দ্র চেট্টার্জীৰ দৰে ৰৱদলৈয়েও অসমীয়া উপন্যাস সাহিত্যত এক বিশেষ স্থান লাভ কৰিছে।



জানি থোৱা ভাল

ওৱাল্টাৰ স্কটে(১৭৭১-১৮৩২) বুৰঞ্জীৰ আধাৰত উপন্যাস ৰচনা কৰে। ঊনবিংশ শতিকাৰ আগভাগতে স্কটে ডেৰ কুৰিৰো অধিক উপন্যাস ৰচনা কৰি ইংৰাজী উপন্যাস সাহিত্যত এটি নতুন দিশ উন্মোচন কৰে।

কলিকতাৰ পঢ়াশলীয়া জীৱনত 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' চমুকৈ 'অ. ভা. উ.সা. স.'ৰ তেওঁ এজন সক্রিয় সদস্য আছিল।চন্দ্র কুমাৰ আগৰৱালা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্র গোস্বামী, ৰমাকান্ত ৰৱকাকতিকে ধৰি কেইবাজনো সাহিত্য চর্চা কৰা ছাত্রৰ নেতৃত্বত সভাত সাহিত্য চর্চা হৈছিল। সেই অনুষ্ঠানতে 'শনিবৰীয়া চাহমেলত' অসমীয়া ছাত্রৰ দ্বাৰা সাহিত্য পাঠৰ লগতে অসমীয়া ভাষাৰ উন্নতিৰ চর্চা হৈছিল। ৰৱদলৈয়ে তৃতীয় বার্ষিকত পৰি থাকোঁতেই শনিবৰীয়া চাহ মেলৰ 'শৰীৰ-তত্ত্ব' নামৰ অনুবাদ প্রবন্ধ এটি পাঠ কৰিছিল। ৰৱদলৈৰ এই অনুবাদত অসমীয়া ভাষা-সাহিত্যৰ প্রতি থকা প্রীতিৰ লগতে স্বকীয় চিন্তাধাৰাও প্রকাশ পাইছিল। এই প্রবন্ধটি পাছত *জোনাকী* আলোচনীত প্রকাশ পাইছিল।



জানি থোৱা ভাল

Huxleyৰ *Human Anatomy* নামৰ গ্রন্থৰ 'শৰীৰ-তত্ত্ব' নাম দি ৰৱদলৈয়ে অনুবাদ কৰিছিল। হিন্দী সাহিত্যত প্রেমচান্দক উপন্যাস সম্রাট আখ্যা দিয়া হৈছে।

লক্ষীমপুৰত চাকৰি কৰা সময়ত তেওঁ 'চেতন প্রাণী আৰু উদ্ভিদৰ পার্থক্য' আৰু 'ৰক্তাহাৰী পাদপ' নামৰ দুটা চিন্তাশীল প্রবন্ধ ৰচনা কৰে। ইয়াৰ বাহিৰেও গেইট চাহাবৰ অনুৰোধত 'Religion of the Miris', 'The Potteries of Assam', চেমন চাহাবৰ অনুৰোধত 'The Weaving Industry of Assam'. আৰু গর্ডন চাহাবৰ অনুৰোধত 'The Chutias of Assam' আদি টোকা যুগুত কৰে। পঢ়াশলীয়া পাঠ্যপুথিৰ অভাৰ পূৰণ কৰি ১৮৯৭ চনত তেওঁ *জ্ঞান সোপান* ৰচনা কৰে। নাটক ৰচনাতো ৰৱদলৈয়ে হাত দিছিল। ১৮৯০ চনত কনকলাল বৰুৱা আৰু গোপাল কৃষ্ণ দেৰ সৈতে লগ লাগি *সাৱিত্রী-সত্যৱান*নামৰ নাটক এখন ৰচনা কৰে। অসমীয়া ভ্রমণ সাহিত্যতো তেওঁৰ দখল আছিল। ভাৰতৰ তীর্থস্থান ভ্রমণ কৰি তেওঁ অভিজ্ঞতা অর্জন কৰিছিল। ১৯১৪ চনত তেওঁ 'পুৰী ভ্রমণ' প্রবন্ধটি ৰচনা কৰে। কেবাটাও প্রত্নতত্ত্বমূলক, গভীৰ চিন্তাশীল প্রবন্ধ ৰচনা কৰিও অসমীয়া সাহিত্যলৈ তেওঁ অৱদান আগবঢ়াই গৈছে। 'মণিপুৰী জাতি', 'শদিয়া ৰাজ্যৰ পুৰণি তত্ত্ব', 'ডিব্রুগড়ৰ আইথান দর্শন', 'দেৰ দামোদৰ আৰু হিন্দুধর্ম', 'শ্রীশ্রীভট্টদেৰ', 'মহাপুৰুষ শ্রীশ্রীশঙ্কৰদেৰ', 'দক্ষিণ পাট সত্রৰ নৱদেৰ সত্রাধিকাৰ' আদি তেওঁৰ উল্লেখযোগ্য প্রবন্ধ। এই চিন্তাগধুৰ প্রবন্ধসমূহ *জোনাকী, বাঁহী, আৰাহন, মিলন*আদি আলোচনীৰ পাততে প্রকাশ পাইছিল।

অসমীয়া সাহিত্যৰ মনোবিজ্ঞান সম্পর্কীয় বিষয় ৰচনা কৰিও তেওঁ মহৎ ৰৱঙণি আগবঢ়াইছে। ১৯০৬ চনত 'মনোবিজ্ঞান' নামৰ প্রবন্ধ *উষা*আলোচনীৰ ১ম, ২য়, ৩য় আৰু ৪র্থ সংখ্যাত প্রকাশ পাইছিল। ৰৱদলৈয়ে গল্পকাৰ হিচাপেও তিনিটা গল্প ৰচনা কৰিছে। গল্পকেইটা হৈছে— 'গা ধন', 'প্রেমৰ উপাসক' আৰু 'সৌন্দর্যৰ উপাসক'। ৰৱদলৈয়ে মাত্র এটা কবিতা লিখা বুলি জনা যায়। 'মানৰ প্রতি-আক্রমণৰ গীত' নামৰ কবিতাটি ডিম্বেশ্বৰ নেওগ সম্পাদিত *কাব্য প্রতিভাত* সন্নিবিষ্ট হৈছে।

ৰৱদলৈয়ে ধেমেলীয়া ৰচনা সম্ভাৰো আগবঢ়াই গৈছে। 'মই স্বাধীন নে?' 'আত্মবিনোদক থিয়েটাৰৰ দল', 'চেনচাচ্-পিয়ল', 'নগৰ সঙ্কীর্তন', 'শ্রীভোলাই শর্মাৰ ভাৰ প্রৱণতা' আদি ধেমেলীয়া-লঘু প্রবন্ধত তেওঁৰ সমাজ-সংস্কাৰৰ মনোভাৱ প্রকট হৈ উঠিছে। ইয়াৰ বাহিৰেও মিৰি সন্মিলন, অসম চুতীয়া সন্মিলন আদিত আগবঢ়োৱা তেওঁৰ ভাষণসমূহত জাতি-জনগোষ্ঠী, সমাজ-সংস্কৃতিৰ স্বৰূপ প্রকাশ পাইছে। 'অসম সাহিত্য সভা'ৰ নগাঁৱত অনুষ্ঠিত অষ্টম অধিৱেশনত সভাপতিৰ আসন গ্রহণ কৰি তেওঁ যি অভিভাষণ প্রদান কৰিছিল সেয়া অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। ৰৱদলৈ আছিল দামোদৰপন্থী বৈষ্ণৱ ধর্মাৱলম্বী লোক। তেওঁ *অসম প্রদীপিকা*নামৰ ধর্মমূলক আলোচনী এখনো প্রকাশ কৰিছিল। লক্ষ্মীনাথ বেজবৰুৱাই *বাঁহী*আলোচনীত ৰৱদলৈৰ ধর্মমতৰ বিৰোধিতা কৰি তেওঁক তীব্রভাৱে সমালোচনা কৰিছিল। আকৌ, বাণীকান্ত কাকতিয়েও ভবানন্দ পাঠক ছদ্মনামেৰে *অসম প্রদীপিকাৰ* সম্পাদক ৰৱদলৈক সমালোচনা কৰিছিল। ৰৱদলৈয়ে এই আটাইবোৰৰে প্রত্যুত্তৰ অতি সুন্দৰভাৱে দিছিল আৰু বৈষ্ণৱ ধর্মৰ প্রতি তেওঁৰ আনুগত্যৰ পৰিচয় দিছিল।

ৰজনীকান্ত ৰৱদলৈৰ সমস্ত সাহিত্যকর্মৰ ভিতৰত উৎকৃষ্ট হ'ল তেওঁৰ উপন্যাসসমূহ। ৰৱদলৈয়ে কলিকতাৰ কলেজত অধ্যয়ন কৰি থকা সময়ত ৱাল্টাৰ স্কট আৰু বঙ্কিমচন্দ্রৰ উপন্যাস পঢ়িবলৈ সুবিধা পাইছিল আৰু সেই ঔপন্যাসিকদ্বয়ৰ দ্বাৰা অনুপ্রাণিত হৈছিল। *দন্দুৰা দ্রোহ*ৰ পাতনিত এই কথা তেওঁ উল্লেখ কৰিছে। ছাত্রাৱস্থাতে উপন্যাস লিখাৰ ধাউতিয়ে তেওঁৰ মনত খোপনি পুতিছিল। আনহাতে, ককাক, দেউতাক আৰু ঘৰৰ পৰিয়ালৰ অন্যান্য লোক, বয়সস্থ লোকৰ মুখত অসমৰ প্রাচীন কথা, মানৰ আক্রমণত অসমৰ দুর্যোগপূর্ণ দিনৰ কথা শুনিও তেওঁৰ মনত স্বদেশ, স্বজাতিৰ প্রতি গভীৰ আৱেগ আৰু অতীত প্রীতি উপচি পৰিছিল। তেনে কাহিনীকে তেওঁ উপন্যাসৰ মাজেৰে ৰূপ দিবলৈ আগ্রহ প্রকাশ কৰিছিল।



জানি থোৱা ভাল

- ৰজনীকান্ত ৰৱদলৈয়ে ভোলাই শর্মা ছদ্মনামত ধেমেলীয়া প্রবন্ধ লিখিছিল।
- মেৰী কেৰলী, ভিক্টৰ হিউগো, আলেকজেণ্ডাৰ ডুমা, ছার্লছ ডিকেন্স আদি বিখ্যাত শিল্পী-সাহিত্যিকৰ ৰচনাৰ দ্বাৰাও ৰৱদলৈ অনুপ্রাণিত হৈছিল।

কলিকতা এৰি তেওঁ যেতিয়া অসমলৈ ঘূৰি আহিছিল তেতিয়া 'অ. ভা. উ. সা.' সভাৰ কর্ণধাৰ ব্যক্তি, অসমৰ সুযোগ্য সন্তান ৰমাকান্ত ৰৱকাকতিক এনেদৰেও কৈছিল যে তেওঁ অসমলৈ ঘূৰি গৈ ওৱাল্টাৰ স্কট আৰু বঙ্কিমচন্দ্রৰ দৰে অসমত এলানি উপন্যাস লিখিব। কার্যক্ষেত্রত সেয়ে হৈছিল। স্বদেশ-স্বজাতিৰপ্রাচীন গৌৰৱৰ প্রতি শ্রদ্ধা জনাই আৰু অসমৰ জাতি-জনগোষ্ঠীৰ বিষয়ে গভীৰ অধ্যয়ন কৰি তেওঁ নখন উপন্যাস ৰচনা কৰি গৈছে। তেওঁৰ উপন্যাসসমূহৰ কথা আগতে উল্লেখ কৰা হৈছে। তেওঁৰ *মিৰি জীয়ৰী* (১৮৯৪) প্রথম আৰু একমাত্র সামাজিক উপন্যাস। *মনোমতী* (১৯০০), *ৰঙ্গিলী* (১৯২৫), *নির্মল* ভকত (১৯২৬), *তাম্রেশ্বৰী মন্দিৰ* (১৯২৬), *ৰহদৈ লিগিৰী* (১৯৩০) এই উপন্যাসকেইখন মানৰ আক্রমণৰ পটভূমিত ৰচিত হৈছে। *দন্দুৰা*

দ্রোহ (১৯০৯) উপন্যাসখন আহোম বিষয়া বদন ৰৱফুকনে কামৰূপৰ প্রজাৰ ওপৰত কৰা অত্যাচাৰৰ বিৰুদ্ধে হৰদত্ত আৰু বীৰদত্ত নামৰ দুই ভাতৃৰ নেতৃত্বত হোৱা বিদ্রোহৰ ভিত্তিত ৰচিত হৈছে। *ৰাধা-ৰুক্মিণীৰ ৰণ* (১৯২৫) উপন্যাসখনো আহোম ৰজাৰ বিৰুদ্ধে মোৰামৰীয়াসকলৰ বিদ্রোহৰ ভিত্তিত ৰচিত। *থাম্বা-থোইবীৰ সাধু* (১৯৩২) মণিপুৰৰ প্রচলিত সাধু এটিৰ আধাৰত লিখা এখন উপন্যাস। ৰৱদলৈৰ উপন্যাসৰাজিয়ে পাঠকক স্বদেশ-স্বজাতিৰ আত্মগৌৰৱৰ প্রতি সচেতন কৰি তোলাৰ লগতে ধর্মীয় ধ্যান, ৰীতি-নীতি, আদর্শৰ প্রতিও আকৃষ্ট কৰি তুলিব পাৰিছে। অসমৰ ইতিহাসৰ অতি গুৰুত্বপূর্ণ তথ্যপাতিও তেওঁ বুৰঞ্জীমূলক উপন্যাসৰ মাজেৰে পাঠকক অৱগত কৰিছে। অসম সাহিত্য সভাৰ সভাপতিৰ 'অভিভাষণ'ত তেওঁ উল্লেখ কৰিছিল এনেদৰে—

> "অসমীয়া উপন্যাস যেন অসমীয়া চৰিত্রৰ, অসমীয়া সমাজৰ কাব্য-কাননৰ সফল ফট্‌ফটীয়া দাপোণ আৰু উপন্যাসৰ সিদ্ধান্তই যেন পাঠকক ঈশ্বৰমুখী কৰি উন্নতিৰ বাটলৈ নিয়ে। ফচহু বজৰুৱা উপন্যাস যেন অসমীয়াই নিলিখে।"

'উপন্যাসৰ সঁজুলি' নামৰ প্রবন্ধত ৰৱদলৈয়ে উপন্যাসৰ বিষয়বস্তু, লিখাৰ কলা-কৌশল সম্পর্কে লিখি থৈ গৈছে।

ৰৱদলৈৰ উপন্যাসত গুণাভিৰাম বৰুৱাৰ *অসম বুৰঞ্জী* আৰু ছাৰ এডৱার্ড গেইটৰ 'A History of Assam'ৰ প্রভাৱ পৰা দেখা যায়। সাঁচিপতীয়া পুৰণি পুথিৰ প্রভাৱো তেওঁৰ উপন্যাসত পৰিলক্ষিত হয়। অসমীয়া সাহিত্যৰ উপন্যাস ৰচোঁতা হিচাপে ৰজনীকান্ত ৰৱদলৈ অদ্বিতীয়।

ৰৱদলৈ এজন সুযোগ্য অভিনেতাও আছিল। শ্বেইক্সপীয়েৰৰ 'Comedy of Errors'ৰ অসমীয়া ভাঙনি *ভ্রমৰঙ্গত* অভিনয় কৰি তেওঁ দর্শকক আপ্লুত কৰিছিল। চাকৰি জীৱনতো তেওঁ সুৰুঙা পালে অভিনয় কৰি ভাল পাইছিল। *কীচক বধ* নাটক লিখি আৰু তাত অভিনয় কৰিও তেওঁ প্রশংসাৰ পাত্র হৈছিল।

১৯৪০ চনৰ ২৫ মার্চ তাৰিখে তিনিকুৰি তেৰ বছৰ বয়সত (৭৩ বছৰ বয়সত) এইগৰাকী ঔপন্যাসিক, অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ সাধকৰ পৰলোকপ্রাপ্তি ঘটে। ৰৱদলৈৰ মৃত্যুত অসম তথা অসমীয়াই এজন কৃতি পুৰুষক হেৰুৱালে।



অগ্রগতি নিৰীক্ষণ

১নং প্রশ্ন ঃ ৰজনীকান্ত ৰৱদলৈৰ জীৱন আৰু সাহিত্যকর্ম সম্পর্কে এটি আলোচনা আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)



চিন্তা-চর্চা কৰক - ৩.১

অধিক জানিবলৈ শাখাটোত থকা গ্রন্থসমূহৰ সহায়েৰে ৰজনীকান্ত ৰৱদলৈৰ উপন্যাসসমূহৰ বিষয়ে আৰু তেওঁৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ বিষয়ে বহলাই লিখিবলৈ যত্ন কৰক। এই ক্ষেত্রত নগেন ঠাকুৰ সম্পাদিত *এশ বছৰৰ অসমীয়া উপন্যাস* পাঠ্য গ্রন্থখনো আপোনাৰ সহায়ক গ্রন্থ হ'ব।

৩.৪ ৰজনীকান্ত ৰৱদলৈৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

অসমীয়া উপন্যাস সাহিত্যক ৰজনীকান্ত ৰৱদলৈয়ে সুপ্রতিষ্ঠিত কৰি থৈ গৈছে। ৰৱদলৈয়ে নখন উপন্যাস ৰচনা কৰিছে। তাতে এখন সামাজিক আনখন মণিপুৰৰ সাধুকথাৰ আধাৰত ৰচনা কৰা। বাকী সাতখন উপন্যাসেই ঐতিহাসিক। ইংৰাজী উপন্যাস সাহিত্যত ওৱাল্টাৰ স্কট আৰু বাংলা উপন্যাস সাহিত্যত বঙ্কিমচন্দ্রই উপন্যাস ৰচনা কৰাৰ দৰে ৰজনীকান্ত ৰৱদলৈয়েও 'জোনাকী' যুগতে অসমীয়া উপন্যাস সাহিত্যক এটা গঢ় দিয়ে। ৰৱদলৈৰ উপন্যাসসমূহ বিশ্লেষণ কৰিলে কিছুমান বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। তলত ৰৱদলৈৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ দাঙি ধৰা হ'ল—

১) ৰৱদলৈৰ উপন্যাসৰ এটা বৈশিষ্ট্য হ'ল ৰোমান্সধর্মিতা। ওৱাল্টাৰ স্কটৰ উপন্যাসৰ আদর্শত ৰৱদলৈয়ে উপন্যাস ৰচনা কৰিছিল যদিও অসমৰ প্রাকৃতিক-সামাজিক তথা ৰাজনৈতিক পৰিৱেশৰ লগত খাপ খুৱাই অসমৰ মাটি-পানীৰে তাক সজাই তুলিছিল। স্কটে ইংলেণ্ডৰ 'High Land', 'Low Land' পৰিৱেশ উপন্যাসত পৰিৱেশিত কৰাৰ দৰে ৰৱদলৈয়ে অসমৰ নদী, বিল, পর্বত, ঝাৰণি আদি পৰিৱেশন কৰিবলৈ যত্ন কৰিছিল। ইতিহাস প্রীতি প্রাচীন অসমৰ মান-মর্যাদা, বীৰ-বীৰাঙ্গনাসকলৰ শৌর্য-বীর্য আদি উপন্যাসৰ কাহিনীৰ মাজেৰে পৰিৱেশন কৰি জনগণক স্বদেশ প্রেমেৰে ৰোমান্সিত কৰাৰ প্রয়াস ৰৱদলৈৰ উপন্যাসৰ বৈশিষ্ট্য। মান-মৰাণৰ আক্রমণ, অসমীয়া জাতিৰ সাহস, দেশাত্মবোধৰ ধাৰণা, অতীত প্রীতি, ৰাজনৈতিক ধুমুহাত বিপর্যস্ত অসমৰ ছবি আদি উপন্যাসৰ মাজেৰে প্রতিফলিত কৰা তেওঁৰ উপন্যাসৰ উদ্দেশ্য আছিল। উপন্যাসৰ চৰিত্রসমূহো বুৰঞ্জীৰ পৰা আহৰণ কৰিছিল লগতে কাল্পনিক চৰিত্রৰ সহযোগত কাহিনী আগবঢ়াই নিছিল। ৰৱদলৈয়ে ঘটনাৰ বৈচিত্র্যতাৰ লগতে মিল ৰাখি অতীতৰ প্রীতি উপন্যাসত প্রতিফলিত কৰিছিল।

২) ৰৱদলৈৰ উপন্যাসৰ আন এটি বৈশিষ্ট্য পৰিলক্ষিত হয় চৰিত্র সৃষ্টিত। নাৰী চৰিত্র সৃষ্টিত ৰৱদলৈয়ে বিশেষ পাৰদর্শিতা লাভ কৰিছে। তেওঁৰ প্রায় আটাইকেইখন উপন্যাসেই নাৰী চৰিত্র প্রধান। উপন্যাসৰ নাম ভূমিকাতো নাৰীকেই প্রাধান্য দিয়া হৈছে। *মিৰি জীয়ৰী, মনোমতী, ৰহদৈ লিগিৰী, ৰঙ্গিলী, তাম্বেশ্বৰী মন্দিৰ, ৰাধা-ৰুক্মিণীৰ ৰণ* আদি নাৰীৰ নামযুক্ত। সমাজত নাৰীৰ মর্যাদাৰ প্রতি ৰৱদলৈ সচেতন আছিল। সমাজত নাৰী যে সদায় অৱদমিত হৈ আহিছে, সেই কথা উপন্যাসসমূহত প্রকাশ পাইছে। তেনেস্থলত নাৰীৰ মর্যাদা তথা নাৰীৰ মুক্তি স্বাধীনতাৰ বার্তা তেওঁৰ উপন্যাসত প্রতিফলিত হৈছে। তেওঁৰ উপন্যাসৰ নাৰী চৰিত্রৰ মাজত সততা, ত্যাগ, গভীৰ আবেগপূর্ণতা, একনিষ্ঠতা, সংযমশীলতা থকা দেখা যায়। *মিৰি জীয়ৰীৰ* পানেইয়ে উপন্যাসৰ গতিশীলতাত প্রধান ভূমিকা লৈছে। *মনোমতীত* মনোমতী কেন্দ্রীয় চৰিত্র, *ৰঙ্গিলীৰ* ৰঙ্গিলী আদর্শ চৰিত্র, *ৰহদৈ লিগিৰীৰ* ৰহদৈ চৰিত্রতে উপন্যাসৰ সমগ্র শক্তি নিহিত আছে। *দন্দুৰা দ্রোহৰ*

হৰদত্তৰ পত্নী আত্মবলী তথা অচল-অটল চৰিত্র, *তাম্রেশ্বৰী মন্দিৰৰ* আঘনী আৰু ফুলেশ্বৰী চৰিত্রই প্রাধান্য লাভ কৰিছে। *নির্মল ভকতৰ* ৰূপহী এটি আলফুলীয়া সৰল নাৰী চৰিত্র। এই আটাইকেইটি নাৰী চৰিত্রই ভাৰতীয় নাৰীৰ ঐতিহ্য বহন কৰিছে।

ৰৱদলৈৰ উপন্যাসত নাৰী চৰিত্রৰ তুলনাত পুৰুষ চৰিত্রসমূহৰ স্থান গৌণ। তেওঁৰ উপন্যাসসমূহ নায়িকা প্রধানহে নায়ক প্রধান নহয়। ইয়াৰ ভিতৰত তিনিটা চৰিত্রক নায়কৰ শাৰীত স্থান দিব পাৰি। আনহাতে, ঐতিহাসিক চৰিত্রবোৰো গৌণ। কেইটামান কাল্পনিক চৰিত্রকো নায়ক হিচাপে কল্পনা কৰিব পাৰি।

৩) ৰৱদলৈৰ উপন্যাসত ইংৰাজ সাহিত্যিক ওৱাল্টাৰ স্কট আৰু বাংলা সাহিত্যিক বঙ্কিমচন্দ্রৰ উপন্যাসৰ প্রভাৱ পৰাটো তেওঁৰ উপন্যাসৰ আন এটা বৈশিষ্ট্য। *দন্দুৰা দ্রোহ* নামৰ উপন্যাসত তেওঁ লিখিছে— "কলেজত থাকোঁতে ছাৰ ওৱাল্টাৰ স্কটৰ নভেলশ্রেণী, স্বর্গীয় বঙ্কিম চেট্টার্জীৰ উপন্যাসশ্রেণী পঢ়িছিলোঁ।" বঙ্কিমচন্দ্রৰ ইতিহাস আশ্রিত উপন্যাসত জাতীয়-চেতনা জাগ্রত কৰাৰ দৰে আৰু স্কটৰ উপন্যাসত দেশৰ প্রতি থকা শ্রদ্ধা, অতীত প্রীতিৰ দৰে ৰৱদলৈৰ উপন্যাসতো এনে ধাৰণা থকা দেখা যায়।

৪) ৰৱদলৈৰ উপন্যাসৰ কাহিনী প্রেম-প্রণয়সুলভ। প্রেমিক-প্রেমিকাৰ মিলনত কেতিয়াবা সুখাবহ নতুবা শোকাবহ পৰিণতি দেখা গৈছে।প্রেম-মিলনৰ ক্ষেত্রত কেতিয়াবা প্রতিদ্বন্দ্বী বিৰোধ, পৰিয়ালকেন্দ্রিক মান-মর্যাদা, আকৌ কেতিয়াবা ঐতিহাসিক বিপর্যয়ে প্রতিবন্ধক হিচাপে থিয় দিছে।অসফল প্রেমে অতিশয় শোকাবহভাৱে নতুবা ভগৱৎ প্রীতিৰ মাজেৰে মানৱ প্রেমলৈ উন্নীত হৈছে।

৫) ৰৱদলৈৰ উপন্যাসসমূহত অলৌকিক বর্ণনা পৰিলক্ষিত হৈছে। *মিৰি জীয়ৰীত* প্রেমিক-প্রেমিকাৰ কৰুণ পৰিণতিত অদৃষ্টৰ পৰিহাস ফুটি উঠিছে। আন আন উপন্যাসতো স্বপ্ন, ভেল্কিবাজ, সম্মোহন বিদ্যা, যৌগিক শক্তি, দৈৰী মায়া আদিৰ প্রভাৱ দেখা যায়। *মিৰি জীয়ৰী, দন্দুৰা দ্রোহ, নির্মল ভকত, তাম্রেশ্বৰী মন্দিৰ, ৰহদৈ লিগিৰী* আদি উপন্যাসত এনে বর্ণনা পোৱা যায়।

৬) ৰৱদলৈৰ উপন্যাসত ৰাজনৈতিক ঘটনাৰ লগতে সমাজ জীৱনৰ বিভিন্ন দিশ উন্মোচিত হৈছে। *মিৰি জীয়ৰীত* মিৰি সমাজৰ ৰীতি-নীতি, পূজা-পাতল, শাসন ব্যৱস্থা, নৰাচিঙা বিহুৰ বর্ণনা, *মনোমতীত* ৰৱপেটাৰ দৌল উৎসৱ, অসমীয়া জাতি-সংস্কৃতিৰ ঐক্যবদ্ধতাৰ বাবে পাঠকক অনুপ্রাণিত কৰাৰ প্রচেষ্টা, *দন্দুৰা দ্রোহত* তান্ত্রিক পদ্ধতি, দুর্গোৎসৱৰ আয়োজন, *ৰঙ্গিলীত* বিহু উৎসৱৰ বর্ণনা, *নির্মল ভকতত* ৰৈষ্ণৱ ধর্মৰ শ্রেষ্ঠত্ব, সত্রৰ ৰীতি-নীতি *তাম্রেশ্বৰী মন্দিৰত* ৰামাচাৰীৰ তান্ত্রিক বিদ্যা, ৰৈষ্ণৱ ধর্ম, নৰবলি প্রথা, *ৰহদৈ লিগিৰীত* তান্ত্রিকতা, ৰৈষ্ণৱ ধর্মৰ প্রাধান্য, ভগৱৎ সাধনা, যোগবল আদিৰ প্রভাৱ, *ৰাধা-ৰুক্মিণীৰ ৰণত* অসমৰ সংস্কৃতিৰ আৰু *থাম্বা-থোইবীৰ সাধুত* মণিপুৰৰ সামাজিক লোকাচাৰ, ধর্মীয় দিশ আদিৰ বর্ণনা দেখা যায়।

৭) ধর্মৰ প্রভাৱ তেওঁৰ উপন্যাসৰ আন এটা বৈশিষ্ট্য। ৰৱদলৈ বৈষ্ণৱ ধর্মানুৰাগী আছিল বাবেই তেওঁৰ প্রতিখন উপন্যাসতে ইয়াৰ উল্লেখ আছে। বৈষ্ণৱ ধর্মৰ সাধন-প্রণালী, হঠযোগ, তান্ত্রিক সাধনা, বৈষ্ণৱ ধর্মৰ শ্রেষ্ঠতা উপন্যাসৰ কাহিনীৰ মাজেৰে প্রতিফলিত হৈছে। উপন্যাসৰ যোগেদি পাঠকক ধর্মৰ প্রতি আকর্ষণ কৰাই তেওঁৰ উপন্যাস ৰচনাৰ অন্যতম আদর্শ বুলি লেখকে নিজেই উল্লেখ কৰি গৈছে।

৮) প্রাকৃতিক পৰিৱেশৰ বর্ণনাত ৱর্ডছৱর্থ, ৰার্ণচ, গল্ডস্মিথ আদি ইংৰাজ কবিৰ প্রভাৱ স্পষ্ট। আনহাতে প্রাচীন ভাৰতীয় সাহিত্যৰ প্রভাৱ পৰাটোও লক্ষণীয়।

৯) তেওঁৰ সাতখন ঐতিহাসিক উপন্যাসৰ ভিতৰত *দন্দুৰা দ্রোহ* আৰু *ৰাধা-ৰুক্মিণীৰ ৰণ* উপন্যাসতহে বুৰঞ্জীৰ প্রভাৱ অধিক।বাকীকেইখনৰ কাহিনীত কল্পনাৰ ৰহণেৰে ইতিহাসক টানি অনা হৈছে।

১০) তেওঁৰ উপন্যাসৰ গতি গতানুগতিক। আশ্চর্য বা নাটকীয়তা প্রকাশ পোৱা নাই। প্রেমিক-প্রেমিকাৰ মিলনৰ দৃশ্য,ৰাজনৈতিক পৰিপ্রেক্ষিততনায়ক-নায়িকাৰ মিলনঅথবা বিচ্ছেদ, ধর্মৰ ওচৰত ভগৱৎ প্রীতিত শৰণাপন্ন আদিৰে উপন্যাসৰ কাহিনীৰ পৰিসমাপ্তি ঘটিছে।

১১) তেওঁৰ উপন্যাসসমূহ পূর্ব পৰিকল্পিত ধাৰণাৰ ভিত্তিত ৰচিত। প্রতিখন উপন্যাসতে পৰিকল্পিত ধাৰণাৰ লগত পৰিৱেশ-পৰিস্থিতি ব্যাখ্যা কৰি যোৱাত সময়ে সময়ে ৰস উপলব্ধিত ব্যাঘাত জন্মিছে।কোনো কোনো উপন্যাসত পাঠকৰ সৈতে পোনপটীয়াভাৱে সংযোগ স্থাপন কৰিবলৈ চেষ্টা কৰিছে। কাহিনীৰ আকর্ষণীয়তা বঢ়াবলৈ খল-দুষ্ট চৰিত্রক অতি ক্রূৰতাৰে চিত্রিত কৰিছে। অতীতৰ পৰিৱেশৰ বর্ণনাত পাঠককো লগত লৈ অতীতৰ স্থানবোৰ চিনাকি কৰি দিছে। লগতে থলুৱা গীত-মাত, জনবিশ্বাস, জনশ্রুতি আদিকো উপন্যাসত ঠাই দিছে।

১২) ৰৱদলৈৰ উপন্যাসত অত্যুক্তিৰ দোষেও ক'ৰবাত ক'ৰবাত ঠাই পাইছে। *ৰঙ্গিলী*উপন্যাসত বিহুৰ বর্ণনা, *নির্মল ভকত, তাম্রেশ্বৰী মন্দিৰ, ৰহদৈ লিগিৰীত* ধর্মৰ আলোচনাৰ মাত্রাধিক্যই এনে অত্যুক্তি দোষক সূচাইছে।

১৩) অসম প্রীতি, জাতি-জনজাতিৰ প্রতি প্রীতি, ঐকান্তিকতা আৰু মানৱ সমাজৰ প্রতি থকা সহানুভূতি ফুটি উঠিছে তেওঁৰ উপন্যাসসমূহৰ মাজেৰে। অসমৰ অতীতৰ প্রতি থকা শ্রদ্ধা তেওঁৰ উপন্যাসসমূহত বিদ্যমান। উৎকৃষ্ট সাহিত্যৰ ই এটা প্রধান লক্ষণ।

১৪) ৰৱদলৈৰ উপন্যাসৰ ভাষা সহজ-সৰল, চিত্রধর্মী, স্বাভাৱিক। বাক্য চুটি চুটি, খণ্ডবাক্য আৰু উপমাৰ প্রয়োগো থকা দেখা যায়। সংস্কৃতগন্ধী ৰচনা ৰীতিৰ প্রয়োগ তেওঁৰ উপন্যাসৰ ভাষাত আছে। চৰিত্রৰ বৈচিত্র্য বা জটিলতা থকা দেখা নাযায়। উপস্থাপন ৰীতিও সৰল— নামনি অসমৰ ভাষাৰ প্রয়োগ কথোপকথনৰ মাজেৰে প্রকাশ পোৱা দেখা গৈছে।



অগ্রগতি নিৰীক্ষণ

২নং প্রশ্ন ঃ বৰদলৈৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত লিখক)



৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰজনীকান্ত বৰদলৈ অসমীয়া উপন্যাস সাহিত্যৰ সম্রাট স্বৰূপ। তেওঁৰ হাততে অসমীয়া উপন্যাস সাহিত্যই এটা গতি লাভ কৰিলে। ছাত্র অৱস্থাতে তেওঁৰ মনত উপন্যাস ৰচনা কৰাৰ বীজ অংকুৰিত হৈছিল।
- ৰজনীকান্ত বৰদলৈৰ জীৱন আৰু সাহিত্যকর্ম সম্পর্কে জ্ঞাত হ'লো। বৰদলৈয়ে সামাজিক উপন্যাসৰ বাহিৰেও ঐতিহাসিক উপন্যাস ৰচনা কৰিছে। তেওঁ সর্বমুঠ নখন উপন্যাস ৰচনা কৰি গৈছে।
- বৰদলৈয়ে ইংৰাজ সাহিত্যিক ওৱাল্টাৰ স্কট আৰু বাংলা সাহিত্যিক বঙ্কিমচন্দ্রৰ উপন্যাসৰ অনুপ্রেৰণাত উপন্যাস ৰচনাত হাত দিছিল। অসমৰ অতীত প্রীতি, বীৰত্বমূলক কার্য, প্রাকৃতিক পৰিবেশ, সমাজ জীৱন আদি বৰদলৈৰ উপন্যাসত প্রতিফলিত হৈছে।
- বৰদলৈৰ উপন্যাসসমূহ নাৰী চৰিত্র প্রধান। নাৰীৰ মর্যাদাৰ প্রতি ঔপন্যাসিক সচেতন আছিল। নাৰী চৰিত্রৰ তুলনাত পুৰুষ চৰিত্রসমূহ গৌণ। বুৰঞ্জী আৰু কল্পনাৰ আধাৰত তেওঁ উপন্যাসৰ চৰিত্রসমূহ সৃষ্টি কৰিছিল।
- তেওঁৰ উপন্যাসত ধর্মৰ প্রভাৱ অধিক। তান্ত্রিক, বৈষ্ণৱ ধর্ম আদিৰ উল্লেখ তেওঁৰ উপন্যাসত আছে। লগতে অলৌকিক কার্যৰ কথাও উল্লেখ আছে।
- বৰদলৈৰ উপন্যাসৰ কাহিনী প্রেম-প্রণয়াত্মক। নায়ক-নায়িকাৰ প্রেমৰ পৰিণতি মিলনাত্মক, শোকাৱহ নতুবা ভগৱৎমুখী পৰিৱর্তনত সামৰা হৈছে।
- বৰদলৈয়ে অসম বুৰঞ্জীৰ সমলৰ আধাৰত, জনশ্রুতি আৰু জনবিশ্বাসৰ আধাৰত, অসমৰ জনগোষ্ঠী, সমাজ-সংস্কৃতি, উৎসৱ-পার্বণ আদিৰ সমাহাৰত উপন্যাসসমূহ ৰচনা কৰিছিল।



৩.৬ অধিক জানিবলৈ

১) গোস্বামী শর্মা, প্রণতি আৰু শর্মা, অনিল (সম্পা.) (১৯৯৯) ঃ *কুৰি শতিকাৰ কুৰিজন বিশিষ্ট অসমীয়া*; নলবাৰী ঃ জার্ণাল এম্প'ৰিয়াম।

২) ঠাকুৰ, নগেন (সম্পা.) (২০১২) ঃ *এশ বছৰৰ অসমীয়া উপন্যাস*; গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৩) নেওগ, মহেশ্বৰ (২০০০) ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৪) ৰৱকটকী, বীৰেন (১৯৬৭) ঃ *ঔপন্যাসিক ৰজনীকান্ত ৰৱদলৈ*; যোৱহাট ঃ অসম সাহিত্য সভা।

৫) ভৱালী, শৈলেন (১৯৯২) ঃ *আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৬) শর্মা, বসন্ত কুমাৰ (সঙ্কলক) ঃ *ৰজনীকান্ত ৰৱদলৈৰ উপন্যাস সমগ্র*; গুৱাহাটী ঃ সাৰদা প্রকাশন।

৭) শর্মা, সত্যেন্দ্রনাথ (১৯৯২) ঃ *অসমীয়া উপন্যাসৰ ভূমিকা*; গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

৮) শর্মা, সত্যেন্দ্রনাথ (২০০৮) ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

৩.৭ অগ্রগতিৰ খতিয়ান (কৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ ৰজনীকান্ত ৰৱদলৈৰ পৰিচয়... ...বংশ পৰিচয় চাকৰি জীৱন... ...সাহিত্য কৃতি... ...অসমীয়া উপন্যাস সাহিত্যত স্থান... ...আদি দিশৰ ওপৰত আলোকপাত কৰিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ ৰৱদলৈৰ উপন্যাস... ...সাধাৰণ আলোচনা... ...স্কট আৰু বঙ্কিমচন্দ্রৰ অনুপ্রেৰণা... ...ৰৱদলৈৰ উপন্যাস লিখাৰ পটভূমি... ...সাধাৰণ বৈশিষ্ট্যসমূহ... ...আলোচনা কৰিব লাগিব।

৩.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ৰজনীকান্ত ৰৱদলৈৰ জীৱন আৰু কৃতি সম্পর্কে এটি আলোচনা যুগুত কৰক।

প্রশ্ন ২ ঃ অসমীয়া উপন্যাস সাহিত্যত ৰজনীকান্ত ৰৱদলৈৰ স্থান সম্পর্কে বিশ্লেষণ কৰক।

প্রশ্ন ৩ ঃ অসমীয়া ঐতিহাসিক উপন্যাস সম্পর্কে এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৪ ঃ ৰজনীকান্ত ৰৱদলৈৰ উপন্যাসসমূহৰ এটি সাধাৰণ আলোচনা আগবঢ়াওক।

প্রশ্ন ৫ ঃ ৰজনীকান্ত ৰৱদলৈৰ উপন্যাসত নাৰী চৰিত্রৰ প্রাধান্য সম্পর্কে এটি আভাস দাঙি ধৰক।

প্রশ্ন ৬ ঃ ৰজনীকান্ত ৰৱদলৈৰ উপন্যাসৰ চৰিত্রসমূহ বিশ্লেষণ কৰি এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৭ ঃ ৰজনীকান্ত ৰৱদলৈৰ উপন্যাসসমূহৰ সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰি এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৮ ঃ ৰজনীকান্ত বৰদলৈৰ উপন্যাসসমূহত সমাজ জীৱনৰ চিত্র কেনেদৰে প্রকাশ পাইছে আলোচনা কৰক।

প্রশ্ন ৯ ঃ ৰজনীকান্ত বৰদলৈৰ উপন্যাসত ধর্মৰ প্রভাৱ কিদৰে প্রতিফলিত হৈছে আলোচনা এটি আগবঢ়াওক।

প্রশ্ন ১০ ঃ ৰজনীকান্ত বৰদলৈৰ ঐতিহাসিক উপন্যাসকেইখনত ইতিহাসৰ প্রভাৱ কেনেদৰে পৰিছে তাৰ এটি প্রবন্ধ আগবঢ়াওক।

প্রশ্ন ১১ঃ ৰজনীকান্ত বৰদলৈৰ উপন্যাসত ওৱাল্টাৰ স্কট আৰু বঙ্কিমচন্দ্র চেট্টার্জীৰ প্রভাৱ সম্পর্কে এটি আলোচনা আগবঢ়াওক।

প্রশ্ন ১২ ঃ 'ৰজনীকান্ত বৰদলৈক অসমৰ স্কট বুলিব পাৰি' —কথাযাৰ যুক্তিৰে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ ৰজনীকান্ত বৰদলৈ ঃ *দন্দুৱা দ্রোহ*-২

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ *দন্দুৱা দ্রোহ*
৪.৩.১ উপন্যাসখনৰ সাধাৰণ আলোচনা
৪.৩.২ উপন্যাসখনৰ কাহিনীভাগ
৪.৩.৩ উপন্যাসখনৰ চৰিত্রচিত্রণ
৪.৩.৪ উপন্যাসখনৰ বৈশিষ্ট্যসমূহ
৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৫ অধিক জানিবলৈ
৪.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৪.৭ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰজনীকান্ত বৰদলৈৰ ঐতিহাসিক উপন্যাস সম্পর্কে জ্ঞাত হ'ব
- ঐতিহাসিক উপন্যাস হিচাপে দন্দুৱাদ্রোহ উপন্যাসখনৰ মূল্যায়ন কৰিব পাৰিব
- *দন্দুৱা দ্রোহ* উপন্যাসখনৰ কাহিনী সম্পর্কে অৱগত হ'ব
- *দন্দুৱা দ্রোহ* উপন্যাসৰ চৰিত্রসমূহৰ বিষয়ে জ্ঞান আহৰণ কৰিব
- *দন্দুৱা দ্রোহ* উপন্যাসত ওৱাল্টাৰ স্কট আৰু বঙ্কিমচন্দ্র চেট্টাৰ্জীৰ প্রভাৱ সম্পর্কে আভাস পাব
- বৰদলৈৰ উপন্যাসত ৰাজনৈতিক প্রভাৱ, স্বদেশপ্রীতি আদি সম্পর্কে জানিবলৈ সক্ষম হ'ব
- *দন্দুৱা দ্রোহ* উপন্যাসত সামাজিক তথা ধর্মীয় দিশ সম্পর্কে জ্ঞাত হ'ব।

৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়াৰ তৃতীয় ষাণ্মাসিকৰ দ্বিতীয় বুনিয়াদী পাঠ্য বিষয়ৰ অসমীয়া উপন্যাসৰ এইটো চতুর্থ অধ্যায়। এই অধ্যায়ত আমি ৰজনীকান্ত বৰদলৈৰ *দন্দুৱা দ্রোহ* (১৯০৯) উপন্যাসৰ বিষয়ে আলোচনা পঢ়িবলৈ পাম। অসমীয়া উপন্যাস সাহিত্য জগতত বৰদলৈ 'উপন্যাস সম্রাট' হিচাপে পৰিচিত। ঐতিহাসিক উপন্যাস ৰচনাৰ ক্ষেত্রত বৰদলৈৰ সমকক্ষ দ্বিতীয় এজন ঔপন্যাসিকৰ নাম ল'ব নোৱাৰি। বৰদলৈয়ে মুঠ নখন উপন্যাস ৰচনা কৰিছে আৰু তাৰ ভিতৰত

সাতখনেই ঐতিহাসিক উপন্যাস। ইংৰাজী সাহিত্যৰ ওৰাল্টাৰ স্কট আৰু বাংলা ঔপন্যাসিক বঙ্কিমচন্দ্ৰ চেট্টার্জীৰ অনুপ্ৰেৰণাত ৰৰদলৈয়ে এই ঐতিহাসিক উপন্যাসসমূহ ৰচনা কৰিছিল। *দন্দুৰা দ্রোহ* উপন্যাসখন বদন ৰৰফুকনৰ অত্যাচাৰৰ বিৰুদ্ধে কামৰূপৰ হৰদত্ত আৰু বীৰদত্তৰ নেতৃত্বত হোৱা বিদ্রোহৰ আধাৰত ৰচনা কৰা। ইতিহাসৰ সমল আৰু জনশ্রুতিৰ আধাৰত উপন্যাসখন ৰচিত হৈছে।কল্পনাৰ পৰিসৰ ইয়াত কম। অসম বুৰঞ্জী খ্যাত বদন ৰৰফুকনৰ অত্যাচাৰ, বীৰদত্তৰ বীৰত্বব্যঞ্জক কার্য আদিত বিদ্রোহ তথা বুৰঞ্জীৰ সমলৰ আধিক্য বেছি। উপন্যাসখনত পদ্মকুমাৰী আৰু মহীৰামৰ প্ৰণয় কাহিনী উপস্থাপন হৈছে যদিও সি উপন্যাসখনত উপকাহিনীৰ দৰে হৈছে। বুৰঞ্জীৰ কাহিনী নির্ভৰ তথ্যভিত্তিক বর্ণনা হোৱা বাবে *দন্দুৰা দ্রোহ* উপন্যাসখনক এখন বিশুদ্ধ বুৰঞ্জীমূলক উপন্যাস বুলিব পাৰি। সমসাময়িক অসমৰ সামাজিক আৰু ধর্মীয় জীৱনৰ বিভিন্ন দিশো উপন্যাসখনত প্রতিফলিত হৈছে।

৪.৩ *দন্দুৰা দ্রোহ*

ৰজনীকান্ত ৰৰদলৈৰ সাতখন ঐতিহাসিক উপন্যাসৰ ভিতৰত *দন্দুৰা দ্রোহ* অন্যতম। পাতি দৰঙত তহচিলদাৰ হৈ থকা সময়ত ৰৰদলৈয়ে উপন্যাসখনৰ সমল গোটাইছিল। উপন্যাসখন আহোম স্বর্গদেউ কমলেশ্বৰ সিংহৰ দিনত বদন ৰৰফুকনে কামৰূপীয়া প্রজাৰ ওপৰত চলোৱা অত্যাচাৰৰ বিৰুদ্ধে উত্তৰ কামৰূপৰ হৰদত্ত আৰু বীৰদত্ত নামৰ দুই ভাতৃৰ নেতৃত্বত সংঘটিত হোৱা বিদ্রোহৰ পটভূমিত ৰচিত। উপন্যাসখন ১৯০৯ চনত প্রথম প্রকাশ পাইছিল।

ৰৰদলৈয়ে গুণাভিৰাম বৰুৱাৰ *অসম বুৰঞ্জী*, ছাৰ এডৱার্ড গেইটৰ 'A History of Assam', হৰকান্ত সদৰামিন বৰুৱাৰ *অসম বুৰঞ্জী*আৰু আন আন কেবাখনো *সাঁচিপতীয়া বুৰঞ্জীৰ* পৰা উপন্যাসখনৰ সমল সংগ্রহ কৰিছিল। ইয়াৰ বাহিৰেও বিভিন্ন অঞ্চলৰ পৰা সংগ্রহ কৰা জনশ্রুতি, গীত-মাত আদিৰ ওপৰত ভিত্তি কৰিও উপন্যাসখনৰ সমল সংগ্রহ কৰিছিল।

*দন্দুৰা দ্রোহ*ত পদ্মকুমাৰী আৰু মহীৰাম— দুই প্রেমিক-প্রেমিকাৰ প্রণয় কাহিনীক উপন্যাসখনত উপকাহিনী হিচাপেহে লোৱা হৈছে। তাৰ পৰিবর্তে বুৰঞ্জীৰ কাহিনীৰ ওপৰতহে অধিক গুৰুত্ব দিয়া হৈছে। বুৰঞ্জীৰ সত্যাসত্যৰ ওপৰত নির্ভৰ কৰিয়েই শাসকৰ অত্যাচাৰ, প্রজাৰ বিদ্রোহ আদিক বাস্তৱসম্মতভাৱেই *দন্দুৰা দ্রোহ*ত উপস্থাপন কৰা হৈছে। চৰিত্রসমূহৰ ক্ষেত্রতো ঐতিহাসিক চৰিত্রকে মুখ্য স্থান দিয়া দেখা গৈছে। উপন্যাসখনত ৰৰফুকন, হৰদত্ত-বীৰদত্ত আদি ইতিহাস প্রসিদ্ধ চৰিত্র।

অতীত অসমৰ প্রতি শ্রদ্ধা, বীৰৰ শৌর্য-বীর্যৰ প্রতি থকা আকর্ষণ, স্বদেশপ্রীতি আদি উপন্যাসৰ কাহিনীৰ মাজেৰে প্রতিফলিত হৈছে। একে কাহিনীৰ আধাৰত লক্ষ্মীনাথ বেজবৰুৱাই *পদুম কুঁৱৰী*(১৯০৫) উপন্যাসখন ৰচনা কৰিছিল। *পদুম কুঁৱৰীত* বুৰঞ্জীৰ তথ্যতকৈ কল্পনাৰ আধিক্য বেছি। *পদুম কুঁৱৰী* উপন্যাসৰ কাহিনীত বোধহয় ৰৰদলৈ সন্তুষ্ট হ'ব পৰা নাছিল আৰু তেনে বিষয়বস্তুৰ আধাৰত তেওঁ *দন্দুৰা দ্রোহ*উপন্যাসখন ৰচনা কৰিছিল। *দন্দুৰা দ্রোহত* ৰৰদলৈয়ে বুৰঞ্জীক অগ্রাধিকাৰ দিছে। ৰৰদলৈয়ে ওৰাল্টাৰ স্কট আৰু বঙ্কিমচন্দ্রৰ অনুপ্ৰেৰণাতে অসমীয়া উপন্যাস

ৰচনাত হাত দিছিল। *দন্দুৰা দ্রোহ* উপন্যাসত দুয়োজন ঔপন্যাসিকৰে প্রভাৱ পৰিলক্ষিত হয়।

সামাজিক জীৱনৰ চিত্র উপন্যাসখনত চিত্রিত হৈছে। সাত বিহুৰ বর্ণনা, বিহু নৃত্য, হৰদত্তৰ দ্বাৰা দুর্গোৎসৱৰ আয়োজন, ঢুলীয়া-খুলীয়া, গায়ন-বায়ন, ওজাপালিৰ প্রদর্শন, সত্র-মঠ-মন্দিৰৰ বর্ণনা, বিবাহৰ বর্ণনা, বিয়া গীত, নানান ধৰণৰ খেল-ধেমালি আদি সামাজিক দিশ উপন্যাসখনত প্রকাশ পাইছে। ধর্মীয় জীৱনৰ চিত্রও উপন্যাসখনত ঔপন্যাসিকে বর্ণনা কৰিছে। এনেবোৰ বিভিন্ন কাৰণত ঐতিহাসিক সমলৰ ভিত্তিত ৰচিত *দন্দুৰা দ্রোহ* উপন্যাসখন ৰজনীকান্ত ৰৱদলৈৰ এখন সার্থক উপন্যাসৰ শাৰীত স্থান দিব পাৰি।

৪.৩.১ উপন্যাসখনৰ সাধাৰণ আলোচনা

আগৰ আলোচনাত উপন্যাসখনৰ কাহিনী, চৰিত্র, উপন্যাসখনৰ বৈশিষ্ট্য আদি সম্পর্কে আলোচনা কৰা হৈছে। এই আলোচনাত উপন্যাসখনৰ থূলমূল আলোচনা এটিহে দাঙি ধৰা হ'ব।

ৰৱদলৈয়ে বুৰঞ্জী আৰু জনশ্রুতিৰ আধাৰত *দন্দুৰা দ্রোহ* উপন্যাসখন ৰচনা কৰিছে। এই বিষয়ে আগৰ আলোচনাত উল্লেখ কৰা হৈছে। ৰৱদলৈয়ে অতীতৰ ইতিহাসক জাগ্রত কৰি অসমৰ গৌৰৱপূর্ণ কাহিনী তথা বুৰঞ্জীৰ তথ্য দাঙি ধৰিবলৈ আপ্রাণ চেষ্টা কৰিছিল। ইংৰাজী সাহিত্যৰ ওৱাল্টাৰ স্কট আৰু বাংলা সাহিত্যৰ বঙ্কিম চন্দ্র চেট্টার্জীৰ উপন্যাসৰ দৰে ৰৱদলৈয়েও অসমৰ ইতিহাস জনসমাজত উপন্যাসৰ মাধ্যমেৰে প্রচাৰ কৰিবলৈ প্রয়াস কৰিছিল।

উপন্যাসখনৰ কাহিনীভাগ কমলেশ্বৰ সিংহৰ দিনত বদন ৰৱফুকনে কামৰূপৰ প্রজাৰ ওপৰত চলোৱা অত্যাচাৰৰ বিৰুদ্ধে কামৰূপৰ হৰদত্ত-বীৰদত্ত নামৰ দুই ভাতৃৰ নেতৃত্বত হোৱা বিদ্রোহৰ পটভূমিত ৰচিত। উপন্যাসখনত মহীৰাম আৰু পদ্মকুমাৰীৰ প্রণয় কাহিনী উপস্থাপন কৰিলেও দুয়ো উপন্যাসখনৰ নায়ক-নায়িকা নহয়— হৰদত্তকহে নায়ক বুলি প্রতিপন্ন কৰিব পাৰি। আহোমৰ বিষয়া বদন ৰৱফুকনৰ বিৰুদ্ধে বিদ্রোহ কৰিলেও সাত বছৰে ৰণ কৰি কামৰূপীয়া প্রজাসকল দুর্বল হৈ পৰে। কামৰূপীয়া বিষয়াসকলৰ দুর্বল মনোভাৱ, আহিলাপাতি তথা ৰচদৰ অভাৱ, বীৰদত্তৰ কার্যকলাপ আদি বিভিন্ন কাৰণত হৰদত্ত-বীৰদত্ত দুই ভাতৃয়ে নেতৃত্ব দিয়া কামৰূপীয়া প্রজা আহোম বিষয়া ৰৱফুকনৰ হাতত পৰাজিত হয়। বীৰদত্তই বীৰ-বিক্রমেৰে আহোম সেনাৰ লগত ৰণ কৰি চেঁচামুখৰ ৰণত মৃত্যুমুখত পৰে। হৰদত্তৰ জীৱনলৈও নিয়তিৰ পৰিহাস নামে। বদন ৰৱফুকনৰ মানুহে হৰদত্তক ধৰি নিয়াত হৰদত্তকো শূলত দিয়া হয়। মহীৰামৰো ৰণত মৃত্যু হয়। ৰৰুৱানীৰো সর্প দংশনত মৃত্যু হয়।পদ্মকুমাৰীয়ে ব্রহ্মপুত্রত জাঁপ দিয়ে। এনে শোকাৱহ ঘটনাৰে উপন্যাসখনৰ সমাপ্তি ঘটে।

উপন্যাসখনত হৰদত্ত আৰু বীৰদত্তৰ চৰিত্র দুটা উজ্জ্বল ৰূপত প্রকাশ পাইছে। ইতিহাসৰ পাতত শুই থকা হৰদত্ত আৰু বীৰদত্ত উপন্যাসত কার্যক্ষম, দেশপ্রেমী, বীৰ

পুৰুষ। দুয়ো ভাতৃৰে কথা আৰু কামত বীৰত্বৰ প্ৰকাশ ঘটিছে। স্বদেশ আৰু স্বজাতিৰ প্ৰতি থকা অনুৰাগ দুয়োটা চৰিত্ৰৰ মাজতে প্ৰকাশ্যমান। উপন্যাসখনত হৰদত্ত আৰু বীৰদত্তৰ চাৰিত্ৰিক বৈশিষ্ট্য ঔপন্যাসিকে সুন্দৰভাৱে বৰ্ণনা কৰিছে। কলিতা বন্ধুসকলৰ বৰ্ণনা দি ঔপন্যাসিকে নিজেও যেন এটা উপন্যাসৰ চৰিত্ৰ হৈ পৰিছে। তেনে ক্ষেত্ৰত পাঠকৰ সৈতে পোনপটীয়াভাৱে বুৰঞ্জীৰ ঘটনাৰ লগত সম্পৰ্ক স্থাপন কৰিব পাৰিছে। বদন বৰফুকনক অতিশয় ক্ৰুৰ স্বভাৱৰ ব্যক্তিৰ লগত তুলনা কৰিছে।

উপন্যাসখনত বৰদলৈৰ জীৱন দৰ্শন প্ৰতিফলিত হোৱা দেখা যায়। স্বদেশপ্ৰীতি, আদৰ্শ, আধ্যাত্মিকতা, সংস্কৃতি আদিৰ প্ৰতি ঔপন্যাসিক সচেতন। অসমীয়া উপন্যাস সাহিত্যত ৰজনীকান্ত বৰদলৈৰস্থান অতি উচ্চত।তেওঁৰ উপন্যাসত ওৱাল্টাৰ স্কট আৰু বঙ্কিমচন্দ্ৰ চেট্টাৰ্জীৰ প্ৰভাৱ পৰাটো স্পষ্ট। কলিকতাত কলেজীয়া জীৱনছোৱাত এই দুজনা ঔপন্যাসিকৰ উপন্যাস পঢ়ি তেওঁ অনুপ্ৰাণিত হৈ *দন্দুৱা দ্রোহ*ৰ পাতনিত লিখিছে—

> "ছাৰ ওৱাল্টাৰ স্কটৰ নিচিনা বা বঙ্কিম চেট্টাৰ্জীৰ দৰে উপন্যাস-কাৰক প্ৰতিভাশালী সাহিত্যিক ক'ত... ?"

স্কট আৰু বঙ্কিমচন্দ্ৰৰ নিচিনাকৈ *দন্দুৱা দ্রোহ*তো অতীতপ্ৰীতি, সমাজজীৱন, পথাৰ-জাৰণি, পুখুৰী-নৈ-গাঁও, দৌল-দেৱালয়,মঠ-মন্দিৰ আদিৰ বৰ্ণনা বৰদলৈয়ে দিছে। চাকৰিসূত্ৰে ৰঙিয়াত চাকৰি কৰি থকা সময়ত পুঠিমাৰী নদীৰ পাৰত জিকেৰিয়া চৌধাৰী, হৰদত্ত-বীৰদত্ত থকা পুৰণি গাঁওখন, প্ৰত্নতাত্ত্বিক দৃষ্টিৰে হাবিৰ-জাৰণিৰ মাজৰ মাটিৰ ঢাপ, ঘৰৰ ভেঁটি, পুখুৰী ইত্যাদিৰ অনুমান তেওঁ কৰিব পাৰিছিল। সেইসমূহ সমলকে আপোন সাজ পিন্ধাই বৰদলৈয়ে হৰদত্ত-বীৰদত্তৰ হাউলিৰ বিশদ বিৱৰণ উপন্যাসখনত দাঙি ধৰিছে। ঘৰ-দুৱাৰ, পুখুৰী, ফুলনি, নাৰিকল গছ, খেতি-বাতি আদিৰ বৰ্ণনাই আঢ্যৱন্ত পৰিয়ালৰ সামাজিক মৰ্যাদা সম্পৰ্কে এটি বিৱৰণ পাঠকক অৱগত কৰাইছে।

উপন্যাসখনত ধৰ্মৰ আভাসো পোৱা যায়। তান্ত্ৰিক বামাচাৰী বাবাৰ তান্ত্ৰিক ধৰ্ম সাধন, হৰদত্তৰ দ্বাৰা মদন-কামদেৱ মন্দিৰত 'শৱ সাধন', দেশৰ মঙ্গলৰ বাবে বাসগৃহত দুৰ্গোৎসৱৰ আয়োজন আদিয়ে শাক্ত ধৰ্মৰ প্ৰতি থকা বৰদলৈৰ অনুৰাগৰ বিষয়ে অনুমান কৰিব পাৰি। আনহাতে, কেৱলীয়া বৈষ্ণৱপন্থীসকলে কৃষ্ণহে যে সকলোৰে ত্ৰাণকৰ্তা— এনে যুক্তিৰে বৈষ্ণৱ ধৰ্মৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰাটোও উপন্যাসৰ কাহিনীত প্ৰতিফলিত হৈছে। অষ্টম অধ্যায়ত থকা কীৰ্ত্তনৰ পদ 'কৃষ্ণ এক দেৱ দুঃখহাৰী', দশম অধ্যায়ত পদ্মকুমাৰীয়ে গুণ্‌গুণাই কৃষ্ণৰ শ্ৰেষ্ঠত্বৰ বিষয়ে গোৱা গীতৰ কলি আদিত বৈষ্ণৱ ধৰ্মৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন হৈছে।

সমাজ জীৱনৰ নানান দিশো উপন্যাসখনৰ কাহিনীৰ মাজেৰে ঔপন্যাসিকে উল্লেখ কৰিছে। সাত বিহুৰ বৰ্ণনা, দুৰ্গোৎসৱত ঢুলীয়া-খুলীয়া, গায়ন-বায়ন, কালীয়া, ওজাপালি আদিৰ পৰিৱেশন, বিবাহ, গীত-মাত সামাজিক ৰীতি-নীতি, বিভিন্ন খেল-ধেমালি, পুৰণি সমাজখনৰ চিত্ৰ আদি ঔপন্যাসিকে বিস্তৃতভাৱে বৰ্ণনা কৰিছে। মুঠতে

বুৰঞ্জীৰ তথ্য আৰু জনশ্রুতি, গীত-মাত আদিৰ সহায়ত আহোম ৰাজত্বৰ সময়ত এটি বিৱৰণ উপন্যাসৰ কাহিনীৰ মাজেৰে উপস্থাপিত হৈছে। নামনি কামৰূপ অঞ্চলৰ সমাজ-জীৱন বিশেষভাৱে উপন্যাসত প্রতিফলিত হৈছে। এনেদৰে বদন বৰফুকনৰ অত্যাচাৰত কামৰূপীয়া প্রজাই হৰদত্ত-বীৰদত্তৰ নেতৃত্বত কৰা বিদ্রোহকে ৰৱদলৈয়ে *দন্দুৰা দ্রোহ* উপন্যাসত ৰূপ দিছে। অসমীয়া ঐতিহাসিক উপন্যাস সাহিত্যত ৰৱদলৈৰ *দন্দুৰা দ্রোহ*ক এখন সফল আৰু সার্থক উপন্যাস হিচাপে স্থান দিব পাৰি।

৪.৩.২ উপন্যাসখনৰ কাহিনীভাগ

অতীত অসমৰ ইতিহাস, সমাজ জীৱন আদিক ভেটি কৰি ৰজনীকান্ত ৰৱদলৈয়ে অসমীয়া উপন্যাস সাহিত্যক এক নতুন গঢ় দিয়ে। প্রকৃততে অসমীয়া সাহিত্যত বুৰঞ্জীমূলক উপন্যাস ৰচনা কৰি ৰৱদলৈয়ে বুৰঞ্জীমূলক উপন্যাসৰ জয়যাত্রা আৰম্ভ কৰে। ৰৱদলৈয়ে নখন উপন্যাস ৰচনা কৰে আৰু ইয়াৰ ভিতৰত সাতখন উপন্যাসেই ঐতিহাসিক। তেওঁ যিকেইখন উপন্যাস ৰচনা কৰি থৈ গৈছে প্রত্যেকখন উপন্যাসেই অসমৰ সামাজিক আৰু ধর্মীয় ইতিহাসৰ গুৰুত্বপূর্ণ দিশ বহন কৰিছে। ৰৱদলৈয়ে এনে শ্রেণীৰ উপন্যাস ৰচনা কৰিবলৈ অনুপ্রেৰণা লাভ কৰিছিল ইংৰাজ সাহিত্যিক ওৱাল্টাৰ স্কট আৰু বঙালী ঔপন্যাসিক বঙ্কিমচন্দ্রৰ উপন্যাসৰ দ্বাৰা। অসমতো ইতিহাসৰ বিষয়বস্তুক লৈ ৰজনীকান্ত ৰৱদলৈয়ে উপন্যাস ৰচনা কৰিবলৈ সঙ্কল্পবদ্ধ হৈছিল ৰৱদলৈৰ উপন্যাস ৰচনা কৰাৰ মূল লক্ষ্য আছিল পাঠকসকলৰ মনত স্বদেশ প্রেমৰ প্রতি অনুৰাগ জগাই তোলা। তেনে বিষয়বস্তুক লৈ সাতখন উপন্যাস ৰচনা কৰিছিল। আগৰ অধ্যায়ত ৰৱদলৈৰ উপন্যাসসমূহৰ পৰিচয়মূলক আলোচনা কৰা হৈছে। তেওঁৰ সাতখন ঐতিহাসিক উপন্যাসৰ ভিতৰত *দন্দুৰা দ্রোহ* অন্যতম।

দন্দুৰা দ্রোহ উপন্যাসখন আহোম স্বর্গদেউ কমলেশ্বৰ সিংহৰ দিনত তেওঁৰ বিষয়া বদন বৰফুকনে কামৰূপীয়া প্রজাসকলৰ ওপৰত কৰা অত্যাচাৰৰ বিৰুদ্ধে কামৰূপৰ হৰদত্ত আৰু বীৰদত্ত নামৰ দুই ভাতৃৰ নেতৃত্বত হোৱা বিদ্রোহৰ আধাৰত ৰচিত সাহিত্যৰ এটি ৰূপ। ৰৱদলৈয়ে বুৰঞ্জীৰ নিৰস ঘটনাক ৰসপূর্ণ কৰি উপন্যাসৰ কাহিনীভাগ ৰচনা কৰিছে। বুৰঞ্জীৰ একে ঘটনাক কেন্দ্র কৰি লক্ষ্মীনাথ বেজবৰুৱাই গুণাভিৰাম বৰুৱাৰ *অসম বুৰঞ্জী*ৰ পৰা সমল সংগ্রহ কৰি *পদুম কুঁৱৰী*(১৯০৫) উপন্যাসখন ৰচনা কৰিছিল। *দন্দুৰা দ্রোহ* উপন্যাসখনৰ পাতনিত ৰৱদলৈয়ে এনেদৰে লিখিছে—

> "বুৰঞ্জীমতে হৰদত্তৰ বিদ্রোহ আৰম্ভ হয় ইংৰাজী ১৭৮৮ চনত আৰু দমন হয় ১৭৯৬ চনত। এই আঠ বছৰ কাল হৰদত্তই বৰফুকনক যুদ্ধত ঘটুৱাই ব্যতিব্যস্ত কৰি তুলিছিল আৰু উত্তৰ কামৰূপত নিজেই একপ্রকাৰ ৰজা হৈ ৰাজত্ব কৰিছিল। আমাৰ বন্ধুবৰ শ্রীযুত লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়াই আগেয়ে পদ্মকুমাৰী নাম দি এই বিষয়ৰ এখন উপন্যাস ছপাই থৈছে। কিন্তু তাত আমি হৰদত্ত বীৰদত্তৰ বিষয়ে বুৰঞ্জীমতে যি

জানো আৰু কামৰূপীয়া মানুহৰ মুখে মুখে যেনেকৈ শুনিছোঁ সেই উপন্যাসত সেইদৰে নাই। সেই দেখি আজি হৰদত্ত বীৰদত্তৰ দ্রোহটো উপন্যাস আকাৰে লিখি ৰাইজৰ আগত ভেটিলোঁ। এই উপন্যাসত আমি বুৰঞ্জীৰ প্রধান ঘটনাবিলাকৰ এফেৰাও লৰচৰ কৰা নাই। ইয়াত আমাৰ কল্পনাৰ মাত্রাও সামান্য।"

বেজবৰুৱাৰ *পদুম কুঁৱৰী*য়ে বৰদলৈক সন্তুষ্ট কৰিব পৰা নাছিল বাবেই বৰদলৈয়ে *দন্দুৱা দ্রোহ*ত বুৰঞ্জীৰ তথ্যক উপন্যাস ৰূপে সজাই তুলিলে। কামৰূপীয়া প্রজাৰ ওপৰত বদনচন্দ্র বৰফুকনৰ অত্যাচাৰৰ ফলতে এই বিদ্রোহৰ সূচনা হয়। ১৭৯৫ চনত কলীয়াভোমোৰা বৰফুকনে এই বিদ্রোহ দমন কৰে। বীৰদত্তই বীৰ বিক্রমেৰে যুঁজি মৃত্যুমুখত পৰে। বৰফুকনে হৰদত্তক হাবিত আশ্রয় লৈ থকা অৱস্থাতে বিচাৰি আনি শূলত দিয়ে। হৰদত্তৰ পত্নীৰ সন্ধ্যাঝাৰত সর্প দংশনত মৃত্যু হয়। বীৰদত্তৰ পত্নীও স্বামীৰ যুঁজত মৃত্যু হোৱা বুলি জানি চেতনা হেৰুৱাই মৃত্যুমুখত পৰে।মহীৰামে শিখ চর্দাৰ কুমেদানৰ সৈতে প্রবল বীৰত্বৰে যুঁজে যদিও পাছত তৰোৱালৰ আঘাতত তেওঁৰ মৃত্যু হয়। পদ্মকুমাৰীয়ে হিতাহিত জ্ঞান হেৰুৱাই আৰু কুমেদাঙৰ হাতৰ পৰা ৰক্ষা পাবলৈ ব্রহ্মপুত্রত জাঁপ দি নিজৰ মান ৰক্ষা কৰে।

উক্ত ঘটনাখিনিকেই *দন্দুৱা দ্রোহ* উপন্যাসখনত মুঠ চল্লিশটা অধ্যায়ৰ মাজেৰে ঔপন্যাসিকে কাহিনীভাগ আগবঢ়াই নিছে। প্রথম অধ্যায়ৰ 'বুৰঞ্জী' অধ্যায়ত আহোম ৰজাসকলৰ কামৰূপৰ বিভিন্ন বিষয়াসকলৰ, শাসনকর্তাসকলৰ, আহোমৰ বৰফুকন আদি বিভিন্ন বিষয়ববীয়াসকলৰ এটি পৰিচয় দাঙি ধৰিছে। শেষৰ অধ্যায়টিত 'সামৰণি' বুলি উপন্যাসৰ কাহিনী সম্পূর্ণ কৰিছে।

গুণাভিৰাম বৰুৱাৰ *অসম বুৰঞ্জী*ৰ বাহিৰেও এডৱার্ড গেইট 'A History of Assam', হৰকান্ত সদৰামিন বৰুৱাৰ *অসম বুৰঞ্জী*, সাঁচিপতীয়া বুৰঞ্জীৰ সমল সংগ্রহ কৰি বৰদলৈয়ে উপন্যাসখন ৰচনা কৰিছে। বিভিন্ন ঠাইত ঘূৰি ফুৰি লাভ কৰা জনশ্রুতি, গীত-মাত আদিৰো সমল তেওঁ সংগ্রহ কৰি বর্ণনাত্মক পদ্ধতিৰেচল্লিশটা অধ্যায়ত কাহিনী পৰিব্যাপ্ত কৰিছে। এই সন্দর্ভত হৰদত্ত-বীৰদত্তৰ গীত-নামে পৰিচিত ঐতিহাসিক মালিতাৰ কথা উল্লেখ কৰিব পাৰি।

বদন বৰফুকনৰ অত্যাচাৰত হৰদত্ত আৰু বীৰদত্তৰ নেতৃত্বত কামৰূপীয়া প্রজাৰ বিদ্রোহ আৰম্ভ হোৱা, পাণ্ডুৰ বাহৰত কামৰূপৰ ডা-ডাঙৰীয়াসকলে মন্ত্রণা কৰা, হৰদত্তৰ উদ্যোগত বিদ্রোহে আগবঢ়া আদি বর্ণনা ঔপন্যাসিকে বিস্তৃতভাৱে দিছে। কামৰূপীয়া প্রজাই আহোমৰ সৈতে ৰণ কৰি জিকিলে যদিও ৰণত বহু সৈন্য-সামন্তৰ মৰণ হোৱাৰ লগতে খেতি-বাতিৰো যথেষ্ট লোকচান হোৱাত কামৰূপীয়া প্রজাসকল অসন্তুষ্ট হৈ পৰা দেখা যায়। বীৰদত্তই পৰাক্রমেৰে আহোমৰ সৈতে যুঁজে যদিও চেচামুখৰ ৰণত মৃত্যুমুখত পৰে—পত্নীয়েও স্বামীৰ মৃত্যুৰ খবৰ পাই ইহসংসাৰ ত্যাগ কৰে। উপন্যাসখনৰ ষোড়শ অধ্যায়ত পদ্মকুমাৰী আৰু মহীৰামৰ 'প্রণয়' শীর্ষক নামেৰে প্রেমৰ বার্তালাপ

দেখুৰা হৈছে। একবিংশ অধ্যায়ত হৰদত্তৰ পত্নীয়ে স্বামীৰ আগত জীয়ৰী পদ্মকুমাৰীক মহীৰামৰ সৈতে বিবাহ দিয়াৰ মত পোষণ কৰিছে। একবিংশ অধ্যায়ত 'বিবাহ' খণ্ডটিত পদ্মকুমাৰীৰ সৈতে মহীৰামৰ বিবাহ সম্পন্ন হোৱা দেখুৱাইছে। দুয়ো সুখী জীৱন কটোৱাৰো ইঙ্গিত দিছে। মহীৰামৰ পৰিচয়ো ঔপন্যাসিকে দাঙি ধৰিছে। মহীৰামে হৰদত্তৰ ঘৰতে শৈশৱৰে পৰা তেওঁলোকৰ তত্ত্বাৱধানত ডাঙৰ-দীঘল হয়। শৈশৱৰে পৰা পদ্মকুমাৰীৰ সৈতে উমলি-জামলি ডেকা বয়সত সেই ঘনিষ্ঠতা তেওঁলোকৰ প্রেমলৈ পর্যবসিত হয়। হৰদত্তৰ পত্নীৰ অনুৰোধ মৰ্মেই হৰদত্তই অনিচ্ছাসত্ত্বেও মহীৰামৰ লগত পদ্মকুমাৰীক বিয়া দি ঘৰজোঁৱাই হিচাপে ৰাখে। উপন্যাসৰ সামৰণিৰ ফালে হৰদত্তৰ জীৱনলৈ নিয়তিৰ পৰিহাস নামি অহা দেখুৱা হৈছে। হাবিৰ মাজত পঁজাঘৰত গোপনে বাস কৰিবলৈ লোৱা হৰদত্তক কুমেদানৰ লগত যোৱা আহোম বনুৱাই ধৰি নিছে, বৰফুকনৰ আদেশত হৰদত্তক শূলত দিয়া হৈছে, পানী আনিবলৈ যোৱা হৰদত্তৰ পত্নী বৰুৱানীয়ে চকৰি ফেঁটী সাপৰ দংশনত মৃত্যুমুখত পৰিছে, কুমেদানৰ তৰোৱালৰ ঘাপত মহীৰামৰ মৃত্যু ঘটিছে আৰু কুমেদানৰ হাতৰ পৰা ৰক্ষা পাবলৈ ইষ্ট দেৱতাৰ নাম স্মৰণ কৰি পদ্মকুমাৰী শোকত ভাগি পৰি অপ্রকৃতস্থ হৈ ব্রহ্মপুত্রত জাঁপ দিছে। উপন্যাসৰ সামৰণিত ঔপন্যাসিকে জনশ্রুতিৰ ওপৰত ভিত্তি কৰি দেশদ্রোহী বৰফুকনৰ অত্যাচাৰৰ কথা পুনৰ দোহাৰিছে। কামৰূপীয়া প্রজাৰ মাজত দুর্গাদেৱী মাৰ পূজাৰ প্রসঙ্গেৰে আৰু ক্ষমা-প্রার্থনাৰে কাহিনীৰ পৰিসমাপ্তি ঘটিছে। উপন্যাসৰ সামৰণিত ঔপন্যাসিকে ক্ষমা-প্রার্থনাৰে লিখিছে—

> "পাঠক! আমি হৰদত্ত বৰুৱাৰ শোকলগা আচল বুৰঞ্জীমূলক কাহিনী শেষ কৰিলোঁ। আমাৰ বঢ়া-টুটা সমস্ত দোষ যেন ক্ষমা কৰে।"

বৰদলৈয়ে হৰদত্ত আৰু বীৰদত্তৰ চৰিত্র দুটি বুৰঞ্জীৰ চৰিত্রৰ আধাৰতে চিত্রিত কৰিছে। পদ্মকুমাৰী-মহীৰামৰ প্রণয় কাহিনী উপকাহিনীৰ দৰে ঠাই পাইছে। তেওঁলোকৰ প্রণয় কাহিনীয়ে উপন্যাসত গুৰুত্ব লাভ কৰা নাই। তাৰ পৰিৱর্তে হৰদত্ত আৰু বীৰদত্ত চৰিত্র দুটিয়ে গুৰুত্ব লাভ কৰিছে। বদন বৰফুকনৰ কামৰূপৰ প্রজাৰ ওপৰত কৰা অত্যাচাৰ, বীৰদত্তৰ বীৰত্বব্যঞ্জক কার্যকলাপ, কামৰূপীয়া বৰুৱা, চৌধাৰীসকলৰ পাণ্ডুৰ বাহাৰত কৰা মন্ত্রণা আদিৰ কথা বুৰঞ্জীৰ সত্যতাৰ ওপৰতে ভিত্তি কৰি উপন্যাসত ঠাই দিয়া হৈছে। বদন বৰফুকনৰ লগত সাত বছৰে ৰণ কৰি শেষত হৰদত্তৰ যি কৰুণ পৰিস্থিতিৰ সৃষ্টি হৈছে সিয়ে পাঠকৰ অন্তৰত সহানুভূতিৰ উদ্রেক কৰে। দন্দুৰা দ্রোহৰ মূল কাৰণ বদন বৰফুকনৰ অত্যাচাৰ। গোটেই ঘটনাটো বেছিভাগেই বদন বৰফুকনৰ সময়ত পাছৰছোৱাহে কলীয়াভোমোৰা বৰফুকনৰ সময়ত হোৱা দেখুৱাইছে। গোটেই কাহিনীভাগত ইতিহাসৰ ঘটনাই প্রাধান্য লাভ কৰা হেতুকে মহীৰাম আৰু পদ্মকুমাৰীৰ প্রণয় গুৰুত্বহীন হৈ পৰিছে। হৰদত্তৰ বৰফুকনৰ বিৰুদ্ধে যুদ্ধৰ আয়োজন, আহোম সেনাৰ লগত ৰণ, পৰাজয়, মৃত্যু— এই সকলোখিনি কথা বুৰঞ্জীৰ আধাৰতে ৰচিত। কামৰূপৰ বৰুৱা-চৌধাৰীসকলৰ দুর্বল মনোভাব, কামৰূপীয়া সেনাৰ ৰচদ-পাতিৰ অভাৱ, বীৰদত্তৰ

অতপালি আদিয়ে কামৰূপীয়া প্রজাৰ পৰাজয়ৰ মূল কাৰণ। উপন্যাসখনত বিদ্রোহৰ বর্ণনা অধিক পৰিমাণে থকাত কাহিনীৰ গতিশীলতা ম্লান পৰা দেখা গৈছে। চৰিত্রসমূহৰ বিকাশ তেনেদৰে হোৱা নাই।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ *দন্দুৱা দ্রোহ* উপন্যাসখনৰ কাহিনীভাগ নিজৰ ভাষাত আলোচনা কৰক। (২৫০টা শব্দৰ ভিতৰত লিখক)

হৰদত্ত কার্যক্ষম ব্যক্তি আৰু স্বাধীনতাপ্রিয়। লক্ষ্মীনাথ বেজবৰুৱাৰ *পদুম কুঁৱৰী* উপন্যাসৰ হৰদত্ত চৰিত্রতকৈ *দন্দুৱা দ্রোহৰ* হৰদত্তৰ চৰিত্র অধিক উজ্জ্বল ৰূপে চিত্রিত হৈছে। বীৰদত্তৰ কথা-কামত বীৰত্বৰ পৰিচয় পোৱা যায়। আন আন চৰিত্রসমূহো নিজ নিজ বৈশিষ্ট্যৰে উপন্যাসত ঠাই পাইছে।

ৰৰদলৈয়ে উপন্যাসখনত ইংৰাজ সাহিত্যিক ছাৰ ওৱাল্টাৰ স্কট আৰু বাংলা ঔপন্যাসিক বঙ্কিম চন্দ্র চেট্টার্জীৰ প্রভাৱ পৰাৰ কথা পাতনিত নিজেই উল্লেখ কৰিছে—

"ছাৰ ৱাল্টাৰ স্কটৰ নিচিনা বা বঙ্কিম চাটুর্জ্জিৰ দৰে উপন্যাস কাৰক প্রতিভাশালী সাহিত্যিক ক'ত?"

সেয়েহে, তেওঁলোকৰ ৰচনাৰ আদর্শৰেউপন্যাস ৰচনা কৰি অসমীয়া উপন্যাসক এক গতি প্রদান কৰি গ'ল।

দন্দুৱা দ্রোহ ঐতিহাসিক উপন্যাস হ'লেও সমাজ জীৱনৰ নানান দিশো ইয়াত প্রতিফলিত হৈছে। ইয়াত উল্লিখিত সমাজ-জীৱনে পুৰণি সমাজখনৰ এটি পৰিৱেশ দাঙি ধৰিছে। হৰদত্ত আৰু বীৰদত্তৰ ঘৰ-বাৰীৰ বর্ণনাই সমাজৰ আঢ্যৱন্ত শ্রেণীৰ ঘৰ-দুৱাৰৰ পৰিচয় দাঙি ধৰিছে। হৰদত্ত আৰু পত্নীৰ পদ্মকুমাৰীৰ বিবাহ সম্পর্কে কৰা আলোচনা, মহীৰাম আৰু পদ্মকুমাৰীৰ বিবাহ সম্পন্ন, বিবাহৰ গীত-মাতৰ ব্যৱহাৰ প্রাকৃতিক দৃশ্যৰ আয়োজন, ফুলনিত আমোদ লোৱা আৰু মহীৰামৰ বিবাহ প্রস্তাৱত পদ্মকুমাৰীয়ে কোৱা "মায়ে আৰু পিতিয়ে দিলে মই অমান্তি নহওঁ।" আদি কথাৰ মাজেৰে সমাজ জীৱনৰ প্রতিচ্ছবিকে প্রতিফলিত কৰিছে।

উপন্যাসখনত ধর্মৰ দিশটোও দেখুওৱা হৈছে। হৰদত্তৰ বাসগৃহত দুর্গোৎসৱ উদ্‌যাপন, দুর্গোৎসৱ উপলক্ষ্যে মাঙ্গলিক কার্য, কামৰূপৰ ঢুলীয়া-খুলীয়া-কালীয়া, ওজাপালি পৰিৱেশন, গায়ন-বায়ন আদিয়ে ধর্মীয় পৰিৱেশ সূচনা কৰিছে। কামৰূপৰ তীর্থস্থান, মঠ-মন্দিৰ, সত্র আদিৰ বর্ণনাত ধর্মীয় জীৱনৰ ছবি ফুটি উঠিছে। কামাখ্যা, ভুৱনেশ্বৰী, শুক্রেশ্বৰ, উগ্রতাৰা, ছত্রকাৰ, নৱগ্রহ, বশিষ্ঠ, উমানন্দ, অশ্বক্রান্ত, মণিকর্ণেশ্বৰ, ৰুদ্রেশ্বৰ, দীর্ঘেশ্বৰী, কেদাৰ-মাধৱ, পৰশুৰামকুণ্ড আদিৰ বর্ণনাই অসমৰ ধর্মীয় দিশৰ গুৰুত্ব প্রদান কৰিছে। বামাচাৰী তান্ত্রিকৰ কথা আৰু কার্যত শাক্ত ধর্মৰ কথাকো সূচনা কৰিছে। বৈষ্ণৱ ধর্মৰ প্রাধান্যও উপন্যাসখনত প্রকাশ পাইছে। বৈষ্ণৱ ভক্তসকলৰ বর্ণনা,

কথোপকথন আদিত ইয়াৰ প্রমাণ পোৱা যায়। আনহাতে, পদ্মকুমাৰীয়ে মহীৰামৰ প্রস্তাৱ মানি লোৱাত মহীৰামৰ আশাৰ কুসুম ফুলি উঠাত ভগৱন্তক প্রণাম জনাইছে। পদ্মকুমাৰীয়ে কৃষ্ণৰ নাম সুমৰি ব্রহ্মপুত্রত জাঁপ দিয়া কার্য আদিত বৈষ্ণৱ ধর্মৰ প্রাধান্য ফুটি উঠিছে। ধর্মৰ প্রতি উদাৱ মনোভাৱ পোষণ কৰা ৰৱদলৈয়ে লিখিছে যে উপন্যাসৰ যোগেদি পাঠকক ধর্মৰ ফালে আকর্ষণ কৰাই তেওঁৰ ৰচনাৰ অন্যতম আদর্শ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ *দন্দুৰা দ্রোহ* উপন্যাসত সমাজ জীৱনৰ চিত্র কেনেদৰে প্রতিফলিত হৈছে আলোচনা কৰক।

(১৫০টা শব্দৰ ভিতৰত লিখক।)

উপন্যাসখনত অতি-প্রাকৃত পৰিৱেশৰ বর্ণনাও আছে। মদন কামদেৱ মন্দিৰত শক্তি সাধনা কৰা হৰদত্তই বামাচাৰী সন্ন্যাসীৰ সহযোগত মৰাশৰ ওপৰত সিদ্ধাসনত বহি যি মন্ত্র আৰু ৰূপ সাধনা কৰিছে, তাৰ লগতে পাহাৰত শব্দ হোৱা, মৰা শবোৰ উঠি অহা বর্ণনা অতি শিহৰণকাৰী তথা অতি-প্রাকৃত-অবাস্তৱ বর্ণনা। এনে বর্ণনাই পাঠকক অন্য এক ৰহস্যময় দিশৰ প্রতি আকর্ষণ কৰে।

ৰজনীকান্ত ৰৱদলৈয়ে সামাজিক তথা ধর্মীয় নতুবা অতি-প্রাকৃত বর্ণনাৰে উপন্যাসত বিভিন্ন দিশৰ অৱতাৰণা কৰিলেও *অসম বুৰঞ্জী*ৰ তথ্যই আৰু বিদ্রোহৰ কথাই আদিৰ পৰা অন্তলৈকে পৰিব্যাপ্ত হৈ আছে। বুৰঞ্জীৰ তথ্য আৰু জনশ্রুতিৰ সামান্যতমো লৰচৰ নকৰাকৈ বদন ৰৱফুকনৰ কামৰূপীয়া প্রজাৰ ওপৰত কৰা অত্যাচাৰ, হৰদত্ত-বীৰদত্তৰ বিদ্রোহ আদিক উপস্থাপন কৰি ৰচনা কৰা *দন্দুৰা দ্রোহ*ক ৰৱদলৈৰ এখন সার্থক উপন্যাস বুলিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ *দন্দুৰা দ্রোহ* উপন্যাসত প্রতিফলিত ধর্মীয় দিশ সম্পর্কে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত লিখক।)

৪.৩.৩ উপন্যাসখনৰ চৰিত্র চিত্রণ

দন্দুৰা দ্রোহ উপন্যাসৰ চৰিত্র চিত্রণতো বুৰঞ্জীৰ চৰিত্রকে সামৰি লৈছে। বুৰঞ্জীৰ মুখ্য চৰিত্রক উপন্যাসত ঠাই দিছে। কাল্পনিক চৰিত্রকো সুন্দৰভাৱে চিত্রিত কৰিছে। তলত উপন্যাসখনৰ চৰিত্রসমূহৰ বিষয়ে আলোচনা কৰা হ'ল—

হৰদত্ত ঃ উপন্যাসখনত হৰদত্ত চৰিত্রটোৱে নায়কৰ ভূমিকা গ্রহণ কৰিছে। হৰদত্ত কলিতা কুলৰ এজন কামৰূপীয়া বিশেষ ব্যক্তি। কামৰূপৰ পূব পাৰ মৌজাৰ তেওঁ চৌধাৰী আছিল। উপন্যাসখনত বর্ণনা কৰা মতে তেওঁ নিয়মিত ওখ আৰু গাৰ ৰঙা বগা আছিল।

তেওঁ দেখিবলৈ শুৱনি, অমায়িক স্বভাৱৰ, স্বভাৱে-চলনে সুপুৰুষ আছিল। মূৰত তেওঁৰ পাহকটা চুলি আছিল। হৰদত্ত উচ্চ কলিতা বংশৰ আছিল কিন্তু তেওঁৰ বৈষ্ণৱ ধর্মৰ প্রতি অনুৰাগ আছিল। প্রকৃততে তেওঁ শাক্তধর্মী লোকহে আছিল। দুর্গোৎসৱত পঠা ছাগলী আদি তেওঁলোকে বলি দিছিল। হৰদত্তই বৈষ্ণৱধর্মী লোকসকলকো আদৰ-আপ্যায়ন কৰিছিল। সাধু ভক্তসকলকো আদৰ-সাদৰ কৰি তেওঁৰ মন্দিৰতে ৰাখি ধর্ম আলোচনা আদি শুনি আনন্দ পাইছিল। বামাচাৰী বাবাৰ কথামতে তেওঁ দেশৰ মঙ্গলৰ নিমিত্তে পুৰঃসৱণ কৰিছে। বামাচাৰী বাবাৰ পৰামর্শমতে মদন-কামদেৱ মন্দিৰত 'শৱ সাধন' কামত লিপ্ত হৈছে।উপন্যাসখনত বামাচাৰী বাবা আৰু হৰদত্তৰ কার্য-কর্মৰ মাজেৰে তান্ত্রিক তথা শাক্ত ধর্মৰ প্রতিপন্নতা প্রতিষ্ঠা হৈছে। তদুপৰি হৰদত্তৰ জিকেৰিত হাউলীত মহা উলহ-মালহেৰে দুর্গোৎসৱ পতা কার্যৰ মাজেৰেও শাক্ত ধর্মৰ কথাই প্রাধান্য লাভ কৰিছে। আহোমসকলক ৰণত পৰাভূত কৰিবলৈ দেৱী মা দুর্গাৰ আশীর্বাদ বিচাৰি হৰদত্তই দুর্গোৎসৱৰ আয়োজন কৰিছিল।

আহোম আৰু কামৰূপীয়া নেতা হৰদত্তৰ লগত বিদ্রোহে দেখা দিয়াৰ সময়তে বদন বৰফুকনে কটকীৰ হতুৱাই হৰদত্তলৈ দিয়া চিঠিৰ প্রত্যুত্তৱত হৰদত্ত-বীৰদত্ত দুই ভাতৃৰ বীৰত্বব্যঞ্জক ব্যক্তিত্বও প্রকাশ পাইছে। বৰফুকনৰ বিৰুদ্ধে ৰণত নামি নিজ কন্যাৰ বিবাহ বিষয়ক কথাতো তেওঁ বিধি-পথালি দিছে। বৰফুকনৰ হাতত ৰণ দি বীৰত্বৰ পৰিচয় দিয়া হৰদত্তৰ জীৱনলৈ নিয়তিৰ পৰিহাসে যেতিয়া আৱৰি ধৰে আৰু তেওঁক শূলত দিয়া হয়। তেনে অৱস্থাতো তেওঁ বীৰৰ দৰেই বৰফুকনক কৈছে—

> "শুনা বৰফুকন! মই ৰজাৰ দ্রোহ কৰা নাছিলোঁ; কিন্তু তোমাৰ উপৰিজনাৰ, অর্থাৎ বদনৰ নিচিনা পাষণ্ড, অত্যাচাৰী বৰফুকনৰ বিৰুদ্ধেহে মই অস্ত্র ধৰিছিলোঁ।... কামৰূপীয়া ভীৰু-কাপুৰুষ নহয়।"

উপন্যাসখনত হৰদত্ত চতুৰ, কার্যক্ষম আৰু ব্যক্তিত্বপূর্ণ নেতা। পত্নী, কন্যা, ভাতৃৰ প্রতি তেওঁ এজন কর্তৃত্বশীল ব্যক্তি ৰূপে পৰিগণিত হৈছে। বেজবৰুৱাৰ *পদুম কুঁৱৰী* উপন্যাসৰ হৰদত্তৰ চৰিত্রৰ তুলনাত বৰদলৈৰ *দন্দুৰা দ্রোহ*ৰ হৰদত্ত অধিক আকর্ষণীয়।

বীৰদত্ত ঃ বীৰদত্ত হৰদত্তৰ ভাতৃ। উপন্যাসত বীৰদত্তই কথাই-কামে বীৰত্বৰ পৰিচয় দিছে। উপন্যাসখনৰ ষষ্ঠ অধ্যায়ত বৰনগৰীয়া বুজৰবৰুৱাক কোৱা কথাতেই বীৰদত্তৰ বীৰত্বৰ পৰিচয় পোৱা যায়।

> "কামৰূপত আমি অতবিলাক ৰাইজ আছোঁ। আপোনালোকৰ ক্ষমতাশালী শক্তিসম্পন্ন লোকো আছে। আমাৰো কায়স্থ আৰু কলিতাসকলৰ গাত আগৰ ক্ষত্রিয়ৰ তেজ এফেৰাও নোহোৱা হ'ল নে যে আমি ইমান অত্যাচাৰী বৰফুকনৰ এনেকুৱা পৈশাচিক কাণ্ড আৰু অত্যাচাৰ সহি থাকিম?... ...সি আহোমে পাহৰিলে যে কামৰূপীয়া

মানুহৰ বল, বুদ্ধি, ধৈর্য আৰু বীৰত্বৰ সহায়তে তাৰ উপৰিজনা ৰৱফুকনে মোগলকো জয় কৰিছিল?"

উপন্যাসৰ সপ্তম অধ্যায়ত বীৰদত্তৰ শাৰীৰিক বর্ণনাও ঔপন্যাসিকে দিছে। হৰদত্তৰ দৰে বীৰদত্ত কামৰূপৰ আভিজাত্যপূর্ণ ব্যক্তি। বীৰৰ দৰে শৰীৰো। তেওঁ বৰ ওখ, হটঙা, ডাঙৰ-দীঘল, বাহুবলী আৰু দৈত্যৰ দৰে আকৃতিৰ পুৰুষ আছিল। আহোম ৰজা গদাধৰ সিংহৰ দৰে বীৰদত্তও দৈত্য পুৰুষ আছিল। তেওঁ ইমানেই বাহুবলী আছিল যে বনৰীয়া গলধন ধৰা মতা ম'হ এটাকো শিঙত ধৰি হেঁচুকি বহুৱাই দিব পাৰিছিল শঙ্কৰদেৱে ষাড়গৰুক মর্দন কৰাৰ দৰে। হৰদত্তৰ দৰে বীৰদত্তৰো এখন প্রতিপত্তিশালী ঘৰ আছিল। তেওঁ স্বদেশপ্রেমী আছিল। ধর্মপুৰীয়া চৌধাৰীয়ে আহোমৰ সৈতে ৰণ কৰিবলৈ ভয় খোৱা দেখি তেওঁ বীৰদর্পে কোৱা কথাখিনিতো স্বদেশপ্রীতিৰ ভাব ফুটি উঠিছে—

"মই বীৰদত্তে সেই ৰণুৱা লৈ আপোনালোকৰ সহায় আৰু আজ্ঞা অনুসৰি বাৰ বছৰলৈকে আহোমে সৈতে লেল্‌পেল্ যুদ্ধ কৰি আহোমক খেদিম। আহোমে দেখিব কামৰূপীয়াৰ গাত তেজ-শক্তি-বল আছে নে নাই? আহোমে দেখিব বীৰদত্তৰ তৰোৱালৰ কোব কিমান চোকা।"

আহোমৰ সৈতে অতি বীৰত্বৰে যুঁজ দি তেওঁ প্রাণত্যাগ কৰিছে। পঞ্চত্রিংশ অধ্যায়ত চেঁচামুখৰ ৰণত আহোমৰ বিপক্ষে তয়াময়া ৰণত বীৰদত্তৰ মৃত্যু হোৱা দেখুওৱা হৈছে। মুঠতে উপন্যাসখনত বীৰদত্তই কামে-কাজে বীৰৰ পৰিচয় দিছে।

মহীৰাম ঃ মহীৰাম হৰদত্তৰ জীয়ৰী পদ্মকুমাৰীৰ প্রেমিক তথা স্বামী। মহীৰামক উপন্যাসত নায়ক হিচাপে প্রতিপন্ন কৰা নাই। মহীৰাম আৰু পদ্মকুমাৰীক সাধাৰণ অর্থত নায়ক-নায়িকা যেন লাগিলেও তেওঁলোকৰ প্রণয় কাহিনী উপন্যাসখনত উপকাহিনীৰ দৰেহে হৈছে।



জানি থোৱা ভাল

লক্ষ্মীনাথ বেজবৰুৱাৰ *পদুম কুঁৱৰী* উপন্যাসত পদুম কুমাৰীৰ প্রেমিক-জনক সূর্য্য কুমাৰ নাম দিয়া হৈছে।

উপন্যাসৰ দশম অধ্যায়ৰ 'ফুলনিত' আৰু ষোড়শ অধ্যায়ৰ 'প্রণয়' খণ্ডত পদ্মকুমাৰী আৰু মহীৰামৰ প্রেম-প্রণয়ৰ চিত্র চিত্রিত হৈছে। দুয়োৰে মাজত বার্তালাপ হৈছে। মহীৰামে পদ্মকুমাৰীক ওচৰত পাই ভগৱন্তক 'এই পদুমপাহি দুর্ভগীয়াক দান কৰা বুলি' মনৰ ভাব প্রকাশ কৰিছে। দ্বাদশ অধ্যায়ত 'জিকেৰিত' মহীৰামৰ জীৱন বৃত্তান্ত ঔপন্যাসিকে দাঙি ধৰিছে। সৎবংশজাত কলিতাৰ ল'ৰা মহীৰামে সৰুতে মাক-বাপেকক হেৰুৱাই হৰদত্ত চৌধাৰীৰ তত্ত্বাৱধানতে ডাঙৰ-দীঘল হয় আৰু হৰদত্তৰ জীয়ৰী পদ্মকুমাৰীৰ প্রেমপাশত আবদ্ধ হয়। মহীৰামে হৰদত্ত আৰু তেওঁৰ পত্নীক পিতৃ-মাতৃৰ

দৰে জ্ঞান কৰিছিল। ষোড়শ অধ্যায়ত মহীৰামে পদ্মকুমাৰীক প্রেম নিবেদন কৰা দেখুৱাইছে আৰু পদ্মকুমাৰীয়েও তাক অস্বীকাৰ কৰা নাই। উপন্যাসৰ সামৰণিত কুমেদাঙৰ হাতত মৃত্যু হোৱা উল্লেখ কৰিছে। মহীৰাম বীৰ আৰু বীৰদর্পেৰে তেওঁ হৰদত্তৰ প্রধান সেনাপতিৰূপে আহোমৰ বিপক্ষে যুঁজিছে। উপন্যাসখনত মহীৰামৰ চৰিত্রই প্রাধান্য লাভ কৰা নাই। তাৰ পৰিৱর্তে বুৰঞ্জীৰ কার্যকলাপেহে অধিক গুৰুত্ব লাভ কৰিছে।

পদুমী ঃ ৰৱদলৈৰ বেছিভাগ উপন্যাসতে নাৰী চৰিত্রই প্রাধান্য লাভ কৰিছে যদিও তেওঁৰ *দন্দুৱা দ্রোহ* উপন্যাসখনত চৰিত্রৰ প্রাধান্য কম— তাৰ সলনি বুৰঞ্জীৰ ঘটনা প্রৱাহৰ বর্ণনা অধিক। উপন্যাসখনত পদুমীয়ে নায়িকাৰ স্থান লাভ কৰা নাই। মহীৰামৰ প্রণয়িনী হিচাপেহে মাথোঁ চিত্রিত হৈছে। ৰৱদলৈ নাৰীৰ মর্যাদাৰ প্রতি সচেতন। তেওঁৰ প্রতিখন উপন্যাসতে নাৰীয়ে মুখ্য ভূমিকা গ্রহণ কৰিছে। কিন্তু *দন্দুৱা দ্রোহত* ঔপন্যাসিকে চৰিত্রৰ বিকাশতকৈ বুৰঞ্জীৰ ঘটনা প্রবাহক অধিক গুৰুত্ব সহকাৰে লৈছে। হৰদত্তৰ জীয়ৰী পদুমী। কলা-কলাকৈ বয়স বাঢ়ি তেওঁ যৌৱনত ভৰি দিছে আৰু মহীৰামৰ প্রণয়পাশত আৱদ্ধ হৈছে। মহীৰামে বিয়াৰ প্রস্তাৱ দিয়াত সমাজৰ ৰীতি-নিয়মলৈ চাই "মায়ে পিতিয়ে দিলে মই অমান্তি নহওঁ' বুলি সমাজৰ নাৰীৰ অধিকাৰৰ ক্ষেত্রত যে সীমাবদ্ধতা আছে তাক তেওঁ ঘোষণা কৰিছে। মহীৰামৰ লগত বিয়া হৈ পদুমী সুখী হৈছে। আহোমৰ সৈতে হোৱা ৰণত বীৰ-বিক্রমেৰে যুঁজি যেতিয়া মহীৰামৰ মৃত্যু হৈছে তেতিয়া তেওঁ অস্বাভাৰিক হৈ পৰিছে। মহীৰামৰ লগত তাইৰ বিবাহৰ পাছত তাইৰ স্বামীৰ প্রতি যি অনুৰাগ বাঢ়িছে সেয়াই তাইক মৃত্যুমুখলৈ যাবলৈও সাহস দিছে। মহীৰামৰ মৃত্যুৰ পাছত কুমেদানৰ হাতৰ পৰা ৰক্ষা পাবলৈ ব্রহ্মপুত্রত জাঁপ দিছে। মহীৰাম-পদুমীৰ মিলন হৈছে কিন্তু শোকাৱহভাৱে তেওঁলোকৰ জীৱনৰ পৰিসমাপ্তি ঘটিছে।

বৰুৱানী ঃ বৰুৱানী হৰদত্তৰ পত্নী। উপন্যাসখনত তেওঁ পদ্মকুমাৰীতকৈ অধিক উল্লেখযোগ্য হিচাপে চিত্রিত হৈছে। তেওঁ 'ধৈর্যশীলা, গৃহকত্রী আৰু আত্মমর্যাদাসম্পন্না সচেতনা নাৰী। জীয়েক পদুমীৰ বিয়াৰ কথা তেওঁ গভীৰভাৱে চিন্তা কৰিছে। জীয়েকক কোঁচ কুমাৰলৈ নিদি মহীৰামৰ সৈতে বিয়া দি ঘৰজোঁৱাই কৰি ৰখাত তেওঁ কৃতকার্যতা লাভ কৰিছে। তেওঁ পতিব্রতা। তেওঁ স্বামীৰ মঙ্গল কামনা কৰে। হৰদত্তক তেওঁ কৈছে—

> "যেতিয়ালৈকে মা ভগৱতী আপোনালৈ প্রসন্না থাকে তেতিয়ালৈকে আপোনাক বৰফুকনে বলে নোৱাৰে।"

তদুপৰি এগৰাকী আত্ম মনোবল থকা নাৰী হিচাপেও তেওঁ হৰদত্তক সকীয়াই দিছে এনেদৰে—

> "আপুনি ধৈর্য ধৰি যুঁজি যাওক।... এইদৰে জিকি জিকি শেষত কামৰূপৰ পৰা আহোমক নির্মূল কৰিব পাৰিব।"

হৰদত্তৰ বীৰত্বৰ কথা সোঁৱৰাই দিবলৈ তেওঁ পাহৰা নাই। স্বামীৰ প্রতি, সন্তানৰ

প্রতি, স্বদেশৰ প্রতি তেওঁ কর্তব্য পাহৰা নাই। উপন্যাসৰ সামৰণিৰ ফালে বৰুৱানীৰ শোকাৱহভাৱে সাপে দংশন কৰাত মৃত্যু হোৱা দেখুৱাইছে। হৰদত্তৰ পত্নী বৰুৱানীয়ে উপন্যাসখনত এগৰাকী চিৰন্তন মাতৃ, অচল-অটল আত্মবলযুক্ত নাৰী চৰিত্র ৰূপে চিত্রিত হৈছে।

বদন বৰফুকন ঃ উপন্যাসখনৰ মূল খলনায়ক বৰফুকন। বুৰঞ্জীৰ প্রখ্যাত বৰফুকনৰ চৰিত্রৰ আধাৰতে ঔপন্যাসিকে চৰিত্রটি অৱতাৰণা কৰিছে। *দন্দুৰা দ্রোহ*ৰ মূল কাৰণ বদন বৰফুকনৰ কামৰূপীয়া প্রজাৰ ওপৰত কৰা অন্যায়-উৎপীড়ন, অত্যাচাৰ। তেওঁ আছিল গুৱাহাটীৰ বৰফুকন। এই বৰফুকনেই কামৰূপ ৰাজ্য শাসন কৰিছিল। বৰফুকনৰ আদেশ মতেই কামৰূপৰ বিষয়াসকলক ভাঙিব-পাতিব পাৰিছিল। তেওঁ কামৰূপীয়া লোকসকলক ঘিণ কৰিছিল, লঘু-লাঞ্ছনা কৰিছিল আৰু তেওঁলোকক বিশ্বাসো নকৰিছিল। কামৰূপীয়া প্রজাৰ ওপৰত কৰৰ বোজা যথেষ্ট দিছিল। তেওঁ আনকি কামৰূপৰ আমোদ-প্রমোদ সকলো উঠাই দি উজনিৰ আমোদ-প্রমোদক তাত ঠাই দিছিল। ব'হাগৰ সাত বিহুত হাতী দৌৰত তেওঁৰ পুত্রদ্বয়ৰ হাতীৰ গছকত কামৰূপৰ বহু লোক মৃত্যুমুখত পৰে। বৰফুকনৰ অত্যাচাৰৰ হৰদত্ত-বীৰদত্তৰ নেতৃত্বত কামৰূপীয়া প্রজা তেওঁৰ বিদ্রোহ আচৰণৰ কথা বৰফুকনৰ কাণত পৰিল। ১৭৮৮ শকৰ ৰণত বৰফুকন ৰণত পৰাজয় হয়। ১৭৮৯ শকৰ ৰণৰ আৰম্ভণিতে বৰফুকনে হৰদত্তলৈ আত্মসমর্পণ কৰাৰ বাবে হুংকাৰ দি পত্র লিখে। কিন্তু এইবাৰো তেওঁ পৰাজিত হয়। ১৭৯০ শকৰ ৰণতো আহোম সৈন্যৰ অৱস্থা শোচনীয় হয়। ১৭৯১ শকৰ ৰণতো বৰফুকন পৰাজিত হয়। ১৭৯২ শক অসম বুৰঞ্জীৰ এটা পৰিবর্তনৰ যুগ। কামৰূপৰ প্রজাৰ ওপৰত বদন বৰফুকনৰ অত্যাচাৰেই দন্দুৰা দ্রোহৰ মূল কাৰণ। সেয়ে কমলেশ্বৰ সিংহৰ দিনত কলীয়া ভোমোৰা বৰফুকনক কামৰূপৰ দ্রোহ দমন কৰিবলৈ পঠিওৱা হৈছিল। *দন্দুৰা দ্রোহ* উপন্যাসত সেয়ে বদন বৰফুকনৰ চৰিত্রটি বুৰঞ্জীৰ আলমতে বাস্তৱসম্মতভাবে ৰূপ দিয়া হৈছে।

কুমেদান ঃ কুমেদান শিখ চর্দাৰ। হৰদত্তৰ হৈ কামৰূপীয়া প্রজাৰ সপক্ষে তেওঁ যুঁজিছে যদিও পাছত কলীয়া ভোমোৰাৰ শৰণাপন্ন হ'ল। অষ্টাত্রিংশ অধ্যায়ত কুমেদান চৰিত্রৰ বৈশিষ্ট্য প্রকাশ পাইছে। কুমেদানৰ মুখত অসমীয়া আৰু অনা-অসমীয়া সংলাপ প্রয়োগ কৰা হৈছে। বুৰঞ্জীৰ আধাৰতে চৰিত্রটিক উপন্যাসখনত স্থান দিয়া হৈছে। ঔপন্যাসিকে জনশ্রুতিৰ আধাৰত কুমেদানৰ বিষয়েও উপন্যাসত কিছু কথা সন্নিৱিষ্ট কৰিছে।

কলীয়া ভোমোৰা ঃ বুৰঞ্জীমতে কলীয়াভোমোৰা বৰ বিচক্ষণ ৰাজনীতিজ্ঞ আছিল আৰু লাচিত বৰফুকনৰ দৰেই বাহুবলী বীৰ আছিল। *দন্দুৰা দ্রোহ* উপন্যাসতো চৰিত্রটো বুৰঞ্জীৰ আধাৰতে উপস্থাপন কৰা হৈছে। তেওঁ বৰফুকনৰ বাব লৈয়ে কামৰূপীয়া প্রজাৰ বিদ্রোহৰ ঘাই কাৰণ তথা কামৰূপৰ লোকৰ মনৰ ভাব বুজি-বাজি হৰদত্তৰ বিপক্ষে ৰণ দিবলৈ সাজু হৈছিল। চেঁচামুখৰ ৰণত তিনি ঠাইত কামৰূপীয়া প্রজাক পৰাজিত কৰিলে আৰু বীৰদত্তকো প্রাণে মাৰিলে। কলীয়াভোমোৰাৰ নির্দেশতে উপন্যাসৰ সামৰণিত

হৰদত্তক শূলত দিয়া হ'ল। মুঠতে বুৰঞ্জীৰ কলীয়াভোমোৰা চৰিত্রৰ আলমতে উপন্যাসত চৰিত্রটোক উপস্থাপন কৰা হৈছে।

উপন্যাসত আন ভালেমান চৰিত্রই ভুমুকি মাৰিছে। বীৰদত্তৰ পত্নীৰ কথা মাথোন বর্ণনা কৰা হৈছে। স্বামীৰ মৃত্যুৰ খবৰ শুনি তেওঁৰো মৃত্যু হোৱাৰ কথা ঔপন্যাসিকে উল্লেখ কৰিছে। ইয়াৰ বাহিৰেও বক্তমল বুজৰবৰুৱা, বৰনগৰীয়া বুজৰবৰুৱা, কমাৰকুচীয়া বৰুৱা, ধর্মপুৰীয়া চৌধাৰী, বামাচাৰী বাবা, কেৱলীয়া আতৈ, দৈৱজ্ঞ টেকেলা, কাপ্তান চাহাব, হাবিলদাৰ, জিকেৰিয়া ডেকা, কছাৰী মতা-মাইকী আদি বিভিন্ন চৰিত্র উপন্যাসখনত সন্নিৰিষ্ট হৈছে। উপন্যাসখনৰ গতিশীলতাত এই চৰিত্রবোৰে কম-বেছি পৰিমাণে অৰিহণা যোগাইছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ *দন্দুৰা দ্রোহ* উপন্যাসত থকা চৰিত্র সম্পর্কে এটি আলোচনা আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত লিখক।)

ৰজনীকান্ত বৰদলৈৰ ৰচনাতে অসমীয়া ঐতিহাসিক উপন্যাসৰ প্রাণপ্রতিষ্ঠা হয়। ঐতিহাসিক উপন্যাস বুলিলে ঔপন্যাসিকে পাঠকক অতীতক বর্তমানৰ লগত সম্পৃক্ত কৰি ইতিহাসৰ ঘটনাক বাস্তৱৰ লগত জড়িত কৰি অৱগত কৰোৱা। এনে প্রচেষ্টাৰে বৰদলৈয়ে সাতখন ঐতিহাসিক উপন্যাস ৰচনা কৰিছে।

৪.৩.৪ উপন্যাসখনৰ বৈশিষ্ট্যসমূহ

দন্দুৰা দ্রোহ উপন্যাসখন ৰজনীকান্ত বৰদলৈয়ে বুৰঞ্জীৰ তথ্য আৰু জনশ্রুতিৰ আলম লৈ ৰচনা কৰিছে। সেয়েহে ঐতিহাসিক উপন্যাস হিচাপে *দন্দুৰা দ্রোহ* উপন্যাসৰ কাহিনীত বৰদলৈয়ে বুৰঞ্জীৰ সত্য আৰু বাস্তৱ ঘটনাকে উপস্থাপন কৰিছে। উপন্যাসখনত সেয়ে অস্বাভাৱিকতা ফুটি উঠা নাই।

একে ঘটনাৰ ওপৰত ভিত্তি কৰি লক্ষ্মীনাথ বেজবৰুৱাই *পদুম কুঁৱৰী* উপন্যাস ৰচনা কৰিছে। *পদুম কুঁৱৰীত* বেজবৰুৱাই বিদ্রোহটো কলীয়া ভোমোৰা বৰফুকনৰ শাসনকালত হোৱা বুলি উল্লেখ কৰিছে। আনহাতে *দন্দুৰা দ্রোহত* বিদ্রোহটো হৰদত্ত-বীৰদত্তৰ নেতৃত্বত বদন বৰফুকনৰ বিৰুদ্ধে হোৱা দেখুৱাইছে। সামৰণিতহে বদন বৰফুকনৰ ঠাইত কলীয়া ভোমোৰাক ঠাই দিয়া হৈছে।

দন্দুৰা দ্রোহ বুৰঞ্জী আৰু জনশ্রুতিৰ সহায়ত ডাঙৰ ঘটনা এটাক উপন্যাসৰ কাহিনীত সামৰা হৈছে। আনহাতে, ইংৰাজী সাহিত্যৰ ওৱাল্টাৰ স্কট আৰু বাংলা সাহিত্যৰ বঙ্কিমচন্দ্র চেট্টার্জীৰ আৰ্হিত তেওঁ উপন্যাস ৰচনা কৰিছে। উপন্যাসখনিৰ পাতনিত এই কথা তেওঁ স্বীকাৰ কৰিছে। অতীত স্পৃহা, স্বদেশপ্রীতি, বীৰ-বীৰকার্য আদি দুয়োজনা

ঔপন্যাসিকৰ ৰচনাত পোৱা যায়। ৰৱদলৈৰ *দন্দুৰা দ্রোহ* উপন্যাসখনো ইয়াৰ ব্যতিক্রম নহয়।

উপন্যাসখনত কল্পনাৰ মাত্রা কম। ৰেজৰৰুৱাই গুণাভিৰাম বৰুৱাৰ *অসম বুৰঞ্জী*ৰ সমল সংগ্রহ কৰি *পদুম কুঁৱৰী* উপন্যাসখন ৰচনা কৰিছিল। ৰৱদলৈয়ে *অসম বুৰঞ্জী*খনৰ বাহিৰেও গেইটৰ *A History of Assam*, হৰকান্ত সদৰামিন বৰুৱাৰ *অসম বুৰঞ্জী*, সাঁচিপতীয়া আন আন বুৰঞ্জী, জনশ্রুতি,গীত-মাত আদিৰ সমলৰওপৰত ভিত্তি কৰি উপন্যাসখন ৰচনা কৰিছিল। ৰৱদলৈয়ে ঐতিহাসিক ঘটনা উপন্যাসখনত তিনি প্রকাৰে প্রয়োগ কৰিছে। ইয়াৰে প্রথমটো হ'ল বুৰঞ্জীৰ ঘটনা আৰু চৰিত্র। *দন্দুৰা দ্রোহ*ত এই কথা প্রমাণিত হৈছে। পাতনিত তেওঁ লিখিছে—

> "এই উপন্যাসত আমি বুৰঞ্জীৰ প্রধান ঘটনাবিলাকৰ এফেৰাও লৰচৰ কৰা নাই। ইয়াত আমাৰ কল্পনাৰ মাত্রাও সামান্য।"

উপন্যাসখনৰ অধিকাংশ কথাই বিদ্রোহৰ কথা। সেইবাবে উপন্যাসখনক বুৰঞ্জীমূলক কাহিনীহে বুলিব পাৰি।

দন্দুৰা দ্রোহ উপন্যাসখনত ঔপন্যাসিকে পাঠকৰ সৈতে পোনপটীয়াভাৱে বুৰঞ্জী বিখ্যাত দন্দুৰা দ্রোহৰ কথা দাঙি ধৰিছে। তাকে কৰিবলৈ যাওঁতে পাঠকক সম্বোধন কৰি কাহিনী বর্ণনা কৰিছে। কেতিয়াবা 'পাঠক আহক' বুলি বিহু উৎসৱ, দৌল উৎসৱ আদিৰ বর্ণনা, কেতিয়াবা আকৌ চৰিত্রৰ বর্ণনা দি নিজেই উপন্যাসৰ চৰিত্রৰ দৰে হৈ পৰে।

পৰিৱেশৰ বর্ণনা উপন্যাসখনৰ আন এটা বৈশিষ্ট্য। হৰদত্ত-বীৰদত্তৰ একালৰ গাঁৱৰ বর্ণনা, হৰদত্ত-বীৰদত্তৰ বাসগৃহ-পুখুৰী পাৰ, ফুলনি আদিৰ বর্ণনা, পুৰণি গুৱাহাটীখনৰ বর্ণনা, ৰৱফুকনৰ দিনৰ গুৱাহাটী নগৰত হোৱা বিহু উৎসৱৰ বর্ণনা, পাণ্ডুৰ বাহৱৰ বর্ণনা, মদন কামদেৱ মন্দিৰৰ বর্ণনা আদিত প্রাচীন অসমৰ, কামৰূপৰ বিভিন্ন দিশৰ পৰিৱেশ আদি পাঠকে অনুমান কৰিব পাৰে। উপন্যাসখনত আহোম যুগৰ নামনি অসমৰ কামৰূপ অঞ্চলৰ সমাজৰ চিত্র প্রতিফলিত হৈছে।

কাহিনীৰ আকর্ষণীয়তা বঢ়াবলৈ চৰিত্রত ক্রুৰতা, চৰিত্রৰ চাৰিত্রিক বিশ্লেষণ, তুলনা আদি প্রয়োগ কৰিছিল। উপন্যাসখনত ঐতিহাসিক চৰিত্রই অধিক। বদন ৰৱফুকন, হৰদত্ত-বীৰদত্ত আদি ঐতিহাসিক চৰিত্র। কাল্পনিক চৰিত্রৰ সংখ্যা কম। প্রেমিক-প্রেমিকা হিচাপেও মহীৰাম আৰু পদ্ম কুমাৰীৰ চৰিত্রৰ ভূমিকা উল্লেখযোগ্য নহয়।

উপন্যাসৰ কাহিনীভাগ শোকাৱহ অৱস্থাৰ মাজেৰে পৰিসমাপ্তি ঘটিছে। তেওঁৰ আন আন উপন্যাসতনায়ক-নায়িকাই প্রেমৰ কৰুণ পৰিণতিৰফলত ঈশ্বৰমুখী হৈ ভগৱৎ প্রেমত শৰণ লৈছে। *দন্দুৰা দ্রোহ*ৰ কাহিনীৰ পৰিণতিত কোনো আশা নায়ক-নায়িকাৰ মাজত প্রদর্শন কৰা নাই। মৃত্যুতেই চৰম পৰিণতি প্রদর্শন হৈছে।

উপন্যাসৰ কাহিনীত আৰু চৰিত্রৰ কার্যকলাপে মানুহৰ অন্তৰত দেশাত্মবোধৰ ভাব সৃষ্টি কৰিব পাৰে। *দন্দুৱা দ্রোহ*ত কাহিনী, পটভূমি, চৰিত্রৰ কার্যকলাপে স্বদেশপ্রীতিৰ ভাব জগোৱাত সহায়ক হৈছে। শাসকৰ অত্যাচাৰ আৰু সাধাৰণ নিপীড়িত প্রজাৰ জাগৰণৰ প্রতিচ্ছবি কাহিনীৰ মাজেৰে প্রতিফলিত হৈছে। অসম আৰু অসমীয়া প্রীতিৰ ছবিও ইয়াত প্রস্ফুতিত হৈছে।

ধর্মৰ প্রভাৱ তেওঁৰ উপন্যাসখনৰ আন এটা বৈশিষ্ট্য। উপন্যাসৰ মাজেৰে বৰদলৈৰ জীৱন দর্শনৰ প্রতিফলন ঘটিছে। ধর্মৰ মাজেৰে শান্তি-সাধনা লাভ কৰাৰ প্রৱণতা উপন্যাসৰ মাজেৰে ফুটি উঠিছে। দুর্গোৎসৱৰ আয়োজন, বৈষ্ণৱ ধর্মৰ প্রতি অনুৰাগ আদি উপন্যাসখনত প্রকাশ পাইছে।

অতি-প্রাকৃত বর্ণনায়ো উপন্যাসখনৰ চমৎকাৰিত্ব গুণ প্রকাশ কৰিছে। *দন্দুৱা দ্রোহ*ত শক্তিসাধক হৰদত্তই মদন কামদেৱ মন্দিৰত শৱ সাধন কৰা কার্যত এনে প্রকাশ ঘটিছে। পাঠকেও এনে বর্ণনাত সাহসী হ'বলৈ অনুপ্রেৰণা পাইছে। বৰদলৈয়ে যি সময়ছোৱাত উপন্যাস ৰচনা কৰিছিল সেই সময়ত এনে ধৰণৰ অতি-প্রাকৃত পৰিৱেশ তথা ধর্মৰ প্রভাৱ পাঠকক আকর্ষণ কৰিবলৈ এক সুন্দৰ প্রয়াস। উপন্যাসৰ যোগেদি পাঠকক ধর্মৰ দিশে আকর্ষণ কৰিবলৈ কৰা প্রচেষ্টা তেওঁৰ আন এটা আদর্শ। আনহাতে, অসম আৰু অসমীয়াৰ প্রতি থকা শ্রদ্ধা তেওঁৰ উপন্যাসত প্রকাশ পাইছে।

সমাজ জীৱনক বাদ দি সাহিত্যই সফলতা লাভ কৰিব নোৱাৰে। *দন্দুৱা দ্রোহ* উপন্যাসখনতো সমাজ জীৱনৰ চিত্র প্রকাশ পাইছে। অসমীয়া জাতীয় উৎসৱ বিহু, দুর্গোৎসৱ, প্রজা-জাগৰণ, বিবাহ, গীত-মাত, ধর্মীয় বাতাৰৰণ আদিত সমাজ জীৱনৰ চিত্র প্রতিফলিত হৈছে। উপন্যাসখনৰ ৰচনা-ৰীতি সহজ-সৰল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ *দন্দুৱা দ্রোহ* উপন্যাসখনত কেনে ধৰণৰ বৈশিষ্ট্য প্রকাশ পাইছে আলোচনা কৰক। (১৫০টা শব্দৰ ভিতৰত)



৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া উপন্যাস সাহিত্যত ৰজনীকান্ত বৰদলৈৰ উপন্যাসসমূহৰ এটি আলোচনা যুগুত কৰা হ'ল।
- ঐতিহাসিক উপন্যাস ৰচোতা ঔপন্যাসিকসকলৰ ভিতৰত ৰজনীকান্ত বৰদলৈ অদ্বিতীয়। তেওঁ নখন উপন্যাস ৰচনা কৰিছিল। তাৰ ভিতৰত সাতখন উপন্যাসেই ঐতিহাসিক উপন্যাস।

- *দন্দুৰা দ্রোহ* উপন্যাসখন গুণাভিৰাম বৰুৱাৰ *অসম বুৰঞ্জী*, এডৱার্ড গেইটৰ *A History of Assam*, সদৰামিন বৰুৱাৰ *অসম বুৰঞ্জী*, কেৰাখনো সাঁচিপতীয়া বুৰঞ্জীৰ আধাৰত ৰচিত।
- ঊনবিংশ শতিকাত উচ্চ শিক্ষাৰ বাবে কলিকতাত অধ্যয়নৰত ছাত্র তথা শিক্ষিতসকলৰ মাজত স্কট আৰু বঙ্কিমচন্দ্রৰ উপন্যাসে গভীৰ প্রভাৱ পেলাইছিল। *দন্দুৰা দ্রোহ* উপন্যাসত এই দুজনা ঔপন্যাসিকৰ প্রভাৱ পৰিছে।
- *দন্দুৰা দ্রোহ* উপন্যাসত শাসকৰ অত্যাচাৰ আৰু সাধাৰণ প্রজাৰ জাগৰণৰ ছবি চিত্রিত হৈছে। বদন বৰফুকনৰ কামৰূপীয়া প্রজাৰ ওপৰত অত্যাচাৰ আৰু হৰদত্ত-বীৰদত্তৰ নেতৃত্বত হোৱা বিদ্রোহৰ পটভূমিতে উপন্যাসখন ৰচিত হৈছে।
- কাহিনী, চৰিত্র চিত্রণ আদিত বুৰঞ্জীৰ তথ্যৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে। বৰফুকন, হৰদত্ত-বীৰদত্ত, বৰফুকনৰ কামৰূপীয়া প্রজাৰ ওপৰত অত্যাচাৰ আদিত বুৰঞ্জীৰ সত্যতা অক্ষুণ্ণ ৰাখিব পাৰিছে। উপন্যাসখনত কল্পনাৰ মাত্রা কম।
- উপন্যাসখনত বুৰঞ্জীৰ ঘটনা, ৰাজনৈতিক জীৱনৰ লগতে সামাজিক তথা ধর্মীয় জীৱনৰো প্রতিফলন ঘটিছে। অতীত অসমৰ কাহিনী, বীৰৰ বীৰত্বব্যঞ্জক কাহিনী, বিহু উৎসৱ, দুর্গোৎসৱ, সামাজিক ৰীতি-নীতি, খেল-ধেমালি, গীত-মাত, শাক্ত আৰু বৈষ্ণৱ ধর্মৰ প্রতি আনুগত্য আদিৰ প্রকাশ ঘটিছে।
- উপন্যাসখনৰ মাজেৰে স্বদেশ প্রীতি, অসমীয়া জাতিৰ সাহস আদি সহজ-সৰলভাৱে উপস্থাপন কৰা হৈছে।



৪.৫ অধিক জানিবলৈ

১) গোস্বামী, ত্রৈলোক্য নাথ (১৯৭১) ঃ *সাহিত্য-কলা আৰু তাৰ বিচাৰ*, তিনিচুকীয়া ঃ মিত্র এজেন্সি এণ্ড কোম্পানী।

২) গোস্বামী শর্মা, প্রণতি আৰু শর্মা অনিল (সম্পা.) (১৯৯৯) ঃ *কুৰি শতিকাৰ কুৰিজন বিশিষ্ট অসমীয়া*, নলবাৰী ঃ জার্ণাল এম্প'ৰিয়াম।

৩) ঠাকুৰ, নগেন (সম্পা.) (২০১২) ঃ *এশ বছৰৰ অসমীয়া উপন্যাস*, গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৪) বৰকটকী, বীৰেন (সম্পা.) (১৯৬৭) ঃ *ঔপন্যাসিক ৰজনীকান্ত ৰৰদলৈ*, যোৰহাট ঃ অসম সাহিত্য সভা।

৫) ভৰালী, শৈলেন (১৯৯২) ঃ *আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস*, গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৬) লেখাৰু, উপেন্দ্র চন্দ্র (১৯৯০) ঃ *অসমীয়া সাহিত্যৰ সেৱক স্বর্গীয় ৰজনীকান্ত ৰৰদলৈ*, গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৭) শর্মা, বসন্ত কুমাৰ (সঙ্কলক) ঃ *ৰজনীকান্ত ৰৰদলৈৰ উপন্যাস সমগ্র*, গুৱাহাটী ঃ সাৰদা প্রকাশন।

৮) শর্মা, সত্যেন্দ্রনাথ (১৯৯২) ঃ *অসমীয়া উপন্যাসৰ ভূমিকা*, গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

৯) শর্মা,সত্যেন্দ্রনাথ (২০০৮)ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।



৪.৬ অগ্রগতিৰ খতিয়ান (কৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ দন্দুৱাদ্রোহৰ মূল কাৰণ.....বুৰঞ্জীৰ তথ্য.....জনশ্রুতি.....চৰিত্রসমূহৰ পৰিচয়... ...সামাজিক তথা ধর্মীয় জীৱন আদি দিশৰ ওপৰত আলোকপাত কৰিব লাগিব।

২নং প্রশ্নৰ উত্তৰ ঃ উপন্যাসখনত প্রতিফলিত হোৱা বিভিন্ন সামাজিক দিশ... ...উৎসৱ-পার্বণ, পৰিৱেশ্য কলা... ...গীত-মাত, বিবাহ, সামাজিক ৰীতি-নীতি... ...আদি দাঙি ধৰিব।

৩নং প্রশ্নৰ উত্তৰ ঃ উপন্যাসখনৰ মাজেৰে প্রতিফলিত তান্ত্রিক প্রথা... ...হৰদত্তৰ শৱ সাধন... ...শক্তি সাধনা... ...কেৱলীয়া ভকতৰ বর্ণনা... ...বৈষ্ণৱ ধর্মৰ শ্রেষ্ঠতা সত্র-মঠ-মন্দিৰ আদিৰ বর্ণনা সম্পর্কে আভাস দাঙি ধৰিব।

৪নং প্রশ্নৰ উত্তৰ ঃ দন্দুৱাদ্রোহ উপন্যাসৰ চৰিত্রসমূহ... ...প্রতিটো চৰিত্রৰ চাৰিত্রিক বৈশিষ্ট্য.... বুৰঞ্জীৰ চৰিত্র... ...কাল্পনিক দৃষ্টিভঙ্গী আদি আলোকপাত কৰিব লাগিব।

৫নং প্রশ্নৰ উত্তৰ ঃ বুৰঞ্জী... ...জনশ্রুতিৰ প্রভাৱ... ...ওৱাল্টাৰ স্কট আৰু বঙ্কিম চন্দ্রৰ.... অনুপ্রেৰণা... ...পৰিৱেশৰ বর্ণনা... ...ধর্মীয় দিশ... ...সামাজিক দিশ আদি সম্পর্কে আলোচনা কৰিব লাগিব।



৪.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ ৰজনীকান্ত ৰৰদলৈৰ বুৰঞ্জীমূলক উপন্যাসসমূহৰ এটি পৰিচয় দাঙি ধৰক।

প্রশ্ন ২ ঃ *দন্দুৱাদ্রোহ* উপন্যাসৰ কাহিনীভাগ নিজৰ ভাষাত আলোচনা কৰক।

প্রশ্ন ৩ ঃ *দন্দুৱাদ্রোহ* উপন্যাসত বুৰঞ্জীৰ সমল আৰু জনশ্রুতি আদিৰ প্রভাৱ কেনেদৰে প্রতিফলিত হৈছে আলোচনা কৰক।

প্রশ্ন ৪ ঃ *দন্দুৱাদ্রোহ* উপন্যাসখনৰ চৰিত্রসমূহ বিশ্লেষণ কৰি এটি প্রবন্ধ যুগুত কৰক।

প্রশ্ন ৫ ঃ *দন্দুৱাদ্রোহ* উপন্যাসত সমাজ জীৱনৰপ্রতিচ্ছবি কেনেদৰে প্রতিফলিত হৈছে তাৰ এটি আলোচনা আগবঢ়াওক।

প্রশ্ন ৬ ঃ *দন্দুৱাদ্রোহ* উপন্যাসখনত ধর্মীয় দিশটোৰ এটি আভাস দাঙি ধৰক।

প্রশ্ন ৭ ঃ ঐতিহাসিক উপন্যাস ৰচনা কৰাত ৰজনীকান্ত ৰৰদলৈয়ে কিমানদূৰ সফলতা লাভ কৰিছে— *দন্দুৱাদ্রোহ* উপন্যাসখনৰ আধাৰত আলোচনা কৰক।

প্রশ্ন ৮ ঃ অতি-প্রাকৃত পৰিৱেশ *দন্দুৱাদ্রোহ* উপন্যাসত কেনেদৰে বর্ণনা কৰা হৈছে আভাস দিয়ক।

প্রশ্ন ৯ ঃ চমুটোকা লিখক—

(ক) হৰদত্ত (খ) বীৰদত্ত (গ) বদন বৰফুকন (ঘ) কুমেদান
(ঙ) পদ্মকুঁৱৰী (চ) মহীৰাম (ছ) বৰুৱানী (জ) বামাচাৰী বাবা।

*** ***** ***

অধ্যায় ৫ ঃ বিৰিঞ্চি কুমাৰ বৰুৱা ঃ *সেউজী পাতৰ কাহিনী* -১

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ বিৰিঞ্চি কুমাৰ বৰুৱা ঃ জীৱন আৰু কৃতি
৫.৪ বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ
৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৫.৬ অধিক জানিবলৈ
৫.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৫.৮ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিৰিঞ্চি কুমাৰ বৰুৱা আৰু তেওঁৰ উপন্যাসৰ পৰিচয় লাভ কৰিব পাৰিব
- বিৰিঞ্চি কুমাৰ বৰুৱাৰ কর্ম জীৱন আৰু ৰচনা কৃতিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসৰ বৈশিষ্ট্যসমূহ নিৰূপণ কৰিব পাৰিব।

৫.২ পৰিচয়

এইটো 'অসমীয়া উপন্যাস' শীর্ষক পাঠ্যবিষয়ৰ পঞ্চম অধ্যায়। ইয়াত অসমীয়া উপন্যাস সাহিত্যত বিশিষ্ট স্থান লাভ কৰা উপন্যাস *সেউজী পাতৰ কাহিনীৰ* আলোচনা আগবঢ়োৱা হৈছে। ইয়াৰ ঔপন্যাসিক বিৰিঞ্চি কুমাৰ বৰুৱা। আধুনিক অসমীয়া উপন্যাসৰ ইতিহাসত বিৰিঞ্চি কুমাৰ বৰুৱাৰ *সেউজী পাতৰ কাহিনী* একন উল্লেখযোগ্য উপন্যাস। বিৰিঞ্চি কুমাৰ বৰুৱাই ৰাস্না বৰুৱা ছদ্মনামত ৰচনা কৰা এইখন এখন বহু পঠিত আৰু বহু চর্চিত সামাজিক উপন্যাস। এই অধ্যায়টোত এই উপন্যাসখনৰ লেখক গৰাকীৰ জীৱন আৰু কৃতিৰ পৰিচয় আগবঢ়োৱাৰ লগতে তেওঁৰ উপন্যাসৰ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰা হ'ব।

৫.৩ বিৰিঞ্চি কুমাৰ বৰুৱা ঃ জীৱন আৰু কৃতি

বিৰিঞ্চি কুমাৰ বৰুৱা আধুনিক অসমীয়া ভাষা-সাহিত্য আৰু সংস্কৃতি জগতৰ এটি স্মৰণীয় নাম। এই গৰাকী প্রাতঃ স্মৰণীয় ব্যক্তিৰ জন্ম হৈছিল ১৯০৮ চনৰ ১৬ অক্টোবৰ তাৰিখে নগাঁও জিলাৰ পুৱণিগুদামত। তেওঁ আছিল কানাই আতাৰ বংশধৰ তথা খৰঙী বৰুৱাৰ পৰিয়ালৰ লোক। বিৰিঞ্চি কুমাৰ বৰুৱাৰ দেউতাকৰ নাম আছিল বিজয়ৰাম বৰুৱা আৰু মাতৃৰ নাম আছিল

লীলাৱতী বৰুৱা। এওঁলোকৰ ছয় গৰাকী পুত্ৰ-কন্যাৰ ভিতৰত বিৰিঞ্চি কুমাৰ বৰুৱা আছিল চতুৰ্থ সন্তান।

বিৰিঞ্চি কুমাৰ বৰুৱাৰ শিক্ষা জীৱন আৰম্ভ হয় নগাঁও মিছন স্কুলত। পিছত নগাঁও সদৰ মজলীয়া স্কুলত শিক্ষা সাং কৰি ১৯২০ চনত চৰকাৰী হাইস্কুলত তৃতীয় শ্ৰেণীত নাম ভৰ্তি কৰে। এই স্কুলৰ পৰা ১৯২৮ চনত সুখ্যাতিৰে প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ তেওঁ উচ্চ শিক্ষাৰ বাবে কলিকতাৰ প্ৰেচিডেন্সী কলেজলৈ পঢ়িবলৈ যায়। কলিকতাত তেওঁ ইডেন ছাত্ৰাবাসত থাকিবলৈ লয়। ১৯৩০ চনত প্ৰথম বিভাগত আই.এ. আৰু দুবছৰ পিছত পালি ভাষাত সন্মানসহ (অনার্চ) স্নাতক ডিগ্ৰী লাভ কৰি তেওঁ 'ইছান বৃত্তি' (Ishan Scholarship) লাভ কৰিবলৈ সক্ষম হয়। এই বৃত্তি লাভ কৰি তেওঁ কলিকতা বিশ্ববিদ্যালয়ত পালি ভাষাত এম.এ. পঢ়িবলৈ লয়। ১৯৩৪ চনত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লৈ তেওঁ এম.এ. পাছ কৰে।

পালি ভাষা আৰু সাহিত্য বিষয়ত সুখ্যাতিৰে এম.এ. পাছ কৰাৰ পিছত বৰুৱাই কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত প্ৰাচীন ভাৰতীয় সভ্যতা আৰু সংস্কৃতি বিষয়ত অধ্যয়ন কৰিবলৈ লয়। লগতে তেওঁ আইন বিষয়ো পঢ়িবলৈ লয়। আইনৰ স্নাতক হোৱাৰ লগতে বৰুৱাই সাহিত্যৰ ক্ষেত্ৰতো নিজকে নিয়োজিত কৰে। সেই সময়ত *আৱাহন* আলোচনীত তেওঁ বীণা বৰুৱা আৰু কবিতা বৰুৱা ছদ্মনামেৰে গল্প লিখিবলৈ আৰম্ভ কৰে।

কলিকতাৰ কলেজত আই.এ. আৰু বি.এ. শ্ৰেণীত অসমীয়া বিষয়টো অন্তৰ্ভুক্তিৰ বাবে অসম চৰকাৰৰ তৰফৰ পৰা কলিকতা বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত আবেদন-নিবেদন কৰা হৈছিল। এই দাবী উত্থাপনৰ ক্ষেত্ৰত বিৰিঞ্চি কুমাৰ বৰুৱাই আগভাগ লৈছিল। বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰমুখ্যে অসমীয়া ছাত্ৰসকলৰ চেষ্টাত কলিকতা বিশ্ববিদ্যালয়ত অসমীয়া বিষয়টো স্নাতক মহলা পৰ্যন্ত অন্তৰ্ভুক্ত হোৱাত বিশ্ববিদ্যালয় কৰ্তৃপক্ষই বিৰিঞ্চি কুমাৰ বৰুৱাক আধুনিক ভাৰতীয় ভাষাৰ প্ৰবক্তা ৰূপে নিয়োগ কৰে। আনহাতে ১৯৩৭ চনত পালি ভাষাৰ অংশকালীন প্ৰবক্তা ৰূপে বিশ্ববিদ্যালয়ে তেওঁক নিযুক্তি দিয়ে। বিৰিঞ্চি কুমাৰ বৰুৱাৰ প্ৰচেষ্টাতে ১৯৩৮ চনত কলিকতা বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শ্ৰেণীত অসমীয়া বিষয়টো অন্তৰ্ভুক্ত হয়।

১৯৩৮ চনৰ ১৩ ছেপ্টেম্বৰ তাৰিখে বিৰিঞ্চি কুমাৰ বৰুৱাই কটন কলেজত নিযুক্তি লাভ কৰে। কটন কলেজত অধ্যাপক হিচাপে যোগদান কৰাৰ পিছত বৰুৱাই অসমীয়া ভাষা, সাহিত্য, সংস্কৃতি আদিৰ ক্ষেত্ৰত নিজকে একান্তভাৱে নিয়োজিত কৰে।

অসমত এখন বিশ্ববিদ্যালয় স্থাপনৰ বাবে বহুদিনৰে পৰা চিন্তা-চৰ্চা চলি আছিল। গোপীনাথ বৰদলৈৰ নেতৃত্বত বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ আন্দোলন গঢ়ি উঠে। বিৰিঞ্চি কুমাৰ বৰুৱাই এই আন্দোলনত ঘনিষ্ঠভাৱে জড়িত হৈ পৰে। বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বাবে আন্দোলন চলি থকা কালতেই ১৯৪৫ চনত বৰুৱা উচ্চ শিক্ষাৰ বাবে লণ্ডনলৈ যায়। লণ্ডন বিশ্ববিদ্যালয়ৰ অধীনস্থ London School of Oriental and African Studiesত অধ্যয়ন আৰু গৱেষণাৰ বাবে বৰুৱাক লণ্ডন বিশ্ববিদ্যালয়ে ১৯৪৮ চনত ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে। তেওঁৰ গৱেষণা গ্ৰন্থখন পিছত *A Cultural History of Assam (Early Period) Vol-I* নামেৰে প্ৰকাশ পায়।

১৯৪৮ চনৰ জানুৱাৰীত গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হয় আৰু সেই বছৰতে ১ ডিচেম্বৰত বিশ্ববিদ্যালয়ত অসমীয়া বিষয়টো স্নাতকোত্তৰ শ্ৰেণীত আৰম্ভ কৰা হয়। ১ ডিচেম্বৰ তাৰিখে বৰুৱাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত ৰিডাৰ ৰূপে যোগদান কৰে। ১৯৫০ চনত ১ ফেব্ৰুৱাৰী তাৰিখে বিৰিঞ্চি কুমাৰ বৰুৱা বিশ্ববিদ্যালয়ৰ শ্ৰেণীসমূহৰ সচিব নিযুক্ত হয়। সচিবৰ দায়িত্ব পালন কৰাৰ উপৰি তেওঁ নিয়মীয়াভাৱে স্নাতকোত্তৰ শ্ৰেণীৰ পাঠদানো কৰিছিল। ১৯৫২ চনত অসমীয়া বিভাগৰ প্ৰধান অধ্যাপক বাণীকান্ত কাকতিৰ অকাল মৃত্যু ঘটাত বিৰিঞ্চি কুমাৰ বৰুৱাই মুৰব্বী অধ্যাপক ৰূপে নিযুক্তি পায়। ১৯৫৩ চনত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলাগুৰু (Dean of Arts) ৰূপে মনোনীত হয়। বিৰিঞ্চি কুমাৰ বৰুৱাই ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাতে অতি দক্ষতাৰে সাহিত্য চৰ্চা কৰিছিল। অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতি সম্বন্ধে ইংৰাজী ভাষাত ৰচনা কৰা গ্ৰন্থকেইখন হ'ল— *A Cultural History of Assam (Early period Vol-I), Assamese Literature, Studies in Early Assamese Literature, Modern Assamese Literature, History of Assamese Literature, Sankardeva, Vaisnava Saint of Assam, Early Geography of Assam.*

অসমীয়া ভাষাত ৰচনা কৰা বিৰিঞ্চি কুমাৰ বৰুৱাৰ গ্ৰন্থসমূহ হ'ল— *অসমীয়া ভাষা, অসমীয়া ভাষা আৰু সংস্কৃতি, অসমৰ লোক-সংস্কৃতি, বৌদ্ধ ধৰ্ম আৰু সাহিত্য, অসমীয়া কথা-সাহিত্য (পুৰণিভাগ), কাব্য আৰু অভিব্যঞ্জনা, চুইজাৰলেণ্ডৰ ভ্ৰমণ, প্ৰফেচৰ বৰুৱাৰ চিঠি, দেশ-বিদেশৰ সাধু*। তেওঁৰ দ্বাৰা সম্পাদিত পুথিসমূহৰ ভিতৰত শঙ্কৰদেৱ, মাধৱদেৱ আৰু গোপালদেৱৰ অঙ্কীয়া নাটসমূহৰ সংকলন *অঙ্কীয়া নাট*, অৰুণোদই যুগৰ সাহিত্য সৰ্ম্পকে সম্পাদিত গ্ৰন্থ *অৰুণোদয়ৰ ঢলফাট, বভ্ৰুবাহনৰ যুদ্ধ* আৰু *তাম্ৰধ্বজৰ যুদ্ধ, মনসা কাব্য, শ্ৰীৰাম আতা আৰু ৰমানন্দৰ গীত, শত্ৰুঞ্জয়, মধুমালতী, অদ্ভুত ৰামায়ণ* আদি উল্লেখযোগ্য। আনহাতে, বৰুৱাই ৰবীন্দ্ৰনাথৰ *চিত্ৰাঙ্গদা* একে নামেৰে অসমীয়ালৈ অনুবাদ কৰে।

বিৰিঞ্চি কুমাৰ বৰুৱাই ছদ্মনামেৰে দুখন উপন্যাস ৰচনা কৰে। বীণা বৰুৱা ছদ্মনামেৰে *জীৱনৰ বাটত* আৰু ৰাস্না বৰুৱা ছদ্মনামেৰে *সেউজী পাতৰ কাহিনী*। আনহাতে বীণা বৰুৱা ছদ্মনামেৰেই তেওঁ *আঘোণী বাই* আৰু *পট পৰিৱৰ্তন* নামৰ গল্পপুথি দুখন ৰচনা কৰে। বীণা বৰুৱাই ৰচনা কৰা একমাত্ৰ নাটকখন হ'ল *এবেলাৰ নাট*।

স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে বিৰিঞ্চি কুমাৰ বৰুৱাই ভালেকেইখন পুথি ৰচনা তথা সম্পাদনা কৰি উলিয়ায়। *ভাৰত বুৰঞ্জী, বুৰঞ্জীৰ কথা, সাহিত্য সৌৰভ, কবিতা কুঞ্জ* আদি স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ উপযোগী পুথি। এইবোৰৰ উপৰি *অকণ, ৰংঘৰ, অসম সাহিত্য সভা পত্ৰিকা, ইউনিভাৰচিটি জার্নেল, Journal of the Assam Research Society* আদি বৌদ্ধিক কৰ্মৰ লগত বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰত্যক্ষভাৱে জড়িত আছিল। তেওঁ ১৯৬০ চনত Assam Academy for Cultural Relations স্থাপন কৰাৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। ১৯৬১ ভাৰতীয় সাংস্কৃতিক আঁচনিৰ প্ৰতিনিধি ৰূপে তেওঁ ছোভিয়েট ৰাছিয়ালৈ গৈছিলে। ১৯৬৩ চনত তেওঁ মার্কিন যুক্তৰাষ্ট্ৰৰ ইণ্ডিয়ানা বিশ্ববিদ্যালয়ৰ লোক-সংস্কৃতি সংস্থানৰ অতিথি অধ্যাপক ৰূপে যোগদান কৰিছিল।

অসমৰ লোক সংস্কৃতি নামৰ গৱেষণামূলক গ্ৰন্থৰ বাবে তেওঁ মৰণোত্তৰভাৱে সাহিত্য অকাদেমি বঁটা লাভ কৰে। ১৯৬৪ চনৰ মার্চ মাহৰ ৩০ তাৰিখে ৫৬ বছৰ বয়সত এই গৰাকী কৃতবিদ্য অসম-সন্তানৰ মৃত্যু হয়।

৫.৪ বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

- গ্ৰাম্য সভ্যতা আৰু নগৰীয়া সভ্যতাৰ মাজত থকা সংঘাত বিৰিঞ্চি কুমাৰ বৰুৱাই ৰচনা কৰা উপন্যাস কেইখনৰ এটা চকুত লগা সাধাৰণ বৈশিষ্ট্য। সেই সংঘাত প্ৰদৰ্শন কৰাৰ বেলিকা তেওঁ চৰিত্ৰৰ সহায় লৈছে। গ্ৰাম্য সভ্যতা সহজ-সৰল জীৱন্ত চিন্তাৰ প্ৰতিভূ। আনহাতে, নগৰীয়া সভ্যতা লোভ আৰু কূটিলতাৰ জীৱন্ত দলিল। *জীৱনৰ বাটত* উপন্যাসখনত এই সংঘাত তগৰ আৰু কমলাকান্তৰ আধৰুৱা প্ৰেম, কমলাকান্তৰ বিশ্বাসঘাতকতা আৰু পুলিচ থানাত তগৰৰ অপমান— এই চিত্ৰসমূহৰ মাজেদি গ্ৰাম্য জীৱনৰ সৰলতা নগৰীয়া জীৱনৰ চিন্তাৰ কুৰূপতা আৰু স্বাৰ্থপৰতাৰ কবলত পৰি কিদৰে বিধ্বস্থ হৈছে তাৰ মার্মিক ৰূপ ফুটি উঠিছে।
- শোষিত, বঞ্চিতজনৰ আর্ত বেদনাৰ মর্মস্পর্শী অভিব্যক্তি বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসৰ এটা অন্যতম বৈশিষ্ট্য। *জীৱনৰ বাটত* সেই বাটৰ খলা-বমাই বিধ্বস্থ কৰা তগৰে গ্ৰহণ কৰা সহনশীল স্থিতিৰ বিপৰীতে *সেউজী পাতৰ কাহিনীৰ* ছনিয়াই দুঃসাহসী স্থিতি গ্ৰহণ কৰিছে। তাই শোষণ আৰু বঞ্চনাৰ জীৱন্ত প্ৰতীক। কিন্তু সেই শোষক গোষ্ঠীৰ বিৰুদ্ধে থিয় হ'বলৈ তাই সাহস কৰিছে। ইয়াতেই তাইৰ চৰিত্ৰৰ সবল স্থিতি ঘোষিত হৈছে।
- দুয়োখন উপন্যাসতে কেন্দ্ৰীয় নাৰী চৰিত্ৰ দুটি পুৰুষৰ হাতত লাঞ্ছিত হৈছে। পার্থক্য মাথোন ইমানেই যে তগৰ তাইৰ প্ৰেমাস্পদৰ দ্বাৰা প্ৰতাৰিত হৈছে আৰু ছনিয়া শোষক শ্ৰেণীৰ প্ৰতিনিধিত্বমূলক চৰিত্ৰ এটাৰ বাসনাৰ পৰিণতি। তগৰে স্বভাৱজাত ধৈর্যশীলতাৰে পৰিস্থিতিৰ চাকনৈয়াত পৰিও নিজৰ অস্তিত্ব অটুট ৰাখিবলৈ চেষ্টা কৰিছিল, যদিওবা সময়ে তাইক অপ্ৰীতিকৰ পৰিস্থিতিৰ সন্মুখীন কৰালে। কিন্তু ছনিয়া বেলেগ ধাতুৰে গঢ়া গাভৰু। তাই পুৰুষৰ কূটিলতা আৰু লালসাপূর্ণ দৃষ্টিৰ লগত ভালদৰেই পৰিচিত আছিল। সেয়েহে তাই তগৰৰ দৰে 'সহনশীলা বসুমতী'ৰ ৰূপ ধাৰণ নকৰি প্ৰচণ্ড ৰূপ ধাৰণ কৰিবলৈকো কুণ্ঠিত হোৱা নাছিল।
- সংস্কৃতিৰ সাধক তথা গৱেষক পণ্ডিত বিৰিঞ্চি কুমাৰ বৰুৱা তেওঁৰ ছদ্মনাম বীণা বৰুৱা হিচাপে লিখা উপন্যাস *জীৱনৰ বাটত*খনত ভুমুকি নমৰাকৈ থকা নাই। উপন্যাসখনত আৰম্ভণিৰে পৰা অসমৰ গ্ৰাম্য সমাজৰ সুবাষ বিয়পি আছে। বৰ নিমজ প্ৰভাৱশাৰী বর্ণনাভঙ্গীৰে তেওঁ যি পৰিৱেশ-পৰিস্থিতিৰ বিৱৰণ দিছে সিয়ে পাঠকৰ মনত এখন চিনাকি অসমীয়া গাঁৱৰ ছবি উদ্ভাসিত কৰে। গ্ৰাম্য জীৱনত সমাজৰ বিভিন্ন স্তৰৰ ব্যক্তিৰ মাজত থকা পৰস্পৰ সহযোগিতা আৰু সহৃদয়তাৰ ভাব, নাৰী সমাজৰ বিশ্বাস-অন্ধবিশ্বাস, হিংসা-অসূয়া তথা পৰস্পৰৰ প্ৰতি পোষণ কৰা গোপন প্ৰতিযোগিতাৰ মনোভাব ইত্যাদি

মনোগ্রাহী ৰূপত প্রকাশ পাইছে। লোকমনক আচ্ছন্ন কৰি থকা বিশ্বাস-পৰম্পৰাসমূহেই তেওঁবিলাকৰ জীৱন-চর্যাৰ ভিত্তি স্বৰূপ। ঔপন্যাসিক গৰাকীয়ে লোক জীৱনৰ এই সূক্ষ্ম দিশসমূহৰ চিত্রণত পাৰদর্শিতাৰ পৰিচয় দিছে।

- মানৱতাবাদ বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাসৰ অন্য এটা লক্ষণ। বাস্তৱ জীৱনৰ কুটিলতা আৰু পঙ্কিলতাৰ মাজতো আশা আৰু মহৎ চিন্তা বর্তি থাকে। জটিল সময়ে সেই আশা মষিমূৰ কৰিব নোৱাৰে। সেয়েহে তগৰৰ নিচিনা দুখী নাৰীয়েও ভৱিষ্যতৰ উমাল সপোন এটা বুকুত অহৰহ কঢ়িয়াই ফুৰে। সেয়েহে হয়তো অদৃষ্টত বিশ্বাসী তগৰেও মেঘাচ্ছন্ন আকাশত অকস্মাতে ভুমুকি মৰা এচেৰেঙা ৰ'দৰ দৰে শাহুৰেকৰ মৰম পাবলৈ সক্ষম হৈছিল। এয়া জীৱনৰ অকৃত্রিম উমাল অনুভূতি যাক শোক-ৰোগ ক্লিষ্ট মানৱে ক্ষন্তেকৰ বাবে অনুভৱ কৰে।
- সমাজ বাস্তৱতা চিত্রণ কৰাত বিৰিঞ্চি কুমাৰ বৰুৱাই সূক্ষ্মদর্শী চিন্তাৰ পৰিচয় দিছে। অতীত হ'বলৈ ধৰা সমাজখন আৰু বতমানত স্থিতি লভা সমাজ—এই দুয়োখন সমাজৰ মাজত সংঘটিত হোৱা সংঘাতপূর্ণ পৰিস্থিতি, তাৰ পৰিণতি আৰু দীর্ঘকালীন ফলাফলে সমাজ জীৱনক কিদৰে দুর্বিষহ কৰি তোলে তাৰ বাস্তৱ চিত্র অংকন কৰিবলৈ সমর্থ হৈছে। সমাজৰ চলমান প্রবাহটোক আমি কোনেও ধৰি ৰাখিব নোৱাৰো। কিন্তু তাৰ মাজটো মূল্যবোধ সংৰক্ষণ কৰাতো মানুহ হিচাপে আমাৰ পৰম কর্তব্য। তগৰ চৰিত্রই যেন এই মূল্যবোধ ৰক্ষা কৰিবলৈ যাওঁতেই বাস্তৱতাৰ কুটিলতাৰ গ্রাসত পৰি কক্‌বকাইছে।
- কম-বেছি পৰিমাণে ঔপন্যাসিক বৰুৱাই তেওঁৰ উপন্যাসত ৰাজনৈতিক উপাদান সন্নিৱিষ্ট কৰিছে। ধৰণী মাষ্টৰে স্বাধীনতা সংগ্রামত জঁপিয়াই পৰা কথাটোৱে এই দিশটোৰ প্রতিও আমাৰ দৃষ্টি আকর্ষণ কৰে। পিছে ঔপন্যাসিকে ব্যক্তি জীৱনক প্রভাৱিত কৰা যি ৰাজনৈতিক ঘটনা-পৰিস্থিতি চিত্রত কৰিছে তাত তেওঁৰ নির্মোহ বিশ্লেষণাত্মক ৰাজনৈতিক দৃষ্টিভঙ্গী ফুটি উঠিছে। স্বৰাজ লাভৰ হাবিয়াহ সকলোৰে। পিছে সেই স্বৰাজ লাভৰ পথত বা গ্রাম্য সমাজৰ নিঃস্বসকলক স্বাৱলম্বী হোৱাৰ যি সপোন মহাত্মা গান্ধীয়ে দেখিছিল সেই সপোনৰ ছন্দ ক'ৰবাত হেৰাই গৈছিল। লোভ, স্বার্থপৰতা আৰু ভোগবাদী মানসিকতাই সেই সপোন বাস্তৱায়িত হোৱাত বাধা দিছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ জীৱন আৰু কৃতিৰ চমু লেখ আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)



চিন্তা-চর্চা কৰক - ৫.১

বিৰিঞ্চি কুমাৰ বৰুৱাৰ উপন্যাস *জীৱনৰ বাটত* আৰু *সেউজী পাতৰ কাহিনীৰ* আলোচনাৰ মাজেদি তেওঁৰ উপন্যাস ৰচনাত প্ৰতিফলিত অসমীয়া নগৰীয়া জীৱনৰ ভাল-বেয়া সকলো দিশ খৰচি মাৰি আলোচনা কৰক।



৫.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাষা-সাহিত্য-সংস্কৃতিৰ অধ্যেতা গৱেষক পণ্ডিত বিৰিঞ্চি কুমাৰ বৰুৱাৰ জীৱন আৰু কৃতিৰ আলোচনাই এই গৰাকী কৃতবিদ্য ব্যক্তিৰ কৃতিৰ লগত আমাক পৰিচয় কৰালে।
- অসমীয়া সামাজিক উপন্যাসক দৃঢ়তাৰে প্ৰতিষ্ঠা কৰাত বৰুৱাৰ অৱদান অনস্বীকাৰ্য। তেওঁৰ দ্বাৰা ৰচিত উপন্যাসৰ সংখ্যা মাত্ৰ দুখন— *জীৱনৰ বাটত* আৰু *সেউজী পাতৰ কাহিনী*। প্ৰথমখন অসমীয়া সমাজ জীৱন আধাৰিত আৰু দ্বিতীয়খন চাহ জনজাতিৰ জীৱন আধাৰিত।
- গ্ৰাম্য সৰলতাৰ পৰা নগৰীয়া কুটিলতা আৰু জটিলতালৈ বিৱৰ্তনৰ যি মৰ্মস্পৰ্শী ইতিহাস সেয়াও যেন *জীৱনৰ বাটত* উপন্যাসখনৰ মাজেদি বিধৃত হৈছে।



৫.৬ অধিক জানিবলৈ

১) ঠাকুৰ, নগেন (সম্পা.) (২০০০); *এশ বছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

২) দাস, শোণিত বিজয় আৰু বায়ন, মুনিন (সম্পা.) (২০০৬); *কথা বৰেণ্য ১০০;* গুৱাহাটী ঃ কথা প্ৰকাশ।

৩) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৪) ভৰালী, শৈলেন (২০০৩); *উপন্যাস বিচাৰ আৰু বিশ্লেষণ;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৫) ভৰালী, শৈলেন (২০০৪); *মাধৱ কন্দলিৰ পৰা মামণি গোস্বামীলৈ;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৬) মজুমদাৰ, বিমল (২০১১); *সাহিত্যৰ তত্ত্ব আৰু প্ৰয়োগ;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৭) শৰ্মা, গোবিন্দ প্ৰসাদ (১৯৯৫); *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

৮) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৭); *অসমীয়া উপন্যাসৰ গতিধাৰা;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৯) শৰ্মা, শশী (২০০৪); *সাহিত্যত আধুনিকতা;* নলবাৰী ঃ জাৰ্নেল এম্প'ৰিয়াম।



৫.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ চমু পৰিচয়... ...তেওঁ পিতৃ-মাতৃ পৰিচয়... ...শিক্ষা জীৱন... ...কর্ম জীৱন... ...তেওঁ লাভ কৰা পুৰস্কাৰ আৰু সন্মানজনক উপাধিৰ উল্লেখ... ...তেওঁৰ কৃতিসমূহৰ চমু লেখ।



৫.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ জীৱন আৰু কৃতিৰ পৰিচয় আগবঢ়াওক।

প্রশ্ন ২ ঃ বিৰিঞ্চি কুমাৰ বৰুৱাই ৰচনা কৰা উপন্যাসকেইখনৰ আধাৰত তেওঁৰ উপন্যাসৰ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৬ঃ বিৰিঞ্চি কুমাৰ বৰুৱা ঃ সেউজী পাতৰ কাহিনী—২

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ *সেউজী পাতৰ কাহিনী*
৬.৩.১ উপন্যাসখনৰ সাধাৰণ আলোচনা
৬.৩.২ উপন্যাসৰ বিষয়বস্তু আৰু কাহিনী
৬.৩.৩ উপন্যাসৰ চৰিত্ৰ চিত্ৰণ
৬.৩.৪ উপন্যাসখনৰ বৈশিষ্ট্যসমূহ
৬.৪ উপন্যাসত প্ৰতিফলিত অসমীয়া সমাজৰ চিত্ৰ
৬.৫ উপন্যাসত প্ৰতিফলিত চাহ বনুৱাসকলৰ জীৱন চৰ্যা আৰু সমাজ জীৱনৰ ছবি
৬.৬ উপন্যাসৰ ভাষা
৬.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ
৬.৮ অধিক জানিবলৈ
৬.৯ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৬.১০ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বিৰিঞ্চি কুমাৰ বৰুৱাৰ ৰচিত *সেউজী পাতৰ কাহিনী* উপন্যাসৰ সাধাৰণ আলোচনা আগবঢ়াব পাৰিব।
- উপন্যাসখনৰ বিষয়বস্তু, কাহিনীৰ বিষয়ে ধাৰণা লাভ কৰিব।
- উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ আৰু বৈশিষ্ট্য সম্পৰ্কে বিচাৰ-বিশ্লেষণ কৰিব পাৰিব।
- উপন্যাসখনত প্ৰতিফলিত অসমীয়া সমাজৰ বিষয়ে জানিব পাৰিব।
- উপন্যাসখনত প্ৰতিফলিত চাহ বনুৱাসকলৰ জীৱন চৰ্যা আৰু সমাজ জীৱনৰ বিষয়ে বিশ্লেষণ কৰিব পাৰিব।
- উপন্যাসখনত প্ৰতিফলিত নাৰীৰ সামাজিক স্থিতিৰ বিষয়ে অৱগত হ'ব।
- উপন্যাসখনত প্ৰয়োগ কৰা ভাষাৰ বিষয়ে ধাৰণা লাভ কৰিব।
- উপন্যাসখনত প্ৰতিফলিত শোষণ আৰু লিংগ বৈষম্যৰ বিষয়ে জানিব পাৰিব।

৬.২ পৰিচয়

এইটো 'অসমীয়া উপন্যাস' শীৰ্ষক পাঠ্যবিষয়ৰ ষষ্ঠ অধ্যায়। ইয়াত বিৰিঞ্চি কুমাৰ বৰুৱাৰ *সেউজী পাতৰ কাহিনী* উপন্যাসখনিৰ মূল পাঠৰ বিস্তৃত আলোচনাআগবঢ়োৱা হৈছে। ৰাষ্ণা বৰুৱাৰ ছদ্মনামত ৰচনা কৰা এইখন উপন্যাস পাঠকৰ অন্তৰত সাঁচ বহুৱাবলৈ সক্ষম হৈছে। আধুনিক অসমীয়া উপন্যাসৰ ইতিহাসত *জীৱনৰ বাটত* উপন্যাসখনৰ দৰে এই *সেউজী পাতৰ কাহিনী* উপন্যাসখনৰো এক সুকীয়া গুৰুত্ব আছে। গতিকে, আমাৰ আলোচ্য এই অধ্যায়টোত উপন্যাসখনৰ বিভিন্ন দিশ আলোচনা কৰাৰ লগতে শিক্ষার্থীসকলক ইয়াৰ যুগজয়ী আবেদনৰ লগত পৰিচিত কৰোৱা হ'ব।

৬.৩ *সেউজী পাতৰ কাহিনী*

৬.৩.১ উপন্যাসখনৰ সাধাৰণ আলোচনা

বিৰিঞ্চি কুমাৰ বৰুৱা প্ৰাক্ স্বাধীনতা কালৰ এগৰাকী দক্ষ উপন্যাসিক। তেওঁৰ ৰচিত এখন উল্লেখযোগ্য উপন্যাস হ'ল— *সেউজী পাতৰ কাহিনী।* এই উপন্যাসখন তেওঁ ৰাষ্ণা বৰুৱা ছদ্মনামত ৰচনা কৰিছিল। উপন্যাসখনে ১৯৫৯ চনৰ ফেব্ৰুৱাৰী মাহত প্ৰথম প্ৰকাশ লাভ কৰিছিল। ঔপন্যাসিক বিৰিঞ্চি কুমাৰ বৰুৱাই সেউজী পাতৰ কাহিনী উপন্যাসখন লিখাৰ প্ৰায় ১৫ বছৰ পূৰ্বে বীণা বৰুৱা ছদ্মনামেৰে *জীৱনৰ বাটত* উপন্যাসখন ৰচনা কৰিছিল।

আধুনিক অসমীয়া উপন্যাসৰ ইতিহাসত বিৰিঞ্চি কুমাৰ বৰুৱাৰ ৰচিত *সেউজী পাতৰ কাহিনী* উপন্যাসখনৰ এক সুকীয়া মহত্ব আছে। ৰাষ্ণা বৰুৱা ছদ্মনামত ৰচিত এই উপন্যাসখনৰ পটভূমি নিৰ্বাচনৰ পৰা আৰম্ভ কৰি চৰিত্ৰ চিত্ৰণলৈকে প্ৰতিটো দিশতে বিৰিঞ্চি কুমাৰ বৰুৱাৰ দক্ষতাৰ পৰিচয় পোৱা যায়। সাহিত্য সমালোচক ডঃ হীৰেন গোহাঁয়ে বিৰিঞ্চি কুমাৰ বৰুৱাৰ ৰচিত এই *সেউজী পাতৰ কাহিনী* উপন্যাসখনক অসমৰ সাংস্কৃতিক ইতিহাসৰ এক নিৰ্মোহ দলিল বুলি অভিহিত কৰিছে।

আমাৰ আলোচ্য সেউজী পাতৰ কাহিনী উপন্যাসখনত মূলত তিনিখন ছবিৰ সমাহাৰ ঘটা দেখা যায়। সেই ছবিকেইখন হ'ল এনেধৰণৰ—

(১) পুৰণি ঐতিহ্য আৰু পৰম্পৰাত বিশ্বাসী এখন গোড়া সমাজ

(২) চাহ বাগিচাৰ বনুৱাসকলৰ সাধাৰণ জনজীৱন আৰু সমাজ ব্যৱস্থা আৰু

(৩) ইংৰাজ ঔপনিবেশিক শাসক সমাজে নিম্ন শ্ৰেণীৰ লোকক কৰা শোষণ-বৈষম্যৰ ছবি।

উপন্যাসখনিৰ কাহিনীৰ নেপথ্যত আছে অসমৰ নাহৰণি নামৰ এখন চাহ বাগিচা।

ঔপন্যাসিকে স্বাধীনতাৰ পূৰ্বৱৰ্তী কালৰ এখন ছবি উপন্যাসৰ মাজেদি অংকন কৰিছে। দ্বিতীয় মহাসমৰৰ সময়ৰ সমাজ ব্যৱস্থা, নাহৰণি চাহ বাগিচাৰ সাধাৰণ শ্ৰমিক বনুৱাৰ বিচিত্ৰ জীৱন গাঁথা, ব্ৰিটিছ চাহাবসকলে শোষণৰ আহিলাৰূপে ব্যৱহাৰ কৰা চাহ শ্ৰমিকসকলৰ শেঁতা আৰু মলিন মুখবোৰ উপন্যাসখনৰ কাহিনীৰ মাজেদি জীৱন্ত হৈ উঠিছে।

বিৰিঞ্চি কুমাৰ বৰুৱাই ৰচনা কৰা *সেউজী পাতৰ কাহিনী* উপন্যাসখন পঢ়িলে আপুনি দেখিবলৈ পাব যে উপন্যাসখনৰ নামকৰণৰ অন্তৰালত এক বিশেষ তাৎপর্য নিহিত হৈ আছে। চাহ বাগিচা আৰু শ্ৰমিকসকলৰ মাজৰ সম্পর্কটো খুবেই গভীৰ। কাৰণ একো একোটা চাহ পুলি জোপা পূৰ্ণাঙ্গ চাহগছ হোৱাৰ নেপথ্যত শ্ৰমিকসকলৰ বহু কাহিনী বা দিশ জড়িত হৈ থাকে। চাহগছৰ তেজাল ৰংটোৰ মাজত নিহিত হৈ থাকে তেওঁলোকৰ জীৱনৰ বিচিত্ৰ অভিজ্ঞতা, প্ৰাপ্তি-অপ্ৰাপ্তি, হাঁহি-কান্দোনৰ এক সুন্দৰ ছবি। তেওঁলোকে চাহগছবোৰক নিজৰ সন্তান জ্ঞান কৰে। নিজৰ সন্তানৰ দৰে চাহ গছবোৰৰ প্ৰতিপালন কৰে। চাহ বাগিচা এখন প্ৰতিষ্ঠা কৰাৰ আগত আৰু পিছত বহু কাম থাকে আৰু ইয়াৰ উপলব্ধি কৰিব পাৰে কেৱল চাহ শ্ৰমিকসকলেহে। চাহ বাগিচা স্থাপনৰ বাবে প্ৰথমতে ডাঠ হাবি-জংঘল কাটি ঠাইডোখৰ মুকলি কৰিব লাগে। দ্বিতীয়তে, কোৰ মৰা, সাৰ জাবৰ দি মাটিডোখৰ পুলি ৰুবৰ বাবে উপযোগী কৰা, নলা দিয়া আদি কামবোৰ কৰিব লাগে। তাৰ পাছতহে পুলি ৰুব পৰা হয়। আকৌ উপযুক্ত সময়ত কীটনাশক দৰব দিয়া, কলম দিয়া, পাত চিঙা আদি কামবোৰো শ্ৰমিকসকলে কৰিব লগা হয়। ইয়াতেই শ্ৰমিকসকলৰ কাম শেষ নহয়। চাহপাত চিঙি ভৰাবৰ বাবে টুকুৰী প্ৰস্তুত কৰা আৰু টুকুৰীয়ে টুকুৰীয়ে কেঁচা চাহপাত নি গাড়ীত ভৰাই কলঘৰত চাহপাতৰ প্ৰস্তুত কৰি বাকচত পেকিং কৰালৈকে সকলো কাম এই চাহ শ্ৰমিক সকলেই কৰে। সেইবাবেই চাহ বাগিচাৰ লগত শ্ৰমিকসকলৰ এক অভিন্ন সম্বন্ধ গঢ় লৈ উঠে। ঔপন্যাসিকে তেওঁৰ উপন্যাসত চাহ বাগিচা আৰু শ্ৰমিকসকলৰ মাজত থকা আত্মিক সম্পর্কৰ বর্ণনা দিছে এনেদৰে—

"এই যে শাৰী শাৰী চাহ গছ দেখিছ— এইবোৰ আছিল জাৰণি; হাতী বাঘ কত যে বনৰীয়া জন্তু ইয়াত চৰিছিল। দেও-ভূতৰটো কথাই নাছিল। দেও-ভূত বনৰীয়া জন্তুৰ লগত যুঁজ-বাগৰ কৰি আমাৰ কিমান মানুহ মৰিল; হাত-ভৰি ভাঙি কিমানে কষ্ট খালে। মাকৰ বুকু খাই ডাঙৰ হোৱা কেঁচুৰাৰ দৰে কুলিৰ তেজ চুহিহে চাহ গছ লহপহীয়া হয়। সেই কাৰণেইতো বাগিচাত এবাৰ সোমালে, বাগিচাৰ মোহ এৰি অন্য ঠাইলৈ যাবলৈ মন নেযায়। প্ৰত্যেকজোপা চাহ গছৰ লগতে আমাৰ তেজ-মঙহৰ সম্বন্ধ; আই-বোপাই-দদাই-খুড়াৰ জীৱনৰ সুখ-দুখ, আনন্দ পৰিশ্ৰম চাহ গছৰ গুৰিতেই সাৰ হৈ আছে।"

(সেউজী পাতৰ কাহিনী, পৃ. ৩৬-৩৭)

উক্ত সংলাপটোত বুধুৰে নৰেশ্বৰক চাহ বাগিচাৰ লগত সিঁহতৰ দৰে শ্ৰমিকবিলাকৰ সম্পর্কৰ কথা কৈছে। চাহ-বাগিচাৰ লগত থকা শ্ৰমিকসকলৰ এই নিভাঁজ সম্পর্কৰ বান্ধোন দেখুৱাবলৈকে ঔপন্যাসিকে নিশ্চয়কৈ উপন্যাসখনৰ নাম "সেউজী পাতৰ কাহিনী" ৰাখিছে।

উপন্যাসখনৰ মাজেদি অসমীয়া সমাজৰ প্ৰাচীন ঐতিহ্য আৰু লোকবিশ্বাসৰ পৰম্পৰা বিজড়িত এখন ছবিও সুন্দৰভাৱে চিত্ৰিত হৈছে। উপন্যাসখনৰ প্ৰথম ভাগতে এই ছবিখনে ভূমুকি মাৰিছে। উপন্যাসখনত উল্লেখ থকা অনুসৰি নৰেশ্বৰহঁতৰ আমগুৰি গাঁৱৰ বেজ-বেজালিৰ প্ৰচলন আছিল। আগৰ দিনত ৰোগ ব্যাধি হ'লে ডাক্তৰ বা চিকিৎসালয় নাছিল সেই সময়ত চিকিৎসকৰ সলনি বেজৰ প্ৰচলন আছিল। বেজে মন্ত্ৰ চিকিৎসা আৰু বনৌষধিৰ সহায়ত গাঁৱৰ মানুহৰ ৰাজ পৰিয়ালৰ মানুহৰো ৰোগ ব্যাধিৰ চিকিৎসা কৰিছিল। এই চিকিৎসা ব্যৱস্থা আমগুৰি গাঁৱত পুৰুষ পুৰুষ ধৰি পৰম্পৰা ৰূপে চলি আছিল। আলোচ্য উপন্যাসখনৰ নায়ক এই ওজা বংশৰে সন্তান আছিল।

উপন্যাসখনত বৰ্ণিত অনুসৰি এসময়ত দেৱেশ্বৰৰ পূৰ্বপুৰুষ হৰেশ্বৰৰ বহুত খ্যাতি আছিল। এনেকুৱা ৰোগ বা কোনো কাম নাছিল যিটো নেকি হৰেশ্বৰে সমাধান কৰিব পৰা নাছিল। হৰেশ্বৰে বহু বৈদ্য-ধন্বন্তৰীয়ে সমাধান কৰিব নোৱাৰা জটিল সমস্যাও দক্ষতাৰে সমাধান কৰিব পৰা নাছিল। এবাৰ আহোম স্বৰ্গদেউ গৌৰীনাথ সিংহৰ এগৰাকী প্ৰিয় লিগিৰিৰ একমাত্ৰ সন্তানক সাপে খোটাত ৰংদৈয়ে আউলি-বাউলি হৈ কান্দি-কাটি বেজ এজন আনি তাইৰ একমাত্ৰ সন্তানটোক জীয়াই তুলিবৰ বাবে কাকুতি মিনতি কৰিছিল। ৰংদৈৰ দুখত দুখী হৈ স্বৰ্গদেৱে বেজৰ সন্ধান বিচাৰি চাৰিওফালে মানুহ পঠাই দিলে। স্বৰ্গদেৱৰ আদেশ পাই বহু বেজ আহিল যদিও কোনেও ৰংদৈৰ ল'ৰাটোক জীয়াই তুলিব নোৱাৰিলে। অৱশেষত হৰেশ্বৰ বেজে ৰংদৈৰ একমাত্ৰ ল'ৰাটোক জীয়াই তুলিলে। তেতিয়াৰে পৰাই হৰেশ্বৰ ওজাৰ সুনাম তথা দক্ষতা গোটেই গোটেই ৰাজ্যত বিয়পি পৰিল আৰু হৰেশ্বৰ ওজাই বাস কৰা গাঁওখনৰ নাম আমাগুৰিৰ ঠাইত "ওজা গাঁও" ৰূপে প্ৰসিদ্ধ হ'ল। এনেদৰে অসমীয়া সমাজৰপ্ৰাচীন ঐতিহ্য আৰু পৰম্পৰাৰ ছবিখন মূৰ্ত হৈ উঠিছে।

উপন্যাসখনত আৰু এখন ছবিয়ে বিশেষভাৱে ভূমুকি মৰা দেখিবলৈ পোৱা যায়। যিহেতু উপন্যাসখনৰ পটভূমিৰ সময় নিৰ্বাচন কৰিছে স্বাধীনতাৰ পূৰ্বৱৰ্তী কাল অৰ্থাৎ ভাৰতবৰ্ষ ইংৰাজ চৰকাৰৰ অধীনত থকাৰ সময়ছোৱাৰ এখন ছবি উপন্যাসখনত জীৱন্ত হৈ উঠিছে। সেই সময়ছোৱাত অসমৰ সকলো সম্পদৰে মালিকীস্বত্ব ইংৰাজ চৰকাৰৰ হাতত আছিল। সেই অনুৰূপে অসমত যিবোৰ চাহ বাগান গঢ় লৈ উঠিছিল সেই চাহ বাগানবোৰ একো একোজন ইংৰাজ বিষয়াৰ অধীনত পৰিচালিত হৈছিল। চাহবাগানত কাম কৰা শ্ৰমিকসকলক ইংৰাজসকলে শোষণৰ আহিলাৰূপে ব্যৱহাৰ কৰিছিল। বিভিন্ন সময়ত বিভিন্ন কাৰণত চাহ বাগানত কাম কৰা এই অশিক্ষিত শ্ৰমিকসকলক ইংৰাজ চৰকাৰে চৰম বঞ্চনা কৰিছিল। আনকি তেওঁলোকে বহু লঘু দোষত গুৰু শাস্তিৰো সন্মুখীন হ'বলগা হৈছিল। সাধাৰণ খাটি খোৱা লোকৰ দুখ নিৰ্যাতনৰ ছবি ঔপন্যাসিকে বিবিধ চৰিত্ৰৰ মাজেদি সাৱলীল ৰূপত ফুটাই তুলিছে।

উপন্যাসখনত নাৰী সমাজৰ দুখন ছবি দেখিবলৈ পোৱা যায়। এখন শ্ৰমজীৱী সমাজ। যি কঠোৰ পৰিশ্ৰমৰ অন্তত দুবেলা দুমুঠি খাবলৈ পায়। আনহাতে আনখন হ'ল- শ্ৰম বিমুখ,

তথাকথিত নাৰী সমাজ। শ্ৰেণীকেন্দ্ৰীক দিশে দুয়োখন নাৰীসমাজৰ চিন্তা-ধাৰা, আদৱ-কায়দা আদিত বৈপৰীত্যৰ সুচনা কৰিছে। চনিয়া, তিলকমতী. দুখেৰি, আলোমণি, ৰাধু, মহুৱা আদিয়ে শ্ৰমজীৱী সমাজখনক প্ৰতিনিধিত্ব কৰাৰ পৰিৱৰ্তে এলি চেইমুৰ, ডৰথি, মিছেছ পাইপাৰ, মেগডেলিন আদি নাৰীয়ে সমাজৰ আঢ্যবন্ত সমাজখনক প্ৰতিনিধিত্ব কৰিছে। দুয়োখন সমাজৰে জীৱন শৈলীত ব্যাপক বৈপৰীত্য দেখা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ঃ ৰাষ্ণা বৰুৱাৰ *সেউজী পাতৰ কাহিনী* উপন্যাসখনৰ মাজেদি কেনেধৰণৰ ছবি প্ৰকাশিত হৈছে আলোচনা কৰক।

৬.৩.২ উপন্যাসখনৰ কাহিনীভাগ

ঔপন্যাসিক বিৰিঞ্চি কুমাৰ বৰুৱাই *সেউজী পাতৰ কাহিনী* উপন্যাসৰ কাহিনী নিটোল ৰূপতনির্মাণ কৰিছে। চাহ বাগানক কেন্দ্ৰ কৰি গঢ় লৈ উঠা ভিন্নমুখী চৰিত্ৰৰে সমৃদ্ধ এখন সমাজৰ ছবি অংকিত হৈছে। উপন্যাসখনৰ কাহিনীভাগ নিৰ্মাণ কৰোতে যদিও চাহবাগিচাক পটভূমি হিচাপে লৈছে, মুখ্যত ইয়াত নৰেশ্বৰ জীৱন পৰিক্ৰমা আৰু চনিয়াৰ লগত নৰেশ্বৰৰ প্ৰেম কাহিনীৰ আলোচনাই স্থান পাইছে। উপন্যাসখনত মূল কাহিনীৰ উপৰিও কেইবাটাও উপ কাহিনীৰ সংযোগ হোৱা পৰিলক্ষিত হয়। উপন্যাসখনৰ সৌন্দৰ্য বৃদ্ধিত অৰিহণা যোগোৱা এই উপ কাহিনীবোৰ হ'ল এনেধৰণৰ— চাহ বাগানৰ বনুৱাসকলৰ জীৱন চৰ্যা আৰু সমাজ জীৱন, ইংৰাজ বিষয়াসকলে চাহ শ্ৰমিকসকলক কৰা শোষণ-বৈষম্য, অসমীয়া সমাজ জীৱনৰ বিবিধ দিশৰ ছবি, প্ৰেম-আলতী, লখু-ৰাধু আদি বিবিধ চৰিত্ৰৰ প্ৰেম কাহিনী ইত্যাদি। এই উপ কাহিনীবোৰে কাহিনীৰ গতিধাৰা আগবঢ়াই নিয়াত ইন্ধন যোগাইছে।

উপন্যাসখনৰ নায়ক হৈছে— নৰেশ্বৰ আৰু নায়িকা হ'ল— চনিয়া। এই দুয়োটা চৰিত্ৰৰ বিচিত্ৰ জীৱন কাহিনীৰে উপন্যাসখনৰ কাহিনীটোৰে গতি লাভ কৰিছে। নৰেশ্বৰ হ'ল— গাঁৱৰ এজন সাধাৰণ যুৱক আৰু আনহাতে চনিয়া হ'ল ইংৰাজ বিষয়া আৰু চাহ বাগানৰ শ্ৰমিক মহিলাৰ অবৈধ প্ৰেমৰ পৰিণতি। মুঠ ২২৮ পৃষ্ঠাজোৰা উপন্যাসখনৰ কাহিনীভাগ আৰম্ভ হৈছে এহাল ইংৰাজ দম্পতীৰ কথোপকথনৰ দৃশ্যৰে । এই ইংৰাজ দম্পতীহাল হ'ল নাহৰণি চাহ বাগিচাৰ মেনেজাৰ ৰাউন্ট্ৰি মিলাৰ আৰু তেওঁৰ পত্নী এলি চেইমুৰ। তেওঁলোকে আমগুৰি চাহ বাগানৰ পৰা আলহী খাই নিজৰ বাগানলৈ উভটি আহিছে। হাবিতলীয়া ৰাষ্টাৰে আহোতে হঠাতে গাড়ী বেয়া হৈছে। তাতেই আকস্মিকভাৱে নৰেশ্বৰৰ সৈতে মিলাৰ দম্পতীৰ সাক্ষাৎ ঘটিছে।

নৰেশ্বৰ নামৰ যুৱকজনে সমাজে জাপি দিয়া মিছা অপবাদ আৰু দেউতাকৰ অত্যাচাৰত অতিষ্ঠ হৈ ঘৰৰ পৰা ওলাই আহিছে আৰু বাটত আকস্মিকভাৱে মিলাৰ দম্পতীৰ লগত সংযোগ

ঘটি তেওঁলোকৰ লগত বাগানলৈ যাত্রা কৰিছে। নৰেশ্বৰে সেই মিলাৰ চাহাবৰ বাংলোত মিছেছ মিলাৰ চাহাবৰ বয় হিচাপে কাম কৰাৰ সুযোগ লাভ কৰিছে।

উপন্যাসখনৰ আৰম্ভণি অংশতেই নৰেশ্বৰৰ জীৱনৰ দুখন ছবি প্রতিভাত হৈছে। প্রথম কথা, তথাকথিত সমাজৰ মিছা বদনাম আৰু দ্বিতীয়তে, দেউতাকৰ নিষ্ঠুৰ শাসনত মানসিকভাৱে ভাগি পৰাৰ লগতে সি ঘৰ ত্যাগ কৰিছে। উপন্যাসত নৰেশ্বৰৰ এই মানসিক অন্তর্দ্বন্দ্বৰ ছবিখন এনেদৰে ফুটি উঠিছে—

"...গাঁৱত বৰলা থাকিলে বিধৱা নষ্ট হয়। নৰেশ্বৰেই বা ৰাতি-দিন মালতীৰ ওচৰত পৰ দি থকাৰ দৰকাৰ কি? সাপৰ সৰু-বৰ নাই। নৰেশ্বৰ ৰখীয়া নোহোৱাহেঁতেন চৰিত্রহীন গাঁৱৰ দুই-চাৰিজন ডেকাই মালতীৰ কায চাপিবলৈ চেষ্টা কৰিব পাৰিলেহেঁতেন; সংকল্পত বাধা বাধা পৰাত এওঁলোকেই সাধু হ'ল। তাহাঁতৰ মুখে মুখেই নোহোৱা কথাও সঁচা হ'ল। মানুহৰ মুখে মুখে বাগৰি সাধুকথা দীঘল হোৱাৰ দৰে ইটোৰ সিটোৰ পৰা মালতীৰ নৰেশ্বৰৰ সম্বন্ধ মনোৰঞ্জক হৈ বিয়পি পৰিল। মালতী নৰেশ্বৰেনো কি কথা-বতৰা পাতে, কি কৰে— সময় নাই অসময় নাই ছেগ বুজি চুবুৰীয়া তিৰোতাই ভুমুকিয়াই চাই যায়হি। পুৱা-গধূলি ল'ৰা-ছোৱালীক মালতীৰ ঘৰলৈ পঠিয়ায়— তাইনো নৰেশ্বৰৰ লগত কি কৰিছে তাৰ উমান ল'বলৈ। ওচৰ-চুবুৰীয়াৰ কণ কণ ল'ৰা-ছোৱালীবোৰে বিনা সংকোচে মালতীৰ ভিতৰ বাহিৰত ইটো-সিটো বস্তু লাৰি-চাৰি ঘিটঘিটাই ফুৰে।...দুৱাৰডলিত খলিগুটি খেলি থকা পিজৌৰ ভনীয়েক ভবানীয়ে কি দেখিলে, কি শুনিলে তাৰ অনুসন্ধানৰ প্রয়োজন বুলি কোনেও নেভাবিলে। প্রচাৰ পত্রিকাৰ দৰে তিৰোতাৰ মুখে মুখে মুহূর্ততে ঘটনাটি জনাজাত হ'ল।... জুইৰ ফিৰিঙতিৰ দৰে মুহূর্ততে ঘটনাটো গোটেই গাঁৱত ছিটিকি পৰিল। গাভৰু বিধৱা গাঁৱত থাকিলে ডেকাৰ চৰিত্র নষ্ট হোৱা স্বাভাৱিক। বন্ধ্যা-বিধৱা-অপবাদ, জ্ঞানীলোকে বোলে ই তিনিও আপদ। অপবাদে মহাদেৱৰো আসন লৰায়, নৰেশ্বৰ নগণ্য নিগনি মাত্র।

> *...নৰেশ্বৰৰ গাত সর্ব কলংক আৰোপ কৰি, হ'ব খোজা শহুৰেকৰ আগত প্রেমই ঘটনাটো বিৱৰিলে। তেজত বংশৰ উগ্রতা দোষ আছে; দেৱেশ্বৰে মুহূর্ত ৰ'ব নোৱাৰিলে; নৰেশ্বৰক মালতীৰ ঘৰৰ পৰা চোঁ-চোঁ কৰে টানি উলিয়াই আনি মাৰধৰ কৰিলে।... যৌৱনৰ দুৱাৰডলিত থিয় দিব খোজা নৰেশ্বৰৰ অন্তৰত অপমান, অভিমান, ক্ষোভ মৰিশালিৰ সর্বভুক জুইৰ দৰে দপদপাই জ্বলি উঠিল মাতৃস্নেহা মালতীৰ অকাৰণ অপমানত।"*
>
> *(সেউজী পাতৰ কাহিনী, পৃ. ২১-২৪)*

নৰেশ্বৰে বাংলোত কাম পোৱাৰ পিছতে বাংলোত ইতিপূর্বে আলপৈচান ধৰি থকা ৰহমত আৰু বুধুৱে বয় কামৰ বিষয়ে আদ্যোপান্ত বিৱৰি কৈছে। মিছেছ মিলাৰক কেনেকৈ আলপৈচান ধৰিব লাগিব সকলোবোৰ বুধু আৰু ৰহমতে নৰেশ্বৰক বুজাই দিছে।

নৰেশ্বৰে বাগানৰ বাংলোত প্রথম নিশা কটোৱাৰ পিছত ৰাতিপুৱা ঠাই চাবৰ মনেৰে খোজ কাঢ়ি ওলাই আহিছে। এনেদৰে ওলাই আহি একেবাৰে নৈৰ কাষ পাইছেহি আৰু নৈত

দলঙা পাতি মাছ ধৰি থকা বাগানৰ কেইটামান ল'ৰা-ছোৱালীৰ লগত চিনাকি হৈছে। ইয়াতেই প্ৰথম 'চনিয়া' নামৰ ছোৱালীজনীক লগ পাইছে। প্ৰথম অৱস্থাত নৱেশ্বৰ চনিয়াৰ লগত সহজ হ'ব পৰা নাছিল যদিও পৰৱৰ্তী সময়ত চনিয়াৰ লগত তাৰ আত্মীয়তা বৃদ্ধি পোৱাৰ লগতে প্ৰেমপাশটো আবদ্ধ হৈছে। কালক্ৰমত নৱেশ্বৰ আৰু চনিয়াৰ প্ৰেমে গভীৰতা লাভ কৰিছে।

উপন্যাসখন পঢ়িলে আপোনালোকে দেখিবলৈ পাব যে ইয়াত কেইবাটাও প্ৰেম কাহিনীয়ে প্ৰকাশ লাভ কৰিছে যদিও নৱেশ্বৰ আৰু চনিয়াৰ প্ৰেম কাহিনীয়েই উপন্যাসখনৰ মূল উপজীব্য হিচাপে পৰিগণিত হৈছে। ই কাহিনীক এক নিটোল ৰূপ প্ৰদান কৰিছে। নৱেশ্বৰ আৰু চনিয়াই ইটোৱে সিটোক গভীৰভাৱে ভাল পাই যদিও শেষ মুহূৰ্তত দেখা গৈছে চনিয়াই নৱেশ্বৰে দিয়া বিয়াৰ প্ৰস্তাৱ নাকচ কৰিছে। তাই নিজকে আন্তৰিকভাৱে নৱেশ্বৰৰ মাজতে সপি দিছে যদিও বিবাহ নামৰ এই বান্ধোনটোত সোমাবলৈ তাই ইচ্ছা কৰা নাই। বিবাহপাশত আবদ্ধ হৈ সমাজৰ কপটালি আৰু নিষ্ঠুৰতাৰ বলি হ'ব তাই বিচৰা নাই। তাই হ'ল মুকলি মনৰ ছোৱালী। তাই নৱেশ্বৰক ভাল যদিও বিয়াত নবহাৰ সিদ্ধান্ত লোৱাৰ মূলতে হ'ল— সমাজৰ ধনি শ্ৰেণীৰ শোষণ-নিষ্পেষণ-নিষ্ঠুৰতাৰ বিৰুদ্ধে লোৱা প্ৰতিবাদমূলক স্থিতি। এই স্থিতিত তাই অটল।

চাহ বাগিচাৰ লগত চাহ বনুৱাসকলৰ এক অভিন্ন সম্পৰ্ক আছে। যিমান দুখ পালেও, যিমান দুখ পালেও শ্ৰমিকসকলে চাহ বাগানৰ মোহ ত্যাগ কৰিব নোৱাৰে। চাহ বাগিচাৰ লগত চাহ বনুৱাসকলৰ এক আত্মিক সম্পৰ্ক আছে। যিমান কষ্ট পালেও, যিমান দুখ পালেও চাহ শ্ৰমিকসকলে চাহ বাগানৰ মোহ ত্যাগ কৰিব নোৱাৰে। আমাৰ আলোচ্য উপন্যাসখনত শ্ৰমিক আৰু চাহ বাগানৰ মাজৰ এই গভীৰ আত্মিক সম্বন্ধটো ঔপন্যাসিকে সুন্দৰভাৱে প্ৰকাশ কৰিছে। চনিয়াৰ এটা সংলাপৰ মাজত চাহ বাগিচা আৰু চাহ শ্ৰমিকসকলৰ আত্মিক সম্বন্ধটো প্ৰকাশিত হৈছে—

"তই জানই দেখোন এই বাগিচাৰ প্ৰতিজোপা চাহগছকে মই প্ৰাণ ভৰি ভাল পাওঁ.... ।"

(সেউজী পাতৰ কাহিনী, পৃ. ৩১)

চাহ বাগিচাৰ মেনেজাৰ-চৰ্দাৰ-মহৰীয়ে বিভিন্ন লঘু দোষত চাহ শ্ৰমিকসকলক কঠোৰ শাস্তি দিয়ে। কিন্তু তেওঁলোকে চাহাবে কৰা অন্যায় অত্যাচাৰৰ বিৰুদ্ধে কোনেও মাত মাতিবলৈ সাহস নকৰে। তেওঁলোকে কঠোৰ পৰিশ্ৰমৰ বিনিময়ত দুবেলা দুসাজ খোৱাৰ যোগাৰ কৰে। সপ্তাহৰ শেষত শনিবাৰৰ দিনা তেওঁলোকে কামৰ পইচা পায়। পইচা পোৱাৰ দিনা সিঁহতৰ মুখবোৰ আনন্দত ভৰুণ হৈ উঠে। কঠোৰ পৰিশ্ৰমৰ বিনিময়ত খুব কম মাননি পায় যদিও তাতেই লখু, ৰাধু, ৰতৌ, চনিয়া আদিৰ দৰে বাগানৰ শ্ৰমিকসকলে আনন্দ কৰে। দেওবাৰৰ দিনটোত তেওঁলোকে বিশ্ৰাম কৰে। আকৌ সোমবাৰৰ পৰা কৰ্ম ব্যস্ততাৰ আৰম্ভ হয়।

উপন্যাসিকে পাঠকৰ মনঃচেতনাক ধৰি ৰাখিবলৈ উপন্যাসখনত বহুতো উপকাহিনীৰ সংযোগ কৰিছে। ইয়াৰ ভিতৰত অসমীয়া সমাজত প্ৰচলিত লোক চিকিৎসাৰ ছবি, সমাজ সংস্কাৰৰ বিভিন্ন ছবি; এচাম অসমীয়া মানুহৰ মনত শিপাই থকা অন্ধবিশ্বাস, তিৰোতাসকলৰ বিয়নি মেল

আদিৰ লগতে চাহ জনজাতি লোকসকলৰ বিভিন্ন লোক উৎসৱ, লোকাচাৰ, লোকবিশ্বাসৰ ছবিৰ চিত্রণ উল্লেখযোগ্য। তাৰোপৰি চাহ জনজাতিৰ সাধাৰণ লোকসকলৰ মাজত ধর্মৰ বাণী বিলাই মানসিকভাৱে সাহস দিয়াৰ লগতে মনৰ দুখ পৰিত্রাণ কৰাত সহায় কৰা খ্রীষ্টান ধর্মৰ পাদুৰীসকলৰ প্রসঙ্গয়ো উপন্যাসখনৰ কাহিনীৰ অগ্রগতিত ইন্ধন যোগাইছে।

উপন্যাসখনৰ শেষৰ ফালে আন এটা প্রেম কাহিনী দেখা যায়। সেইটো হ'ল মিলাৰৰ পত্নী এলি চেইমুৰে নৰেশ্বৰৰ ৰূপ সৌন্দর্যত মুগ্ধ হৈ নৰেশ্বৰৰ প্রেমত পৰিছে। কিন্তু নৰেশ্বৰৰ মনটো কেৱল চনিয়াৰ মাজতে আবদ্ধ হৈ ৰোৱাত মিলাৰৰ এই প্রেম একপক্ষীয় হৈ ৰয়। মিছেছ মিলাৰৰ প্রেমৰ প্রস্তাৱ নৰেশ্বৰে প্রত্যাখ্যান কৰাত মিলাৰে অপমানিত বোধ কৰি নৰেশ্বৰক গালি-শপনি পাৰি কামৰ পৰা খেদাই পঠাইছে। নৰেশ্বৰেও মিলাৰৰ ঘৰৰ পৰা ওলাই ৰাতিৰ আন্ধাৰত সেউজীয়া চাহ গছৰ মাজত বিলীন হৈ গৈছে। গভীৰ নিশাৰ চাহ বাগিচাৰ নিৰৱ-নিতাল পৰিৱেশে যেন নৰেশ্বৰক চনিয়াৰ সংকেত দিছে। এনে এটা ভাৱনা পাঠকলৈ প্রশ্ন হিচাপে এৰি ঔপন্যাসিকে উপন্যাসৰ কাহিনীৰ যৱনিকা পেলাইছে।

৬.৩.৩ উপন্যাসখনৰ চৰিত্র চিত্রণ

উপন্যাসৰ এখনৰ কাহিনীভাগ আগবঢ়াই নিবলৈ চৰিত্র আৰু সংলাপৰ প্রয়োজন হয়। উপন্যাসৰ কাহিনীৰ বাবে নির্বাচন কৰা পঠভূমিটোকে কেন্দ্র কৰি ঔপন্যাসিকে কাহিনীয়ে দাবী কৰা মতে বিভিন্ন চৰিত্রৰ সৃষ্টি কৰে আৰু সেই চৰিত্রৰ মুখত সংলাপ দিয়ে। এনেকৈয়ে কাহিনীৰ গ্রন্থন হয়। আমাৰ আলোচ্য 'সেউজী পাতৰ কাহিনী' শীর্ষক উপন্যাসতো বিৰিঞ্চি কুমাৰ বৰুৱাই কাহিনীক জীৱন্ত ৰূপ দিবলৈ বহু চৰিত্র সৃষ্টি কৰিছে।

ঔপন্যাসিকে উপন্যাসৰ কাহিনীভাগ সাৱলীল ৰূপত আগবঢ়াই নিবলৈ উপন্যাসখনত প্রায় ৮২ টাতকৈও অধিক চৰিত্র অংকন কৰিছে। উপন্যাসখনৰ মুখ্য চৰিত্র দুটা হ'ল— নৰেশ্বৰ আৰু চনিয়া। এই চৰিত্র দুটাৰ উপৰিও উপন্যাসখনত আনকেইটামান গুৰুত্বপূর্ণ চৰিত্র পোৱা যায়। সেইকেইটা হ'ল— মিঃ মিলাৰ, এলি চেইমুৰ, লখু, দেৱেশ্বৰ, বৈৰাগী, মালতী, পূর্ণ, নৱেন আদি। উপন্যাসখনৰ আন পার্শ্ব চৰিত্রবোৰ হ'ল এনেধৰণৰ— বুধু, ৰহমত, এলি চেইমুৰ, হৰেশ্বৰ, ড্রাইভাৰ, দেৱেশ্বৰ, মদন বায়ন, মহেশ্বৰ, বামুণী, সহিতা, মহৰী, যোগেন, গর্ণি চাহাব, নগেন, দোকানৰ মেনেজাৰ, হৱেন, ইউচুফ, দর্জী, পিয়াৰ, দুখু, টিপু, মধু দোকানী, বৈৰাগী, আলতী, মহীধৰ, তোষেশ্বৰ অধ্যাপক, সৰু লাইন বাছত কাম কৰা ল'ৰা, দেওছন, লছিমীয়া, লছিমীয়াৰ মাক, আর্মষ্টং চাহাব, ফেকু ওঁৰাও, মহুৱা, আলোমণি, সুখৰাম, দুমকী, ৰাধু, ৰাধুৰ মাক, পোৱালী মহৰী, হাজিৰা বাবু, সোহাগী, তিলকমতী, বিৰচি, দসোদা, দুর্জন চর্দাৰ, বৰ কেৰাণী, জমাদাৰ বাবু, দোমাৰি, ৰংকৌ, ঘূৰণ, মনবোধ, দুখেৰী, ৰতৌ, লেংৰা, কালিচৰণ, জোনাকী, এতোৱা, ফুলাও, অভিৰণ, জখৌ, বিষ্টু, কেশব, সুখদেৱ, বিৰিন্দা, মোংগ্রা, ৰূপচিঙ, ফান্দো, জোনাথন, এণ্ড্রজ পাদুৰী, ডাক্তৰ, টিংমিন, চীনা মিস্ত্রী, অহল্যা, সাবিত্রী, লোধাই,

দোকানী, জিতেৰী ইত্যাদি।

চাহ বাগিচাকেন্দ্রিক পটভূমিত উপন্যাসখন ৰচিত হৈছে যদিও উপন্যাসখনৰ মূল কেন্দ্র বিন্দু হ'ল— নৰেশ্বৰ আৰু চনিয়া। নৰেশ্বৰ আৰু চনিয়াৰ প্রেম কাহিনীয়েই উপন্যাসখনত মুখ্য স্থান লাভ কৰিছে। উপন্যাসখনত চিত্রিত হোৱা চৰিত্রসমূহৰ বিষয়ে তলত এক চমু বিশ্লেষণ আগবঢ়োৱা হ'ল—

নৰেশ্বৰ ঃ নৰেশ্বৰ হ'ল উপন্যাসখনৰ এটা মুখ্য চৰিত্র। উপন্যাসখনৰ পৰা প্রথম অংশৰ পৰাই নৰেশ্বৰ নামৰ চৰিত্রটোৰ প্রকাশ ঘটিছে। নৰেশ্বৰৰ বিচিত্র জীৱন গাঁথা, প্রেম কাহিনী আদি সাৱলীল ৰূপত চিত্রিত হৈছে। উপন্যাসখনত বর্ণিত অনুসৰি নৰেশ্বৰ আছিল এটা সহজ-সৰল গাঁৱলীয়া ডেকা ল'ৰা। সি জটিলতা বুজি নাপায়। তাৰ সৰল মনেৰে জগতখন গঢ়িব বিচাৰে সি। সি মানুহক সহায় কৰি ভাল পায়, সমাজৰ উন্নতিৰ কাৰণে কাম কৰি ভাল পায়। নৰেনৰ পত্নী মালতীৰ বিপদৰ সময়খিনিত সি কৰা সহায়-সাৰথি আৰু সাহস দিয়া প্রসংগৰ মাজত নৰেশ্বৰৰ সৰল মনটোৱে প্রকাশ লাভ কৰিছে। উদাহৰণস্বৰূপে—

"খুড়ীদেউ, তুমিও ইহঁতৰ লগত খলিগুটিৰ খেলত বহি নোযোৱা কিয়?"

(সেউজী পাতৰ কাহিনী, পৃ. ২৩)

মুখখন পূর্বতকৈ ৰঙিয়াল আৰু হাঁহিটো উজ্জ্বল কৰি উচ্চতাৰে বয়স নির্ণয় কৰিবলৈ মালতীৰ সমুখাসমুখিকৈ থিয় হৈ নৰেশ্বৰে পুনৰ ক'লে—

"চাওঁ, পোন হোৱা। তুমিনো মোতকৈ কিমান বুঢ়ী হ'লা জুখি চাওঁ।"

(সেউজী পাতৰ কাহিনী, পৃ. ২৩)

নৰেনৰ মৃত্যুৰ পিছত অকলশৰীয়া আৰু হতভগীয়া হৈ পৰা মালতীক এনেদৰে নৰেশ্বৰে বিভিন্ন সময়ত সহায়, হাঁহি-ধেমালি কৰি কৰি মালতীৰ জীৱনটো আনন্দমুখৰ কৰি তুলিবলৈ যত্ন কৰিছিল।

সমাজত সদায় দুটা শ্রেণীৰ মানুহ থাকে। এটাই সদায় সমাজৰ হিতৰ বাবে নিষ্ঠা আৰু সততাৰে কাম কৰে আৰু আনটোৱে সমাজৰ বাবে ভাল বাবে কাম কৰা, মানুহৰ হিতৰ বাবে কাম সেই মানুহৰ বদনাম উলিওৱা, কুৎসা ৰটনা কৰি মানুহজনক সমাজত হেয় প্রতিপন্ন কৰাৰ চিন্তাত মজগুল হৈ থাকে। আমাৰ আলোচ্য উপন্যাসখনতো ঔপন্যাসিকে এই ছবিখন সুন্দৰ ৰূপত ফুটাই তুলিছে। ইয়াত দেখা যায় যে নৰেশ্বৰ সমাজৰ এচাম মানুহৰ মিছা বদনাম আৰু কুৎসা ৰটনাৰ বলি হৈছে। স্বামী নৰেনৰ মৃত্যুত অকলশৰীয়া হৈ পৰা হতভগীয়া মালতীক সি মাতৃস্নেহ কৰি বিভিন্ন সময়ত সহায় কৰাৰ বিষয়টোক সমাজৰ এচাম মানুহে লেচু হিচাপে লৈ তাৰ বদনাম কৰা মিছা বদনাম কৰা আৰম্ভ কৰিছে। পিছত সমাজে দিয়া সেই মিছা অপবাদৰ সত্যাসত্য বিচাৰ নকৰি নিজ দেউতাকৰ পৰাও পোৱা শাৰীৰিক-মানসিক অত্যাচাৰত মানসিকভাবে ভাগি পৰি সি ঘৰ ত্যাগ কৰিছে। নৰেশ্বৰৰ মানসিক দ্বন্দ্ব উপন্যাসখনত এনেদৰেই বর্ণিত হৈছে—

"যৌৱনৰ দুৱাৰডলিত থিয় দিব খোজা নৰেশ্বৰৰ অন্তৰত অপমান,
অভিমান,ক্ষোভ মৰিশালীৰ সর্বভুক জুইৰ দৰে দপদপাই জ্বলি উঠিল
মাতৃস্নেহা মালতীৰ অকাৰণ অপমানত।"

(সেউজী পাতৰ কাহিনী, পৃ. ২৪)

নৱেশ্বৰে পিছত নাহৰণি চাহ বাগিচাৰ মেনেজাৰ মিষ্টাৰ মিলাৰৰ বাংলোত মিছেছ মিলাৰৰ বয় হিচাপে কাম কৰা পৰিলক্ষিত হয়। গাঁৰৰ কঠোৰ পৰম্পৰাসিদ্ধ জীৱনৰ তিক্ত অভিজ্ঞতাৰে জৰ্জৰিত নৱেশ্বৰক বাগানৰ স্বাভাৱিক, মুক্ত আৰু সহজ-সৰল জীৱনে বিমুগ্ধ কৰিছে। উদাহৰণস্বৰূপে—

'বনুৱা নৰ-নাৰীৰ বাংঢালী চকু-মুখ, সহজ স্ফুৰ্তি, অকৃত্রিম আনন্দত নৱেশ্বৰ বিমুগ্ধ।"

(সেউজী পাতৰ কাহিনী, পৃ. ১৫৪)

ঔপন্যাসিকে নৱেশ্বৰক এজন সঁচা অন্তৰৰ প্ৰেমিক হিচাপে উপন্যাসখনত অংকন কৰিছে। নৱেশ্বৰে ঘৰ এৰি বাগানৰ জীৱন যাত্ৰাত খোজ দিওঁতেই চনিয়াক লগ পাইছে। প্ৰথম অৱস্থাত চনিয়াৰ লগত সি সহজ হ'ব পৰা নাছিল যদিও পিছত পৰৱৰ্তী সময়ত চনিয়াৰ লগতে প্ৰেম পাশত আবদ্ধ হ'ল। নৱেশ্বৰ আৰু চনিয়াৰ ভালপোৱা খুব গভীৰ আছিল যদিও সিঁহতৰ প্ৰেমে বিবাহৰ ৰূপ লোৱা নাছিল। নৱেশ্বৰে চনিয়াক যে অপৰিসীম ভাল পাইছিল তাৰ উমান উপন্যাসখনৰ বিভিন্ন ঠাইত ঔপন্যাসিকে দাঙি ধৰিছে। উদাহৰণস্বৰূপে—

"চনিয়া তই মোক ভাল নেপাৱ?"

"তোক বিয়া কৰাম বুলি মই হ'লে ভাবি আছো। আজি ছমাহ তহঁতৰ লগত আছো; তোৰ লগে লগে ফুৰিছো; তোৰ বাহিৰে অন্য ছোৱালীৰ লগত ফুৰা-চকা কৰা তই জানো দেখিছ? তোৰ বাহিৰে অন্য ছোৱালীক মই ভাল পাবই নোৱাৰো।"

(সেউজী পাতৰ কাহিনী, পৃ. ২৫)

নৱেশ্বৰে চনিয়াক গভীৰভাৱে ভাল পায়। নৱেশ্বৰে চনিয়াৰ বেলেগ ছোৱালীৰ কথা ভাবিবই নোৱাৰে। নৱেশ্বৰে তাৰ মন প্ৰাণ সকলো চনিয়াৰ মাজতে সপি দিছে। সেয়ে উপন্যাসখনৰ শেষৰ ফালে মিছেছ মিলাৰে নৱেশ্বৰক প্ৰেমৰ প্ৰস্তাৱ দিছে যদিও সেই প্ৰস্তাৱ নৱেশ্বৰে প্ৰত্যাখ্যান কৰিছে। ইয়াৰ মাজেদি চনিয়াৰ প্ৰতি নৱেশ্বৰৰ সঁচা প্ৰেমৰ সবল প্ৰকাশ ঘটিছে।

'চোতালৰ দাঁতিত কদম পুলি এটা; নাচ আৰম্ভ হোৱাৰ লগে লগে নৱেশ্বৰ চনিয়া সাউত কৰে উঠি গৈ তাৰ তলত বহিলগৈ। চোতালৰ হাৰিকেন লেম্পৰ পোহৰ কদম তলত পৰাহি নাই— আন্ধাৰ। কিছু সময় কাৰো মুখত মাত নাই— নেমাতিলেই মনৰ কথা আন্ধাৰত অধিক স্পষ্ট হয়; নীৰৱতাই সঙ্গ মধুৰ কৰে। নাকৰ বিশ্বাস, বুকুৰ কঁপনি, চকুৰ তিৰবিৰণি, দেহৰ স্পৰ্শ সেই নীৰৱতাত বাংময় হয়। নৱেশ্বৰে চনিয়াৰ হাতৰ কাঁচৰ খাৰুশাৰী লিৰিক-বিদাৰি আছে, ইপাটৰ লগত সিপাটৰ ঠুং ঠাং খুন্দা খুৱাই নমতা সখীৰ মাজত মাতবোল কৰাই দিছিল। সৰু ল'ৰাই পুতলাৰ লগত ওমলাৰ দৰে নৱেশ্বৰে তাইৰ খাৰুৰ সৈতে ধেমালি কৰাত চনিয়াই মিচিকি মিচিকি হাঁহিলে।"

(সেউজী পাতৰ কাহিনী, পৃ. ১৫৭-১৫৮)

নৱেশ্বৰ বাগানৰ সাধাৰণ শ্ৰমিকসকলৰ লগত মিলি গৈছে। নৱেশ্বৰে যেন বাগানৰ

শ্ৰমিকসকলৰ এই মুকলিমুৰীয়া জীৱনৰ মাজত সন্ধান পাইছে এক নতুন পোহৰৰ। চনিয়া, লখু, ফেকু ওৰাও আদি বাগানৰ সাধাৰণ কুলি শ্ৰমিকে নৰেশ্বৰৰ জীৱনত নোপোৱা আনন্দৰ সম্ভাৰ বিলাইছে। সিঁহতৰ লগত উৎসৱত নাচিছে, সুখ-দুখৰ সমভাগী হৈছে, একপ্ৰকাৰ ক'বলৈ গ'লে বাগানৰ শ্ৰমিকসকলৰ লগত এজন হৈ মিলি গৈছে।

চনিয়া ঃ চনিয়া হ'ল উপন্যাসখনৰ আন এটা মুখ্য চৰিত্ৰ। ঔপন্যাসিকে চনিয়াৰ চৰিত্ৰটোক নায়িকা হিচাপে অংকন কৰিছে। চনিয়া চৰিত্ৰটো এটা স্পষ্টবাদী চৰিত্ৰ হিচাপে অংকন কৰিছে। ঔপন্যাসিকে চনিয়া চৰিত্ৰটো দুৰ্দান্ত ৰূপত অংকন কৰিছে। উদণ্ড প্ৰকৃতি, প্ৰেম, বিদ্বেষ, মমতা, প্ৰতিহিংসা, অপাৰ কৰুণা, হিংস্ৰ বিদ্ৰোহ, মুকলিমুৰীয়া, প্ৰকৃতিৰ প্ৰতি থকা অপৰিসীম প্ৰেমৰ সুস্পষ্ট প্ৰকাশ ঘটিছে। উপন্যাসখনৰ বিভিন্ন অংশত চনিয়াৰ সাহসী আৰু স্পষ্টবাদী ৰূপটো প্ৰতিভাত হৈছে।

ইংৰাজ বিষয়া চাহাব সকলে সাধাৰণ মানুহখিনিক সকলো ফালৰ পৰা শোষণ কৰিছিল। আমাৰ আলোচ্য চনিয়া চনিয়া চৰিত্ৰটো তেনেকুৱা এটা ঘট নাৰে পৰিণতি। আৰ্মষ্টিং চাহাবে চাহ বাগানৰ কুলি তিৰোতা মহুৰাৰ লগত কৰা অবৈধ যৌন বাসনাৰ ফলস্বৰূপে চনিয়াই জন্ম লাভ কৰিছে। পৰৱৰ্তী সময়ত এণ্ড্ৰুজ চাহাবৰ তত্ত্বাবধানত ডাঙৰ-দীঘল হৈছিল। এণ্ড্ৰুজ চাহাবে তাইক মিছনৰ স্কুলতো নামভৰ্তি কৰি দিছিল। কিন্তু চনিয়া এণ্ড্ৰুজ চাহাবৰ ঘৰত বেছিদিন নাথাকিল। এণ্ড্ৰুজ চাহাবৰ ঘৰত থাকিবলৈ অমান্তি হোৱাত তাইক অৱশেষত এণ্ড্ৰুজ চাহাবে মোমায়েক-মামীয়েকৰ ঘৰত থৈ আহিল। তাৰ পিছত লখু হঁতৰ লগত চাহ বাগিচাত কাম কৰি দিন কটাবলৈ ল'লে। আৰ্মষ্টিঙ চাহাবৰ তেজ চনিয়াৰ দেহত থকা বাবে চনিয়া কুলি ছোৱালী হ'লেও দেখিবলৈ ক'লা নহয়। তাই চাহাবৰ দৰেই সুন্দৰী। ঔপন্যাসিকে উপন্যাসত চনিয়া চৰিত্ৰৰ পৰিচয় এনেদৰে দাঙি ধৰিছে— *"চনিয়া বুজিব নোৱাৰা ছোৱালী, তাই ৰ কথা-বতৰা সকলো অদ্ভুত। চকু-মুখ, গাৰ বৰণ মাকৰ দৰে নহৈ বাপেকৰ দৰে হ'ল, সেইহে তাই আৰ্মি চাহাবৰ দৰে দুৰ্দান্ত; মতা শাসন কৰা ছোৱালী।"*

(সেউজী পাতৰ কাহিনী, পৃ. ৮৭)

আৰ্মষ্টিঙ চাহাবৰ অবৈধ যৌন বাসনাৰ ফলশ্ৰুতিত জন্ম হোৱা তাই নিজকে অপমানিত অনুভৱ কৰে। আন সন্তানৰ দৰে যেন তাইৰ সুখী নহয়। তাই নৰেশ্বৰৰ আগত বৰ দুখেৰে নিজৰ জন্ম বৃত্তান্তৰ কথা কয়—

"বুজিছ নৰেশ্বৰ, বনৰীয়া জন্তুৰ দৰে আইক চাহাব এটাই আক্ৰমণ কৰাত মোৰ জন্ম।... সেইকাৰণেই সকলোৱে আজি মোক পেটে পেটে ঘৃণা কৰে। তয়ো কৰ নহয়।... আইৰ লগতে ময়ো মৰা হ'লে ঘৃণা-অপমান সহিব নেলাগিলহেঁতেন।"

(সেউজী পাতৰ কাহিনী, পৃ. ১৪০)

চনিয়াই এণ্ড্ৰুজ পাদুৰিৰ তত্ত্বাবধানত যোৰহাটৰ মিছনৰ স্কুলত পঢ়িছিল। কিন্তু তাত তাইৰ অলপো ভাল লগা নাছিল। তাইৰ গাৰ বগা বৰণৰ বাবে সহপাঠীসকলে তাইক উপলুঙা

কৰিছিল। স্কুলৰ তাইৰ লগৰীয়া আৰু ওপৰ শ্ৰেণীৰ ছোৱালীবোৰে তাইক কিদৰে ভেঙুচালি কৰিছিল সেই কথা তাই নৰেশ্বৰক এনেদৰে ভাঙি-পাতি কৈছে—

"স্কুলৰ লগৰীয়াবোৰক মোৰ ভাল লগা নাছিল; মোতকৈ কেইবাজনীও ডাঙৰ ছোৱালীও স্কুলত আছিল; তাহাঁতে মোৰ গাৰ বৰণটো দেখি ফিচিঙা-ফিচিঙি কৰে; তেতিয়াই বুজিছিলো মোৰ গাৰ বগা বৰণটো বৰণ নহয় বেয়া বেমাৰ। মোৰ গাৰ বৰণটো ক'লা কৰিবলৈ ওপৰ শ্ৰেণীৰ ছোৱালীবোৰে কেতিয়াবা কেতিয়াবা মোৰ গাত ক'লা চিয়াহী ছটিয়াই দিছিল; মই একো নকওঁ, কান্দি কান্দি ঘৰলৈ আহো।"

(সেউজী পাতৰ কাহিনী, পৃ. ১৪১)

চনিয়া চৰিত্রটোৰ আন এটা বৈশিষ্ট্য হ'ল, তাই মানুহে কৰা সহায়ক কৃতজ্ঞতা প্ৰকাশ কৰিব জানে। সেয়ে এণ্ড্ৰুজ চাহাবে জন্মৰ পৰা তুলি-তালি ডাঙৰ কৰা আৰু তাইক পঢ়া-শুনাৰ পৰা ধৰি সকলো প্ৰকাৰৰ সুবিধা দিয়া এণ্ড্ৰুজ চাহাবৰ বদান্যতাৰ শলাগ লৈছে। তাই এণ্ড্ৰুজ চাহাবৰ ওচৰত কৃতজ্ঞ। চনিয়াই তাইক ডাঙৰ-দীঘল কৰা এণ্ড্ৰুজ পাদুৰিৰ কথা এনেদৰে কৈছে—

"... এণ্ড্ৰুজ পাদুৰিয়ে মোক কেঁচুৱাতে হচপিতেলৰ পৰা যোৰহাট মিছনলৈ লৈ গৈছিল। তাতেহে মই ডাঙৰ হৈছিলোঁ। ... এণ্ড্ৰুজ চাহাবে মোক মোক মিছনৰ স্কুলতো নাম লগাই দিছিল; কত ছবি থকা নতুন কতাপ দিছিল। এদিন এডাল পেঞ্চিল আনি দিছিল...."

(সেউজী পাতৰ কাহিনী, পৃ. ১৪১)

চনিয়া আৰু নৰেশ্বৰৰ প্ৰেমৰ ছবিখনে উপন্যাসত বিশেষ স্থান লাভ কৰিছে। চনিয়াই নৰেশ্বৰক গভীৰভাবে ভাল পায়। চনিয়াই প্ৰায়ে নৰেশ্বৰক যদিও ভেঙুচালি কৰে তথাপিও তাই অনবৰতে নৰেশ্বৰৰ লগত থাকি ভাল পায়। নৰেশ্বৰৰ লগত তাই বহুত ধেমালি কৰে। নৰেশ্বৰে যিদৰে চনিয়াক প্ৰাণ ভৰি ভাল পায় ঠিক সেইদৰে চনিয়াইও নৰেশ্বৰক প্ৰাণ ভৰি ভাল পায়। উপন্যাসত চনিয়া আৰু নৰেশ্বৰৰ কথোপকথনৰ মাজেদি প্ৰেমৰ ছবিখন সাকাৰ ৰূপ ফুটি উঠিছে। উদাহৰণস্বৰূপে—

"...জানই দেখোন— লগ পোৱা দিনৰে পৰাই তোক ভাল পাইছোঁ।"

চনিয়াই নৰেশ্বৰক প্ৰাণ ভৰি ভাল পাই যদিও তাই বিয়াৰ দৰে বান্ধোনত সোমাবলৈ অমান্তি হৈছে। ইয়াৰ কাৰণ হৈছে পুৰুষৰ কদাকাৰ ৰূপটোৱে চনিয়াক বিবাহ বোলা সমাজৰ আৰোপিত সেই স্থায়ী সম্বন্ধটোৰ প্ৰতি বিতুষ্ট কৰি তুলিছে। তাই কোনো পুৰুষৰ সৈতে বিবাহত বহি সম্পৰ্ক স্থায়ী কৰিব বিচৰা নাই। কিন্তু তাই নৰেশ্বৰক ভাল পায়। গভীৰ ভাবে ভাল পায়। তথাপিও তাই নৰেশ্বৰৰ লগত বিয়াহ বহিবলৈ অস্বীকাৰ কৰিছে আৰু নৰেশ্বৰক এনেদৰে কৈছে—

"তোক ভাল পাওঁ দেখিয়েই তোৰ ভালৰ কাৰণে বিয়া কৰাবলৈ অমত হৈছো।... নৰেশ্বৰ, তই গাঁৱলৈ ঘূৰি যা; গাঁৱৰ ছোৱালী বিয়া কৰাই ঘৰ-সংসাৰ পাতগৈ। বাগিচাৰ লেতেৰা ছোৱালী বিয়া কৰাই জীৱন সুখী নকৰিবি। মোক বিয়া কৰোৱা কথা মনলৈ নানিবি।"

(সেউজী পাতৰ কাহিনী, পৃ. ১৮৯)

চনিয়াই নৰেশ্বৰক ভাল পায়ো তাক বিবাহ কৰাব নোখোজা কথাৰ অন্তৰালত সেই পুৰুষতান্ত্রিক সমাজখনৰ কদাকাৰ ৰূপটোৱে সুন্দৰভাবে প্রকাশ লাভ কৰিছে। উপন্যাসখনৰ শেষৰ ফালে চনিয়াই নৰেশ্বৰৰ পৰা বিদায় লৈ বাগিচা এৰি বেলেগ এখন জগতলৈ ধাৱমান হ'ল।

চনিয়াৰ চৰিত্রত প্রতিফলিত আন এটাগুণ হ'ল- তাই প্রকৃতিক প্রাণ ভৰি ভাল পাইছিল। প্রকৃতিৰ নির্মল পৰিবেশৰ মাজত তাই নিজকে বিলীন কৰি দিছিল। তাই প্রায়ে চৰাই পোৱালি বিচাৰি হাবিলৈ, জাৰণিলৈ যায়। তালৈ নৰেশ্বৰকো লৈ যায়। নৰেশ্বৰৰ লগত বহি আপোনমনে প্রকৃতিৰ নিভাঁজ সৌন্দর্য পান কৰে। চৰাই-চিৰিকটিৰ বিষয়ে চনিয়াই বহু কথাই জানে। চনিয়াই নৰেশ্বৰক চৰাই-চিৰিকটি চিনাকি কৰায়—

"চা চা, মতাটোলৈ চা— বৰ ধুনীয়া। মাইকীজনীৰ পিছতে উৰা মাৰিলে।...মই যে মাইকী কিহৰ পৰা চিনি পাইছ? খোপাটোৰ পৰা নে বুকুৰ পৰা? মতাটোৰ মূৰত ধুনীয়া জঁট; বহুত চৰাইৰ মাইকীজনীতকৈ মতাটোহে ধুনীয়া— কুকুৰাৰ দৰে। জাননে নেজান?"

(সেউজী পাতৰ কাহিনী, পৃ. ১৩৩-১৩৪)

পুৰুষতান্ত্রিক সমাজখনৰ চনিয়াৰ প্রতি বিষোদগাৰ মনোভাৰ স্পষ্টকৈ প্রকাশ পাইছে। পুৰুষতান্ত্রিক সমাজখনত নাৰীৰ ইচ্ছা-অনিচ্ছা, ভাল-লগা বেয়া-লগাৰ যেন কোনো গুৰুত্ব নাই। পুৰুষতান্ত্রিক সমাজত নাৰী স্বাধীন নহয়। নাৰীয়েই ঘৰৰ সকলো কাম কৰিব লাগে। পুৰুষে একো নকৰে। কেৱল শুই বহি খাই সময় কটায়। চনিয়াই সেয়ে পুৰুতান্ত্রিক সমাজখম বেয়া পায়। চনিয়াই নৰেশ্বৰৰ আগত পুৰুষতান্ত্রিক সমাজখনৰ ফোপোলা স্বৰূপটো দাঙি ধৰিছে এনেদৰে—

"বিয়া কৰাই কুলিয়নী খটাদি খাটিবহে লাগিব। মতাটো ফক্তি জুৰি শুই থাকিব; তিৰোতাজনীয়ে পুৱাই উঠি ৰান্ধিব-বাঢ়িব লাগিব। মতাটোৰ লগতে পাত তুলিবলৈ গৈ আকৌ ঘূৰি আহি তাকেইহে ৰান্ধি-বাঢ়ি খুৱাব লাগিব। বছৰৰ মূৰত দিব কি? কোলাত কেঁচুৱা।"

চনিয়াৰ মনটো কোনেও বুজিব নোৱাৰে। সকলোৰে বাবে নৰেশ্বৰ, ৰাধুৰ বাবে চনিয়া এক সাথৰ হৈ ৰয়। চনিয়াই লখুৰ পৰা ৰাধুক আঁতৰাই ৰাখি ৰং চায়। ৰাধুৱে লখুক একান্ত ভাৱে যিমানে পাবলৈ বিচাৰে সিমানেই যেন চনিয়াই ৰাধুৰ আশাত চেঁচাপানী ঢালে। নৰেশ্বৰকো বিভিন্ন সময়ত ভেঙুচালি কৰি, জোকাই চনিয়াই ৰং চায়।

এনেদৰে উপন্যাসৰ বিভিন্ন অংশত চনিয়া চৰিত্রটোৰ বিচিত্র ৰূপ দেখা যায়। এনে ৰূপে পাঠকক আকৃষ্ট কৰি তোলে।

মিঃ মিলাৰ ঃ উপন্যাসখনৰ আন এটা চৰিত্র হ'ল— মিঃ মিলাৰ। এজন ইংৰাজ বিষয়া। উপন্যাসখনত তেওঁক অসমৰ নাহৰণি চাহ বাগিচাৰ মেনেজাৰ হিচাপে অংকন কৰা হৈছে। তেওঁৰ সম্পূর্ণ নাম ৰাউন্ট্রি মিলাৰ। তেওঁৰ পত্নীৰ নাম- এলি চেইমুৰ। এই চৰিত্রটোক তথাকথিত শোষক শ্রেণীৰ প্রতিনিধি বুলি ক'লেও অত্যুক্তি কৰা নহয়। তেওঁলোকে এক বিলাসবহুল জীৱন

অতিবাহিত কৰে। চাহ বাগানৰ সাধাৰণ মানুহখিনিক তেওঁলোকে নির্মমভাৱে শোষণ কৰে।

অবৈধ যৌন বাসনা মিলাৰৰ চৰিত্রৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। নিজৰ এগৰাকী পত্নী থকাৰ পিছতো তেওঁ আমগুৰি চাহ বাগিচাৰ মেম চাহাবৰ সৈতে প্রেম বাসনাত মগ্ন মিলাৰ। মিলাৰৰ এই উপন্যাসখনৰ আৰম্ভণিতে ফুটি উঠিছে। উদাহৰণস্বৰূপে— *"... আমগুৰি চাহবাগিচাৰ মেমক পালে মিলাৰে তাচৰ পৰা উঠিবই নোখোজে।..."*

(সেউজী পাতৰ কাহিনী, পৃ. ৫)

মিঃ মিলাৰে নাহৰণি চাহবাগিচাৰ পৰিচালন সঞ্চালকৰ উপৰিও বিচাৰপতিৰ ভূমিকাতো অৱতীর্ণ হোৱা দেখা গৈছে। বাগিচাত কাম কৰা বিভিন্ন খাটি খোৱা বনুৱাক বিভিন্ন লঘু দোষত বেত্রাঘাত বা আন গুৰুতৰ শাস্তি প্রদান কৰা দেখা গৈছে। নাহৰণি চাহ বাগিচাৰ তেৱেই সর্বময় শাসক। তেওঁৰ ইচ্ছাৰ বা অনুমতি অবিহনে গছৰ পাত এটাও লৰ চৰ কৰিব নোৱাৰে। সপ্তাহৰ প্রতি বৃহস্পতিবাৰে মিঃ মিলাৰৰ অফিচঘৰৰ বাহিৰৰ মুকলি ঠাইত বিচাৰখানা বহে। বাগিচাৰ সকলো শ্রমিক এই বিচাৰখানাত উপস্থিত থাকিব লাগে। বাগিচাত কাম কৰা এই বনুৱা মানুহখিনি অফিচৰ সন্মুখৰ ঘাহনি পথাৰত বহে। চাহ বাগিচাৰ মেনেজাৰ মিলাৰ তেওঁলৈ সজাই থোৱা চকীত বহি বিচাৰৰ ফাইলটো মেলি পঢ়ে। বাগানৰ কামলৈ কুলী নহা, কুলীয়ে বাগানৰ কাম ভালকৈ নকৰা, কুলীয়ে বাগিচাৰ চাহপাত চুৰ কৰা, কুলি বনুৱাৰ মাজত লগা দ্বন্দ্ব-খৰিয়াল আদি বিভিন্ন বিষয়ৰ গোচৰ মিলাৰে নিষ্পত্তি কৰে। গোচৰত দোষী সাব্যস্ত হোৱা লোকসকলক কঠোৰ শাস্তি দিয়ে। কুলী বনুৱাৰ মনৰ বেদনা, দুখ অনুভৱ কৰাৰ কোনো যত্ন নকৰে। মিলাৰ নেতৃত্বাধীন নাহৰণি চাহ বাগিচাৰ ৰংকৌ, ৰতৌ, সুখদেৱ আদিৰ দৰে সাধাৰণ বনুৱাই লঘু দোষত গুৰু শাস্তি লাভ কৰিছে। উপন্যাসত বনুৱাৰ বিচাৰ আৰু শাস্তিৰ বর্ণনা এনেদৰে দিছে— *"সুখদেৱে বেমাৰ বুলি দুদিন বাগানত হাজিৰা দিয়া নাই, ছাৰ; বিৰছা চর্দাৰে কৈছে সি ঔগুৰি চাহ বাগিচাত ফাল্টু খাটিছে।" "তাকে হাজিৰ কৰিব লাগে।" "চাহাবৰ আদেশৰ লগে লগেই চর্দাৰে সুখদেৱৰ হাতত ধৰি আঁজুৰি চাহাবৰ ওচৰলৈ আনিলে। মেজৰ ওপৰত পৰি থকা সৌকাডাল হাতত লৈ চাহাব চকীৰ পৰা উঠিল; হাতত সৌকা লৈ মেনেজাৰক আগবাঢ়ি অহা দেখিয়েই "ফাল্টু কাম কৰা নাই হজুৰ; মাইকীটোৰ বেমাৰৰ দাৰাই আনিবলৈহে গৈছিলো।" বুলি সুখদেৱে আঁঠুকাঢ়ি চাহাবৰ ভৰিত পৰি কাঁও-বাঁও কৰিলে।*

"ডাৰাই আমাৰ হচপিটেলত নাই?" সৌৰপ কৰে কোব লগাই মেনেজাৰে ক'লে।

"ডাক্তৰে ভাল ডাৰাই নিদিয়ে হুজুৰ।" সৌকাৰ কোব খাই সুখদেৱে চিঞৰিলে।

আমি আচ্চা ডাৰাই দিব। একদম ভাল হৈ যাব।"

"কোব খাই পলাব খোজোতেই আকৌ চর্দাৰে দৰি লৈ আহিল। দহ কোব বেত পাই চিঞৰি চিঞৰি সুখদেৱ য'তে আছিল ত'তেই শুই পৰিল।"

(সেউজী পাতৰ কাহিনী, পৃ. ১১৯)

এনেদৰে মিঃ মিলাৰে সাধাৰণ বনুৱাক শোষণ-নিষ্পেষণ কৰা দেখা যায়।

মিছেছ মিলাৰ ঃ উপন্যাসখনৰ আন এটা চৰিত্ৰ হ'ল— মিছেছ মিলাৰ। তেওঁ হ'ল মিলাৰৰ পত্নী। তেওঁৰ নাম হ'ল- এলি চেইমুৰ। উপন্যাসৰ নায়ক নৰেশ্বৰে এই এলি চেইমুৰৰ বয় বিচাপেই কাম কৰা উপন্যাসখনত দেখা গৈছে। এলি চেইমুৰ হ'ল বিলাতৰ এগৰাকী মেম চাহাব। স্বামী মিঃ ৰাউন্ট্ৰি মিলাৰৰ স'তে তেওঁ বিলাস বহুল জীৱন যাপন কৰে। মিঃ মিলাৰৰ দৰে মিছেছ মিলাৰেও চাহ বাগিচাৰ কুলী বনুৱাক হেয় জ্ঞান কৰে। নৰেশ্বৰ বগা আৰু দেখিবলৈ ধুনীয়া হোৱা বাবেই মিছেছ মিলাৰে বয় হিচাপে তাক নিযুক্তি দিছে।

নৰেশ্বৰৰ দেহৰ বগা বৰণ, সৌন্দৰ্য বা শান্ত শিষ্ট স্বভাৱৰ বাবে মিছেছ মিলাৰে নৰেশ্বৰক ভাল পায়। তাক বয় কাম দিয়াৰ পিছত তাক লগত লৈ গৈ দোকানত বয়ৰ সাজ-পোচাক চিলাবলৈ দিছে। মিলাৰে নৰেশ্বৰক ইমানেই ভাল পাইছে তাৰ অসুখত হচপিটেলত গৈ তাৰ ৰোগ প্ৰতিকাৰৰ বাবে ডাক্তৰৰ লগত পৰামৰ্শ কৰি উপযুক্ত চিকিৎসা দিবলৈ নিৰ্দেশ দিছে।

মিছেছ মিলাৰে মদৰ নিচাত মাতাল হৈ তাৰ লগত নৃত্য কৰাৰ হাবিয়াসো দেখা গৈছে। উদাহৰণস্বৰূপে—

"নৰেশ্বৰ, আহ নাচ।"... কথাৰ লগে লগে ভৰি আগলৈ পিচলৈ কৰি নৰেশ্বৰৰ সোঁহাতখন নিজৰ বাওঁ হাতেৰে দৰি ৰেকৰ্ডৰ সুৰৰ লগে লগে ধৰাধৰি কৰা দুয়োখন হাত ওপৰ তললৈ অনা-নিয়া কৰিলে।

উপন্যাসখনৰ শেষৰ ফালে দেখা গৈছে যে মিষ্টাৰ মিলাৰৰ পৰা বিশেষ আকৰ্ষণ লাভ নকৰা মিলাৰে নৰেশ্বৰৰ লগত প্ৰেমত পৰিছে আৰু নৰেশ্বৰক প্ৰেমৰ প্ৰস্তাৱ দিছে। নৰেশ্বৰে মিলাৰৰ প্ৰেম প্ৰত্যাখ্যান কৰাৰ লগে লগে মিলাৰ ক্ৰোধান্বিত হৈ গালি-শপনি মাৰি নৰেশ্বৰক ঘৰৰ পৰা খেদাই পঠাইছে। উপন্যাসখনত নৰেশ্বৰৰ প্ৰতি থকা মিলাৰৰ ক্ষোভ আৰু খং এনেদৰে ফুটি উঠিছে— *"জংঘলী, বুৰ্বক, তই উপদেশ দিছ? ওলা এতিয়াই; নহ'লে চকীদাৰক চিঞৰিম; নৰ্দমাৰ কুকুৰ, টেবুলৰ মঙহৰ তই কি স্বাদ বুজিবি... কুৎসিত কুলী ছোৱালীৰ বুকুত পৰি থাক গৈ।"*

(সেউজী পাতৰ কাহিনী, পৃ. ২২৭-২৮)

নৰেন ঃ উপন্যাসখনৰ আন এটা চৰিত্ৰ হ'ল— নৰেন। নৰেন আৰু পত্নী মালতীয়ে সমাজৰ হিতৰ বাবে বহু কাম কৰিছে। গাঁৱৰ জহি খহি যোৱা স্কুল ঘৰ মেৰামতি কৰাৰ লগতে গাঁৱৰ ৰাইজৰ সহযোগত গাঁৱৰ উন্নতিৰ বাবে বিভিন্ন কাম কৰিছিল। নৰেনৰ উদ্যোগত ক্ৰমান্বয়ে গাঁও খন জিলিকি উঠিছিল। নৰেনৰ সামাজিক কাম-কাজৰ বৰ্ণনা উপন্যাসখনত এনেদৰে দিছে—

"... নৰেনে সমাজৰ দুই-এটা জন হিতকৰ কামত মনোযোগ দিছিল। স্কুল ঘৰটোৰ বেৰ-চাল ওৰলি গৈছিল; ৰাইজৰ পৰা পা-পইচা তুলি তাক দেখনিয়াৰ কৰি তুলিছিল। ৰজাদিনীয়া পুখুৰীটো পানী-মেটেকাৰে উপচি পৰিছিল; পানী- মেটেকা হেঁচুকিহে গাঁৱৰ জীয়াৰী বোৱাৰীয়ে

পানী আনিব লগা হৈছিল। গাঁৱৰ ডেকাহঁতক উদগাই নৱেনে পানী-মেটেকা তুলি পুখুৰীটো পৰিষ্কাৰ কৰিলে।"

(সেউজী পাতৰ কাহিনী, পৃ. ১৫)

এনেদৰে নৱেনে সমাজৰ হিতৰ বাবে কাম গাঁৱৰ মানুহৰ প্ৰশংসাৰ পাত্ৰ হৈছিল। সমাজৰ সকলো মানুহ একে নহয়। সমাজৰ এচাম নৱেনৰ এই কৰ্মপটুতা, এই জনপ্ৰিয়তাত সুখী নাছিল। তেওঁলোকে নৱেশ্বৰক হিংসা কৰিছিল। আনকি নৱেনক সমালোচনা কৰিবলৈও নেৰিছিল। সমাজৰ এচাম কুৎসিত মনৰ মানুহে দিয়া মিথ্যা অপযশ আৰু কটু সমালোচনাই নৱেনক হতাশ কৰিছিল। অৱশ্যে নৱেনক মানসিক ভাৱে দেৱেশ্বৰকে ধৰি সমাজৰ কেইগৰাকীমান শুভাকাংক্ষীয়ে সংগ আৰু সাহস দিছিল।

বৈৰাগী ঃ উপন্যাসখনৰ আন এটা চৰিত্ৰ হ'ল— বৈৰাগী। ঔপন্যাসিকে এই চৰিত্ৰটোক সমাজৰ তথাকথিত ভণ্ড শ্ৰেণীৰ প্ৰতিনিধি হিচাপে অংকন কৰিছে। বৈৰাগীয়ে প্ৰথম আমগুৰি গাঁৱৰ নামঘৰৰ সমুখত বহি গাঁৱৰ মানুহক ধৰ্মীয় উপদেশ দিয়ে। গাঁৱৰ মানুহেও বৈৰাগীৰ ধৰ্মীয় উপদেশ শুনিবলৈ ভিৰ কৰেহি। গছৰ তলত বহি থকা বৈৰাগীক গাঁৱৰ মানুহে কলগছৰ পাতেৰে সৰু সুৰা ৰভা এখন সাজি দিছিল। ঔপন্যাসিকে বৈৰাগীৰ পৰিচয় এনেদৰে দাঙি ধৰিছে—

"...দুখনমান মলিয়ন কাপোৰ, এটা টোকাৰী,— এয়ে বৈৰাগীৰ সম্বল।"

(সেউজী পাতৰ কাহিনী, পৃ. ৫৯)

প্ৰথম অৱস্থাত টোকাৰিৰ শব্দ শুনিবলৈ দুই এটা গাঁৱৰ সৰু সুৰা ল'ৰা-ছোৱালীহে আহিছিল। পিছত বৈৰাগীৰ হৰিনাম শুনি গাঁৱৰ সকলো ডেকা-বুঢ়া হৰিনাম শুনিবলৈ শুনিবলৈ হৰিনাম শুনিবলৈ বৈৰাগীৰ কাষ চাপিছিল। বৈৰাগীয়ে হৰিনামৰ লগতে গীতাৰ ব্যাখ্যাও কৰিছিল।

বৈৰাগীৰ প্ৰকৃত ৰূপটো পিছৰ ফালে ফুটি উঠিছে। পিছত দেৱেশ্বৰৰ জীয়েক আলতীক ফুচুলাই পলোৱাই লৈ যোৱা ছবিখনৰ মাজত বৈৰাগীৰ ভণ্ড স্বৰূপটো প্ৰকাশিত হৈছে। ঔপন্যাসিকে বৈৰাগীৰ ভণ্ড স্বৰূপটো উপন্যাসত বৰ্ণনা কৰিছে এনেদৰে— *''চেহেৰা-পাতি দেখিয়েই মনে ধৰিছিল— ক'ৰবাৰ ভণ্ড, বিৰাল-তপস্বী; মতলবতহে ইয়ালৈ আহিছিল।*

ইয়ালৈ আহিছিল। তুমিও ভাল তাক ঘৰ লগায়ে বিপদ চপাই ল'লা।"

(সেউজী পাতৰ কাহিনী, পৃ. ৬৬)

উপন্যাসত চিত্ৰিত 'বৈৰাগী' চৰিত্ৰটোৰ মাজেদি বৰ্তমান সমাজৰ এচাম তথাকথিত ভণ্ডামিটো প্ৰকাশ কৰিছে।

প্ৰেম ঃ উপন্যাসত প্ৰেমক দেৱেশ্বৰৰ জীয়েক 'আলতী'ৰ প্ৰেমিক হিচাপে দেখাযায়। প্ৰেম আৰু আলতী ইটোৱে সিটোক প্ৰাণভৰি ভাল পায়। প্ৰথম অৱস্থাত প্ৰেমৰ দেউতাকে মানি লোৱা নাছিল যদিও পিছত প্ৰেমৰ সিদ্ধান্তত সন্মতি জনালে। কিন্তু অসমীয়াত যে এযাৰ কথা আছে- বোলে ভবা কথা নহয় সিদ্ধি, বাটত আছে কণা বিধি। প্ৰেমৰ ক্ষেত্ৰতো সেয়েই হোৱা দেখা গ'ল। প্ৰেমই সিঁহতৰ গাঁৱলৈ অহা বৈৰাগীৰ সেৱা-শুশ্ৰূষা কৰা কামৰ আগভাগ লৈছিল।

এই প্ৰেমৰ অনুৰোধতে আলতীয়ে বৈৰাগীক সেৱা- শুশ্ৰুষা কৰিছিল। প্ৰেমই আলতীক দিয়া এই কামেই এদিন তাৰ বাবে বিপদ মাতি আনিলে। যিজনী আলতীয়ে প্ৰেমৰ বাহিৰে আন কাৰো চিন্তা নকৰিছিল সেইজনী আলতীয়েই পিছত বৈৰাগীৰ লগত পলাই গুছি গ'ল।

বৈৰাগীৰ লগত আলতী পলাই যোৱাৰ বাতৰি পাই প্ৰেমৰ মুৰত যেন সৰগখনহে ভাগি পৰিল। প্ৰেম আলতীৰ দুখত ভাগি পৰিল। আলতীয়ে যে তাক এৰি পলাই যাব প্ৰেমই সেয়া সপোনতো ভবা নাছিল। আলতীৰ দেউতাক দেৱেশ্বৰে প্ৰেমক সান্ত্বনা দিছে যদিও প্ৰেম আস্বস্ত হ'ব পৰা নাই। সেয়ে প্ৰেমই আলতীৰ দেউতাক দেৱেশ্বৰক কৈছে—

"নাই নাই নিজ ইচ্ছাৰে আলতী কেতিয়াও যোৱা নাই। নিশ্চয় তাইক তন্ত্ৰ-মন্ত্ৰ কৰিলে। নিদ্ৰা বাণ মাৰি ক'ব নোৱাৰাকৈ তাইক টোপনিতে পলুৱাই লৈ গৈছে।"

"তুমি চিন্তাই নকৰিবা; মই তাইক ঘূৰাই আনিমেই আনিম। আলতী নহ'লে মই কাৰ সৈতে ঘৰ-সংসাৰ কৰিম?"

(সেউজী পাতৰ কাহিনী, পৃ. ৬৫)

প্ৰেমই আলতীক বিচাৰি চাৰিওফালে খবৰ কৰিলে। তোযেশ্বৰ অধ্যাপকৰ ওচৰত পঞ্জিকা চাই গম পালে যে বৈৰাগী আৰু আলতীয়ে দোকমোকালিতে ঘৰ এৰি উত্তৰ দিশে গমন কৰিছে। প্ৰেমই আলতীক বিচাৰি চহৰলৈ ৰাওনা হ'ল। আলতীক ঘূৰাই আনিবলৈ চহৰতে বাহ ৰ পাতি থাকিল। এনেদৰে বিচাৰি থাকোতে মৰিয়নি ষ্টেচনত হঠাৎ আলতীক দেখা পালে কিন্তু আলতীক সি ঘূৰাই আনিব নোৱাৰিলে। তাই বৈৰাগীৰ লগত গুছি গ'ল। আলতীৰ মনৰ এই পৰিৱৰ্তনে প্ৰেমক আচৰিত কৰি তুলিলে।

এণ্ড্ৰুজ পাদুৰী ঃ উপন্যাসত এণ্ড্ৰুজ পাদুৰীৰ চৰিত্ৰটোৰ ভূমিকাও মনকৰিবলগীয়া। তেওঁ গাঁৱে গাঁৱে খ্ৰীষ্টান ধৰ্মৰ বাণী বিলোৱাৰ লগতে বিপদত পৰা মানুহক বিভিন্ন ধৰণে সহায় কৰে। আৰ্মষ্টঙ চাহাব আৰু মহুৰাৰ অবৈধ সন্তান চনিয়া তেওঁৰ তত্ত্বাবধানতে ডাঙৰ-দীঘল হৈছিল। আনহাতে আৰ্মষ্টঙ চাহাবক ফেকু ওৰাওৱে হত্যা কৰাৰ পিছত এই পাদুৰীয়েই ধৰ্মীয় ৰীতি-নীতিৰে সমাধিস্থ কৰিছিল। খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰৰ সমান্তৰালকৈ চাহ বাগানৰ সাধাৰণ মানুহখিনিক বিভিন্ন সময়ত সহানুভূতি, সহায় যোগাই জীৱনটো হাঁহি হাঁহি উদ্‌যাপন কৰিবলৈ প্ৰেৰণা দিছিল।

এই চৰিত্ৰবোৰৰ উপৰিও মালতী, আলতী, লখু, ফেকু ওৰাওঁ আদিকে ধৰি বহু চৰিত্ৰ পোৱা যায় যিবোৰে কাহিনীৰ অগ্ৰগতিত ইন্ধন যোগাইছে।

৬.৩.৪ উপন্যাসখনৰ বৈশিষ্ট্যসমূহ

ৰাষ্ণা বৰুৱা ৰচিত সেউজী পাতৰ কাহিনী উপন্যাসখনত বিভিন্ন বৈশিষ্ট্যৰ সমাহাৰ ঘটিছে। উপন্যাসখনত প্ৰতিফলিত হোৱা বৈশিষ্ট্যবোৰ হ'ল এনেধৰণৰ—

(১) অবৈধ যৌন বাসনা

(২) শোষিত বঞ্চিত লোকৰ মানসিক অভিব্যক্তি

(৩) চাহ জনজাতিৰ সমাজৰ প্ৰতিফলন

(৪) মানৱতাবাদ

(৫) স্বভাৱসুলভ সৰলতা

(৬) খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰ

(৭) লোকবিশ্বাস-লোক পৰম্পৰাৰ ছবি

(৮) অসমৰ গ্ৰাম্য সমাজৰ প্ৰতিফলন

উপন্যাসখনৰ এই বৈশিষ্ট্যবোৰৰ বিষয়ে তলত এক চমু আলোচনা আগবঢ়োৱা হ'ল—

- **অবৈধ যৌন বাসনা ঃ** উপন্যাসখনৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল— অবৈধ যৌন বাসনাৰ প্ৰকাশ। ইংৰাজ বিষয়া সকলে সাধাৰণ শ্ৰেণীৰ তিৰোতাৰ লগত কৰা যৌন বাসনাৰ সুন্দৰ প্ৰকাশ ঘটিছে উপন্যাসখনত। উপন্যাসখনৰ কেন্দ্ৰীয় নাৰী চৰিত্ৰটোৱেই এই অবৈধ যৌন বাসনাৰ এক জ্বলন্ত উদাহৰণ। আৰ্মষ্টঙ চাহাবে মহুৰাৰ লগত কৰা অবৈধ যৌন বাসনাৰ ফলতে চনিয়াৰ জন্ম হৈছিল। তাৰোপৰি বাগানৰ সাধাৰণ লোকসকলৰ মাজতো যৌন বাসনাৰ মুক্ত প্ৰকাশ ঘটিছিল। উপন্যাসৰ বিভিন্ন অংশত এই ছবিখন চিত্ৰিত হৈছে।

- **শোষিত বঞ্চিত লোকৰ মানসিক অভিব্যক্তি ঃ** শোষিত বঞ্চিত লোকৰ মানসিক অভিব্যক্তিৰ প্ৰকাশ উপন্যাসখনৰ উপন্যাসখনৰ আন এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। মিঃ মিলাৰ চাহাবৰ দৰে ইংৰাজ চাহাবসকলে চাহ বাগানৰ সাধাৰণ বনুৱা শ্ৰমিকসকলক বিভিন্ন ধৰণে শোষণ কৰিছে। চাহাবৰ পৰা শোষণ আৰু অপমান পাই চনিয়াৰ অন্তৰে বিদ্ৰোহ কৰি উঠিছে এনেদৰে—"চাহাব ওলাইছে, মা-বাপ ওলাইছে। মা-বাপৰ দৰে চাহ গছ ৰুইছে; ডাঙৰ কৰিছে— এতিয়া দুটা চাহপাত নিওঁতেই তাক মাৰে। চাহাব নহয় ডকাইত !..."।

- **চাহ জনজাতিৰ লোকৰ সমাজ জীৱনৰ প্ৰতি ফলন ঃ** উপন্যাসখনৰ মূল পট ভূমিয়েই চাহ বাগিচাকেন্দ্ৰিক জনজীৱন। চাহ বাগিচাৰ সাধাৰণ লোকৰ সাধাৰণ জীৱন চযাই প্ৰাণ পাই উঠিছে। তেওঁলোকৰ আৰ্থিকভাৱে দৰিদ্ৰ, কিন্তু সিঁহতৰ মনবোৰ স্বাভিমানী, মুক্ত। সিঁহতে কঠোৰ পৰিশ্ৰমৰ অন্তত দুবেলা-দুমুঠি খোৱাৰ যোগাৰ কৰে। তাতেই সিঁহতৰ আনন্দ। প্ৰতি সপ্তাহৰ শনিবাৰৰ দিনটোলৈ সিঁহতে বহুত আগ্ৰহেৰে বৈ থাকে। সেইদিনটোতে সিঁহতে সাপ্তাহিক মজুৰি পায়। মজুৰি প্ৰাপ্তিৰ আনন্দত সিঁহতৰ মনবোৰ ভৰুণ হৈ উঠে, মুখবোৰ উজ্জ্বলি উঠে। সিঁহতে সেইদিনা মনৰ হেঁপাহেৰে বজাৰ কৰে, চাৰ্কাচ চায়, হাৰিয়া খাই। সিঁহতে টকা সঞ্চয় কৰিব নাজানে। সপ্তাহৰ অন্তত কাম কৰি পোৱা সমস্ত আনন্দ আৰু উৎসৱত খৰচ কৰে। গতিকে, চাহ জনজাতিৰ লোকসকলৰ সমাজ জীৱনৰ বিভিন্ন দিশ উপন্যাসখনত সুন্দৰ ৰূপত উদ্ভাসিত হৈ উঠিছে।

- **মানৱতাবাদ ঃ** মানৱতাবাদৰ প্ৰকাশ উপন্যাসখনৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। উপন্যাসখনত চনিয়া, লখু, এণ্ড্ৰুজ পাদুৰী, নৰেশ্বৰ, ফেকু ওৰাও, নৰেন আদি বিবিধ চৰিত্ৰৰ মাজত এই মানৱতাবাদী ভাৱধাৰা ফুটি উঠিছে। ৰতৌৰে যেতিয়া সামান্য এটা দোষত চাহাবে

দিয়া শাৰীৰিক শাস্তিৰ পাই যন্ত্রণাত ছটফটাই আছে তেতিয়া চনিয়াই ৰতৌক এবাতি মধু আৰু পিঠিখন মোহাৰি দি মনৰ যন্ত্রণা শাত পেলাবলৈ কৰা যত্নৰ মাজত মানৱতাবাদী ভাৱধাৰাই প্রকাশ লাভ কৰিছে।

- **স্বভাৱসুলভ সৰলতা ঃ** উপন্যাসখনত প্রতিফলিত স্বভাৱসুলভ সৰলতাই উপন্যাসৰ কাহিনীভাগ আগবঢ়াই নিয়াত বিশেষভাৱে সহায় কৰিছে। এইক্ষেত্রত নৰেশ্বৰ, নৰেন, লখু আদি চৰিত্রৰ কথা আঙুলিয়াব পাৰি। নৰেশ্বৰৰ ক্ষেত্রত সৰলতাই ভূষণ। সি জটিলতা বুজি নাপায়। সেয়েহে সৰল মনৰ নৰেশ্বৰে স্বামী বিয়োগত অকলশলৰীয়া হোৱা মালতীক বিভিন্ন ধৰণে সহায় কৰিছে। এনেধৰণৰ স্বভাৱসুলভ সৰলতাই উপন্যাসখনৰ কাহিনীভাগক অনন্য মাত্রা প্রদান কৰিছে।

- **লোকবিশ্বাস-লোকপৰম্পৰাৰ ছবি ঃ** উপন্যাসখনৰ বিভিন্ন অংশত লোকবিশ্বাস আৰু লোকপৰম্পৰাৰ ছৱিখন প্রকট হৈ উঠিছে। উপন্যাসখনৰ আৰম্ভণিৰ ফালে বেজ-বেজালি, কবিৰাজী চিকিৎসা, সামাজিক প্রসংগ আদিৰ মাজেদি সমাজত চলি থকা পৰম্পৰাগত ছবিখনে ভুমুকি মাৰিছে। চাহ বাগিচাৰ সমাজখনত প্রচলিত বিবাহকেন্দ্রিক গা ধন তথা বিভিন্ন দিশৰ মাজেদি এই লোকবিশ্বাস-লোকপৰম্পৰাৰ সার্থক প্রকাশ ঘটিছে।

- **খ্রীষ্টান ধর্মৰ প্রচাৰ ঃ** খ্রীষ্টান ধর্মৰ প্রচাৰ উপন্যাসখনৰ আন এটা উল্লেখযোগ্য দিশ। এণ্ড্রুজ পাদুৰীয়ে গাঁৱে গাঁৱে গৈ ধর্মীয় বাণী শুনাই খ্রীষ্টান ধর্মৰ প্রচাৰ আৰু প্রসাৰ কৰিছে। চাহ বাগিচাৰ সাধাৰণ মানুহবোৰে পাদুৰীৰ ধর্মীয় বাণী আপ্লুত হৈ পৰিছে।

- **অসমৰ গ্রাম্য সমাজৰ প্রতিফলন ঃ** উপন্যাসখন যদিও চাহ বাগিচাৰ পটভূমিত ৰচিত তথাপিও অসমীয়া গ্রাম্য সমাজ জীৱনৰ কেতবোৰ দিশে প্রকাশ লাভ কৰিছে। গ্রাম্য জীৱনত প্রচলিত কঠোৰ পৰম্পৰা, লোকবিশ্বাস আদিয়ে বিভিন্ন প্রসংগৰ সবল প্রকাশ ঘটাইছে। বিশেষকৈ গ্রাম্য সমাজত প্রচলিত পংকিলতা, নিষ্ঠুৰতা, মিথ্যা কলঙ্ক আৰু কদর্য ৰূপৰ প্রসঙ্গই উপন্যাসখনৰ মাজেদি প্রকাশ লাভ কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ২ *সেউজী পাতৰ কাহিনী* উপন্যাসখনৰ কাহিনী বিচাৰ কৰক।

প্রশ্ন ৩ *সেউজী পাতৰ কাহিনী* উপন্যাসখনত ঔপন্যাসিকে কেনেধৰণৰ চৰিত্রৰ চিত্রণ ঘটাইছে আলোচনা কৰক।

৬.৪ উপন্যাসখনত প্রতিফলিত অসমীয়া সমাজৰ চিত্র

সেউজী পাতৰ কাহিনী উপন্যাসত ঔপন্যাসিকে গ্রাম্য সমাজ জীৱনৰ ছবিখন খুব সুন্দৰভাৱে ফুটি উঠিছে। উপন্যাসত সমাজ জীৱনৰ নিষ্ঠুৰ আৰু কদর্য ৰূপটোৱে সুস্পষ্ট ৰূপত

প্ৰকাশ লাভ কৰিছে। অসমীয়া সমাজ সংস্কাৰৰ বিভিন্ন দিশত ফুটি উঠিছে। আমাৰ সমাজত দুই ধৰণৰ মানুহ থাকে। এচামে সমাজৰ প্ৰগতিত অৰিহণা যোগায় আৰু আন এচামে প্ৰগতিত অৰিহণা যোগোৱাসকলক কটু সমালোচনা কৰি সমাজ জীৱনত বিষবাষ্পৰ সৃষ্টি কৰে। আমাৰ আলোচ্য উপন্যাসখনত নৰেন, মালতী, নৰেশ্বৰ সমাজজীৱনৰ তেনে নিষ্ঠুৰতা আৰু কূটনীতিৰ পাকচক্ৰত বন্দী হয়।

বিয়াৰ পিছত কিছু দিন চহৰত থাকি পুনৰ গাঁৱলৈ ঘূৰি অহাৰ পিছত গাঁৱৰ জনহিতকৰ কামত মনোনিৱেশ কৰিলে। নৰেশ্বৰে উদ্যোগ লৈ গাঁৱৰ ডেকাসকলৰ সহযোগত দান-বৰঙণি তুলি গাঁৱৰ স্কুল ঘৰটো মেৰামতি কৰিলে। গাঁৱৰ ৰজাদিনীয়া পুখুৰীত ঠাহ খাই থকা পানী-মেটেকাখিনি পৰিষ্কাৰ কৰিলে। পুখুৰীটোৰ পানী-মেটেকাখিনি আঁতৰাই চফা কৰি দিয়াত গাঁৱৰ জীয়াৰীয়ে-বোৱাৰীয়ে পানী তুলিবলৈ সুবিধা হৈ পৰিল। সমাজৰ এনেধৰণৰ উন্নয়নমূলক কামত নৰেনৰ আগ্ৰহ দেখি গাঁওবাসীয়ে প্ৰশংসা কৰিছিল। নৰেনৰ কামত অভিভূত হৈ গাঁৱৰ সকলোৱে প্ৰশংসা কৰা বাবে সমাজৰ এচামে নৰেশ্বৰক হিংসাৰ চকুৰে চাইছিল। নৰেশ্বৰৰ বদনাম উলিয়াবলৈ প্ৰতি মুহূৰ্ততে তেওঁলোকে সুবিধা বিচাৰি আছিল। স্কুল ঘৰটোৰ মেৰামতিৰ বাবে তোলা চান্দাৰ হিচাপ নিদিয়া, ৰাজহুৱা কাম কৰাৰ অচিলাৰে লোকেল বৰ্ডৰ মেম্বাৰ হোৱাৰ অভিপ্ৰায় কৰা আদি নানানটা অভিযোগেৰে নৰেনক কটু সমালোচনা কৰিছিল। নিজৰ কথা নাভাবি কেৱল সমাজৰ হিতৰ কথা ভবা নৰেনে গাঁৱৰ এইচাম চকুচৰহা লোকৰ মিথ্যা সমালোচনাৰ বলি হৈ দুখত ভাগি পৰিছিল।

গাঁৱত নৰেনৰ শুভাকাংক্ষী আছিল মাথোন দেৱেশ্বৰ আৰু দেৱেশ্বৰৰ সম্পৰ্কীয় দুই-চাৰিজন গাঁৱৰ মুখিয়াল মানুহ। কল্যাণকামী এই ডেকাজনৰ কাম-কাজে দেৱেশ্বৰৰ অন্তৰ জয় কৰিছিল। দেৱেশ্বৰে নৰেনক গাঁৱৰ চকু চৰহা মানুহৰ কথাত কাণ নিদি সমাজৰ কল্যাণমূলক কাম কৰি যাবৰ বাবে বিভিন্ন ধৰণে উৎসাহিত কৰিছিল। নৰেনেও দেৱেশ্বৰৰ উৎসাহত দুগুণ মনোবলেৰে সমাজৰ কল্যাণৰ বাবে কাম কৰিছিল।

নৰেনৰ মৃত্যুৰ পাছত মালতীয়েও সমাজৰ অপবাদৰ বলি হ'ব লগা হৈছিল। নৰেনৰ মৃত্যুত অকলশৰীয়া দেৱেশ্বৰে মালতীক অকলশৰীয়া অনুভৱ কৰিবলৈ দিয়া নাছিল। মালতীক সকলো প্ৰকাৰে সহায়ৰ হাত আগবঢ়াইছিল। দেৱেশ্বৰৰ পুতেক নৰেশ্বৰেও মালতীক মাতৃস্নেহ জ্ঞান কৰি সকলো কামতে সহায় কৰিছিল। তাইৰ লগত হাঁহি-ধেমালি কৰি তাইৰ মনৰ দুখ আঁতৰোৱাৰ যত্ন কৰিছিল। মালতীক এনেদৰে সহায় কৰা কাৰ্যত গাঁৱৰ এচামে ভাল পোৱা নাছিল। দেৱেশ্বৰ আৰু নৰেশ্বৰে মালতীৰ আদৰ যত্ন লৈ থকাৰ বাবে গাঁৱৰ চৰিত্ৰহীন ডেকাবিলাকে মালতীৰ লগত কথাৰ চুপতি মাৰিবলৈ সুবিধা পোৱা নাছিল। তেওঁলোকৰ আশাত চেঁচাপানী পৰাত অপমানিত বোধ কৰি সেই নষ্ট চৰিত্ৰৰ ডেকাকেইজনে মালতী-নৰেশ্বৰৰ বদনাম উলিয়াইছিল। উপন্যাসত এই ঘটনা এনেদৰে বৰ্ণিত হৈছে—

"মানুহৰ মুখ বাগৰি সাধুকথা দীঘল হোৱাৰ দৰে ইটোৰ সিটোৰ পৰা মালতী নৰেশ্বৰৰ

সম্বন্ধ মনোৰঞ্জক হৈ বিয়াপি পৰিল। মালতী নৰেশ্বৰেনো কি কথা-বতৰা পাতে, কি কৰে, সময় অসময় নাই ছেগ বুজি তিৰোতাই ভুমুকিয়াই চাই যায়হি। পুৱা-গধূলি ল'ৰা-ছোৱালীক মালতীৰ ঘৰলৈ পঠিয়ায়— তাইনো নৰেশ্বৰৰ লগত কি কৰিছে তাৰ উমান ল'বলৈ।"

(সেউজী পাতৰ কাহিনী, পৃ. ২১)

এনেদৰে নৰেন, নৰেশ্বৰ আৰু মালতী সমাজৰ এচাম অসাধু লোকৰ অকাৰণ মিথ্যা অপবাদৰ বলি হ'বলগা হৈছিল।

৬.৫ উপন্যাসখনত প্রতিফলিত চাহবনুৱাসকলৰ জীৱন চর্যা আৰু সমাজ জীৱনৰ চিত্র

উপন্যাসখনৰ পটভূমি হৈছে চাহ বাগিচা আৰু চাহ বাগিচাত কাম কৰা সাধাৰণ শ্রমিক বনুৱাসকল। এওঁলোকে মুক্ত আৰু সহজ-সৰল জীৱন যাপন কৰে। আনৰ প্রতি সততে দয়া, আনৰ দুখত দুখী হ'ব জনা চাহ শ্রমিকসকলে মানুহক ভাল পাব জানে। 'মানুহে মানুহৰ বাবে' কথাষাৰ সিঁহতৰ ক্ষেত্রত খুবেই প্রযোজ্য। তেওঁলোকে বিপদত পৰা মানুহক সহায় কৰি ভাল পায়। কেতিয়াবা সৰু সৰু কথাত সিঁহতৰ মাজত দ্বন্দ্ব খৰিয়াল লাগিলেও পুনৰ একেলগে মিলা-প্রীতিৰে কাম কৰে। ঔপন্যাসিকে চাহ বনুৱাসকলৰ এই সহানুভূতিশীল আৰু দৰদী মনটোৰ বর্ণনা উপন্যাসত এনেদৰে দিছে—

"চাওঁ তোৰ পিঠিখন।"— ৰতৌৰ পিঠিত চনিয়াই হাত মোহাৰিলে; অলপ অলপ তেজ বাগৰি থকা পিঠিখনত গাৰ শাৰীৰ আঁচলটো লাহে লাহে থপৰিয়াই দিলে। চনিয়াৰ স্নেহৰ প্রলেপত ভালেখিনি বিষ উপশম হোৱাত ৰতৌ শান্তিত নীৰৱ হ'ল।

(সেউজী পাতৰ কাহিনী, পৃ. ১২৫)

চাহ বাগিচাৰ বনুৱাসকলৰ জীৱন চর্যা অতি সাধাৰণ। আর্থিক দৈন্যতাই সিঁহতক সকলো সময়তে কোঙা কৰি ৰাখে। অর্থৰ অভাৱৰ বাবে, দুবেলা দুমুঠি গোটাবৰ বাবে সিঁহতে কঠোৰ পৰিশ্রম কৰে। সিঁহতৰ বাবে শিক্ষা-দীক্ষা আহৰণ কৰাতকৈ পইচা উপার্জন কৰাটো বেছি প্রয়োজনীয়। সেয়ে তেওঁলোকে তেওঁলোকৰ সন্তানক স্কুললৈ পঠোৱাৰ পৰিৱর্তে কাম কৰিবলৈ পঠায়। সিঁহতৰ সন্তানক সৰুৰে পৰা কঠোৰ পৰিশ্রম কৰিবলৈ শিকায়। সিঁহতৰ সমাজত এটাই পৰম্পৰা বছৰ বছৰ ধৰি চলি আহিছে। সেয়া হ'ল— ল'ৰা জন্ম ল'লে ডবল কোৰ মাৰিব লাগিব আৰু ছোৱালী হৈ জন্ম ল'লে চাহ পাত ছিঙিব লাগিব। অর্থাৎ সিঁহতৰ চাহ বাগিচাৰ কামেই মুখ্য আৰু আনহাতে পঢ়াৰ কাম গৌণ। এইটোৱেই সিঁহতৰ পুৰুষানুক্রমিকভাৱে চলি অহা পৰম্পৰা। এই পৰম্পৰাই বাগিচাৰ কর্তৃপক্ষ, চাহাবসকলকো উপকৃত কৰিছিল। কাৰণ তেওঁলোকে চাহ বনুৱাৰ ওপৰত নিঃসংকোচে শোষণ বঞ্চনা কৰি অর্থনৈতিকভাৱে অধিক লাভান্বিত হ'ব পাৰিছিল। সেয়ে তেওঁলোকে চাহ বনুৱাৰ শিক্ষা-দীক্ষাৰ দিশটোত গুৰুত্ব দিয়া নাছিল। আমাৰ আলোচ্য এই উপন্যাসখনতো চাহ বনুৱা সকলৰ মাজত প্রচলিত এই পৰম্পৰাৰ সুন্দৰ প্রকাশ ঘটিছে।

চাহ বনুৱাসকলে জন্মৰ পৰা মৃত্যুলৈকে চাহ বাগিচাৰ মাজত অতিবাহিত কৰিছে। চাহ বাগিচাৰ সেউজীয়া জীৱনটোৰ লগত বনুৱা শ্ৰমিকসকলৰ সম্পৰ্ক অতি মধুৰ। একো একোখন সেউজীয়া চাহ বাগিচাৰ স্থাপনৰ পৰা আৰম্ভ কৰি চাহপাত বিক্ৰিৰ বাবে পেকিং কৰি জাহাজত উঠোৱালৈকে এই সকলো কামত বনুৱাসকলৰ অপৰিসীম কষ্ট আৰু ত্যাগ জড়িত হৈ থাকে। যাৰ বাবে তেওঁলোকে প্ৰতিজোপা চাহ গছ নিজৰ সন্তানৰ দৰেই আপডাল কৰে। ঔপন্যাসিকে চাহ বনুৱা আৰু চাহ বাগিচাৰ মাজৰ সম্পৰ্কটো এনেদেৰে বৰ্ণনা কৰিছে—

'... প্ৰত্যেকজোপা চাহগছৰ লগতে আমাৰ তেজ মঙহৰ সম্বন্ধ; আই-বোপাই-দদাই-খুড়াৰ জীৱনৰ সুখ-দুখ, আনন্দ পৰিশ্ৰম সকলো চাহ গছৰ গুৰিতেই সাৰ হৈ আছে।"

(সেউজী পাতৰ কাহিনী, পৃ. ৩৭)

চাহ বনুৱাসকলৰ বাবে শণিবাৰৰ দিনটো বৰ আনন্দৰ দিন। কাৰণ শণিবাৰৰ দিনা বনুৱাসকলে মজুৰি লাভ কৰে। মজুৰি পোৱাৰ পিছত সিঁহতৰ মুখবোৰ আনন্দত উজ্জ্বলি উঠে। সেই দিনা কোনো যদি দৌৰে মদৰ দোকানলৈ, কোনো আকৌ দৰে বজাৰত বিভিন্ন ধৰণৰ অলংকাৰ কিনিবলৈ, কোনো কোনো আকৌ দৌৰে চাৰ্কাচ চাবলৈ। দেউবাৰৰ সাপ্তাহিক বজাৰখনত উন্মুক্ত হৈ ঘূৰে। উপন্যাসত চাহ বনুৱাসকলৰ এই উৎসাহ, আনন্দৰ সুন্দৰ বৰ্ণনা পোৱা যায়—

"সপ্তাহৰ ধন হাতত পৰিলেই কোনো লৰ মাৰে দেশী মদৰ দোকানলৈয বটলে বটলে পানী মিহলোৱা মদ ফুলি চাৰাপ খাই দেহ-মন মতলীয়া নোহোৱালৈকে ঘৰলৈ নোভোতে, মাজনিশা ঢলং পলংকৈ আহি কোনোমতে মাটিয়ে-বালিয়ে পৰি থাকে। চাৰাপ খাই সপ্তাহটোৰ পৰিশ্ৰম, অভাৱ-অনাটন পাহৰি পুৰা ভালেমান পৰলৈকে অজ্ঞান হৈ শুই থাকে।"

চাহ বনুৱাসকলৰ সমাজ ব্যৱস্থা মুক্ত যৌনতা, প্ৰেম আদিৰ পয়োভৰ থাকিলেও জাতিভেদৰ প্ৰভাৱৰ পৰা মুক্ত নহয়। তাৰোপৰি চাহ জনাজাতিৰ সমাজত বিয়াৰ ক্ষেত্ৰত দৰা পক্ষই কন্যা পক্ষক গা ধন দিব লাগে। মহুৱাক ফেঁকুলৈ বিয়া দিয়াৰ বাবে তাইৰ মোমায়েকে খোজা গা ধন, লখু-ৰাধুৰ বিয়াৰ বাবে চনিয়াই ৰাধুৰ দেউতাকক দিয়া পণ, কালীচৰণে জীয়েকক এতোৱালৈ বিয়া দিবলৈ খোজা গা ধন আদিৰ মাজেদি চাহ বনুৱাসকলৰ সামাজিক ৰীতি-নীতিৰ ছবিখন সুন্দৰকৈ ফুটি উঠিছে।

চাহ বনুৱাসকলৰ সমাজ জীৱনৰ আটাইতকৈ মন কৰিবলগীয়া দিশটো হ'ল সমাজৰ বন্ধনহীনতা। গাঁৱৰ পৰম্পৰাগত কঠোৰ ৰীতি-নীতিৰ পৰিৱৰ্তে বনুৱাসকলৰ সমাজ ব্যৱস্থাত সম্পূৰ্ণ মুক্ত জীৱনৰ প্ৰতিফলন ঘটা দেখিবলৈ পোৱা যায়। বাগিচাৰ প্ৰতিগৰাকী মতা-তিৰোতাই নিজৰ ইচ্ছা-পচন্দ মতে জীৱন উপভোগ কৰে। সিঁহতৰ মাজত যৌন বিষয়ক প্ৰসঙ্গবোৰ অতি সুলভ। সিঁহতৰ বাবে জীৱনটো সুকীয়া। জীৱনটো ৰং ৰহইচৰ মাজেৰে পাৰ কৰি সিঁহতি ভাল পায়। সেয়ে আলোমণিয়ে সুখৰামৰ পত্নী হৈয়ো বুধুৰ সৈতে নিঃসংকোচে যৌন সম্পৰ্ক কৰিছে। আলোমণিৰ এই কাৰ্যত সুখৰামে সম্পূৰ্ণৰূপে সন্মতি দিছে।

চাহ জনজাতিৰ সমাজত পৰিলক্ষিত হোৱা আন এটা দিশ হ'ল— সিঁহতৰ মাজত পতি-পত্নীৰ সম্পৰ্কৰ বান্ধোন একেবাৰে থুনুকা। মতাই নিজৰ তিৰোতাক আন তিৰোতাৰ কাষ চপা আৰু তিৰোতাইও নিজৰ মতাক এৰি বেলেগ মতালৈ গুছি যোৱা কথাটো চাহ বনুৱাসকলৰ মাজত তেনেই সাধাৰণ কথা। আমাৰ আলোচ্য উপন্যাসখনত বর্ণিত জখৌ আৰু তাৰ পত্নী, মোংগ্রা-ফান্দো-ৰূপচিং আদি চাহ বনুৱা পুৰুষ নাৰীসকলৰ প্রসংগ মনকৰিবলগীয়া।

চাহ বনুৱা সকলৰ মাজত বিভিন্ন বিষয়ক লোকবিশ্বাসৰ প্রকাশ ঘটা দেখিবলৈ পোৱা যায়। তেওঁলোকে দেও-ভূত, আৰু দেৱতাৰ স্থিতি বিশ্বাস কৰে। বিভিন্ন কাম সম্পাদন কৰাৰ সময়ত দেও-ভূত, দেৱতাক সন্তুষ্ট কৰিবলৈ চাহ বনুৱাসকলে কুকুৰা-ছাগলী আদি বলি দি পূজা অর্চনা কৰাৰ বর্ণনা উপন্যাসখনত পোৱা যায়।

চাহ বনুৱা সকলৰ সমাজত তিৰোতাৰ স্থিতিটো বিশেষ শক্তিশালী নহয়। তিৰোতাই পুৰুষৰ সম স্থিতি লাভ কেতিয়াও লাভ নকৰে। বাগিচাত দিনৰ দিনটো কঠোৰ পৰিশ্রম কৰি অহাৰ পিছতো ঘৰত আহি গিৰিয়েকক ৰান্ধি-বাঢ়ি খুৱাব লাগিব। তাকে নকৰিলে পুৰুষজনে পত্নীৰ ওপৰত শাৰীৰিক নির্যাতন চলায়। চাহ জনজাতি সমাজত প্রতিফলিত পুৰুষতান্ত্রিক মানসিকতা আৰু নাৰীৰ অৱদমিত স্থিতিৰ সুন্দৰ প্রকাশ ঘটিছে উপন্যাসখনত। ঔপন্যাসিকে বুধুৰ সংলাপৰ মাজেৰে এই ছবিখন এনেদৰে চিত্রিত কৰিছে-

"আমাৰ মানুহে গোসাঁনি পূজা কৰে; ইপিনে তিৰোতাজনী ঘৰলৈ অনা দিনৰে পৰা বেটীৰ দৰে খটুৱাব; ফলীয়া বাঁহৰ কোবত হাড় ডাল ডাল কৰিব।"

এনেদৰেই ঔপন্যাসিকে সেউজী পাতৰ কাহিনী শীর্ষক উপন্যাসখনৰ মাজেদি চাহ বনুৱাসকলৰ জীৱন চর্যা আৰু সমাজ জীৱনৰ ছবিখন সুন্দৰকৈ ফুটাই তুলিছে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ *সেউজী পাতৰ কাহিনী* উপন্যাসখনৰ মাজেদি ঔপন্যাসিকে চাহ জনজাতিৰ সমাজ জীৱনৰ ছবিখন কেনেকৈ অংকন কৰিছে আলোচনা কৰক।

৬.৬ উপন্যাসৰ ভাষা

উপন্যাসখনৰ উপস্থাপন শৈলী অতি আকর্ষণীয়। কাহিনীভাগ গতিশীল কৰি তুলিবলৈ উপন্যাসখনত বাচকবনীয়া ভাষাৰ প্রয়োগ কৰিছে। অসমীয়া ফকৰা-যোজনা, উপমা, প্রবাদ-পটন্তৰ, ঘৰুৱা শব্দ, ইংৰাজী-অসমীয়া মিশ্রিত ভাষাৰ শব্দৰ প্রয়োগ, দেশী-বিদেশী শব্দৰ প্রয়োগ আদিয়ে উপন্যাসখনৰ সৌন্দর্য দুগুণে বৃদ্ধি কৰিছে। উদাহৰণস্বৰূপে—

উপমা ঃ *"মেমৰ চকু-মুখ ম'হৰ গাখীৰৰ চামনিৰ দৰে ভয়, ঈষৎ হালধীয়া হৈছে।"*

(সেউজী পাতৰ কাহিনী, পৃ.১)

আলংকাৰিক ভাষা ঃ *''পক্ষীৰাজ ঘোঁৰাত উঠি সি স্বৰ্গৰাজ্যলৈ যাত্ৰা কৰিলে।''*

(সেউজী পাতৰ কাহিনী, পৃ. ৬)

ঘৰুৱা শব্দ ঃ *''...কাষত দেখা দিয়া জোনটোৱে বগুৱা বাই বাই থুপলতা তৰাৰ মাজত সোমাল।''*

(সেউজী পাতৰ কাহিনী, পৃ. ৯)

এনেদৰে বৈচিত্র্যময় ভাষাৰ প্রয়োগেৰে ঔপন্যাসিক ৰাষ্ণা বৰুৱাই (বিৰিঞ্চি বৰুৱা) 'সেউজী পাতৰ কাহিনী উপন্যাসখনক অনন্য মাত্রা প্রদান কৰিছে।



৬.৭ অধ্যায়টোৰ পৰা আমি কি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নৰ মাজেদি আমি উপন্যাসখনৰ কাহিনীৰ বিষয়ে এটা সাধাৰণ ধাৰণা লাভ কৰিলোঁ। চাহ বাগিচাৰ পটভূমিক কেন্দ্র হিচাপে লৈ ৰচনা কৰা 'সেউজী পাতৰ কাহিনী' উপন্যাসখনত চাহ জনজাতিৰ লোকৰ জীৱনচর্যাৰ লগতে আনুষংগিক বিভিন্ন ঘটনা-পৰিঘটনাৰ বিষয়ে অৱগত হ'লো।
- উপন্যাসখনৰ মাজত প্রতিফলিত হোৱা চৰিত্র চিত্রণ আৰু বৈশিষ্ট্য সম্পর্কে এক সুস্পষ্ট ধাৰণা পালো। চৰিত্র চিত্রণৰ ক্ষেত্রত দেখা যায় যে উপন্যাসখনত মুঠ আশীটাৰো (৮০) অধিক চৰিত্র চিত্রিত হৈছে। তাৰ ভিতৰত নৰেশ্বৰ আৰু চনিয়া কেন্দ্রীয় চৰিত্র।
- উপন্যাসখনৰ পটভূমি যদিও চাহ বাগিচাকেন্দ্রিক, তথাপিও উপন্যাসখনৰ মাজেদি মূলতঃ নৰেশ্বৰ আৰু চনিয়াৰ প্রেম কাহিনী আৰু নৰেশ্বৰ জীৱন কাহিনীৰ প্রকাশত প্রধানভাৱে গুৰুত্ব দিয়া হৈছে।
- উপন্যাসখনত ইংৰাজ বিষয়া-চাহাবসকলে চাহ বনুৱা লোকসকলক কৰা শোষণ-বঞ্চনাৰ ছবিখন সাকাৰ ৰূপত মূর্ত হৈ উঠিছে।
- উপন্যাসখনৰ মাজেদি অসমীয়া গ্রাম্য সমাজ, চাহ বনুৱাসকলৰ জীৱন চর্যা আৰু সমাজ জীৱনৰ বিবিধ দিশৰ ছবিৰ সুন্দৰ প্রকাশ ঘটিছে।
- উপন্যাসখনৰ মাজেদি নাৰীৰ সামাজিক স্থিতি প্রকাশিত হোৱাৰ লগতে দুখন নাৰী সমাজৰ সুন্দৰ চিত্রণ ঘটিছে।
- ভাষাৰ ক্ষেত্রত উৎকৃষ্ট শব্দচয়ন, উপমা, প্রবাদ-প্রবচন, জতুৱা ঠাঁচ, মিশ্রিত ভাষা আদিৰ সার্থক প্রয়োগ উপন্যাসখনৰ গুৰুত্বপূর্ণ দিশ।



৬.৮ অধিক জানিবলৈ

(১) ঠাকুৰ নগেন (সম্পা.) (২০০০); *এশ বছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটীঃ জ্যোতি প্ৰকাশন।

(২) বৰা, সোমনাথ (সম্পা.) (২০০৯); *বিৰিঞ্চি কুমাৰ বৰুৱা অধ্যয়ন;* নগাঁওঃ ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা মহাবিদ্যালয়

(৩) বৰুৱা, ৰাজ্ঞা (১৯৫৯); *সেউজী পাতৰ কাহিনী;* ডিব্ৰুগড় ঃ বনলতা প্ৰকাশন।

(৪) ভৰালী শৈলেন (২০০৪); *উপন্যাস বিচাৰ আৰু বিশ্লেষণ;* গুৱাহাটীঃ চন্দ্ৰ প্ৰকাশ।



৬.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ উপন্যাসখনত প্ৰতিফলিত হোৱা বিভিন্ন দিশৰ এটি সাধাৰণ আভাস দিব। (উপন্যাসৰ সহায় ল'ব)

২ নং প্ৰশ্নৰ উত্তৰ ঃ নৰেশ্বৰ-চনিয়াৰ প্ৰেম কাহিনী.... মিঃ মিলাৰ আৰু মিছেছ মিলাৰৰ লগত নৰেশ্বৰৰ সংযোগ, মিছেছ মিলাৰৰ বয় হিচাপে নৰেশ্বৰৰ কাৰ্য ক্ৰমণিকা, চাহ বনুৱাৰ সমাজ জীৱন, গ্ৰাম্য সমাজ জীৱন... আদিৰ বৰ্ণনা দিব। (উপন্যাসৰ সহায় ল'ব)

৩ নং প্ৰশ্নৰ উত্তৰ ঃ উপন্যাসখনত প্ৰতিফলিত হোৱা চৰিত্ৰবোৰৰ বিষয়ে আলোচনা কৰিব। (উপন্যাসৰ সহায় ল'ব)

৪ নং প্ৰশ্নৰ উত্তৰ ঃ চাহ বনুৱাসকলৰ সাধাৰণ জীৱন চৰ্যা, লোকবিশ্বাস, লোক পৰম্পৰা, সমাজ জীৱনৰ বিভিন্ন দিশ ইত্যাদি দিশবোৰৰ বিষয়ে আলোচনা কৰিব। (উপন্যাসৰ সহায় ল'ব)



৬.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ *সেউজী পাতৰ কাহিনী* উপন্যাসখনৰ নামকৰণৰ তাৎপৰ্য বিচাৰ কৰক।

প্ৰশ্ন ২ ঃ "উপন্যাসখনত বহু চৰিত্ৰৰ সমাবেশ ঘটিছে যদিও নৰেশ্বৰ আৰু চনিয়াৰ প্ৰেম কাহিনীয়েই উপন্যাসখনৰ মুখ্য উপজীব্যৰ ভূমিকা পালন কৰিছে"— এই মন্তব্যৰ আধাৰত নৰেশ্বৰ আৰু চনিয়াৰ চৰিত্ৰটো বিশ্লেষণ কৰক।

প্ৰশ্ন ৩ ঃ *সেউজী পাতৰ কাহিনী* উপন্যাসখনত অসমীয়া গ্ৰাম্য জীৱনৰ ছবিখন কেনেদৰে প্ৰকাশিত হৈছে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ *সেউজী পাতৰ কাহিনী* উপন্যাসখনত প্ৰতিফলিত সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্রশ্ন ৫ ঃ *সেউজী পাতৰ কাহিনী* উপন্যাসখনৰ মাজেদি ইংৰাজ চাহাবসকলে সাধাৰণ চাহ বনুৱাক কি দৰে শোষণ-নিষ্পেষণ-আৰু অত্যাচাৰ কৰিছে এক আলোচনা যুগুত কৰক।

প্রশ্ন ৬ ঃ *সেউজী পাতৰ কাহিনী* উপন্যাসখনত ভাষাৰ প্রয়োগ কিদৰে ঘটিছে আলোচনা কৰক।

প্রশ্ন ৭ ঃ উপন্যাসখনত নাৰীৰ সামাজিক স্থিতিৰ প্রসঙ্গটো কেনেদৰে প্রকাশিত হৈছে আলোচনা কৰক।

*** ***** ***

অধ্যায় ৭ ঃ চৈয়দ আব্দুল মালিক ঃ *জীয়া জুৰিৰ ঘাট-১*

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ চৈয়দ আব্দুল মালিক ঃ জীৱন আৰু কৃতি
৭.৪ চৈয়দ আব্দুল মালিকৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ
৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৬ অধিক জানিবলৈ
৭.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৭.৮ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- কথাশিল্পী চৈয়দ আব্দুল মালিকৰ জীৱন আৰু কৃতিৰ লগত পৰিচিত হ'ব পাৰিব
- কথাশিল্পী চৈয়দ আব্দুল মালিকৰ কথা সৃষ্টিসমূহৰ বিষয়ে জানিব পাৰিব
- চৈয়দ আব্দুল মালিকৰ উপন্যাসৰাজিৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা আগবঢ়াব পাৰিব।

৭.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি বিৰিঞ্চি কুমাৰ বৰুৱাৰ *সেউজী পাতৰ কাহিনী*নামৰ উপন্যাসখনৰ বিষয়ে পঢ়িলে। এই অধ্যায়টোত আপুনি কথাশিল্পী চৈয়দ আব্দুল মালিকৰ এখন সামাজিক উপন্যাস *জীয়া জুৰিৰ ঘাটৰ* বিষয়ে পঢ়িবলৈ পাব।

৭.৩ চৈয়দ আব্দুল মালিক ঃ জীৱন আৰু কৃতি

আধুনিক অসমীয়া কথা সাহিত্যৰ ইতিহাসত চৈয়দ আব্দুল মালিকৰ এখন নিগাজি আসন আছে। ১৯১৯ চনৰ ১৫ জানুৱাৰী তাৰিখে গোলাঘাট জিলাৰ নাহৰণি গাঁৱৰ চৈয়দ ৰহমৎ আলিৰ ঔৰষত আৰু চৈয়দা লুৎফুন্নিছাৰ গৰ্ভত চৈয়দ আব্দুল মালিকৰ জন্ম হয়। ৩৩নং নাহৰণি নিম্ন বুনিয়াদী বিদ্যালয়ৰ পৰা বৃত্তি সহ উত্তীর্ণ হৈ তেওঁ দেৰগাঁওৰ মজলীয়া বিদ্যালয়ত পঢ়িবলৈ যায়। তাৰ পাছত ১৯৩৭ চনত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা প্রৱেশিকা পৰীক্ষাত উত্তীর্ণ হৈ ১৯৩৯ চনত যোৰহাট কলেজৰ পৰা আই.এ. পৰীক্ষাত উত্তীর্ণ হয়। ১৯৪১ চনত তেওঁ ইংৰাজী বিষয়ত অনার্ছ সহ কটন মহাবিদ্যালয়ৰ পৰা স্নাতক উপাধি লাভ কৰে। ১৯৫১ চনত তেওঁ

গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা অসমীয়াত স্নাতকোত্তৰ উপাধি লাভ কৰে। তেওঁ কিছু দিনৰ বাবে গোলাঘাটৰ ঢেকিয়াল হাইস্কুলত সহকাৰী শিক্ষক হিচাপে যোগদান কৰি ১৯৫১ চনত জগন্নাথ বৰুৱা মহাবিদ্যালয়ত প্ৰবক্তা হিচাপে যোগদান কৰে। ১৯৭৬ চনত তেওঁ চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে।

চুটিগল্প ৰচনাৰ ক্ষেত্ৰত তেওঁ ৰুছ দেশৰ এণ্টন চেকভ আৰু ফৰাচী দেশৰ গিদ্ মোপাছাৰ দ্বাৰা প্ৰভাৱিত হৈছিল। নিজৰ বিপুল ৰচনা সম্ভাৰেৰে অসমীয়া সাহিত্যক ধন্য কৰা সাহিত্যিক চৈয়দ আব্দুল মালিকে ষাঠিখনতকৈও অধিক উপন্যাস ৰচনা কৰি থৈ গৈছে। কিতাপ আকাৰে সৰহভাগ উপন্যাস প্ৰকাশিত হৈছে যদিও কিছুমান বিশেষ সংখ্যাৰ বাতৰি কাকত আৰু আলোচনী আদিতো প্ৰকাশিত নোহোৱাকৈ থকা নাছিল। তদুপৰি তেওঁ ভালে সংখ্যক চুটিগল্প লিখিছিল। নাটক, কবিতা, প্ৰবন্ধ, ব্যঙ্গ ৰচনা, জীৱনী ৰচনা, ইত্যাদি বিভিন্ন ক্ষেত্ৰত মালিকৰ কৃতিত্ব অসামান্য। আহকচোন, আমি এতিয়া তেওঁৰ সেই কৃতিসমূহৰ লেখ লওঁ—

- **গল্প পুথি ঃ** মালিকে ৰচনা কৰা অসংখ্য চুটিগল্প কেইবাখনো গল্প সংকলনত সন্নিৱিষ্ট হৈছে। তাৰে কেইখনমান হৈছে ক্ৰমে— ক) *পৰশমণি* (১৯৮৬), খ) *ৰঙাগড়া* (১৯৪৩-৮৮), গ) *মৰহা পাপৰি* (১৯৫৪), ঘ) *শিখৰে শিখৰে* (১৯৬৩), ঙ) *অন্ধকুপ* (১৯৭৭)। ইয়াৰ উপৰি তেওঁৰ অন্যান্য চুটিগল্পৰ সংকলন হৈছে *তিনিচকীয়া গাড়ী, হাঁহি আৰু চকুলো*, ইত্যাদি।
- **উপন্যাস ঃ** আধুনিক অসমীয়া গদ্য সাহিত্যৰ ক্ষেত্ৰত সৰ্বাধিক উপন্যাস ৰচনা কৰা লেখকজনৰ কথা সুধিলে আমি কথাশিল্পী চৈয়দ আব্দুল মালিকৰ নাম ল'ব লাগিব। তেওঁৰ উপন্যাসসমূহৰ ভিতৰত ভালে সংখ্যক উপন্যাস ছপা হৈ ওলাইছে। সেই সমূহ হৈছে ক্ৰমে — ল.সা.গু (প্ৰথম *বাঁহী* আলোচনীৰ ১৯৪৫-৪৬ চনত ছোৱা-ছোৱাকৈ প্ৰকাশ, পাছত *ওমলা ঘৰৰ ধূলি* নামেৰে ১৯৬৪ চনত ছপা ৰূপেৰে প্ৰকাশ), *বনজুই* (১৯৪২), *ৰথৰ চকৰি ঘূৰে* (১৯৫৮), *তীৰ্থযাত্ৰী* (প্ৰথম খণ্ড, ১৯৫০), *ছবিঘৰ* (১৯৫৮), *মাটিৰ চাকি* (১৯৫৯), *সূৰ্যমুখীৰ স্বপ্ন* (১৯৬০), *জীয়া জুৰিৰ ঘাট* (১৯৬০), *অন্য আকাশ অন্য তৰা* (১৯৬২), *ৰূপতীৰ্থৰ যাত্ৰী* (১৯৬৩), *শিখৰে শিখৰে প্ৰথম খণ্ড* (১৯৬৩), *ৰজনীগন্ধাৰ চকুলো* (১৯৬৪), *ৰূপতীৰ্থৰ যাত্ৰী* (২য় খণ্ড, ১৯৬৫), *মোৰ বাবে নুৰুৱা তুমি মালতী ফুল* (১৯৬৬), *আধাৰশিলা* (১৯৬০), *ত্ৰিশূল* (১৯৬৮), *প্ৰাচীৰ আৰু প্ৰান্তৰ* (১৯৬৮), *জয়া মণিকা ইত্যাদি* (১৯৬৮), *অঘৰী আত্মাৰ কাহিনী* (১৯৬৯), *বিহ মেটেকাৰ ফুল* (১৯৬৯), *কবিতাৰ নাম লাভা* (১৯৫৬), *শৰীৰত একুৰা জুই* (১৯৭০), *অমৰ মায়া* (১৯৭০), *অন্য নাম মৃত্যু* (১৯৭০), *উঁই হাফলু* (১৯৭১), *অগ্নিগৰ্ভা* (১৯৭১), *খোৰা নিদান* (১৯৭১), *প্ৰাণ সমুদ্ৰ* (১৯৭২), *সোণালী সূতাৰে বন্ধা* (১৯৭২), *এটা সূৰ্য, দুখন নদী আৰু এখন মৰুভূমি* (১৯৭২), *সিপাৰে প্ৰাণ সমুদ্ৰ* (১৯৭২), *পহুমৰা হাবিৰ বাট* (১৯৭৩), *মন জেতুকাৰ পাত* (১৯৭৩), *জেতুকা পাতৰ দৰে* (১৯৭৩), *নল বিৰিণা খাগৰি* (১৯৭৩), *ড° অৰুণাভৰ অসম্পূৰ্ণ জীৱনী* (১৯৭৭),

একা বেঁকা বৃত্ত (১৯৭৫), *অন্ধকূপ* (১৯৭৭), *আৱর্ত্ত* (১৯৭৮), *ৰূপাৱৰিৰ পলস* (১৯৮০), *ফাগুণৰ শেষ হাঁহি* (১৯৮৪), *স্বপ্নভংগ* (১৯৮৫), *মৌ-ডিমৰুৰ কোঁহ* (১৯৮৫), *কেৱল প্রেমেৰেই যদি* (১৯৮৫), *নিঃসঙ্গ মৌপিয়াৰ গীত* (১৯৮৫), *এটা ধূমকেতুৰ শৰশয্যা* (১৯৮৭), *গাঁথনিৰ তেজৰ কঁৰাল* (১৯৮৮), *স্বাতী নক্ষত্রৰ ভস্ম* (১৯৮৮), *সুমেৰু-কুমেৰু আৰু এটা বাঁহী, ভূমি চম্পাৰ কপালৰ সেন্দূৰৰ ফোঁট* (১৯৮৮), *ধন্য নৰ তৰু ভাল* (১৯৮১), *অন্য যুগ ভিন্ন তীর্থ* (১৯৮৮), *উভতি অহাৰ গান* (১৯৮৯), *বন্দৰ, কামিজ, বেলুন* (১৯৯১), *মৰহা পাপৰি* (তৃতীয় সংস্কৰণ, ১৯৯৪), *মনুষ্যত্বৰ মৰিশালি* (১৯৯৪), *ফুলনি-বাৰীত বজ্রপাত* (১৯৯৬), *মুনি-চুলিৰ চকা-চমকা* (১৯৯৬), *মই মৰিনো নেযাওঁ কিয়?* (১৯৯৭), *আপোন আপোন স্বর্গ* (১৯৯৮), *নিজৰাৰ বুকুত জ্বলা জুইৰ শিখা* (১৯৯৮), *প্রেম অমৃত নদী* ইত্যাদি।

- **নাটক ঃ** *ৰাজদ্রোহী* (১৯৫৭), *মকৰাজান* (১৯৬৪), *অন্ধকূপ* (১৯৭৭)।
- **অনাতাঁৰ নাটক ঃ** *সূৰৰ দেৱতা* (প্রচাৰ, ১৯৪৮), *আধা অঁকা ছবি* (প্রচাৰ, ১৯৫২, প্রকাশ ১৯৮৪), ইত্যাদি।

মালিকৰ সর্বমুঠ ৫টা কবিতা সঙ্কলন আছে। তাৰ ভিতৰত মালিকৰ উল্লেখ্যযোগ্য কাব্য পুথি এখনৰ নাম *বেদুইন*। প্রকাশৰ চন ১৯৪৮। তদুপৰি তেওঁৰ কেইবাখনো জীৱনী, ভ্রমণ কাহিনী, আত্মজীৱনীমূলক গ্রন্থ, প্রৱন্ধ পুথি, গীতৰ সঙ্কলন, শিশু গ্রন্থ, হাস্য-ব্যঙ্গৰ ৰচনা আৰু অনূদিত গ্রন্থ আছে। তেওঁৰ জীৱনীমূলক গ্রন্থৰ ভিতৰত *হজৰত মহমদৰ জীৱন কাহিনী* উল্লেখযোগ্য। আত্মজীৱনীমূলক গ্রন্থ *মোৰ জীৱনৰ নহ'লবোৰ্ক্ষ* মাজেদি বহুমুখী ব্যক্তিত্বৰ অধিকাৰী মালিকৰ ব্যক্তিগত জীৱনৰ পোৱা-নোপোৱাবোৰৰ খতিয়ান ল'ব পাৰো। *চুফী আৰু চুফীবাদ* শীর্ষক প্রৱন্ধ পুথিখনৰ মাজেদি তেওঁৰ মাজত নিহিত থকা তত্ত্বদর্শী, গভীৰ মনা চিন্তাশীল লেখক গৰাকীয়ে আত্মপ্রকাশ কৰিছে। একে কথা তেওঁৰ গৱেষণামূলক গ্রন্থ *অসমীয়া জিকিৰ আৰু জাৰীৰ* ক্ষেত্রতো প্রযোজ্য হয়। *ৰাইজৰ মুখৰ মাত* মালিকৰ আন এখন পাণ্ডিত্যপূর্ণ গ্রন্থ। শিশুসকলৰ বাবে কৰা সৃষ্টিৰ ভিতৰত *কোৰাণ চৰিফৰ সাৰ কথা, আগলৈ পাছলৈ তললৈ ওপৰলৈ* উল্লেখযোগ্য। তেওঁৰ হাস্য-ব্যঙ্গৰ পুথিৰ মাজেদি সমসাময়িক সমাজখনক সমালোচনাৰ দৃষ্টিৰে চোৱাৰ লগতে পাঠকক কিছুমান বিশেষ সামাজিক বিসংগতিৰ প্রতিও সজাগ কৰি তুলিছিল। তেওঁৰ এখন উল্লেখযোগ্য ব্যঙ্গ-ৰচনাৰ পুথি হৈছে— *অকথ্য-অশ্রাব্য*। তেওঁ গীত ৰচনাত হাত দিয়াৰ লগতে অনুবাদ কর্মতো জড়িত আছিল।

অসমৰ সাহিত্যাকাশৰ এইটি উজ্বল জ্যোতিষ্কই জীৱনৰ খলা-বমা দেখাৰ লগতে ৰাইজৰ মৰম-চেনেহ আৰু স্বীকৃতিও লাভ কৰিছিল। চৈয়দ আব্দুল মালিকে তেওঁৰ উপন্যাস *অঘৰী আত্মাৰ কাহিনী*ৰ বাবে ১৯৭২ চনৰ সাহিত্য অকাদেমি বঁটা লাভ কৰিছিল। তেওঁ অসম সাহিত্য সভাৰ ১৯৭৭ চনত অনুষ্ঠিত অভয়াপুৰী অধিৱেশনৰ সভাপতি আছিল। তেওঁ ৰাজ্যসভাৰ সদস্য পদ লাভ কৰিছিল (১৯৮৩)। চৈয়দ আব্দুল মালিকক ভাৰত চৰকাৰে ১৯৮৪ চনত 'পদ্মশ্রী' সন্মান আগবঢ়াইছিল। ডিব্রুগড় বিশ্ববিদ্যালয়ে তেওঁক ১৯৮৮ চনত সন্মানীয় ডি.লিট. উপাধি

প্রদান কৰিছিল। ১৯৯২ চনত তেওঁ ভাৰত চৰকাৰৰ পদ্মভূষণ সন্মান লাভ কৰে। তাৰ এবছৰ বিৰতিৰ পিছত তেওঁ ১৯৯৪ চনৰ 'অসম উপত্যকা সাহিত্য বঁটা' লাভ কৰে। ১৯৯৫ চনত তেওঁ অসম চৰকাৰৰ 'আজান পীৰ বঁটা' আৰু 'শঙ্কৰদেৱ বঁটা' লাভ কৰে। অসম সাহিত্য সভাই ১৯৯৭ চনত তেওঁক 'সাহিত্যাচার্য' উপাধি প্রদান কৰে। ১৯৯৯ চনত তেওঁ 'সাহিত্য অকাদেমিৰ ফেলোশ্বিপ' লাভ কৰে।২০০০ চনৰ ২০ ডিচেম্বৰ তাৰিখে যোৰহাটস্থিত বাসভৱনত তেওঁ শেষ নিশ্বাস ত্যাগ কৰিছিল। ইয়াৰ লগে লগে অসমীয়া সাহিত্যত 'মালিকৰ যুগ'ৰ অৱসান ঘটিল।




জানি থোৱা ভাল

- চৈয়দ আব্দুল মালিকে সন্মানজনক 'ছোভিয়েট দেশ নেহৰু বঁটা'ও লাভ কৰিছিল।
- সমাজৰ একেবাৰে নিঃস্ব, দুখিত আত্মাৰ কাহিনী মর্মস্পর্শী ভাষাত বর্ণনা কৰাত চৈয়দ আব্দুল মালিক সিদ্ধহস্ত। তেওঁৰ দ্বাৰা ৰচিত তেনে কেইটামান মর্মস্পর্শী চুটিগল্প হৈছে ক্রমে 'সিও মৰে', 'এঘণ্টাৰ ডায়েৰি', 'ৰৰষাৰ ডায়েৰি', ইত্যাদি।
- *আৰাহন, পায়গাম, জেউতি* আদি অসমীয়া আলোচনীত তেওঁৰ জিকিৰ আৰু সেই সম্পর্কীয় প্রবন্ধ আদি প্রকাশ পাইছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ চৈয়দ আব্দুল মালিকৰ জীৱন আৰু কৃতিৰ চমু লেখ আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)



চিন্তা চর্চা কৰক - ৭.১

- চৈয়দ আব্দুল মালিকৰ আত্মজীৱনীখন সংগ্রহ কৰি তাত সন্নিৰিষ্ট হোৱা তথ্য আৰু কিতাপত থকা তেওঁৰ জীৱন আৰু কৃতিৰ কথা ফঁহিয়াই চাই এটি আলোচনা যুগুত কৰক।
- চৈয়দ আব্দুল মালিকৰ নদীকেন্দ্রীক উপন্যাসকেইখন চিনাক্ত কৰি নৈপৰীয়া মানুহৰ জীৱন সংগ্রামৰ লেখ আগবঢ়াওক।

৭.৪ চৈয়দ আব্দুল মালিকৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

- **গ্রাম্য জীৱনৰ নিখুঁত চিত্রণ ঃ** মাটি আৰু মাটিৰ মানুহৰ লগত কথাশিল্পী চৈয়দ আব্দুল মালিকৰ সম্পর্ক অতি গাঢ়। গ্রাম্য পটভূমিত ৰচিত তেওঁৰ উপন্যাস কেইখনত গ্রাম্য জীৱনৰ সৰল-নিভাজ ৰূপ যথাযথ ৰূপত উদ্ভাসিত হৈছে। ঔপন্যাসিকৰ সেই মার্মিক উপলব্ধি তেওঁৰ জনপ্রিয় উপন্যাস *সূৰ্যমুখীৰ স্বপ্নত* প্রকাশ পাইছে—"খোজদিব পৰা

হ'লে, কেঁচুৰাই থিয় দিয়ে, গা ডোখৰৰ মাটিৰ লগত সম্পর্ক কমি আহে, কিন্তু মাটিয়ে ভৰিক কোনো দিন এৰি নিদিয়ে, মাটিৰ লগত ভৰিৰ খোজ— জনমযুগীয়া এৰাব নোৱাৰা। মাটি আৰু ভৰিৰ তলুৱা।..."

তেওঁ চিত্রিত কৰা গঞা সমাজখনৰ মাজেদি অসমীয়া জনজীৱনৰ বিচিত্র ৰূপ উদ্ভাসিত হৈছে। সি সূৰুযমুখীৰ স্বপ্নই হওক, *বনজুই*, *জীয়া জুৰিৰ ঘাট*, *ৰূপাবৰিৰ পলস*, ইত্যাদি উপন্যাসেই হওক, সকলোতে অসমীয়া জনজীৱন আৰু অসমীয়া মনটোত জীপাল হৈ থকা আশা-আকাংক্ষা, হর্ষ-বিষাদ, মিলন-বিচ্ছেদৰ কাহিনী বিবৃত হৈছে। নিমজ গদ্য আৰু প্রকাশক্ষম শব্দই বর্ণনাসমূহ অধিক জীপাল কৰি তুলিছে।

- **হিন্দু-মুছলমানৰ সম্প্রীতি ঃ** মালিকে তেওঁৰ উপন্যাসত অসমীয়া মুছলমান সমাজখনৰ সৰস চিত্র দাঙি ধৰিছে।অসমীয়া মুছলমান সমাজৰ বৈশিষ্ট্যপূর্ণ দিশসমূহৰ প্রকাশ তেওঁৰ উপন্যাসৰ মাজেদি হৈছে। পিছে সেই উপন্যাসসমূহত তেওঁ হিন্দু-মুছলমানৰ সম্প্রীতিৰ কথাও ক'বলৈ পাহৰা নাই। *সূৰুযমুখীৰ স্বপ্ন*ৰ চন্দ্র নামৰ হিন্দু যুৱকৰ লগত গুলচৰ যি আত্মীয়তা, *ৰূপাবৰিৰ পলস*ৰ বাবৰৰ লগত গিৰীণ মাষ্টৰ আৰু তেওঁৰ পত্নীৰ যি সৌহার্যপূর্ণ সম্পর্ক, *জীয়া জুৰিৰ ঘাট*ৰ চালেহ আৰু ভোলাৰ মাজত থকা বন্ধুত্ব-এই সম্পর্কসমূহৰ মাজেদি মালিকে অহৰহ তেওঁৰ ৰচনাৰ মাজেদি হিন্দু-মুছলমানৰ সম্প্রীতিৰ কথা কৈছে। এই সম্বন্ধৰ আধাৰ মানবীয়তা। এই দৃঢ় আধাৰশিলাৰ ওপৰত প্রতিষ্ঠিত পাৰস্পৰিক সম্পর্কৰ সুউচ্চ দৌলটোৱে ঔপন্যাসিক চৈয়দ আব্দুল মালিকৰ উপন্যাস কৃতিক এক বিশেষ গুণ প্রদান কৰিছে।



জানি থোৱা ভাল

- *সূৰুযমুখীৰ স্বপ্ন* চৈয়দ আব্দুল মালিকৰ এখন গীতিধর্মী (Lyrical) উপন্যাস।
- *ৰূপাবৰিৰ পলস* মালিকৰ এখন মহাকাব্যধর্মী উপন্যাস।

- **মানৰীয় প্রমূল্যৰ মনোজ্ঞ চিত্রণঃ** দায়বদ্ধ লেখক মালিকে অহৰহ নিজৰ সৃষ্টিৰ মাজেদি মানৱ কল্যাণৰ কথা কৈছিল। তেওঁৰ সেই মহানুভৱতা তেওঁ ৰচনা কৰা প্রতিখন উপন্যাসলৈ প্রবাহিত হৈছিল। তেওঁৰ মহাকাব্যিক উপন্যাস *ৰূপাবৰিৰ পলস*ত ইয়াৰ সৰস প্রতিফলন ঘটিছে। এইখন উপন্যাসত কামৰাণ এটা খলনায়কসুলভ চৰিত্র। কামৰাণৰ চৰিত্রত সকলোবোৰ অমানবীয় আচৰণ পৰিস্ফুট হয়। বাবৰৰ এসময়ৰ প্রতিদ্বন্দ্বী কামৰাণ তেওঁৰ স্বচ্ছল জীৱন দেখি ঈর্ষাকাতৰ হৈছিল। সেয়েহে তেওঁ পাকে-প্রকাৰে বাবৰক অন্যায় কৰিবলৈ ছল বিচাৰি ফুৰিছিল। তেওঁ তেনে সুযোগ নোপোৱা নহয়। কিন্তু সৎ, বিবেকবান আৰু দূৰদর্শী বাবৰে প্রতিবাৰেই তেওঁৰ আক্রমণ প্রতিহত কৰিছিল। কামৰাণ চৰিত্রটো কূটিল আৰু স্বার্থপৰ হোৱা সত্ত্বেও মানুহৰ মনত চৰিত্রটোৰ প্রতি

ক্ষোভ বা ঘৃণা অভিব্যক্ত নহয়। বৰঞ্চ তাৰ সলনি পুতৌৰ মনোভাবহে অভিব্যক্ত হ'ব। ঔপন্যাসিকৰ চৰিত্ৰ সৃষ্টিৰ সার্থকতাও সেইখিনিতে, কাৰণ এজন বেয়া মানুহৰ শেষ পৰিণতি ধ্বংস কামনা কৰাটো সর্বসাধাৰণ মানুহৰ লক্ষণ। কিন্তু সেই বেয়া মানুহজনৰ ঘৃণনীয় কর্মৰ কথা পাহৰি তেওঁক উদ্ধাৰ কৰিবলৈ যোৱাটো মহৎ অন্তৰৰ পৰিচায়ক। জীৱন সম্বন্ধীয় এই মহৎ উপলব্ধি খুব কম মানুহৰহে আছে। এনে স্থলত *ৰূপাবৰিৰ পলসত* এই মহৎ উপলব্ধিৰ কথা উল্লেখ কৰি ঔপন্যাসিক মালিকে কেৱল যে মহানুভৱতাৰে পৰিচয় দিছে এনে নহয়, বৰঞ্চ তেওঁৰ চৰিত্ৰ সৃষ্টিৰ সার্থকতাও তাতেই ফুটি উঠিছে। তেনেই সাধাৰণ চৰিত্ৰ হ'লেও *জীয়া জুৰিৰ ঘাটৰ* ভোলাৰ মাজতো সেই একে মানবীয় প্ৰমূল্যৰ ভাব ফুটি উঠা পৰিলক্ষিত হয়। তাৰ বায়েক চম্পা গণিকা আৰু সি চোৰৰ দলৰ লগত ঘূৰা সত্বেও চালেহে তাৰ হাতত চাৰাৰ পৰা চুৰ কৰি অনা নেক্‌লেচডাল দেখি কৈছে, "ভাল হ'ল মালটো মোৰ হাতত পৰিল। মই নিজে গৈ তোমাৰ ঘৰত দি আহিমগৈ। বেমাৰ হৈছে, হৈছে, পইচা নাই, নাই। সেইবুলি এনেকুৱা নীচ কাম কৰিব পোৱা নে? চাৰাই জানিব পাৰিলে তোমাক কি বুলি ভাবিব? আৰু তোমাৰ বেমাৰৰ কথা, তোমাৰ নিজৰ পৰিবাৰৰ পৰা ইমান দিনে লুকাই ৰাখিছা কিয়? কাহানিবাই কৈ দিব লাগিছিল। ছিঃ ছিঃ।" এইদৰে বিভিন্ন উপন্যাসত মালিকে মানবীয় প্ৰমূল্যৰ স্ফুৰণ ঘটাই তেওঁৰ উপন্যাসকৃতিৰ প্ৰতি পাঠকৰ দৃষ্টি আকর্ষণ কৰাইছে।

- **গদ্যৰ অভিনৱত্ব ঃ** কথাশিল্পী মালিকৰ কাপৰ পৰা নিগৰি অহা গদ্যাংশই উপন্যাস ভেদে একোটা সুকীয়া পৰিৱেশৰ সৃষ্টি কৰিছে। সেই পৰিৱেশসমূহক কেন্দ্ৰ কৰিয়েই তেওঁৰ চৰিত্ৰবোৰে বিকাশ লাভ কৰিছে। সৰহভাগ ক্ষেত্ৰতে সেই চৰিত্ৰসমূহে নিজ নিজ স্বকীয়ত্ব অক্ষুণ্ণ ৰাখিবলৈ সমর্থ হৈছে। বাস্তৱৰ নির্মম চিত্ৰ বর্ণনা কৰিবলৈ তেওঁ শিক্ষিত-অশিক্ষিত সকলো শ্ৰেণীৰ লোকে বুজি পোৱা হৃদয়ৰ ভাষাৰ প্ৰয়োগ কৰিছে। তাত উচ্চ স্তৰৰ সাহিত্যিক ভাষাৰ প্ৰভাৱ নাই। দৈনন্দিন জীৱনচর্যাত প্ৰয়োগ হোৱা সাধাৰণ ভাষাৰ মাজতো যে দেহ-মন স্পর্শ কৰিব পৰা শক্তি থাকে সেয়া কেৱল ঔপন্যাসিক মালিকৰ যাদুকৰী কলমৰ বাবেহে সম্ভৱ। আমি *ৰূপাবৰিৰ পলস* উপন্যাসখনৰ গদ্যলৈ দৃষ্টি দিলে সেই দিশটো প্ৰত্যক্ষ কৰিবলৈ পাওঁ— "মানুহবোৰ হিন্দু নে মুছলমান চিনিবৰ উপায় নাই, কোনো প্ৰয়োজনো নাই, এইয়া জীৱন্ত দুর্ভিক্ষ, মূর্তিমান আকাল, ...সিহঁতৰ মুখত এক অবিৰাম চিৎকাৰ— দিয়া, দিয়া, দিয়া — এটা পইচা দিয়া, অকণমান ভাতৰ ফেন দিয়া, তুমি খাব নোৱৰা ৰুটি টুকুৰা কুকুৰক নিদি, মোক দিয়া...."

  সমসাময়িক বঙ্গদেশত হোৱা দুর্ভিক্ষৰ চিত্ৰ বর্ণনা কৰোঁতে মালিকে এনে ধৰণৰ গদ্যৰ সহায় লৈছে।

  পিছে তেওঁ ৰসগ্ৰাহী পাঠকসকলৰ কথাও নভবাকৈ থকা নাছিল। সহজ-সৰল হৃদয়ৰ ভাষাৰ লগতে কাব্যানুকূল ভাষাৰ প্ৰয়োগৰ ক্ষেত্ৰতো মালিক সিদ্ধহস্ত। তেওঁৰ বঁটাপ্ৰাপ্ত

উপন্যাস *সূৰুযমুখীৰ স্বপ্নলৈ* দৃষ্টিপাত কৰিলে আমি এই মধুৰ গদ্যৰ চানেকী প্ৰত্যক্ষ কৰোঁ। তেওঁ শিল্পী সুলভ দক্ষতাৰে ধনশিৰী নদীত ব্যক্তিত্ব আৰোপ কৰি লিখিছে—

ধনশিৰিয়ে হাঁহে,

বৈ গৈছে ব্ৰহ্মপুত্ৰলৈ। লুইতৰ বাহুৰ মাজত কি জানো সোণৰ সোলেংটো বিচাৰি। অকণি ৰবৰো আজৰি নাই। এযাৰ কথা কৈ যোৱা। ওহো।

এযাৰ কথা শুনি যোৱা।

ওহো। নৰয়।

কেৱল যে ধনশিৰি নদীয়েহে কথা কয় এনে নহয়, ডালিম গাঁৱৰ প্ৰকৃতি-আকাশ-বতাহ সকলোতে এক অনিৰ্বচনীয় সুখবোধ-প্ৰশান্তিবোধে স্থায়ী বাহৰ পাতি বহিছে। মাজে মাজে সেয়া ডালিম গাঁৱৰ মানুহৰ মনলৈকো শিপাই যায়—

মিঠা জোনাক, মিঠা বতাহৰ কঁপনি। গুলচৰ মনটো এটা বুজাই ক'ব নোৱাৰা আনন্দত নাচি উঠিছিল। বিৰিণা পাতবোৰৰ লগতে তাৰো নাচি দিবৰ মন গ'ল।

সি সুহুৰিয়ালে।

সি কাৰোবাক কিবা এটা চিঞৰি ক'ব খুজিলে।

সি কিবা এটা গাব খুজিলে—

কিন্তু তাৰ কোনো গান বা নাম মনত নপৰিল।

নাচনী খোজেৰে সি আগবাঢ়িল, বাটৰ বিৰিণাৰ মূঢ়াবোৰ তাৰ বন্ধু।

সুহুৰিয়াই সুহুৰিয়াই সি আগবাঢ়িল।

সি শুনিলে নৈৰ পাৰত বহি কোনোবাই বাঁহী বজাইছে। সুৰটো বেসুৰা। পিছে ৰাতিৰ জোনাকত তাকো মিঠা শুনি।

সেই একে গৰাকী ঔপন্যাসিক জীৱনীমূলক উপন্যাস *ধন্য নৰ তনু ভালৰো* ৰচনাকাৰ। এইখন মহাপুৰুষ শঙ্কৰদেৱৰ জীৱনভিত্তিক উপন্যাস। পিছে ইয়াত আমি *সূৰুযমুখীৰ স্বপ্নৰ* যাদুকৰী ভাষাৰ নিৰ্মাতা গৰাকীক লগ নাপাও। ইয়াৰ গদ্যত আমি অন্য এগৰাকী মালিকৰ সন্ধান পাও যাৰ কাপৰ পৰা নিগৰি ওলাইছে 'সৃষ্টিশীল কল্পনাৰ জেউতি আৰু গভীৰ অন্তর্দৃষ্টি'। *গুৰু-চৰিত-কথাৰ* শ্ৰীমন্ত শঙ্কৰদেৱক সৰ্বসাধাৰণৰে মাজৰ এজন কৰি তেওঁক তেজ-মঙহৰ মানুহ ৰূপে অঙ্কন কৰাটো দুঃসাহসিক প্ৰচেষ্টা বুলিব লাগিব। অথচ ঔপন্যাসিক চৈয়দ আব্দুল মালিকে মহাপুৰুষ শঙ্কৰদেৱৰ পাণ্ডিত্যপূৰ্ণ গুণসমূহ অক্ষুণ্ণ ৰাখি মানৱ শঙ্কৰদেৱৰ চাৰিত্ৰিক প্ৰভা, মহান আদৰ্শাৱলী, ইত্যাদিক শব্দেৰে এনেভাৱে গাঁথি উলিয়াইছে যে *ধন্য নৰ তনু ভাল*ৰ মাজেদি ধূলিৰ ধূসৰিত পৃথিৱীৰ লগত সম্পৰ্ক থকা ব্যক্তিত্বশীল মানৱ শঙ্কৰদেৱৰ চৰিত্ৰৰ বহুমুখী দিশসমূহ উজলি উঠিছে। সেইগৰাকী শঙ্কৰদেৱ ধূলি ধূসৰিত পৃথিৱীৰ লগত ওতঃপ্ৰোতভাৱে সম্পৰ্ক থকা সাধাৰণ মানুহখিনিৰ বাবে নিজৰ পৰিশ্ৰম সমৰ্পণ কৰিছে। সেই সাধাৰণ মানুহখিনিৰ মানসিক উত্তৰণৰ বাবে তেওঁ সচেষ্ট। তেওঁৰ অনুগত শিষ্য নাৰায়ণ দাস

ঠাকুৰে তেওঁক প্ৰয়োজনতকৈ অধিক শ্ৰম নকৰিবলৈ প্ৰাৰ্থনা জনোৱাৰ প্ৰসঙ্গত শঙ্কৰদেৱৰ মুখত ঔপন্যাসিকে যি ভাবৰ প্ৰকাশ ঘটাইছে সি চৰিত্ৰটোৰ মহত্ব আৰু উদাৰ চিন্তাৰ পৰিচায়ক— "সকলোৱে ভাল পোৱাটো ডাঙৰ কথা, কিন্তু তাতকৈ ডাঙৰ কথা, যাৰ কাৰণে আন কোনেও একো নকৰে, আৰু যাৰ কাৰণে মই অকণমান কৰিব খুজিছোঁ, সিহঁতে তাক ভাল পোৱাটো। এতিয়া আৰু মোৰ নিজৰ কাৰণে কৰিবলগীয়া বিশেষ একো নাই; যদি পাৰো, আৰু যি পাৰো আনৰ কাৰণেই কৰি যাব খুজিছো। মোৰ বহুত কৰিব লগা আছে, নাৰায়ণ বহুত কৰিব লগা আছে—"

- **নৰ-নাৰীৰ বিচিত্ৰ মনোজগতৰ চিত্ৰণ ঃ** জীৱন আৰু জগতক নিৰ্মোহভাৱে বিশ্লেষণ কৰি চোৱা কথাশিল্পী চৈয়দ আব্দুল মালিক ঘটনা আৰু পৰিস্থিতিৰ চাকনৈয়াত ঘূৰি থকা অতৃপ্ত মানৰ মনৰ চিত্ৰণ কৰাত সিদ্ধহস্ত। গ্ৰাম্য পটভূমিত ৰচিত উপন্যাস কেইখনেই হওক অথবা নগৰৰ জটিল জীৱনক লৈ ৰচনা কৰা ভিন্ন মাত্ৰাৰ উপন্যাস কেইখনেই হওক, সকলোতে ঔপন্যাসিকগৰাকীয়ে নৰ-নাৰীৰ বিচিত্ৰ ভাব-অনুভূতিৰ জগতত প্ৰৱেশ কৰি সেই সুপ্ত ভাবনাসমূহক কলাত্মক তুলিকাৰ সাঁচ বহুৰাই মনোৰম ৰূপ প্ৰদান কৰিছে। আধুনিক জীৱন চিন্তাৰ লগত পৰিচয় থকা ঔপন্যাসিক মালিকে নৈতিকভাৱে সবল চৰিত্ৰৰ লগতে নৈতিকভাৱে দুৰ্বল চৰিত্ৰ কিছুমানৰো চিত্ৰণ কৰিছে। অৱশ্যে তেওঁৰ চৰিত্ৰসমূহৰ বিশেষত্ব এইয়ে যে কোনো কোনো চৰিত্ৰ নৈতিকভাৱে দুৰ্বল হ'লেও মানবীয়তাৰ দৃষ্টিৰে বিচাৰ কৰিলে সেইবোৰ চৰিত্ৰক একেবাৰে হীন চৰিত্ৰ বুলি আখ্যা দিব নোৱাৰি। বৰঞ্চ চৰিত্ৰৰ সেই দুৰ্বলতাক চৰিত্ৰবিশেষৰ এটা বৈশিষ্ট্যপূৰ্ণ দিশ বুলি বিবেচনা কৰিব পাৰি।

উদাহৰণ স্বৰূপে, *ৰূপাৰবি পলস্ৱ* অন্যতম নাৰী চৰিত্ৰ মুছলিমাৰ কথা ক'ব পাৰি। ঘটনাৰ পাকচক্ৰত মুছলিমা উপন্যাসখনৰ নায়ক বাবৰৰ আশ্ৰিতা হৈছিল। তাইৰ জীৱন ঘাত-প্ৰতিঘাতেৰে পূৰ্ণ আছিল। তদুপৰি তাই আছিল এজনী গাভৰু ছোৱালী। এনে স্থলত তাইৰ পিতৃৰ মৃত্যুৰ পাছত মুছলিমা দিশহাৰা হৈছিল। কিন্তু তাইৰ মনোবল অটুট আছিল। সেয়েহে বজলুৰ নিচিনা ভণ্ড প্ৰতাৰকে তাইক কলুষিত কৰিব নোৱাৰিলে। উপস্থিত বুদ্ধিসম্পন্না মুছলিমাই জীৱনৰ জটিল মেৰপাকত সোমাই পৰাৰ সম্ভাৱনা দেখিলেই নিৰাপদ দূৰত্বত অৱস্থান কৰিবলৈ দ্বিধাবোধ কৰা নাছিল। সৎ, বিবেকবান, কৰ্মী ডেকা বাবৰৰ প্ৰতি তাইৰ দুৰ্বলতা আছিল যদিও নিজৰ সংযম হেৰোৱা নাছিল। বাবৰৰ প্ৰতি তাইৰ অগাধ বিশ্বাস আছিল। সেয়েহে যেতিয়া কোনো এক দুৰ্বল মুহূৰ্তত বাবৰে তাইৰ প্ৰতি থকা তাৰ দুৰ্বলতা প্ৰকাশ কৰিছিল, তেতিয়া মুছলিমাই সেই বিশ্বাসৰ কথা স্মৰণ কৰি কৈছিল—"অতদিনে তোমালোকৰ শোৱা কোঠালি আৰু মোৰ শোৱা কোঠালিৰ মাজৰ দুৱাৰখনত কোনোদিন দাং মৰা নাছিলোঁ, আজিৰ পৰা তেনেহ'লে দাং মাৰিব লাগিব।"

বুদ্ধিমতী মুছলিমাৰ এই কথাখিনিৰ পৰা নাৰী মনৰ সংযমশীলতাৰ বিপৰীতে পুৰুষৰ দুৰ্বল চিত্তৰ সন্ধেদ পোৱা যায়। বাবৰ সৎ, কৰ্মীআৰু বিবেচক ব্যক্তি যদিও মানুহ হিচাপে

সি জৈৱিক কামনা-বাসনাৰ ঊৰ্ধত নহয়। সেইবাবে ক্ষন্তেকৰ উত্তেজনা বশতঃ সি মুছলিমাৰ সান্নিধ্য পাবলৈ আগ্রহী হৈছিল।

সুৰুযমুখীৰ স্বপ্নত গুলচৰ জীৱনলৈ তিনিগৰাকী নাৰী আহিছে—চেনিমাই, কপাহী আৰু তৰা। চেনিমাইৰ লগত সি সংসাৰ কৰাৰ সপোন দেখিছিল যদিও দুয়োটা পৰিয়ালে সিহঁতৰ সেই মিলনত বাধা প্রদান কৰিলে। চেনিমাই কলাই নামৰ ৰুগীয়া মানুহ এটাৰ পত্নী হ'ল। তেতিয়া কপাহীৰ ভাগিনীয়েক তৰাৰ প্রতি গুলচৰ মোহ জন্মিল। তৰাৰো গুলচৰৰ প্রতি দুর্বলতা আছিল। কিন্তু সিহঁতৰ সেই সম্পর্কত কপাহীয়ে আউল লগালে। ঘটনাৰ পাকচক্রত পৰি গুলচৰে কপাহীক বিয়া কৰালে, কিন্তু তাৰ মন তৰাক পাবলৈ ব্যাকুল হৈ থাকিল। ইফালে চেনিমাইৰ প্রতিও সি তাৰ পূর্বৰ দুর্বলতা ত্যাগ কৰিব পৰা নাছিল। এইদৰে এই উপন্যাসখনত গুলচ নামৰ পুৰুষ চৰিত্রটোৰ মাজেদি পুৰুষ মনৰ দোধোৰ-মোধোৰ অৱস্থা আৰু চাৰিত্রিক দুর্বলতাৰ কথা সৰসভাৰে বর্ণিত হৈছে।

নগৰীয়া পটভূমিত ৰচিত উপন্যাসৰ নৰ-নাৰীৰ মনোজগত আৰু অধিক বিচিত্র, অধিক জটিল। চৰিত্রবোৰৰ বিচৰণভূমিৰ লেখ লোৱাত সূক্ষ্মদর্শী কথাশিল্পী মালিক নিপুণ। তেওঁ তেওঁৰ সেই উপন্যাসসমূহত চৰিত্রই আৱর্তন কৰি থকা পৃষ্ঠভূমিৰ লগতে চৰিত্রৰ মনোজগতৰো মাপ লৈ সেই সেই চৰিত্রক মনোজ্ঞ ৰূপত উদ্ভাসিত হোৱাত সহায় কৰে।

এইদৰে আমি কথাশিল্পী চৈয়দ আব্দুল মালিকৰ উপন্যাস ৰচনাত জীৱনৰ এক পূর্ণাঙ্গ চিত্র প্রত্যক্ষ কৰিব পাৰোঁ। সূক্ষ্ম অনুভূতিৰ ঔপন্যাসিকে তেওঁৰ ৰচনাৰ সন্নিৱিষ্ট কৰা সৰু-বৰ প্রতিটো চৰিত্রকে অতি যত্নেৰে অঙ্কন কৰিবলৈ প্রয়াস কৰা পৰিলক্ষিত হয়। লগতে তেওঁ অসমীয়া সমাজ, সভ্যতা, সংস্কৃতিৰ বাৰে বৰণীয়া ক্ষেত্রখনকো নিজৰ ৰচনাৰ ঠায়ে ঠায়ে সন্নিৱিষ্ট কৰি উপন্যাস ৰচনাৰ এক অপূর্ব দৃষ্টান্ত দাঙি ধৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ চৈয়দ আব্দুল মালিকৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ কি কি? (১৫০টা শব্দৰ ভিতৰত)

প্রশ্ন নং ৩ ঃ গ্রাম্য জীৱনৰ সৰস চিত্র ফুটাই তোলাত ঔপন্যাসিক মালিক কিমান দূৰ কৃতকার্য হৈছে? (১৫০টা শব্দৰ ভিতৰত)



৭.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নে আমাক চৈয়দ আব্দুল মালিকৰ জীৱনৰ নানা দিশৰ বিষয়ে জনাত সহায় কৰিলে।

- অসমীয়া সাহিত্যৰ এই গৰাকী কথাশিল্পীৰ বহুমুখী প্ৰতিভাৰ প্ৰতিফলন ঘটা সৃষ্টিৰাজিৰ লগত পৰিচয় কৰালে।
- আধুনিক অসমীয়া উপন্যাস সাহিত্যত মালিকৰ যি স্থান আৰু সেই প্ৰসিদ্ধিৰ অন্তৰালত নো কি আছে, সেই বিষয়ে জনাত তেওঁৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ আলোচনাই কিছু ধাৰণা আগবঢ়ালে।



৭.৬ অধিক জানিবলৈ

১) ঠাকুৰ, নগেন (সম্পা.) (২০০০); *এশ বছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

২) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩) বৰা শইকীয়া, লীলাৱতী (সম্পা.) (২০০৭); *অসমীয়া চুটি গল্পৰ প্ৰবাহ;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

৪) ভৰালী, শৈলেন (২০০৩); *উপন্যাস ঃ বিচাৰ আৰু বিশ্লেষণ;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৫) মালিক, চৈয়দ আব্দুল (১৯৮৭); *ধন্য নৰ তনু ভাল;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

৬) ৰহমান, লুৎফুৰ (সম্পা.) (১৯৯৮); *চৈয়দ আব্দুল মালিক ৰচনাৱলী (প্ৰথম খণ্ড);* গুৱাহাটী ঃ কস্তুৰী প্ৰকাশন।

৭) ৰহমান, লুৎফুৰ (সম্পা.) (১৯৯৮); *চৈয়দ আব্দুল মালিক ৰচনাৱলী (দ্বিতীয় খণ্ড);* গুৱাহাটী ঃ কস্তুৰী প্ৰকাশন।

৮) ৰহমান, লুৎফুৰ (সম্পা.) (১৯৯৮); *চৈয়দ আব্দুল মালিক ৰচনাৱলী (তৃতীয় খণ্ড);* গুৱাহাটী ঃ কস্তুৰী প্ৰকাশন।

৯) ৰহমান, লুৎফুৰ (সম্পা.) (১৯৯৮); *চৈয়দ আব্দুল মালিক ৰচনাৱলী (চতুৰ্থ খণ্ড);* গুৱাহাটী ঃ কস্তুৰী প্ৰকাশন।

১০) ৰহমান, লুৎফুৰ (সম্পা.) (১৯৯৮); *চৈয়দ আব্দুল মালিক ৰচনাৱলী (পঞ্চম খণ্ড);* গুৱাহাটী ঃ কস্তুৰী প্ৰকাশন।

১১) শৰ্মা, গোবিন্দ প্ৰসাদ (১৯৯৫); *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টোৰ্ছ।

১২) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১৩) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৭); *অসমীয়া উপন্যাসৰ গতিধাৰা;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৭.৭ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ চৈয়দ আব্দুল মালিকৰ চমু পৰিচয়... ...তেওঁৰ জীৱনৰ বিভিন্ন কথাৰ চমু বিৱৰণ... ...তেওঁৰ কর্ম জীৱন... ...তেওঁ লাভ কৰা পুৰস্কাৰসমূহৰ উল্লেখ... ...তেওঁৰ কৃতিসমূহৰ চমু লেখ।

২নং প্রশ্নৰ উত্তৰঃ ঔপন্যাসিক চৈয়দ আব্দুল মালিকৰ চমু পৰিচয় ... ...তেওঁৰ উপন্যাসসমূহৰ সাধাৰণ আভাস... ...তেওঁৰ উপন্যাসসমূহত ফুটি উঠা বৈশিষ্ট্যৰ আলোচনা (পাঠৰ সহায় ল'ব।)

৩নং প্রশ্নৰ উত্তৰ ঃ চৈয়দ আব্দুল মালিকৰ উপন্যাসসমূহত গঞা সমাজে কিদৰে প্রকাশ লাভ কৰিছে... ...গ্রাম্য সমাজৰ চিত্র কিদৰে অংকিত হৈছে (পাঠৰ অন্তর্গত উপন্যাসখনৰ সহায় লৈ লিখক)।

৭.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ আধুনিক অসমীয়া সাহিত্যত চৈয়দ আব্দুল মালিকৰ স্থান নির্ণয় কৰক।

প্রশ্ন ২ ঃ মালিকৰ জীৱন আৰু কৃতিৰ বিষয়ে এটি আলোচনা যুগুত কৰক।

প্রশ্ন ৩ ঃ মাটি আৰু মানুহৰ লগত ঔপন্যাসিক মালিকৰ সম্বন্ধ কেনে ধৰণৰ— তেওঁৰ উপন্যাসৰ আধাৰত বিচাৰ কৰক।

প্রশ্ন ৪ ঃ মালিকৰ উপন্যাস ৰচনাত নগৰীয়া জীৱনৰ জটিল ৰূপ কি দৰে চিত্রিত হৈছে— তেওঁৰ উপন্যাসৰ বিভিন্ন চৰিত্রৰ আধাৰত বিশ্লেষণ কৰক।

প্রশ্ন ৫ ঃ পৰিৱেশ চিত্রণত মালিকৰ দক্ষতা কোনখিনিত —বিচাৰ কৰক।

প্রশ্ন ৬ ঃ দৈনন্দিন জীৱনৰ পাৰস্পৰিক আদান-প্রদানৰ মাজেদি এচাম সৰল মনা মানুহে মানবীয় প্রমূল্যবোধ জীপাল কৰি ৰাখিছে —চৈয়দ আব্দুল মালিকৰ উপন্যাসত ফুটি উঠা তেনে প্রতিচ্ছবিৰ মাজেদি বিচাৰ কৰক।

প্রশ্ন ৭ ঃ মালিকৰ উপন্যাসসমূহত দৃষ্টিগোচৰ হোৱা সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ৮ ঃ চৈয়দ আব্দুল মালিক ঃ *জীয়া জুৰিৰ ঘাট*-২

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ *জীয়া জুৰিৰ ঘাট*
৮.৩.১ উপন্যাসখনৰ সাধাৰণ আলোচনা
৮.৩.২ উপন্যাসখনৰ কাহিনীভাগ
৮.৩.৩ উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ
৮.৩.৪ উপন্যাসখনৰ বৈশিষ্ট্যসমূহ
৮.৩.৫ উপন্যাসখনত প্ৰতিফলিত হোৱা মানবতাবাদ
৮.৩.৬ উপন্যাসখনৰ সাহিত্যিক সৌন্দৰ্য
৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৫ অধিক জানিবলৈ
৮.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
৮.৭ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- কথাশিল্পী চৈয়দ আব্দুল মালিকে ৰচনা কৰা *জীয়া জুৰিৰ ঘাট* উপন্যাসৰ কাহিনী আৰু চৰিত্ৰসমূহৰ লগত পৰিচিত হ'ব পাৰিব
- এখন সামাজিক উপন্যাস হিচাপে এই উপন্যাসত ফুটি উঠা বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব
- *জীয়া জুৰিৰ ঘাটত* ফুটি উঠা মানবীয় চিন্তাৰ মনোজ্ঞ দিশ বিশ্লেষণ কৰিব পাৰিব
- কথাশিল্পী চৈয়দ আব্দুল মালিকৰ ভাষাৰ বিষয়ে ধাৰণা লাভ কৰিব পাৰিব।

৮.২ পৰিচয়

এই অধ্যায়টোত আপুনি কথাশিল্পী চৈয়দ আব্দুল মালিকৰ উপন্যাস কৃতি *জীয়া জুৰিৰ ঘাটৰ* বিস্তৃত আলোচনা পঢ়িবলৈ পাব। বহুতো উপন্যাসৰ ৰচক চৈয়দ আব্দুল মালিকে তেওঁৰ এইখন সামাজিক উপন্যাসত যি কাহিনী কৈছে, তাত সমস্যা আৰু মানসিক দ্বন্দ্ব পীড়িত সাধাৰণ মানুহৰ জীয়াই থকাৰ প্ৰতি থকা তীব্ৰ লালসা প্ৰকাশ পাইছে। এইখন এখন সৰু কলেবৰৰ উপন্যাস। উপন্যাসখনৰ সৃষ্টিৰ আঁৰত থকা মনৰ ভাব ব্যক্ত কৰি মালিকে কৈ গৈছে যে এটা সত্য ঘটনাৰ

আলমতে *জীয়া জুৰিৰ ঘাট* উপন্যাসখনে প্রাণ পাই উঠিছে। তেওঁ নিজৰ এই উপন্যাসখনক "এটা দীঘল গল্প বুলিলেও আপত্তিৰ কোনো কাৰণ নাই" বুলি কৈছে যদিও উপন্যাসৰ আলোচকসকলৰ দৃষ্টিত এইখন এখন উপন্যাস ৰূপে ধৰা দিছে। সেয়েহে এই অধ্যায়টোত আমি এইখনক এখন উপন্যাস হিচাপেই আলোচনা কৰিবলৈ লৈছোঁ।

৮.৩ *জীয়া জুৰিৰ ঘাট*

৮.৩.১ উপন্যাসখনৰ সাধাৰণ আলোচনা

জীয়া জুৰিৰ ঘাট কথাশিল্পী চৈয়দ আব্দুল মালিকৰ এখন সামাজিক উপন্যাস। উপন্যাসখনৰ ৰচনাকাল ১৯৬০ চন। আলোচকসকলৰ কথাত সূৰ মিলাই ক'বলৈ গ'লে মালিকৰ এই বিশেষ উপন্যাসখন তেওঁ ৰচনা কৰা 'প্রথম পর্ব'ৰ অন্তর্গত উপন্যাস। আলোচকসকলে তেওঁৰ উপন্যাসসমূহক প্রধানকৈ তিনিটা 'পর্বত' ভাগ কৰিছে। সেই পর্ব কেইটা হৈছে— আদি পর্ব ঃ আৰম্ভণিৰ পৰা ১৯৬০ চনলৈকে, মধ্য পর্ব ঃ ১৯৬১ চনৰ পৰা ১৯৭০ চনলৈকে, তৃতীয় বা বর্তমান পর্ব ঃ ১৯৭১ চনৰ পৰা আগলৈ। তেওঁৰ প্রথম পর্বৰ উপন্যাস কেইখন ৰোমাণ্টিকধর্মী। মানবীয় মূল্যবোধৰ মর্মস্পর্শী ৰূপায়ণ আৰু প্রেমৰ সৰস চিত্রণ তেওঁৰ প্রথম পর্বৰ উপন্যাস কেইখনৰ প্রধান বৈশিষ্ট্য। *জীয়া জুৰিৰ ঘাট* উপন্যাসখনত এই দুয়োটা বৈশিষ্ট্যৰ মনোৰম প্রকাশ ঘটিছে।

জীয়া জুৰিৰ ঘাট গ্রাম্য পটভূমিত ৰচিত সামাজিক উপন্যাস। ইয়াত চালেহ নামৰ নিবনুৱা ডেকা এজনৰ জীৱনৰ উত্থান-পতনৰ কাহিনী লিপিবদ্ধ হৈছে। অশেষ চেষ্টা কৰিও অর্ধশিক্ষিত চালেহে নিজৰ বাবে এটা চাকৰি যোগাৰ কৰিব পৰা নাছিল। পাঠশালা শিক্ষক ককায়েক জেহিৰ আৰু সৰলমনা বৌৰেক কণমাইক সি কষ্ট দি থকা বুলি আত্মগ্লানিত ভুগিছে। কিন্তু সি নিৰুপায়। সি কাম পোৱাৰ আশাত চহৰলৈ বাট লৈছে। হতাশাৰ বাহিৰে সি একো পোৱা নাই। তেনে এক যাত্রাত সি চম্পাৰ ঘৰত প্রবেশ কৰে।গণিকা চম্পাৰ লগত তাৰ দৈহিক সম্পর্ক ঘটে।প্রতিফল ৰূপে সি সংক্রামক যৌন ব্যাধিৰ দ্বাৰা আক্রান্ত হয়। ইতিমধ্যে ককায়েক-বৌৰেকৰ কথা মানি সি চাৰাক তাৰ পত্নীৰূপে আদৰি আনিছিল।অথচ নিজৰ শৰীৰত বাহৰপাতি লোৱা সেই ৰোগটোৰ বাবে সি ঘৈণীয়েকক বৈবাহিক জীৱনৰ সুখ প্রদান কৰাৰ পৰা বিৰত থাকিবলগীয়া হৈছিল। সি চম্পাক হত্যা কৰি তাৰ পোতক তুলিবলৈআগবাঢ়িছিল যদিও তাইৰ বাস্তৱ, মর্মস্পর্শী স্থিতিৰ বিষয়ে গম পাই থমকি গ'ল। পৰৱর্তী সময়ছোৱাত সি তাৰ ঘৈণীয়েকৰ সোণৰ নেক্‌লেচ চুৰ কৰি বন্ধুৰেক ভোলাৰ হাতত সেইডাল দিয়াত ভোলাই প্রকৃত কাহিনীটো শুনি তাক গৰিহণা দিলে আৰু চাৰাক নেক্‌লেচডাল ঘূৰাই দিবলৈ ক'লে। চালেহে চাৰাৰ আগত সকলো কথা মুকলিভাৱে ক'লে আৰু লগতে নিজৰ ৰোগৰ কথাও ক'লে। চাৰাই কোনো ধৰণৰপ্রতিক্রিয়া প্রকাশ নকৰি তাক তাৰ চিকিৎসা কৰিবলৈ

ক'লে আৰু অভয় দান কৰিলে। ঘৈণীয়েকৰ সেই মহানুভৱতা দেখি চালেহ মুগ্ধ হৈছিল। সি স্বস্তিৰ নিশ্বাস ত্যাগ কৰিলে।

চালেহহঁতৰ নিচিনা কর্মক্ষম ডেকা নিবনুৱা হৈ বহি থাকিবলগীয়া হ'লে আত্মগ্লানি আৰু হতাশাত ডুব গৈ অনিশ্চিত পথত খোজ দিবলৈ কুণ্ঠাবোধ নকৰে। মনৰ সংঘাতময় স্থিতিয়ে সিবিলাকৰ জীয়াই থকাৰ উদ্দেশ্যৰ বিষয়ে সন্দিহান কৰি তোলে। সেইবাবে নভবা-নিচিন্তাকৈ বাট এৰি অবাটে যায়। চালেহেও তাকেই কৰিছে আৰু নিজৰ জীৱন আৰু নতুনকৈ পতা সংসাৰখনলৈ এজাক ধুমুহা নমাই আনিছে। সময়ত সেই ধুমুহাজাক শাম কাটিছিল। চালেহে জীৱনৰ প্ৰকৃত পাঠ হৃদয়ঙ্গম কৰিব পাৰিলে।

জীৱনৰ দুই বিপৰীতমুখী চিত্ৰৰে উপন্যাসখনৰ কাহিনীভাগ ভাৰাক্ৰান্ত। এফালে এচামে আনক নিজৰ প্ৰাপ্যৰ পৰা বঞ্চিত কৰি সমাজত নিজৰ স্থিতি দৃঢ় কৰিছে। ভোলাহঁতৰ নিচিনাবোৰ সেই বঞ্চিত শ্ৰেণীত পৰিছে। গতিকে ভোলাৰ নিচিনা কর্মহীন ডেকাই চৌর্য বৃত্তি গ্ৰহণ কৰি জীৱন ধাৰণ কৰাতো একো আচৰিত কথা নহয়। তাহাঁতৰ বাবে চম্পাৰ নিচিনা যুৱতীয়ে গণিকা বৃত্তি গ্ৰহণ কৰি নিজৰ পৰিয়ালৰ ভৰণ-পোষণ দিয়াতোও সাধাৰণ কথা। তাত একো অস্বাভাৱিকতা নাই। ঔপন্যাসিক মালিকে চালেহ চৰিত্ৰৰ বিশ্লেষণৰ মাজেদি জীৱনৰ এই বিপৰীতমুখী ছবিৰ মার্মিক চিত্ৰ অংকন কৰিছে।

৮.৩.২ উপন্যাসখনৰ কাহিনীভাগ

জীয়া জুৰিৰ ঘাট উপন্যাসখন কথাশিল্পী চৈয়দ আব্দুল মালিকে ৰচনা কৰা সামাজিক উপন্যাসৰ ভিতৰত এখন। এইখনৰ প্ৰকাশৰ কাল ১৯৮৬ চন। উপন্যাসখন কলেবৰত সৰু। মুখ্য পুৰুষ চৰিত্ৰ চালেহৰ শাৰীৰিক অসুস্থতা আৰু তাক লৈ তাৰ মনত সৃষ্টি হোৱা বিপৰীতমুখী দ্বন্দ্বই উপন্যাসৰ কাহিনীভাগৰ মূল আকর্ষণ বিন্দু। সৃষ্টিশীল ৰচনা একোটাৰ মাজেদি লেখকৰ মানসিক চিন্তাৰ জগতখন উন্মুখ হৈ পৰে। এই উপন্যাসতো ইয়াৰ ব্যতিক্ৰম হোৱা পৰিলক্ষিত নহয়। এই উপন্যাসখনৰ আলোচনাৰ মাজেদি আমি কথাশিল্পী চৈয়দ আব্দুল মালিকৰ বিচাৰধাৰাৰ লগতে তেওঁৰ উপন্যাসৰ ভাষা, বিভিন্ন চৰিত্ৰৰ ভাবনাৰ লগত পৰিচিত হোৱাৰ সুযোগ লাভ কৰিব পাৰোঁ। সমাজৰ প্ৰতি দায়বদ্ধ লেখক হিচাপে মালিকৰ উপন্যাসৰ অন্যতম সুৰ মানৱতাবাদৰ যি প্ৰকাশ এই উপন্যাসত ফুটি উঠিছে সিয়ে তেওঁ চিত্ৰিত কৰা তেনেই সাধাৰণ চৰিত্ৰকো মহীয়ান কৰিছে।

চৈয়দ আব্দুল মালিকৰ উপন্যাস *জীয়া জুৰিৰ ঘাটৰ* কেন্দ্ৰীয় চৰিত্ৰ চালেহ, অর্ধশিক্ষিত নিবনুৱা ডেকা। সি তাৰ ককায়েক জেহিৰ আৰু বৌৰেক কণমাইৰ আশ্ৰয়ত থাকে। জেহিৰ গাঁৱৰ পাঠশালা স্কুলৰ পণ্ডিত। চাকৰিৰ দৰমহাৰ সামান্য টকা কেইটাৰে ঘৈণীয়েক কণমায়ে কোনো ৰকমে ঘৰখন চলায়। তিনিটা ল'ৰা-ছোৱালীৰে জেহিৰৰ এখন সুখৰ সংসাৰেই বুলিব লাগিব। চালেহক তাৰ ককায়েক আৰু নবৌৰেকে যথেষ্ট

আদৰ কৰে আৰু তাৰ যত্ন লয়। কিন্তু চালেহে ঘৰখনৰ বাবে একো এটা কৰিব নোৱাৰাৰ চিন্তাত হতাশাগ্রস্ত। চালেহ গাঁৱৰ ন ধনী ব্যক্তি বদিৰৰ জীয়েকৰ প্রতি আসক্ত। সিহঁতৰ শুভাকাংক্ষী কাদেৰে বদিৰৰ জীয়েক আইছাক চালেহৰ বাবে খুজিবলৈ বদিৰৰ ওচৰলৈ গৈ অপমানিত হৈ ঘূৰি আহিবলগীয়া হৈছিল। বদিৰৰ যুক্তি আৰু চালেহহঁতৰ নিঃকিন অৱস্থাৰ লগত তাৰ ঘৰুৱা অৱস্থাৰ আকাশ-পাতাল প্রভেদ। এনে স্থলত কোনো পধ্যেই সি চালেহৰ লগত আইছাৰ বিবাহত সন্মতি দিব নোৱাৰে।

সময়ত কাদেৰে বদিৰে তেওঁক কৰা অপমানৰ পোতক ভালকৈয়ে তুলিলে। তেওঁ চালেহৰ বাবে দূৰৈৰ বৰচোমনি গাঁৱৰ ৰহিম মণ্ডলৰ নুমলীয়া জীয়েক চাৰাক ঠিক কৰিলে। কইনাজনীক চালেহৰ ঘৰৰ সকলোৱে পছন্দ কৰিলে। ইতিমধ্যে তাৰ জীৱনলৈ আহিব খোজা এই নতুন দায়িত্বৰ কথা চিন্তা কৰি চালেহে চাকৰিৰ সন্ধানত চহৰলৈ অহা-যোৱা কৰি থাকিল। তেনে চহৰমুখী যাত্রাত তাৰ ভোলা নামৰ অন্য এজন নিবনুৱা যুৱকৰ লগত চিনাকি হয়। সময়ত দুয়ো অন্তৰংগ বন্ধু হৈ পৰে। ভোলাই তাক কথা দিলে যে কিবা উপযুক্ত কামৰ সন্ধান পালে সি চালেহক জনাব।

চহৰলৈ গৈ থকা সময়ত এবাৰ চালেহে প্রচণ্ড ৰ'দৰ উত্তাপৰ পৰা পৰিত্রাণ পাবলৈ ৰাস্তাৰ দাঁতিত থকা এটা অকলশৰীয়া ঘৰত প্রবেশ কৰিছিল। সেয়াই তাৰ বাবে কাল হ'ল। প্রকৃততে সেয়া চম্পা নামৰ দেহোপজীৱিনীৰ ঘৰ। তাই ৰ'দৰ প্রকোপত অষ্ঠ-কণ্ঠ শুকাই যোৱা চালেহৰ তৃষ্ণা নিবাৰণ কৰিছিল। অনুসন্ধিৎসাবশতঃ চালেহৰ সেই তৃষ্ণা ক্রমশঃ জৈৱিক তৃষ্ণালৈ পর্যবসিত হ'ল। সি জীৱনত ডাঙৰ ভুল এটা কৰিলে। তাৰ ফল হ'ল বিষময়। সি যৌন ৰোগৰ দ্বাৰা আক্রান্ত হ'ল। চম্পাই সেই ৰোগৰ বীজাণু বহন কৰি আছিল। সময়ত চালেহৰ জীৱনলৈ চাৰা নামৰ ৰূপে-গুণে সম্পূর্ণা নাৰী গৰাকী আহিল। সি বাস্তৱিকতাৰ কথা চিন্তা কৰি সচকিত হ'ল। ইতিমধ্যে যৌনৰোগ বিশষজ্ঞ ডº ফুকনে কোৱা অনুসৰি সেই ৰোগটো সংক্রামক ৰোগ হোৱাত সি সকলো ফালৰ পৰা সাৱধানতা অৱলম্বন কৰাটো বাঞ্চনীয়। সি তাৰ নবপৰিণীতা স্ত্রীৰ কায চাপিবলৈ অপাৰগ হ'ল। অথচ সি চাৰাৰ আগত তাৰ বেমাৰৰ কথাও খুলি ক'ব নোৱাৰে। কিজানিবা কিবা মাৰাত্মক প্রতিক্রিয়া হয়।

মনৰ সেই দোদুল্যমান স্থিতিত সি ঠিক কৰিলে যে সি চম্পাক হত্যা কৰি তাইৰ ওচৰত প্রতিশোধ ল'ব। সি তাইক হত্যা কৰি তাইৰ হাতত থকা ধন-সোণ লৈ তাৰে নিজৰ চিকিৎসা কৰাব। নিয়তিৰ কি অদ্ভূত বিধান যে যি চম্পাৰ বাবে তাৰ জীৱন নৰক সদৃশ হৈ পৰিছিল সেই একেজনী চম্পাই নিজৰ একমাত্র ভায়েক ভোলা যাতে কিবা কামত নিয়োজিত হ'ব পাৰে তাৰ বাবে নিজৰ শৰীৰটো বিক্রী কৰি তেনেদৰে ধন গোটাইছিল। সেই সত্যটোৰ লগত মুখামুখি হোৱাৰ পিছত চালেহে এটা ভাৰাক্রান্ত মন লৈ ঘৰলৈ উভতিছিল।

ইতিমধ্যে তাৰ ঘৈণীয়েক চাৰাই গিৰীয়েকৰ সেই আচৰিত ধৰণৰ অনাসক্তি আৰু বিৰাগ ভাব দেখি চিন্তিত হৈছিল। তাই অনুভব কৰিছিল যে কিবা এটা বিশেষ চিন্তাই তাইৰ গিৰীয়েকক ব্যতিব্যস্ত কৰি তুলিছিল। কিন্তু সেই চিন্তাৰ কাৰণটো তাই উদ্ধাৰ কৰিব পৰা নাছিল। নিবনুৱা চালেহৰ বহুত পৰিমাণৰ টকাৰ প্ৰয়োজন যাতে সেই টকাৰে সি তাৰ ৰোগৰ চিকিৎসা কৰি ৰোগমুক্ত হ'ব পাৰে। সি এদিন ৰাতি তাৰ ঘৈণীয়েকৰ সোণৰ নেক্‌লেচ চুৰ কৰি চহৰলৈ সেইডাল বিক্ৰী কৰিবলৈ গ'ল। চহৰলৈ গৈ সি ভোলাক লগ পালে। নেক্‌লেচ্‌ডাল বিক্ৰী কৰাৰ প্ৰসঙ্গত সি ভোলাৰ আগত অকপটে সকলো কথা স্বীকাৰ কৰিলে। ভোলাই তাক গৰিহণা দিলে। সি চালেহক সেইডাল চাৰাক উভতাই দি তাইৰ আগত সকলো কথা খুলি ক'বলৈ পৰামৰ্শ দিলে। সি নিজৰ ভাগৰ টকা কেইটামান চালেহৰ হাতত গুজি দি তাৰে তাৰ চিকিৎসা আৰম্ভ কৰিবলৈ ক'লে।

চালেহে মনত সাহস সঞ্চয় কৰি চাৰাৰ মুখামুখি হৈ সকলো বৃত্তান্ত ক'লে। চাৰাই তাক অভয় দান কৰিলে। তাই বিয়াৰ সময়ত উৎসৰ্গাত পোৱা টকাখিনি চালেহৰ হাতত তুলি দিয়াৰ সিদ্ধান্ত লৈ সৰল ভাবে তাক ক'লে— "বেমাৰ হৈছে, বেমাৰনো কাৰ নহয়? তাকে আকৌ মোক নোকোৱাকৈ বাহিৰে বাহিৰে ঘূৰি ফুৰিছে।" চালেহৰ মনৰ জঁটবোৰ লাহে লাহে নোহোৱা হ'ল। সি যেন তাৰ নিজৰ ৰোগমুক্তিৰ লগতে ভোলাৰ কল্যাণ আৰু চম্পাৰ সুন্দৰ ভৱিষ্যৎ কামনা কৰিলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ *জীয়া জুৰিৰ ঘাটত* ঔপন্যাসিকে কি দৰে নিবনুৱা সমস্যাটো চিত্ৰিত কৰিছে? (১৫০টা শব্দৰ ভিতৰত)

৮.৩.৩ উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ

ঔপন্যাসিক মালিকে অহৰহ তেওঁৰ উপন্যাসসমূহত মানুহৰ সন্ধান কৰিছিল— যি মানুহৰ দেহ-মনৰ কোঁহে কোঁহে মানবতাৰ বীজ নিহিত হৈ আছে। তাৰ বাবে তেওঁ কোনো সাধু-মহাত্মাৰ সন্ধান কৰা নাই। বৰঞ্চ দৈনন্দিন জীৱনত লগ পোৱা সাধাৰণ মানুহৰ মাজতে সেই মহৎ উপলব্ধিৰ সন্ধান কৰিছে। *জীয়া জুৰিৰ ঘাটতো* তেওঁ সাধাৰণ মানুহৰ মাজতে সেই মহৎ উপলব্ধিৰ সন্ধান কৰিছে।

- **চালেহ ঃ** চালেহ আজিৰ প্ৰজন্মৰ অৰ্ধশিক্ষিত নিবনুৱা যুৱক। কৰ্ম সংস্থান পাবলৈ সি ব্যগ্ৰ। অথচ সি একো সুবিধা কৰিব পৰা নাই। এবাৰ চহৰলৈ কামৰ সন্ধানত যাওঁতে পৰিস্থিতিৰ দায়ত পৰি চম্পা নামৰ গণিকাৰ গৃহত প্ৰৱেশ কৰিছিল। চালেহ কোনো স্থিতপ্ৰজ্ঞ পুৰুষ নাছিল যে সি জৈৱিক কামনা-বাসনাৰ দ্বাৰা প্ৰলোভিত

নহ'ব। চম্পাই তাক 'নৰক'লৈ যোৱাৰ বাট দেখুৱাই দিলে। অতি সোনকালে সি তাৰ প্ৰতিফলো পালে। সি যৌন ব্যাধিৰ দ্বাৰা আক্ৰান্ত হ'ল। সি তাৰ কৃত কৰ্মৰ বাবে লজ্জিত বোধ কৰিলে। কিন্তু ইতিমধ্যে বহুত পলম হৈ গৈছিল। লজ্জাবোধ আৰু সৎসাহসৰ অভাৱৰ বাবে সি তাৰ ৰোগৰ কথা লুকুৱাই ৰাখিলে। টকাৰ অভাৱত উপযুক্ত চিকিৎসাও কৰাব নোৱাৰিলে। তেনেতে তাৰ জীৱনলৈ চাৰাৰ আগমন ঘটিল। সি তাৰ নব পৰিণীতা স্ত্ৰীক বৈবাহিক জীৱনৰ সুখ দিবলৈ অপাৰগ হ'ল।

সি তাৰ দুৰ্ভাগ্যজনক স্থিতিৰ বাবে চম্পাক দোষী সাব্যস্ত কৰি এটা ভয়ানক সংকল্প ল'লে। সি তাইক হত্যা কৰিবলৈ তাইৰ ঘৰলৈ গৈছিলে। কিন্তু সি গৈ তাইৰ মুখত যি কথা শুনিলে সেয়ে তাক তাৰ সিদ্ধান্তৰ বিষয়ে দুবাৰ চিন্তা কৰিবলৈ বাধ্য কৰাইছিল। চম্পাই তাইৰ একমাত্ৰ ভায়েক ভোলাৰ সংস্থাপনৰ বাবেই জীৱিকাৰ বাবে সেই নীচ বৃত্তি গ্ৰহণ কৰিছিল। সিহঁতৰ নিচিনা দুখীয়া মানুহক তথাকথিত ভদ্ৰ সমাজৰ অৱস্থাপন্ন লোকে সহায় কৰিবলৈ আগবাঢ়ে। কিন্তু অন্ধকাৰৰ সুযোগ লৈ সেই চাম পুৰুষে চম্পাহঁতৰ নিচিনা অসহায় নাৰীক ভোগ কৰি সামান্য কেইটামান পইচা দি যাব পাৰে। তেনে কাম কৰোতে তাই মাৰাত্মক যৌন ব্যাধিৰ দ্বাৰা আক্ৰান্ত হৈছিল। সেই সংক্ৰামক ব্যাধি চালেহৰ শৰীৰলৈ সংক্ৰমিত হৈছিল।

চালেহৰ ভিতৰত থকা মানৱতাবোধ শেষ হৈ যোৱা নাছিল। সি অন্য এটা পথৰ সন্ধান পালে। কিন্তু সেই পথো যে ভুল তাক তাৰ বন্ধু ভোলাই আঙুলিয়াই দেখুৱালে। সি তাৰ চিকিৎসাৰ বাবে ধনৰ যোগাৰ কৰিবলৈ ঘৈণীয়েক চাৰাৰ নেক্‌লেচ এডাল চুৰ কৰিলে। ভোলাই তাৰ পৰা সকলো কথা জনাৰ পিছত তাক তাৰ ঘৈণীয়েকৰ আগত সকলো কথা স্বীকাৰ কৰিবলৈ ক'লে। লগতে সি নেক্‌লেচডাল চাৰাক উভতাই দিবলৈ ক'লে আৰু স্বয়ং ভোলাই তাৰ হাতত থকা জমা টকা কেইটা চালেহৰ হাতত দি অনতিপলমে তাৰ চিকিৎসা আৰম্ভ কৰিবলৈ পৰামৰ্শ দিলে। চালেহৰ মনৰ পৰা শঙ্কা আৰু দ্বন্দ্বৰ স্থিতি নোহোৱা হ'ল। সি চাৰাৰ আগত তাৰ ভুল স্বীকাৰ কৰিলে। তাৰ সেই স্বীকাৰোক্তিয়ে সি কৰা পাপৰ প্ৰায়শ্চিত্ত স্বৰূপ হ'ল। জগতখনলৈ সি মূৰ তুলি চাব পৰা হ'ল। জীৱনলৈ অহা এই নতুন উপলব্ধিয়ে তাৰ মনৰ পৰা কলুষ-কালিমা নোহোৱা কৰিলে। তেতিয়া সি চম্পাৰ নিচিনা অসহায় গণিকা আৰু ভোলাৰ নিচিনা সম্বলহীন তৰুণৰ মঙ্গলাৰ্থে পৰমজনৰ ওচৰত প্ৰাৰ্থনা জনাবলৈ হাত দুখন দাঙিব পৰা হ'ল।

- **ভোলা ঃ** ভোলা চম্পা নামৰ গণিকাৰ ভায়েক। সিও চালেহৰ দৰে নিবনুৱা। তাৰ বায়েক চম্পা গণিকা বৃত্তিৰ লগত জড়িত থকাৰ কথা সি জানিছিল। কিন্তু সি নিৰুপায়। তাৰ নিজৰ ভাষাত ক'বলৈ গ'লে— "মই ক'ৰবাত কিবা ভাল কাম-কাজ এটা পোৱা হ'লে— বাইটিয়ে সেইবোৰ কৰিব নালাগিলহেঁতেন।"

ভোলাহঁতৰ নিচিনা অসহায় মানুহবোৰ পৰিস্থিতিৰ দায়ত পৰি চোৰ হয়। সি চিকিৎসক ফুকনৰ ফামচীত কাম পোৱাৰ পিছত বায়েকৰ অসুখ যাতে ভাল হয় তাৰ বাবে ফামচীৰ পৰা ঔষধৰ বৰি চুৰ কৰিবলৈ ধৰিলে। অথচ চালেহে তাৰ হাতত দিয়া সোণৰ নেক্‌লেচডাল সি কোনো পধ্যেই ল'বলৈ মান্তি নহ'ল। তাৰ যুক্তি হ'ল— "তুমি বুজা নাই। বাইটি আৰু মই —আমাৰ ঘৰ-বাৰীও নাই, আমি দুখীয়া মানুহ। ওপঙি ফুৰিছোঁ। এদিন বাইটি মৰি থাকিব, এদিন ময়ো ক'ৰবাত মৰি থাকিম। আমাৰ জীয়াই থকা যি মৰাও সি। তোমালোকৰ কথা সুকীয়া। ঘৰ-বাৰী আছে, পা-পৰিয়াল আছে।...."

চালেহৰ তুলনাত ভোলাৰ সংসাৰ জ্ঞান অধিক। সি এগৰাকী শুভাকাংক্ষী বিজ্ঞ ব্যক্তিৰ দৰে পৰামর্শ দি চালেহক কৈছিল যে সি চাৰাক তাইৰ নেক্‌লেচডাল ঘূৰাই দি তাৰ বেমাৰৰ কথা লুক-ঢাক নকৰাকৈ তাইক জনাব লাগে।

এইদৰে ভোলা নামৰ এই সাধাৰণ চৰিত্রটোৰ মাজেদি মালিকে পৰোপকাৰ আৰু মানবীয়তাবোধৰ যি চানেকি দাঙি ধৰিছে সেয়া উল্লেখনীয়।

- **জেহিৰ ঃ** সম্বন্ধত জেহিৰ চালেহৰ ককায়েক। জেহিৰ পাঠশালাৰ পণ্ডিত। দৰমহাৰ টকাকেইটাৰে কোনোমতে জেহিৰহঁতৰ সংসাৰখন চলি গৈছিল। ঘৈণীয়েক কণমাইৰ সহযোগত ঘৰখন সুস্থিৰ হৈ আছিল। জেহিৰ আৰু কণমাই দুয়োৱে চালেহক বৰ আদৰ কৰিছিল। জেহিৰ নিজৰ কর্মত বিশ্বাসী ঈশ্বৰভিৰু ব্যক্তি। শান্ত স্বভাৱৰ জেহিৰে সংসাৰৰ কূটিলতা বুজিবলৈ অসুবিধা পাইছিল। সহজ-সৰল জীৱনত বিশ্বাসী জেহিৰ উপন্যাসখনৰ এটা মনোৰম চৰিত্র।
- **কাদিৰ ঃ** কাদিৰ চালেহহঁতৰ দূৰ সম্পর্কীয় দদায়েক (খুৰাক)। তেওঁ সমাজৰ এগৰাকী মাতব্বৰ শ্রেণীৰ গণ্যমান্য ব্যক্তি। তেওঁ জেহিৰহঁতৰ শুভাকাংক্ষী ব্যক্তি। গাঁৱৰ ন ধনী বদিৰৰ জীয়েকআইছাৰ প্রতি চালেহৰ দুর্বলতা আছিল। কাদেৰে বদিৰৰ ওচৰত দুয়োটাৰে বিয়াৰ প্রস্তাৱ উত্থাপন কৰিলত বদিৰে সেই প্রস্তাৱ প্রত্যাখ্যান কৰিলে। কাদেৰৰ আত্মসন্মানবোধ প্রবল। বদিৰৰ সেই কথাই তেওঁক অপমানিত কৰিলে। তেওঁ পাছত দূৰৈৰ গাঁও এখনৰ ৰহিম মণ্ডলৰ নুমলীয়া জীয়েক চাৰাক চালেহৰ বাবে জীৱন সঙ্গিনী ৰূপে বাছনি কৰিলে। কাদেৰ সমাজৰ সেই চাম ব্যক্তিৰ শাৰীত পৰে যিয়ে পৰোপকাৰ কৰি মানসিক তৃপ্তি লাভ কৰে। তেওঁলোকৰ আত্মসচেতনাৰ ভাব প্রবল। সেয়েহে কোনোবাই তেওঁলোকৰ ইচ্ছাৰ বিৰুদ্ধে কার্য কৰিলে বা তেওঁলোকৰ কথা নামানিলে তেওঁলোকৰআত্মসন্মানত লাগে।এইয়া আমাৰ সমাজ জীৱনত প্রত্যক্ষ কৰিবলৈ পোৱা সাধাৰণ চৰিত্র।

সেইদৰে উপন্যাসত বদিৰ, মণ্ডল, চিকিৎসক ফুকন, ৰাজেন আদি চৰিত্রসমূহৰ সমাবেশ ঘটিছে। উপন্যাসৰ কাহিনীভাগলৈ এই সমূহ চৰিত্রৰ বিশেষ ভূমিকা নাই যদিও উপন্যাসত চৰিত্রৰ বর্ণাঢ্যতা প্রকাশত এইবাৰৰ সন্নিৱেশ সার্থক হৈছে।

- **চম্পা ঃ** সাধাৰণত অসাধাৰণত্ব আৰোপেই কৃতি শিল্পীসকলক সাধাৰণ স্তৰৰ পৰা ওপৰলৈ তুলি নিয়ে। কথাশিল্পী চৈয়দ আব্দুল মালিকৰ উপন্যাসসমূহ পঢ়িলে এই কথাষাৰৰ সত্যতা প্ৰতীয়মান হয়। *জীয়া জুৰিৰ ঘাটৰ* চম্পা নামৰ গণিকা চৰিত্রটোৰ ক্ষেত্রত এই কথাষাৰ প্রযোজ্য হয়। আর্থিক অনাটন আৰু প্রতিকূল পৰিস্থিতিত পৰি ভোলাৰ বায়েক চম্পাই গণিকা বৃত্তি গ্রহণ কৰিব লগীয়া হয়। তাইৰ বাবে চালেহ কেৱল এটা গ্রাহক। গ্রাহকৰ পৰা লাভ লোৱা তাইৰ বৃত্তিগত ধর্ম। তাইৰ সংস্পর্শলৈ অহাৰ পিছত চালেহ যৌনৰোগৰ দ্বাৰা আক্রান্ত হয়। কিন্তু চালেহক তেনেদৰে ঘৃণীয়া কৰাৰ বাবে গণিকা চম্পা অনুশোচনাৰ জুইত দগ্ধ হৈছিল। এজনী গণিকাৰ বাবে এইটো এটা আচহুৱা কথা।অথচ মালিকৰ *জীয়া জুৰিৰ ঘাটৰ* গণিকা চম্পাই নির্দোষী চালেহৰ শৰীৰত যৌন ৰোগৰ বীজ সিঁচি দিয়াৰ পাছত নিজৰ সেই কর্মৰ বাবে অনুতপ্ত হৈ লগৰ গণিকা ফুলক কৈছিলে— "সেই যে জুৱা খেলি টকা দিয়া ল'ৰাটো— বেচেৰাই একো নাজানে— আগে-পাছে কাৰো ওচৰলৈ যোৱাও নাই। অলপ দিনৰ পিছে বিয়া হোৱাৰ কথা আছিল। তাৰ কথা শুনি বেয়াই লাগিছিল। নিঘৃণী ল'ৰাটোক ঘৃণীয়া কৰি, তাৰ ছোৱালীজনীৰো কপাল খাবৰ মন নাছিল। পিছে, নতুন মানুহ, তাকনো সেইবোৰ কথা কেনেকৈ কওঁ। ইপিনে, হাতত পোৱা গ্রাহক ঘূৰাই পঠালে খাম কি?"

  চম্পাৰ এই উপলব্ধিয়ে মানুহ হিচাপে তাইৰ মানসিক উত্তৰণৰ ইংগিত দিছে।

- **চাৰা ঃ** চালেহৰ ঘৈণীয়েক চাৰা এজনী সাধাৰণ ছোৱালী। অন্যান্য সাধাৰণ ঘৰৰ ছোৱালীৰ নিচিনাকৈ তাইয়ো এখন সুখৰ সংসাৰ কামনা কৰিছিল, এগৰাকী দায়িত্বশীল, মৰমীয়াল স্বামীৰ লগত সংসাৰ তৰাৰ আশা কৰিছিল। কিন্তু বাস্তৰিকতা তাৰ বিপৰীত নহ'লেও গিৰীয়েক চালেহৰ পৰা তাই আশানুৰূপ সঁহাৰি লাভ নকৰিলে। নব পৰিণীতা স্ত্রী হিচাপে চাৰাৰ যি আশা-অভিলাষ সেয়া চালেহে পূৰণ কৰিবলৈ ইচ্ছুক নোহোৱা দেখি তাইৰ মনে এক উদাসীনবোধ আৰু অসম্পূর্ণতাৰ বেদনা উপলব্ধি কৰিছিল। নাৰী মনৰ এই আশা-হতাশা, অবদমিত শোকৰ বন্যা প্রকাশত মালিকে কৃতিত্বৰ পৰিচয় দিছে। কাহিনীৰ শেষলৈ অৱশ্যে চাৰাই নিজৰ নীৰৱ স্থিতি সলনি কৰিছে। তাই গিৰীয়েক চালেহক তাৰ সেই অনাসক্তি আৰু নিস্পৃহ মনোভাবৰ কথা সুধিবলৈ স্থিৰ কৰিলে। কিন্তু যেতিয়া চালেহে অকপটভাৱে তাৰ শৰীৰত লগ দিয়া অসুখটোৰ কথা জনালে তেতিয়া চাৰাই সেই কথাটো অতি সহজভাৱে লৈ ক'লে, "বেমাৰ পুহি আছা— তেও এদিনো কোৱা নাই। মই বোলোঁ আইছাৰ কথা চিন্তা কৰিহে শুকাই-খীণাই গৈছে দিনে-দিনে।" গিৰীয়েকে তাইৰ সোণৰ নেক্লেচডাল চুৰি কৰি নিয়া বুলি জানিও তাই গিৰীয়েকক ক্ষমা কৰি দিলে। কেৱল সিমানেই নহয়, তাৰ লগতে তাই তাৰ ৰোগটো চিকিৎসাৰ দ্বাৰা উপশম কৰিবলৈ হাতত থকা টকা দিবলৈকো স্থিৰ কৰিলে। এইখিনিতে চাৰাৰ সহানুভূতিশীল, উদাৰ, ক্ষমাশীল ৰূপটো ফুটি উঠিছে।

➢ **কণমাই ঃ** চালেহৰ বৌৰেক কণমাই এগৰাকী সাধাৰণ গৃহিণী। গিৰীয়েক জেহিৰ, সন্তান তিনিটা আৰু দেওৰেক চালেহক লৈয়েই তেওঁৰ সৰু পৃথিৱীখন। সহজ-সৰল, উদাৰ মনৰ এই সাধাৰণ নাৰীয়ে তেওঁৰ পৰিয়ালটোৰ মঙ্গলৰ বাবে সকলো কৰিবলৈ প্ৰস্তুত। গ্ৰাম্য সমাজত কণমাইৰ নিচিনা চৰিত্ৰৰ অভাৱ নাই। এই ধৰণৰ মানসিকতাৰ নাৰীয়ে পৰিয়ালৰ সুখ-শান্তিৰ বাবে ব্যক্তিগত সুখ-স্বাচ্ছন্দ্যক ত্যাগ কৰিবলৈকো কুণ্ঠাবোধ নকৰে।

এইদৰে *জীয়া জুৰিৰ ঘাট* উপন্যাসখনক চৈয়দ আব্দুল মালিকে সৰ্বসাধাৰণ জীৱনৰ পৰা বুটলি লোৱা কেইটামান চৰিত্ৰৰ সহায়ত এখন মনোজ্ঞ উপন্যাস ৰূপে গঢ় দিছে। ইয়াত চম্পা চৰিত্ৰৰ মাজেদি চহৰীয়া জীৱনৰ জটিলতা কিছু পৰিমাণে উদ্ভাসিত হৈছে যদিও মূলতঃ গ্ৰাম্য সমাজৰ এক সৰস ৰূপ এই উপন্যাসখনৰ চৰিত্ৰসমূহ আৰু সিবিলাকৰ কাৰ্যাৱলীৰ মাজেদি ভাস্বৰ হৈ উঠিছে।

৮.৩.৪ উপন্যাসখনৰ বৈশিষ্ট্য

➢ **গ্ৰাম্য জীৱনৰ সৰস চিত্ৰণ ঃ** কথাশিল্পী চৈয়দ আব্দুল মালিকৰ উপন্যাসকৃতিসমূহত অসমীয়া গ্ৰাম্য জীৱনৰ চিত্ৰ মনোমোহা ৰূপত ফুটি উঠা পৰিলক্ষিত হয়। তেওঁৰ নদীকেন্দ্ৰীক উপন্যাস কেইখনেই হওক অথবা গ্ৰাম্য পটভূমিত ৰচিত হোৱা উপন্যাসকেইখনেই হওক, সকলোতে মালিকে যি অপূৰ্ব শব্দমালা গাঁথিছে সিয়ে গ্ৰাম্য জীৱনৰ তেনেই সৰল, তেনেই চিনাকি চিত্ৰক অসাধাৰণ ৰূপত উদ্ভাসিত কৰে। *জীয়া জুৰিৰ ঘাট* উপন্যাসখনো ইয়াৰ ব্যতিক্ৰম নহয়। অৱশ্যে ইয়াত গ্ৰাম্য জীৱনৰ পূৰ্ণাংগ চিত্ৰ এখন পোৱা নাযায়। তেনে কৰাও ঔপন্যাসিকৰ উদ্দেশ্য নহয়। পিছে কাহিনীৰ মাজে মাজে দিয়া টুকুৰা টুকুৰ চিত্ৰই আমাৰ দৃষ্টিৰ সমুখত এখন গ্ৰাম্য সমাজৰ প্ৰতিকৃতি আনি দিয়ে। চালেহৰ বিয়াৰ পূৰ্ব প্ৰস্তুতি পৰ্বত কাদেৰৰ যি উৎসাহ-উদ্দীপনা সেয়া অনস্বীকাৰ্য। তেওঁৰ সেই মনোভাৱত নিহিত হৈ আছে এগৰাকী অভিভাৱকৰ স্নেহসিক্ত অনুশাসনৰ সুৰ। ঔপন্যাসিকৰ ভাষাত— "তাতে কাদিৰ দাইটিৰ তাগাদা আছেই। পুখুৰীৰ দলংকেইখন ভাল নকৰ কিয়? ঘৰৰ ভেটিটোত আৰু অলপ মাটি দেহঁত। চোতালখন বন-পাত চুৰুকি ভালকৈ উলিওৱা।"

গ্ৰাম্য জীৱনত কাৰোবাৰ ঘৰত কিবা উৎসৱ-পৰ্ব হ'লে গাঁৱৰ ৰাইজে একগোট হৈ সেই পৰিয়ালটোক সহায় কৰে। এই পাৰস্পৰিক সহযোগিতা গ্ৰাম্য জীৱনৰ জীৱনৰেখা স্বৰূপ। মালিকৰ ৰচনাত এই বৈশিষ্ট্য উজ্বল ৰূপত ফুটি উঠা পৰিলক্ষিত হয়।

➢ **নগৰীয়া জীৱনৰ জটিলতা ঃ** গ্ৰাম্য জীৱনৰ সৰলতাৰ বিপৰীতে নগৰীয়া জীৱনৰ জটিলতা মালিকৰ উপন্যাস ৰচনাৰ অন্য এটা উল্লেখযোগ্য বৈশিষ্ট্য। *জীয়া জুৰিৰ*

ঘাটত চালেহ ক্ষন্তেকৰ বাবে নগৰীয়া জীৱনৰ সেই জটিলতাৰ আবর্তত সোমাই পৰিছে। নগৰীয়া জীৱন চিন্তাৰ লগত চালেহহঁতৰ নিচিনা সৰল মনা গাঁৱৰ মানুহৰ পৰিচয় নথকাৰ বাবে সিহঁত বাৰে প্রতি উজুটি খাই বাট হেৰুৱাই অবাটে যায়। বয়ঃসন্ধিৰ সময়তে চালেহে হাকিমৰ ঘৈণীয়েকৰ তেনে অনাহুত আচৰণ প্রত্যক্ষ কৰিছিল। সেয়া তাৰ বাবে আছিল এটা তিক্ত অভিজ্ঞতা। পৰৱর্তী সময়ত চম্পাই তাক প্রতাৰিত কৰাৰ পাছত সি নগৰীয়া জীৱনৰ কদর্য, জটিল ৰূপৰ লগত আকৌ এবাৰ পৰিচিত হ'ল। সেই অভিজ্ঞতা তাৰ বাবে প্রায় প্রাণঘাতী প্রতিপন্ন হৈছিল। কিন্তু সময়ে তাৰ মানসিক জগতখন মুক্ত কৰিছিল। সি গ্রাম্য জীৱনৰ সৰলতাৰ বুকুত আশ্রয় লৈছিল— চাৰাৰ সহানুভূতিশীল অন্তৰত সি জীৱনৰ অমিয় সুধাৰ সন্ধান পাইছিল। একা বেঁকা বাটেৰে চালেহৰ জীৱনৰ জটিলতাৰ পৰা সৰলতালৈ যিদৰে উত্তৰণ ঘটিছিল, সেয়াই *জীয়া জুৰি ঘাটৰ* মনোহাৰিত্ব বৃদ্ধি কৰিছে।

- **মানৱতাবাদ ঃ** মানৱতাবাদ চৈয়দ আব্দুল মালিকৰ ৰচনাসমূহৰ ঘাই উপাদান। এই গৰাকী কথাশিল্পীয়ে অহৰহ মানুহৰ মাজত এই গুণটোৰ সন্ধান কৰিছিল। তেওঁৰ ৰচনাৰ মাজত আমি তেওঁৰ এই অন্বেষণৰ বতৰা পাওঁ। *জীয়া জুৰিৰ ঘাটত* সৰু সৰু মানুহৰ মনত জীপ লৈ থকা মানৱীয় চিন্তাৰ উমান পোৱা যায়। ইয়াত ভোলা নামৰ সম্বলহীন ল'ৰাটোৰ মনত মানৱীয় চিন্তাৰ উন্মেষ ঘটিছিল। সি চালেহৰ দুর্ভাগ্যজনক স্থিতিৰ কথা উপলব্ধি কৰি তাক সহায় কৰিবলৈ আগবাঢ়িছিল। সি আনকি তাৰ বায়েকৰ চিকিৎসাৰ বাবে থোৱা টকাখিনিও চালেহৰ হাতত গুজি দিছিল। এইখন উপন্যাসত আনকি চম্পা নামৰ গণিকা গৰাকীৰ মনতো মানৱীয়তাবোধৰ উন্মেষ ঘটা পৰিলক্ষিত হয়।
- **নাৰী জীৱনৰ অসহায় ৰূপঃ** পুৰুষ প্রধান সমাজত নাৰীয়ে বহুত ভাবি-চিন্তি খোজ দিবলগীয়া হয়। কিজানিবা নাৰী এগৰাকীয়ে গ্রহণ কৰা পদক্ষেপৰ বাবে সমাজত তেওঁ গৰিহণা আৰু লাঞ্ছনাৰ পাত্রী হয়। অথচ কেতিয়াবা এনেও হয় যে পুৰুষে নিজেই নিজৰ স্বার্থৰ অনুকূলে নাৰীক পণ্যৰ দৰে ব্যৱহাৰ কৰি পেলনীয়া বস্তুৰ দৰে বর্জন কৰে। তেনে নাৰীয়ে সমাজত 'পতিতা' আখ্যা পায় আৰু গণিকা ৰূপে ঘৃণনীয় জীৱন যাপন কৰিব লগীয়া হয়। তেনে নাৰীয়ে সমাজৰ অন্য দহ গৰাকী ভদ্র, ভাল ঘৰৰ নাৰীৰ দৰে সন্মানজনক সামাজিক জীৱন-যাপন কৰিব নোৱাৰে। তেওঁৰ জীৱনত সেয়া এক নিষিদ্ধ আশা হৈয়েই ৰয়। নাৰী জীৱনৰ এই অসহায় ৰূপ চম্পা চৰিত্রটোৰ মাজেদি ফুটি উঠিছে।অথচ সিহঁতৰ নিচিনা দুর্ভগীয়া নাৰীয়ে নিজৰ ভাই-ভনী অথবা ৰুগ্ন স্বামী আৰু সন্তানৰ প্রতিপালন কৰিবলগীয়া হয়। স্বার্থপৰ, উদাসীন সমাজ তেনে দুর্ভগীয়া নাৰীক সহায় কৰিবলৈ অনিচ্ছুক। গতিকে চম্পাহঁতৰ নিচিনা নাৰীবিলাকে ভদ্র সমাজত বর্জনীয় পথ এটাত ভৰি দিবলগীয়া হয়। সমাজে পাহৰি যায় যে সিহঁতো তেজ-মঙহৰ মানুহ। সিহঁতৰো মনত আশা-

অনুভূতি আছে। মানব দৰদী কথাশিল্পী গৰাকীয়ে নাৰী জীৱনৰ এই মর্মস্পর্শী চিত্র চম্পা আৰু ফুল আদি চৰিত্রৰ মাজেদি প্রকাশ কৰিছে।

৮.৩.৫ উপন্যাসখনত প্রতিফলিত হোৱা মানৱতাবাদ

ইতিমধ্যে কৈ অহা হৈছে যে মানৱতাবাদ মালিকৰ উপন্যাসৰ প্রধান বৈশিষ্ট্য। প্রত্যক্ষভাৱেই হওক অথবা পৰোক্ষভাৱেই হওক, তেওঁৰ এইখন উপন্যাসতো বিভিন্ন ক্ষেত্রত মানৱতাবাদৰ প্রতিফলন ঘটিছে। দৈনন্দিন জীৱন চর্যাত কৰা কাম-কাজত সমাজত বাস কৰা লোকসকলে যি পাৰস্পৰিক সহযোগিতা আগবঢ়ায়, তাৰ মাজতে জীৱনৰ ৰূপ-ৰস সোমাই আছে। মানৱীয় সম্পর্ক ৰক্ষাৰ বাবে মানুহে এইদৰে পৰস্পৰে পৰস্পৰক সহায় কৰে। *জীয়া জুৰিৰ ঘাটে*তো দুখীয়া চালেহক গাঁৱৰ পুণ্যেশ্বৰ দোকানী, ৰাজেন আদিয়ে তাৰ বিয়াৰ সময়ত লগা লাগতিয়াল আচবাব-পত্র দি যি সহায় কৰিছিল সেয়াও মানুহৰ স্বভাৱজাত পৰোপকাৰী মনোবৃত্তিৰে পৰিচায়ক। সম্পর্কীয় দদায়েক কাদেৰে অভিভাৱকৰ দৰে জেহিৰ, কণমাই আৰু চালেহৰ সুখ-সুবিধাৰ খবৰ ৰখাৰ লগতে চালেহৰ জীৱনলৈ সুস্থিৰতা আনিবলৈ তাক বিয়া পাতি দিবলৈ স্থিৰ কৰিছিল। এইটো এগৰাকী দূৰদৃষ্টিসম্পন্ন অনুভবী অভিভাৱকৰ লক্ষণ। সেইমতে কাদেৰে সকলো পিনৰ পৰা উপযুক্ত ৰহিম মণ্ডলৰ নুমলীয়া জীয়েক চাৰাক চালেহৰ বাবে ঠিক কৰিছিল। আজিৰ বস্তুবাদী সমাজত এইদৰে অন্যৰ কাৰণে শুভচিন্তা কৰা মানুহ বিৰল। সেই ফালৰ পৰা কাদেৰ চৰিত্রটো এটা উজ্জ্বল চৰিত্র। ভোলা, চম্পা আৰু চাৰা— এই তিনিটা চৰিত্রৰ মাজেদিও মানৱীয় চিন্তাৰ স্ফুৰণ ঘটিছে। ভোলাৰ অভাৱগ্রস্ত জীৱনৰ বিষয়ে চালেহ বিদিত। তথাপিতো বন্ধুত্বৰ খাটিৰতেই হওক বা এগৰাকী সহৃদয় শ্রোতা বুলি ভাবিয়েই হওক, চালেহে ভোলাৰ আগত তাৰ শাৰীৰিক অসুস্থতাৰ কথা ব্যক্ত কৰিছিল। চালেহৰ সেই কথা শুনাৰ পিচত ভোলাই যিখিনি কথা ক'লে তাৰ মাজেদি এগৰাকী নিৰপেক্ষ বিবেকবান ব্যক্তিৰ মানসিকতা প্রতিফলিত হৈছে। অশিক্ষিত ভোলাই চালেহক জীৱনৰ বাস্তৱিকতাৰ লগত পৰিচয় কৰাই দিলে। তাৰ পৰামর্শ মতে চালেহে নিজৰ গোপন ব্যাধিৰ কথা ঘৈণীয়েক চাৰাৰ আগত ব্যক্ত কৰিলে।

চম্পা এজনী গণিকা।অথচ মাজে সময়ে তাই নিজকে আত্মসমালোচনা কৰি চাব খোজে।কিন্তু ফল শূন্য পায়।তাই সেই কূটিল পাকচক্রৰ পৰা ওলাই আহিব নোৱাৰে। অথচ তাইৰ 'গ্রাহক' চালেহৰ প্রতি তাইৰ মনত অপাৰ অনুকম্পা জাগ্রত হৈছিল। এজনী গণিকাৰ মনত সৃষ্টি হোৱা এনে ভাবনা মানৱতাবাদৰেই প্রকাশ। চাৰাই গিৰীয়েকৰ কথা শুনাৰ পাছত স্বাভাৱিকতে অভিমান প্রদর্শন কৰাতোৱেই স্বাভাৱিক হ'লহেঁতেন। অথচ তাই অতি সহজ ভাবে ক'লে যে চালেহে অনতিপলমে ৰোগ নিৰাময়ৰ বাবে চিকিৎসা কৰাব লাগে। টকাখিনি তাই দিব। এয়াও মানৱতাবোধৰে প্রকাশ।

৮.৩.৬ উপন্যাসখনৰ সাহিত্যিক সৌন্দর্য

সৰ্বসাধাৰণক লৈ সৰ্বসাধাৰণৰ বাবেই উপন্যাস সৃষ্টিত মনোনিৱেশ কৰা মালিকে ঔপন্যাসিক হিচাপে নিজৰ স্বকীয়তা প্রদর্শন কৰিবলৈ সমর্থ হৈছে।

- ভাষাৰ লালিত্য মালিকৰউপন্যাস কৃতিৰ অন্যতম দিশ। কলাত্মক দৃষ্টিভঙ্গীৰ ফালৰ পৰা বিচাৰ কৰিলে ভাষাৰ লালিত্যই বর্ণনীয় অংশছোৱাক কেৱল যে উচ্চস্তৰৰ ৰচনাৰ শাৰীলৈ লৈ যায় এনে নহয়, বৰঞ্চ তাৰ লগতে ই পাঠকৰ মনত আহ্লাদ সৃষ্টি কৰে। *জীয়া জুৰিৰ ঘাটৰ* আৰম্ভণিৰ কেইশাৰীমান বাক্যত চকু ফুৰালে এই কথা প্রতীয়মান হয়— "আগে আগে চৰাইটো উৰি গৈছিল— ঝাঁও বননিৰ সিপাৰলৈ, মৰা-সূঁতিৰ বালি-চাপৰিৰ সিপাৰলৈ। হাঁহি থকা আকাশখনেৰে ভৰি থকা সেউজীয়া হাবিখনৰ ফালে।" সেইদৰে—

  ফটিকা পানীৰ ধাৰ-নিছিগা সোঁত।
  বালি-চাপৰি নহয়, বোৱঁতী সুঁতিৰ কল-কলনি। সি ওপৰলৈ চালে।
  হাঁহি থকা আকাশখন পৃথিৱীলৈ নামি আহিছে।
  গছে পাতে ফাগুনৰ মৰমী মর্মৰ ধ্বনি।
  সি দূৰলৈ চালে। বগা পাখিৰ অকলশৰীয়া চৰাইটো দূৰলৈ উৰি উৰি গৈ আছে।

- যিহেতু সৰ্বসাধাৰণেই ঔপন্যাসিকৰ লক্ষ্য আছিল, সেইবাবে তেওঁ তেওঁৰ ৰচনাত সাক্ষৰ-নিৰক্ষৰ আদি কৰি সমাজৰ সকলো স্তৰৰ লোকে বুজি পোৱা হৃদয়ৰ ভাষা প্রয়োগ কৰিছে। মন কৰিবলগীয়া যে তেওঁ উপন্যাসত উভয় হিন্দু আৰু মুছলমান সমাজক চিত্রিত কৰিছে। পিছে চৰিত্রৰ মুখত দিয়া কথাৰ সেই সেই সমাজত চৰিত্রবিশেষে অৱস্থান কৰি থকা সামাজিক স্থান আৰু পাৰিপার্শ্বিকতাৰ লগত খাপ খোৱা বিধৰ। ফলত চৰিত্রসমূহ অধিক জীৱন্ত ৰূপত ফুটি উঠা পৰিলক্ষিত হয়। এই উপন্যাসখনত চিত্রিত হোৱা কাদেৰ চৰিত্রৰ মুখত দিয়া কথাৰ মাজেদি যেন ঔপন্যাসিকৰ সেই দৃষ্টিভংগী ধৰা দিছে— "লাগ বুলিলেই ছোৱালী এজনী পায় নেকি? আৰু বদিৰৰ জীয়েকজনীতনো কিটো দেখে জানো? গাভৰু ছোৱালী দেখিলে ডেকা ল'ৰাবোৰ কণা হয় হ'বলা। বাপেক-মাক ৰলি-ৰাৰিছে ছোৱালী চাই খুজি আনি দিব পায়, ল'ৰাই বিয়া কৰাব পায়। আজি-কালিৰ ল'ৰাই ছোৱালী চাই ফুৰে, ছোৱালীয়ে ল'ৰা বাছি লয়। কিয়ামতৰ ওচৰ চাপি আহিছে।"
- কথাশিল্পী মালিকৰ উপন্যাসকৃতিত এক বিশিষ্ট ভঙ্গীৰ গদ্যৰ অৱস্থিতি দেখিবলৈ পোৱা যায়। নিভাঁজ অসমীয়া শব্দ কিছুমানৰ প্রয়োগে তেওঁৰ উপন্যাসৰ গদ্যক এক বিশেষ সাহিত্যিক মর্যাদা প্রদান কৰিছে। *জীয়া জুৰিৰ ঘাটৰ* প্রথম পৃষ্ঠাৰ প্রথম কেইশাৰী বাক্যৰ মাজতে মালিকৰ গদ্যৰ সেই বিশেষ সূৰ ঝঙ্কাৰিত হোৱা দেখা যায়—

খোজবোৰ পিছলি পিছলি যায়।
এখোজ, দুখোজ — এবেঁও, দুবেঁও
শুকান বালিত শুদা ভৰিৰ গোৰোহা-পিছলা খোজ।
মৰা নদীৰ চেৰা-সুঁতিত যৌৱন-শঙ্কিত প্ৰাণৰ ভীতু খোজ।

ভাষাৰ যাদুকৰী শক্তিৰে শব্দবোৰ গাঁথিব জনা কথাশিল্পী চৈয়দ আব্দুল মালিকে *জীয়া জুৰিৰ ঘাট* উপন্যাসখনতো তেওঁৰ সার্থক কাপৰ পৰিচয় দিছে। তেওঁৰ কাপৰ পৰা নিগৰি অহা শব্দময় ৰূপত প্ৰাণৰ আকূতি আছে। কিন্তু তাৰ লগতে জ্বালা-যন্ত্ৰণাময় সংসাৰৰ তাপৰ শুষ্ক মৰুভূমিত ৰূপান্তৰিত হোৱা এচাম নৰ-নাৰীৰ আত্মকথাও মালিকে ৰচনা কৰি গৈছে। চালেহ, ভোলা, চম্পা আদি তেনে তৃষ্ণাতুৰ আত্মা, যিবিলাক জীৱন মাজুলিত কক্‌বকাই থকা জীৱ। মালিকৰ ৰচনাত এইবোৰৰ জীৱনৰ বিচিত্ৰ ভাব-অনুভূতি মনোজ্ঞ ৰূপত বর্ণিত হৈছে। এইখিনিতে মালিকৰ উপন্যাসৰ ভাষাৰ শক্তিশালী ৰূপ প্ৰতিভাত হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ *জীয়া জুৰিৰ ঘাটৰ* চালেহ চৰিত্ৰটোৰ চমু পৰিচয় আগবঢ়াওক। (১৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ৩ ঃ *জীয়া জুৰিৰ ঘাটত* ফুটি উঠা মানবীয় মূল্যবোধৰ চিত্ৰণ কেনেকুৱা? (১৫০টা শব্দৰ ভিতৰত)



৮.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মালিকে ৰচনা কৰা *জীয়া জুৰিৰ ঘাট* শীর্ষক সামাজিক উপন্যাসখনৰ বিষয়বস্তু, চৰিত্ৰ আৰু উপন্যাসখনৰ বৈশিষ্ট্যসমূহৰ আলোচনাৰ মাজেদি বিংশ শতিকাৰ পঞ্চম দশকৰ অসমীয়া গ্ৰাম্য সমাজখনৰ লগতে চহৰীয়া সমাজখনৰ জীৱনচর্যাৰ লগত পৰিচিত হ'লোঁ।
- মালিকৰ প্ৰাৰম্ভিক স্তৰৰ উপন্যাস হিচাপে চৰিত্ৰ চিত্ৰণৰ ক্ষেত্ৰতেই হওক অথবা অন্য দিশতে হওক, কোনো কোনো ক্ষেত্ৰত ঔপন্যাসিকৰ কাপৰ পৰা নির্গত শব্দ দুর্বল হৈছে। তেওঁ চাৰা চৰিত্ৰক অধিক সজীৱ কৰি চিত্ৰিত কৰিব পাৰিলেহেঁতেন। সেই দৰে জেহিৰ, কাদেৰ আদি চৰিত্ৰকো আৰু অধিক সক্ৰিয় চৰিত্ৰ ৰূপে গঢ় দিব পাৰিলেহেঁতেন। চালেহৰ মনত উদ্ভৱ হোৱা দ্বন্দ্বাত্মক স্থিতিত গুৰুত্ব আৰোপ কৰাৰ বাবেই হওক অথবা অন্য কিবা কাৰণতেই হওক উল্লেখ কৰি অহা চৰিত্ৰ কেইটাক অধিক উজ্জ্বল ৰূপত দাঙি নধৰিলে।

- মালিকৰ প্ৰত্যেকখন উপন্যাসেই সাহিত্যিক সৌন্দৰ্যৰ কোনো নহয় কোনো উপাদানেৰে সমৃদ্ধ হয়। *জীয়া জুৰিৰ ঘাট* উপন্যাসখনো ইয়াৰ ব্যতিক্ৰম নহয়। মালিকৰ যাদুকৰী ভাষাৰ পৰশ এইখন উপন্যাসতো পৰিছে। এইটো উপন্যাসখনৰ এক অন্যতম উজ্জ্বল দিশ।



৮.৫ অধিক জানিবলৈ

১) ঠাকুৰ, নগেন (সম্পা.) (২০০০); *এশ বছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

২) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩) বৰা শইকীয়া, লীলাৱতী (সম্পা.) (২০০৭); *অসমীয়া চুটি গল্পৰ প্ৰবাহ;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

৪) ভৰালী, শৈলেন (২০০৩); *উপন্যাস ঃ বিচাৰ আৰু বিশ্লেষণ;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৫) মালিক, চৈয়দ আব্দুল (১৯৮৭); *ধন্য নৰ তনু ভাল;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টোৰ্ছ।

৬) ৰহমান, লুৎফুৰ (সম্পা.) (১৯৯৮); *চৈয়দ আব্দুল মালিক ৰচনাৱলী (প্ৰথম খণ্ড);* গুৱাহাটী ঃ কস্তুৰী প্ৰকাশন।

৭) ৰহমান, লুৎফুৰ (সম্পা.) (১৯৯৮); *চৈয়দ আব্দুল মালিক ৰচনাৱলী (দ্বিতীয় খণ্ড);* গুৱাহাটী ঃ কস্তুৰী প্ৰকাশন।

৮) ৰহমান, লুৎফুৰ (সম্পা.) (১৯৯৮); *চৈয়দ আব্দুল মালিক ৰচনাৱলী (তৃতীয় খণ্ড);* গুৱাহাটী ঃ কস্তুৰী প্ৰকাশন।

৯) ৰহমান, লুৎফুৰ (সম্পা.) (১৯৯৮); *চৈয়দ আব্দুল মালিক ৰচনাৱলী (চতুৰ্থ খণ্ড);* গুৱাহাটী ঃ কস্তুৰী প্ৰকাশন।

১০) ৰহমান, লুৎফুৰ (সম্পা.) (১৯৯৮); *চৈয়দ আব্দুল মালিক ৰচনাৱলী (পঞ্চম খণ্ড);* গুৱাহাটী ঃ কস্তুৰী প্ৰকাশন।

১১) শৰ্মা, গোবিন্দ প্ৰসাদ (১৯৯৫); *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্টোৰ্ছ।

১২) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১৩) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৭); *অসমীয়া উপন্যাসৰ গতিধাৰা;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।



৮.৬ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ নিবনুৱা সমস্যাৰ স্বৰূপ... ...*জীয়া জুৰিৰ ঘাটত* চালেহ আৰু ভোলা চৰিত্রৰ মাজেদি নিবনুৱা সমস্যাৰ জটিল ৰূপ বর্ণনা কৰা হৈছে।

২নং প্রশ্নৰ উত্তৰ ঃ *জীয়া জুৰিৰ ঘাটৰ* চালেহ চৰিত্রটোৰ চমু পৰিচয়... ...নিবনুৱা চালেহৰ মনৰ হতাশাবোধৰ চিত্রণ... ...চাকৰি বিচাৰিবলৈ সি চলোৱা চেষ্টা আৰু সেই চেষ্টাত তাৰ বিফলতা, ইত্যাদি থূলমূলকৈ উল্লেখ কৰক।

৩নং প্রশ্নৰ উত্তৰ ঃ *জীয়া জুৰিৰ ঘাটৰ* কাহিনীৰ নিচেই চমু উল্লেখ... ...তাৰ মাজে মাজে চালেহ-ভোলা, জেহিৰ-কাদেৰ, চালেহ আৰু তাৰ বন্ধুবর্গ, চালেহ-চাৰা, ইত্যাদি পাৰস্পৰিক সম্পর্কৰ মাজেদি কি দৰে মানৱীয় প্রমূল্যৰ প্রকাশ ঘটিছে তাৰ উল্লেখ।



৮.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ *জীয়া জুৰিৰ ঘাট* কি শ্রেণীৰ উপন্যাস? উপন্যাসৰ মূল বিষয়বস্তু কি?

প্রশ্ন ২ ঃ *জীয়া জুৰিৰ ঘাটৰ* নাৰী চৰিত্র কেইটা আলোচনা কৰক।

প্রশ্ন ৩ ঃ *জীয়া জুৰিৰ ঘাটত* সৰল গ্রাম্য জীৱনৰ চিত্র কি দৰে ফুটি উঠিছে? আলোচনা কৰক।

প্রশ্ন ৪ ঃ নৈতিক স্খলনৰ পথত ভৰি দি তাৰ ভয়ংকৰ পৰিণাম ভোগ কৰা চালেহ চৰিত্রটোৰ মনোজগতত সৃষ্টি হোৱা সংঘাতৰ চিত্র অংকন কৰক।

প্রশ্ন ৫ ঃ *জীয়া জুৰিৰ ঘাটৰ* চাৰা আৰু চম্পা চৰিত্র দুটাৰ তুলনামূলক বিচাৰ আগবঢ়াওক।

প্রশ্ন ৬ ঃ *জীয়া জুৰিৰ ঘাটৰ* চালেহ আৰু ভোলা চৰিত্র দুটাৰ তুলনামূলক বিচাৰ আগবঢ়াওক।

*** ***** ***

অধ্যায় ৯ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্য ঃ *ৰাজপথে ৰিঙিয়ায়*-১

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্য ঃ জীৱন আৰু কৃতি

৯.৪ বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৬ অধিক জানিবলৈ

৯.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৯.৮ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ বিষয়ে চমু পৰিচয় আগবঢ়াব পাৰিব
- এগৰাকী কৃতী ঔপন্যাসিক হিচাপে বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ উপন্যাসসমূহৰ বিষয়ে সামগ্রিক ধাৰণা দিবলৈ সক্ষম হ'ব
- বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্য ৰচনাৰাজিৰ লেখ আগবঢ়াব পাৰিব।

৯.২ পৰিচয়

এইটো 'অসমীয়া উপন্যাস' শীর্ষক পাঠ্যবিষয়ৰ নৱম অধ্যায়। ইয়াত অসমীয়া উপন্যাস সাহিত্যত অগ্রণী আসন অধিকাৰ কৰা সাহিত্যিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ *ৰাজপথে ৰিঙিয়ায়*ৰ আলোচনা আগবঢ়োৱা হৈছে। লগতে ইয়াত তেওঁৰ জীৱন কৃতিৰ লেখৰ লগতে তেওঁ উপন্যাস সৃষ্টিত ফুটি উঠা বৈশিষ্ট্যপূর্ণ দিশসমূহৰ আলোচনা আগবঢ়োৱা হৈছে।

৯.৩ বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্য ঃ জীৱন আৰু কৃতি

যোৰহাট নগৰৰ পৰা প্রায় দহ মাইল দূৰত অৱস্থিত ঢেকিয়াখোৱা গাঁৱৰ নিবাসী শশীধৰ ভট্টাচার্য্যৰ দ্বিতীয় পুত্র বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্য। শশীধৰ ভট্টাচার্য্যৰ কর্মস্থান আছিল শিৱসাগৰৰ চাফ্রাই চাহ বাগিছা। এই বাগিছাতে ১৯২৪ চনৰ ১৪ অক্টোবৰ তাৰিখে আইদেউ ভট্টাচার্য্যৰ গর্ভত বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ জন্ম হয়। তেওঁৰ শিক্ষাজীৱনো আৰম্ভ হয় এই বাগিছাতে। পিছত তেওঁ কাকজান এম ই স্কুলত ভর্তি হয়। কাকজান স্কুলৰ পৰা বৃত্তি লাভ কৰি এম ই পৰীক্ষাত উত্তীর্ণ হৈ যোৰহাট চৰকাৰী হাইস্কুলত নাম লগায়। সেই সময়তে কবি অমূল্য বৰুৱা, মুনীন্দ্র নাৰায়ণ দত্তবৰুৱা,

যতি নাৰায়ণ শৰ্মা, ৰাজেন হাজৰিকা আদি বহুতো যুৱ লেখকৰ লগত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ পৰিচয় ঘটে। তেওঁলোকৰ সমূহীয়া প্ৰচেষ্টাৰ ফলত জন্ম হ'ল *চেনেহী* নামৰ এখন হাতে লিখা আলোচনী। তাৰ আগতে ভট্টাচাৰ্য্যই চাফ্ৰাই চাহ বাগিছাৰ লগত ল'ৰা-ছোৱালীবোৰৰ নামৰ প্ৰথম আখৰবোৰ মিলাই *পূৰবী অৰুণ* নামৰ এখনি হাতে লিখা আলোচনী উলিয়াইছিল।

১৯৪১ চনত যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই চাৰিটা বিষয়ত লেটাৰ আৰু ষ্টাৰ নম্বৰ লাভ কৰি প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পিছত তেওঁ উচ্চ শিক্ষাৰ বাবে গুৱাহাটীৰ কটন কলেজত ভৰ্তি হয়। ১৯৪৩ চনত এই কলেজৰ পৰাই আই.এছ.চি. আৰু ১৯৪৫ চনত বি.এছ.চি. পৰীক্ষাত উত্তীৰ্ণ হয়। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই 'জাৰ্নেলিজিম' বিষয়ত স্নাতকোত্তৰ আৰু লগতে আইন বিষয়ত অধ্যয়ন কৰাৰ ইচ্ছাৰে কলিকতালৈ যায়। কলিকতাৰ পৰা প্ৰকাশিত অসমীয়া আলোচনী *বাঁহী*ৰ সহকাৰী সম্পাদক হিচাপে তেওঁ সাংবাদিক জীৱন আৰম্ভ কৰিলে। লগতে হেমেন্দ্ৰ প্ৰসাদ ঘোষৰ সম্পাদনাত প্ৰকাশিত ইংৰাজী কাকত *এডভান্স*তো কাম কৰিছিল। ১৯৪৬ চনৰ আগষ্ট মাহত কলিকতাত সম্প্ৰদায়িক সংঘৰ্ষৰ সূত্ৰপাত হ'ল। এই সংঘৰ্ষত মৃত্যু হোৱা ভট্টাচাৰ্য্যৰ অন্তৰঙ্গ বন্ধু কবি অমূল্য বৰুৱা তেতিয়া কলিকতা বিশ্ববিদ্যালয়ৰ ইংৰাজী এম এ শ্ৰেণী আৰু আইন কলেজৰ ছাত্ৰ আছিল। তাৰ পিছতেই বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই কলিকতা এৰি অসমলৈ গুচি আহে।

১৯৪৬ চনত ভট্টাচাৰ্য্যলৈ আহিল তেওঁৰ নগা বন্ধু ৰিচাং কেইচিঙৰআহ্বান। নগা পৰ্বতৰ উখৰুল হাইস্কুলৰ বাবে এগৰাকী বি.এছ.চি. শিক্ষকৰ প্ৰয়োজন। ফলত ভট্টাচাৰ্য্যই উখৰুল হাইস্কুলত বিজ্ঞান শিক্ষক হিচাপে যোগদান কৰিলে। ইয়াত তেওঁৰ ডেৰ বছৰীয়া কৰ্মজীৱনত নগাসকলৰ জীৱন আৰু সংস্কৃতি নিৰীক্ষণ কৰাৰ সুযোগ লাভ কৰিলে, যাৰ ফলত পৰৱৰ্তী কালত তেওঁ টাংখুল নগাসকলৰ পটভূমিত ৰচনা কৰি উলিয়ালে *ইয়াৰুঙ্গম* নামৰ উপন্যাসখন। এই উপন্যাসখনিৰ বাবেই ভট্টাচাৰ্য্যই ১৯৬১ চনত লাভ কৰিলে সাহিত্য অকাদেমি বঁটা।

১৯৫২ চনত গুৱাহাটীলৈ উভতি আহি বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যই *ৰামধেনু*ৰ সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰে। ১৯৬৩ চনলৈ তেওঁ এই আলোচনীখনিক নেতৃত্ব দি অসমৰ এখন আগশাৰীৰ আলোচনী হিচাপে পৰিগণিত কৰায়। ১৯৬৩ চনৰ পৰা তেওঁ *নৱযুগ* সম্পাদনা কৰিবলৈ লয় আৰু ১৯৬৬ চনলৈকে তেওঁ ইয়াৰ দায়িত্বত থাকে।

সাংবাদিকতা আৰু সাহিত্য চৰ্চাৰ মাজতো ভট্টাচাৰ্য্যৰ উচ্চ শিক্ষাৰ বাবে হাবিয়াস আছিল। ১৯৫৩ চনত তেওঁ প্ৰাইভেটকৈ অসমীয়া বিষয়ত স্নাতকোত্তৰ উপাধি লাভ কৰে। তাৰ পিছত ১৯৭৭ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পি.এইচ.ডি. উপাধি লাভ কৰে। তেওঁৰ গৱেষণাৰ বিষয় আছিল 'অসমীয়া সাহিত্যত ব্যঙ্গ আৰু হাস্য'। নিষ্ঠা আৰু একাগ্ৰতাৰে উপন্যাস ৰচনাত ব্ৰতী হোৱা অসমীয়া সাহিত্যিকসকলৰ ভিতৰত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য অন্যতম। সাহিত্যৰ ক্ষেত্ৰত ভট্টাচাৰ্য্যৰ বহুমুখী প্ৰতিভাৰ পৰিচয় পোৱা যায়। তেওঁ একাধাৰে কবি, গল্পকাৰ, ঔপন্যাসিক, নাট্যকাৰ, সাংবাদিক, চিন্তাশীল লেখক। সাহিত্যৰ বিভিন্ন দিশলৈ তেওঁ অৱদান আগবঢ়াই থৈ গৈছে যদিও ঔপন্যাসিক হিচাপেহে তেওঁৰ খ্যাতি তথা যশস্যা সৰ্বজনবিদিত।

ঔপন্যাসিক হিচাপে তেওঁ প্ৰতিভাৰ স্বীকৃতি লাভ কৰে ১৯৬১ চনত সাহিত্য অকাদেমি বঁটাৰ যোগেদি। উল্লেখযোগ্য যে বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যই ১৯৭৯ চনত *মৃত্যুঞ্জয়* উপন্যাসৰ বাবে 'জ্ঞানপীঠ বঁটা' লাভ কৰে। বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যই গল্পকাৰ আৰু কবি হিচাপেহে সাহিত্যিক জীৱন আৰম্ভ কৰিছিল। বিংশ শতিকাৰ ষষ্ঠ দশকৰ মাজভাগতহে তেওঁ উপন্যাসৰ ক্ষেত্ৰত প্ৰৱেশ কৰে। *ৰাজপথে ৰিঙিয়ায়* তেওঁৰ প্ৰথম উপন্যাস। এখন শ্ৰেণী বৈষম্যহীন, শোষণমুক্ত সাম্যবাদী সমাজৰ আদৰ্শ আগত ৰাখি বিপ্লৱী মনোভাৰ আৰু নিষ্পেষিত দুৰ্বলৰ প্ৰতি সহানুভূতিশীল দৃষ্টিভংগীৰে এই উপন্যাসখনি ৰচনা কৰিছে। প্ৰথম উপন্যাস *ৰাজপথে ৰিঙিয়ায়ত* অংকুৰিত হোৱা ভট্টাচার্য্যৰ প্ৰতিভা তেওঁৰ পিছৰ উপন্যাসবোৰত বিকশিত হৈছে। প্ৰথম উপন্যাস হিচাপে *ৰাজপথে ৰিঙিয়ায়* কিমানখিনি কৃতকার্য হৈছে সেই কথা এই অধ্যায়টিৰ যোগেদি জানিব পাৰিব। ১৯৮৩ চনত তেওঁ বঙাইগাঁৱত অনুষ্ঠিত অসম সাহিত্য সভাৰ সভাপতি হিচাপে নির্বাচিত হয়।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্য ভালেমান সর্বভাৰতীয় অনুষ্ঠানৰ লগত জড়িত আছিল। তেওঁ ভাৰতীয় লেখক সংস্থাৰ সভাপতি, এলাহাবাদ বিশ্ববিদ্যালয়ৰ 'ইনষ্টিটিউত অৰ গান্ধীয়ান থট এণ্ড পীচ ষ্টাডিছ'ৰ আজীৱন সদস্য, গুৱাহাটী বিশ্ববিদ্যালয়ৰ মনোনীত সদস্য, আঞ্চলিক গৱেষণা উপদেষ্টা পৰিষদৰ সদস্য, 'মেন এণ্ড ডেভেলপ্‌মেণ্ট'ৰ সম্পাদনা উপদেষ্টা পৰিষদৰ সদস্য, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ হৈ বিশ্ববিদ্যালয় অনুদান আয়োগৰ সমিতিৰ সদস্য, নেচনেল জুৰিৰ সদস্য,ভাৰতীয় আন্তর্জাতিক কেন্দ্ৰৰ সদস্য,ভাৰতীয় লেখক সঁজাতি দলৰ নেতা হিচাপে ৰুছ দেশ ভ্ৰমণ, ৰাজা ৰামমোহন ৰায় ফাউণ্ডেচনৰ সভ্য আদি। তদুপৰি ১৯৮৮ চনত ভট্টাচার্য্য সাহিত্য-অকাদেমিৰ সভাপতি পদৰ বাবে নির্বাচিত হয়।

এই গৰাকী প্ৰথিতযশা সাহিত্যিকৰ ১৯৯৭ চনৰ ৬ আগষ্ট তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে।

অসমীয়া ভাষা সাহিত্যলৈ বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ অৰিহণা ব্যাপক।তাৰ জ্বলন্ত স্বাক্ষৰ বহন কৰিছে তেওঁ ৰচিত কবিতা, নাটক, চুটিগল্প,উপন্যাস, প্ৰবন্ধ আদিৰ দীঘল তালিকাই। তেওঁ একাধাৰে কবি, গল্পকাৰ, ঔপন্যাসিক, নাট্যকাৰ, প্ৰৱন্ধকাৰ, সমালোচক। কবিতা ৰচনাৰে বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যই সাহিত্য জীৱনৰ পাতনি মেলিছিল। মুক্তক ছন্দ বা আধুনিক কবিতাৰ আন্দোলনত বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ বিশেষ স্থান আছে। 'বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি' তেওঁৰ এটি সার্থক তথা জনপ্ৰিয় কবিতা। *ৰামধেনু* আলোচনী পাতত বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ কবি প্ৰতিভাৰ প্ৰকৃত পৰিচয় পোৱা যায়। 'নামহীন', 'অর্ঘ', 'শ্বিলঙৰ ৰাতিপুৱা', 'আফ্ৰিকা' 'শঙ্কৰদেৱ' 'নাগিনীৰ চিঠি', 'আত্মজ্ঞান' আদি তেওঁৰ উল্লেখযোগ্য কবিতা। এওঁৰ কবিতাৰ বিষয়ে মন্তব্য দি হোমেন বৰগোহাঞিয়ে কৈছে—"ৰচনা তাকৰ হোৱা সত্ত্বেও তেওঁৰ কবিতাত প্ৰকৃতি কবি-মানসৰ জেউতি আছে। ছন্দৰ সাৱলীলতা, দৃষ্টিভংগীৰ স্বচ্ছতা— বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ কবিতাৰ ঘাই গুণ।"

নাট্যকাৰ হিচাপেও বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ সফলতা অনস্বীকার্য। ১৯৪৬ চনত কলিকতা অনাতাঁৰ কেন্দ্ৰৰপৰা প্ৰচাৰ হোৱা *বলিয়া বৰাগীৰে* তেওঁ নাট্যজীৱনৰ পাতনি মেলে। তাৰ পিছত তেওঁ ভালে সংখ্যক অনাতাঁৰ নাটক ৰচনা কৰে। তাৰে ভিতৰত কেইখনমান অনাতাঁৰ নাটক হ'ল— *জোনালী, শকুন্তলা, ভাৰতী, যজ্ঞ, মুক্তি, শতঘ্নী, মুখা, অহল্যা* আদি। ফৰাচী নাট্যকাৰ মলিয়েৰ *Turtuffe* নাটকখনি তেওঁ *ব্ৰহ্মচাৰী* নামেৰে অসমীয়ালৈ অনুবাদ কৰে।

গল্পকাৰ হিচাপেও ভট্টাচার্য্যৰ অসমীয়া সাহিত্যৰ ইতিহাসত বিশেষ স্থান আছে। যোৰহাট হাইস্কুলৰ আলোচনী *জেউতি*ত তেওঁৰ প্ৰথম গল্প 'মাহী আইৰ সাদৰ' প্ৰকাশ পায় ১৯৩৮ চনত। তাৰ পাছত কটন কলেজৰ মুখপত্ৰ *কটনিয়ান*ত তেওঁৰ চুটিগল্প 'মৰহি পৰা জীৱন' (১৯৪১) প্ৰকাশিত হয়। এই গল্পটোৰ বাবেই তেওঁ কলেজৰ সুকুমাৰ কলা বিষয়ৰ প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰো লাভ কৰিছিল। সেই সময়ৰে পৰা তেওঁ প্ৰায়বোৰ আলোচনীতে নিয়মিতভাৱে গল্প ৰচনা কৰি আহিছে। *কলং আজিও বয়* (১৯২৬) আৰু *সাতসৰী* (১৯৬৩) ভট্টাচার্য্যৰ দুখন গল্প সঙ্কলন। 'মাকনৰ গোঁসাই', 'কলং আজিও বয়', 'চিৰলা আৰু চিন্দুইন', 'ললিতা মাহী', 'মিঞা মনচুৰ', 'এজনী জাপানী ছোৱালী', 'পখিলাই পাখি সলায়' আদি ভট্টাচার্য্যৰ বহু পঠিত জনপ্ৰিয় চুটিগল্প।

অনুবাদ সাহিত্যতো ভট্টাচার্য্যৰ অৰিহণা লেখত ল'বলগীয়া। আৰ্নেষ্ট হেমিংৱেৰ *ফৰ হুম দা বে'ল টলচ* উপন্যাসখনি তেওঁ *দেৱ দুন্দুভি বাজে কাৰ বাবে* নাম দি অসমীয়ালৈ অনুবাদ কৰে। তদুপৰি শৰৎ চন্দ্ৰ চট্টোপাধ্যায়ৰ *পৰিণীতা*, ডি. ডি. কৌশাম্বীৰ *ভাৰতৰ ইতিহাস*, ৰবীন্দ্ৰনাথৰ *একুৰি এটা চুটিগল্প*, *কাজী নজৰুল ইছলাম* আদি তেওঁ অসমীয়ালৈ অনুবাদ কৰে। আন আন ৰচনাৰ ভিতৰত আছে *ডেৰশ বছৰীয়া অসমীয়া সাহিত্য আৰু সংস্কৃতি*, *শ্ৰীঅৰবিন্দ*, *ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ*, *ভাৰতৰ নৱজাগৰণ* আদি। ৰাছিয়া ভ্ৰমণৰ অভিজ্ঞতাৰ ভিত্তিত ৰচনা কৰা *সীমাই আমনি কৰে* তেওঁৰ ভ্ৰমণ কাহিনী।

সাহিত্যৰ অন্যান্য দিশলৈ অৱদান আগবঢ়ালেও ভট্টাচার্য্যৰ কৃতিত্ব আৰু যশস্যা ঔপন্যাসিক হিচাপেহে। তেওঁৰ উপন্যাসমূহ এনে ধৰণৰ— *ৰাজপথে ৰিঙিয়ায়* (১৯৫৫), *ইয়াৰুঈঙ্গম* (১৯৬০), *আই* (১৬৬০), *শতঘ্নী* (১৯৬৫), *নষ্টচন্দ্ৰ* (১৯৬৮), *ভাৰতী* (১৯৬৯) *প্ৰতিপদ* (১৯৭০), *মৃত্যুঞ্জয়* (১৯৭০), *চিনাকি সুঁতি* (১৯৭১), *অগ্নিগড়* (১৯৭১) *কবৰ আৰু ফুল* (১৯৭২), *পৰিব্ৰাজক* (১৯৭২), *বল্লৰী* (১৯৭৩), *এটি নিশা* (১৯৭৩) *টৰ আৰু ইডা* (১৯৭৩), *ডাইনী* (১৯৭৬), *ৰঙামেঘ* (১৯৭৬), *শৰত কোঁৱৰ* (১৯৭৮) *মুনিচুনিৰ পোহৰ* (১৯৭৯), *কালৰ হুমুনিয়াহ* (১৯৮২), *ফুল কোঁৱৰৰ পখী ঘোঁৰা* (১৯৮৮), *প্ৰেম আৰু মৃত্যু* (১৯৯১) আৰু *বুঢ়ী আইৰ পুৰাণ*।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ জীৱন আৰু সৃষ্টিশীল কৰ্মৰাজিৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

(১৫০টা শব্দৰ ভিতৰত)

৯.৪ বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

- এগৰাকী দায়বদ্ধ লেখক হিচাপে বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যই সমাজৰ কল্যাণ আৰু আৰ্ত-নিপীড়িত জনতাৰ মঙ্গলৰ কথা চিন্তা কৰিছিল। সমাজ জীৱনৰ সৰ্বনিম্ন জখলাডালত অৱস্থান কৰা সৰ্বহাৰা শ্ৰেণীটোৱে যুগ যুগ ধৰি লাঞ্ছনা আৰু বঞ্চনাৰ সাক্ষী হৈ আহিছে।

কিন্তু সময় সদায় একেদৰে নাথাকে। অর্থনৈতিক শোষণ আৰু সামাজিক অবিচাৰৰ বিৰুদ্ধে নিপীড়িত শ্রেণীটো জাগ্রত হয়। *প্রতিপদ* উপন্যাসত চিত্রিত হোৱা বনুৱা বিদ্রোহে তাৰেই ইঙ্গিত বহন কৰিছে।

- ঔপন্যাসিক বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ ৰচনাত দেশৰ ৰাজনৈতিক পৰিস্থিতিয়ে ভুমুকি মৰা পৰিলক্ষিত হয়। সমাজ জীৱনৰ পৰা তাৰ ৰাজনৈতিক পৰিস্থিতিক পৃথককৈ চাব নোৱাৰি। সমাজ জীৱনক সূক্ষ্মভাৱে পর্যবেক্ষণ কৰা ঔপন্যাসিক গৰাকীয়ে তেওঁৰ ভালেকেইখন উপন্যাসত সমাজ জীৱন আৰু ৰাজনীতিৰ মাজত থকা সেই সম্পর্কৰ কথা উত্থাপন কৰিছে। কেৱল উত্থাপন কৰাতেই ক্ষান্ত নাথাকি তেওঁ সেই সম্পর্ক বিশ্লেষণ কৰিছে। তেওঁৰ *মৃত্যুঞ্জয়, ইয়াৰুঈঙ্গম, শতঘ্নী* আদিত সমাজ আৰু ৰাজনীতিৰ মাজত থকা সেই সম্পর্ক আৰু সম্পর্কৰ লগত জড়িত সংঘাত মনোজ্ঞভাৱে উপস্থাপন কৰা হৈছে।
- ঔপন্যাসিক ভট্টাচার্য্য মানবতাবাদী চিন্তাধাৰাৰ দ্বাৰা উদ্বুদ্ধ। তেওঁৰ উপন্যাসত স্থান পোৱা নৰ-নাৰীসমূহ বাস্তৱ জীৱনৰ ধূলি-মাকতিৰে ধূসৰিত জীৱন্ত চৰিত্র। তেওঁৰ ওজস্বী কাপত সিবিলাক চৰিত্রই প্রাণ পাই উঠিছে। সেয়া *ইয়াৰুঈঙ্গমৰ* চাৰেংলাই হওক বা *প্রতিপদৰ* ধর্মঘটকাৰী কর্মীবৃন্দ অথবা মৃত্যুঞ্জয়ৰ মহদা গোঁসাই হওক। সকলোৰে জীৱনত এক ব্যাখ্যাহীন শূন্যতাবোধে ক্রিয়া কৰিছে। জীৱনৰ সেই অপূর্ণতাৰ উৎস সন্ধান কৰি জীৱনক পৰিপূর্ণ কৰিবলৈ যেন সকলোৱে অন্তহীন প্রয়াসত মনোনিবেশ কৰিছে।
- ব্যক্তি জীৱনৰ সেই অপূর্ণতাৰ পৰা পৰিত্রাণ পাবলৈ তেজ মঙহৰ শৰীৰধাৰী মানুহৰ চিৰন্তন প্রয়াস তেওঁৰ উপন্যাসৰ পাতে পাতে বিৰাজমান। জীৱনৰ এই বিশেষ দিশটোৰ লগতে নৰ-নাৰীৰ সম্পর্কৰ বৈচিত্র্যপূর্ণ দিশটোও বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ উপন্যাসৰ এটা আকর্ষণীয় দিশ। তেওঁৰ মনস্তাত্ত্বিক উপন্যাস *নষ্ট চন্দ্রত* নৰ-নাৰীৰ সম্পর্কৰ সূক্ষ্ম অথচ জটিল দিশ এটা প্রদর্শন কৰিবলৈ প্রয়াস কৰা হৈছে।
- ঔপন্যাসিক গৰাকী সাম্যবাদী চিন্তাৰ দ্বাৰা প্রভাৱিত। তেওঁৰ ৰাজনৈতিক ধাৰাৰ উপন্যাসকেইখনেই হওক বা আন উপন্যাস কেইখনতেই হওক, সকলোতে সমাজৰ তথাকথিত নিম্ন স্তৰত থকা জনসমূহৰ প্রতি অনুকম্পাৰ ভাব পৰিলক্ষিত হয়। সমাজৰ ভাগ্যবান শ্রেণীটোৰ নিচিনাকৈ সেই শ্রেণীটোৱেও যাতে সমাজত মূৰ তুলি জীয়াই থাকিব পাৰে, তাৰ বাবে ঔপন্যাসিক যত্নপৰ। অন্তঃসলিলা ফল্গুধাৰাৰ দৰে তেওঁৰ সেই সাম্যবাদী চিন্তা তেওঁৰ প্রত্যেকখন উপন্যাসতে বিৰাজমান।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ উপন্যাসৰাজিত প্রকাশ পোৱা সাধাৰণ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

(১৫০টা শব্দৰ ভিতৰত)



চিন্তা-চৰ্চা কৰক-৯.১

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ উপন্যাসত সমসাময়িক সমাজ জীৱনৰ আৰু ব্যক্তি জীৱনৰ মাজত থকা সংঘাত কিদৰে ৰূপায়িত হৈছে আলোচনা আগবঢ়াওক।



৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টোৰ অধ্যয়নৰ মাজেদি অসমীয়া সাহিত্যৰ এগৰাকী উল্লেখযোগ্য সাহিত্যিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ জীৱন লেখৰ পৰিচয় লাভ কৰিলোঁ।
- কথা-সাহিত্য, সম্পাদনা আৰু সাহিত্য সমালোচনাৰ ক্ষেত্ৰত তেওঁ অসমীয়া সাহিত্যলৈ আগবঢ়োৱা অৰিহণাৰ কথা এই পাঠৰ অধ্যয়নৰ মাজেদি জানিব পৰা গ'ল।
- বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ উপন্যাস সৃষ্টিৰ মাজেদি ফুটি উঠা বৈশিষ্ট্যসমূহৰ সম্যক ধাৰণা লাভ কৰিলে।



৯.৬ অধিক জানিবলৈ

১) কটকী, প্ৰফুল্ল (১৯৯৫); *স্বৰাজোত্তৰ অসমীয়া উপন্যাস সমীক্ষা*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

২) খাউণ্ড, মলয়া (১৯৯৬); *বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য আৰু তেওঁৰ উপন্যাস*; গুৱাহাটী ঃ সাহিত্য প্ৰকাশ।

৩) ঠাকুৰ, নগেন (সম্পা.) (২০০০); *এশ বছৰৰ অসমীয়া উপন্যাস*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৪) দাস, শোণিত বিজয় আৰু বায়ন, মুনিন (সম্পা.) (২০০৬); *কথা বৰেণ্য ১০০*; গুৱাহাটী ঃ কথা প্ৰকাশন।

৫) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৬) ভৰালী, শৈলেন (২০০৪); *মাধৱ কন্দলিৰ পৰা মামণি গোস্বামীলৈ*, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৭) শৰ্মা, গোবিন্দ প্ৰসাদ (১৯৯৫); *উপন্যাস আৰু অসমীয়া উপন্যাস*; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

৮) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৯) শর্মা, সত্যেন্দ্রনাথ (২০০৭); *অসমীয়া উপন্যাসৰ গতিধাৰা*; গুৱাহাটী ঃ সৌমাৰ প্রকাশ।



৯.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ জীৱনৰ চমু পৰিচয়... ...শিক্ষা-দীক্ষা, তেওঁৰ কর্ম জীৱন... ...লাভ কৰা বঁটাসমূহ... ...তেওঁ জড়িত হৈ থকা অনুষ্ঠানৰ চমু উল্লেখসহ তেওঁৰ কৃতিসমূহৰ নিচেই চমু মূল্যায়ন।

২নং প্রশ্নৰ উত্তৰ ঃ উপন্যাসিক বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ চমু পৰিচয়... ...তেওঁ ৰচনা কৰা উপন্যাসকেইখনৰ নাম... ...উপন্যাসকেইখনৰ সাধাৰণ বৈশিষ্ট্য।



৯.৮ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ জীৱন আৰু কর্মক্ষেত্রৰ বিষয়ে বিৱৰণ আগবঢ়াওঁক।

প্রশ্ন ২ ঃ বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ অসমীয়া সাহিত্য জীৱনৰ কৃতি আৰু বঁটাসমূহৰ বিষয়ে লিখক।

প্রশ্ন ৩ ঃ বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্য ঃ *ৰাজপথে ৰিঙিয়ায়-২*

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ *ৰাজপথে ৰিঙিয়ায়*

১০.৩.১ উপন্যাসখনৰ সাধাৰণ আলোচনা

১০.৩.২ উপন্যাসখনৰ কাহিনীভাগ

১০.৩.৩ উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ

১০.৩.৪ উপন্যাসখনৰ বৈশিষ্ট্যসমূহ

১০.৩.৫ ৰাজনৈতিক উপন্যাস হিচাপে ৰাজপথে ৰিঙিয়ায়

১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৫ অধিক জানিবলৈ

১০.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১০.৭ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ *ৰাজপথে ৰিঙিয়ায়* নামৰ উপন্যাসখনিৰ বিষয়ে পুঙ্খানুপুঙ্খ বিৱৰণ আগবঢ়াব পাৰিব
- জ্ঞানপীঠ আৰু সাহিত্য অকাডেমী বঁটা লাভ কৰা ঔপন্যাসিক হিচাপে বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ প্ৰতিভা তথা কৃতিত্বৰ বিষয়ে বিশ্লেষণ আগবঢ়াব পাৰিব
- ঔপন্যাসিক হিচাপে বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ অসমীয়া সাহিত্যত স্থান নিৰ্ণয় কৰিবলৈ সমৰ্থ হ'ব।

১০.২ পৰিচয়

এইটো স্নাতকোত্তৰ অসমীয়া তৃতীয় ষাণ্মাসিকৰ দ্বিতীয় বুনিয়াদীপাঠ্যবিষয় 'অসমীয়া উপন্যাস' দশম অধ্যায়। ইয়াত বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ উপন্যাস *ৰাজপথে ৰিঙিয়ায়ৰ* মূল পাঠভাগৰ বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে। ভট্টাচার্য্যৰ এই উপন্যাসখনক সমালোচক-সকলে ৰাজনৈতিক ধাৰাৰ উপন্যাস হিচাপে চিহ্নিত কৰিছে। এই অধ্যায়টোৰ আলোচনাৰ মাজেদি অসমীয়া ৰাজনৈতিক উপন্যাসৰ বিষয়েও ধাৰণা লাভ কৰিব পৰা যাব।

১০.৩ *ৰাজপথে ৰিঙিয়ায়*

১০.৩.১ উপন্যাসৰ সাধাৰণ আলোচনা

বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ প্ৰথম উপন্যাস *ৰাজপথে ৰিঙিয়ায়*। সূৰ্যোদয়ৰপৰা সূৰ্যাস্তলৈকে এটা দিনত মোহন নামৰ এজন বিপ্লৱী যুৱকৰ চিন্তা আৰু কার্যৰ বিৱৰণেই উপন্যাসখনৰ বিষয়বস্তু। মোহনে ভাৰতে স্বাধীনতা লাভ কৰা দিনটোত (১৯৪৭ চনৰ ১৫ আগষ্ট) আন দহজনৰ দৰে আনন্দ অনুভৱ কৰিব পৰা নাই। বৰং তেওঁ অনুভৱ কৰিছে যে এই ৰাজনৈতিক স্বাধীনতা মাথো এমুঠিমান মানুহৰ বাবেহে হ'ব। এই স্বাধীনতা মিছা— "য়ে আজাদী যুথা হেঁই"। এনে ধৰণৰ ভাৱ-চিন্তাৰ মাজেৰে একান্তভাৱে দিনটো কটোৱা মোহন নামৰ চৰিত্রটোৰ কার্যকলাপেই *ৰাজপথে ৰিঙিয়ায়* উপন্যাসখনিৰ মূল বক্তব্য।

১০.৩.২ উপন্যাসখনৰ কাহিনীভাগ

যশস্বী ঔপন্যাসিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ *ৰাজপথে ৰিঙিয়ায়* উপন্যাসৰ কাহিনী আৰম্ভ হৈছে মোহন নামৰ বিপ্লৱী চৰিত্রটিক কেন্দ্ৰ কৰি। মোহন পুলিচ ইন্সপেক্টৰ বিমল শইকীয়াৰ পুত্র। বিমল শইকীয়াৰ চাৰিটা সন্তান— দুজন পুত্র আৰু দুগৰাকী কন্যা। সুখী পৰিয়াল। ছোৱালী দুজনী বিয়া দি উলিয়াই দিছে। ডাঙৰ পুত্র মোহন কলেজীয়া শিক্ষা সাং কৰি আহিছে। দ্বিতীয় পুত্র কলেজত অধ্যয়নত ৰত। মাক-বাপেক দুয়ো কল্পনা কৰিছিল মোহনে ডাঙৰ হৈ ঘৰৰ মুখ উজলাব, এখন ধুনীয়া ঘৰ হ'ব। এটুকুৰা মৰম কোমল মাটিত তেওঁলোকৰ শেষৰ জীৱন নিয়াৰিকৈ চলি যাব। বাপেকে মোহনক কৈছিল— "তই মোতকৈ এখোপ উধাব লাগিব। আই পি এছ হ'ব লাগিব। কলেজত পঢ়োতে সি সেই ভাব লৈয়েই পঢ়া-শুনা আৰু সাজ-পাৰ কৰিছিল। ইংৰাজৰ দিনত অসমীয়া চোকা ল'ৰাই আই.চি.এছ. আৰু আই.পি.এছ. হোৱাৰ আদর্শ চকুৰ আগত ৰাখিছিল। কিন্তু সেই আদর্শ বেলেগ এটা আদর্শৰ হেঁচাত ভাগি চুচুৰ্মৈ হৈ গ'ল। মোহনে প্রগতিবাদী আদর্শ গ্রহণ কৰি দেউতাকৰ বিষয়া জীৱনৰ মূল ভেটিটোকে ভাঙি দিলে। সেই মূল ভেটি আছিল বিদেশী চৰকাৰৰ প্রতি আনুগত্য। ফলত বাপেকৰ লগত মোহনৰ মতভেদ ঘটিল। এই মতভেদে বিয়াল্লিছৰ আন্দোলনৰ পৰা সাতচল্লিছলৈ সাত বছৰ অতিক্রম কৰিলে। বিয়াল্লিছৰ আন্দোলনত যোগ দিয়াৰ সময়তে এই বিচ্ছেদ ঘটিছিল। মোহনে কলেজৰ পৰা আহি ডিব্রুগড়ত আন্দোলনৰ সাংগঠনিক কামত নামি পৰিছিল। সিহঁতৰ ঘৰ হৈ পৰিছিল বিপ্লৱীৰ আড্ডা। চোৰাংচোৱা মুখে উচ্চ পুলিচ বিষয়াই এই কথা গম পাই বাপেক বিমল শইকীয়াক সাৱধান কৰি দিলে। বাপেকৰ তেতিয়া ডি.এছ.পি.লৈ প্রমোচন হোৱাৰ কথা-বতৰা চলি আছিল। পুতেকক নিজে

লগ ধৰি সাৱধান কৰি দিবলৈ তেওঁ এদিন ঘৰ ওলালহি। দেখিলে ঘৰত এসোপা ভলণ্টিয়াৰ। দেখিয়েই বাপেকে গৰজি উঠিল— "মোৰ ঘৰত বিপ্লৱীৰ সভা হ'বলৈ দিব নোৱাৰো। বাপেকৰ গর্জন শুনি মোহনৰ লগৰীয়াবোৰে তাৰপৰা বিদায় লৈ গুচি গ'ল। মোহনৰ মন অভিমান আৰু আঘাতত বিদ্রোহী হৈ উঠিল। এয়েই বাপেকৰ লগত পুতেকৰ সংঘাতৰ সূত্রপাত। সেইদিনাৰ পৰা মোহনে ঘৰৰ পৰা আঁতৰি ফুৰিবলৈ ধৰিলে। তাৰ ভাৱ হ'ল তাৰ ঘৰ নাই। কেতিয়াবা আলহীৰ দৰে আহিলেও তাৰ কোঠাটোত চোৰৰ দৰে আহি ৰাতি শোৱেহি। পুৱা ওলাই যায়। বাপেকক লগ নাপায়। তথাপি বাপেকে তাৰ মন ঘূৰাবলৈ পুলিচ চাহাবৰ চাকৰিৰ বাবে পৰীক্ষা দিবলৈ ক'লে। কিন্তু সি সন্মত নহ'ল। সি যেতিয়া জেলত পৰিল, তেতিয়া বাপেকৰ তাৰ প্রতি অসন্তুষ্টি আৰু বাঢ়িল। জেললৈ গৈ এদিনো পুতেকক দেখা নকৰিলে। ফলত দুয়োৰে মাজত মানসিক ব্যৱধান আৰু অধিক ব্যাপক হৈ পৰিল। জেলৰপৰা ওলাই আহি সি বনুৱা সংগঠনত নামি ঘৰলৈ সম্পূর্ণ পিঠি দিলে। বাপেকে তাৰ কাম-কাজত বাধা নিদিয়া হ'ল। পুতেকৰ চৰকাৰ-বিৰোধী কার্যৰ অজুহাত দেখুৱাই চৰকাৰে তেওঁৰ ডি এছ পিলৈ হ'বলগীয়া পদোন্নতি বন্ধ কৰি থলে। বাপেকৰ মনলৈ নিৰাশা আহিল।

স্বাধীনতাৰ পোহৰ অহাৰ লগে লগে বাপেকৰ মনলৈ পাৰিবাৰিক উন্নতিৰ এটি নতুন আশা উভতি আহিল। তেওঁ ভাবিলে পুতেকে এতিয়া আন্দোলনৰ পথ পৰিহাৰ কৰি ৰাষ্ট্র-সেৱাৰ পথ বাছি ল'ব।কিন্তু পুতেকে সেই পথো গ্রহণ নকৰিলে। নিজৰ পথতে অবিচল হৈ ৰ'ল। আনকি স্বাধীনতাকো সি ভুৱা স্বাধীনতা বুলি আখ্যা দিলে। তথাপি বাপেকে চেষ্টাৰ ত্রুটি কৰা নাই। শেষবাৰৰ বাবে চেষ্টা চলালে— মুখ্যমন্ত্রীক দেখা কৰি পদবী এটা ল'বলৈ তাক মাকৰ দ্বাৰা উপদেশ দিলে। কিন্তু এই সুযোগো সি দলিয়াই পেলালে। সি কেৱল সেৱক হ'ব বিচাৰে। এই শাসন, এই সমাজ ব্যৱস্থাৰ লগতে বাপেকে যেনেদৰে আপোচ কৰি চলিছে, সি তেনে আপোচ নকৰে। বনুৱা-মজদূৰৰ স্বার্থৰ লগত তাৰ জীৱন অকাতৰে মিলাই দিছে। এনেদৰে বাপেক-পুতেকৰ মাজত দূৰত্ব বৃদ্ধি পাই গৈ থাকিল— বাপেক মালিক তথা চৰকাৰৰ ফলীয়া, সি বনুৱা-মজদূৰৰ ফলীয়া। মিতাতলী চাহ বাগিছাত সেই প্রভেদ আৰু অধিক স্পষ্ট হৈ পৰিল— বাপেক যেতিয়া চাহাবৰ বঙলাত, সি তেতিয়া মজদূৰৰ ঘৰত।

ট্রেড ইউনিয়নৰ নেতৃত্ব, বাপেকৰ লগত মনোমালিন্য, নিজ ঘৰ ত্যাগ কৰি বনুৱা মজদূৰৰ স্বার্থৰ হকে আন্দোলন কৰি থকা মানসিক অৱস্থাৰ সময়তে মোহনৰ জীৱনলৈ আহিছে যৌৱনৰ সম্ভ্রান্ত আলহী— প্রেম। একেটা চুবুৰীৰে চাহ বাগানৰ মালিক নন্দন বৰুৱাৰ জীয়ৰী আইকণে তাৰ মন অধিকাৰ কৰি লৈছে। ধনী বাপেকৰ সন্তান হ'লেও আইকণ মোহনৰ আদর্শৰ। সেইবাবে দুয়োৰে মাজত প্রেমে দৃঢ়ভাৱে খোপনি পুতি ল'বলৈ সুযোগ পালে। কলেজত পঢ়ি থকা সময়ত মোহনৰ সাহিত্য প্রতিভা দেখি আইকণে তাক ফাউণ্টেইন পেন এটা উপহাৰ দি কৈছিল— "তুমি অসমৰ

এজন ডাঙৰ সাহিত্যিক হ'বা।" কিন্তু তাৰ ব্যৱহাৰ হ'লগৈ বনুৱা আন্দোলনৰ বাবে দৈনন্দিন প্ৰচাৰ সাহিত্য— পোষ্টাৰ, লিফলেট, পেম্‌ফলেট, ইত্যাদি লিখাত।

মোহনে ঘৰুৱা জীৱন এৰি জাতীয় জীৱনলৈ ওলাই আহিল। আইকণৰ প্ৰেম, বিয়া কৰোৱাৰ বাবে মাকৰ উপদেশ, দেউতাকৰ ইচ্ছা— এইবোৰ একোৱেই তাক টলাব নোৱাৰিলে। তাৰ মতে বিপ্লৱেহে সমাজ পৰিৱৰ্তন কৰিব পাৰে। ছামছেৰ, মদন শৰ্মা, ৰজত দোকানী, গোলাপ, অৰ্জুন, নিৰঞ্জন, অপৰাজিতা, নুৰবিবি, খুটিংলা, লচমী, বাচ্ছালাল আদি তাৰ সহযোগী তথা বিশ্বস্ত কমৰেড। সকলোৱে মিলি অন্যায়ৰ প্ৰতিবাদ কৰিছে, শোভাযাত্ৰা উলিয়াইছে, ধৰ্মঘটৰ আয়োজন কৰিছে। অন্যায়ভাৱে শ্ৰমিকক কামৰ পৰা বৰ্খাস্ত কৰা, বিপ্লৱ দমনৰ বাবে পুলিচৰ সহায়ত গ্ৰেপ্তাৰ কৰোৱা আদি ঘটনা ক্ৰমান্বয়ে বৃদ্ধি পাবলৈ ধৰিছে। তথাপি মোহনৰ আন্দোলন থমকি ৰোৱা নাই।

এনে বহু সংঘাতৰ মাজেৰে বহু প্ৰতীক্ষিত ভাৰতবৰ্ষৰ প্ৰথম স্বাধীনতা দিৱস পোন্ধৰ আগষ্ট আহি পালে। মোহনৰ নিচিনা বিপ্লৱীহঁতৰ মতে এই স্বাধীনতা ভু�ৱা স্বাধীনতা। তেওঁলোকৰ প্ৰশ্ন যদি জনতাই স্বাধীনতা পাইছে ক'ত সেই জনশাসন ? মাটিৰ ওপৰত সমাজৰ অধিকাৰ ক'ত ? খেতিৰ ওপৰত কৃষকৰ স্বত্ব ক'ত ? ক'ত বনুৱাসকলৰ আত্মপ্ৰতিষ্ঠাৰ দিহা ? ক'ত তেওঁলোকৰ জীয়াই থকাৰ অধিকাৰ ? মোহনহঁতে উপলব্ধি কৰে— এই স্বাধীনতা আমাৰ নহয়, জনতাৰ নহয়। ই ধনীৰ, পুঁজিপতিৰ, চোৰাং বেপাৰীৰ, মিল মালিকৰ, জমিদাৰৰ স্বাধীনতা। সেইবাবে মোহনে ভাৰতৰ স্বাধীনতা লাভৰ এই দিনটোত আন বহুতৰ দৰে আনন্দত আত্মহাৰা হ'ব পৰা নাই। স্বাধীনতা দিবসৰ নামত চাৰিওফালে উৎসৱ-মুখৰ পৰিৱেশ। মন্ত্ৰী, নেতা-পালিনেতাসকলে পতাকা উত্তোলন, বক্তৃতা দিবলৈ ৰঙীন ৰভা নিৰ্মাণ কৰা হৈছে। জনতাৰ সোঁত বৈছে। কিন্তু এই দিনটোত মোহনহঁত স্বাধীনতাৰ সোৱাদৰ পৰা বঞ্চিত। তেওঁলোকৰ মতে— "খাবলৈ ভাত নাই, পিন্ধিবলৈ কাপোৰ নাই, আমাৰ গাত কি স্বাধীনতা লাগিব।" নিৰ্দিষ্ট সময়ত মুখ্যমন্ত্ৰীয়ে স্বাধীনতা দিৱস উপলক্ষে বক্তৃতা দিবলৈ মঞ্চত উঠিল। সকলোকে স্বাধীনতা দিবসৰ ওলগ যাচিলে। তাৰ পিছত স্বাধীনতা আন্দোলনৰ শ্বহীদ আৰু কৰ্মীসকললৈ শ্ৰদ্ধাঞ্জলি জনালে। মানুহবোৰে হাত চাপৰি দিলে। স্বাধীনতা দিৱস আৰু দেশ বিভাজনৰ ভাষণত তেওঁ বিকৃত ব্যাখ্যা আগবঢ়ালে। লগতে মোহনহঁতে শ্ৰমিক-বনুৱাসকলক ভুল পথেৰে পৰিচালনা কৰা বুলি দোষাৰোপ কৰিলে। মুখ্যমন্ত্ৰীৰ মতে নেতাসকলে বিপ্লৱৰ বাবে বনুৱাসকলক উচটাইছে।

বিপ্লৱৰ বিৰুদ্ধে কৰা এনে মন্তব্যৰ পিছত মজদুৰসকলে হাতত ৰঙা পতাকা লৈ প্ৰতিবাদ কৰি ধ্বনি দিবলৈ ধৰিলে— "এ আজাদী ঝুঠী হ্যায়, দেশকী জনতা ভূখী হ্যায়।" পৰিস্থিতি অনুকূল যেন নেদেখি মুখ্যমন্ত্ৰীয়ে খৰ-খেদাকৈ মঞ্চ ত্যাগ কৰিলে। স্বাধীন অসমৰ মন্ত্ৰীয়ে ভাষণ দিয়া এই সভাত মোহনৰ ভাষণ দিয়াৰ অনুমোদন নাছিল। তথাপি সি মাইকৰ ওচৰলৈ গৈ বিপ্লৱী বক্তৃতা দিবলৈ আৰম্ভ কৰিলে, সেই দিনটোত

পোৱা স্বাধীনতাৰ বিৰুদ্ধে, চৰকাৰৰ বিৰুদ্ধে। ফলত সি পুলিচৰ ৰোষত পৰিল। পুলিচে তাক মুখত সোপা দি মঞ্চৰ কৰা নমাই আনিলে আৰু গ্ৰেপ্তাৰ কৰি জেললৈ লৈ গ'ল। মোহনক গ্ৰেপ্তাৰ কৰাৰ লগে লগে জনতাৰ মাজত হুলস্থুল লাগিল। মানুহবোৰ মঞ্চৰ ফালে দৌৰিবলৈ ধৰিলে। জনতাক ছত্ৰভঙ্গ দিয়াৰ বাবে পুলিচে লাঠি চার্জ কৰিলে। মোহনক জেলত ভৰালে।অলপ পিছতে দেখিলে তাৰ সহযোগীছামছেৰ, অর্জুন, ৰজত দোকানী আদিকো জেললৈ আনিছে।

তেতিয়া সন্ধ্যা নামিছে। জেলৰ বাহিৰে ভিতৰৰে লাইট জ্বলি উঠিছে। খিড়িকিয়েদি বাহিৰলৈ চাই মোহনে তিনিগৰাকী মানুহ দেখা পালে। সেই ত্ৰিমূৰ্তি হ'ল— মাক, অপৰাজিতা আৰু আইকণ। সি তেওঁলোকৰ ওচৰলৈ গ'ল। কিন্তু তেওঁলোক আৰু মোহনৰ মাজত আজি এখন বেৰ ।

কিছু সময়ৰ পিছত বন্দীবোৰক ফাটেকলৈ নিয়া হ'ল। মোহনক এটা 'চেল'লৈ নিয়া হ'ল। তাত চাৰিওফালে নির্জনতা। তথাপি তেতিয়াও তাৰ শ্বাস-প্ৰশ্বাসত মুক্তিৰ বতাহ বলিছে। মানৱতাৰ চিতাজুই কিমান দিন জ্বলিব? মানুহ বহি নাথাকে। মানৱতাই ন-সঙ্কল্প লৈছে। মঙ্গলময়, সুন্দৰ আৰু সত্যময় ভৱিষ্যত নির্মাণৰ বাবে সিহঁতৰ দৰে বহুত অনামী লোকে দ্বিধাহীন অঞ্জলি দান দিছে। সি বিশ্বাস কৰে এই পথেদিয়েই মানুহৰ মুক্তি আহিব, এই পথেদিয়েই ধৰণী ধুনীয়া হ'ব। শেষত সি অনুভৱ কৰিছে— জেল ৰাজপথৰ যাত্ৰীৰ বাবে অনুপম প্ৰসাদ।

এনেদৰে ভাৰতৰ প্ৰথম স্বাধীনতা দিৱস পোন্ধৰ আগষ্টৰ এটা দিনত সংঘটিত হোৱা ঘটনাক লৈ বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ *ৰাজপথে ৰিঙিয়ায়* নামৰ উপন্যাসখনিৰ কাহিনীভাগ গঢ় লৈ উঠিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ *ৰাজপথে ৰিঙিয়ায়* উপন্যাসখনৰ কাহিনীভাগৰ মাজেদি ঔপন্যাসিকে সমাজ জীৱনৰ কোনটো সত্য উন্মোচন কৰিছে? (৭৫টা শব্দৰ ভিতৰত)

১০.৩.৩ উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ

চৰিত্ৰৰ কার্যকলাপে কাহিনীৰ সৃষ্টি কৰে। সেইবাবে উপন্যাসত চৰিত্ৰৰ ভূমিকা গুৰুত্বপূর্ণ। চৰিত্ৰৰ বিভিন্ন ভাগ বা শ্ৰেণী বিভাজন থাকে— কেন্দ্ৰীয় বা মূল চৰিত্ৰ আৰু পার্শ্ব বা গৌণ চৰিত্ৰ। নায়ক-নায়িকা মূল চৰিত্ৰৰ অন্তর্ভুক্ত। উপন্যাসৰ কাহিনী সৃষ্টিত যিবোৰ চৰিত্ৰৰ ভূমিকা বেছি বা যিবোৰ চৰিত্ৰ প্ৰত্যক্ষভাৱে জড়িত হৈ থাকে তেনে চৰিত্ৰকে নায়ক বা কেন্দ্ৰীয় চৰিত্ৰ বুলি অভিহিত কৰা হয়। আনহাতে, পার্শ্ব

চৰিত্ৰসমূহৰ মূল কাহিনী সৃষ্টিত প্ৰত্যক্ষ ভূমিকা নাথাকে, এনে চৰিত্ৰবোৰে কাহিনী সৃষ্টিত মূল বা কেন্দ্ৰীয় চৰিত্ৰক সহায়হে কৰে।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ *ৰাজপথে ৰিঙিয়ায়* উপন্যাসখনিত সৰু-বৰ ভালে সংখ্যক চৰিত্ৰৰ সমাৱেশ ঘটিছে। তাৰে ভিতৰত মোহন নামৰ চৰিত্ৰটি উপন্যাসখনৰ নায়ক বা কেন্দ্ৰীয় চৰিত্ৰ। এই চৰিত্ৰটোক কেন্দ্ৰ কৰিয়েই উপন্যাসখনিৰ কাহিনীভাগৰ সূত্ৰপাত হৈছে। মোহনৰ বাহিৰে আন চৰিত্ৰবোৰ উপন্যাসখনিৰ পার্শ্ব বা গৌণ চৰিত্ৰ। অৱশ্যে উপন্যাসখনিত এনে চৰিত্ৰৰ সংখ্যাই বেছি। এওঁলোকে কাহিনী সৃষ্টিত মোহনক সহায় কৰিছে।

উপন্যাসখনিৰ চৰিত্ৰসমূহক দুটা ভাগত ভগাব পাৰি—পুৰুষ চৰিত্ৰ আৰু নাৰী চৰিত্ৰ। পুৰুষ চৰিত্ৰৰ ভিতৰত নিৰঞ্জন, ছামছেৰ, অর্জুন, বাচ্চালাল, ডাঃ হাজৰিকা, মোহনৰ দেউতাক বিমল শইকীয়া আদি। নাৰী চৰিত্ৰৰ ভিতৰত— আইকণ, অপৰাজিতা, নুৰবিবি, খুটিংলা, লচমী, মোহনৰ মাক আদি উল্লেখযোগ্য। মনকৰিবলগীয়া যে এইবোৰ পার্শ্ব চৰিত্ৰ হ'লেওপ্ৰতিটো চৰিত্ৰই আপোন বৈশিষ্ট্যৰে উজ্জ্বল। এই চৰিত্ৰসমূহৰ আংশিক জীৱনৰ কথা প্ৰকাশ পালেও আৰু কম সময়ৰ বাবে উপন্যাসখনত ভুমুকি মাৰিলেও, সেইখিনি সময়ৰ ভিতৰতে চৰিত্ৰকেইটাই পাঠকৰ মনোযোগ আৰু দৃষ্টি আকর্ষণ কৰিবলৈ সক্ষম হৈছে। ঔপন্যাসিক হিচাপে বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ ই দক্ষতাৰ পৰিচায়ক।

- **মোহন ঃ** *ৰাজপথে ৰিঙিয়ায়* উপন্যাসৰ মূল চৰিত্ৰ মোহন। মোহন বিপ্লৱী। সূর্যোদয়ৰ পৰা সূর্যাস্তলৈকে এটা দিনত মোহন নামৰ এই বিপ্লৱী যুৱকজনৰ চিন্তা আৰু কার্যৰ বিৱৰণেই উপন্যাসখনিৰ মূল বিষয়বস্তু। যুগ যুগ ধৰি বিভিন্ন প্ৰকাৰে লাঞ্ছিত আৰু শোষিতজনৰ ন্যায্য প্ৰাপ্তিৰ অধিকাৰেই মোহনৰ দাবী। তাৰ বাবে সি সংগ্ৰামত নামিছে, কৃষক-বনুৱাৰ নেতৃত্ব বহন কৰিছে। শোষিত নিষ্পেষিতসকলৰ কল্যাণ সাধন কৰিবলৈ গৈ মোহন বিপ্লৱত লিপ্ত হৈছে, ঘৰ দুৱাৰ এৰিছে, বাপেকৰ লগত তাৰ মনোমালিন্য ঘটিছে। তথাপি সি পৰিস্থিতিৰ লগত আপোচ কৰা নাই। সমাজৰ পৰিবর্তন, সমাজ ব্যৱস্থাৰ পৰিবর্তনৰ খাতিৰত সি বৈষয়িক-চিন্তা, লাহ-বিলাহ ত্যাগ কৰিছে। সি অনুভৱ কৰে— "চুবুৰীয়া জীৱন স্থিতিশীল। ইয়াত কোনেও নতুন ব্যৱস্থাৰ কথা নাভাৱে। এই চুবুৰীৰ পুৱা-গধূলিৰ লগত তাৰ নিবিড় পৰিচয়। চুবুৰীয়াৰ ভাৱ, কাম আৰু কথা এটা মে�ৰঘৰৰ ভিতৰত আৱদ্ধ থাকে। সেই মেৰঘৰৰ ভিতৰতে চুবুৰীৰ পুৰুষার্থ সীমাবদ্ধ। তাৰ মাজতেই আহাৰ, মৈথুন, প্ৰেম, কলা, সুখ, দুঃখ। এই মেৰঘৰত সোমাই থাকি সিও স্থিতিশীল হৈ গ'লহেঁতেন, যদি সি নুবুজিলেহেঁতেনচুবুৰীতকৈ দেশ ডাঙৰ,চুবুৰীৰ স্থিতিশীল জীৱনতকৈ ৰাইজৰ সেৱা অধিক প্ৰয়োজনীয়..."।

মোহনৰ ভৱিষ্যৎ অনিশ্চিত। বর্তমানতো খেলি-মেলি।থকা-পিন্ধা, চলা-ফুৰা সকলো বৰাগীৰ দৰে। কেৱল ৰাইজৰ চান্দাৰ ওপৰতেই সি নির্ভৰশীল। ৰজত

দোকানীয়ে অৱশ্যে তাক বিনা পইচাই চাহ খুৱায়। তাৰ এই বেপেৰোৱা কাম-কাজত বিৰক্ত হৈ দেউতাকে তাক পুলিচৰ চাকৰিৰ বাবে পৰীক্ষা দিবলৈ কয়। কিন্তু সি নির্বিকাৰ। তাৰ ব্যক্তিগত জীৱনৰ উন্নতিৰ কথা সি কাহানিও চিন্তা কৰা নাই। মুখ্যমন্ত্রীক লগ ধৰিলে তাৰ চাকৰি এটাৰ দিহা লাগিব বুলি মাকে তাক দঢ়াই দঢ়াই কোৱাৰ পিছত তাৰ সেই একেই ধৰণৰ প্রতিক্রিয়া— "মোৰ কাম হৈছে লোকৰ কাৰণে কাম কৰা। নিজৰ চাকৰি যোগাৰ কৰা নহয়।" এয়ে মোহনৰ প্রকৃতি। তাৰ লক্ষ্য সকলো শ্রেণীৰ শোষিত জনতাক সংঘবদ্ধ কৰা। তাত ব্যক্তি জীৱনৰ সুখ স্বাচ্ছন্দ্যৰ স্থান নাই। আনকি তাৰ ব্যক্তিগত প্রেমকো সি বহুক্ষেত্রত আওকাণ কৰিবলগীয়া হৈছে। আইকণক সি মনে-প্রাণে ভাল পায়। কিন্তু বাপেক চাহ বাগানৰ মালিক। এনে ক্ষেত্রত বুর্জোৱাৰ কন্যা আৰু বনুৱা কর্মীৰ মাজত বিয়া হ'লে পাৰস্পৰিক স্বার্থৰ সংঘাত অনিবার্য। কিন্তু মোহনৰ স্পষ্ট অভিমত— প্রেমক সি তেতিয়ালৈকে সমাদৰ কৰিব, যেতিয়ালৈকে প্রেমে তাক জনসেৱা কৰাত বাধা নিদিয়ে। বাস্তৱ ক্ষেত্রত দেখা গৈছে মোহন এই ক্ষেত্রত সুখী। তাৰ প্রণয়প্রার্থী আইকণ মোহনৰ আদর্শ আৰু বিপ্লৱী পথৰ বিশ্বস্ত সহযাত্রী। বিপ্লৱৰ নামত মোহনে কেনেদৰে ত্যাগ স্বীকাৰ কৰিছে তাৰ প্রমাণ পোৱা যায় ডাক্তৰ প্রসন্ন হাজৰিকাৰ মন্তব্যত। মোহনৰ সতীর্থ মদন শর্মাৰ ক্ষয়ৰোগৰ যন্ত্রণা দেখি আৰু মৃত্যু নিকট বুলি জানি যেতিয়া মোহনে চকুপানী টোকে তেতিয়া ডাক্তৰ হাজৰিকাই বাস্তৱ দৃষ্টিভঙ্গীৰে মোহনক সকিয়াই দিয়ে— "তুমিতো দেউতাৰা বা আইকণৰ বাবে এনেদৰে কন্দা দেখা নাই। প্রকৃতপক্ষে তোমালোকে যি বিচাৰিছা, তাকেই আকৌ প্রত্যাখ্যান কৰিছা। সকলোৰে বাবে স্বাস্থ্য বিচাৰিছা, কিন্তু বিচাৰোতে নিজ স্বাস্থ্যৰ হানি কৰিছা। সকলো বনুৱাকে ঘৰ দিব খুজিছা, অথচ নিজে অঘৰী হৈছা। সকলোকে আহাৰ দিব খুজিছা, অথচ নিজে আহাৰ নেখাই শুকাইছা বা তিল্-তিল্কৈ মৰিছা।" মোহনৰ ত্যাগৰ ইয়াতকৈ আৰু ভাল উদাহৰণ কি লাগে। সি সকলোৰে কল্যাণৰ বাবে দেহে-কেহে খাটে, কিন্তু নিজৰ কথা কেতিয়াও নাভাৱে। বনুৱা, কৃষক, মজদূৰ, শোষিত, নিষ্পেষিতক লৈয়েই তাৰ জগতখন। এওঁলোকৰ বাবে কঠোৰ বিপ্লৱৰ পথ আঁকোৱালি লোৱা মোহন শেষত পুলিচৰ ৰোষত পৰি জেলত থাকিবলগীয়া হৈছে। জেলত বন্দী কৰি থোৱাৰ পিছতো সি বিপ্লৱৰ পথ এৰাৰ কথা ভৱা নাই। বৰং সি পৰম আশাবাদী। "এই পথেদিয়েই মানুহৰ মুক্তি আহিব; এই পথেদিয়েই ধৰণী ধুনীয়া হ'ব।"

এইদৰেই ঔপন্যাসিক বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যই তেওঁৰ *ৰাজপথে ৰিঙিয়ায়* উপন্যাসখনিত মোহন নামৰ চৰিত্রটো অঙ্কন কৰিছে। মোহন ইয়াত ভাৰতৰ স্বাধীনতাৰ সময়ত— "এ আজাদী ঝুথা হেঁই" ধ্বনি তোলা সমাজবাদী বিপ্লৱী। মোহনৰ সমগ্র ভাৱ-চিন্তা আৰু বনুৱা-পীড়িতসকলৰ প্রতি সহানুভূতিশীল কার্যই

দেখুৱাই থৈ গৈছে যে তেওঁ মানুহক ভালপোৱা কমিউনিষ্ট আদর্শৰ অনুগামী। মোহনৰ এই আদর্শবাদী দৃষ্টিভঙ্গীয়ে ঔপন্যাসিকৰ নিজৰ সমাজ-সচেতনতাৰ পৰিচয় দিছে।

- **নিৰঞ্জন ঃ** নিৰঞ্জনক উপন্যাসখনিত মোহনৰ সহযোগী হিচাপে লগ পোৱা যায়। এওঁৰ সম্পূর্ণ নাম নিৰঞ্জন পাটগিৰি।নিৰঞ্জন সাহিত্য-সংস্কৃতিৰ নিস্বার্থ কর্মী। তেওঁ থিয়েটাৰ হলত প্রথম স্বাধীনতা দিৱস উপলক্ষে এখন শিল্পী সম্মিলনৰ আহ্বান কৰে আৰু সেই সম্মিলনলৈ মোহনক নিমন্ত্রণ জনায়। এই নিমন্ত্রণী চিঠিৰ প্রসঙ্গতে নিৰঞ্জনৰ সাহিত্য সম্পর্কীয়-দৃষ্টিভঙ্গীৰ আভাস পোৱা যায়। সেইবাবে তেওঁৰ মনত প্রশ্ন— "স্বাধীনতা আহিল, কিন্তু আমাৰ সাহিত্য সৃষ্টিত ইয়াৰ জোঁৱাৰ ক'ত?" আনকি এই আন্দোলনে নতুন দৃষ্টিভঙ্গীৰ সাহিত্য সৃষ্টিতো অৰিহণা যোগাব পৰা নাই। তেওঁৰ মতে সাহিত্য ৰচনাৰ বাবে যি সাধনাৰ প্রয়োজন, সেই সাধনাৰ পৰিৱেশ আজি নাই। নিৰঞ্জনৰ মতে সঙ্গীত, সাহিত্য, ৰংগমঞ্চ আদি সকলোতে এতিয়া কেৱল বাহ্যিকতা।ভুল আদর্শৰ মোহত পৰাৰ ফলত বিশ্বজনীন তথা সার্থক সাহিত্য সৃষ্টি হোৱা নাই। এনেদৰে প্রথম পর্যায়ত নিৰঞ্জনক এগৰাকী সাহিত্য-ৰসিক তথা সাহিত্যৰ তীক্ষ্ণ সমালোচক ৰূপে লগ পোৱা যায়। ইয়াৰ পিছত আমি নিৰঞ্জনক আন এটা ৰূপত লগ পাওঁ।মদন শর্মা ক্ষয়ৰোগত আক্রান্ত হোৱাৰ ফলত চিকিৎসাৰ বাবে অন্ততঃ দুশ টকাৰ প্রয়োজন হোৱাত, মোহনে অন্য উপায় কৰিব নোৱাৰি নিৰঞ্জনক টকা যোগাৰ কৰাৰ বাবে খবৰ পঠিয়াইছে। মোহনৰ বিশ্বাস এই সমস্যা নিৰঞ্জনে সমাধান কৰিব পাৰিব। নিৰঞ্জনে খবৰ পোৱাৰ লগে লগে বনুৱা-মজদূৰৰ পৰা চান্দা সংগ্রহ কৰি এশ টকা মোহনৰ হাতত অর্পণ কৰিছে। এয়া আছিল নিৰঞ্জন চৰিত্রটোৰ সংগঠনৰ প্রতি, দুর্গতজনৰ প্রতি আন্তৰিকতাৰ নমুনা। শেষৰ পিনে আমি নিৰঞ্জনক দেখা পাওঁ পোন্ধৰ আগষ্ট উদ্‌যাপনৰ মঞ্চত। মুখ্যমন্ত্রীয়ে পৰিস্থিতি প্রতিকূল যেন দেখি সভাৰ ভাষণ চমু কৰি সভা ত্যাগ কৰিলে। মুখ্যমন্ত্রীৰ প্রস্থানৰ পিছত নিৰঞ্জনে মোহনক মঞ্চলৈ আগবঢ়াই নি ভাষণ দিয়াৰ বাবে সুবিধা কৰি দিছে। এনেদৰে নিৰঞ্জন চৰিত্রটোয়ে আন্দোলনৰ নেতৃত্ব দিয়াৰ ক্ষেত্রত মোহনক সকলো ফালৰপৰা সহায় কৰি আহিছে। এটা নির্দিষ্ট ৰাজনৈতিক আদর্শ আৰু সেই আদর্শৰ প্রতি গভীৰ শ্রদ্ধা তথা আনুগত্যই নিৰঞ্জন চৰিত্রটোক আকর্ষণীয় কৰি তুলিছে।
- **ছামছেৰ ঃ** উপন্যাসখনিৰ আন এটা আকর্ষণীয় চৰিত্র ছামছেৰ। মিলৰ মালিকে অন্যায়ভাৱে দহজন মজদুৰক কামৰ পৰা বর্খাস্ত কৰে। কাম হেৰুওৱা এই মজদুৰ কেইজনে পুনৰ মকৰলৰ বাবে দহদিন ধৰি মিলৰ সন্মুখত শিবিৰ পাতি ধর্ণা দিছে, শোভাযাত্রা কৰিছে। এই আন্দোলনৰ নেতৃত্ব বহন কৰিছে ছামছেৰে। ছামছেৰ সাহসী। অকল সাহসীয়েই নহয়, সি সকলো ফালৰ পৰা মজদুৰক নেতৃত্ব দিব পৰা গুণৰ

অধিকাৰী। হিন্দী আৰু অসমীয়াতসি অনৰ্গল বক্তৃতা দিব পাৰে— কথাবোৰ যেন ফাগুণৰ বাউলী বতাহৰ দৰে কোবাল। ছামছেৰেট্রাইবিউনেলত বহিব পাৰে, মিটিঙত প্রস্তাৱ ল'ব পাৰে, ইউনিয়ন চলাব জানে। সি শান্ত, দৃঢ়চিত্তে, নির্ভয়ে মালিকৰ লগত তর্ক কৰিব পাৰে। নাখাই-নবৈ ধর্মঘট কৰিব পাৰে, শ্রমিকৰ মাজত ঐক্য আৰু সমতা বজাই ৰাখিব পাৰে। মোহনে যি আন্দোলনৰ নেতৃত্ব বহন কৰিছে, সেই আন্দোলনৰ ছামছেৰোএগৰাকী বিশ্বস্ত সৈনিক, যাৰ ওপৰত ভৰসা কৰি মোহন নিশ্চিন্ত হৈ থাকিব পাৰে। মোহনৰ ভাষাত ট্রেড ইউনিয়নৰ বাবে যিকেইজন খামি ডাঠ মানুহ ওলাইছে, তাৰ ভিতৰত ছামছেৰ অন্যতম।

- **ৰজত ঃ** মোহনক সকলো সময়তে সহায়ৰ হাত আগবঢ়াই অহা আন এটি চৰিত্র হৈছে ৰজত দোকানী। ৰজত এখন সৰু চাহ দোকানৰ মালিক। মোহন কেৱল চান্দাৰ ওপৰতে নির্ভৰশীল। এই কথা ৰজতে জানে। সেইবাবে ৰজতে প্রত্যেক দিনে মোহনক বিনা পইচাই চাহ খুৱায়। যিদিনা ৰজতৰ দোকান বন্ধ থাকে সেইদিনা আন দোকানত চাহ খাবলৈ ৰজতে মোহনক এক অনা পইচা জেপত গুজি দিয়ে। তদুপৰি যেতিয়াই কাৰোবাক খবৰ দিবলগীয়া হয়, তাৰ বাবে ৰজতক স্মৰণ কৰিলেই হ'ল। যোগাযোগৰ বাবে ৰজত সদা প্রস্তুত। মদন শর্মাৰ চিকিৎসাৰ বাবে তৎকালীনভাৱে ধনৰ প্রয়োজন হোৱাত ৰজতেই গৈ নিৰঞ্জনক খবৰ দিয়েগৈ। উপন্যাসখনিৰ শেষত দেখা গৈছে স্বাধীনতা দিৱসৰ দিনা শ্লোগান দিয়া বাবে মোহনৰ লগতে ৰজতকো জেলত ভৰাইছে। ঔপন্যাসিকে মোহনৰ মুখেৰে ৰজত চৰিত্রটোৰ পৰিচয় জ্ঞাপন কৰি কৈছে— "ৰজত দোকানীৰ বদান্যতাৰ কথা মনত পৰিলে পৃথিৱীৰ জনতাৰ ওপৰত আস্থা বাঢ়ে।তাৰ লগত মোহনৰ সম্পর্ক এজন কর্মীৰ সতে সাধাৰণ খাতি খোৱা মানুহৰ সম্পর্ক। সেৱকক যৎকিঞ্চিত দি জীয়াই ৰখাই যেন ৰজতৰ ধর্ম। সি ন-মানৱতাৰ সূচনা।"
- **মদন শর্মা ঃ** মোহনৰ দৰে আন এটি বিপ্লৱী চৰিত্র মদন শর্মা। এওঁ চাহ বনুৱাৰ অক্লান্ত বন্ধু। থাকেও সৱহভাগ সময় বনুৱা বস্তিতে। ৰাজপুতনাৰ কোনোবা এখন চহৰত মদনে সংগ্রামী জীৱন আৰম্ভ কৰিছিল। বিয়াল্লিছ চনৰ বিপ্লৱত ভাগ লোৱাৰ বাবে জেল খাটিছিল। তাৰ পিছত অসমলৈ আহি মোহনহঁতৰ লগ লাগি মজদুৰৰ সংগঠনত ব্রতী হ'ল। জনতাই তাৰ হৃদয়, বুকুৰ আগমঙহ। বিপ্লৱৰ লগত সি মিলি গৈছিল। কিন্তু সেই মদন শর্মা এতিয়া মৃত্যু পথৰ যাত্রী। মিতাতলী চিকিৎসালয়ৰ চি বি ৱার্ডৰ দহ নম্বৰ বেডত শুকান চাহপাতৰ দৰে সি পৰি আছে। মৰণৰ পৰা তাক কোনোৱে বচাব নোৱাৰে। দুয়োটা হাওফাও বিকল হৈ পৰিছে। তথাপি যেন মদন ক্লান্তিহীন। বুকুৰ যন্ত্রণা এখন হাতেৰে হেঁচি ধৰি এতিয়াও সি বনুৱাসকলক গ্রেপ্তাৰ কৰা বাবে উত্তেজিত হৈ পৰে। মোহনক দঢ়াই দঢ়াই বনুৱা সংঘৰ শক্তি প্রসাৰিত কৰিবলৈ অনুৰোধ কৰিছে।পাৰিলেসি যেন এতিয়াই মালিক পক্ষৰ ওপৰত

জপিয়াই পৰিব। ঔপন্যাসিকৰ ভাষাত "মদন মৃত্যুৰ অধীন, অথচ মৃত্যুঞ্জয়ী।" এনেদৰে মদন শর্মা নামৰ এটি বিপ্লৱী চৰিত্ৰ আৰু তাৰ কৰুণ পৰিণতি হৃদয়স্পর্শী ৰূপত ঔপন্যাসিকে অঙ্কন কৰিছে।

- **ডাঃ প্রসন্ন হাজৰিকা ঃ** উপন্যাসখনৰ আন এটি ব্যতিক্রমধর্মী তথা কুটিল চৰিত্ৰ হৈছে ডাক্তৰ প্রসন্ন হাজৰিকা। এওঁ মোহনৰ সমর্থনকাৰী চৰিত্ৰ অপৰাজিতাৰ স্বামী। হাজৰিকাৰ যোগেদি ঔপন্যাসিকে ফ্রয়েদৰ মনস্তত্ত্বৰ ধাৰণা উপন্যাসখনত প্রতিফলিত কৰাৰ প্রয়াস কৰিছে। ডাক্তৰ হাজৰিকা চহৰৰ চিভিল চার্জন। চিকিৎসাক তেওঁ হাস্পতালৰ মাজতে আবদ্ধ কৰি ৰাখিব খোজা নাছিল। ৰাজনীতি, কলা, পাৰিবাৰিক জীৱন, অর্থনীতি, সমাজ সকলোলৈকে তাক প্রসাৰিত কৰিছিল। ৰাজনীতি আৰু ধর্মীয় চিকিৎসাৰে ৰোগীক আৰোগ্য কৰিব লাগিব। তেতিয়াহে সন্তুলিত ব্যক্তিৰ আৰির্ভাব হ'ব। পৰিয়ালেই হওক শ্রেণী সংগ্রামেই হওক, মানৰ সম্পর্ক সহজ আৰু মুক্ত কৰিবৰ একমাত্র উপায় হ'ল মনোবিশ্লেষণ আৰু মানসিক ৰোগৰ চিকিৎসা। মনোবিজ্ঞানৰ ওপৰত গুৰুত্ব আৰোপ কৰা ডাক্তৰ হাজৰিকাৰ এসময়ত অভূতপূর্ব ধৰণে মানসিক পৰিৱর্তন ঘটিল। খুলশালিয়েক অঞ্জনাৰ প্রেমত ডাক্তৰ মজি গ'ল। বৰ বেছি মনোবিশ্লেষণ কৰাৰ ফলত পত্নী আৰু খুলশালিয়েকক প্রভেদ কৰাৰ নৈতিক চেতনা হাজৰিকাই হেৰুৱাই পেলাইছিল। সমাজৰ পৰা বিচ্ছিন্ন হৈ পৰাৰ ফলত তেওঁৰ আসক্তিয়ে কোনো অনুশাসন নমনা হৈছিল। অঞ্জনাৰ লগত তেওঁ সদায় ফুৰিবলৈ যায়, ঘূৰি আহোঁতেও ৰাতি এডোখৰ হয়। ঘৈণীয়েক অপৰাজিতাই আপত্তি কৰোঁতে "তোমাৰ ঈর্ষা হোৱা অনুচিত হৈছে। মই তাইৰ সুন্দৰ মনটোৰ প্রতিহে আকর্ষিত হৈছো।" কিন্তু মন গ'লে দেহো যায়। সেয়ে অঞ্জনাই যেতিয়া ইউনিভার্চিটি খোলাৰ বাবে কলিকতালৈ যাবলৈ ওলাল, হাজৰিকা বিহ্বল আৰু বিষণ্ণ হৈ পৰিল— "মই তাইক নেদেখিলে এক মুহূর্তও থাকিব নোৱাৰোঁ। ময়ো যাম।" গতিকে সেইদিনাই ডাক্তৰ হাজৰিকা খুলশালিয়েকৰ লগত বেলেৰে কলিকতালৈ ৰাওনা হ'ল। এনেদৰে মনোবিজ্ঞানৰ গৱেষণা কৰি ফ্রয়ড হ'ব খোজা ডাক্তৰ হাজৰিকাই এসময়ত সকলো সংযম হেৰুৱাই পেলালে। ঔপন্যাসিকে এনেদৰে ডাক্তৰৰ চৰিত্রটোৰ যোগেদি ফ্রয়েদীয় মনস্তত্ত্বৰ প্রসঙ্গ উপন্যাসখনত অৱতাৰণা কৰিছে।
- **আইকণঃ** আইকণ মোহনৰ প্রেমিকা। উপন্যাসখনিৰ আৰম্ভণিতে মোহনহঁতৰ ঘৰৰ ওচৰৰ নন্দন বৰুৱাৰদুমহলীয়া ঘৰটোত আইকণক পাঠকে লগ পায়। তাই ৰাতিপুৱাই আগফালৰ ফুলনিৰ পৰা কৰণিত ফুল তোলে। ফুল তোলাৰ লগে লগে গান গায়। দুমহলীয়া ঘৰৰ আভিজাত্য, চাহ বাগানৰ মালিক নন্দন বৰুৱাৰ একমাত্র জীয়ৰী হ'লেও আইকণৰ ধন-সম্পত্তিক লৈ কোনো ধৰণৰ অহঙ্কাৰ নাই। বৰং তাই মোহনৰ দৰেই দুখীয়া-নিচলাৰ প্রতিহে সহানুভূতিশীল। মোহনৰ লগত থকা এই মানসিক

সাদৃশ্যই দুয়োকে ক্ৰমান্বয়ে ওচৰ চপাই আনে। অৱশ্যে এই ক্ষেত্ৰত বাপেক নন্দন বৰুৱায়ো কোনো ধৰণৰ আপত্তি অথবা অসন্তুষ্টি প্ৰকাশ কৰা নাই। আনহাতে, মোহনৰ মাকো এই ক্ষেত্ৰত সন্তুষ্ট। কিন্তু তথাপি মোহন আৰু আইকণৰ মাজত বিয়াখন অনুষ্ঠিত হোৱা নাই, কাৰণ মোহন বনুৱা মজদুৰক লৈ, বিপ্লৱক লৈ ব্যস্ত। আইকণেও মোহনৰ পথকে অৱলম্বন কৰি তাই বনুৱা-মজদুৰৰ শিক্ষাৰ বাবে এখন স্কুল স্থাপন কৰাৰ কথা ভাবিছে। আনকি উপন্যাসখনিৰ সামৰণিৰ পিনে মজদুৰৰ বিশাল শোভাযাত্ৰাত আইকণেও অংশ গ্ৰহণ কৰিছে আৰু মোহন গ্ৰেপ্তাৰ হোৱাৰ পিছত জেললৈকো গৈছে।

- **অপৰাজিতা ঃ**অপৰাজিতা ইতিমধ্যে আলোচনা কৰি অহা ডাক্তৰ হাজৰিকাৰ পত্নী। গিৰীয়েক আৰু ভনীয়েকৰ মাজত গঢ়ি উঠা প্ৰেমৰ ফলত অপৰাজিতাই দুয়োৰে মাজৰ পৰা আঁতৰি আহি মোহনৰ বিপ্লৱত যোগ দিছে। অপৰাজিতাৰ যোগেদি নাৰীক পুৰুষে কৰা বঞ্চনা, নিৰ্যাতনৰ চিত্ৰ ঔপন্যাসিকে উপস্থাপন কৰিছে। তাৰ লগতে নাৰী স্বাধীনতাৰ প্ৰসঙ্গও আহি পৰিছে। অপৰাজিতাই নিজেই ইবছেনৰ ন'ৰা, টলষ্টয়ৰ আনা কাৰেনিনা আদি চৰিত্ৰক আলোচনাৰ মাজলৈ আনিছে। প্ৰেমহীন দাম্পত্য জীৱন, সম্বন্ধৰ মায়াজাল, মুক্ত যৌনাচাৰ, ফ্ৰয়েদৰ লিবিড', যৌনতা, সতীত্ব আদিৰ ধাৰণা এই চৰিত্ৰটোৰ যোগেদি ঔপন্যাসিকে বিশ্লেষণ কৰিবলৈ প্ৰয়াস কৰিছে।
- **নুৰবিবি ঃ** *ৰাজপথে ৰিঙিয়ায়ৰ* এটি আকৰ্ষণীয় নাৰী চৰিত্ৰ হৈছে নুৰবিবি। তাই ছামছেৰৰ ঘৈণীয়েক। মুখৰ কথা যেনে আকৰ্ষণীয়, কাম-কাজতো পৰিপাটি, কৰ্মী আৰু মন-বিবেকো পৰিত্ৰ। তাই গিৰীয়েক ছামছেৰৰে নহয় মোহনৰো কাপোৰ-কানি ধুই দিয়ে, খোৱা-বোৱাৰ যোগান ধৰে আৰু বিপ্লৱী চেতনাকো আগবঢ়াই নিয়াত সহায় কৰে। তাইৰ ভাষাত "বিপ্লৱীবোৰ কেচুৱা ল'ৰাৰ দৰে। তেওঁলোকক ধুৱাই-পখলাই, খুৱাই-বুৱাই নপঠিয়ালে তেওঁলোকে নিজে একোকে নকৰে।" সেইবাবে যেতিয়াই সুযোগ পাই নুৰবিবিয়ে মোহনক পোলাও-মাংস ৰান্ধি খুৱায়। অথচ তাইৰ ঘৰৰ উপার্জন তেনেই সীমিত। গিৰীয়েক ছামছেৰ কামৰপৰা বৰ্খাস্ত হৈ আছে। গতিকে নুৰবিবিয়ে আনৰ ঘৰত কাম কৰি, কাপোৰ বৈ, চিলাইৰ কাম কৰি ঘৰখন চম্ভালি আছে। অভাৱ-অনাটনৰ মাজতো অৱশ্যে তাইৰ মুখত সদায় হাঁহিটো লাগি থাকে। সেইবাবে নুৰবিবিৰ প্ৰতি মোহনৰ শ্ৰদ্ধা অসীম। তাই নিজৰ ঘৰখনেই নহয়, চুবুৰীটোও পৰিষ্কাৰ কৰি ৰাখে, এখন স্কুল পতাৰ কথা চিন্তা কৰে; তদুপৰি মোহনৰ বিপ্লৱক আগবঢ়াই নিবলৈ নাৰীসকলক সংগঠিত কৰি শোভাযাত্ৰাত অংশ গ্ৰহণ কৰায়। মোহনৰ ভাষাত নুৰবিবি "পঁজাৰ ৰাণী আৰু নতুন পৃথিৰীৰ পোহৰ।"
- **খুটিংলা ঃ** খুটিংলা মিতাতলী বাগিছাৰ চিকিৎসালয়ৰ নার্চ। তাই পর্বতৰ নাগিনী ছোৱালী। মিতাতলীলৈ আহি প্ৰথমে তাই বৰ অকলশৰীয়া অনুভৱ কৰিছিল। কিন্তু

তাইৰ এই নির্জনতা, নিসঙ্গতা দূৰ কৰিলে মদন-গোপালহঁতৰ দৰে বিপ্লৱীসকলে। বিশেষকৈ মদনৰ লগত তাইৰ আন্তৰিকতা গঢ়ি উঠিল। মদনক তাই ছাঁৰ দৰে আবৰি থাকিব খোজে। কিন্তু দুর্ভাগ্যজনকভাৱে মদন ক্ষয়ৰোগত আক্রান্ত হ'ল— নির্ঘাত মৃত্যু। খুটিংলাৰ ৰাতি-দিন নোহোৱা হ'ল— মদনৰ শুশ্রূষাত ব্যস্ত। গাখীৰ, হৰলিক্চৰ গিলাছ হাতত লৈ অনবৰতে মদনৰ পৰিচর্যা কৰে। এইবোৰ দেখি খুটিংলাক ফ্লোৰেন্স নাইটিঙ্গেল যেন লাগে।তাইসাঁচতীয়া দুশ টকা মদনৰ চিকিৎসাৰ বাবে দান কৰে। তাইৰ মতে— ভৈয়ামত জাতিভেদ আছে। মানুহে নগাক মৰম কৰে, কিন্তু অস্পৃশ্যতাৰ বাবে কেতিয়াবা তাক ম্লান কৰি পেলায়। মদন শর্মা তাৰ ব্যতিক্রম। ভৈয়াম আৰু পর্বতৰ মাজত সিহঁতে মিলন বিচাৰিছিল। খুটিংলাৰ মতে মদনৰ লগত থাকিলে পৃথিৱীখন চপ্চপীয়া পানীৰ পুখুৰী যেন লাগে। একোৰে যেন অভাৱ নাই। সি একো নিবিচাৰে, একো অভিযোগো নাই। খং নাই, কেৱল হাঁহি। অর্জুন, বাচ্চালাল, লচমী সকলোৱে তাক ভাল পায়। তাইৰ ভাষাত "ময়ো ভাল পাওঁ। মই মাত্র তাক বেছি ভাল পাইছিলো। সি কিন্তু কাকো বেছি ভাল পাব নিদিছিল। কিন্তু মোৰ ভালপোৱা মই নেৰো।" ইয়াত স্বার্থ নাই। এয়ে পর্বতীয়া নাগিনী খুটিংলাৰ মদনৰ প্রতি ভালপোৱা। এনে ভালপোৱাৰ মাজতো দুয়োৱে কোনোদিনে নীতি উলংঘা কৰা নাছিল। দূৰত্ব ৰক্ষা কৰিও সিহঁতে ইজনে-সিজনক শ্রদ্ধা আৰু স্নেহ কৰিছিল।

এনেদৰে ঔপন্যাসিক বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ *ৰাজপথে ৰিঙিয়ায়* উপন্যাস-খনত ভালেমান চৰিত্রৰ সমাবেশ ঘটিছে। প্রত্যেকটো চৰিত্রই নিজ নিজ ব্যক্তিত্বৰে মহীয়ান। সেই বাবে এঠাইত নাৰী চৰিত্রকেইটিৰ বিষয়ে মন্তব্য আছে— "আইকণ, অপৰাজিতা, নুৰবিবি, খুটিংলা সিহঁত যেন আৰু অবলা হৈ থকা নাই, সবলা হৈছে... ...সিহঁত পুৰুষৰ বোজা নহয়, পুৰুষৰ সহযাত্রী।"



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ ৰাজপথে ৰিঙিয়ায় উপন্যাসখনত চিত্রিত হোৱা চৰিত্রসমূহে সমাজ জীৱনৰ কোনটো বাস্তৱ দিশৰ প্রতি পাঠকৰ মনোযোগ আকর্ষণ কৰে? (১৫০টা শব্দৰ ভিতৰত)

১০.৩.৪ উপন্যাসখনৰ বৈশিষ্ট্যসমূহ

- বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ *ৰাজপথে ৰিঙিয়ায়* উপন্যাসৰ প্রধান বৈশিষ্ট্য হৈছে উপন্যাসখনত প্রতিধ্বনিত হোৱা ৰাজনৈতিক মতাদর্শ। ভাৰতবর্ষই বিদেশী শাসনৰ পৰা মুক্তি পোৱাতো সঁচা।কিন্তু জনকল্যাণৰ দিশৰ পৰা বিচাৰ কৰিলে সেয়া প্রকৃত স্বাধীনতা নহয়। যেতিয়া উচ্চ-নীচ পৰিহৰি সমাজৰ সকলো শ্রেণীৰ লোক অন্ন,

বস্ত্ৰ, বাসস্থানৰ চিন্তাৰ পৰা মুক্ত হ'ব, যেতিয়া সকলো শ্ৰেণীৰ লোকৰ মাজত সম্পদৰ ন্যায্য বিতৰণ হ'ব, যেতিয়া সমাজৰ দুৰ্বলজন শংকামুক্ত হৈ নিৰাপদে জীৱন ধাৰণ কৰিব পাৰিব, সমজুৱাসকলে ব্যক্তি স্বাৰ্থৰ উৰ্দ্ধত উঠি সমাজ জীৱন মহীয়ান কৰিব তেতিয়াহে দেশলৈ প্ৰকৃত স্বাধীনতা আহিব। এইদৰে এই উপন্যাসখনত ঔপন্যাসিকে অতি মনোজ্ঞ ৰূপত সংসদীয় গণতন্ত্ৰ আৰু সমাজবাদী মতাদৰ্শৰ মাজত থকা আদৰ্শগত সংঘাত উপস্থাপন কৰিছে। নায়ক মোহন আৰু তেওঁৰ সংগীসকল সমাজবাদী আদৰ্শৰ প্ৰতিভূ।

- চৰিত্ৰৰ উজ্বল চিত্ৰণ এই উপন্যাসখনৰ আন এটা মনকৰিবলগীয়া দিশ। চৰিত্ৰসমূহে ঔপন্যাসিকৰ কাপ অনুসৰণ কৰি নিজ নিজ কক্ষপথত ঘূৰি আছে। এনে হোৱা সত্ত্বেও চৰিত্ৰসমূহ এক ঐক্য সূত্ৰত আবদ্ধ হৈ আছে । চৰিত্ৰৰ দীঘ-বাণি অনুযায়ী প্ৰত্যেকে উপন্যাসৰ কাহিনীভাগৰ অগ্ৰগতিত অৰিহণা আগবঢ়াইছে। ইয়াত কেৱল নায়ক চৰিত্ৰই নহয়, অন্যান্য লঘু চৰিত্ৰসমূহেও কাহিনীৰ প্ৰয়োজনত নিজস্ব অৰিহণা আগবঢ়াইছে।
- মানবতাবোধ এই উপন্যাসখনৰ অন্য এটা মনোগ্ৰাহী দিশ। প্ৰায় ভাগ চৰিত্ৰ মানবীয় আবেদনেৰে সিক্ত। সিবিলাকৰ মন মানব কল্যাণৰ ভাবনাৰ দ্বাৰা বিধৌত। সম্পদৰ ফালৰ পৰা সিবিলাক তেনেই নিঃকিন, অথচ মানসিক স্তৰত সিবিলাক অতি সবল আৰু জন কল্যাণক নিজৰ জীৱনৰ লক্ষ্য আৰু উদ্দেশ্য ৰূপে স্থিৰ কৰিছে। মোহন, ছামছেৰ, নুৰবিবি, মদন শৰ্মা আদি তেনে মহান চিন্তাৰ দ্বাৰা অনুপ্ৰাণিত হোৱা চৰিত্ৰ। উপন্যাসত চিত্ৰিত হোৱা তেওঁলোকৰ কাৰ্যই তেওঁলোকৰ মনৰ সেই বিশাল পৰিধিৰ লগত পাঠকক সততে পৰিচয় কৰাই দিয়ে।
- উপন্যাসত নৰ-নাৰীৰ সম্পৰ্কৰ কেইবাটাও দিশ দৃষ্টিগোচৰ হয়। ইয়াত মোহন-আইকণ, মদন শৰ্মা-খুটিংলা, ছামছেৰ-নুৰবিবি আৰু অপৰাজিতা-প্ৰসন্ন হাজৰিকা-অঞ্জনাৰ ত্ৰিকোণীয় সম্বন্ধৰ মাজেদি নৰ-নাৰীৰ সম্পৰ্ক আৰু তাৰ লগত জড়িত মানুহৰ বিচিত্ৰ মানসিক জগতখনৰ চিত্ৰ আকৰ্ষণীয় ৰূপত উদ্ভাসিত হৈছে। ইয়াৰ মানৰ চৰিত্ৰৰ সূক্ষ্মদৰ্শী পৰ্যবেক্ষকৰূপী ঔপন্যাসিকৰ প্ৰতিভাশালী কাপৰ এটা অন্যতম চোক পোহৰলৈ আহিছে।

১০.৩.৫ ৰাজনৈতিক উপন্যাস হিচাপে *ৰাজপথে ৰিঙিয়ায়*

বিষয়বস্তু অনুসৰি উপন্যাসক সামাজিক, ৰাজনৈতিক, ঐতিহাসিক, জীৱনী-মূলক, পৌৰাণিক, আত্মজীৱনীমূলক, আঞ্চলিক আদি বিভিন্ন ভাগত ভগোৱা হয়। ইয়াৰ ভিতৰত ৰাজনৈতিক উপন্যাস অন্যতম। ৰাজনৈতিক উপন্যাসবোৰো বহল অর্থত সামাজিক উপন্যাসেই। কিন্তু যিবোৰ উপন্যাসৰ বিষয়বস্তু প্ৰধানতঃ বা বহুলাংশে ৰাজনীতি, তেনে উপন্যাসকে ৰাজনৈতিক উপন্যাস বোলা হয়। ৰাজনৈতিক উপন্যাস

কোনো ৰাজনৈতিক ঘটনাক কেন্দ্ৰ কৰি হ'ব পাৰে, কোনো ৰাজনৈতিক দৰ্শনক অৱলম্বন কৰি হ'ব পাৰে বা কোনো ৰাজনৈতিক পৰিস্থিতিৰ চিত্ৰণ তথা সমালোচনা হ'ব পাৰে। মুঠৰ ওপৰত ৰাজনৈতিক উপন্যাস হ'বলৈ হ'লে ৰাজনীতিৰ কোনো এটা দিশ তাৰ বিষয়বস্তু হ'ব লাগিব।

ৰাজনৈতিক উপন্যাসৰ কোনো নির্ধাৰিত সংজ্ঞা পোৱা নাযায়। এই শ্ৰেণী উপন্যাসৰ প্ৰকৃত ৰূপ (Form), গঠন (Structure) আৰু বিষয়বস্তু (Subject) আদি সম্পৰ্কে গ্ৰহণযোগ্য ব্যাখ্যাৰো অভাৱ দেখা যায়। যোগেন্দ্ৰ মল্লিকে এই প্ৰসঙ্গত তেওঁৰ *Politics and the Novels in India* নামৰ গ্ৰন্থত কৈছে— "It is rather difficult to define a political novel. It is too narrow and mechanistic to say that a political novel is one in which a political movement is portrayed or political condition depicted, for most social problems have political dimensions." তথাপি এই সন্দৰ্ভত মাৰাঠী সমালোচক মহাদেৱ আপ্তেৰ ৰাজনৈতিক উপন্যাসৰ সংজ্ঞা মন কৰিবলগীয়া। তেওঁৰ মতে ৰাজনৈতিক উপন্যাস হ'বলৈ হ'লে নিম্নলিখিত বৈশিষ্ট্যসমূহ থাকিব লাগিব—

- বিষয়বস্তু পৰ্যাপ্তভাৱে ৰাজনৈতিক ঘটনাৰ লগত জড়িত হ'ব লাগিব।
- চৰিত্ৰসমূহ প্ৰত্যক্ষভাৱে ৰাজনৈতিক কাৰ্যকলাপত লিপ্ত থাকিব লাগিব।
- চৰিত্ৰসমূহৰ কাৰ্যাৱলী কোনো ৰাজনৈতিক ভাৱধাৰা বা নির্দিষ্ট আদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত হ'ব লাগিব।

ওপৰত উল্লেখ কৰা লক্ষণসমূহ ৰাজনীতিক ভিত্তি কৰি ৰচনা কৰা সকলো উপন্যাসতে পাবলৈ টান। তথাপি বিশ্বৰ বিভিন্ন সাহিত্যলৈ লক্ষ্য কৰিলে দেখা যায় যে টলষ্টয়ৰ *ৰাৰ এণ্ড পিছ*, আৰ্নেষ্ট হেমিংৱেৰ *ফেয়াৰৱেল টু আৰ্মচ* আৰু *ফ'ৰ হুম দা বেল টলচ*, মেক্সিম গৰ্কীৰ *মাদাৰ*, বৰিছ পেষ্টাৰনেকৰ *ডাক্তৰ ঝিভাগো*, মাৰ্গাৰেট মিটচেলৰ *গন উইথ দ্যা ৱিণ্ড* আদি উল্লেখযোগ্য ৰাজনৈতিক উপন্যাস। ভাৰতীয় সাহিত্যৰ ভিতৰত বঙলা ভাষাত ৰচিত বঙ্কিমচন্দ্ৰৰ *আনন্দমঠ*, শৰৎ চন্দ্ৰৰ *পথেৰ দাবী;* মাৰাঠী ভাষাত ৰচিত এন.চি. পাদকেৰ *প্ৰবাসী*, জি.টি. মদখোলকাৰৰ *মুক্ত আত্মা*, এছ.বি. শাস্ত্ৰীৰ *অমৰশ্যা;* তেলেগু ভাষাত ৰচিত লক্ষ্মীনাৰায়ণৰ *মাল্লাপল্লী*, অদিবি ৰাপুৰাজুৰ *নাৰায়ণাবাডু*, কানাড়ী ভাষাত ৰচিত কট্টিমনিৰ *মাদি মাদিদা বাৰু*, কৃষ্ণৰাৰৰ *অমৰ আগষ্ট*; গুজৰাটী ভাষাত ৰচিত কানাইলাল মুন্সীৰ *স্বপ্নভ্ৰষ্টা*, মনুভাই পাঞ্চালীৰ *বন্দীধৰ;* পাঞ্জাবী ভাষাত কেশৰ সিঙৰ *লহৰ ৰাহি গয়ী*; হিন্দী ভাষাত যশপালৰ *দাদা কমৰেড, দেশদ্ৰোহী*, প্ৰেমচান্দৰ *মৈদামী আমল* লেখত ল'বলগীয়া উপন্যাস।

অসমীয়াৰাজনৈতিক উপন্যাসৰ ক্ষেত্ৰত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য একছত্ৰী সম্ৰাট স্বৰূপ। *ঈয়াৰুঈঙ্গম, মৃত্যুঞ্জয়, ৰাজপথে ৰিঙিয়ায়, প্ৰতিবাদ* তেওঁৰ উল্লেখযোগ্য ৰাজনৈতিক উপন্যাস।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্য আছিল সামাজিকভাৱে আৰু ৰাজনৈতিকভাৱে সচেতন ব্যক্তি। তেওঁৰ যি সময়ত আবির্ভাৱ হৈছিল, সেই সময়খিনি আছিল ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়। ছাত্ৰ অৱস্থাতে তেওঁ 'ছাত্ৰ আৰু ৰাজনীতি' নামৰ প্ৰবন্ধ লিখি তেওঁৰ ৰাজনীতি সম্পর্কে থকা ধ্যান-ধাৰণাৰ আভাস দিছিল। তেওঁ কলেজত পঢ়ি থকা কালছোৱা আছিল ভাৰতীয় স্বাধীনতা আন্দোলনৰ ভৰপকৰ সময়। অসমৰ প্ৰধান শিক্ষানুষ্ঠানবোৰতো মিলিটাৰীৰ অবাধ প্ৰৱেশ ঘটিছিল। আনকি কটন কলেজো মিলিটাৰীয়ে অধিকাৰ কৰি লৈছিল। ফলত অন্যান্য ছাত্ৰৰ দৰে ভট্টাচার্য্যও স্বাধীনতা আন্দোলনত জড়িত হৈ পৰিছিল। মহাত্মা গান্ধীৰ নেতৃত্বাধীন কংগ্ৰেছ দলত তেওঁ যোগদান কৰে। পৰৱর্তী কালত ভাৰতীয় জাতীয় কংগ্ৰেছৰ ভিতৰত এটা সমাজবাদী দল গঢ় লৈ উঠিছিল। ৰামমোহন লোহিয়া, জয়প্ৰকাশ নাৰায়ণ আদিয়ে এই দলৰ নেতৃত্ব বহন কৰিছিল। ভট্টাচার্য্য এনে নেতাসকলৰ আদর্শৰ লগত পৰিচিত হৈ এই দলত যোগদান কৰে।এই দলৰ মুখপত্ৰ *জনতাৰ* সম্পাদকো আছিল ভট্টাচার্য্য।

ভাৰতবর্ষই স্বাধীনতা লাভ কৰিলে। এই স্বাধীনতা ভাৰতবাসীৰ আশা পূৰণত ব্যর্থ হ'ল। ফলত অতি সোনকালে তেওঁৰ মোহভঙ্গ ঘটিল। ইতিমধ্যে ভট্টাচার্য্যই কার্লমার্ক্সৰ *দাচ্ কেপিটেল*, লেনিনৰ *ষ্টেট এণ্ড ৰিভিলিচন*আদিৰ যোগেদি এই আদর্শৰ প্ৰতি অনুপ্ৰাণিত হয়। ফলত তেওঁ মার্ক্সৰ সমাজবাদী দর্শনৰ প্ৰতি আকৃষ্ট হৈ পৰে। এই কথা তেওঁৰ *ৰাজপথে ৰিঙিয়ায়*নামৰ উপন্যাসত প্ৰকাশ পাইছে। ভট্টাচার্য্য সাম্ৰাজ্যবাদ, যুদ্ধবাদ, পুঁজিপতিৰ বিৰোধী আছিল। শোষণহীন, মুক্ত আৰু নিকা সমাজ গঢ়াই আছিল তেওঁৰ জীৱনৰ দর্শন। *ৰাজপথে ৰিঙিয়ায়ৰ* বিভিন্ন চৰিত্ৰ, পৰিস্থিতি, ঘটনা আৰু কাহিনীৰ যোগেদি সেই কথা স্পষ্ট ৰূপত ধৰা দিছে।

ৰাজপথে ৰিঙিয়ায় উপন্যাস ভাৰতৰ স্বাধীনতা দিৱসৰ প্ৰথম দিনটো অর্থাৎ পোন্ধৰ আগষ্টৰ পটভূমিত গঢ় লৈ উঠিছে। স্বাধীনতা দিৱস, পোন্ধৰ আগষ্ট আদি ৰাজনীতিৰ লগত জড়িত শব্দ। কিন্তু এই স্বাধীনতাই মানুহৰ আশা-আকাংক্ষাক পূৰণ কৰিব নোৱাৰে বুলি উপন্যাসখনৰ নায়ক মোহন আৰু তাৰ অনুগামীসকলৰ বিশ্বাস। সেয়ে তেওঁলোকে সাম্যবাদী গণতন্ত্ৰৰ পৃষ্ঠপোষকতা কৰিছে। তেওঁলোকৰ বিশ্বাস সাম্যবাদী গণতন্ত্ৰই কৃষক-শ্ৰমিকক শোষণৰ পৰা মুক্ত কৰিব পাৰিব। স্বাধীন ভাৰতৰ গণতন্ত্ৰই কৃষকক কি দিলে, তাৰ পৰা শ্ৰমিকৰ কি লাভ হ'ল, স্বাধীনতাই নিঃস্বসকলক কি দিলে— এইধৰণৰ বাস্তৱ প্ৰশ্ন উত্থাপন কৰিছে *ৰাজপথে ৰিঙিয়ায়ত*—"যদি জনতাই স্বাধীনতা পাইছে, ক'ত সেই জন-শাসন ? মাটিৰ ওপৰত সমাজৰ অধিকাৰ ক'ত ? খেতিৰ ওপৰত খেতিয়কৰ স্বত্ব ক'ত ? এই স্বাধীনতা আমাৰ নহয়, জনতাৰ নহয়— ই ধনীৰ, পুঁজিপতিৰ, মিল মালিকৰ।" —এনে ধৰণৰ উক্তিৰ যোগেদি শ্ৰেণী সংগ্ৰাম, বঞ্চিত শ্ৰমিক-মজদুৰৰ স্বার্থৰ কথা ব্যক্ত কৰিছে। ইয়াৰ যোগেদি ঔপন্যাসিকৰ মার্ক্সবাদী দৃষ্টিভঙ্গীৰ প্ৰকাশ ঘটিছে।

ৰাজপথে ৰিঙিয়ায় নিঃসন্দেহে বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ মার্ক্সবাদী চিন্তাৰ নিদর্শন। তেওঁৰ *শতঘ্নী* নামৰ উপন্যাসৰ পাতনিত উল্লেখ কৰা 'স্বাধীনতাৰ আন এটা নাম নিবনুৱা হোৱা' বুলি আক্ষেপ কৰা ভট্টাচার্য্যৰএক বিপ্লৱী চৰিত্রই *ৰাজপথে ৰিঙিয়ায়ত* আর্তনাদ কৰি উঠিছে— "এ আজাদী জুঠী হ্যায়, দেশ কি জনতা ভূখী হ্যায়। আপোচৰ স্বৰাজ আমাক নেলাগে" আদিৰ যোগেদি এই ৰাজনৈতিক আদর্শ প্রকাশ পাইছে।

গতিকে দেখা যায় যে ৰাজনৈতিক উপন্যাস হিচাপে *ৰাজপথে ৰিঙিয়ায়ত* স্বাধীনতা, মার্ক্সবাদ আদি ৰাজনৈতিক বিষয়বস্তুয়ে মুখ্য স্থান লাভ কৰিছে। তাৰ লগতে ইয়াত ৰূপায়িত কৰা মোহন, মদন শর্মা, নিৰঞ্জন, বাচ্চালাল, অর্জুন, ছামছেৰ আদি প্রত্যেকটো চৰিত্রই ৰাজনৈতিক দর্শনৰ লগত ওতঃপ্রোতভাৱে জড়িত। আনকি নাৰী চৰিত্র আইকণ, অপৰাজিতা, লচমী, নুৰবিবি আদিও ইয়াৰ ব্যতিক্রম নহয়। আনহাতে, এই চৰিত্রসমূহৰ কার্যাৱলী ৰাজনৈতিক দিশ বিশেষকৈ, ধর্ণা, শোভাযাত্রা, প্রতিবাদ আদিৰ লগত ঘনিষ্ঠভাৱে জড়িত আছে। এইবোৰে প্রমাণ কৰে যে উপন্যাসখনিৰ কোনো চৰিত্রই আৰু তেওঁলোকে সংঘটিত কৰা কোনো ঘটনাই ৰাজনৈতিক প্রেক্ষাপটৰ পৰা আঁতৰি যোৱা নাই। গতিকে *ৰাজপথে ৰিঙিয়ায়* উপন্যাসখনিক এখন ৰাজনৈতিক উপন্যাস বুলি স্বীকৃতি দিয়াত কোনো বাধা নাই।



১০.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আধুনিক অসমীয়া সাহিত্যত উ পন্যাসৰ ধাৰাত ৰাজনৈতিক উপন্যাসৰ ঔপন্যাসিক হিচাপে ভট্টাচার্য্যৰ যি উল্লেখনীয় অৱদান তাক তেওঁৰ *ৰাজপথে ৰিঙিয়ায়* শীর্ষক ৰাজনৈতিক উপন্যাসখনৰ আলোচনাৰ মাধ্যমেদি দর্শোৱা হ'ল। ইয়াৰ মাজেদি তেওঁৰ ৰাজনৈতিক মতাদর্শৰ মানদণ্ড প্রতিফলন ঘটিছে।
- *ৰাজপথে ৰিঙিয়ায়* উপন্যাসখনত দুটা ৰাজনৈতিক মতাদর্শৰ সংঘাত ফুটি উঠিছে। ইয়াত উত্থাপিত প্রশ্নটোৰে স্বাধীনতা প্রাপ্তিয়ে আমাৰ দেশলৈ কেনে পৰিৱর্তন কঢ়িয়াই আনিছে তাৰ নির্মোহ বিশ্লেষণ আগবঢ়াইছে। উপন্যাসৰ নায়কৰ কণ্ঠৰ পৰা নিগৰা বাণীয়ে ঔপন্যাসিকৰ ৰাজনৈতিক চিন্তাক প্রতিফলিত কৰিছে।
- উপন্যাসখনত চিত্রিত হোৱা চৰিত্রসমূহ বাস্তৱ ভিত্তিত গঢ় দিয়া হৈছে। সিবিলাকে যেন ভাৰতৰ সর্বহাৰা, নিঃস্ব জন সমুদায়টোৰ বুকুৰ ভাষাৰ অনুৰণন তুলিছে।
- চৰিত্রৰ মনোবিশ্লেষণ উপন্যাসখনৰ অন্য এটা মন কৰিবলগীয়া দিশ। ঔপন্যাসিক গৰাকীয়ে কম বেছি পৰিমাণে প্রায় ভাগ চৰিত্রৰ মানসিক জগতৰ দীঘ-বাণি জুখিবলৈ সক্ষম হৈছে। ফলত চৰিত্রৰ আকর্ষণীয়তা বৃদ্ধি পাইছে। এইদৰে বিচাৰ কৰিলে দেখা যায়, ঔপন্যাসিক বীৰেন্দ্ৰ কুমাৰ ভট্টাচার্য্যৰ *ৰাজপথে ৰিঙিয়ায়* উপন্যাসখনে ৰাজনৈতিক উপন্যাস হিচাপে অসমীয়া সাহিত্যৰ ইতিহাসত বিশিষ্ট আসন অধিকাৰ কৰি আছে।



১০.৫ অধিক জানিবলৈ

১) কটকী, প্ৰফুল্ল (১৯৯৫); *স্বাধীনোত্তৰ অসমীয়া উপন্যাস সমীক্ষা*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

২) খাউণ্ড, মলয়া (১৯৯৬); *বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য আৰু তেওঁৰ উপন্যাস*; গুৱাহাটী ঃ সাহিত্য প্ৰকাশ।

৩) ঠাকুৰ, নগেন (সম্পা.) (২০০০); *এশ বছৰৰ অসমীয়া উপন্যাস*; গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৪) দাস, শোণিত বিজয় আৰু বায়ন, মুনিন (সম্পা.) (২০০৬); *কথা বৰেণ্য ১০০*; গুৱাহাটী ঃ কথা প্ৰকাশন।

৫) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৬) ভৱালী, শৈলেন (২০০৪); *মাধৱ কন্দলিৰ পৱা মামণি গোস্বামীলৈ*, গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৭) শৰ্মা, গোবিন্দ প্ৰসাদ (১৯৯৫); *উপন্যাস আৰু অসমীয়া উপন্যাস*; গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

৮) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৯) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৭); *অসমীয়া উপন্যাসৰ গতিধাৰা*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।



১০.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ *বাজপথে ৰিঙিয়ায়* উপন্যাসখনৰ কাহিনীভাগৰ চমু উল্লেখ... ...ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা তাৰিখটো অৰ্থাৎ এটা দিনৰ ঘটনাক কেন্দ্ৰ কৰি গঢ় লৈ উঠা উপন্যাসৰ কাহিনীভাগত সেই স্বাধীনতা যে প্ৰকৃত স্বাধীনতা নহয়, অৰ্থাৎ সেই স্বাধীনতাই যে প্ৰকৃতাৰ্থত দুযোৰ্গ-বঞ্চনাত জাহ যাব ধৰা সমাজখনৰ উদ্ধাৰ কৰিবলৈ অপৰাগ তাকে দৰ্শোৱা হৈছে।

২নং প্ৰশ্নৰ উত্তৰ ঃ *বাজপথে ৰিঙিয়ায়* উপন্যাসৰ কাহিনীভাগৰ চমু উল্লেখ... ...তাত সন্নিৱিষ্ট হোৱা পুৰুষ আৰু নাৰী চৰিত্ৰসমূহ... ...সমাজৰ বিভিন্ন স্তৰত বাস কৰা সেই চৰিত্ৰসমূহৰ সমাজৰ প্ৰতি থকা দৃষ্টিভঙ্গী... ...তেওঁবিলাকৰ কাৰ্যাৱলীৰ সংক্ষিপ্ত আভাস দি বিচাৰ কৰক।



১০.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ *ৰাজপথে ৰিঙিয়ায়* উপন্যাসৰ কাহিনী তথা পটভূমি সম্পৰ্কে এটি সমীক্ষা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ *ৰাজপথে ৰিঙিয়ায়*উপন্যাসৰ মূল বা কেন্দ্ৰীয় চৰিত্ৰটিৰ কাৰ্যকলাপৰ যোগেদি সমাজবাদী আদৰ্শ কেনেদৰে প্ৰকাশ পাইছে বিচাৰ কৰক।

প্ৰশ্ন ৩ ঃ *ৰাজপথে ৰিঙিয়ায়*উপন্যাসখনিৰ নাৰী চৰিত্ৰকেইটিৰ বিষয়ে এটি বিশ্লেষণ আগবঢ়াওঁক।

প্ৰশ্ন ৪ ঃ ৰাজনৈতিক উপন্যাস হিচাপে *ৰাজপথে ৰিঙিয়ায়*ত ৰাজনৈতিক ঘটনা, কাৰ্যাৱলী বা আদৰ্শবাদ কেনেদৰে প্ৰকাশ পাইছে বিচাৰ কৰক।

প্ৰশ্ন ৫ ঃ *ৰাজপথে ৰিঙিয়ায়*ত সমাজ পৰিৱৰ্তনৰ কিবা অনুপ্ৰেৰণামূলক বাৰ্তা আছেনে? যুক্তি সহকাৰে বিচাৰ কৰক।

প্ৰশ্ন ৬ ঃ *ৰাজপথে ৰিঙিয়ায়* উপন্যাসত সমাজ জীৱনৰ কোন কেইটা শ্ৰেণীয়ে প্ৰাধান্য লাভ কৰিছে আলোচনা কৰক।

প্ৰশ্ন ৭ ঃ *ৰাজপথে ৰিঙিয়ায়*উপন্যাসৰ মাজেদি ঔপন্যাসিকৰ ৰাজনৈতিক মতাদৰ্শ ফুটি উঠিছেনে? বিচাৰ কৰক।

*** ***** ***

অধ্যায় ১১ ঃ হোমেন বৰগোহাঞি ঃ *মৎস্যগন্ধা*-১

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ প্রান্ত্য সমাজ (Marginal Community) আৰু হোমেন বৰগোহাঞি
১১.৪ হোমেন বৰগোহাঞি ঃ জীৱন আৰু কৃতি
১১.৫ হোমেন বৰগোহাঞিৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ
১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৭ অধিক জানিবলৈ
১০.৮ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১০.৯ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্রান্ত্য সমাজ (Marginal Community) সম্পর্কে ধাৰণা লাভ কৰিব পাৰিব
- অসমীয়া উপন্যাস সাহিত্যত ঔপন্যাসিক হোমেন বৰগোহাঞিৰ ৰচনাত প্রান্ত্য সমাজখন কি ৰূপত ফুটি উঠিছে তাৰ বিৱৰণ পঢ়িবলৈ পাব
- হোমেন বৰগোহাঞিৰ জীৱন আৰু কৃতিৰ মূল্যায়ন কৰিব পাৰিব
- হোমেন বৰগোহাঞিৰ উপন্যাসত ফুটি উঠা বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিব পাৰিব
- হোমেন বৰগোহাঞিৰ উপন্যাস সম্পর্কে সম্যক ধাৰণা লাভ কৰিব।

১১.২ পৰিচয়

এই অধ্যায়টো স্নাতকোত্তৰ অসমীয়া পাঠ্যক্রমৰ তৃতীয় যাণ্মাসিকৰ অন্তর্গত দ্বিতীয় বুনিয়াদী পাঠ্যবিষয় 'অসমীয়া উপন্যাস'ৰ একাদশ অধ্যায়। ইয়াৰ শিৰোনাম 'হোমেন বৰগোহাঞি ঃ *মৎস্যগন্ধা*-১'। ইয়াৰ আগৰ অধ্যায়টোত আধুনিক অসমীয়া সাহিত্যৰ এগৰাকী পুৰোধা কথাশিল্পী বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ উপন্যাস *ৰাজপথে ৰিঙিয়ায়ৰ* আলোচনাভাগ পঢ়িলে। সেই আলোচনাৰ পৰা স্বৰাজোত্তৰ কালৰ ভাৰতীয় নাগৰিক এগৰাকীৰ মনত স্বাধীনতাই কেনে মনোভাব কঢ়িয়াই আনিছে তাৰ লেখ আগবঢ়াইছে। তাৰ লগতে তেওঁৰ চৌপাশৰ পাৰিপার্শ্বিকতালৈ স্বাধীনতাই অনা পৰিৱর্তনসমূহৰ টুকুৰা ছবিও প্রস্ফুটিত হৈছে। এই অধ্যায়টোত অধ্যয়ন কৰিবলগীয়া উপন্যাসখনৰ মাজেদি ঔপন্যাসিক গৰাকীয়ে এনে এটা সামাজিক সমস্যাৰ বিষয়ে দৃষ্টিপাত কৰিছে, যিয়ে এখন সমাজৰ লগতে তাত বাস কৰা প্রত্যেক গৰাকী সদস্য-সদস্যাকে

তিল্‌তিলকৈ লাঞ্ছনা আৰু হীনমান্যতাৰ অতল গভীৰতালৈ ঠেলি দিছে। তাৰ লগতে ঔপন্যাসিক হিচাপে হোমেন বৰগোহাঞিৰ উপন্যাসৰ বিভিন্ন বৈশিষ্ট্যসমূহে কথা-সাহিত্যিক গৰাকীৰ সূক্ষ্ম দৃষ্টিভঙ্গী, বিশ্লেষণ ক্ষমতা আৰু মনোজ্ঞ বর্ণনাশৈলীৰ পৰিচয় কি দৰে প্রদান কৰিছে তাৰ সম্যক আলোচনা কৰিবলৈ প্রয়াস কৰা হ'ল।

১১.৩ প্রান্ত্য সমাজ (Marginal Community) আৰু হোমেন বৰগোহাঞি

যেতিয়া কোনো ব্যক্তি-সমষ্টিক সমাজৰ প্রান্তলৈ ঠেলি পঠিওৱা হয় আৰু তেওঁলোকৰ সমাজখনৰ ভিতৰত স্থান দিবলৈ অস্বীকাৰ কৰা হয়, তেতিয়া তেনে ব্যক্তি সমষ্টিক প্রান্ত্যলৈ ঠেলি পঠিওৱা (Marginalize কৰা) বুজায়। সমাজ বিজ্ঞানৰ দিশৰ পৰা বিচাৰ কৰিলে এই 'প্রান্ত্য সমাজ'খনত স্থান পোৱা ব্যক্তিৰ শ্রেণীসমূহক এইদৰে ভাগ কৰিব পাৰি—বহিৰাগত লোক, শৰণার্থী আৰু বহিঃ প্রব্রজক, মাইকী মানুহ আৰু ছোৱালী, মানৰ দেহ বিক্রী চক্রৰ দ্বাৰা আক্রান্ত ব্যক্তি, হিজৰা বা ক্লিৰ, যাক সাম্প্রতিক সময়ত Third Gender People হিচাপে গণ্য কৰা হয়, ধর্মীয় সংখ্যালঘু, শাৰীৰিক বা মানসিকভাৱে বাধাগ্রস্ত লোক, অপৰাধজনিত কাৰণত কাৰাগাৰত নিক্ষেপিত হোৱা লোক আৰু সিবিলাকৰ পৰিয়াল-পৰিজন, কাৰাগৰৰ পৰা মুক্তিপ্রাপ্ত লোক, আর্থ-সামাজিক দিশৰ পৰা দুর্বল লোকসকল, সেইদৰে সমাজৰ নিম্ন স্তৰৰ লোক, নিবনুৱাসকল ইত্যাদি। এনে ধৰণৰ ব্যক্তি বা ব্যক্তি সমষ্টিক সমাজে সমাজৰ মূল সুঁতিৰ লগত মিলিত হোৱাৰ পৰা বিৰত কৰে বা সেই বিশেষ শ্রেণীৰ ব্যক্তি বা ব্যক্তি সমষ্টিক বা সমাজ বিশেষক মূল সমাজৰ পৰাই বহিষ্কাৰ কৰে।এনে ব্যক্তি, গোট বা সমাজৰ অবদমিত ক্ষোভ, হতাশা আৰু অসহায় স্থিতিৰ কথা সমাজৰ দাপোণ স্বৰূপ সাহিত্যৰ বিভিন্ন কৃতিৰ মাজেদি মনোজ্ঞ ৰূপত প্রকাশ পায়।

অসমীয়া সাহিত্যও এই ক্ষেত্রত ব্যতিক্রম নহয়। লব্ধপ্রতিষ্ঠ অসমীয়া ঔপন্যাসিক হোমেন বৰগোহঞিৰ সৃষ্টিৰাজিত এই প্রান্ত্য সমাজখনে বা প্রান্ত্য লোকসকলে বিশেষ মনোযোগ লাভ কৰিছে। তেওঁৰ ঔপন্যাসিক জীৱনৰ অন্যতম কৃতি *সুবালা, কুশীলব, মৎস্যগন্ধা* আদিত প্রান্ত্য লোকসকলৰ অদ্ভুত অথচ বর্ণাঢ্য জীৱনৰ টুকুৰা ছবি মার্মিকভাৱে চিত্রিত হৈছে। জৈৱিক নির্মিতি হিচাপে সেই প্রান্ত্য (Marginalized) লোকসকল আৰু সমাজত বাস কৰা আমাৰ নিচিনা মানুহবোৰৰ মাজত কোনো পার্থক্য নাই। আমাৰ জৈৱিক-মানসিক অভাৱসমূহৰ কোনো পার্থক্য নাই। পার্থক্য মাথোন ইমানেই যে যি স্থলত আমাৰ নিচিনা 'স্বাভাৱিক' জীৱন-যাপন কৰা লোকৰ অভাৱ-অভিযোগবোৰ পূৰণ কৰা সহজলভ্য, তেনে স্থলত প্রান্ত্য লোকসকলে আমি লাভ কৰা সা-সুবিধা অর্থাৎ সমাজে আমাক আগবঢ়োৱা কিছুমান স্বতঃস্ফূর্ত সুযোগ-সুবিধাৰ পৰা সেই বিশেষ শ্রেণীভুক্ত লোক সদায়েই বঞ্চিত হৈ আহিছে। এইটো সত্য যে গণতান্ত্রিক দেশৰ নাগৰিক হিচাপে তেওঁলোকৰ মাজৰ কিছুমানে কিছু সা-সুবিধা ভোগ কৰাৰ স্বাধীনতা আছে। পিছে সেই সা-সুবিধা প্রদান আৰু নিয়ন্ত্রণৰ বাঘজৰী যেতিয়া সমাজৰ কোনোবা প্রভাৱশালী ব্যক্তিৰ কর্তৃত্বত থাকে যেতিয়া সমাজৰ সেই দুর্ভগীয়া শ্রেণীটো কোনো কোনো সময়ত জীৱনৰ কেতবোৰ প্রাথমিক প্রয়োজনীয়তা আৰু অধিকাৰ উপভোগ কৰাৰ পৰাও বঞ্চিত হয়। হোমেন বৰগোহাঞিৰ উপন্যাস

পিতা-পুত্রত তেনে চিত্র সহজলভ্য। সমাজৰ মুষ্টিমেয় সজ-বিবেকবান লোকে তেনে অন্যায়-অমানৱীয় আচৰণ লক্ষ্য কৰে যদিও দুঃসাহসৰ অভাৱৰ বাবেই হওক অথবা এলান্ধুকলীয়া সংস্কাৰৰ বাবেই হওক, তেনে লাঞ্ছিত, বঞ্চিত মানুহক উদ্ধাৰ কৰাৰ দীৰ্ঘম্যাদি বা স্থায়ী উপায় চিন্তা কৰিব নোৱাৰে। *পিতা-পুত্র* উপন্যাসৰ শিৱনাথ চৰিত্রৰ মাজেদি তেনে এগৰাকী হৃদয়বান অথচ ভীৰু ব্যক্তিৰ চৰিত্র ফুটি উঠিছে।

আমাৰ আলোচ্য *মৎস্যগন্ধা* উপন্যাসখনতো তেনে এখন প্রান্ত্য সমাজ আৰু তেনে সমাজৰ প্রতিনিধিত্বমূলক চৰিত্রৰ জীৱনকথা আৰু লব্ধ অভিজ্ঞতাৰ চিত্রণৰ মাজেদি প্রান্ত্য লোকৰ অৱদমিত ক্ষোভ-হতাশা আৰু পাৰাপাৰহীন দুখৰ মর্মস্পর্শী, জীৱন্ত চিত্র প্রত্যক্ষ কৰিবলৈ পাওঁ। এই আলোচনাৰ দ্বিতীয় খণ্ড অর্থাৎ দ্বাদশ অধ্যায়ত প্রান্ত্য সমাজৰ ব্যক্তিৰ চেতনা জগত আৰু জীৱন সংগ্রামৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হ'ব। এই খণ্ডটোত আমি 'প্রান্ত্য' শব্দটোৰ অর্থ ব্যাখ্যা মাত্র কৰিলোঁ।



চিন্তা-চর্চা কৰক - ১১.১

হোমেন বৰগোহাঞিৰ উপন্যাস কৃতিসমূহৰআধাৰত তেওঁ কোন কেইখন উপন্যাসত প্রান্ত্য সমাজখনৰ চিত্রণ কৰিছে তাৰ বিচাৰ আগবঢ়াওক।

১১.৪ হোমেন বৰগোহাঞিঃ জীৱন আৰু কৃতি

বিংশ শতিকাৰ অসমীয়া সাহিত্যৰ বিশিষ্ট লেখক হোমেন বৰগোহঞিৰ জন্ম ১৯৩২ চনৰ ডিচেম্বৰ মাহৰ ৭ তাৰিখৰ দিনা। তেওঁ জন্মস্থান অবিভক্ত লখিমপুৰ জিলাৰ ঢকুৱাখানা। তেওঁ পিতৃ ইন্দ্রধৰ বৰগোহাঞি আৰু মাতৃ আইতা বৰগোহাঞি। তেওঁ প্রাথমিক আৰু মজলীয়া বিদ্যালয়ৰ শিক্ষা জন্মস্থান ঢকুৱাখানাতে লাভ কৰিছিল। ১৯৫০ চনত তেওঁ ডিব্রুগড় চৰকাৰী হাইস্কুলৰ পৰা প্রথম বিভাগত প্রৱেশিকা পৰীক্ষাত উত্তীর্ণ হৈছিল। ১৯৫২ চনত কটন কলেজৰ পৰা আই.এছ.চি. (Intermediate Science) পৰীক্ষাত প্রথম বিভাগত উত্তীর্ণ হৈ পুনৰ কটন কলেজতে ইংৰাজী বিষয়ত অনার্ছ লৈ ১৯৫৪ চনত দ্বিতীয় শ্রেণীৰ অনার্ছসহ স্নাতক ডিগ্রী লাভ কৰে। স্নাতকোত্তৰ শিক্ষাৰ বাবে তেওঁ কলিকতা বিশ্ববিদ্যালয়লৈ যোৱাৰ কথা আছিল যদিও সেয়া হৈ নুঠিল। ১৯৫৫ চনত অসম প্রশাসনিক সেৱা পৰীক্ষাত উত্তীর্ণ হৈ তেওঁ উপ-প্রতিসমাহর্তা হিচাপে চৰকাৰী চাকৰিত যোগদান কৰিছিল। ১৯৫৮ চনত বিশিষ্ট লেখিকা নিৰুপমা তামুলীৰ লগত তেওঁৰ বিবাহ হয়। তেওঁ দুটি পুত্র সন্তানৰ জনক হয়।

চৰকাৰী চাকৰিয়াল হিচাপে আৰম্ভ কৰা তেওঁৰ কর্মজীৱন নানা তিক্ত-মধুৰ অভিজ্ঞতাৰে পূর্ণ। পৰৱর্তী সময়ত প্রতিষ্ঠিত লেখক ৰূপে নিজকে পৰিচয় দিয়া এইগৰাকী ব্যক্তিয়ে চাকৰি জীৱনত অন্যায়ৰ সৈতে কোনো দিনে আপোচ কৰা নাছিল। সেইবাবে অতৃপ্তিৰ বাদে যেন আন একোৱেই তেওঁ তেওঁৰ চৰকাৰী চাকৰি জীৱনৰ পৰা আহৰণ কৰিব নোৱাৰিলে। সেইবাবে তেওঁ

জীৱনৰ সেই তেৰ বছৰীয়া চৰকাৰী চাকৰি জীৱনকালৰ বিষয়ে এঠাইত এইদৰে উল্লেখ কৰিছে—"চাকৰিত সোমোৱাৰ পিছত মই যিমান দূৰ পাৰোঁ নিজৰ বিবেকৰ নির্দেশ মতে চলিবলৈ চেষ্টা কৰিছিলোঁ।ফলত চাকৰিত সোমোৱাৰ দিনৰ পৰাই তলৰ পর্যায়ৰ ৰাজনীতিকবোৰৰ লগত মোৰ সংঘর্ষ আৰম্ভ হ'ল। কিন্তু এই সংঘর্ষত মই ইমান অকলশৰীয়া হ'লো যে অৱশেষত সম্পূর্ণ হতাশগ্রস্ত হৈ মই চাকৰি এৰিবলৈ বাধ্য হ'লোঁ।"

হোমেন বৰগোহাঞিৰ সাহিত্যিক জীৱনৰ সৃষ্টিৰাজি বিচাৰ কৰিলে তেওঁৰ দ্বাৰা ভালেমান চৰিত্রত অন্যায়, অনাচাৰ, কুসংস্কাৰৰ বিৰুদ্ধে প্রতিবাদী কণ্ঠস্বৰ ধ্বনিত হোৱা কথাটো দৃষ্টিগোচৰ হয়। উল্লেখ নকৰি নোৱাৰি যে ১৯৬০ চনৰ ১ নৱেম্বৰৰ পৰা চন্দ্রপ্রসাদ শইকীয়াৰ সম্পাদনাত প্রকাশ পোৱা *অসম বাতৰি*নামৰ তিনিদিনীয়া বাতৰিকাকতখনত তেওঁ 'দুর্বাসা' ছদ্মনামত 'দুর্বাসাৰ জার্ণাল' নামৰ এলানি প্রবন্ধ আৰু কাহিনী লিখিছিল। পৰৱর্তী সময়ত ১৯৬৬ চনত সেই প্রবন্ধ আৰু কাহিনীৰ মাজৰ পৰা কিছু সংখ্যক বছা বছা ৰচনা *বিভিন্ন নৰক* নামৰ গ্রন্থ এখনত প্রকাশ পাইছিল। পিছে গ্রন্থখন তেওঁৰ নিজৰ প্রকৃত নামতে প্রকাশ কৰিছিল। তাৰ ফলাফল সহজেই অনুমেয়। তেওঁ তেতিয়াৰ ৰাজ্য চৰকাৰৰ ৰোষত পৰিল। ১৯৬৭ চনত তেওঁৰ বিৰুদ্ধে বিভাগীয় গোচৰ আৰম্ভ হৈছিল। বাঢ়ি অহা তিক্ততা বৃদ্ধি পোৱাত তেওঁ চাকৰি ইস্তাফা দিয়ে। ১৯৬৮ চনত তেওঁ চৰকাৰী চাকৰি ইস্তাফা দি *সাপ্তাহিক নীলাচল* নামৰ কাকতৰ প্রতিষ্ঠাপক সম্পাদকৰ দায়িত্ব গ্রহণ কৰে আৰু ১৯৭৭ চনলৈকে কার্যনির্বাহ কৰি থাকে।১৯৬৯ চনত পাটিয়ালাৰ পাঞ্জাৰী বিশ্ববিদ্যালয়ত অনুষ্ঠিত নিখিল ভাৰত পি. ই. এন. (পয়েট, এছেয়িষ্ট এণ্ড নভেলিষ্ট) কংগ্রেছৰ বার্ষিক অধিৱেশনত নিমন্ত্রিত বক্তা হিচাপে যোগদান কৰিছিল। ১৯৭৭ চনত তেওঁ *সাপ্তাহিক নীলাচল*কাকতৰ সম্পাদক পদৰ পৰা পদত্যাগ কৰে আৰু *সাপ্তাহিক নাগৰিক*কাকতৰ প্রতিষ্ঠাপক সম্পাদকৰ দায়িত্ব গ্রহণ কৰে। ১৯৮০ চনত তেওঁ *লোকায়ত* শীর্ষক কাকত সম্পাদনা কৰে। ১৯৮১ চনত তেওঁ কলিকতাৰ পৰা প্রকাশিত *আজকাল* নামৰ বাংলা দৈনিক বাতৰিকাকতৰ উত্তৰ-পূর্বাঞ্চলৰ বিশেষ প্রতিনিধি ৰূপে নিযুক্ত হয়। ইয়াৰ পিছত তেওঁ একাধাৰে তিনিখন আলোচনীৰ প্রতিষ্ঠাপক সম্পাদক হয়। সেই কেইখন হৈছে ক্রমে *সমকাল* (১৯৮৭), *সূত্রধাৰ* (১৯৮৯) আৰু *কিশোৰ* (১৯৯১)। ১৯৯৩ চনত তেওঁ *অসম বাণী*ৰ সম্পাদকৰ দায়িত্ব গ্রহণ কৰে। ১৯৯৭ চনত তেওঁ *অসম বাণী*ৰ পৰা পদত্যাগ কৰি *আমাৰ অসম*নামৰ দৈনিক কাকতৰ প্রতিষ্ঠাপক সম্পাদকৰ দায়িত্ব গ্রহণ কৰে। ২০০১ চনত তেওঁ অসম সাহিত্য সভাৰ ডিব্রুগড় অধিৱেশনৰ বাবে সভাপতি মনোনীত হয়। ২০০৪ চনত তেওঁ *আমাৰ অসম* বাতৰিকাকতৰ পৰা ইস্তাফা দি *দৈনিক বাতৰি*নামৰ অসমীয়া দৈনিক বাতৰিকাকতৰ প্রতিষ্ঠাপক মুখ্য সম্পাদকৰ দায়িত্ব গ্রহণ কৰে। ২০০৫ চনত *দৈনিক বাতৰ্ব্বি* পৰা পদত্যাগ কৰি কিছুদিনৰ বাবে পযেকীয়া চিন্তামূলক সাহিত্যধর্মী আলোচনী *সাতসৰী*ৰ প্রতিষ্ঠাপক সম্পাদকৰ দায়িত্ব গ্রহণ কৰে। ২০০৬ চনত তেওঁ পুনৰ *আমাৰ অসম*ৰ মুখ্য সম্পাদকৰ পদত অধিস্থিত হয়।

বাতৰিকাকত আৰু আলোচনী সম্পাদনা কৰাৰ উপৰিও তেওঁ বিভিন্ন ৰাজহুৱা অনুষ্ঠান তথা শিক্ষা প্রতিষ্ঠানৰ লগত জড়িত আছিল। তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক'র্টৰ সদস্য আছিল।

সেইদৰে ডিব্রুগড় বিশ্ববিদ্যালয়ৰ কার্যবাহী পৰিষদৰ সদস্য, অসম ৰাজ্যিক পাঠ্যপুথি প্রণয়ন নিগমৰ সঞ্চালক, আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থাৰ সাধাৰণ পৰিষদৰ সদস্য, পূর্বাঞ্চলীয় সাংস্কৃতিক কেন্দ্রৰ সদস্য, আকাশবাণী উপদেষ্টা পৰিষদৰ সদস্য, অসম প্রকাশন পৰিষদৰ সদস্য ইত্যাদি।

একাধাৰে কবি, সাংবাদিক, সমালোচক আৰু কথা-সাহিত্যিক হোমেন বৰগোহাঞিৰ ৰচনাৰাজি বিভিন্ন প্রজন্মৰ পঢুৱৈ আৰু সাহিত্যমোদীৰ বাবে আজিও আকর্ষণ আৰু ঔৎসুক্যৰ বিষয় হৈ আছে। কটন কলেজৰ মুখপত্র *কটনিয়ান*ত প্রকাশিত হোৱা 'আবেলি আলিবাটৰ গান' তেওঁৰ প্রথম প্রকাশিত চুটিগল্প। তেওঁৰ 'এপিটাফ' গল্পটোৱে তাৰ ব্যতিক্রমধর্মী বিষয়বস্তু আৰু ভাবনাৰ প্রগাঢ়ৰ বাবে পঢুৱৈৰ মনত বিশেষ প্রতিক্রিয়াৰ সৃষ্টি কৰিছিল। তৰুণ গল্পকাৰ হোমেন বৰগোহাঞিৰ বাবে এই গল্পটোৱে কঢ়িয়াই আনিছিল বিশেষ সন্মান। ৰামধেনু যুগত কৃতিত্বৰে গল্প ৰচনাৰে অসমীয়া কথা-সাহিত্যৰ বৰভঁৰাল চহকী কৰাত বৰগোহাঞিৰ অৱদান অস্বীকার্য। তেওঁৰ প্রকাশিত গল্প সঙ্কলনসমূহৰ ভিতৰত উল্লেখযোগ্য হৈছে *বিভিন্ন কোৰাছ*(১৯৫৫), *প্রেম আৰু মৃত্যুৰ কাৰণে*(১৯৫৮), *গল্প আৰু নক্সা, স্বপ্ন স্মৃতি বিষাদ*(১৯৮৯), *অস্তিত্বৰ জ্যোতির্ময় চেতনা* (সম্পা. তীর্থ ফুকন, ১৯৯১) ইত্যাদি। বিষয়বস্তু অভিনৱ ধৰণে উপস্থাপন কৰাত বৰগোহাঞিৰ কৃতিত্ব উল্লেখনীয়। সেইবাবে নতুন বিষয়বস্তু আৰু তাৰ উপস্থাপনৰ বাবে কৰা নিৰলস পৰীক্ষা-নিৰীক্ষাৰ ফলত তেওঁৰ গল্পত এক বলিষ্ঠ জীৱন জিজ্ঞাসাৰ সুৰ বাজি উঠাৰ কথা সমালোচক উপেন্দ্রনাথ শর্মাই বৰগোহাঞিৰ গল্পৰাজিৰ আলোচনাৰ প্রসঙ্গত কৈ গৈছে। মানুহৰ বিচিত্র জীৱন চিন্তা আৰু সাহিত্যৰ প্রবাহমান ধাৰাসমূহ —এই সকলোবোৰ বৈচিত্র্যপূর্ণ সমাহাৰত বৰগোহাঞিৰ চুটিগল্পসমূহে এক নিজস্ব পৰিচয় বহন কৰিবলৈ সমর্থ হৈছে। নিঃসঙ্গ চেতনা, আত্মহত্যাৰ প্রৱণতা, অপৰাধ প্রৱণতাৰ পৰা সৃষ্ট আত্মক্ষয়ঙ্কাৰী অনুভূতি, অৱস্থিতিবাদ, চেতনাস্রোত প্রবাহৰ প্রভাৱ, জীৱনৰ প্রতি অন্তর্মুখী দৃষ্টি, প্রাচীন আৰু অর্বাচীন মূল্যবোধৰ দ্বন্দ্ব আদি তেওঁৰ গল্পৰ চকুত লগা বৈশিষ্ট্য।

ঔপন্যাসিক হিচাপে ১৯৬৩ চনৰ পৰা ২০০৩ চনলৈ হোমেন বৰগোহাঞিৰ সর্বমুঠ বাৰখন উপন্যাস প্রকাশিত হয়। সেই কেইখন হৈছে ক্রমে *সুবালা, তান্ত্রিক, কুশীলৱ, হালধীয়া চৰায়ে বাওধান খায়, পিতা-পুত্র, তিমিৰ তীর্থ, অস্তৰাগ, সাউদৰ পুতেকে নাও মেলি যায়, মৎস্যগন্ধা, বিষণ্ণতা আৰু এদিনৰ ডায়েৰী*। এইখিনিতে উল্লেখ কৰিব পাৰি যে তেওঁ নিৰুপমা বৰগোহাঞিৰ লগত যুগ্মভাৱে *পুৱাৰ পূৰবী আৰু সন্ধ্যাৰ বিভাস* নামৰ এখন উপন্যাস ৰচনা কৰিছিল। তেওঁ *সূত্রধাৰ* নামৰ পযেকীয়া আলোচনী এখনৰ সম্পাদনাৰ দায়িত্বত থাকোঁতে আলোচনীখনত খণ্ড খণ্ডকৈ *জীৱন-মৃত্যু*নামৰ এখন আত্মজীৱনীমূলক উপন্যাস প্রকাশ কৰিছিল। পিছত কিবা কাৰণত তেওঁৰ সেই প্রচেষ্টা আধৰুৱা হৈ থাকিল।

সমাজবাদ, বাস্তৱবাদ আৰু প্রকৃতিবাদৰ বৈশিষ্ট্যপূর্ণ প্রকাশে তেওঁৰ উপন্যাসৰাজিক অন্যান্য ঔপন্যাসিকৰ তুলনাত বিশিষ্ট কৰি তুলিছে। পৰম্পৰাগত সামাজিক উপন্যাস ৰচনাৰ গণ্ডীৰ পৰা তেওঁ সম্পূর্ণভাৱে ফালৰি কাটি অহা নাছিল যদিও চৰিত্র সৃষ্টি বা চৰিত্রৰ মনোজগতৰ

চিত্রণ, প্রতিকূল পৰিস্থিতিয়ে চৰিত্রৰ মনত সৃষ্টি কৰা দ্বন্দ্ব আৰু সংঘাত গ্রাম্য জীৱন চিন্তা আৰু নগৰীয়া জীৱন চিন্তাৰ মাজৰ পার্থক্য তথা দ্বন্দ্বাত্মক স্থিতি, নাৰী-পুৰুষৰ বিচিত্র মন আৰু মনোদশা ইত্যাদিৰ কলাত্মক ৰূপায়ন তেওঁৰ উপন্যাসৰাজিৰ উল্লেখযোগ্য বৈশিষ্ট্য।

*অসমীয়া সাহিত্যৰ বুৰঞ্জী*ৰ প্রণেতা তথা প্রথিতযশা সাহিত্য সমালোচক সত্যেন্দ্রনাথ শর্মাই *অসমীয়া উপন্যাসৰ গতিধাৰাত* হোমেন বৰগোহাঞিৰ উপন্যাস প্রসঙ্গত উল্লেখ কৰি গৈছে— "প্রত্যক্ষভাৱে ব্যঙ্গাত্মক নহ'লেও তেওঁৰ ৰচনাত শিক্ষিত অর্ধ-শিক্ষিত শ্রেণীৰ দুর্নীতি আৰু ভণ্ডামি আৰু দলিত শ্রেণীৰ নিঃসহায়তা ফুটাই তুলিছে। সামাজিক সংস্কাৰৰ ফলত প্রদমিত (Inhibited) জৈৰিক বাসনাৰ নগ্ন ৰূপ উদঘাটন কৰি লিবিড'ৰ প্রভাৱ প্রদর্শন কৰাও তেওঁৰ কোনো কোনো ৰচনাত লক্ষ্য কৰা যায়।"

কবি হিচাপে হোমেন বৰগোহঞিৰ কৃতিসমূহ *হৈমন্তী* (১৯৮৭) নামৰ কাব্য-গ্রন্থত সংৰক্ষিত হৈছে। অৱস্যে অন্যান্য ভালেমান গ্রন্থ-আলোচনীতো তেওঁৰ কেতবোৰ কবিতা সিঁচৰতি হৈ আছে। এটা বিশেষ পৰিস্থিতিত এগৰাকী বন্ধুক প্রত্যাহ্বান জনাই ৰচনা কৰা 'সাপ' কবিতাটোৰ মাজেদি কবি হোমেন বৰগোহাঞিৰ মনত ক্রিয়াশীল উর্বৰ বৌদ্ধিক চেতনাই মূর্ত ৰূপ লাভ কৰিছে। প্রখ্যাত সমালোচক মহেন্দ্র বৰাই *নতুন কবিতাৰ* 'অৱতৰণিকা'ত বৰগোহাঞিৰ কাব্য প্রতিভাৰ বিষয়ে উল্লেখ কৰোঁতে যি কেইযাৰ সাৰুৱা কথা কৈছিল তাৰ মাজেদি বৰগোহাঞিৰ কবি মানসৰ স্বচ্ছ চিত্র উদ্ভাসিত হয়— "বৰগোহাঞিয়ে প্রতীকবাদী কবিসকলৰ দৰে বর্ণবহুল শব্দ ব্যঞ্জনাৰে সৃষ্টি কৰে এক ৰহস্যময় জগত। আত্মাৰ গভীৰ কন্দৰত সেই জগত। সেইখন মিষ্টিক জগতত আছে মনৰ গভীৰতম বেদনা, অন্ধকাৰ কামনা, অৰণ্য-প্রীতি আৰু এক মৃত্যুৰ আকাংক্ষা। লৰেন্সৰ জগতখনৰ দৰে আছে এটা মোহময়, আৱেশময়, মাদকতা সনা সুৰভি। কিন্তু তাত নাই মৌলিক বেদনা, তাত নাই ৰুগ্ন মনস্তত্ব। সেই পৃথিৱীত কাল্পনিক মূল্যবোধ আমাৰ পৃথিৱীৰ নৈতিকতাৰ তুলনাচনীৰে জুখিব নোৱাৰি। সেইবাৰে তেখেতৰ কাব্যত যৌনগন্ধী প্রতীক পুঞ্জত অযৌন নির্য্যাস পোৱা নাযায়।"

সংবাদসেৱী হিচাপে বৰগোহাঞিৰ পৰিক্রমা দীঘলীয়া আৰু বর্ণাঢ্য। তেওঁৰ সংবাদিক জীৱনৰ মনোজ্ঞ কথা-কাহিনীসমূহ তেওঁৰ আত্মকথামূলক ৰচনাসমূহত সংগৃহিত হৈছে। সাংবাদিকতা বৃত্তিটোলৈ সৃষ্টিশীল ৰূপ অনাত বৰগোহাঞিয়ে আগভাগ লোৱা বুলি ক'লেও হয়তো ভুল কোৱা নহ'ব। তেওঁ 'সংবাদ সাহিত্য'ক সমৃদ্ধ কৰিছিল। এই ক্ষেত্রত তেওঁৰ সূক্ষ্মদর্শী বৌদ্ধিক দক্ষতাই বিশেষ ভূমিকা গ্রহণ কৰিছে। গভীৰ তথা বিস্তৃত অধ্যয়ন, অধ্যয়নৰ প্রায়োগিক দিশৰ অনুসন্ধান আৰু তাক কার্যক্ষেত্রত প্রয়োগ, প্রায়োগিক কার্যকুশলতাৰ লগত মৌলিক চিন্তাৰ সুমন্বয় —এই সকলোবোৰে তেওঁক অসমৰ সংবাদ জগতৰ এগৰাকী অপ্রতিৰোধ্য ব্যক্তিত্ব কৰি তুলিলে।

কথা আৰু কাব্যৰ সৃষ্টিশীল জগতৰ লগত মিতিৰালি পতা হোমেন বৰগোহাঞিয়ে অসমীয়া সাহিত্য-সংস্কৃতি আৰু সমাজ সমালোচনাৰ ক্ষেত্রলৈকো উল্লেখযোগ্য অৰিহণা আগবঢ়াইছে। তেওঁ *ৰামধেনু* আলোচনীত 'আধুনিক অসমীয়া কবিতা' শীর্ষক সমালোচনামূলক

লেখাৰে সমসাময়িক যুগৰ আধুনিক অসমীয়া কবিসকলৰ কবিতাৰ সমালোচনা কৰিছিল। পৰৱৰ্তী সময়ত বীৰেন্দ্র কুমাৰ ভট্টাচার্য্যৰ সম্পাদনাত প্রকাশিত হোৱা *নৱযুগত* তেওঁ 'সাম্প্রতিক অসমীয়া কবিতা', 'অসমীয়া সাহিত্যত নৱযুগ' আদি সমালোচনামূলক প্রবন্ধ ৰচনা কৰিছিল। সেইদৰে *অসমীয়া গল্প সঙ্কলন* নামৰ গ্রন্থখনৰ দুয়োটা খণ্ড সম্পাদনা কৰোঁতে তাৰ পাতনি দুখনত তেওঁ অসমীয়া চুটিগল্পৰ যি ঐতিহাসিক পর্যালোচনা আৰু গল্পকাৰসকলৰ গদ্যৰীতিৰ আলোচনা আগবঢ়াইছে— সিয়ে অধ্যয়নশীল মনৰ সূক্ষ্মদর্শী আলোচক গৰাকীৰ বিশ্লেষণ ক্ষমতাৰ পৰিচয় বহন কৰিছে।

তেওঁৰ আত্মজীৱনীমূলক টোকা আৰু আত্মজীৱনী গ্রন্থসমূহৰ মাজেদি ব্যক্তি হিচাপে বৰগোহাঞিৰ বিভিন্ন দিশ ভাস্বৰ হৈ উঠিছে। *আত্মানুসন্ধান* (১৯৮৮), *মোৰ সাংবাদিক জীৱন* (১৯৮৯), *ধুমুহা আৰু বামধেনু* (প্রথম খণ্ড-১৯৯৭ আৰু দ্বিতীয় খণ্ড-১৯৯৮) তেনে ৰচনাৰ উদাহৰণ। তেওঁৰ অন্য কেতবোৰ ৰচনাই দশক দশক ধৰি অসমীয়া পাঠক সমাজক চিন্তাৰ খোৰাক যোগাই আহিছে। সেই ৰচনাসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল 'জিজ্ঞাসা', 'আনন্দ আৰু বেদনাৰ সন্ধানত', 'ধূসৰ দিগন্ত', 'ইতিহাসৰ সাক্ষী', 'স্বর্গ আৰু নৰক', 'জীৱনৰ মধুৰতম সময়', 'সুখ-দুখ', 'জীৱনৰ সাধনা', 'পাঠকৰ টোকাবহী', 'প্রজ্ঞাৰ সাধনা', 'আত্ম দীপো ভৱ', 'কথা-বার্তা', 'আমাক কিতাপ লাগে', 'বিচিত্র অভিজ্ঞতা আৰু অনুভূতি', 'জীৱনৰ পৰা আমি কি বিচাৰোঁ', 'অন্তহীন প্রেৰণাৰ উৎস ঃ নু ই পেষ্টিঅ'ৰ', 'মোৰ প্রিয় মানুহ চক্রেটিছ' ইত্যাদি। শিশু তথা কিশোৰ-কিশোৰীসকলৰ মানসিক উৎকর্ষ সাধনৰ বাবে তেওঁ *কিশোৰ* নামৰ আলোচনীখনৰ সম্পাদনাৰ দায়িত্ব বহন কৰি কণ কণ মনবোৰত উৎসাহ-উদ্দীপনা যোগোৱাৰ লগতে সিবিলাকৰ মন ন-ন কথা শিকা আৰু জনাৰ প্রতি আগ্রহী কৰাত উৎসাহপূর্ণ পথ প্রদর্শন কৰিছিল। তেওঁ কিশোৰ-কিশোৰীসকলৰ মানসিক বিকাশত সহায়ক হোৱাকৈ *অ আ ক খ, কিতাপ পঢ়াৰ আনন্দ, মানুহ হোৱাৰ গৌৰৱ, বেঞ্জামিন ফ্রেঙ্কলিন* আদি গ্রন্থ ৰচনা কৰিছিল।

তেওঁ দুখন একাঙ্কিকা নাটক ক্রমে *ৰতনপুৰত গধূলি* আৰু *নট বাই ব্রেড এলোন* ৰচনা কৰিছিল। *হঠাৎ গধূলি* তেওঁৰ দ্বাৰা ৰচিত অনাতাঁৰ নাটক।

তেওঁ সম্পাদনা কৰা কেইখনমান উল্লেখযোগ্য গ্রন্থ হৈছে ক্রমে *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য, অসমীয়া গল্প সঙ্কলন* (প্রথম আৰু দ্বিতীয় খণ্ড), *অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড), অসমীয়া প্রেমৰ কবিতা* (যুটীয়াভাৱে), *গদ্যৰ সাধনা, মালিক, এশ বছৰৰ অসমীয়া কবিতা* ইত্যাদি। অসম সাহিত্য সভাৰ সভাপতি ৰূপে তেওঁ *অসমীয়া বিশ্বকোষৰ* পাঁচটা খণ্ড প্রকাশৰ কাম সম্পন্ন কৰি অসমীয়া জাতি আৰু সাহিত্যৰ বাবে মূল্যৱান অৰিহণা আগবঢ়ালে।

তেওঁৰ ভালেমান কৃতি ইংৰাজী তথা অন্যান্য ভাৰতীয় ভাষালৈ অনূদিত হৈছে। তেওঁৰ উপন্যাস *অস্তৰাগ*ইংৰাজী, ওডিসা, হিন্দী, পঞ্জাৰী, নেপালী, বড়ো আৰু বাংলা ভাষালৈ অনূদিত হৈছে। *মৎস্যগন্ধা* উপন্যাসখন হিন্দী আৰু নেপালী ভাষালৈ অনূদিত হৈছে। *পিতা-পুত্র* উপন্যাসখন ইংৰাজী আৰু হিন্দীকে ধৰি ২১টা ভাৰতীয় ভাষালৈ অনূদিত হৈছে আৰু সাহিত্য অকাডেমীয়ে প্রকাশ কৰিছে। তেওঁৰ চুটিগল্পসমূহ সকলো ভাৰতীয় ভাষালৈ অনূদিত হৈছে।

নিজৰ সৃষ্টিশীল পাৰদর্শিতাৰ বাবে বৰগোহাঞি বিভিন্ন স্থানত সন্মানিত হৈছে। লগতে তেওঁ কেইবাটাও সন্মানজনক বঁটা লাভ কৰিছে। সেই দীঘলীয়া তালিকাত আছে— 'অসম প্রকাশন পৰিষদ বঁটা', 'সাহিত্য অকাডেমি বঁটা', 'মেগৰ শৈক্ষিক ন্যাসে' প্রদান কৰা 'অসম উপত্যকা সাহিত্য বঁটা', উৎকৃষ্ট সাংবাদিকতাৰ বাবে 'জয়কৃষ্ণ ৰামদয়াল (দিল্লী) সমন্বয় বঁটা', ডিব্রুগড় বিশ্ববিদ্যালয় আৰু অসম কেন্দ্রীয় বিশ্ববিদ্যালয় (শিলচৰ) দুয়োখন বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় ডি. লিট লাভ, 'চুকাফা বঁটা', 'কনকলতা বঁটা', অসম চৰকাৰৰ দ্বাৰা প্রদান কৰা সর্বোচ্চ সন্মান 'শঙ্কৰদেৱ বঁটা' আদিয়েই প্রধান।

নৱ প্রজন্মৰ লেখক-লেখিকা আৰু সাংবাদিকতা বৃত্তি গ্রহণ কৰাসকলৰ বাবে তেওঁ আজিও অনুপ্রেৰণাৰ স্থল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ হোমেন বৰগোহাঞিৰ জীৱন আৰু কৃতিৰ চমু লেখ আগবঢ়াওক। (২৫০টা শব্দৰ ভিতৰত)

প্রশ্ন নং ২ ঃ লেখক হিচাপে হোমেন বৰগোহাঞিৰ সমাজ সমালোচনাৰ চোকটোৰ উৎস কি? (২৫০টা শব্দৰ ভিতৰত)

১১.৫ হোমেন বৰগোহাঞিৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

প্রান্ত্য সমাজখনৰ চিত্রণ হোমেন বৰগোহাঞিৰ উপন্যাস ৰচনাৰ অন্যতম বৈশিষ্ট্য। আধুনিক অসমীয়া সাহিত্যত যি কেইগৰাকী ঔপন্যাসিক সংবেদনশীলতাৰে প্রান্ত্য সমাজ অর্থাৎ Marginal Societyখনৰ চিত্র অঙ্কন কৰিছে, তাৰ ভিতৰত হোমেন বৰগোহাঞি অন্যতম। এই ক্ষেত্রত তেওঁ পথ প্রদর্শক স্বৰূপ। যি সময়ত তেওঁ উপন্যাস ৰচনাত হাত দিছিল, সেই সময়ছোৱাত প্রান্ত্য সমাজৰ নির্মোহ যথার্থ চিত্রণ অসমীয়া উপন্যাস সাহিত্যত হোৱা নাছিল। অৱশ্যে চৈয়দ আব্দুল মালিকৰ উপন্যাসত তেনে কিছু চিত্র প্রতিভাত হয় যদিও সেই সমাজখনত অৱস্থান কৰা বা অৱস্থান কৰিবলৈ বাধ্য হোৱা জনসমুদায়ে জীৱনৰ যি কদর্য, বিভৎস, জিঘাঙ্খাপূর্ণ ৰূপ অহৰহ প্রত্যক্ষ কৰিবলগীয়া হয়, তেনে প্রতিকূল পৰিস্থিতিৰ লগত সহাৱস্থান কৰিবলগীয়া হয় তাৰ মার্মিক ৰূপ অতি শক্তিশালী ৰূপত হোমেন বৰগোহাঞিৰ উপন্যাসত প্রতিভাত হয়। *সুবালা* আৰু *মৎস্যগন্ধা* তেওঁৰ সেই দুখন উপন্যাস য'ত প্রান্ত্য সমাজৰ মর্মগাঁথাই জীৱন্ত ৰূপ পৰিগ্রহ কৰিছে।

এই গৰাকী ঔপন্যাসিকে নৰ-নাৰীৰ জীৱনৰ গোপন কোঠাৰ দুৱাৰখন মেলি দি সেই দুৱাৰখনৰ সিপাৰেশ্বাসৰুদ্ধকৰ পৰিৱেশত গুজৰি-গুমৰি থকা কিছুমান ভাব-চিন্তা, ইচ্ছা-আকাংক্ষাক বন্ধ কোঠাৰ বাহিৰলৈ ঠেলি পঠিয়াবলৈ সমর্থ হৈছে। তেওঁৰ উপন্যাস *মৎস্যগন্ধা, তান্ত্রিক, পিতা-পুত্র, তিমিৰ তীর্থ, অন্তৰাগ, সাউদৰ পুতেকে নাও মেলি যায়* আদি উপন্যাসতে ঔপন্যাসিকৰ

মানৰ চৰিত্ৰৰ অন্তৰ্জগতলৈ ভুমুকিয়াই চোৱাৰ যি প্ৰৱণতা তাৰ যোগেদি ঔপন্যাসিকৰ মানৰ চৰিত্ৰ সম্পৰ্কে থকা সূক্ষ্ম দৃষ্টিভঙ্গী আৰু বিশ্লেষণ ক্ষমতা প্ৰকাশ পাইছে।

চৰিত্ৰৰ বিবিধতা আৰু বৈচিত্ৰ্য তেওঁৰ উপন্যাসৰ অন্য এটা চকুত লগা বৈচিত্ৰ্য। ভাল বা বেয়া চৰিত্ৰৰ চিত্ৰণ তেওঁৰ মুখ্য উদ্দেশ্য নহয়। বৰঞ্চ চৰিত্ৰৰ ভাব-অনুভূতিৰ জগত আৰু ক্ৰিয়া-কলাপৰ মাজেদি চৰিত্ৰ বিশেষৰ বৰ্ণাঢ্য ৰূপ কলাত্মকভাৱে চিত্ৰিতকৰণহে তেওঁৰ মুখ্য উদ্দেশ্য যেন বোধ হয়। সেইবাবে *সুবালা* উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ সুবালা সমাজৰ তথাকথিত সভ্য সমাজৰ দৃষ্টিত এগৰাকী বাৰবণিতা, স্খলিত নাৰী যদিও সুবালাৰ জীৱনগাঁথা পঢ়া প্ৰত্যেক গৰাকী পঢ়ুৱৈৰ মনত সেই বিশেষ নাৰী চৰিত্ৰটোৰ প্ৰতি ঘৃণাৰ সলনি কৰুণা আৰু অনুকম্পাৰ ভাবহে জাগ্ৰত হ'ব। সুবালাই অহৰহ জীৱনৰ প্ৰতিকূল স্থিতিৰ বিৰুদ্ধে যুঁজ দিবলৈ প্ৰয়াস কৰিছিল। কিন্তু কোনোবা অদৃশ্য শক্তিয়ে যেন তাইক পুনৰ তাইৰ পূৰ্বৰ হতাশাজনক স্থিতিত উপনীত কৰাইছিল। তাই চেষ্টা কৰিও জীৱনৰ সেই কুটিল বেহু ভেদ কৰিব পৰা নাছিল।

হোমেন বৰগোহঞিৰ উপন্যাসসমূহ পঢ়িলে ধাৰণা হয় যে তেওঁ সমাজখনৰ নাড়ি-নক্ষত্ৰৰ লগত অন্তৰঙ্গভাৱে পৰিচিত। সেইবাবে পঢ়ুৱৈ সমাজে— তেওঁ যি সমাজৰে নহওক কিয়— উপন্যাসত নিজৰ চৌপাশৰ সমাজখন আৰু তাত ঘটি থকা ঘটনা-পৰিঘটনাবিলাকৰ আস্বাদ ল'বলৈ সুবিধা পায়। বৰগোহাঞিয়ে গ্ৰাম্য জীৱনৰ সজীৱ প্ৰাণোচ্ছল দিশসমূহ যি উৎসাহ-উদ্দীপনাৰে চিত্ৰিত কৰে, সেইদৰে নগৰীয়া জীৱন চিন্তাৰ কৃত্ৰিমতা, ভণ্ডামী আৰু সাৰশূন্যতাও সিমানে কৃতকাৰ্যতাৰে চিত্ৰিত কৰিছে। বিশেষকৈ সম্প্ৰদায় বিশেষৰ সমাজ চিত্ৰণ আৰু সেই সমাজত অৱস্থান কৰা জন সমুদায়ৰ আশা-আকাংক্ষা আৰু মনোজগতৰ বতৰা পঢ়ুৱৈক বিলোৱাত তেওঁ সিদ্ধহস্ত। *মৎস্যগন্ধা* তেওঁৰ তেনে এখন উপন্যাস য'ত গ্ৰাম্যভিত্তিক জীৱন চিন্তাৰ লগতে সম্প্ৰদায় বিশেষৰ জীৱনৰ সামগ্ৰিক চিত্ৰ মনোজ্ঞ ৰূপত ফুটি উঠিছে। তেওঁৰ অন্য দুখন উপন্যাস *হালধীয়া চৰায়ে বাও ধান খায়* আৰু *সাউদৰ পুতেকে নাও মেলি যায়*খনতো গ্ৰাম্য জীৱনৰ ছপি মনোৰম ৰূপত প্ৰকাশ পাইছে। সেইদৰে নগৰীয়া জীৱনৰসামগ্ৰিক চিত্ৰ প্ৰকাশ কৰাত বৰগোহাঞিয়ে নিজৰ সূক্ষ্মদৰ্শী চিন্তা, গভীৰ পৰ্যবেক্ষণ আৰু মননশীলতাৰ পৰিচয় দিছে।

অসমীয়া সাহিত্যত যি কেইগৰাকী ঔপন্যাসিকে ৰাজনৈতিক ধাৰাৰ উপন্যাস ৰচনা কৰিছে, সেই সকলৰ ভিতৰত হোমেন বৰগোহাঞিও এজন। তেওঁ সমাজৰ মাজৰ এজন হিচাপে আৰু লগতে এগৰাকী দায়বদ্ধ লেখকৰ দায়িত্ব পালন কৰি *কুশীলব* আৰু *তিমিৰ তীৰ্থৰ* নিচিনা উপন্যাস সৃষ্টিৰ মাজেদি ব্যাপক সমাজ জীৱনক প্ৰভাৱিত কৰা ৰাজনৈতিক নেতাসকলৰ ন্যস্তস্বাৰ্থ জড়িত উদ্দেশ্য আৰু কাম-কাজৰ লেখ দিছে। সিবিলাক নেতৃস্থানীয় লোকৰ সমাজৰ প্ৰতি প্ৰকৃতাৰ্থত কোনো ধৰণৰ দায়বদ্ধতাৰ ভাব নাথাকে। সেইচাম দুমুখীয়া ব্যক্তিত্বৰ লোকে এফালে সমজুৱাৰ কল্যাণ বিধানৰ বাবে ভাষণ দিয়ে আৰু সেই একে গৰাকী তথাকথিত 'জনপ্ৰিয়' নেতাই সন্ধিয়াৰ আন্ধাৰত পোহনীয়া গুণ্ডাৰ দ্বাৰা সমাজ জীৱন বিঘ্নিত কৰিব পৰা ঘটনাৰ ব্লুপ্ৰিণ্ট (Blue-Print) সাজি সমাজত অন্যায়-উচ্ছৃঙ্খলতাৰ সৃষ্টি কৰিবলৈ তৎপৰ হয়। বৰগোহাঞিৰ *কুশীলব* উপন্যাসত আমি এনে কিছুমান নকাৰাত্মক চৰিত্ৰৰ অৱস্থিতিৰ কথা পাওঁ।

হোমেন বৰগোহাঞিৰ উপন্যাসত প্ৰকৃতিবাদৰ মনোজ্ঞ চিত্ৰণ ঘটিছে। এই প্ৰসঙ্গতে প্ৰকৃতিবাদ সম্পৰ্কে জন্ ক্ৰু'ইক্‌শ্ছাঙ্কে উল্লেখ কৰা কথা কেইযাৰমান উল্লেখ কৰা হ'ল—

তেওঁ উল্লেখ কৰি গৈছে— "প্ৰকৃতিবাদী ঔপন্যাসিক এগৰাকীয়ে তেওঁৰ চৰিত্ৰবোৰক এটি বিশেষ সামাজিক পৰিৱেশত স্থাপন কৰে; তাৰ পিছত ঔপন্যাসিকজনে বিজ্ঞানাগাৰৰ এজন ৰাসায়নিক বিজ্ঞানীৰ দৰে তেওঁৰ চৰিত্ৰৰ মানসিকতা আৰু তাৰ পাৰিপাৰ্শ্বিকতাৰ মাজৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া পৰ্যবেক্ষণ কৰে। পৰ্যবেক্ষণত যি ধৰা পৰে, সেয়েই তেওঁৰ উপন্যাসৰ বিষয়... ...এই স্কুলৰ বেছিভাগ উপন্যাসেই মেজাজ আৰু পাৰিপাৰ্শ্বিকতাৰ মাজৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ অধ্যয়নেৰে ইয়াক দেখুৱায় যে আটাইতকৈ ঘৃণনীয় চৰিত্ৰবোৰে দৰাচলতে আমি ভবাৰ দৰে স্থায়ী ৰূপত বেয়া নহয়।"

—এই কথা কেইযাৰৰ আঁত ধৰি এইটো ক'ব পাৰি যে হোমেন বৰগোহাঞিয়ে তেওঁৰ উপন্যাসত প্ৰকৃতিবাদৰ চিত্ৰণ ঘটাইছে। তেওঁৰ উপন্যাস *তান্ত্ৰিক*, *সুবালা* আৰু *অস্তৰাগত* ইয়াৰ মনোজ্ঞ প্ৰকাশ ঘটিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ঃ হোমেন বৰগোহাঞিৰ উপন্যাসৰাজিত পৰিস্ফুট হোৱা কেইটামান বৈশিষ্ট্য উল্লেখ কৰক।

(২৫০টা শব্দৰ ভিতৰত)



চিন্তা-চৰ্চা কৰক - ১১.২

হোমেন বৰগোহাঞিৰ উপন্যাসকেইখনৰ অধ্যয়নৰ মাজেদি তেওঁৰ মানৱতাবাদী দৃষ্টিভঙ্গী বিচাৰ কৰক।



১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নে আমাক হোমেন বৰগোহাঞিৰ জীৱন আৰু কৃতিৰ লগত পৰিচিত কৰালে।
- এজন আপোচবিহীন ব্যক্তি আৰু লেখক হিচাপে হোমেন বৰগোহাঞিৰ স্থিতিৰ সম্পৰ্কে অৱগত হ'লোঁ।
- হোমেন বৰগোহাঞিৰ ৰচনাৰ যি বৈচিত্ৰ্য আৰু বৰ্ণাঢ্য ৰূপ তাক তেওঁৰ বিভিন্ন উপন্যাস কৃতিৰ বৈশিষ্ট্য উল্লেখনৰ মাজেদি ধাৰণা লাভ কৰিলোঁ।
- হোমেন বৰগোহাঞিৰ উপন্যাসৰ বৈশিষ্ট্যসমূহৰ বিষয়ে ধাৰণা লাভ কৰিলোঁ।



১১.৭ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ঠাকুৰ, নগেন (সম্পা.) (২০০০); *এশ বছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

২) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩) বৰগোহাঞি, হোমেন (১৯৯৮); *চাৰিটা দশকৰ ফচল ঃ উপন্যাস সমগ্ৰ;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

৪) শৰ্মা, গোবিন্দ প্ৰসাদ (১৯৯৫); *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

৫) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

ইংৰাজী গ্ৰন্থ ঃ

1) Dumont, Louis (1970): *Homo Hierarchicus*; UK: Oxford University Press.

2) Sharma, K. L. (Ed.) (2004): *Social Inequality in India*; New Delhi: Rawat Publications.



১১.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ হোমেন বৰগোহাঞিৰ জীৱনৰ লেখ... ...তেওঁৰ শিক্ষা-দীক্ষা... ...কৰ্মজীৱন ...উল্লেখযোগ্য কৃতিসমূহৰ লেখ।

২নং প্ৰশ্নৰ উত্তৰ ঃ বৰগোহাঞিৰ ব্যক্তিত্ব আৰু তেওঁৰ কৰ্মজীৱনত তেওঁ গ্ৰহণ কৰা আপোচহীন স্থিতিৰ আধাৰত এই উত্তৰটো প্ৰস্তুত কৰিব লাগিব... ...সেই আপোচনহীন স্থিতি তেওঁৰ ৰচনাসমূহলৈ কি দৰে প্ৰসাৰিত হৈছিল তাৰ লেখ আগবঢ়াব লাগিব।

৩নং প্ৰশ্নৰ উত্তৰ ঃ পাঠ্যৰ লগতে অন্যান্য প্ৰসঙ্গ পুথিৰ সহায় লৈ এই প্ৰশ্নটোৰ উত্তৰ লিখিব।



১১.৯ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ হোমেন বৰগোহাঞিৰ জীৱন আৰু কৃতিৰ আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ হোমেন বৰগোহাঞিয়ে তেওঁৰ উপন্যাস ৰচনাৰ বাবে সমাজৰ কোনবোৰ দিশ নিৰ্বাচিত কৰিছিল?

প্রশ্ন ৩ ঃ প্রান্ত্য সমাজ (Marginal Society)ৰ ধাৰণা আগবঢ়াই হোমেন বৰগোহাঞিৰ কোন কেইখন উপন্যাসত প্রান্ত্য সমাজৰ ছবি ফুটি উঠিছে— বিচাৰ কৰক।

প্রশ্ন ৪ ঃ হোমেন বৰগোহাঞিয়ে তেওঁৰ উপন্যাসত অপৰাধী চৰিত্র বা অপৰাধ জগতৰ চিত্র কি দৰে অঙ্কন কৰিছে আলোচনা কৰক।

প্রশ্ন ৫ ঃ হোমেন বৰগোহাঞিৰ উপন্যাসত সমাজ বাস্তৱতাৰ প্রকাশ কি দৰে ঘটিছে?

প্রশ্ন ৬ ঃ হোমেন বৰগোহাঞিৰ উপন্যাসৰ বৈশিষ্ট্যসমূহৰ বিষয়ে এটি আলোচনা যুগুত কৰক।

প্রশ্ন ৭ ঃ হোমেন বৰগোহাঞিৰ উপন্যাসসমূহৰ সাধাৰণ বৈশিষ্ট্যৰ বিষয়ে আলোচনা দাঙি ধৰক।

*** ***** ***

অধ্যায় ১২ ঃ হোমেন বৰগোহাঞিঃ *মৎস্যগন্ধা*-২

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ *মৎস্যগন্ধা*
১২.৩.১ উপন্যাসখনৰ সাধাৰণ আলোচনা
১২.৩.২ উপন্যাসখনৰ কাহিনীভাগ
১২.৩.৩ উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ
১২.৩.৪ উপন্যাসখনৰ বৈশিষ্ট্যসমূহ
১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৫ অধিক জানিবলৈ
১২.৬ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)
১২.৭ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- হোমেন বৰগোহাঞিৰ এক বিশিষ্ট উপন্যাস নিৰ্মিতি *মৎস্যগন্ধা*ৰ বিষয়বস্তু সম্পৰ্কে ধাৰণা লাভ কৰিব
- *মৎস্যগন্ধা* উপন্যাসখনৰ কাহিনী সম্পৰ্কে জানিব পাৰিব
- *মৎস্যগন্ধা* উপন্যাসৰ চৰিত্ৰসমূহ বিশ্লেষণ কৰিব পাৰিব
- প্ৰান্ত্য সমাজৰ প্ৰতিনিধিত্বমূলক চৰিত্ৰ মেনকাৰ মাজেদি প্ৰান্ত্য সমাজৰ অবদমিত ক্ষোভ, হতাশাৰ প্ৰকাশ কি দৰে ঘটিছে তাৰ আলোচনা কৰিব পাৰিব
- সামাজিক অসমতা, অন্যায়-অবিচাৰৰ বিষয়ে জানিব পাৰিব।

১২.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় ষাণ্মাসিকৰ অন্তৰ্গত দ্বিতীয় বুনিয়াদী পাঠ্যবিষয় 'অসমীয়া উপন্যাস'ৰ দ্বাদশ অধ্যায়। ইয়াৰ পূৰ্বৰ অধ্যায় 'হোমেন বৰগোহাঞিঃ *মৎস্যগন্ধা*-১'ত ঔপন্যাসিক হোমেন বৰগোহাঞিৰ জীৱন, কৃতি আৰু তেওঁৰ উপন্যাস কৃতিৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা হ'ল। দ্বাদশ অধ্যায় 'হোমেন বৰগোহাঞি ঃ *মৎস্যগন্ধা*-২'ত বৰগোহাঞিৰ এখন বহু আলোচিত উপন্যাস *মৎস্যগন্ধা*ৰ আলোচনা আগবঢ়োৱা হৈছে। আহকচোন, আমি এতিয়া অধ্যায়টোৰ মূল আলোচনা-ভাগলৈ আগবাঢ়োঁ।

১২.৩ মৎস্যগন্ধা

১২.৩.১ উপন্যাসখনৰ সাধাৰণ আলোচনা

সমাজজীৱনৰসকলো দিশৰ প্ৰতি অহৰহ দৃষ্টি ৰাখি সমাজৰ ভাল-বেয়া সকলো দিশ সাঙুৰি কলাত্মক বোলেৰে মনোগ্ৰাহী উপন্যাস কৃতিৰ সৃষ্টিত হোমেন বৰগোহাঞিৰ দৰে কৃতিত্বৰ পৰিচয় দিয়া অসমীয়া ঔপন্যাসিকৰ সংখ্যা তাকৰ। বিশেষকৈ সমাজখনৰ পৰা বিচ্ছিন্নপ্ৰায় হৈ থকা প্ৰান্ত্য জন সমুদায়ৰ সুখ-দুখ, হৰ্ষ-বিষাদ, আশা-হতাশাৰ ছবি যি হৃদয়গ্ৰাসী ভাষা আৰু সজীৱ ভাবেৰে বিবৃত হৈছে, সিয়ে কথাশিল্পী হোমেন বৰগোহাঞিৰ শক্তিশালী কাপৰ পৰিচয় প্ৰদান কৰে।

মৎস্যগন্ধা উপন্যাসৰ কেন্দ্ৰীয় চৰিত্ৰ মেনকা মাছমৰীয়া সম্প্ৰদায়ৰ মুখৰা নাৰী। ভাগ্যৰ পাকচক্ৰত মেনকাহঁতৰনদন-বদন ঘৰখন জহি-খহি নিঃশেষ হৈ গৈছিল। গিৰীয়েক পূৰ্ণ ঘোৰ কানীয়া হোৱাৰ লগতে সাংসাৰিক জ্ঞানশূন্য অকামিলা পুৰুষ আছিল। ল'ৰালিৰে পৰা মেনকাই দেখি আহিছিল কেনেকৈ সিহঁতৰ গাঁওখনৰ মানুহখিনিক ওচৰে-পাঁজৰে থকা 'উচ্চ জাত'ৰ মানুহে বাস কৰা গাঁও কেইখনলৈ গ'লে সিহঁতৰ গাঁৱৰ মানুহবোৰে কেনে অপমানসূচক ব্যৱহাৰ পায়। স্বয়ং তাই নিজেও তেনে হীন ব্যৱহাৰৰ দ্বাৰা আক্ৰান্ত। এটা অব্যক্ত ক্ষোভে তাইক অহৰহ পীড়িত কৰিছিল। প্ৰথমে ৰোগমুক্তিৰ তাড়ণাত কানি পান কৰি এসময়ত ৰাগিয়াল কানি তাইৰো নিত্য লগৰী হৈছিল। সেইবুলি তাই তাইৰ গিৰীয়েকৰ নিচিনা অকামিলা নাছিল। যেতিয়া কোনোবা তথাকথিত উচ্চ জাতৰ মানুহে তাইহঁতক উদ্দেশ্য কৰি 'ডোম'শব্দটো ব্যৱহাৰ কৰিছিল, তেতিয়াই তাইৰ মনত গুজৰি-গুমৰি থকা ক্ষোভ উদ্‌গীৰণ হৈছিল। তেতিয়া তাইৰ মুখেদি অগ্নি বৰ্ষণ হৈছিল।

তাইৰ গিৰীয়েকৰ অবিবেচনাপূৰ্ণ কাৰ্যৰ বাবে শহুৰেকৰ আৰ্থিক ক্ষতি হোৱাত শহুৰেকে তাইৰ গিৰীয়েকক বেলেগ কৰি দিলে।শহুৰেকে তেনেকৈ সিহঁতৰ পৰিয়ালটোক মূল ঘৰখনৰ পৰা বেলেগ কৰি দিয়াত মেনকাই তাইৰ জায়েক আপোন বায়েক বেউলাৰ প্ৰতি ক্ষোভিত হৈছিল। তাইৰ ধাৰণা হৈছিল যে বায়েকে ষড়যন্ত্ৰ কৰিহে তাই আৰু তাইৰ গিৰীয়েকক শহুৰেকৰ সম্পত্তিৰ ভাগ পোৱাৰ পৰা বঞ্চিত কৰিবলৈ চেষ্টা চলাইছিল। তেতিয়াৰ পৰা মেনকাৰ বাবে শহুৰেকৰ ঘৰখন চকুৰ কূটা দাঁতৰ শূল সদৃশ হৈছিল। পিছে এটা নাটকীয় পৰিস্থিতিয়ে মেনকাৰ মনলৈ অদ্ভুত পৰিৱৰ্তন আনিলে।

এদিন নিশা যেতিয়া মেনকাই তাইৰ একমাত্ৰ নন্দেক কমলাক আত্মহত্যা কৰিবলৈ আগবঢ়া প্ৰত্যক্ষ কৰিলে, তেতিয়া তাইৰ মনৰ মাজত বিচিত্ৰ ভাবনা কিছুমানে ঢৌ খেলি গ'ল। কমলাক ওচৰৰ আহোম গাঁৱৰমণিৰাম নামৰ যুৱকে ছলনা কৰি তাইৰ সতীত্ব হৰণ কৰিছিল। তিনি মাহৰ গৰ্ভ লৈ কমলাই নিজৰ লগতে নিজৰ পৰিয়ালক সেই অপযশৰ পৰা মুক্ত কৰিবলৈ আত্মহত্যাৰ পথ বাচি ল'বলৈ উদ্যত হৈছিল। সৰু

বৌৱেক মেনকাই কমলাৰ পৰা সকলো কথা শুনি তাইক আশ্বাস প্রদান কৰি পৰম দৃঢ়তা আৰু আত্মবিশ্বাসেৰে ক'লে যে মেনকাই তাইৰ সন্তানটি নষ্ট হ'বলৈকো নিদিয়ে আৰু মণিৰামকো কমলাৰ জীৱনসঙ্গী কৰাব। সময়ত মেনকাই নিজৰ প্রতিশ্রুতি ৰক্ষা কৰি কমলাক উচিত ন্যায় প্রদান কৰাৰ লগতে আহোম গাঁৱৰ মণিৰামক মেনকাহঁতৰ 'জাতলৈ তুলি' ৰক্ষণশীল সমাজখন আৰু মেনকাহঁতৰ নিচিনা বৃত্তিজীৱী মানুহখিনিক লেইলেই-চেইচেই কৰা তথাকথিত উচ্চবর্ণৰ মানুহখিনিক উচিত প্রত্যুত্তৰ দিছিল।

সমাজত বাস কৰা প্রত্যেকজন ব্যক্তিৰে আত্মসম্মানেৰে জীয়াই থকাৰ অধিকাৰ আছে। পিছে বাস্তৱ ক্ষেত্রত তেনেকুৱা হোৱা দেখিবলৈ পোৱা নাযায়। সমাজৰ একাংশই যিয়ে নিজকে ধনী, মানী আৰু উচ্চ বংশজাত জ্ঞান কৰে, তেওঁলোকে সামাজিক মান, প্রতিষ্ঠা আৰু বংশত তেওঁলোকতকৈ 'নীচ জাত'ৰ বুলি জ্ঞান কৰাসকলক সন্মানৰ দৃষ্টিৰে নাচায়। তেনে অহঙ্কাৰী লোকে সেইচাম 'নীচ জাত'ৰ লোকক সন্মানৰ দৃষ্টিৰে চোৱাতো দূৰৰ কথা, আনকি তেনে লোকৰ আত্মসন্মানত আঘাত লগাকৈ কটু বাক্য প্রয়োগ কৰিবলৈকে ইতঃস্তত বোধ নকৰে। সৰুতে এবাৰ মাক মেমেৰিৰ লগত আহোম গাঁৱৰ মানুহ এঘৰৰ চোতালত ধান মেলি থোৱাত সেই মেলি থোৱা ধানত কণমানি মেনকাৰ শৰীৰৰ ছাঁটো পৰিলত গিৰীহঁতনীয়ে মেনকাৰ গালত কাণতলীয়া চৰ এটা বহুৱাই তাইৰ মাকক কটু কথা শুনোৱাৰ লগতে বিদ্রূপৰ সুৰত কাৰোবাক কৈছিল— "অ' পোণাৰাম, পোণাৰাম, ডোমৰ জীয়েকে আজি এপাচি উখুৱা ধান নষ্ট কৰিলে; তোৰ গাড়ী-টনা গৰুৰ দানা ওলাল।"

মেমেৰিহঁততকৈ নিজকে উচ্চ জাতৰ বুলি ভবা সেই আহোম সম্প্রদায়ৰ গিৰীহঁতনী গৰাকীয়ে নাৰী হৈয়ো অন্য এগৰাকী কাতৰ,দুর্দশাগ্রস্ত নাৰী অর্থাৎ মেমেৰিৰ দুখ বুজিবলৈ চেষ্টা নকৰিলে। আনকি তেওঁৰ মনত শ্রীহীন কণমানি মেনকাৰ প্রতিও মনত দয়া আৰু সহানুভূতি ভাব জাগ্রত নহ'ল।তাৰ পৰিৱর্তে ৰক্ষণশীল সংস্কাৰৰ বশৱর্তী হৈ তেওঁ নির্দোষী ছোৱালীজনীক গুৰুশাস্তি দিছে আৰু শুকাবলৈ মেলি দিয়া গোটেইখিনি উখুৱা ধান গৰুৰ দানা কৰিবলৈ দিবলৈও সঙ্কোচবোধ কৰা নাই। জাতিভেদ প্রথাৰ এই ছবিখন অতি মর্মস্পর্শী আৰু অমানৱীয়। লগতে আধুনিক সমাজ জীৱনৰ পৰিপন্থী।

তীব্র অবদমন আৰু শোষণে সমাজৰ একশ্রেণী মানুহক চিৰদিনলৈ নিস্তেজ আৰু অকামিলা কৰি ৰাখিব নোৱাৰে। এটা সময়ত অবদমন আৰু শোষণৰ বিৰুদ্ধে প্রতিবাদী কণ্ঠস্বৰ শুনিবলৈ পোৱা যাবই। তাত কোনেও বাধা দিব নোৱাৰে। *মৎস্যগন্ধা* উপন্যাসখনতো আমি তেনে এটা পৰিৱর্তনকামী চিন্তাৰ বাস্তৱ ৰূপায়ণ প্রত্যক্ষ কৰিবলৈ পাওঁ। উপন্যাসৰ কেন্দ্রীয় চৰিত্র মেনকাই পৃথিৱীখনক বুজি পাবৰে পৰা, চিনি পাবৰে পৰা "ডোম!" শব্দটো শুনি এই শব্দটোৰ আঁৰত থকা কুটিল বাস্তৱিকতা উপলব্ধি কৰিব পাৰিছিল। তাইৰ জীৱনৰ জমা-খৰচৰ বহীত লাভতকৈ লোকচান অধিক। তথাপিতো তাই তাইক লোকচান ভৰোৱাত যিখন ঘৰৰ হাত সেইখন ঘৰৰ ছোৱালী

কমলাৰ হৃৎ আত্মসন্মান যাতে ঘূৰি আহে তাৰ বাবে পণ লৈছিল। ম'হঘূলি গাঁৱৰ আহোম সম্প্রদায়ৰ ল'ৰা মণিৰামক ঘৰ-জোঁৱাই কৰি ডোম গাঁৱৰ দিগম্বৰৰ ঘৰলৈ অনাটোৱেই মেনকাই তাইৰ নিজ সম্প্রদায়ৰ হৃৎ মান-সন্মান আৰু আত্মবিশ্বাস প্রতিষ্ঠাৰ সংগ্রামত লাভ কৰা সফলতাৰ জ্বলন্ত দৃষ্টান্ত। এই কাৰ্যই সমাজ পৰিৱৰ্তনত মেনকাৰ দৃঢ় স্থিতিৰ ইঙ্গিত দিছে। প্রচলিত পৰম্পৰাৰ বিৰুদ্ধে বিদ্রোহৰ আগজাননী দিছে।

১২.৩.২ উপন্যাসখনৰ কাহিনীভাগ

দক্ষিণ পাৰৰ দুগৰাকী ব্যক্তিয়ে গন্তব্য স্থান লাহন গাঁৱলৈ বুলি আগবাঢ়িছে। যাত্রা পথত তেওঁলোকে মাছ মাৰি জীৱন-নির্বাহ কৰা বৃত্তিজীৱীসকলৰ গাঁওখন পাৰ হ'বলগীয়া হৈছিল। তেওঁলোকে পো�ৰা মাছৰ গোন্ধ পোৱাৰ পিছতহে তেওঁলোকে কোন স্থানত উপস্থিত হৈছিল তাৰ আভাস পালে। তেওঁলোকৰ মাজৰ এজনে অত্যুৎসাহী হৈ ক'বলৈ আৰম্ভ কৰিলে যে তেওঁ এইটো প্রমাণ কৰি দেখুৱাব পাৰিব যে তেওঁলোকে সেই সময়ছোৱাত 'ডোম' গাঁৱৰ মাজত আছে। যি মাত্রকে তেওঁৰ মুখেদি 'ডোম' শব্দটো উচ্চাৰিত হ'ল, ঠিক সেই সময়তে অন্ধকাৰৰ মাজৰ পৰা ভগা কাঁহৰ শব্দৰ নিচিনা এটা বিকট চিৎকাৰে দুয়োজন মানুহকে এনেকৈ উচপ্ খুৱাই দিলে যে খন্তেকৰ কাৰণে দুয়োৰে উশাহ বন্ধ হৈ গ'ল। সেই মাতটোৰে চিঞৰি চিঞৰি ক'বলৈ ধৰিলে, "ঐ খেকাৰ-খোৱা, ঐ মুখত পোক লগা, ...কাক 'ডোম ডোম' বুলিছ? ফটা মেখেলাৰে কোবাই নাক-মুখ একাকাৰ কৰি দিম, বুঢ়ীমাৰক চিনি পোৱা নাই?" সেই 'বিষ মিহলি' বাক্যবাণ শুনি বাটৰুৱা দুজনে যিমান পাৰে সিমান সোনকালে সেই স্থান ত্যাগ কৰাই শ্রেয় বুলি বিবেচনা কৰিলে।

এইদৰে কাহিনীৰ আৰম্ভণিতে অশ্রাব্য গালি-গালাজেৰে কাহিনীৰ কেন্দ্রীয় চৰিত্র মেনকাৰপ্রৱেশ ঘটিছে।তাইৰ অশ্রাব্য কথাখিনিৰ পৰা এইটো ধাৰণা কৰিব পাৰি যে মেনকা এজনী মুখৰা,গুৰু-গোসাঁই নমনা, কঠোৰা অথচ দৃঢ়চেতা নাৰী। তাৰ পৰৱর্তী পৃষ্ঠাসমূহত মেনকাৰ চৰিত্রটো যি দৰে ফুটি উঠিছে তাৰ পৰা তাইৰ জীৱনৰ উত্থান-পতনৰ কাহিনী বোধগম্য হয়। প্রথম অৱস্থাত কর্মী পুৰুষ দুর্যোধন আৰু তেওঁৰ পত্নী মেমেৰি তেওঁলোকৰ দুটি পুত্র আৰু দুগৰাকী কন্যা সন্তানসহ সুখে-সন্তোষে গৰৈমাৰী গাঁৱত বাস কৰিছিল। তেওঁ পৰিশ্রমী আছিল গুণে মাছ ধৰাৰ লগতে চাপৰিৰ অটব্য হাবিত মাটি ভাঙি শস্যৰ খেতি কৰি স্বচ্ছল স্থিতি লাভ কৰিছিল। পিছে এবাৰ ***হাইজা*** মহামাৰীয়ে দেখা দিয়াত দুর্যোধনৰ নদন-বদন ঘৰখন ভাঙি ঠান-বান হ'ল। দুর্যোধন আৰু দুই পুত্র হাইজাত ঢুকাল। বিধৰা মেমেৰিয়ে বহু কষ্টেৰে দুই কন্যা বেউলা আৰু মেনকাক ডাঙৰ-দীঘল কৰিছিল। পেটৰ অসুখত ভোগা মেমেৰিয়ে গাঁৱৰে গগনৰ পৰা কানি অকণ খাই অসুখৰ পৰা পৰিত্রাণ পাইছিল। আগলৈ মেনকায়ো মাকৰ নিচিনাকৈ কানি খাই যদিও এটা সময়ত কানি পান কৰাটো মেনকাৰ নিচাত পৰিণত হৈছিল।



হাইজা ঃ কলেৰা।

নিজৰ ৰূপৰ গুণত উভয় বেউলা আৰু মেনকা কৈৰ্ত গাঁৱৰ আটাইতকৈ ধনী ব্যক্তি দিগম্বৰৰ দুই পুত্ৰ জয়হৰি আৰু পূৰ্ণৰ লগত হৈছিল। পিতাক দিগম্বৰৰ দৰে জয়হৰিও কৰ্মী আৰু ধীৰ-স্থিৰ স্বভাৱৰ আছিল। আনহাতে, পূৰ্ণ জয়হৰিৰ বিপৰীত স্বভাৱৰ আছিল। দিগম্বৰৰ এগৰাকী মাথোন কন্যা কমলা। কমলা ৰূপহী ছোৱালী হোৱাৰ লগতে বিদ্যা লাভৰ প্ৰতিও আগৰণুৱা আছিল। পিছে নিজৰ ৰূপ সম্পৰ্কে থকা গৰ্ববোধৰ বাবে কমলাই তাইৰ লগ-সমনীয়াবোৰৰ লগত সহজভাৱে মিলি যাব পৰা নাছিল।

এবাৰ কুঁহিয়াৰতলী ৰখীয়াৰ ভাৰ পূৰ্ণৰ ওপৰত পৰিছিল যদিও পূৰ্ণই সেই দায়িত্ব অৱহেলা কৰিলে। ফলত ভালুকে কুঁহিয়াৰ খাই তহিলং কৰিলে। এই দুৰ্ভাগ্যজনক ঘটনাৰ পিছত দূৰদৰ্শী পিতৃ দিগম্বৰে পূৰ্ণৰ মতি-গতি ভাললৈ আহে বুলি পূৰ্ণ আৰু মেনকাক বেলেগ কৰি থাকিবলৈ দিলে। মেনকাই চিন্তা কৰি পালে যে বায়েক বেউলাই তাইৰ প্ৰতি ঈৰ্ষাবশতঃ শহুৰেকক সেইদৰে সিহঁতহালক বেলেগ কৰি দিবলৈ বুদ্ধি দিছে। গিৰীয়েক পূৰ্ণৰ এলেহুৱা স্বভাৱ আৰু সংসাৰৰ প্ৰতি বিৰাগ ভাবৰ সলনি নহ'ল। মেনকাৰ ঘৰখন অভাৱ-অনাটনে ঘেৰি পেলালে। দিনে দিনে তাইৰ মন অধিক কঠুৱা হৈ পৰিল।

এবাৰ নিশা কানি খাবলৈ নাপায় অতিষ্ঠ হৈ পাইচাৰি কৰি থাকোঁতে সিহঁতক 'ডোম' উদ্দেশ্য কৰি কোৱা কথাষাৰ শুনাৰ পিছত তাইৰ ভিতৰত যেন আগ্নেয়গিৰিৰ উদ্গীৰণহে ঘটিল। সেই নিশাই অতি নাটকীয়ভাৱে তাইহঁতৰ ঘৰৰ ওচৰৰ গছ এজোপাত ছিপজৰী লৈ আত্মহত্যা কৰিবলৈ উদ্যত হোৱা নন্দেক কমলাক দেখা পাই সাংসাৰিক চিন্তাত অতিশয় অভিজ্ঞ মেনকাৰ বাবে বুজাত অসুবিধা নহ'ল কমলাইনো কিয় নিজৰ জীৱন ধ্বংস কৰিবলৈ উদ্যত হৈছিল। মেনকাই গম পালে যে কমলাৰ সেই অৱস্থাৰ বাবে দায়ী ম'হঘূলি গাঁৱৰ মণিৰাম, যি তেওঁলোকৰ জাতিৰ ল'ৰা নহয়। এনে স্থলত তিনি মাহৰ গৰ্ভৱতী কমলাই বৌৰেক মেনকাৰ পৰা গৰ্ভনাশৰ উপায় বিচৰাৰ বাদে আন গতি নাছিল। তাই তাকে কৰিব খুজিছিল যদিও মেনকা সন্মত নহ'ল। তেতিয়া মেনকাৰ মনত কিছুমান নতুন চিন্তাই বাহ লৈছিল। তাই কমলাক সাৱধানে থাকিবলৈ দি মণিৰামক লগ ধৰিবলৈ গ'ল। মেনকাই মণিৰামক লগ ধৰি পোনপটীয়াভাৱে কথা কেইষাৰ কৈ মণিৰামৰ গতি-প্ৰকৃতি লক্ষ্য কৰিবলৈ ধৰিলে— "মাৰ-পিতাৰ আৰু বাসুদেউ থানৰ নামত খোৱা শপত ৰক্ষা কৰি তুমি কেতিয়া তাইক নিজৰ কৰি চপাই লোৱা সেইটো কথাকে মই তোমাৰলগত পাতিব খোজোঁ। ভাবিছিলোঁ, প্ৰথমে তোমাৰ লগত কথাটো অকলে পাতি ল'ম। পিছে তুমি যেতিয়া নিজেই ইচ্ছা কৰিছা, তোমাৰ মাৰ-পিতাৰৰ সাক্ষাতত পাতিলে আৰু বেছি ভালহে হ'ব। আচলতে কথা পাতিব লগা বিশেষ একো নাই। কেৱল দিন-বাৰটো ঠিক কৰিব লাগে। কথাটো কিন্তু লৰালৰি কৰিব লাগে দেই। ক'লোঁৱেই নহয়, কমলাৰ গাত ইতিমধ্যেই তিনি মাহৰ লেঠা।"

এফালে জাত্যাভিমান আৰু আনফালে সামাজিক সংস্কাৰ— মণিৰামৰ মনত দ্বন্দ্বাত্মক স্থিতিয়ে গা কৰি উঠিছিল। কিন্তু মেনকাৰ কথাত ইমান সহজে সৈমান হোৱা

ব্যক্তিও মণিৰাম নাছিল। তেতিয়া মেনকাই মণিৰামক চৰম কথাযাৰ শুনালে। মেনকাৰ মাতৃ মেমেৰিয়ে জীৱনত যি কেইগৰাকী অবিবাহিতা যুৱতীৰ গোপনে স্পষ্টভাৱে গর্ভ নাশ কৰিছিল তাৰ ভিতৰত মণিৰামৰ মাকো এগৰাকী আছিল। এই কথাযাৰ শুনাৰ পিছত মণিৰামৰ মনত কেনে প্ৰতিক্ৰিয়া হৈছিল তাৰ বিশেষ লেখ ঔপন্যাসিকে দিয়া নাই যদিও উপন্যাসৰ ক্ষেত্ৰত মণিৰাম গগৈয়ে দিগম্বৰৰ ঘৰলৈ ঘৰ-জোঁৱাই হ'বলৈ আহিল।

অৱশ্যে ঔপন্যাসিকে মণিৰাম গগৈক কৈৱর্ত গাঁৱৰ দিগম্বৰৰ জীয়েক কমলাক বিয়া কৰাই দিগম্বৰৰ ঘৰ-জোঁৱাই পাতিয়েই কাহিনীটোৰ উপসংহাৰ ঘটোৱা নাই। তাৰ পৰিৱর্তে কাহিনীভাগ আৰু কিছুদূৰ আগবাঢ়ি গৈছে। মণিৰাম দিগম্বৰৰ ঘৰ-জোঁৱাই চপাৰ দিনাই কৈৱর্ত গাঁৱলৈ তেওঁলোকৰ গোসাঁইৰ আগমন ঘটিছিল। তাকে দেখি দুগৰাকী বাটৰুৱাই নিজৰ অনুসন্ধিৎসা প্ৰকাশ কৰাত অন্য এগৰাকী স্থানীয় ব্যক্তিয়ে তেওঁলোকৰ অনুসন্ধিৎসা উপশম কৰিবলৈ ক'লে যে ডোমৰ গোসাঁয়ে মণিৰামক 'ডোমৰ জাতত তুলি'বলৈকে কৈৱর্ত গাঁৱলৈ আহিছে। তাতে বাটৰুৱা কেইগৰাকীৰ এজনে তীব্ৰ অসন্তুষ্টিৰে ভাব ব্যক্ত কৰি কৈছিল— "আপুনি ভাল মানুহ হেৰি! কি ক'লে? জাতত তুলিব? হেৰি, জাতত তুলিব নে ডোমৰ জাতলৈ নমাব?"

মধু পাচনি নামৰ সেই ব্যক্তিজনে তেওঁৰ প্ৰশ্নটোৰ উত্তৰ লগে লগে পালে। মেনকাহঁতৰ ঘৰৰ চোতালৰ অন্ধকাৰখিনিত ৰৈ মেনকাই ৰাও ৰাওকৈ চিঞৰি ক'বলৈ ধৰিলে— "ঐ মুখত পোক-লগা, ঐ খোকাৰ-খোৱা, ঐ মেখেলা-তলীয়া, কাক 'ডোম, ডোম' কৰিছ? থিয়ৈ নাঙঠ কৰি মেখেলাৰে কোবাম, চিনি পোৱা নাই। জাতলৈ নমোৱা নাই, আজি তহঁতৰ এটাক জাতলৈ তুলিলোঁ। ভয় নকৰিবি, তহঁতৰো আৰু বেছি দিন নাই। এটা এটাকৈ তহঁত গোটেইবোৰকে জাতত নোতোলালৈকে মোৰ শান্তি নাই...।"

এইখিনিতে *মৎস্যগন্ধা* উপন্যাসৰ কাহিনী ভাগৰ পৰিসমাপ্তি ঘটিছে।

১২.৩.৩ উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ

কথাশিল্পী হিচাপে হোমেন বৰগোহাঞিয়ে যি কেইখন উপন্যাস সৃষ্টি পাঠক সমাজলৈ আগবঢ়াইছে তাৰ প্ৰত্যেকখনতে বঞ্চিত, অৱহেলিত আত্মাৰ হা-হুমুনিয়াহ আছে। গ্ৰাম্যাঞ্চল আৰু নগৰাঞ্চল— সকলো অঞ্চলতে বাস কৰা মানুহৰ কিছুমান ব্যক্তিগত অভাৱ-অভিযোগ আছে। সেই অভাৱ-অভিযোগবোৰৰ ভিতৰত কিছুমান মানসিক অভাৱ কেতিয়াও পূৰ নোহোৱাকৈ ৰৈ যায়। কিন্তু বাস্তৱৰ কঠোৰ স্থিতিৰ লগত নিজকে খাপ খুৱাই ল'বলৈ যাওঁতে মানুহৰ কিছুমান অপূৰ্ণ আশা-আকাংক্ষা অবদমিত হৈ ৰৈ যায়। *মৎস্যগন্ধা* উপন্যাসৰ কেতবোৰ চৰিত্ৰৰ ক্ষেত্ৰতো তেনে লক্ষণ ফুটি নুঠাকৈ থকা নাই।

মেনকা ঃ *মৎস্যগন্ধা* উপন্যাসৰ মুখ্য নাৰী চৰিত্ৰ হৈছে মেনকা। এক কথাত ক'বলৈ গ'লে মেনকা *মৎস্যগন্ধাৰ* কেন্দ্ৰীয় চৰিত্ৰ। তাই 'প্ৰান্ত্য সমাজ'খনৰ এনে এক

প্রতিনিধিত্বমূলক চৰিত্র যাক প্রতিকূল সময়েও বিধ্বস্ত কৰিব পৰা নাই। এখন ৰক্ষণশীল তথাকথিত উচ্চ সমাজৰ প্রান্তত অৱস্থান কৰা মেনকাহঁতৰ নিচিনাবোৰে অহৰহ সেই জাত্যাভিমান যুক্ত তথাকথিত সভ্য সমাজৰ লোকসকলৰ ব্যঙ্গ-বিদ্রূপৰ চিকাৰ হয়। সোণৰ চামুচ মুখত লৈ জন্ম লাভ নকৰিলেও এখন অভাৱশূন্য স্বচ্ছল ঘৰতে বেউলা আৰু ভনীয়েক মেনকাৰ জন্ম হৈছিল। বায়েক বেউলাৰ তুলনাত ভনীয়েক মেনকা অধিক প্রাণোচ্ছল আছিল। জীৱনৰ ৰূপ-ৰস পান কৰাৰ প্রতি তাইৰ তৃষ্ণা আছিল অপৰিসীম। কিন্তু হাইজাত দেউতাক আৰু ককায়েক দুটিৰ মৃত্যুৱে মেনকাহঁতৰ জীৱনলৈ অমানিশা নমাই আনিলে। অভাৱ-অনাতনৰ মাজেদি মেনকাহঁতৰ দিনবোৰ পাৰ হৈ গৈছিল যদিও তাই সপোন দেখিবলৈ পাহৰি যোৱা নাছিল। ল'ৰালিৰ সেই মেনকাজনী ঔপন্যাসিকৰ দৃষ্টিত এইদৰে ধৰা দিছে— "বহু যুগৰ আগতে তাই এজনী সৰু ছোৱালী আছিল। কোনোদিনে তাই পেটভৰাই খাবলৈ পোৱা নাছিল। কিন্তু সেই উপবাসী হৈ থাকিলেও তাইৰ হৃদয় পৰিপূর্ণ হৈ আছিল নিত্য-নতুন স্বপ্নেৰে। তৰা-ফুল বছা আকাশে, কুলু-কুলুকৈ বৈ থকা নৈয়ে, গছৰ পাতত সুহুৰি বজোৱা বতাহে আৰু বহু দূৰৰ পৰা উটি অহা গৰখীয়াৰ পেঁপাৰ মাতে তাইৰ হৃদয়ত প্রতিদিনে একোটা ন ন সপোনৰ জন্ম দিছিল। তাই জীৱনৰ পৰা কিবা বিচাৰিছিল। ঠিক কি বিচাৰিছিল সেই কথা স্পষ্টভাৱে তাই কোনোদিনে জনা নাছিল। কিন্তু কিবা এটা খুব সুন্দৰ-মধুৰ-মনোহৰ তাই বিচাৰিছিল, আৰু তাইৰ মনত নিশ্চিত বিশ্বাস হৈছিল যে কিবা এটা অলৌকিক উপায়েৰে হ'লেও তাই বিচৰা বস্তুটো নিশ্চয় পাবই পাব।... ...তাইৰ অশ্রুপূর্ণ দৃষ্টিৰ সন্মুখত কিছু সময়ৰ কাৰণে তৰাভৰা আকাশখন অদৃশ্য হৈ গ'ল; কিন্তু তাইৰ মনৰ মাজত জাগি উঠিল অন্য এখন আকাশ। তাইৰ শৈশৱৰ আকাশ— যিখন আকাশৰ তলত বহি তাই এদিন প্রার্থনা কৰিছিল— 'জোনবাই এ, তৰা এটি দিয়া'।"

ঔপন্যাসিকৰ কাপত ধৰা দিয়া মেনকাৰএই ৰূপপিছে উপন্যাসখনৰ কোনো পৃষ্ঠাতে পাবলৈ নাই। পৰিৱেশ-পৰিস্থিতিয়ে তাইৰ জীৱনটো কঠুৱা কৰি তুলিছিল। এজনী ৰূপহী গাভৰু হিচাপে তাইৰ যি আশা-আকাংক্ষা আছিল সেয়া তাইৰ অকর্মণ্য স্বামী পূর্ণই পূৰণ কৰিব পৰা নাছিল। পূর্ণই মেনকাৰ দৈহিক ৰূপত আকৃষ্ট হৈ তাইক নিজৰ কৰি ল'বলৈ চেষ্টা কৰিছিল। মাক মেমেৰিয়েও ধনীৰ ল'ৰা পূর্ণই সৰু জীয়েক মেনকাক সুখত ৰাখিব বুলিয়েই পূর্ণক আঁসৈ দিছিল। কিন্তু হিতে বিপৰীত হোৱাত মেনকা মানসিকভাৱে হতাশা হৈছিল।আনহাতে,বায়েক বেউলা আৰু কর্মঠ ভিনীহিয়েক জয়হৰিৰ সুখৰ সংসাৰ দেখি স্বাভাৱিকতে মেনকা ঈর্ষান্বিত হৈছিল। যেতিয়া শহুৰেক দিগম্বৰে তাইৰ গিৰীয়েকক বেলেগ কৰি দিয়ে তেতিয়া তাইৰ সেই ঈর্ষা ঘনীভূত হয়। তাই আগতকৈ অধিক আক্রোশী হৈ পৰে।

দৰাচলতে মেনকাই গোটেই সমাজখনৰ প্রতি আক্রোশ ভাব পোষণ কৰিছিল। নুবুজা দিনৰ পৰাই 'ডোম' বিশেষণটোৱে তাইৰ অন্তৰত শূলে বিন্ধাই দি বিন্ধিছিল।

তেনেতে নন্দেক কমলাক ভোগ কৰি গৰ্ভৱতী কৰি স্বজাতিৰ ধুনীয়া গাভৰু থুৰিমলাক বিয়া কৰাই দাম্পত্য জীৱনৰ মধুৰ স্বপ্নত বিভোৰ মণিৰাম গগৈক তাই অতি সহজতে এৰি নিদিলে। সিহঁতক নীচ বুলি ঘৃণা কৰা সেই আহোম গাঁৱত তাই সৰুতে পোৱা অপমান পাহৰি যোৱা নাছিল। গতিকে শত্ৰুক হাততে পাই এৰি দিয়া ভকত মেনকা মুঠেও নাছিল। তাই এই ক্ষেত্ৰত মণিৰামক সেও মনোৱাই নহয়, তাক কমলাক বিয়া কৰাই পত্নীৰ মর্যাদা দি দিগম্বৰৰ ঘৰত ঘৰ-জোঁৱাই চাপিবলৈ বাধ্য কৰাইছিল।

উপন্যাসখনৰ কাহিনীভাগ এফালৰ পৰা পঢ়ি গ'লে ধাৰণা হ'ব যে মেনকাই কুটিলভাৱে মণিৰামক জব্দ কৰিছিল। তাই একপ্ৰকাৰে মণিৰামক ষড়যন্ত্ৰমূলকভাৱে জব্দ কৰিছিল। তাইৰ মাক মেমেৰিৰ পৰা মাকে যি তিনি গৰাকী গাভৰুৰ গর্ভ নাশ কৰি গাভৰু কেইগৰাকীৰ লগতে তেওঁলোকৰ পিতৃ-মাতৃৰ সামাজিক মান-সন্মান ৰক্ষা কৰিছিল, সেই তিনিগৰাকী গাভৰুৰ ভিতৰত মণিৰামৰ মাকো আছিল। গতিকে পিতৃ-মাতৃৰ সন্মান ৰক্ষাৰ বাবেই হওক বা নিজৰ অবৈধ সম্পর্কৰ কথা সমাজত জনা-জনি হোৱাৰ ভয়তেই হওক মণিৰামে দিগম্বৰৰ ঘৰত ঘৰ-জোঁৱাই চাপিছিল বাধ্য হৈছিল।

ঔপন্যাসিক হোমেন বৰগোহাঞিয়ে তেওঁৰ উপন্যাসৰাজিৰ মাধ্যমেদি যি কেইটা অবিস্মৰণীয় নাৰী চৰিত্ৰ সৃষ্টি কৰিলে তাৰ ভিতৰত *মৎস্যগন্ধাৰ* মেনকাৰ নামো ল'ব লাগিব। প্ৰান্ত্য সমাজৰ এটা শক্তিশালী প্ৰতিনিধিত্বমূলক চৰিত্ৰ হিচাপেই নহয়, পুৰুষৰ চিৰকলীয়া শোষণৰ বিৰুদ্ধে প্ৰবল প্ৰত্যাহ্বান জনোৱা নাৰী কণ্ঠ ৰূপেও মেনকা বিশেষভাৱে উল্লেখযোগ্য। জীৱনত মিঠাতকৈ তিতাৰ সোৱাদ বেছিকৈ পোৱা মেনকাৰ মানসিকতাৰ গঢ়ো পৰিৱর্তিত পৰিস্থিতিয়ে নির্দ্ধাৰণ কৰিছিল। তাই নন্দেক কমলাৰ দুখত দুখী হৈ অথবা শহুৰেকৰ ঘৰখনৰ লগত পুনৰ মধুৰ সম্পর্ক এটা গঢ়ি তোলাৰ মানসেৰে কমলাক সহায় কৰিবলৈ আগবাঢ়ি যোৱা নাছিল। তাৰ সলনি মেনকাই অন্য এটা উদ্দেশ্যহে মনতে পুহি ৰাখিছিল। সেয়া হৈছে সমাজৰ তথাকথিত উচ্চ জাতৰ মানুহে তাই আৰু তাইৰ মাকক কৰা চৰমঅপমানৰ পোতক তোলা। যিখন গাঁৱৰ মানুহ এঘৰত বিনা অপৰাধত তাই কাণতলীয়া চৰ খাবলগীয়া হৈছিল আৰু তাইৰ অসহায় মাতৃৰ সন্মুখত তাইক 'ডোমৰ জীয়েক' বুলি উভয়ে তাইক আৰু তাইৰ মাকক তথাকথিত উচ্চ জাতৰ গৃহিণী গৰাকীয়ে অপমানিত কৰিছিল, সেই একেখন ম'হঘূলি গাঁৱৰে মণিৰাম গগৈয়ে তাইৰ নন্দেক কমলাৰ সতীত্ব হৰণ কৰি তাইক গর্ভৱতী কৰি নিজ জাতিৰ ছোৱালী বিয়া কৰাবলৈ প্ৰস্তুত হৈছিল, তেনে কামুক, স্বার্থপৰ আৰু শোষক মনোবৃত্তিৰ উচ্চ জাতৰ পুৰুষক উচিত শিক্ষা দি কমলাক সি কৰা অনিষ্টৰ বাবে যথাযোগ্য শাস্তি বিহাই যেন মেনকাৰ লক্ষ্য হৈছিল।

উপন্যাসখন পঢ়িলে পঢ়ুৱৈ শিক্ষার্থীয়ে বুজি পাব কেনেকৈ মেনকাই পৰম ধৈর্য আৰু উপস্থিত বুদ্ধি খটাই এখোপ দুখোপকৈ নিজৰ উদ্দেশ্য সিদ্ধিৰ পথত আগবাঢ়িছিল আৰু জাত্যাভিমানী মণিৰামক উচিত শিক্ষা দিছিল তাৰ আভাস পাব। প্ৰান্ত্য সমাজখনৰ

কথা দৃষ্টিত ৰাখি যদি বিচাৰ কৰা যায়, তেতিয়াহ'লে এইটো উপলব্ধি কৰিব পৰা যাব যে মেনকাৰ সেই কুটিল অথচ সুপৰিকল্পিত প্রতিশোধ পূৰণৰ ঘটনাই প্রতীকাত্মকভাৱে 'সময়' পৰিৱর্তনৰ আগজাননী দিছে।

সময়ৰ পৰিৱর্তনৰ লগে লগে মানুহৰ বিচাৰধাৰাৰো পৰিৱর্তন হয়। শোষিত, নিষ্পেষিত জনৰ ৰুদ্ধ কণ্ঠও বন্ধনমুক্ত হয় আৰু ন্যায্য প্রাপ্যৰ বাবে দাবী কৰিব পৰাকৈ আত্মবিশ্বাস গঢ়ি তোলে। সেই ফালৰ পৰা বিচাৰ কৰিলে *মৎস্যগন্ধা* উপন্যাসৰ শেষৰ কেন্দ্রীয় চৰিত্র মেনকাই কোৱা কথা কেইযাৰ অশ্লীল গালি হোৱা সত্ত্বেও তাৰ অন্তর্নিহিত অর্থ যথেষ্ট তাৎপর্যপূর্ণ। "...এটা এটাকৈ তহঁত গোটেইবোৰকে জাতত নোতোলালৈকে মোৰ শান্তি নাই...।"

ইয়াত শোষণ-নিষ্পেষণৰ পৰা মুক্তিৰ লগতে সমাজত এটা নতুন আদর্শ, সমাজৰ নৱ-নির্মাণৰ ইতিকথাও সোমাই আছে।সেইখন শোষণমুক্ত সাম্যবাদী সমাজ য'ত উচ্চ-নীচ, ধনী-নির্ধনীৰ মাজত ভেদভাব নাই। গতিকে উপন্যাসখনৰ শেষত আওপকীয়াকৈ আশাবাদৰ সুৰ আছে। সেই আশাবাদী সুৰ কেন্দ্রীয় নাৰী চৰিত্র মেনকাৰ মাজেদি প্রকাশ পাইছে।

কমলা ঃ *মৎস্যগন্ধা* উপন্যাসত কমলা এটা বিশেষ চৰিত্র। এফালৰ পৰা চাবলৈ গ'লে কমলা আৰু মণিৰামৰ সম্পর্কৰ অশুভ পৰিণতিৰ লক্ষণেই *মৎস্যগন্ধাৰ* মূল বিষয় যদিও তাক গতিশীলতা প্রদানত মেনকাৰ ভূমিকা অগ্রণী। 'হীন জাত'ত জন্ম লভা কমলাই নিজৰ মেধা আৰু ৰূপক লৈ গৌৰৱবোধ কৰিছিল। এই গৌৰৱবোধে তাইক কিছু অহঙ্কাৰী আৰু উচ্চাকাংক্ষী কৰি তুলিছিল। উচ্চাকাংক্ষী হোৱাতো ভাল লক্ষণ। পিছে সময়, পৰিৱেশ আৰু পৰিস্থিতিৰ জ্ঞান থকা অতি প্রয়োজন। নহ'লে উচ্চাকাংক্ষা পূৰণৰ পথত নানা প্রতিবন্ধকতা আহিব পাৰে। এই ক্ষেত্রত আটাইতকৈ প্রয়োজনীয় দিশ দুটা হৈছে প্রয়োজন বিশেষে সাৱধানতা অৱলম্বন আৰু দূৰদর্শী পদক্ষেপ গ্রহণৰ প্রতি ইচ্ছা। এই ক্ষেত্রত কমলাই দূৰদর্শিতাৰ পৰিচয় দিয়া নাছিল। তাই মণিৰামৰ কথাত ভোল গৈ নিজৰ বাস্তৱ স্থিতিৰ কথা পাহৰি এইটো কল্পনা কৰিছিল যে তাই মণিৰাম গগৈৰ গৃহিণী হৈ 'চাৰিপুৰা শালিতলী'ৰ গৰাকীনী হ'ব। কিন্তু তাই সেই মুহূর্তত এইটো কথা ভবা নাছিল যে যদি মণিৰামে তাইক গ্রহণ কৰিবলৈ অস্বীকাৰ কৰে তেতিয়া তাই কি পন্থা অৱলম্বন কৰিব।

অৱশ্যে মেনকাৰ মনত যি কুৰা তুঁহ জুই উমি উমি জ্বলি আছিল, সেই একে কুৰা জুই কমলাৰ অন্তৰতো জ্বলি আছিল। সেই জুই কুৰা আছিল অপমানৰ জুই। তথাকথিত উচ্চ জাতিৰ মানুহে সিহঁতক হেয়জ্ঞান কৰাটো কমলাহঁতেও উপলব্ধি কৰিছিল। তাৰ প্রতিকাৰ কৰিবলৈ সিহঁতবোৰ অপাৰগ আছিল। তেনে পৰিস্থিতিত যেতিয়া উচ্চ জাতিৰ ডেকা মণিৰাম গগৈয়ে কৈৱর্ত কুলৰ কমলাক পাবলৈ হাবিয়াস কৰিছিল, তেতিয়া কমলাৰ মনত এটা ক্ষীণ আশা জাগিছিল, হৃত সন্মান ঘূৰাই পোৱাৰ সুখ,তথাকথিত উচ্চ জাতিৰ

ডেকাৰ কাৰ্যই সমাজত তেনে তোলপাৰ সৃষ্টি কৰে সেই বিৰল দৃশ্য দৰ্শন— "কিন্তু সি যেতিয়া কাকূতি-মিনতি কৰি বাৰে বাৰে মোক বিয়াৰ কথা ক'বলৈ ধৰিলে, হঠাৎ মোৰ মনলৈ ভাব আহিল, এইবোৰ মানুহেইতো আমাক নীচ জাতি বুলি সদায় ঘিণাই আহিছে; এতিয়া সঁচাকৈয়ে যদি সি মোক বিয়া কৰে, তেন্তে সমাজত ভালকৈয়ে এখন হুৰা-দুৰা লাগিব। চাবলৈ বেচ মজা হ'ব। ইমান দিনে আমাক কৰি অহা অপমানৰ ভালকৈয়ে পোটক তোলা হ'ব।"

কিন্তু কমলাই ভুল কৰিলে। তাই মেনকাৰ নিচিনা সজাগ, সচেতন আৰু সাৱধান হোৱাহেঁতেন তাই আত্মহত্যাৰ পথ বাচি ল'বলৈ উদ্যত নহ'লহেঁতেন। অৱশ্যে এইটোৱো সত্য যে তাইক আলম কৰি লৈয়েই মেনকাই উচ্চ জাতিৰ প্ৰতি থকা নিজৰ ক্ষোভ উজৰাৰ লগতে নিজৰ প্ৰতিশোধ পূৰণ কৰিছিল। মেমেৰি, মণিৰামৰ মাক আদি নাৰী চৰিত্ৰসমূহ উপন্যাসৰ গৌণ চৰিত্ৰ। সেই চৰিত্ৰসমূহে উপন্যাসত নিজ নিজ ভূমিকা পালন কৰিছে যদিও মূল কাহিনীভাগত প্ৰভাৱ পেলাব পৰাকৈ তেওঁলোকৰ বিশেষ কোনো ভূমিকা নাই।

মণিৰাম ঃ পুৰুষ চৰিত্ৰ কেইটাৰ কথা ক'বলৈ গ'লে আমি মণিৰাম চৰিত্ৰৰ কথাই ক'ব লাগিব। যৌৱনৰ তাড়ণাত মণিৰামে জাকত জিলিকা গাভৰু কমলাক দেখি মোহিত হৈছিল। তাইক পাবলৈ সি আকাংক্ষা কৰিছিল। কিন্তু পাকৈত নাচনী কমলাৰ ৰূপ দেখি মুগ্ধ হ'লেও মণিৰামৰ মনত জাতিভেদ প্ৰথাৰ প্ৰাচীৰখন অলৰ-অচৰ হৈ আছিল। সি চিন্তা কৰিছিল— "তাই কিয় ডোমৰ ছোৱালী হৈ উপজিল? এতিয়া যে মই তাইলৈ মন মেলা আৰু ডিঙিত চিপজৰি লগোৱা একেটা কথা!"

তাৰ মনত শ্ৰেণী সচেতনতাৰ সেই ভাবনা আছিল যদিও যৌৱনৰ বলীয়া বানে তাক হিতাহিত জ্ঞানশূন্য কৰিছিল। সি তাৰ পিতৃ-মাতৃ আৰু ঈশ্বৰৰ নামত মিছা শপত খাই কমলাক সুযোগ বুজি ভোগ কৰি তাই তাইক অনিশ্চিত ভৱিষ্যতলৈ ঠেলি পঠিয়াবলৈ কুণ্ঠাবোধ কৰা নাছিল। ইয়াতে মণিৰামৰ শঠ চৰিত্ৰ ফুটি উঠে।

মণিৰামৰ নিচিনা চৰিত্ৰৰ ডেকাৰ বাবে উদ্দেশ্য সিদ্ধিৰ বাবে তেওঁলোকে যি কোনো মূল্য দিবলৈ সাজু। সেইবাবে 'শ্ৰেণী সচেতন' মণিৰামে মেনকাহঁতৰ নিচিনাবোৰক তুচ্ছ জ্ঞান কৰিলেও আগন্তুক বিপদৰ সম্ভাৱনাৰ কথা সি উপলব্ধি কৰিবলৈ বাধ্য হৈছিল। মেনকাই তাৰ সেই বদান্যতাত সন্তুষ্ট হোৱা কথাটো সি লক্ষ্য নকৰাকৈ থকা নাছিল। কিন্তু পিছত সি মেনকাৰ 'দুঃসাহস' দেখি মেনকাক উভতি ধৰিছিল। অৱশ্যে তাৰ তেনে আচৰণো মেনকাক অধিক শক্তিশালী ৰূপত তাৰ বিৰুদ্ধে থিয় হ'বলৈ সোণালী সুযোগ প্ৰদান কৰিলে। শেষত সি নিজৰ উচ্চ জাতৰ দম্ভ-অহঙ্কাৰ ত্যাগ কৰি কৈৱৰ্ত সম্প্ৰদায়ত দিগম্বৰৰ জীয়েক কমলাক বিয়া কৰাই দিগম্বৰৰ ঘৰ-জোঁৱাই চাপিবলৈ বাধ্য হৈছিল।

মণিৰামৰ বাহিৰে উপন্যাসখনত থকা অন্যান্য চৰিত্ৰৰ ভূমিকা তেনেই নগণ্য। দিগম্বৰ আৰু দুৰ্যোধন কৈৱৰ্ত সম্প্ৰদায়ৰ দুগৰাকী ঐশ্বৰ্য সম্পন্ন ব্যক্তি যদিও দুয়োগৰাকী নিজৰ

সীমাবদ্ধ পৰিসৰতে আবদ্ধ। তেওঁলোকে অন্যান্য পিতৃৰ নিচিনাকৈ নিজৰ সন্তানৰ ভৱিষ্যৎ উন্নতিৰ কথা চিন্তা কৰে। কিন্তু ৰক্ষণশীল সমাজখনে তেওঁলোকৰ নিচিনা নীচ জাতিৰ মানুহৰ সপোন দিঠকত পৰিণত হ'বলৈ নিদিয়ে। তৎসত্ত্বেও দিগম্বৰে নিজৰ ডাঙৰ ল'ৰা জয়হৰিক এগৰাকী ব্যক্তিত্বশীল, কর্মী, আত্মনির্ভৰশীল পুৰুষ হ'বলৈ উদ্‌গনি দিছিল। অৱশ্যে তেওঁ তেওঁৰ কনিষ্ঠ পুত্রপূর্ণক সেইৰূপে গঢ় দিব নোৱাৰিলে। আনহাতে, হাইজা মহামাৰীত দুর্যোধন আৰু তেওঁৰ দুয়োজন পুত্রৰ মৃত্যুৱে দুর্যোধনৰ বহুতো আশা-পৰিকল্পনা দিঠকত পৰিণত হ'বলৈ নিদিলে।

উপন্যাসৰ আৰম্ভণি আৰু শেষত চিত্রিত কৰা বাটৰুৱা চৰিত্র কেইটাই ৰক্ষণশীল সমাজখনক প্রতিনিধিত্ব কৰিছে। চৰিত্র কেইটাৰ কথা-বতৰা আৰু কার্যকলাপত কিছু পৰিমাণে ৰসৰ সঞ্চাৰ হৈছে যদিও তেওঁলোকৰ মানসিকতাৰ পৰম্পৰাগত ৰক্ষণশীল সমাজৰ ভাব-চিন্তা স্পষ্ট।

১২.৩.৪ উপন্যাসখনৰ বৈশিষ্ট্যসমূহ

- প্রান্ত্য সমাজ (Marginal Society)ৰ চিত্রণ হোমেন বৰগোহাঞিৰ উপন্যাস *মৎস্যগন্ধাৰ* অন্যতম বৈশিষ্ট্য। উজনি অসমৰ কোনো এটা বিশেষ অঞ্চলৰ নৈপৰীয়া কৈৱর্ত গাঁও এখনেই *মৎস্যগন্ধা* উপন্যাসৰ পটভূমি। সেইখন এখন অৱহেলিত সমাজ, কাৰণ সেই গাঁৱখনৰ আশে-পাশে থকা অন্যান্য গাঁৱৰ ৰাইজে সেই গাঁওখনেদি গন্তব্য স্থানলৈ যাবলগীয়া হ'লেও অস্বস্তি অনুভৱ কৰে। কেনেবাকৈ সেই গাঁওখনৰ প্রান্ত পাৰ হৈ যাব পাৰিলেই যেন তেওঁলোকৰ শান্তি। অৱহেলিত মানুহখিনিয়ে বুকুত অহৰহ এটা বোজা কঢ়িয়াই ফুৰে— দুখ-লাঞ্ছনাৰ বোজা। তেওঁলোকৰ নীচ সামাজিক অৱস্থানে তেওঁলোকৰ শিক্ষাকে আদি কৰি অন্যান্য মৌলিক অধিকাৰৰ পৰাও প্রায় বঞ্চিত কৰা দৰেই। তৎসত্ত্বেও তেওঁলোকে নীৰৱে অপমানৰ বিষ পান কৰি জীয়াই থাকে। পিছে কেতিয়াবা সেই নীৰৱতাৰ মাজতো জ্বলন্ত অগ্নিকুণ্ড সদৃশ কণ্ঠ একোটা নিনাদিত হয়। সেই কণ্ঠত শত শত বর্ষ ধৰি অৱৰুদ্ধ হৈ থকা ক্ষোভ-বেদনাই স্থিতি লভে আৰু প্রচণ্ড আগ্নেয়গিৰিৰ দৰে উদ্‌গীৰণ ঘটি সমাজ জীৱনত তোলপাৰ লগাই দিয়ে। মেনকা নামৰ প্রান্ত্য সমাজৰ এটা বিশেষ চৰিত্রৰ মাজেদি সেই প্রচণ্ড জ্বালামুখীৰ উদ্‌গীৰণ ঘটিছে।
- মানৱ চৰিত্রৰ বিচিত্র ৰূপ প্রদর্শনত হোমেন বৰগোহাঞি সিদ্ধহস্ত। *মৎস্যগন্ধাও* ইয়াৰ ব্যতিক্রম নহয়। ইতিমধ্যে আমি ইয়াৰ উপশাখা এটাত আলোচনা কৰোঁতে পাই আহিছোঁ যে তেওঁৰ উপন্যাসত ভাল চৰিত্র আৰু বেয়া চৰিত্র বুলি চৰিত্রসমূহ শ্রেণীবিভাগ কৰাতকৈ চৰিত্রৰ মনোজগতত ক্রিয়াশীল ভাব-অনুভূতিসমূহৰ কলাত্মক চিত্রণহে গুৰুত্বপূর্ণ কথা। এই উপন্যাসখনত মেনকা চৰিত্রটো আদর্শ নাৰীৰ চৰিত্র নহয়। মেনকা এজনী মুখৰা, ঈর্ষাকাতৰ নাৰী, যি নিজৰ স্বার্থ সিদ্ধিৰ

প্রতি সচেতন। অভাৱে মেনকাৰ স্বভাৱ নষ্ট কৰিছে যদিও তাত অন্যান্য আনুষঙ্গিক উপাদানো সংযুক্ত হৈছে। পিছে এইটোৱো সত্য যে মূল কাহিনীভাগ পৰিণতিৰ পিনে আগবাঢ়ি যোৱাত মেনকাৰ যি ভূমিকা সেয়া মন কৰিবলগীয়া। অনুভৱী পঢ়ুৱৈৰ মনত মুখৰা মেনকাৰ প্রতি ঘৃণাৰ সলনি সহানুভূতিৰহে উদ্রেক হ'ব।

- সমাজ জীৱনৰ টুকুৰা চিত্র কিছুমানৰ মনোজ্ঞ চিত্রণ এই উপন্যাসখনত দেখিবলৈ পোৱা যায়। উজনি অসমৰ গাঁওসমূহ তাত বাস কৰা বিভিন্ন শ্রেণীৰ মানুহ, তেওঁলোকৰ জীৱন-ধাৰণ পদ্ধতি আৰু ভাব-অনুভূতিৰ বর্ণাঢ্য ৰূপায়ণত ঔপন্যাসিকৰ পৈণত হাতৰ স্পর্শ পোৱা যায়। সমাজ জীৱন কিছুমান নির্দিষ্ট নিয়ম-শৃঙ্খলাৰ মাজেদি চলে। তাৰ ব্যতিক্রম হ'লে সমাজত উচ্ছৃঙ্খল অৱস্থাৰ সৃষ্টি হয়। সমাজ জীৱনত ভাল-বেয়া সকলো দিশ থকা দেখিবলৈ পোৱা যায়। কিছুমান কু-সংস্কাৰপূর্ণ সামাজিক আচাৰ-আচৰণে কেতিয়াবা কিছুমান মানুহক অশেষ কষ্ট ভোগ কৰায়। কেতিয়াবা তাৰ সুদূৰ প্রসাৰী ফল গোটেই সমাজখনলৈকে বিয়পি যায়। *মৎস্যগন্ধা* উপন্যাসখনতো তেনে কিছুমান প্রসঙ্গই মূৰ দাঙি উঠিছে।
- নাৰী মনৰ বিচিত্রতা প্রকাশত হোমেন বৰগোহাঞিয়ে যি কুশলতাৰ পৰিচয় দিছে তাৰ ৰেঙণি *মৎস্যগন্ধা* উপন্যাসৰ মাজতো বিদ্যমান। ইয়াত চিত্রিত কৰা সমাজখন গ্রামীণ সমাজ— তাকো এনে এখন সমাজ য'ত উচ্চ বর্গৰ সমাজে অস্পৃশ্য বুলি গণ্য কৰা কৈৱর্ত সম্প্রদায়ৰ লোকসকলে বাস কৰে। তেনে এখন সমাজৰে তিনিটা প্রতিনিধিত্বমূলক নাৰী চৰিত্র হৈছে ক্রমে মেমেৰি, কমলা আৰু মেনকা। ভাগ্য চক্রৰ পৰিৱর্তনে মেমেৰিক জীৱন সম্পর্কীয় বহুতো পাঠ পঢ়ালে। সেইবাবে গিৰীয়েক দুর্যোধনৰ লগতে দুটি পুত্রৰ মৃত্যু আৰু ঘৰখনৰ ঐশ্বর্যৰ বিলুপ্তিয়ে মেমেৰিক দিশহাৰা কৰিছিল যদিও তাই জীৱন যুঁজৰ পৰা অৱসৰ লোৱা নাছিল। নানা প্রতিকূলতাৰ মাজতো দুই কন্যা বেউলা আৰু মেনকাৰ ভৱিষ্যতৰ কথা চিন্তা কৰি মেমেৰিয়ে সমাজৰ গঞ্জনা মূৰ পাতি লৈ জীৱন পথত আগবাঢ়িছিল। তথাপিতো মেমেৰিয়ে নিজ কন্যা মেনকাক এইটো শিকনি নিদিয়াকৈ থকা নাছিল যে সিহঁতবোৰৰ নিচিনা 'নীচ জাতি'ৰ মানুহে সমাজখনত চলিবলৈ হ'লে অপমান, তিৰস্কাৰ সহ্য কৰি আগবাঢ়ি যাব লাগিব।
- প্রান্ত্য সমাজৰ প্রতিনিধি হোৱা সত্ত্বেও কমলা এখন সমৃদ্ধ-সম্পন্ন ঘৰৰ জীয়ৰী। তদুপৰি তাই শিক্ষাৰ পোহৰ পাইছিল। কমলা নিজৰ সামাজিক স্থিতি সম্পর্কে সজাগ আছিল যদিও নিজৰ ৰূপ-যৌৱনৰ বিপুলতাৰ বাবেই হওক বা স্বভাৱজাত অহঙ্কাৰবোধৰ বাবেই হওক, তাই নিজ জাতিৰ ডেকাবোৰৰ প্রতি স্বভাৱজাত বিৰাগ ভাব পোষণ কৰিছিল। দেউতাক দিগম্বৰৰ সামাজিক প্রতিষ্ঠা আৰু ঐশ্বর্যশালীতা আৰু লগতে ৰূপহী বুলি থকা তাইৰ অহঙ্কাৰে তাইক অবিবেচক কৰি তুলিছিল। সেইবাবে তাই মণিৰাম গগৈৰ নিচিনা সুযোগ সন্ধানী স্বার্থপৰ উচ্চ বংশৰ পুৰুষৰ

কামনাৰ বলি হৈছিল। নিজৰ মান ৰক্ষা কৰিবলৈ সিহঁতৰ ঘৰখন 'শত্রু' ৰূপে পৰিচিত সৰু বৌৰেক মেনকাৰ শৰণাপন্ন হ'বলৈ বাধ্য হৈছিল।

- *মৎস্যগন্ধা* উপন্যাসত মেনকা এটা শক্তিশালী জটিল নাৰী চৰিত্ৰ হিচাপে স্থিতি লাভ কৰিছে। মাক মেমেৰিৰ দৰে মেনকাই ভাগ্য চক্ৰৰ সেই পৰিৱৰ্তন বঢ়িয়াকৈ উপলব্ধি কৰিছিল। তাই নিজেও সেই পৰিৱৰ্তনৰ দ্বাৰা আক্ৰান্ত হৈছিল। অন্য বহুতো সাধাৰণ ছোৱালীৰ দৰে মেনকায়ো এটা সুখী, পৰিপূৰ্ণ সাংসাৰিক জীৱনৰ কামনা কৰিছিল। গিৰীয়েক পূৰ্ণ অহৰহ কানি পান আৰু আলস্য ভাবৰ দ্বাৰা আক্ৰান্ত হৈছিল। ফলত ঘৰখনৰ আৰ্থিক স্থিতি ক্ৰমশঃ পৰি আহিবলৈ ধৰিলে। তদুপৰি গিৰীয়েকৰ অকৰ্মণ্যতাৰ বাবে তেওঁলোক শহুৰেকৰ আশ্ৰয়ৰ পৰাও বঞ্চিত হৈছিল। অৱশ্যে মেনকাই সিহঁতৰ সেই ভাগ্য বিপৰ্যয়ৰ বাবে বায়েক (জাঁয়েক) বেউলাকে দোষী বুলি ভাবিবলৈ লৈছিল। তেনে স্থলত নন্দেক কমলা তাইৰ ওচৰলৈ সহায় বিচাৰি অহাতো বিসদৃশ কথা যেন লাগে।

  উচ্চ জাতৰ মণিৰামৰ পাপৰ বীজ গৰ্ভত ধাৰণ কৰি কমলাই লোকলজ্জাৰ পৰা পৰিত্ৰাণ পোৱাৰ আশাত সৰু বৌৰেক মেনকাৰ শৰণাপন্ন হৈছিল। তেতিয়া মেনকাই এটা অগতানুগতিক স্থিতি গ্ৰহণ কৰিলে। তাই কমলাৰ গৰ্ভ নষ্ট কৰাৰ দিহা নিদি কেনেকৈ গৰ্ভ ৰক্ষা কৰি মণিৰামক সেই সন্তানৰ পিতৃ ৰূপে প্ৰতিষ্ঠা কৰিব পাৰে তাৰে চিন্তা কৰিছিল। এই ক্ষেত্ৰত স্বয়ং মণিৰামেও প্ৰতিৰোধ সৃষ্টি কৰিব নোৱাৰিলে। মেনকৰ 'অব্যৰ্থ পৰিকল্পনা'ৰ ফলস্বৰূপে মণিৰামে নিজৰ জাতিৰ মান, পৰিয়ালৰ মান-মৰ্যাদা সকলো বিসৰ্জন দি দিগম্বৰৰ ঘৰলৈ ঘৰ-জোঁৱাই হ'বলৈ আহিছিল। মেনকাৰ দৃষ্টিত 'ডোমৰ মান' ৰক্ষা কৰিবলৈ তাই গ্ৰহণ কৰা সেই অবিস্মৰণীয় পদক্ষেপে তাইৰ অপমানিত আত্মাক সকাহ প্ৰদান কৰাৰ লগতে ৰক্ষণশীল সমাজখনকো প্ৰত্যাহ্বান জনাবলৈ সমৰ্থ হ'ল। সেইবাবে *মৎস্যগন্ধা*ৰ প্ৰেক্ষাপটত বিচাৰ কৰিলে মেনকাক নতুন প্ৰগতিবাদী চিন্তাৰ অগ্ৰদূত ৰূপে বিবেচনা কৰিব পাৰি। উপন্যাসখনত মেনকা চৰিত্ৰটিৰ গুৰুত্ব এইখিনিতেই। পৰম্পৰাগত ধ্যান-ধাৰণাৰ অৱসান ঘটাই নতুন চিন্তাৰে সমাজক উদ্ভাসিত ৰূপত মেনকাৰ গুৰুত্ব অনস্বীকাৰ্য।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ প্ৰান্ত্য সমাজৰ প্ৰতিনিধি ৰূপে মেনকা চৰিত্ৰটো বিশ্লেষণ কৰক। (২৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন নং ২ঃ *মৎস্যগন্ধা* উপন্যাসত আশাবাদৰ সুৰ আছেনে? (১৫০টা শব্দৰ ভিতৰত)



১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অসমীয়া সাহিত্যৰ এগৰাকী প্ৰথিতযশা সাহিত্যিক হোমেন বৰগোহাঞিৰ জীৱন আৰু কৃতিৰ বিষয়ে এটি স্পষ্ট ধাৰণা লাভ কৰিলোঁ।
- হোমেন বৰগোহাঞিৰ উপন্যাস ৰচনাত চৰিত্ৰসমূহে স্থিতি লাভ কৰা বাহ্যিক পৰিমণ্ডলৰ লগতে সিবিলাকৰ মানসিক পৰিমণ্ডলেও সমানে গুৰুত্ব লাভ কৰে।
- প্ৰান্ত্য সমাজ (Marginal Society)খনৰ সফল চিত্ৰণত বৰগোহাঞি সিদ্ধহস্ত। *মৎস্যগন্ধা*ও তেনে এখন সমাজক ভিত্তি কৰি সৃষ্টি হোৱা উপন্যাস।
- *মৎস্যগন্ধা* উপন্যাসৰ কাহিনী আৰু চৰিত্ৰৰ মাজেদি ঔপন্যাসিক হোমেন বৰগোহাঞিৰ বিষয়বস্তু নিৰ্বাচন আৰু চৰিত্ৰ সৃষ্টিৰ অপূৰ্ব কলাশৈলী প্ৰকাশ পাইছে।
- চৰিত্ৰৰ মনোজগতৰ গভীৰতালৈ গৈ সেই চৰিত্ৰক নিতোলভাৱে ফুটাই তোলাত হোমেন বৰগোহাঞিৰ যি কৃতিত্ব, সেয়া *মৎস্যগন্ধা*ৰ চৰিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰতো সমানে পৰিলক্ষিত হয়।
- সমাজ জীৱনৰ মনোজ্ঞ চিত্ৰণ বৰগোহাঞিৰ অন্য এক কৃতিত্ব হিচাপে এইখন উপন্যাসতো ফুটি উঠিছে।



১২.৫ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ঠাকুৰ, নগেন (সম্পা.) (২০০০); *এশ বছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

২) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩) বৰগোহাঞি, হোমেন (১৯৯৮); *চাৰিটা দশকৰ ফচল ঃ উপন্যাস সমগ্ৰ;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

৪) শৰ্মা, গোবিন্দ প্ৰসাদ (১৯৯৫); *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

৫) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

ইংৰাজী গ্ৰন্থ ঃ

1) Dumont, Louis (1970): *Homo Hierarchicus*; UK: Oxford University Press.

2) Sharma, K. L. (Ed.) (2004): *Social Inequality in India*; New Delhi: Rawat Publications.

১২.৬ অগ্রগতিৰ খতিয়ান (কৰল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ প্রান্ত্য সমাজৰ সংজ্ঞাৰ আধাৰত সেইখন সমাজৰ প্রতিনিধিত্বমূলক চৰিত্র হিচাপে মেনকা চৰিত্রটো বিশ্লেষণ কৰিব।

২নং প্রশ্নৰ উত্তৰ ঃ মণিৰামহঁতৰ নিচিনা উচ্চ জাতিৰ মানুহে যুগ যুগ ধৰি কমলাহঁতৰ নিচিনা 'নীচ জাতি'ৰ মানুহক শোষণ আৰু বঞ্চিত কৰি আহিছে। তাৰ প্রতিকাৰ কল্পে মেনকাই যি পদক্ষেপ গ্রহণ কৰিছিল, তাৰ আধাৰত এই প্রশ্নটোৰ উত্তৰ লিখিব লাগিব।

১২.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ অসমীয়া সাহিত্যত হোমেন বৰগোহাঞিৰ স্থান নির্ণয় কৰক।

প্রশ্ন ২ ঃ হোমেন বৰগোহাঞিৰ উপন্যাসসমূহত ফুটি উঠা বৈশিষ্ট্যসমূহ আলোচনা কৰক।

প্রশ্ন ৩ ঃ *মৎস্যগন্ধা* উপন্যাসৰ কাহিনীভাগ নিজৰ ভাষাত লিখক। ইয়াৰ বিষয়বস্তুৰ মাজেদি ঔপন্যাসিকে কিবা সামাজিক সমস্যাৰ প্রতি পঢ়ুৱৈৰ দৃষ্টি আকর্ষণ কৰিব বিচাৰিছে নেকি?

প্রশ্ন ৪ ঃ *মৎস্যগন্ধা*ৰ কেন্দ্রীয় চৰিত্রটোৰ বিশ্লেষণ আগবঢ়াওক।

প্রশ্ন ৫ ঃ *মৎস্যগন্ধা*ৰ নাৰী চৰিত্র কেইটাৰ বিষয়ে চমুকৈ লিখক। সিবিলাকৰ মনৰ বতৰা দিবলৈ যত্ন কৰক।

প্রশ্ন ৬ ঃ *মৎস্যগন্ধা*ৰ পুৰুষ চৰিত্র কেইটাৰ বিষয়ে আলোচনা আগবঢ়াওক।

প্রশ্ন ৭ ঃ *মৎস্যগন্ধা* উপন্যাসৰ বৈশিষ্ট্যবোৰ আলোচনা কৰক।

প্রশ্ন ৮ ঃ অসমীয়া উপন্যাস সাহিত্যত *মৎস্যগন্ধা*ৰ স্থান কি?

প্রশ্ন ৯ ঃ *মৎস্যগন্ধা* উপন্যাসৰ ভাষাশৈলীৰ বিষয়ে চমুকৈ লিখক।

*** ***** ***

অধ্যায় ১৩ঃ মামণি ৰয়ছম গোস্বামী ঃ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা-১*

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ মামণি ৰয়ছম গোস্বামী ঃ জীৱন আৰু কৃতি
১৩.৪ মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ
১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৬ অধিক জানিবলৈ
১৩.৭ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)
১৩.৮ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- আধুনিক অসমীয়া সাহিত্যৰ এগৰাকী বিশিষ্ট ঔপন্যাসিক মামণি ৰয়ছম গোস্বামীৰ জীৱন আৰু কৃতিৰ লগত পৰিচিত হ'ব
- অসমীয়া সমাজ আৰু সাহিত্যলৈ মামণি ৰয়ছম গোস্বামীয়ে আগবঢ়োৱা অৱদানসমূহ উল্লেখ কৰিব পাৰিব
- তেওঁৰ উপন্যাস কৃতিৰ মাজেৰে ফুটি উঠা বৈশিষ্ট্যসমূহ পর্যালোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

স্নাতোকোত্তৰ অসমীয়া তৃতীয় ষান্মাসিকৰ দ্বিতীয় বুনিয়াদী পাঠ্যবিষয়ৰ অন্তর্গত এইটো ত্রয়োদশ অধ্যায়। ইয়াৰ শিৰোনাম 'মামণি ৰয়ছম গোস্বামী ঃ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা-*১।' ইয়াত অসমীয়া কথা সাহিত্যৰ এক বিশেষ প্রতিভা আৰু আন্তঃৰাষ্ট্রীয় স্বীকৃতি লাভ কৰা বৰেণ্য কথাশিল্পী মামণি ৰয়ছম গোস্বামীৰ উল্লেখযোগ্য উপন্যাস কৃতি ৰূপে চিহ্নিত হোৱা ওপৰোক্ত উপন্যাসখনৰ আলোচনা কৰিবলৈ লোৱা হৈছে। এইখিনিতে শিক্ষার্থীক এইটো কথা জনাই থওঁ যে ইয়াৰ পূর্বৰ অধ্যায়সমূহত আলোচিত হোৱা উপন্যাসকেইখনৰ নিচিনাকৈ এইখন উপন্যাসৰ বিষয়বস্তুক দুটা ভাগত ভাগ কৰি ক্রমে ত্রয়োদশ আৰু চতুর্দশ অধ্যায়ত আলোচনা কৰা হৈছে। আলোচনা কৰিবলৈ লোৱা উপন্যাসখন এখন সামাজিক উপন্যাস। পিছে উপন্যাসখনৰ পটভূমি আৰু বিষয়বস্তুত এটা বিশেষ অঞ্চলৰ প্রধান্য মন কৰিবলগীয়া। সেইদৰে উপন্যাসখনৰ অন্যান্য আনুসঙ্গিক বিষয়তো আঞ্চলিক বৈশিষ্ট্য বিৰাজমান। এই অর্থত এই উপন্যাসখনক আঞ্চলিক উপন্যাস হিচাপেও আলোচনা কৰিব পাৰিব। আহকচোন ! আমি এতিয়া এই বিশেষ উপন্যাসখনৰ

আলোচনা ভাগলৈ আগবাঢ়োঁ।

১৩.৩ মামণি ৰয়ছম গোস্বামী ঃ জীৱন আৰু কৃতি

অসমীয়া সাহিত্যৰ জগতত মামণি ৰয়ছম গোস্বামী এটা পৰিচিত নাম। এই গৰাকী সাহিত্যিকৰ পিতৃদত্ত নাম ইন্দিৰা গোস্বামী। তেওঁলোকৰ পূৰ্বপুৰুষ আমৰঙা সত্ৰৰ সত্ৰাধিকাৰ আছিল। তেওঁৰ পিতৃৰ নাম উমাকান্ত গোস্বামী আৰু মাতৃৰ নাম অম্বিকা দেৱী। তেওঁৰ পিতৃ অতি মেধাৱী ছাত্ৰী আছিল। তেওঁ পোনতে চিলেটৰ মুৰাৰী চান্দ কলেজত অৰ্থনীতিৰ অধ্যাপক ৰূপে কাম কৰিছিল। পৰৱৰ্তী সময়ছোৱাত ১৯৩২ চনৰ পৰা তেওঁ অসমৰ ঐতিহ্যমণ্ডিত কটন কলেজত অৰ্থনীতিৰ অধ্যাপক ৰূপে নিয়োজিত হয়। ১৯৫০ চনত তেওঁ অবিভক্ত অসমৰ শিক্ষাধিকাৰ নিযুক্ত হয়। উমাকান্ত গোস্বামীৰ দ্বিতীয় পত্নী অম্বিকা দেৱীৰ গৰ্ভত ইন্দিৰা গোস্বামীৰ জন্ম হয়।



জানি থোৱা ভাল

উমাকান্ত গোস্বামীৰ প্ৰথমা পত্নীৰ নাম প্ৰতিভা দেৱী। তেওঁ শৰৎ চন্দ্ৰ গোস্বামীৰ কন্যা। মামণি ৰয়ছম গোস্বামীৰ মাতৃ দুৰ্গানাথ ফুকনৰ কন্যা।

১৯৪২ চনৰ ১৪ নৱেম্বৰ তাৰিখে তেওঁৰ জন্ম হৈছিল। জৱাহৰলাল নেহেৰুৰ জন্ম দিনটো তেওঁৰো জন্ম দিন হোৱাত পিতৃয়ে তেওঁৰ নাম থয় ইন্দিৰা। মাতৃয়ে তেওঁৰ নাম থয় মামণি। তেওঁৰ কেইবাগৰাকী ভাতৃ-ভগ্নীৰ ভিতৰত ভগ্নী সবিতা গোস্বামীৰ লগত তেওঁৰ বেছি অন্তৰঙ্গতা আছিল। তেওঁৰ প্ৰাথমিক শিক্ষা গুৱাহাটীৰ লতাশিল প্ৰথমিক বিদ্যালয়ত আৰম্ভ হৈছিল যদিও ১৯৫০ চনত তেওঁৰ পিতৃ অবিভক্ত অসমৰ শিক্ষাধিকাৰ হিচাপে নিযুক্ত হোৱাত তেওঁলোকৰ পৰিয়ালটো সেই সময়ৰ অসমৰ ৰাজধানী শ্বিলঙলৈ গুচি গৈছিল। শ্বিলঙত মামণি গোস্বামীয়ে 'পাইন মাউণ্ট স্কুল'ত নামভৰ্তি কৰিছিল। ১৯৫৪ চনত উমাকান্ত গোস্বামীৰ পৰিয়ালটো পুনৰ গুৱাহাটীলৈ ঘূৰি অহাত মামণি 'তাৰিণী চৌধুৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়'ত নামভৰ্তি কৰাই দিয়া হয়। ১৯৪২ চনত তেওঁ মেট্ৰিকুলেশ্যন পৰীক্ষাত উত্তীৰ্ণ হয় আৰু উচ্চ শিক্ষাৰ বাবে সন্দিকৈ ছোৱালী মহাবিদ্যালয়ত নামভৰ্তি কৰে। পাছত কটন মহাবিদ্যালয়ৰ পৰা তেওঁ স্নাতক উপাধি লাভ কৰে। মহাবিদ্যালয়ত পঢ়ি থকা কালছোৱাত তেওঁৰ ভিতৰত সুপ্ত হৈ থকা লেখিকাগৰাকী জাগ্ৰত হৈছিল। তেওঁ শ্ৰমজীৱি মানুহক লৈ অনেক চুটি গল্প ৰচনা কৰিছিলে। সেই সময়ছোৱাত তেওঁ ৰচনা কৰা নাটক 'বন হংসিনী' আকাশবাণী গুৱাহাটী কেন্দ্ৰ যোগে সম্প্ৰচাৰিত হৈছিল। ১৯৫৫ চনৰ পৰা ১৯৬০ চনৰ সময়ছোৱা মামণি গোস্বামীৰ ব্যক্তিগত জীৱনৰ বাবে এছোৱা দুৰ্যোগৰ কাল আছিল। ১৯৫৫ চনত তেওঁৰ পিতৃ কৰ্কট ৰোগৰ দ্বাৰা আক্ৰান্ত হৈ মৃত্যু মুখত পৰিছিল। ১৯৬০ চনত তেওঁৰ প্ৰিয় খুৰাক চন্দ্ৰকান্ত গোস্বামীৰ আকস্মিক বিয়োগ ঘটে। তদুপৰি তেওঁৰ সংবেদনশীল মনত ঠাই পোৱা নিঃসঙ্গতাবোধ ইমান তীব্ৰ হৈ পৰিছিল যে তেওঁ ব্যক্তিগত জীৱনৰ ট্ৰেজেডি আৰু মানসিক নিঃসঙ্গতাৰ দ্বাৰা পীড়িত হৈ প্ৰায় মৃত্যুৰ দুৱাৰদলিৰ পৰা উভতি

আহিছিল। ৰক্ষণশীল সমাজে তেওঁৰ মানসিক পীড়াক সহানুভূতিৰে চাব নোৱাৰিলে। সেইখন সমাজে তেওঁ গ্ৰহণ কৰা অস্বাভাৱিক পন্থাক হতাশাবোধৰ এটা বিশেষ পর্যায় বুলি স্বীকাৰ নকৰি তাক অন্য নাম দিলে। তেওঁ সমালোচনাৰ পাত্রী হ'ল। সেই দুর্যোগপূর্ণ স্থিতিৰ মাজতে সুদূৰ দাক্ষিণাত্যৰ পৰা অসমলৈ অহা তৰুণ অভিযন্তা মাধবেন ৰয়ছম আয়েঙ্গাৰৰ লগত ১৯৬৫ চনত তেওঁ বিবাহপাশত আৱদ্ধ হয়।



জানি থোৱা ভাল

মামণি ৰয়ছম গোস্বামীৰ স্বামী মাধবেন ৰয়ছম আয়েঙ্গাৰ এগৰাকী কৃতি অভিযন্তা আছিল। তেওঁ কর্ণাটকৰ বিখ্যাত অভিযন্তা জি. আৰ. নৰসিংহ আয়েঙ্গাৰ (১৮৬০-১৯৪০) পুত্র আছিল।নৰসিংহ আয়েঙ্গাৰে মহীশূৰৰ মহাৰাজাৰ জন কল্যাণমূলক আঁচনিৰ অংশ হিচাপে বাঙ্গালুৰুত স্থাপন কৰা 'এ' ষ্টেচনৰ অধীক্ষক হিচাপে কাম কৰিছিল। মহীশূৰৰ মহাৰজাই চি. এম. ব্রাউনৰ লগত তেওঁকো ৰাজকীয় মর্যাদা দিছিল।

তাৰ এবছৰ আগত তেওঁ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ পৰা স্নাতকোত্তৰ উপাধি লাভ কৰিছিল। মাধবেন ৰয়ছম আয়েঙ্গাৰ দলং নির্মাণৰ লগত জড়িত অভিযন্তা আছিল। বিয়াৰ পিছত মামণি ৰয়ছম গোস্বামীয়ে তেওঁৰ লগত স্বামী মাধবেনৰলগত বিভিন্ন ঠাইলৈ গৈছিল। এবাৰ দলং নির্মাণৰ কাম সংক্রান্তত মাধবেন কাশ্মীৰলৈ বদলি হৈছিল। চনটো হ'ল ১৯৬৭। মাধবেন যিটো কোম্পানীৰ লগত জড়িত আছিল সেই কোম্পানীটোৱে তেওঁক কাশ্মীৰৰ চুইনা একোৱেডাক্টৰ মেনেজাৰৰূপে নিয়োজিত কৰিছিল।তাতে এদিন উধামপুৰলৈ যোৱা অৱস্থাত মটৰ দুর্ঘটনাত মাধবেনৰ মৃত্যু ঘটিছিল।স্বামীৰ মৃত্যুৰ পিছত তেওঁ অসমলৈ ঘূৰি আহি গোৱালপাৰা সৈনিক স্কুলত কিছু কাল শিক্ষকতা কৰিছিল। ১৯৬৯ চনত তেওঁ গৱেষণাৰ বাবে বৃন্দাবনলৈ যাত্রা কৰিছিল। অধ্যাপক উপেন্দ্র চন্দ্র লেখাৰুৰ অধীনত তেওঁ *তুলসী দাসৰ ৰাম চৰিত মানস আৰু মাধৱ কন্দলিৰ অসমীয়া ৰামায়ণ ঃ এটি তুলনামূলক অধ্যয়ন* —শীর্ষক বিষয়ৰ গৱেষণা কৰিছিল। ১৯৭১ চনত তেওঁ দিল্লী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা বিভাগত অসমীয়া বিষয়ৰ অধ্যাপিকা হিচাপে নিযুক্ত হয়। ১৯৭৩ চনত তেওঁ কৰা গৱেষণাৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ে তেওঁক ডক্টৰেট প্রদান কৰিছিল। পৰৱর্তী সময়ছোৱাত তেওঁ সাহিত্য, সংস্কৃতি আৰু বিদ্যায়তনিক বিভিন্ন ক্ষেত্রৰ লগত জড়িত হৈ সাফল্য আৰু স্বীকৃতি লাভ কৰিছিল।

মামণি ৰয়ছম গোস্বামীৰ কৃতিসমূহক গল্প,উপন্যাস, গৱেষণামূলক ৰচনা, অনূদিত কর্ম, ইত্যাদি বিভিন্ন ভাগত ভাগ কৰিব পাৰি।

- **মামণি ৰয়ছম গোস্বামীৰ গল্প সঙ্কলন ঃ** *চিনাকি মৰম (১৯৬১), কইনা (১৯৬৬), হৃদয় এক নদীৰ নাম (১৯৮৯), মামণি ৰয়ছম গোস্বামীৰ প্রিয় গল্প (১৯৯৮), নির্বাচিত গল্প (১৯৯৮)*।
- **উপন্যাস ঃ** *চেনাবৰ সোঁত (১৯৭২), নীলকণ্ঠী ব্রজ (১৯৭৬), অহিৰণ (১৯৮০), মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস (১৯৮০), সংস্কাৰ, উদয়ভানুৰ চৰিত্র, ইত্যাদি*(এই

গ্ৰন্থত এটা গল্প *সংস্কাৰ*আৰু দুখন উপন্যাস *উদয়ভানুৰ চৰিত্ৰ*আৰু *সাপৰ চালৰ জোতা (১৯৮৬)* সন্নিৱিষ্ট হৈছে, *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা (১৯৮৮), আধা লেখা দস্তাবেজ (১৯৮৮)* (আত্মজীৱনীমূলক উপন্যাস), *ঈশ্বৰী জখমী যাত্ৰী*, ইত্যাদি (এই গ্ৰন্থত দুটি গল্প, দুখন ৰচনা আৰু ইউৰোপ ভ্ৰমণৰ ভেটিত ৰচনা কৰা *জখমী যাত্ৰী*নামৰ উপন্যাসখন সন্নিৱিষ্ট কৰা হৈছে (১৯৯১), *তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা (১৯৯৪), উপন্যাস সমগ্ৰ (১৯৯৮)* (তেৰখন উপন্যাসৰ সংগ্ৰহ), *দাশৰথীৰ পুত্ৰৰ খোজ (২০০১), থেঙ্কফাখ্ৰী তহচিলদাৰৰ তামৰ তৰোৱাল (২০০৯)*।

- **গৱেষণামূলক কৃতি ঃ** *Ramayana from Ganga to Brahmaputra (1996), Ravana in Kandali's Assamese Ramayana and Tulsis' Ramcharitra Manas, Comparative Study of the Characters of Ravana and Sita, Bani Kanta Kakati, History of Assamese Literature since 1947, Assamese Metres, Assamese Drama. Ramabhakti Sankardeva, Ankia Nats of Assam, Birendra Kumar Bhattacharya's Novel Mritunjoy,* ইত্যাদি।
- **উপন্যাস ঃ** মামণি ৰয়ছম গোস্বামীয়ে অন্যান্য ভাৰতীয় ভাষা আৰু বিদেশী সাহিত্যিকৰ কৃতি অসমীয়ালৈ অনুবাদ কৰি অনুবাদিকা হিচাপে নিজৰপ্ৰতিভাৰ পৰিচয় দিছে। তেওঁ কৰা অনুবাদ কৰ্মসমূহ হৈছে— *মুন্সী প্ৰেমচান্দৰ চুটি গল্প* (হিন্দীৰ পৰা অসমীয়ালৈ অনুবাদ), *আধা ঘণ্টা সময়* (মালায়লম উপন্যাস *আৰানজল্লিকা নেৰাম*ৰ অসমীয়া অনুবাদ), *কমল* (হিন্দী, উর্দু, পাঞ্জাবী, বাংলা, কাৰ্বি গল্পৰ সঙ্কলন), *শৰীষৰূপৰ কথা* (শ্ৰীজী টাজিয়া আৰু কেঙুৰ জাপানী গল্পৰ অসমীয়া অনুবাদ), *জাতক কথা, আহ্নিক* (জে. পি. দাসৰ বঁটাপ্ৰাপ্ত গ্ৰন্থৰ অসমীয়া অনুবাদ)।



জানি থোৱা ভাল

মামণি ৰয়ছম গোস্বামীৰ কেইবাখনো উপন্যাসৰ আধা�ৰত চলচ্চিত্ৰ আৰু দূৰদৰ্শনৰ ধাৰাবাহিক নিৰ্মিত হৈছে। সেইসমূহ হৈছে ক্ৰমে—

- মামণি ৰয়ছম গোস্বামীৰ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* নামৰ উপন্যাসখনৰ আধাৰত ১৯৯৬ চনত ড° সান্তনা বৰদলৈয়ে 'অদাহ্য' নামৰ চলচ্চিত্ৰখন নিৰ্মাণ কৰিছিল। বিশ্বৰ বিভিন্ন মহোৎসৱত প্ৰদৰ্শিত এই কথাছবিখনে কেইবাটাও ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰিবলৈ সমৰ্থ হৈছিল।
- সেই একেখন উপন্যাসৰ আধাৰত ৰামা ঘোষে পৰিচালনা কৰা ধাৰাবাহিক 'দক্ষিণ কামৰূপ কি গাঁথা' দিল্লী দূৰদৰ্শনত সম্প্ৰচাৰিত হৈছিল।
- তেওঁৰ *দেৱী পীঠৰ তেজশীৰ্ষক* উপন্যাসখনৰ আধাৰত যশস্বী চলচ্চিত্ৰ পৰিচালক গৌতম বৰাই একে নামৰ দূৰদৰ্শনৰ ধাৰাবাহিক এখন নিৰ্মাণ কৰিছিল।

- মামৰে ধৰা তৰোৱালৰ বাবে মামণি ৰয়ছম গোস্বামীয়ে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল। এই উপন্যাসখনৰ আধাৰতো এখন ধাৰাবাহিক নির্মিত হৈছিল।
- তেওঁৰ উপন্যাস *ভিক্ষাৰ পাত্ৰ ভাঙি*ৰ আধাৰতো দিল্লী দূৰদর্শনে এখন ধাৰাবাহিক নির্মাণ কৰিছিল।
- পাঁচগৰাকী পৰিচালকে তেওঁৰ জীৱন ভিত্তিক পাঁচখন কথাছবি নির্মাণ কৰিছে। সেই পৰিচালক কেইগৰাকী হৈছে ক্ৰমে— জাহ্নু বৰুৱা, ৰবিতা শর্মা, ৰাইচকুর্ণি বৰা, মিছ কুন্তলা আৰু নিলোফাৰ চুমা।

ড°ইন্দিৰা (মামণি ৰয়ছম) গোস্বামীয়ে ভালে সংখ্যক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পর্যায়ৰ আলোচনা চক্ৰত যোগদান কৰাৰ লগতে গৱেষণা-পত্ৰ পাঠ কৰিছিল। ইয়াৰ পূর্বৱর্তী অনুচ্ছেদ এটাত আমি তেওঁৰ গৱেষণা কৃতিৰ কথা উল্লেখ কৰি আহিছোঁ। ভাৰতৰ বিভিন্ন ৰাজ্যত কেন্দ্ৰীয়ভাৱে আৰু ৰাজ্যিকভাৱে অনুষ্ঠিত হোৱা ৰামায়ণ বিষয়ক আৰু লগতে সাহিত্য-সংস্কৃতি বিষয়ক আলোচনা চক্ৰত তেওঁ অংশ গ্ৰহণ কৰিছিল। ভাৰতৰ বিভিন্ন ৰাজ্য, যেনে— হাৰিয়ানা, মধ্যপ্ৰদেশ, পশ্চিমবঙ্গ, উৰিষ্যা, বিহাৰ, অসম, অন্ধ্ৰপ্ৰদেশ, গোৱা কেন্দ্ৰীয় শাসিত অঞ্চল, দিল্লী, ইত্যাদিত অনুষ্ঠিত তেনে ভালেমান অনুষ্ঠানত তেওঁ অংশ গ্ৰহণ কৰিছিল। ভাৰতৰ বাহিৰেও পৃথিৱীৰ বিভিন্ন দেশত অনুষ্ঠিত হোৱা আলোচনা চক্ৰলৈ তেওঁ নিমন্ত্ৰিত হৈছিল। সেইসমূহো সাহিত্য-সংস্কৃতি আৰু সামাজিক কল্যাণৰ লগত জড়িত হৈছিল। বিদেশৰ ভূমিত পদার্পণ কৰি তেওঁ কেইবাখনো গৱেষণা-পত্ৰ পাঠ কৰিছিল। তাৰ ভিতৰত কেইখনমান হৈছে—

- ১৯৮৮ চনত থাইলেণ্ডৰ বেঙ্ককস্থিত থামছাট বিশ্ববিদ্যালয়ৰ লিবাৰেল আর্টছ বিভাগৰ লেংগুৱেজ এণ্ড লিংগুয়িষ্টিকছৰ ওপৰত অনুষ্ঠিত সন্মিলনত 'Assamese Language and Language of Ramayana' বিষয়ত গৱেষণা-পত্ৰ পাঠ।
- ১৯৯০ চনত মৰিছাছত অনুষ্ঠিত হোৱা ষষ্ঠ আন্তঃৰাষ্ট্ৰীয় ৰামায়ণ সন্মিলনত পাঠ কৰা গৱেষণা-পত্ৰ 'Characters of Ramayana as depicited by the poets of North-East and Hindi belt.'
- ১৯৯৩ চনত মৰিছাছত অনুষ্ঠিত বিশ্ব হিন্দী সন্মিলনত চৰকাৰী প্ৰতিনিধি হিচাপে অংশ গ্ৰহণ।
- ২০০৩ চনত লাহোৰত অনুষ্ঠিত ইণ্ডিয়া-পাকিস্থান সংযুক্ত সন্মিলনত অংশ গ্ৰহণ।
- ২০০৫ চনৰ কোৰিয়াৰ চিউলত অনুষ্ঠিত মঙ্গোলিয়ান পিপ্‌লছ ফেডাৰেছন ফ'ৰ ৱর্ল্ড পিচ'ৰ তৃতীয় বিশ্ব অধিৱেশনলৈ 'ইণ্টাৰ ৰিলিজিয়াছ এণ্ড ইণ্টাৰনেচনেল ফেডাৰেশ্যন ফৰ ৱর্ল্ড পিচ'ৰ দ্বাৰা আমন্ত্ৰিত, ইত্যাদি।

মামণি ৰয়ছম গোস্বামী ৰাজহুৱা জীৱনতো এগৰাকী সক্ৰিয় ব্যক্তি আছিল। বিভিন্ন শৈক্ষিক, সামাজিক, সাহিত্য-সংস্কৃতিৰ লগত জড়িত অনুষ্ঠান-প্ৰতিষ্ঠানৰ সৈতে তেওঁ সম্পর্ক ৰক্ষা কৰি চলিছিল। অসমৰ সন্ত্ৰাসবাদী সমস্যাৰ সমাধানৰ বাবেও তেওঁ যত্নপৰ হৈছিল। এইদৰে তেওঁ সমাজ আৰু সাহিত্যৰ প্ৰতি সেৱা আগবঢ়াইছিল। তেওঁ জড়িত হৈ থকা কেইটামান লেখৰ

অনুষ্ঠান-প্ৰতিষ্ঠান হৈছে ক্ৰমে— The Advisory Committee (অসমীয়া), Sahitya Akademi; The research Committee, Delhi University; The Comparative Indian Literature Association, Delhi University; The Board of Studies (Assamese), Banaras Hindu University; Convenor of the Board of Studies (Assamese), Punjab University; The Association of Indian Authors, New Delhi; Member of the Assamese Advisory Commitee, National Book Trust of India, New Delhi, Member of the Governing Body of Miranda House, University of Delhi; The Bhasha Samittee (Assamese) of K. K. Birla Foundation; Member, Srimanta Sankardeva Kalakhetra, Guwahati; Member, Raja Ram Mohan Ray Libray; Advisor, Planning Commission, Government of Indian; Member, Railway Hindi Bhasha Salahkar Samittee; Member Academic Council, Delhi University, ইত্যাদি।

জীৱনৰ খলা-বমা বাটত হতাশা আৰু দুৰ্ভাবনাৰ মুখামুখি হোৱা এই গৰাকী নাৰীয়ে পৰৱৰ্তী সময়ছোৱাত সেই দুৰ্যোগ-দুৰ্ভাৱনা আৰু দেহ-মন মথি নিয়া নিঃসঙ্গবোধক পৰাভূত কৰি বিশ্ব নাগৰিক ৰূপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল। সাহিত্যৰ সাধনাত তেওঁৰ যি একাগ্ৰতা, সিয়ে তেওঁক উভয় লক্ষ্মী আৰু সৰস্বতীৰ মৰমৰ জীয়াৰী কৰিছিল। নাম, যশ আৰু খ্যতিয়ে তেওঁৰ মেধা আৰু ব্যক্তিত্বক পোহৰাই তুলিছিল। তেওঁৰ জীৱনৰ প্ৰথমটো সন্মান বুটলিছিল ১৯৭৪ চনত। সেই বছৰ তেওঁক দিল্লীৰ মানস চতুৰ্থী সমিতিয়ে তুলসীৰ *ৰাম চৰিত মানস* আৰু মাধৱ কন্দলিৰ *অসমীয়া ৰামায়ণ*ৰ বাবে সন্মান প্ৰদান কৰিছিল। ১৯৮৩ চনত তেওঁ তেওঁৰ *মামৰে ধৰা তৰোৱাল* আৰু দুখন উপন্যাসৰ বাবে সন্মানজনক সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল। ১৯৮৮ চনত তেওঁ অসম সাহিত্য সভাৰ পৰা 'বাসন্তী দেৱী সাহিত্য বঁটা' লাভ কৰিছিল। ১৯৮৯ চনত 'ভাৰত নিৰ্মাণ বঁটা', ১৯৯২ চনত লক্ষ্ণৌত উত্তৰ প্ৰদেশ হিন্দী সংস্থাৰ তৰফৰ পৰা 'সৌহাৰ্দ্য বঁটা', ১৯৯৩ চনত 'কথা' পুৰস্কাৰ লাভ, ১৯৯৬ চনত 'কমল কুমাৰী ফাউণ্ডেশ্যন বঁটা' লাভ, ২০০১ চনত 'জ্ঞানপীঠ বঁটা' লাভ, ২০০২ চনত ভাৰত চৰকাৰে তেওঁক 'পদ্মশ্ৰী' সন্মান আগবঢ়াইছিল যদিও ব্যক্তিগত কাৰণত তেওঁ সেই বঁটা গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। ২০০২ চনত তেওঁক ৰবীন্দ্ৰ ভাৰতী বিশ্ববিদ্যালয়ে 'ডি-লিট' সন্মান প্ৰদান কৰে। ২০০২ চনত অসমৰ আহোম ক'ৰ্টে তেওঁলৈ 'মহীয়সী জয়মতী বঁটা' আগবঢ়ায়। ২০০৬ চনত দক্ষিণ কোৰিয়াৰ চিউলস্থিত 'ইণ্টাৰ ৰেলিজিয়াছ এণ্ড ইণ্টাৰনেশ্যনেল ফেডাৰেশ্বন অৰ ৱৰ্ল্ড পিচে' তেওঁক 'Ambassador for Peace' বঁটা'ৰে সন্মানিত কৰিছিল। ২০০৮ চনত ফৰাচী চৰকাৰে তেওঁলৈ 'Principal Prince Claus Award' সন্মান আগবঢ়ায়। এইটো ইউৰোপৰ এটা অতি সন্মানজনক বঁটা ৰূপে জনাজাত। ২০০৯ চনত তেওঁ 'অশোক মোডী স্মৃতি সমাজ সেৱা বঁটা'ৰ দ্বাৰা সন্মানিত হয়। ২০০৯ চনত দিল্লী বিশ্ববিদ্যালয়ে তেওঁক 'প্ৰফেচাৰ এমেৰিটাছ'ৰ খিতাপ প্ৰদান কৰিছিল। উল্লেখযোগ্য যে তেৱেঁই প্ৰথম গৰাকী অসমীয়া ব্যক্তি যাক এই সন্মান প্ৰদান কৰা হয়।

জীৱন আৰু মৃত্যুৰ বৰ্ণাঢ্য ছবি আঁকা এই গৰাকী কথাশিল্পীয়ে ৭০ বছৰ বয়সত ২০১১ চনৰ ২৯ নৱেম্বৰ তাৰিখে শেষ নিশ্বাস ত্যাগ কৰে।



অগ্রগতি নিৰীক্ষণ

১নং প্রশ্ন ঃ মামণি ৰয়ছম গোস্বামীৰ জীৱন আৰু সৃষ্টিশীল কর্মৰাজিৰ বিষয়ে এটি টোকা প্রস্তুত কৰক।

(১৫০টা শব্দৰ ভিতৰত)

১৩.৪ মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰ সাধাৰণ বৈশিষ্ট্যসমূহ

অসমীয়া উপন্যাস সাহিত্যত যদি এগৰাকী ব্যতিক্রমী ঔপন্যাসিকৰ নাম ল'বলগীয়া হয় তেতিয়া আমাৰ মনলৈ আহে মামণি ৰয়ছম গোস্বামীৰ কথা। অসমীয়া সাহিত্যত বিশিষ্ট আসন দখল কৰি থকা এই গৰাকী কথা শিল্পীৰ ৰচনাত থকা দেহ-মন মথি পেলাব পৰা মর্মস্পর্শী বর্ণনাসমূহ আন কোনো অসমীয়া কথাশিল্পীৰ ৰচনাত পাবলৈ নাই। তেওঁ জীয়া মানুহৰ আত্মকথা আৰু অৱহেলিত হৃদয়ৰ নিভৃত কোণত স্তূপীকৃত ক্ষোভ আৰু হতাশাৰ বন্যাক যিদৰে বহির্জগতলৈ নির্গমনৰ (Channelise) দিক্-নিদের্শনা দিছে, তাৰ মাজতেই অমিত প্রতিভাশালী কথা শিল্পী মামণি ৰয়ছম গোস্বামীৰ শক্তিশালী কাপৰ পৰা নির্গত শব্দৰ বৈচিত্র্যময় ধাৰা পৰিস্ফুট হয়।

আহকচোন, আমি এতিয়া এইগৰাকী ঔপন্যাসিকৰ সাধাৰণ বৈশিষ্ট্যসমূহত দৃষ্টিপাত কৰোঁ—

- **পৰিৱেশ চিত্রণৰ দক্ষতা ঃ** পৰিৱেশ চিত্রণৰ দক্ষতা মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰাজিৰএটা উল্লেখযোগ্য বৈশিষ্ট্য। তেওঁৰ যাদুকৰী কাপৰ স্পর্শত নির্জীৱ চিত্র একোখন জীৱন্ত হৈ পৰিছিল। তেওঁৰ সর্বপ্রথম উপন্যাস কৃতি চেনাবৰ সোঁতত বিভিন্ন ধৰণৰ পৰিৱেশৰ চিত্রণত তেওঁৰ নিজৰ সৃষ্টিশীল প্রতিভাৰ উমান দিছে। এই উপন্যাসখনৰ পৰা কেইশাৰীমান বর্ণাত্মক বাক্য লৈ মন কৰকচোন— "...কালাহাণ্ডিত সঁচাকৈয়ে দুর্ভিক্ষ আৰম্ভ হ'ল। বৰষুণ নাই। শুকান সেই খা খা কৰা বতৰ। ...ক'ৰবাৰ পৰা এদল শগুণে আহি হাটৰ চেগুন গছজোপাত বহি ল'লেহি। চেগুনৰ সন্মুখত উদং হাটখনতো এটা চেৰেলা খাব নোপোৱা ঘোঁৰাই আহি আশ্রয় ল'লেহি। নীৰ আন্মা আৰু সেই চেৰেলা ঘোঁৰাটোৱে ইটোৱে সিটোৰ মুখলৈ চাই একে ঠাইতে পৰি ৰ'ল। তাৰ পাছত এদিন গেঙনি তুলি ঘোঁৰাটোৱে মাটিত মূৰ থ'লে। তাৰ সেই চেপেটা গাটোৱে ধেনুৰ দৰে এবাৰ বীৰ খাই উঠিল। বহুদিন মৰা ঘোঁৰাটো উদং হাটৰ এৰেহা চালিখনৰ তলত পৰি ৰ'ল। গোন্ধ ওলাল। অথচ চেগুনৰ তলৰ পৰা নীৰ আন্মা আঁতৰি নগ'ল। শিৰান্নাই ভাগিৰ খোজা মানুহজাকক গোটাই লৈ এৰেহা গমৰ পথাৰত ঘোঁৰাটো চোঁচোৰাই থৈ আহিল।

এইবাৰ শগুণৰ জাকটোৱে আহি নীৰ আম্মাৰ মূৰৰ ওপৰৰ চেগুন জোপাত বহি ল'লে। গছ, পথাৰ, হাট, আকাশৰ ৰং সকলোতে শগুণে নিজৰ গাৰ ৰং ছটিয়াই দিলে। কালাহাণ্ডিৰ সকলোবোৰ যেন একোটা মৰাশ.....যিকোনো মুহূর্তত চেগুনৰ ওপৰত থকা শগুণজাকে আহি সকলোকে আক্রমণ কৰিব পাৰে।

কালাহাণ্ডিৰ দুর্ভিক্ষৰ চিত্র আমি দেখা নাই। পিছে পীড়িত অঞ্চলৰ পৰিৱেশ কেনে অমানৱীয়, বিভিৎস ৰূপ পৰিগ্রহ কৰিব পাৰে সেয়া ৰয়ছম গোস্বামীৰ কাপৰ পৰা নির্গত বিৱৰণৰ পৰাই উপলব্ধি কৰিব পাৰি। নীৰ আম্মাৰ জীৱনৰ সকৰুণ ৰূপ আৰু মৃত্যুৰ যি বিভৎস চিত্র ঔপন্যাসিকে চিত্রিত কৰিছে সেয়া আজিও অসমীয়া কথা শিল্পৰ জগতত বিৰল। তেওঁৰ অন্য কেইখন উপন্যাসৰ ক্ষেত্রতো পৰিৱেশ বর্ণনাৰ ক্ষেত্রত ঔপন্যাসিকে নিজৰ কাপেদি যথোপযুক্ত শব্দৰ নিঃসৰণ ঘটাইছে। *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* উপন্যাসখনতো ঔপন্যাসিক গৰাকীয়ে পৰিস্থিতি চিত্রণৰ ক্ষেত্রত নিজৰ অনন্য প্রতিভাৰ চানেকি দাঙি ধৰিছে। গোসাঁনী আইৰ বিধৱা জীয়েক গিৰিবালাক সাপে খুটিছিল। ৰক্ষণশীলমনা গোসাঁনী আয়ে অনিচ্ছা সত্ত্বেও ম্লেচ্ছ মার্কক নিজৰ মৃতপ্রায় জীয়েকৰ প্রাণ ৰক্ষাৰ ভাৰ দিবলৈ বাধ্য হৈছিল। এফালে তেওঁৰ মনত দলৈকে শিপাই থকা সংস্কাৰ আৰু আনফালে জীয়েকৰ জীৱন—এই দুটা বিপৰীতমুখী দ্বন্দ্বত আমৰঙা সত্রৰ গোসাঁনী আই ভাৰাক্রান্ত হৈছিল। কিন্তু তেওঁ সহজতে হাৰ মনা বিধৰ নাছিল। অথচ তেওঁ নিজ হাতে প্রায়শ্চিত্তৰ বিধান দিছিল— "হীন জাতিয়ে ব্রাহ্মণৰ চুলিত ধৰিলে বাৰ ধেনু প্রায়শ্চিত্ত হ'ব লাগে।" পিছে তেওঁ তেওঁৰ কর্তব্য স্থিৰ কৰিলে। তেওঁ উৰা মাৰি যোৱাৰ দৰে গৈ দুয়োখন হাত মেলি কাঠৰ খিৰিকীৰ ওচৰত এনেভাৱে থিয় হ'ল যেন কোনেও আৰু খিৰিকীৰ ওচৰত থিয় হ'ব নোৱাৰে। উপন্যাসখনত এই উৎকণ্ঠা ভৰা পৰিস্থিতিৰ বিৱৰণত ৰয়ছম গোস্বামীয়ে যি পটুতাৰ পৰিচয় দিছে সেয়া শলাগিবলগীয়া।

- **শ্রমিক জীৱনৰ চিত্রণ ঃ** অসমীয়া সাহিত্যত যদি কোনোবা কথা-সাহিত্যিকে শ্রমিক জীৱনৰ বর্ণাঢ্য চিত্র অঙ্কন কৰিছে তেন্তে সেয়া হৈছে মামণি ৰয়ছম গোস্বামী। অৱশ্যে এইটো সত্য যে তেওঁ যিকেইখন উপন্যাস শ্রমিক জীৱনক ভিত্তি কৰি ৰচনা কৰিছে, সেই কেইখনৰ পটভূমি ভাৰতবর্ষৰ বিভিন্ন প্রদেশ। সেই কেইখন উপন্যাসৰ পটভূমি অসম নহয়। পিছে দেশ-কাল-স্থান পৰিহৰি খাটি খোৱা শ্রমজীৱীৰ কাহিনী সকলো ঠাইতে একে। সকলো বিভিন্ন পর্যায়ৰ শোষণ, পীড়ণ আৰু বঞ্চনাৰ বলি। তেওঁ শ্রমিক জীৱনক ভিত্তি কৰি ৰচনা কৰা উপন্যাস *চেনাবৰ সোঁত, অহিৰণ* আৰু *মামৰে ধৰা তৰোৱালত* ৰাঘাম্মা, সোণী, গৌৰীশঙ্কৰ, সদাশিৱ, যশৱন্ত সিং, মনচা, কদম, নাৰায়ণী, শিবু, ইত্যাদি চৰিত্রৰ দুঃসহ যাতনা, সিৰিলাকৰ বঞ্চিত আত্মাৰ ক্ষোভ আৰু হতাশাক মর্মস্পর্শী ৰূপত প্রকাশ কৰিছে। ৰাঘাম্মাহঁতৰ নিচিনা শ্রমিক নাৰীৰ জীৱনত সুখ এটা মৰীচিকা মাত্র। সিঁহতে বিচাৰিলেও আঁচল পাতি সেই সুখ নিজৰ কৰি ল'ব নোৱাৰে। সেয়েহে খালাচী লাঙ্গৰত পৰা পাঠা ছাগলীৰ মাংসৰ সোৱাদ ল'বলৈ ইচ্ছা আৰু ধন

থাকিলেও সিহঁতৰ নিচিনাবোৰৰ বাবে ৰয় অৱশিষ্ট নাড়ী-ভূৰুবোৰ। একোখন পৰিপূৰ্ণ গৃহস্থালী থকা সত্ত্বেও ৰাঘাম্মাহঁতৰ নিচিনাৰ জীৱনত দাম্পত্য জীৱনৰ সুখ মেঘাচ্ছন্ন আকাশত কাচিৎ চকামকাকৈ ওলোৱা সূৰুযৰ ক্ষীণ পোহৰৰ ৰেখাৰ দৰে। গৌৰীশঙ্কৰ, সদাশিৱ, যশৱন্ত সিং, মনচা, শিবু, ইত্যাদিবোৰ যেন একো একোডাল হাতুৰীহে। সিহঁতক কামত লগোৱা কোম্পানীয়ে সিহঁতক পশুতুল্য বুলি ভাবি অশেষ শ্ৰম কৰিবলৈ বাধ্য কৰে। সিহঁতৰ সুখ-দুখ, আশা-আকাঙ্খাৰ কোনো মূল্য নাই। সিহঁতে আনকি নিজৰ পৰিবাৰ-পৰিজনৰ বাবেও একো কৰিব নোৱাৰে। সেয়েহে সদাশিৱহঁতৰ নিচিনাবোৰে আশাৰে ধৰা তেজাল ৰাহু মাছো চাহাববোৰৰ মেছলৈ যোগান ধৰা মাছৰ দ'মত স্থান পায়। সিহঁতে তাৰ বিনিময়ত লাভ কৰে তাচ্ছিল্য ভৰা ধমক। ঔপন্যাসিকৰ ভাষাত শ্ৰমিক শ্ৰেণীটোক নিয়োজিত কৰা ব্যক্তিগত কোম্পানীসমূহে 'ফটা জোতা'ৰ দৰে ব্যৱহাৰ কৰিছিল। সিহঁতৰ প্ৰয়োজন শেষ হ'লে বা কিবা দুৰ্ঘটনাত পতিত হৈ বিকলাঙ্গ হ'লে ক্ষতিপূৰণ পোৱা দূৰৰ কথা, পুনঃনিয়োজনৰ সুবিধাও নাপায়। অথচ সিহঁতে সিহঁতৰ মালিকবোৰৰ ওচৰত তেনে অন্যায় আৰু অবিচাৰৰ বাবে প্ৰতিবাদ কৰিবও নোৱাৰিছিল। সিহঁতৰ আছিল অসংগঠিত শ্ৰমিক। সামূহিক ঐক্য নথকাৰ বাবে এই অস্থায়ী ভিত্তিত নিযুক্ত শ্ৰমিকবোৰৰ দুখৰ অন্ত নাছিল। সিহঁতৰ মাজত পুৰুষবোৰত যদি বিপদসঙ্কুল কামত খটুৱাই কোম্পানীয়ে শোষণ কৰিছিল, তেনেকৈ নাৰীবোৰক আৰ্থিক দুৰৱস্থাৰ সুযোগ লৈ লম্পট স্বভাৱৰ বাবুবোৰে ভোগৰ সামগ্ৰী ৰূপে ব্যৱহাৰ কৰি সময়ত তেনে দুৰ্ভগীয়া নাৰীক নৰকৰ মুখলৈ জীৱন্তে ঠেলি দিছিল। নাৰায়ণীও তেনে এক লাঞ্ছিতা,প্ৰতাৰিতা নাৰী যাৰ অন্তৰত ক্ষোভৰ আগনি উমি উমি জ্বলি আছিল। সময়ত সেই ক্ষোভ আগ্নেয়গিৰিৰ লাভাৰ দৰে উদগীৰণ ঘটিল। তাই শোষকক হত্যা কৰি ক্ষোভৰ অগনি প্ৰশমিত কৰিলে। *মামৰে ধৰা তৰোৱালত* শ্ৰমিক শ্ৰেণীৰ অৱদমিত ক্ষোভে হৰতালৰ ৰূপ পৰিগ্ৰহ কৰিলে। নেতৃত্বত থকা স্বাৰ্থন্বেষী লোকৰ গৰিহণাযোগ্য কাৰ্যৰ বাবে সেই অসংগঠিত শ্ৰমিক শ্ৰেণীৰ হৰতাল বিফল হৈছিল। সিহঁতে বাস কৰি থকা নৰকৰ পৰা সিহঁতৰ উদ্ধাৰ সম্ভৱপৰ নহ'ল।ঔপন্যাসিক গৰাকীয়ে তেওঁৰ ৰচনাত ভাৰতৰ কেইটুকুৰামান বিশেষ অঞ্চলত এইদৰে বিভিন্ন ব্যক্তিগত কোম্পানীৰ অধীনত অস্থায়ী শ্ৰমিক হিচাপে কাম কৰা নিঃকিন, অসহায় শ্ৰমিকৰ জীৱন গাঁথা বৰ্ণনা কৰিছে। উল্লেখযোগ্য যে উপন্যাস কেইখনত বৰ্ণিত কাহিনী কেইটাৰ পশ্চাদপট বাস্তৱভিত্তিক। সেয়া তেওঁৰ স্বাক্ষুষ অভিজ্ঞতাৰ সমল। জীৱনত লাভ কৰা সেই বিচিত্ৰ অভিজ্ঞতাক তেওঁ একোটা নিটোল কাহিনীৰ ৰূপ প্ৰদান কৰি উপন্যাস আকাৰে পৰিৱেশন কৰিছে।

- **ভূমিৰ মাজেদি ভূমাৰ সন্ধান ঃ** মানৱ দৰদী লেখিকা মামণি ৰয়ছম গোস্বামীয়ে অহৰহ ব্যক্তি আৰু সমাজৰ কল্যাণৰ কথা দৃষ্টিত ৰাখি যিকোনো ৰচনাত হাত দিছিল। তেওঁৰ উপন্যাসমূহতো ইয়াৰ ব্যতিক্ৰম নহয়। মানৱ কল্যাণৰ এই তাড়ণাই হৈছে তেওঁৰ ভালে সংখ্যক শক্তিশালী, উচ্চ সাহিত্যিক গুণসম্পন্ন কৃতিৰ মূল চালিকা শক্তি। ইয়াত

মানৱতবাদী দৃষ্টিভঙ্গী আছে যদিও সেই প্রসঙ্গৰ কথা আমি পৰৱৰ্তী দফাটোলৈ এৰি ইয়াত অন্য এটা বিশেষ কথা আলোচনা কৰিবলৈ লৈছোঁ। তেওঁৰ উপন্যাস কৃতিত চিত্রিত হোৱা কোনো কোনো চৰিত্রই ভূমিৰ মাজত ভূমাৰ সন্ধান কৰিছে। তেনে অনুসন্ধানকাৰী কোনো বিশিষ্ট ব্যক্তি বা পণ্ডিত দার্শনিকো নহয়। সর্বসাধাৰণৰ মাজৰ পৰাই সেই চৰিত্র উদ্ভূত। তেনে চৰিত্রই নিজৰ সামান্য সৎ প্রয়াসৰ দ্বাৰা সমূহৰ দীর্ঘকালীন উন্নয়নৰ চিন্তাত আঁতুৰ হৈ ব্যতিক্রমিক পদক্ষেপ গ্রহণ কৰিছে। ইয়াত 'ভূমি'ৰ অর্থত দুখ, হতাশা আৰু লাঞ্ছনাৰে ভাৰাক্রান্ত সাধাৰণ মানুহখিনিক বুজোৱা হৈছে। তেনে একোটা সীমিত গোটৰ কল্যাণৰ কথা চিন্তা কৰি চৰিত্র বিশেষে যি মহৎ দৃষ্টান্ত দেখুৱাব বিচাৰিছে তাৰ সুদূৰপ্রসাৰী ফলে গোটেই সমাজ আৰু এটা সময়ত সমগ্র মানৱ জাতিক কৃতার্থ কৰিব। এই অর্থত 'ভূমা' শব্দটো ব্যৱহাৰ কৰা হৈছে। ইন্দ্রনাথ সামন্তবাদী সমাজৰ প্রতিনিধিত্বমূলক চৰিত্র। তেওঁৰ কাম আছিল তলতীয়া প্রজাক শাসন কৰা আৰু ভূ-স্বামী হোৱাৰ পৰিপ্রেক্ষিতত ৰায়তে ঠিক মতে ভূ-স্বামীয়ে পাবলগীয়া উৎপন্ন শস্যৰ অংশ ভূ-স্বামীয়ে পাইছেনে নাই তাক নিৰীক্ষণ কৰাটো। পিছে আধুনিক শিক্ষাৰে শিক্ষিত আমৰঙা সত্রৰ ভাবী অধিকাৰ ইন্দ্রনাথে কানিৰ গ্রাসত পৰা ৰায়তসকলক উদ্ধাৰ কৰিবলৈ তৎপৰ হৈছিল। কানিৰ সর্বগ্রাসী প্রভাৱত পৰি তেওঁলোক সর্বস্বান্ত হৈছিল। ইন্দ্রনাথে উপলব্ধি কৰিছিল যে ৰায়তৰ বাবে খেতি কৰা মাটি টুকুৰাই তেওঁলোকৰ বাবে জীৱনৰেখা (Life Line) স্বৰূপ। ভাবী অধিকাৰ ইন্দ্রনাথে এটা অভাৱনীয় সিদ্ধান্ত লৈ মৰাভিঠাৰ মাটিখিনি তাক ভোগ কৰা ***আধিয়াৰ***সকলৰ নামত লিখি দিবলৈ স্থিৰ কৰিছিল। তেওঁৰ বিশ্বাস যে তেওঁৰ তেনে সিদ্ধান্তই সিবিলাকক আর্থিক নিৰাপত্তা প্রদান কৰাৰ লগতে 'চিৰ দৰিদ্র' বিশেষণটোৰ পৰা মুক্ত কৰিব। দুর্ভাগ্যবশতঃ তেওঁৰ সেই মহৎ উপলব্ধি কার্যকৰী নহ'ল। নিয়তিয়ে তেওঁক নিষ্ঠুৰভাৱে প্রতাৰিত কৰিছিল। তেওঁৰ অভিন্ন হৃদয়ৰ বন্ধু বলোৰাম দাসে (বলো) তেওঁৰ মনৰ কথা বুজি পাইছিল। সেয়েহে ইন্দ্রনাথক তেওঁৰ মহৎ উদ্দেশ্য সাধনৰ পথত হেঙাৰ স্বৰূপে থিয় হোৱা'বিদ্রোহৰ নায়ক'জনক বহু কালৰ পাছত লগ পোৱাত বলোৰ মুখনিসৃত মর্মস্পর্শী কথা কেইষাৰৰ মাজেদি আমৰঙ্গা সত্রৰভাবী অধিকাৰ ইন্দ্রনাথৰ আশাৰ অসার্থক পৰিণতি ফুটি উঠিছে— "কিন্তু ***তহনাই*** কহ ***কায়ো*** সাৱলম্বী ***হৱা*** নাই। আজি ত্রিশ বছৰৰ কায়ো স্বাবলম্বী হৱা নাই। অথচ গহাঁই ভাবি গেল...। তেওঁৰ আশা নিস্ফল হৈছিল সঁচা। পিছে *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত* উপস্থাপিত এই চিত্রই ইন্দ্রনাথ চৰিত্রটোৰ মাজেদি যি জনকল্যাণকামী চেতনা বিয়পাবলৈ ঔপন্যাসিকে প্রয়াস কৰিছে, সেয়া কেৱল মৰাভিঠাৰ দুখীয়া ৰায়তসকলৰ মাজতে সীমাবদ্ধ নাথাকি সমগ্র বিশ্বৰ নিঃস্ব জনতাৰ প্রাণলৈ যেন শিপাই গৈছে। ঔপন্যাসিকৰ কৃতিত্বও সেইখিনিতে।



আধিয়াৰ ঃ উৎপন্নৰ আধা ভাগ দিবৰ নিয়ম কৰি মাটি আদি লোৱা মানুহ।



তহনাই ঃ তোমালোক।
কায়ো ঃ কোনো।
হৱা ঃ হোৱা।

- **প্রতিবাদী চৰিত্রৰ চিত্রণ ঃ** মামাণি ৰয়ছম গোস্বামীৰ উপন্যাসত দুর্দশাগ্রস্ত জীৱনৰ চিত্রণৰ লগতে দুর্দশাৰ উৎসৰ প্রতি তেনে চৰিত্রই প্রদর্শন কৰা বিতৃষ্ণা আৰু ক্ষোভ প্রকাশ পাইছে। ৰয়ছম গোস্বামীৰ উপন্যাসৰচৰিত্রই ক্ষোভ উজাৰিব জানে। *মামৰে ধৰা তৰোৱালৰ*

নাৰায়ণীৰ নিচিনা আশাহত, প্রতাৰিত শ্রমিক নাৰীৰ পৰা আদি কৰি *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাৰ* অভিজাত ঘৰৰ জীয়ৰী গিৰিবালালৈকে সকলোৱে নিজৰ আশাহত আত্মাৰ ক্ষোভ উজাৰিবলৈ উৎসৰ সন্ধান পাইছে। পুৰুষপ্রধান সমাজ ব্যৱস্থাত নাৰীয়ে পুৰুষৰ সিদ্ধান্ত বা মতৰ বিৰুদ্ধে যাব নোৱাৰে। এইটো যেন সমাজৰ এটা অলিখিত বিধান। কোনো নাৰীয়ে এই বিধান উলংঘা কৰিব নোৱাৰে। অজানিতে কোনো নাৰীয়ে তেনে 'দুঃসাহস' কৰিলে তেওঁ ককর্থনা সহ্য কৰিবলগীয়া হয়। অথচ মামণি ৰয়ছম গোস্বামীৰ গিৰিবালা চৰিত্রটোৱে সুস্থ মন-মস্তিষ্কৰে সেই একে পুৰুষপ্রধান সমাজে বান্ধি দিয়া নিয়ম-বিধানক অৱমাননা কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। কেৱল সিমানেই নহয়, শাৰীৰিক নির্যাতনো তাই নীৰৱে সহ্য কৰিছিল। তাইৰ গিৰীয়েক লাতু গোসাঁয়ে কানিৰ কাণ কাটি বেচা তিৰোতাৰ হাতেৰে পাৰৰ মাংস খোৱা বুলি তাইক দাম্ভিকভাৱে কৈছিল। তেনে স্থলত সমাজে তেওঁৰ নোম এডালো লৰাব নোৱাৰিলে। কিন্তু তেনে এজন চৰিত্রহীন, উচ্ছৃঙ্খল লোকৰ বিধৱা ৰূপে তাই অসংখ্য বিধি-নিয়ম মানিবলগীয়া হৈছিল। সমাজত তাই সাত্তিক ভাবাপন্ন বিধৱা ৰূপে খ্যাতি ৰাখিবই লাগিব। কিন্তু গিৰিবালা অন্য ধাতুৰে গঢ়া নাৰী আছিল। তাই ব্যাহ্যিক নীতি-নিয়মৰ আড়ম্বৰত নিজকে আবদ্ধ কৰিবলৈ ইচ্ছা কৰা নাছিল। তাই তেজ-মঙহৰ সাধাৰণ নাৰী এজনীৰ দৰে জীৱনতো অতিবাহিত কৰিবলৈ হাবিয়াস কৰিছিল। তাইৰ সেই হাবিয়াস পূৰণৰ পথত ৰক্ষণশীল সমাজে প্রতিবন্ধকতাৰ সৃষ্টি কৰিছিল। গিৰিবালাই যেন সেই ৰক্ষণশীলতাৰ প্রতিবাদকল্পেই ককাকৰ বছেৰেকীয়া শ্রাদ্ধৰ সময়ত ভোজৰ বাবে ৰন্ধা মাংসৰ সুৱাদ ল'বলৈ আগ্রহী হৈছিল। তাই সেই নিসিদ্ধ আহাৰ 'ভক্ষণ' কৰি সমাজৰ চকুত ধৰা পৰিছিল। তাই কৰা সেই 'পাপ'ৰ প্রতিফল ৰূপে মাক গোসাঁনীৰ পৰা চৰ-ঢকা-ভুকু খোৱাৰ উপৰিও প্রায়শ্চিত্ত হ'বলগীয়া হৈছিল। কিন্তু তাৰ বাবে তাই অনুশোচনা কৰা নাছিল। সেয়েহে খবৰ ল'বলৈ অহা মার্কৰ আগত তাই নিজৰ অন্তৰৰ ক্ষোভ উজাৰি কৈছিল, "চাহাব। মই দুর্গা নাইবা সৰু ***গহেনী***ৰ দৰে বাচি ***থাক্‌বা নৰো***।" তাই জীয়াই থাকিব নোৱাৰিলেও কোনো এটা দুর্বল মুহূর্তত মার্কৰ কোঠালৈ গৈছিল। সাত্তিক পুৰুষ মার্কে তাইৰ শ্লীলতা হানি নকৰিলে সঁচা, কিন্তু সমাজৰ ৰক্ষণশীল ব্যক্তিসমূহৰ দৃষ্টিত তাই পৰপুৰুষৰ সংস্পর্শলৈ অহাৰ বাবে পৰিয়াললৈ কলঙ্ক আনিছিল। গতিকে তাই প্রায়শ্চিত্ত কৰিব লাগিব। পৰপুৰুষৰ সংস্পর্শলৈ অহাৰ বাবে গিৰিবালা 'মেঘ দাহ'ৰ নিচিনা ভয়ঙ্কৰ প্রায়শ্চিত্ত বিধানৰ সন্মুখীন হৈছিল। সেই 'মেঘদাহ' পর্বত গিৰিবালাই নিজৰজীৱনটো শেষ কৰি দিছিল।'মেঘ দাহ'ৰ জুইত গিৰিবালা জাহ গ'ল।পিছে এইয়া নিয়তিৰ ওচৰত তাইৰ আত্মসমর্পণ নাছিল। এইয়া যেন পুৰুষপ্রধান ৰক্ষণশীল সমাজৰ বিৰুদ্ধে তাই সাব্যস্ত কৰা প্রতিবাদ— য'ত তাই সমাজক এইটো জনাই দিছিল যে তাই নিজস্ব ৰুচি অনুসৰি স্বাভাৰিক, সম্মানজনক জীৱন অতিবাহিত কৰিব নোৱাৰিলেও অন্ততঃ নিজৰ অভিশপ্ত জীৱনটো শেষ কৰিব পাৰে। অৱদমিত নাৰীয়ে প্রতিবাদ কৰিবলৈ



গহেনী ঃ গোঁসানী
থাক্‌বা নৰো ঃ থাকিব নোৱাৰা।

গ্ৰহণ কৰা এই 'দুঃসাহসী' পদক্ষেপ কেৱল মাত্ৰ ৰয়ছম গোস্বামীৰ নিচিনা কথা শিল্পীৰ বাবে সম্ভৱপৰ।

তেওঁৰ *নীলকণ্ঠীব্ৰজ*ৰ নায়িকা সৌদামিনীয়েও নিজৰ প্ৰতিবাদী আত্মাৰ ক্ষোভ উজাৰিব জানিছিল। তাই ওৰেতো জীৱন দেউতাক ডাক্তৰ ৰায়চৌধুৰীৰ দৰে দাতব্য চিকিৎসালয় পাতি মানৰ সেৱাত ব্ৰতী হৈ থাকিব খোজা নাছিল। ব্ৰজধামৰ প্ৰকৃত ৰূপটোৱে যিটো ৰূপত তাইৰ নগ্ন চকুত ধৰা দিছিল— ব্ৰজধামৰ বিষয়ে তাইৰ মনত থকা পূৰ্বৰ ধাৰণা সলনি কৰি দিয়ে। ভগৱান শ্ৰীকৃষ্ণৰ গুণ-নাম কীৰ্ত্তন কৰা বৃদ্ধ ৰাধেশ্যামীসকলৰ দুখজৰ্জৰ হতাশাজনক জীৱনে সৌদামিনীক বাস্তৱৰ কঠোৰতাৰ লগত ভালদৰে পৰিচিত কৰাই দিয়ে। তাই সেই অন্ধকূপৰ পৰা মুকলি হোৱা পথৰ অন্বেষণ কৰিছিল। স্বয়ং তাইৰ পিতৃ ৰায়চৌধুৰীয়ে তাইক তাইৰ খ্ৰীষ্টিয়ান প্ৰেমিকজনৰ লগত মিলিত হ'বলৈ অনুমতি প্ৰদান কৰিছিল। তাই নিজৰ প্ৰেমিকক লগ ধৰিবলৈ গৈছিল। দুয়ো মিলিত হৈছিল। কিন্তু শেষ মুহূৰ্তত তাই তাইৰ প্ৰেমিকৰ লগত মুকলি মনেৰে ব্ৰজৰ পৰা গুচি যাব নোৱাৰিলে। সংস্কাৰৰ ডাঠ তৰপ ভেদ কৰি তাইৰ আত্মাই তাইক তেনে দুঃসাহস কৰিবলৈ উৎসাহিত নকৰিলে। তাই আপানঘাতী হ'ল। তাইৰ মৃতদেহত লাগি ৰ'ল এখন ৰঙীন উত্তৰীয়া। সৌদামিনীয়ে প্ৰতিবাদ কৰিব জানিছিল ঠিকেই। কিন্তু তাই গিৰিবালাৰ দৰে প্ৰচলিত ধাৰাৰ বিৰুদ্ধে গৈ নিজৰ প্ৰেমক স্বীকাৰ কৰা নাছিল। তাই তেনে কৰিব নোৱাৰা ক্ষোভত আত্মহত্যা কৰা বুলি ক'ব পাৰি। পিছে গিৰিবালাৰ মনত সৌদামিনীৰ দৰে দ্বিধাবোধ নাছিল। তাই প্ৰতিবাদ কৰিব জানিছিল আৰু নিজৰ উদ্দেশ্যত সফল হৈছিল।

ঔপন্যাসিক গৰাকীৰ শ্ৰমিক জীৱনৰ ভিত্তিত ৰচিত উপন্যাস *মামৰে ধৰা তৰোৱাল*ত চিত্ৰিত হোৱা নাৰায়ণী চৰিত্ৰটো তেওঁৰ উপন্যাসৰ অন্যতম প্ৰতিবাদী চৰিত্ৰ ৰূপে চিহ্নিত হৈছে। শ্ৰমিক ৰূপে জীৱন পাত কৰা নাৰায়ণীয়েও এসময়ত ৰঙীন সপোন দেখিছিল। তাইৰ প্ৰেমিকৰ অভাৱ নাছিল। এইজনী হৰিজন নাৰীৰ কাষলৈ অভিজাত ঘৰৰ পুৰুষ আহিছিল। কিন্তু তেনে পুৰুষে তাইৰ ওচৰত প্ৰেম ভিক্ষা কৰিলেও তাইক পত্নী ৰূপে সামাজিক স্বীকৃতি দিবলৈ প্ৰস্তুত নাছিল। এফালে হীন জাতিৰ লোক বুলি সমাজে কৰা লঘু-লাঞ্ছনা আৰু অন্যহাতে ভদ্ৰ সমাজৰ পুৰুষৰ পৰা পোৱা প্ৰতাৰণাই নাৰায়ণীক এক ক্ষুব্ধ বাঘিনীত পৰিণত কৰিছিল। আৰ্থিক দৈন্য, বেমাৰী গিৰীয়েক আৰু কেঁচুৱাটোৰ চিন্তাই তাইক যিকোনো প্ৰকাৰে ধন আহৰণৰ বাবে উৎসাহিত কৰিছিল। তাই নিজৰ ভগ্নপ্ৰায় দেহটো বাবুবোৰৰ 'ভোগ'ত লগাইছিল। তাইৰ অন্তৰাত্মাই তেনে কাম কৰি শান্তি পোৱা নাছিল। তাই নিজেই নিজৰ মনৰ সেই পাপবোধ মচি পেলাবলৈ দৃঢ়প্ৰতিজ্ঞ হৈছিল। তাই তাইৰ দেহ অশুচি কৰা চাহাবটোক হত্যা কৰিলে। এইদৰে *মামৰে ধৰা তৰোৱাল*ৰ নাৰায়ণী নামৰ চৰিত্ৰটোৱে চৰম প্ৰতিবাদ সাব্যস্ত কৰিব জানিছিল। এইদৰে বিভিন্ন পৰিস্থিতিত সমাজৰ বিভিন্ন স্তৰৰ নাৰীয়ে প্ৰতিবাদী চৰিত্ৰৰ ৰূপ লৈ মামণি ৰয়ছম গোস্বামীৰ উপন্যাসসমূহক বিশেষ বৈশিষ্ট্য প্ৰদান কৰিছে।

- **মানৱতাবাদ ঃ** মানৱতাবাদ মামণি ৰয়ছম গোস্বামীৰ ৰচনাৰ মূল উপজীব্য। তেওঁৰ উপন্যাস কেইখনো ইয়াৰ ব্যতিক্রম নহয়। উপন্যাসসমূহত তেওঁ একাধিক সমাজৰ চিত্র প্রতিফলিত কৰিছে। সেই সমাজবোৰত অৱস্থান কৰা বিভিন্ন শ্রেণীৰ নৰ-নাৰীৰ জীৱন-গাঁথা অঙ্কন কৰিছে। সমাজৰ বিভিন্ন স্তৰ, বিভিন্ন মানসিক পৰিমণ্ডলৰ পৰা বুটলি অনা চৰিত্রসমূহে ৰয়ছম গোস্বামীৰ উপন্যাসত ভিৰ কৰিছেহি। সেইসমূহক ভাল চৰিত্র বা বেয়া চৰিত্রহিচাপে বিচাৰ কৰাটো যিমান কঠিন সিমানেই কঠিন সিহঁতৰ মানসিক জগতৰ যথাযথ মূল্যায়ন। চৰিত্রসমূহ আৰু সিবিলাকৰ আচাৰ-আচৰণ, চৰিত্রসমূহৰ পা�ৰস্পৰিক আদান প্রদানৰ মাজেদি মানৱবাদৰ স্ফূৰণ ঘটিছে। ঔপন্যাসিৰ সূক্ষ্ম দৃষ্টিত বিভিন্ন স্তৰৰ নৰ-নাৰীৰ বিৰহ-বেদনা, ক্ষোভ-হতাশা আৰু প্রতাৰিত আত্মাৰ চিঞৰেই যে প্রকাশ পাইছে এনে নহয়। বৰঞ্চ চৰিত্র বিশেষৰ মনত অন্তঃসলিলা ফল্গুধাৰাৰ দৰে প্রৱাহিত হৈ থকা মানৱীয়তাবোধ আৰু পৰোপকাৰৰ স্রোতটোৱে তাৰ ঐশ্বৰিক সঙ্গীতৰ সুৰেৰে ব্যক্তিৰ মনলৈ শান্তিৰ নিজৰা বোৱাই আনিছে। সেয়েহে *অহিৰণ*ৰ হৰ্শুলে পত্নী নির্মলাৰ লগত থকা ঠাকুৰৰ অবৈধ সম্পর্কৰ কথা জানিও নির্মলাক ক্ষমা কৰি দিছিল। তেওঁ গৌৰীশঙ্কৰে প্রতাৰণা কৰা কদমৰ জাৰজ সন্তানটো আঁকোৱালি লৈ মানৱতাৰ উৎকৃষ্ঠ নিদর্শন দাঙি ধৰিছিল। *চেনাবৰ সোঁত*ত শিৱান্না নামৰ চৰিত্রটোৱেও জীৱনৰ খলা-বমা পথত আগবাঢ়োতে প্রেম আৰু কৰুণাৰ চিৰশাশ্বত বাণী পাহৰা নাই। সেয়েহে সি কালাহাণ্ডিৰ নীড় আম্মাক পাহৰিব পৰা নাই। এফালে দুর্ভিক্ষ আৰু অন্যফালে এক নিঃসহায় আশ্রয়হীন অৱস্থাৰ পৰা নীড় আম্মাক শিৱান্নাই তেওঁৰ জীৱনৰ শেষ মুহূর্তলৈকে চাই আছিল। সি নীড় আম্মাৰ বাবে একো কৰিব নোৱাৰিলে। কিন্তু সি সোণীৰ গর্ভত তিল তিলকৈ বাঢ়ি অহা দেৱশিশুটোক ৰক্ষা কৰিবলৈ বদ্ধ পৰিকৰ হৈছিল। পৰিস্থিতিৰ তাড়ণাত সোণীয়ে ভুল পথত ভৰি দিছিল। পিছে শিৱান্নাই তাইৰ সেই মানসিক দ্বিধাৰ কথা উপলব্ধি কৰিব পাৰিছিল। সেই বাবে সি প্রতিজ্ঞা ল'লে যে সোণীৰ গর্ভত থকা শিশুটোক কোম্পানীয়ে সিহঁতক কৰাৰ দৰে ফটা জোতাৰ দৰে ব্যৱহাৰ কৰিবলৈ নিদিয়ে। সি সোণীৰ ফালে আশ্রয় আৰু নিৰাপত্তাৰ দুবাহু মেলি দিলে। শিৱান্নাৰ মনত জাগ্রত মুক্তিৰ এই চেতনাও মানৱতাবোধৰ এক প্রকাশ। সামন্ত শ্রেণীৰ পৰিয়ালৰ সদস্য হোৱা সত্ত্বেও ইন্দ্রনাথৰ মন উদাৰ। তেওঁ আমৰঙা সত্রৰ ভাবী অধিকাৰী। অথচ তেওঁ জাত্যাভিমান পাহৰি জামালুদ্দিনৰ শৱদেহটো ৰাতিৰ ভিতৰতে মুছলমান গাঁৱলৈ নিয়াৰ ব্যৱস্থা কৰি দিছিল। তেওঁ সমাজৰ দৃষ্টিত বোজা স্বৰূপ দুর্ভগীয়া কুষ্ঠ ৰোগীটো আৰু দাৰিদ্র্য পীড়িত কানি আসক্ত দুর্ভগীয়া ৰায়তসমূহৰ মঙ্গলৰ বাবে সাধ্যানুসাৰে নিজৰ কৰণীয় কর্তব্য পালন কৰিছিল। বংশ মর্যাদাৰ কথা নাভাবি এইদৰে মানৱ সেৱাত ব্রত লৈ কর্তব্য পথত আগবঢ়া ইন্দ্রনাথ ৰয়ছম গোস্বামীৰ উপন্যাসৰ এটা অন্যতম উজ্বল চৰিত্র। একেটা সাঁচতে মার্ক চৰিত্রটোকো পেলাব পাৰি। মার্কৰো একমাত্র লক্ষ্য মানৱ কল্যাণ।

এইগাৰাকী সংবেদনশীল লেখিকাৰ কাপত বর্ণাঢ্য ৰূপত মানৱতাবাদৰ প্রতিফলন ঘটিছে। সূক্ষ্মভাৱে বিচাৰ কৰিলে আমি দেখিম যে ৰয়ছম গোস্বামীৰ উপন্যাসত তথাকথিত বেয়া চৰিত্র কিছুমান চিত্রিত হৈছে যদিও সেই চৰিত্রসমূহৰ বাস্তৱ জীৱন আৰু সিবিলাকৰ মানসিক জগতত তোলপাৰ লগোৱা বিচাৰধাৰা আৰু প্রশ্নসমূহ বিশ্লেষণ কৰিলে এইটো প্রতীয়মান হ'ব যে সেইবোৰো সুখ-দুখ, পোৱা-নোপোৱা চাকনৈয়াত পৰি ককবকাই থকা সাধাৰণ মানুহ। সেয়েহে তেওঁৰ ৰচনাত স্থান পোৱা দেহোপজীৱীনীজনীৰ মনতো যিদৰে হর্ষ-বিষাদৰ অনুভূতি থাকিব পাৰে, ঠিক সেইদৰে পৰৱর্তী সময়ত সন্দেহজনক সন্ত্রাসবাদী কার্যকলাপত লিপ্ত হৈ বিভৎসভাৱে মৃত্যুক আঁকোৱালি লোৱা অটো চালক সন্তোষ সিং নামৰ চৰিত্রটোৰ মনতো মানৱীয় চেতনাৰ অভাৱ ঘটা নাই। জীৱনৰ বর্ণাঢ্য ক্ষেত্রৰ পৰা বিচিত্র চৰিত্র বুটলিব জনা ঔপন্যাসিক মামণি ৰয়ছম গোস্বামীয়ে পৰিৱেশ-পৰিস্থিতিৰ অনুকূলে চৰিত্রসমূহ চিত্রিত কৰিছিল।লক্ষ্যণীয় যে তেওঁৰ প্রায় ভাগ চৰিত্রক পৰিস্থিতিয়ে গঢ় দিছিলে। পৰিস্থিতিৰ দায়ত পৰিএকোগৰাকী নির্জু ব্যক্তিয়ে হয়তো উদগীৰণ হোৱা জ্বালামুখীৰ ৰূপ ধাৰণ কৰিছে। কুটিল মনৰ ব্যক্তি এগৰাকীৰ মনতো পৰোপকাৰী ভাৱনাৰ উদ্রেক হৈছে। এইদৰে তেওঁৰ উপন্যাসত জীৱনৰ বিচিত্র আৰু বর্ণাঢ্য ৰূপ প্রদর্শন কৰিলেও ব্যক্তিৰ চিন্তা জগতত সুপ্ত হৈ থকা মানৱীয় প্রেমৰ ফল্গুধাৰাৰ বহির্মুখী প্রৱাহ যাতে স্তিমিত নহয়, ঔপন্যাসিকে সেই চেষ্টাত অহৰহ ব্রতী হৈ তেওঁৰ উপন্যাস কৃতিসমূহত মানৱতাবাদৰ মনোজ্ঞ প্রতিফলন ঘটাইছে। তেওঁৰ শেহতীয়া বহুচর্চিত উপন্যাস কৃতি 'চিন্নমস্তাৰ মানুহটো'তো ঔপন্যাসিকৰ মনত জীপাল হৈ থকা মহান মানৱতাবোধৰ স্ফূৰণ ঘটিছে।

- **প্রতীক আৰু চিত্রকল্পৰ শক্তিশালী প্রয়োগ ঃ** সাহিত্য কর্মত ব্রতী লেখক-লেখিকাৰ কাপৰ পৰা নিগৰা প্রতীক আৰু চিত্রকল্পই ৰচনাসমূহক একো একোটা বিশিষ্ট ৰূপ প্রদান কৰে। তেওঁলোকৰ নিজৰ ৰচনাৰ মাজেদি প্রকাশ কৰিব খোজা বাস্তৱৰ কিছুমান কথা কলাত্মক তুলিকাৰ সাঁচ বহুৱাই তাক পৰিৱেশন কৰে। ৰচনাত্মক ৰূপ দিবলৈ যাওঁতে তেওঁলোকে প্রতীক আৰু চিত্রকল্পৰ সহায় লয়। মন কৰিবলগীয়া যে ঔপন্যাসিক মামণি ৰয়ছম গোস্বামীয়ে তেওঁৰ উপন্যাস ৰচনাসমূহত অন্যান্য দিশৰ লগতে প্রতীক আৰু চিত্রকল্পৰ সার্থক প্রয়োগ ঘটাইছে।এইগৰাকী মানৱ দৰদী লেখিকাই সমাজৰপ্রতি থকা এক দায়বদ্ধ মনোভাৱ পোষণ কৰিয়েই কথা সাহিত্যৰ সৃষ্টিত মনোনিৱেশ কৰিছিল। সাহিত্যক তেওঁ তেওঁৰ ব্যক্তিগত আশা-অনুভূতি প্রকাশৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰাৰ উপৰি সমাজক পর্যালোচনা কৰা আৰু সমাজৰ বিভিন্ন চৰিত্রক বিশ্লেষণ কৰাৰ মাধ্যম স্বৰূপে ব্যৱহাৰ কৰিছিল। *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*নামৰ উপন্যাসখনত তেওঁ 'উঁয়ে খোৱা হাওদা'ক এক ভাঙোনমুখী ব্যৱস্থাৰ প্রতীক ৰূপে চিহ্নিত কৰিছে। ইয়াত উঁয়ে খোৱা হাওদাখনে ক্রমশঃ হ্রাস পাবলৈ ধৰা গোসাঁই পৰিয়ালটোৰ আভিজাত্যৰ কথা কৈছে। *চেনাবৰ সোঁত* নামৰ উপন্যাসখনত তেওঁ বাবে বাৰে 'ফটা জোতা'ৰ প্রতীক ব্যৱহাৰ কৰিছে। তেওঁ

উল্লেখ কৰা এই ফটা জোতাই অসংগঠিত, নিৰাপত্তাহীন আৰু ভৱিষ্যৎহীন শ্ৰমিকবোৰৰ অৱস্থা দৰ্শাইছে। সম্পদশালী লোকসকলে চক্‌চকীয়া জোতাৰ প্ৰতি আকৰ্ষণ অনুভৱ কৰে আৰু তেনে জোতা ক্ৰয় কৰে। সময়ত সেই জোতা ক্ষয় গ'লে তাক দলিয়াই পেলায়। ঠিক সেইদৰে কোম্পানীৰ মালিক আৰু বাবুসকলে অসংগঠিত, ভৱিষ্যৎহীন অস্থায়ী শ্ৰমিকবোৰক নিজৰ ব্যৱসায়িক প্ৰয়োজন আৰু ব্যক্তিগত স্বাৰ্থত খটুৱাইছিল। নিজৰ স্বাৰ্থ সিদ্ধিৰ পিছত সেই শ্ৰমিকবোৰক কোম্পানীৰ কামত ৰখা নহৈছিল। তাৰে কিছুমান কৰ্তব্যৰত অৱস্থাত আঘাতপ্ৰাপ্ত হৈ জীয়াতু ভুগিবলগীয়া হৈছিল। কিন্তু তেনে দুৰ্ভগীয়া শ্ৰমিককো অমানৱীয়ভাৱে কামৰ পৰা উলিয়াই দিয়া হৈছিল বা নিকৃষ্ট জন্তুৰ দৰে তিল তিলকৈ মৃত্যুমুখলৈ ঠেলি দিয়া হৈছিল।এয়া মাত্ৰ দুটামান উদাহৰণহে।ৰয়ছম গোস্বামীয়ে তেওঁৰ উপন্যাসতএইদৰেপ্ৰতীকাত্মক ব্যঞ্জনাৰে সমাজৰ কুটিলতা,অন্ধ কুসংস্কাৰআদিৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছিল। সাহিত্যত যিবোৰ বৰ্ণনাত্মক চিত্ৰই পাঠককআবেগিক সঁহাৰি জনাবলৈ উদ্বুদ্ধ কৰে তাকেই চিত্ৰকল্প বোলে।সাহিত্যৰ প্ৰধান শাখাকেইটাত চিত্ৰকল্পৰ বহুল প্ৰয়োগ আছে। মামণি ৰয়ছম গোস্বামীৰ উপন্যাসসমূহত প্ৰতীকৰ দৰে চিত্ৰকল্পবো বহুল প্ৰয়োগ আছে। তেওঁৰ আটাইকেইখন উপন্যাসতে অপূৰ্ব চিত্ৰকল্পৰ সমাহাৰ ঘটিছে। উপন্যাসৰ কাহিনী বিশেষ প্ৰয়োগ কৰা চিত্ৰকল্পসমূহে পৰিবেশ আৰু পৰিস্থিতিৰ যি সজীৱ চিত্ৰ দাঙি ধৰিছে, সিয়ে তেওঁৰ উপন্যাসৰ সাহিত্যিক সৌন্দৰ্য বৃদ্ধিত অৰিহণা যোগাইছে। উদাহৰণ স্বৰূপ, *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত* প্ৰয়োগ হোৱা চিত্ৰকল্পৰ কথালৈ আঙুলিয়াব পাৰি— "ইন্দ্ৰনাথৰ ভাব হ'ল এই মুহূৰ্তত জোনটো যেন এটা সোণালী মাছ হৈ পৰিছে, এই সোণালী মাছে সৌৱা জালত পৰি যেন ছট্‌ফটাই আছে।"

জোনটোক এইদৰে সোণালী মাছৰ লগত তুলনা কৰি জালত পৰি ছট্‌ফটাই থকা ৰিজনি দি ঔপন্যাসিকে প্ৰকৃতি জগতৰ এই উপাদানসমূহক মনোজ্ঞ ৰূপত উপস্থাপন কৰিছে। লগতে প্ৰকাশ পাইছে ইন্দ্ৰনাথ নামৰ চৰিত্ৰটোৰ মনোদ্দশা। ইন্দ্ৰনাথো যেন আপুৰুগীয়া সোণালী মাছটোৰ সন্ধানত আগবাঢ়িছে। কিন্তু তেওঁ জালৰ ভিতৰত আবদ্ধ মাছটোক উদ্ধাৰ কৰিব পৰা নাই।জালত পৰা মাছটোৰ ছটফটনিয়ে যেনইন্দ্ৰনাথৰ মনত সৃষ্টি হোৱা দোধোৰ-মোধোৰ ভাবকে কলাত্মকভাৱে প্ৰকাশ কৰিছে। সেইদৰে ঔপন্যাসিকৰ অন্য এখন উপন্যাস *চেনাবৰ সোঁতত* সোণীয়ে প্ৰত্যক্ষ কৰা দলং নিৰ্মাণৰ সা-সৰঞ্জামসমূহো তাইৰ দৃষ্টিত কুৎসিৎ ঘাঁ ৰূপে ধৰা দিছিল। সেই দৃশ্যক এক বিশেষ চিত্ৰকল্পৰ মাধ্যমত প্ৰকাশ কৰা হৈছে— "আজি হঠাতে কোমল, সেউজীয়া ঘাঁহনি ডৰা অদৃশ্য কৰি পেলোৱা মামৰে ধৰা এই পিতল বৰণীয়া সৰঞ্জামবোৰক সোণীৰ এটুকুৰা কুৎসিৎ ঘাৰ দৰে লাগিল।"

সোণীহঁতৰ নিচিনা সৰু সৰু মানুহবোৰৰ জীৱন পৰিক্ৰমাত মামৰে ধৰা সা-সৰঞ্জাম তেনেই চিনাকি। সেই সৰঞ্জামবোৰৰ লগত সিহঁতৰ জীৱন আৰু জীৱিকাৰ ওতঃপ্ৰোত সম্পৰ্ক। অথচ সোণীয়ে সেউজবুলীয়া প্ৰকৃতিত নিজকে বিলীন কৰি দিব খোজে।

তাই সেউজ, কোমল ঘাঁহনি ভাল পায়। তাই তাইৰ জীৱনটোকো সেইদৰে পাব বিচাৰে। কিন্তু বাস্তৱ ব্যৱস্থা আৰু পৰিস্থিতিয়ে তাইক তেনে সুযোগ দিবলৈ অনিচ্ছুক। উপন্যাসখনৰ আৰম্ভণিতে সোণীয়ে প্রত্যক্ষ কৰা এই কুৎসিত ঘাঁ সদৃশ মামৰে ধৰা সৰঞ্জামসমূহ সিহঁতৰ নিচিনা আন বহুতো চৰিত্রৰ ভাগ্যলিপি। সিহঁতৰ জীৱনত সুখ ক্ষন্তেকৰ অতিথি মাত্র। তেওঁৰ অন্যান্য উপন্যাসতো মানৱ মনৰ বিচিত্র দিশ ৰূপায়ণ কৰিবলৈ যাওঁতে সার্থক চিত্রকল্পৰ সহায় লৈছে। এইদৰে পাঠকৰ দেহ-মন মছি নিব পৰা ভাষাৰ প্রয়োগ আৰু বর্ণিল অভিজ্ঞতাৰ বিৱৰণৰ লগতে প্রতীক আৰু চিত্রকল্পই মামণি ৰয়ছম গোস্বামীৰ উপন্যাসসমূহক এক বিশেষ সৌন্দর্য প্রদান কৰিছে।



অগ্রগতি নিৰীক্ষণ

২নং প্রশ্ন ঃ মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰাজিত প্রকাশ পোৱা সাধাৰণ বৈশিষ্ট্যসমূহ উল্লেখ কৰক। (১৫০টা শব্দৰ ভিতৰত)



চিন্তা-চর্চা কৰক - ১৩.১

অধিক জানিবলৈত উল্লেখ থকা মামণি ৰয়ছম গোস্বামীৰ উপন্যাস কেইখনৰ আধাৰত তেওঁৰ উপন্যাসত ফুটি উঠা শ্রমিক জীৱনৰ স্থিতি সম্পর্কে আলোচনা কৰক।



১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ অধ্যয়নে আপোনাক আধুনিক অসমীয়া সাহিত্যৰ এগৰাকী কথা শিল্পী মামণি ৰয়ছম গোস্বামীৰ জীৱন আৰু কৃতিৰ লগত পৰিচয় কৰাই দিলে।
- বিদ্যায়তনিক জগতখনৰ লগতে এই বিশিষ্ট লেখিকা গৰাকী যে সামাজিক, সাহিত্যিক আৰু সাংস্কৃতিক পথাৰতো সক্রিয় আছিল তাৰ লেখ পালোঁ।
- জীৱন আৰু জগতক সূক্ষ্মভাৱে, একেবাৰে ওচৰৰ পৰা প্রত্যক্ষ কৰা এইগৰাকী সংবেদনশীল কথাশিল্পীৰ উপন্যাসৰাজিৰ বৈশিষ্ট্য আলোচনাৰ প্রসঙ্গত আমি তেওঁৰ সূক্ষ্ম পর্যবেক্ষণমূলক মনোভাৱ আৰু জীৱনৰ প্রতি যি মমত্ববোধ তাৰ বর্ণাঢ্য প্রকাশ দেখিবলৈ পালোঁ।
- অসমীয়া সাহিত্যত যদি কোনোবা কথা-সাহিত্যিকে শ্রমিক জীৱনৰ বর্ণাঢ্য চিত্র অঙ্কন কৰিছে তেন্তে সেয়া হৈছে মামণি ৰয়ছম গোস্বামী। অৱশ্যে তেনে চৰিত্র সৃষ্টিৰ পটভূমি অসম নহৈ ভাৰতৰ অন্যান্য অঞ্চল যদিও শ্রমিক শ্রেণীৰ শৃঙ্খলিত আবেগ-আকাংক্ষা, শোষণ-নিপীড়ণৰ যি কাহিনী তেওঁৰ উপন্যাসসমূহত বর্ণিত হৈছে তাৰ আবেদন বিশ্বজনীন।

- প্রতিবাদী চৰিত্রৰ চিত্রণত মামণি ৰয়ছম গোস্বামী সিদ্ধহস্ত। তেওঁৰ উপন্যাসত দুর্দশাগ্রস্ত জীৱনৰ লগতে দুর্দশাৰ উৎসৰ প্রতি তেনে চৰিত্রই প্রদর্শন কৰা বিতৃষ্ণা আৰু ক্ষোভ প্রকাশ পাইছে।
- এইগৰাকী সংবেদনশীল লেখিকাৰ কাপত বর্ণাঢ্য ৰূপত মানৱতাবাদৰ প্রতিফলন ঘটিছে। তেওঁৰ উপন্যাসত পৰিস্থিতিৰ দায়ত পৰি একো গৰাকী নির্জু ব্যক্তিয়ে হয়তো উদগীৰণ হোৱা জ্বালামুখীৰ ৰূপ ধাৰণ কৰিছে। কুটিল মনৰ ব্যক্তি এগৰাকীৰ মনতো পৰোপকাৰী ভাৱনাৰ উদ্রেক হৈছে।



১৩.৬ অধিক জানিবলৈ

১) গগৈ, হৃদয়ানন্দ (২০০১) ঃ *আধুনিকতাৰ সন্ধানত মামণি ৰয়ছম;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

২) গোস্বামী, মামণি ৰয়ছম (১৯৭২) ঃ *চেনাবৰ সোঁত;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৩) গোস্বামী, মামণি ৰয়ছম (১৯৭৬) ঃ *নীলকণ্ঠী ব্রজ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৪) গোস্বামী, মামণি ৰয়ছম (১৯৮০) ঃ *অহিৰণ;* গুৱাহাটী ঃ বাণী প্রকাশ।

৫) গোস্বামী, মামণি ৰয়ছম (১৯৮০) ঃ *মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস;* গুৱাহাটী।

৬) গোস্বামী, মামণি ৰয়ছম (১৯৮৬) ঃ *সংস্কাৰ, উদয়ভানুৰ চৰিত্র, ইত্যাদি;* কলিকতা ঃ শ্রীভূমি পাৱলিছিং কোম্পানী।

৭) গোস্বামী, মামণি ৰয়ছম (১৯৮৮) ঃ *আধালেখা দস্তাবেজ;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোর্ছ।

৮) গোস্বামী, মামণি ৰয়ছম (১৯৮৮) ঃ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা;* গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

৯) গোস্বামী, মামণি ৰয়ছম (১৯৯৪) ঃ *তেজ আৰু ধুলিৰে ধূসৰিত পৃষ্ঠা;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোর্ছ।

১০) গোস্বামী, মামণি ৰয়ছম (১৯৯৪) ঃ *উপন্যাস সমগ্র,* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোর্ছ।

১১) গোস্বামী, মামণি ৰয়ছম (১৯৯৪) ঃ *দাশৰথীৰ পুত্রৰ খোজ;* গুৱাহাটী ঃ বাণী প্রকাশ।

১২) গোস্বামী, মামণি ৰয়ছম (১৯৯৪)·ঃ *ছিন্নমস্তাৰ মানুহটো;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোর্ছ।

১৩) গোহাঁই, ৰাণী (১৯৯৯) ঃ *হৃদয়ৰ তপস্বিনী;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

১৪) ঠাকুৰ, নগেন (২০০০) ঃ *এশবছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

১৫) ভৰালী, শৈলেন (২০০৪); *মাধৱ কন্দলিৰ পৰা মামণি গোস্বামীলৈ;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

১৬) শর্মা, গোবিন্দ প্রসাদ (১৯৯৫); *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোর্ছ।

১৭) হুছেইন, নিকুমণি (২০০৯) ঃ *মামণি ৰয়ছম গোস্বামী ঃ জীৱন কৃতি আৰু কৃতিত্ব;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।



১৩.৭ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ ড° ইন্দিৰা (মামণি ৰয়ছম) গোস্বামীৰ জীৱনৰ চমু পৰিচয়... ...তেওঁ শিক্ষা-দীক্ষা... ..তেওঁৰ কৰ্মজীৱন... ...লাভ কৰা বঁটাসমূহ... ...তেওঁ জড়িত হৈ থকা অনুষ্ঠানৰ চমু উল্লেখসহ তেওঁৰ কৃতিসমূহৰ নিচেই চমু মূল্যায়ন।

২নং প্ৰশ্নৰ উত্তৰ ঃ ঔপন্যাসিক মামণি ৰয়ছম গোস্বামীৰ চমু পৰিচয়... ...তেওঁ ৰচনা কৰা উপন্যাস কেইখনৰ নাম... ...উপন্যাস কেইখনৰ সাধাৰণ বৈশিষ্ট্য।



১৩.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ আধুনিক অসমীয়া উপন্যাস সাহিত্যত ঔপন্যাসিক মামণি ৰয়ছম গোস্বামীৰ স্থান নিৰূপণ কৰক।

প্ৰশ্ন ২ ঃ মামণি ৰয়ছম গোস্বামীৰ জীৱন আৰু কৃতিৰ আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰাজিত প্ৰতিফলিত ভাৰতীয় সমাজখন কেনেকুৱা?

প্ৰশ্ন ৪ ঃ মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰাজিৰ মাজেদি শ্ৰমিক জীৱনৰ চিত্ৰ কি দৰে ফুটি উঠিছে? আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত নৰ-নাৰীৰ সম্পৰ্ক কি দৰে বিবৃত হৈছে?

*** ***** ***

অধ্যায় ১৪ ঃ মামণি ৰয়ছম গোস্বামী ঃ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা-২*

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*

১৪.৩.১ উপন্যাসখনৰ সাধাৰণ আলোচনা

১৪.৩.২ উপন্যাসখনৰ কাহিনীভাগ

১৪.৩.৩ উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ

১৪.৩.৪ উপন্যাসখনৰ বৈশিষ্ট্যসমূহ

১৪.৩.৫ উপন্যাসখনত প্ৰতিফলিত নাৰী কেন্দ্ৰিক চিন্তা

১৪.৩.৬ উপন্যাসখনত প্ৰয়োগ হোৱা ভাষা

১৪.৩.৭ আঞ্চলিক উপন্যাস হিচাপে *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*

১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৫ অধিক জানিবলৈ

১৪.৬ অগ্ৰগতিৰ খতিয়ান (কৈৱল ৰূপৰেখা)

১৪.৭ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাৰ* কাহিনী আৰু চৰিত্ৰসমূহ আলোচনা কৰিব পাৰিব
- *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*উপন্যাসত প্ৰতিফলিত নাৰীকেন্দ্ৰিক চিন্তাৰ ৰূপৰেখা বৰ্ণনা কৰিব পাৰি
- উপন্যাসখনৰ সাহিত্যিক সৌন্দৰ্য, যেনে— উপমা, প্ৰতীক, চিত্ৰকল্প, ইত্যাদিৰ আলোচনা কৰিব পাৰিব
- আঞ্চলিকতাবাদী উপন্যাস হিচাপে *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাখন* আলোচনা কৰিব পাৰিব
- উপন্যাসখনত প্ৰয়োগ হোৱা ভাষাৰ লগত পৰিচিত হ'ব।

১৪.২ পৰিচয়

স্নাতোকোত্তৰ অসমীয়া তৃতীয় ষান্মাসিকৰ দ্বিতীয় বুনিয়াদী পাঠ্যবিষয়ৰ অন্তৰ্গত এইটো চতুৰ্দশ তথা শেষ অধ্যায়। ইয়াৰ শিৰোনাম "মামণি ৰয়ছম গোস্বামী ঃ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা-২*।" ইয়াত অসমীয়া কথা সাহিত্যৰ এক বিশেষ প্ৰতিভা আৰু আন্তঃৰাষ্ট্ৰীয় স্বীকৃতি

লাভ কৰা বৰেণ্য কথাশিল্পী মামণি ৰয়ছম গোস্বামীৰ উল্লেখযোগ্য উপন্যাস কৃতি ৰূপে চিহ্নিত হোৱা ওপৰোক্ত উপন্যাসখনৰ আলোচনা কৰিবলৈ লোৱা হৈছে।এইখিনিতে শিক্ষার্থীক এইটো কথা জনাই থওঁ যে ইয়াৰ পূর্বৰ অধ্যায়সমূহত আলোচিত হোৱা উপন্যাসকেইখনৰ নিচিনাকৈ এইখন উপন্যাসৰ বিষয়বস্তুক দুটা খণ্ডত ভাগ কৰি ক্রমে ত্রয়োদশ আৰু চতুর্দশ অধ্যায়ত আলোচনা কৰা হৈছে। আলোচনা কৰিবলৈ লোৱা উপন্যাসখন এখন সামাজিক উপন্যাস। পিছে উপন্যাসখনৰ পটভূমি আৰু বিষয়বস্তুত এটা বিশেষ অঞ্চলৰ প্রাধান্য মন কৰিবলগীয়া। সেইদৰে উপন্যাসখনৰ অন্যান্য আনুসঙ্গিক বিষয়তো আঞ্চলিক বৈশিষ্ট্য বিৰাজমান। এই অর্থত এই উপন্যাসখনক আঞ্চলিক উপন্যাস হিচাপেও আলোচনা কৰিব পাৰিব। আহকচোন ! আমি এতিয়া এই বিশেষ উপন্যাসখনৰ আলোচনা ভাগলৈ আগবাঢ়োঁ।

১৪.৩ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*

ঔপন্যাসিক মামণি ৰয়ছম গোস্বামীয়ে ৰচনা কৰা বাছকৰনীয়া উপন্যাস কৃতিসমূহৰ ভিতৰত *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* এখন বহু চর্চিত উপন্যাস। পোন প্রথমবাৰৰ বাবে উপন্যাসখন ১৯৮৮ চনত প্রকাশিত হৈছিল। কাহিনী আৰু বিষয়বস্তুগত শ্রেণী বিভাজনৰ পৰা চাবলৈ গ'লে এইখন উপন্যাসক আঞ্চলিক উপন্যাসৰ শাৰীত স্থান দিব লাগিব। উপন্যাসখনৰ কাহিনীভাগ অসমৰ দক্ষিণ কামৰূপ অঞ্চলৰ এখন সত্রক কেন্দ্র কৰি গঢ় লৈ উঠিছে। সেইদৰে চৰিত্রৰ বৈচিত্র্য আৰু বিবিধতা প্রদর্শন তথা প্রতীক আৰু চিত্রকল্পৰ প্রয়োগে উপন্যাসখনক অসমীয়া উপন্যাস সাহিত্যৰ ইতিহাসত এক বিশিষ্ট আসন প্রদান কৰিছে।

১৪.৩.১ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* ঃ উপন্যাসখনৰ সাধাৰণ আলোচনা

দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা ঔপন্যাসিক মামণি ৰয়ছম গোস্বামীৰ সার্থক উপন্যাসসমূহৰ ভিতৰত অন্যতম। উপন্যাসখনৰ পটভূমি দক্ষিণ কামৰূপৰ আমৰঙা সত্র। উপন্যাসখনৰ পটভূমিৰ বিষয়ে কওঁতে ঔপন্যাসিক গৰাকীয়ে এই কথাষাৰ উল্লেখ কৰিছে। এখন বিশেষ সত্রৰ সত্রাধিকাৰৰ পৰিয়ালটোৰ উত্থান-পতনৰ কাহিনীক কেন্দ্র কৰি এই উপন্যাসখনৰ ঘটনাৱলী আগবাঢ়িছে। আমৰঙা সত্রৰ ভাবী অধিকাৰ ইন্দ্রনাথে পৰম্পৰাগত ৰক্ষণশীল চিন্তাৰ ঊর্দ্ধত থাকি চিন্তা কৰিবলৈ প্রয়াস কৰিছিল। তেওঁ একমাত্র বিধৱা ভনীয়েক গিৰিবালাক গোসাঁই পৰিয়ালৰ অন্যান্য বিধৱাৰ দৰে হতাশাত ভুগি কালাতিপাত কৰাৰ পৰিৱর্তে এগৰাকী স্বাভাৱিক যুৱতীৰ দৰে জীৱন-যাপন কৰিবলৈ অনুপ্রাণিত কৰিছিল। সেয়েহে ধর্মীয় আৰু সামাজিক আচাৰ-আচৰণৰ শৃঙ্খলাৰ মাজত আবদ্ধ হোৱা সত্ত্বেও খ্রীষ্টিয়ান মার্কক তেওঁলোকৰ সত্রৰ ইতিহাস উদ্ধাৰ কৰাৰ প্রসঙ্গত পুথি-পাঁজিৰ যোগান ধৰি তেওঁক সহায় কৰিবলৈ ভনীয়েক গিৰিবালাত দায়িত্ব দিছিল। মার্কে গিৰিবালাক সাপৰ কামোৰ খোৱাৰ পাছত তেওঁক পৰিচর্যা কৰি সুস্থ কৰি তুলিছিল। সমাজৰ দৃষ্টিত গিৰিবালাৰ এই আচৰণ অপৰাধ হিচাপে ধৰা দিছিল। মার্ক সৎ আৰু

ব্যক্তিত্বশীল পুৰুষ আছিল। পিছে ৰক্ষণশীল সমাজে গিৰিবালাক ক্ষমা কৰি নিদিলে। গিৰিবালাৰ শৰীৰটো 'শুদ্ধ' কৰিবলৈ আয়োজন কৰা 'মেষদাহ' অনুষ্ঠানত তাই স্বেচ্ছাই নিজৰ দেহ ত্যাগ কৰিলে। ইন্দ্রনাথৰ ইলিমন নামৰ ব্রাহ্মণ কন্যা গৰাকীৰ প্রতি দুর্বলতা আছিল যদিও তেওঁ ইলিমনক আপোন কৰিব নোৱাৰিলে। মৰাভিটাৰ মাটি টুকুৰাৰ সমস্যাটো সমাধান কৰিবলৈ যাওঁতে তাতেই তেওঁক হত্যা কৰা হয়। প্রগতিবাদী চিন্তাৰ ডেকা সত্রাধিকাৰ ইন্দ্রনাথৰ বহুতো স্বপ্ন বাস্তৱায়িত নোহোৱাকৈ থাকি গ'ল। গিৰীয়েকৰ ঘৰৰ মানুহৰ দৃষ্টিত 'পাপ গ্রহ' ৰূপে বিবেচিত হোৱা ইন্দ্রনাথৰ বিধৱা পেহীয়েক দুর্গাই দেওৰেকসকলে তেওঁক ঘূৰাই লৈ যাব বুলি বাট চাই থাকোঁতে যক্ষ্মা ৰোগত আক্রান্ত হৈ অকলেই স্বামীভিঠালৈ ঘূৰি গৈছিল। ইন্দ্রনাথৰ খুৰীয়েক সৰু গোসাঁনীয়ে বিধৱা হোৱাৰ পাছতো নিজৰ অস্তিত্ব বজাই ৰাখিবলৈ ৰক্ষণশীল গণ্ডিৰ মাজত থাকিয়েই সাহসেৰে আগবাঢ়িছিল।পিছে মহীধৰ বাপুৰ প্রতি থকা পূর্ণ বিশ্বাসে তেওঁক এটা সময়ত সর্বস্বান্ত কৰাৰ উপক্রম হৈছিল। মহীধৰ বাপুৰে তেওঁক কৰিব খোজা বিশ্বাসঘাতকতা সমাজে ধৰিব পাৰিছিল। মহীধৰ বাপুৰ শাস্তি হৈছিল। সত্রাধিকাৰ পৰিয়ালটোৰ বাহিৰে উপন্যাসখনত চিত্রিত হোৱা আমৰঙা সত্রৰ সাধাৰণ সমাজখনৰ মাজেদিও এক হতাশাৰ চিত্র ফুটি উঠিছে। কানি পানত আসক্ত সমাজখনৰ গৰিষ্ঠ সংখ্যক লোক দৰিদ্র আছিল। কানি পানত আসক্ত এইসকল লোকৰ অধিকাংশই দুখজনক পৰিণতিৰ ফালে আগবাঢ়িছিল। আনকি সেই পৰিৱেশত অৱস্থান কৰা জীৱ-জন্তুৰেও হতাশা আৰু ক্ষোভৰ বেহু ভেদ কৰিব পৰা নাছিল। সত্রাধিকাৰৰ প্রিয় জগন্নাথ 'ভাঠি খোলা' হাতী ৰূপে জনাজাত হৈছিল। তাক ধৰিবলৈ ৰৈ থকা চিকাৰী জামালুদ্দিনক সি মাৰি পেলোৱাৰ পাছত জগন্নাথক বধ কৰিবলৈ চৰকাৰী হুকুম আহিছিল। জগন্নাথে তাৰ পিঠিত বহুৰাই আকর্ষণীয় ***হাওদা*** ভৰিৰে গচকি চুৰমাৰ কৰি দিছিল। হাওদাখনৰ তলিত এডাল হাকোঁটা দেখা পোৱা গৈছিল যিডালে জগন্নাথক কষ্ট দিছিল। অৱশ্যে উপন্যাসখনত এই উঁয়ে খোৱা হাওদাখন প্রতীকার্থতহে ব্যৱহৃত হৈছে। এই হাওদাখনে সমাজৰ দুর্বলীৰ ওপৰত চলা তথাকথিত অভিজাত শ্রেণীৰ শোষণ আৰু পীড়ণৰ ছবি অঙ্কন কৰিছে।



হাওদা ঃবহিবৰ নিমিত্তে হাতীৰ গাদীৰ ওপৰত বান্ধি লোৱা কাঠৰ আসন।

মন কৰিবলগীয়া যে এই উপন্যাসখনত আৰম্ভণিৰে পৰা এক নৈৰাশ্য আৰু হতাশাৰ ৰেখ বিদ্যমান। এই নৈৰাশ্য আৰু হতাশাবোধ উপন্যাসখনত চিত্রিত হোৱা প্রত্যেকটো চৰিত্রৰ মাজত বিদ্যমান। প্রত্যেকটো চৰিত্রই অতৃপ্তিৰ চাকনৈয়াত পৰি কক্‌বকাইছে। তাৰ পৰা উদ্ধাৰৰ বাট নাই। চৰিত্রই স্বয়ং নিজৰ বাবে বাট উলিয়ালে ৰক্ষণশীল সমাজে তাত নানা প্রতিবন্ধকতাৰ সৃষ্টি কৰে। এইদৰে উপন্যাসখনৰ মূল চৰিত্রকেইটা সংঘাতৰ মাজেৰে আগবাঢ়িছে। এই সংঘাত ব্যক্তি আৰু সমাজৰ মাজত সংঘটিত হৈছে। সময়ত সংঘাত ঘণীভূত হৈছে। পিছে এই সংঘাতৰ পৰিণতিয়ে নানা প্রতিকূল পৰিস্থিতিৰ মাজেৰে পাৰ হোৱা প্রধান চৰিত্রকেইটাৰ ব্যক্তিত্ব উন্মোচনতো সহায় কৰিছে। এইখিনিতে ঔপন্যাসিকে তেওঁৰ উপন্যাসৰ কাহিনী ভাগত থকা চৰিত্রৰ লগত

সমাজৰ বহিঃসংঘাত সৃষ্টিৰ দ্বাৰা উপন্যাসখনক গতি প্রদান কৰাৰ লগতে চৰিত্রসমূহৰ মানসিক জগতত তোলপাৰ লগোৱা দ্বন্দ্ব আৰু সংঘাতৰ বিচিত্র ৰূপ প্রকাশ কৰিছে।

দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা উপন্যাসখনৰ কাহিনীভাগ আগবাঢ়ি যোৱাত চৰিত্রৰ বিশেষ ভূমিকা আছে। উপন্যাসখনত সৰু-বৰ ভালেকেইটা চৰিত্রৰ আবির্ভাৰ ঘটিছে। আলোচনাৰ ফালৰ পৰা বিচাৰ কৰিলে গিৰিবালা, ইন্দ্রনাথ আৰু মার্কৰ চৰিত্রই প্রাধান্য লাভ কৰিছে। কিন্তু সেই বুলি আমি সৰু গোসাঁনী, দুর্গা, কুল-পুৰোহিত পুৰুষোত্তম ভাগৱতী, ইত্যাদি চৰিত্রক আওকাণ কৰিব নোৱাৰোঁ। এই গৌণ চৰিত্রসমূহে মুখ্য চৰিত্রকেইটাৰ চাৰিত্রিক বৈশিষ্ট্য উদ্ভাসিত হোৱাত প্রত্যক্ষ অথবা পৰোক্ষভাৱে সহায় কৰিছে। ঔপন্যাসিকৰ কুশলী কাপৰ স্পর্শত আটাইকেইটা চৰিত্রই তেজ-মঙহৰ ৰূপ পৰিগ্রহ কৰিছে। আঞ্চলিক উপাদানসমূহৰ সন্নিৱেশে উপন্যাসখনক এটা বিশেষ ৰূপ প্রদান কৰিছে। অঞ্চল ভিত্তিক সামাজিক জীৱন প্রৱাহৰ যি চিত্র উপন্যাসখনত প্রতিবিম্বিত হৈছে সেয়া অতীৱ মনোগ্রাহী। আঞ্চলিক সমাজখনত বসবাস কৰা মানুহবোৰৰ ৰীতি-নীতি, মাত-কথা, লোকবিশ্বাস, ধর্মবিশ্বাস আদি সকলো দিশ সুন্দৰভাৱে ৰূপায়িত হৈছে। মন কৰিবলগীয়া যে ঔপন্যাসিকে চৰিত্রসমূহৰ মুখত দিয়া ভাষাতো আঞ্চলিকতাৰ ৰেখ আছে। ইয়াত দক্ষিণ কামৰূপত প্রচলিত কথিত অসমীয়া ভাষাটোৰ প্রয়োগ ঘটিছে। ভাষাত দৃষ্টিগোচৰ হোৱা এই বৈশিষ্ট্যই উপন্যাসৰ কাহিনীক যেন জীৱন্ত দলিলৰ ৰূপ প্রদান কৰিছে। এইখিনিতে ঔপন্যাসিক মামণি ৰয়ছম গোস্বামীৰ কাপৰ বিশেষত্ব। সৃষ্টিশীল কলাকৃতিৰ আলোচনাৰ প্রসঙ্গত আমি সেই কৃতিত সন্নিৱিষ্ট সাহিত্যিক সৌন্দর্যৰ কথা আওকাণ কৰিব নোৱাৰো। এই উপন্যাসখনো সেই গুণৰ পৰা বঞ্চিত হোৱা নাই। ইয়াত আটাইতকৈ চকুত লগা বিষয় হৈছে প্রতীক আৰু চিত্রকল্পৰ মনোৰম প্রয়োগ। দৰাচলতে *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* নামটোৱেই এই বিশেষ প্রতীকৰ বার্তা বহন কৰিছে। ঔপন্যাসিক গৰাকী নিজেই এগৰাকী নাৰী। স্বাভাৱিকতে তেওঁৰ উপন্যাসত চিত্রিত হোৱা নাৰী চৰিত্রকেইটাত আমি নতুনত্ব আশা কৰিম। কথাটো এই বাবেই কোৱা হৈছে যে এজন পুৰুষ ঔপন্যাসিকৰ তুলনাত এগৰাকী সংবেদনশীলমনা নাৰী ঔপন্যাসিক হিচাপে মামণি ৰয়ছম গোস্বামীয়ে নাৰীৰ মনোজগতৰ বাস্তৱিকতাৰ লগত আমাক পৰিচয় কৰাই দিয়াৰ অধিক অৱকাশ আছে। এইটোও উপন্যাসখনৰ অন্য এটা মনোজ্ঞ বিষয়। উপন্যাসখনৰ আলোচনাৰ বিভিন্ন স্তৰত আমি ওপৰত উল্লেখ কৰি অহা বিষয়সমূহ যথাস্থানত বিস্তৃতভাৱে আলোচনা কৰিম।

১৪.৩.২ উপন্যাসখনৰ কাহিনীভাগ

আমৰঙা সত্রৰ বুঢ়া অধিকাৰ হৰকান্ত দেৱগোস্বামীৰ মৃত্যুৰ পাছত তেওঁৰ জ্যেষ্ঠ পুত্র কৃষ্ণকান্ত দেৱগোস্বামী সত্রৰ অধিকাৰ হয়। হৰকান্ত দেৱগোস্বামীৰ মইমতালি আৰু উশৃঙ্খল আচৰণৰ বাবে কনিষ্ঠ পুত্র ৰমাকান্তই প্রতিবাদ কৰাত পিতৃ হৰকান্ত তেওঁৰ আচৰণত

ৰুষ্ট হৈ তেওঁক তেওঁৰ সা-সম্পত্তিৰ পৰা প্ৰায় বঞ্চিত কৰা নিচিনাই হৈছিল। সেয়ে তেওঁৰ মৃত্যুৰ পিছত জ্যেষ্ঠ পুত্ৰ কৃষ্ণকান্ত আমৰঙা সত্ৰৰ অধিকাৰ হয়। কৃষ্ণকান্তৰ পুত্ৰ ইন্দ্ৰনাথ শিক্ষিত আৰু উদাৰ মনোভাবী ব্যক্তি। একমাত্ৰ কন্যা গিৰিবালাক পৰম্পৰাগত প্ৰথা অনুসৰি বাল্য বয়সতে বিয়া পাতি দিছিল। গিৰিবালাৰ পতি লাতু গোসাঁই উচ্ছৃঙ্খল মনা ব্যক্তি আছিল। নৈতিকভাৱেও লাতু গোসাঁইৰ চৰিত্ৰ সবল নাছিল। পতিৰ অকাল মৃত্যুৰ পাছত গিৰিবালাক পিতৃ গৃহলৈ অনা হ'ল। পিতৃ গৃহলৈ ঘূৰি অহা বিধৱা গিৰিবালাই অন্য দুগৰাকী বিধৱা সহচৰী পালে। এগৰাকী তাইৰ পেহীয়েক দুৰ্গা যি চিকাৰহাটীৰ গোসাঁইৰ বোৱাৰীয়েক আৰু অন্য গৰাকী সৰু গোসাঁনী অৰ্থাৎ ইন্দ্ৰনাথৰ খুৰাক ৰমাকান্তৰ বিধৱা পত্নী। সৰু গোসাঁনীয়ে নিজে সাহসেৰে মৃত স্বামীয়ে অৰ্জন কৰা সম্পত্তি ভাগৰ ৰক্ষণাবেক্ষণ দি শিষ্যসকলক শৰণ-ভজন দিয়াইছিল। ৰক্ষণশীল পৰিৱেশত থকা সত্ত্বেও তেওঁৰ মন কিছু পৰিমাণে উদাৰ আৰু মানৱীয় অনুভূতিৰে সিক্ত আছিল। পিতৃ গৃহলৈ অহাৰ পাছত গিৰিবালাই দুৰ্গাৰ লগত একেলগে থাকিবলৈ ল'লে। মাক গোসাঁনী আই আৰু দুৰ্গাই গিৰিবালাক এগৰাকী আদৰ্শ দামোদৰী বিধৱা ৰূপে কাল অতিবাহিত কৰিবলৈ অহৰহ পৰামৰ্শ দিছিল। কিন্তু গিৰিবালাই সেই পৰামৰ্শ আখৰে আখৰে পালন কৰিব নোৱাৰিলে।

আমৰঙা সত্ৰলৈ গিলমিল চাহাবৰ জীৱনী লিখিবলৈ তথ্য গোটাবলৈ অহা খ্ৰীষ্টিয়ান যুৱক মাৰ্কৰ প্ৰতি গিৰিবালাৰ মনত জাগ্ৰত হোৱা আকৰ্ষণ আৰু তাৰ দুৰ্ভাগ্যজনক পৰিণতিয়ে ইন্দ্ৰনাথক ভাৰাক্ৰান্ত কৰি তুলিছিল। গোসাঁই ধুওৱা বাপুৰ জীয়েক ইলিমনৰ প্ৰতি ইন্দ্ৰনাথৰ মনত মোহ জাগ্ৰত হৈছিল। কিন্তু ইন্দ্ৰনাথে ইলিমনৰ আগত নিজৰ মনৰ কথা ব্যক্ত কৰিব নোৱাৰিলে। গিৰীয়েকৰ ঘৰৰ পৰা মানুহ আহিব বুলি বাট চাই থাকোঁতে থাকোঁতে দুৰ্গা অস্থি-চৰ্মসাৰ জঁকাত পৰিণত হৈছিল। তাইৰ শেষ সম্পদ সোণৰ গহনা কেইপদ হেৰুৱাৰ পিছৰ পৰা জীয়াই থকাৰ সকলো হাবিয়াস যেন তিল তিলকৈ শেষ হৈছিল। ইতিমধ্যে যক্ষ্মা ৰোগত আক্ৰান্ত হোৱা দুৰ্গাই গিৰীয়েকৰ ঘৰত হাড় কেইডাল পেলাবলৈ নিঃসঙ্গ যাত্ৰা কৰিছিল। মহীধৰ বাপুৱে সৰু গোসাঁনীক বিশ্বাসঘাতকতা কৰি তেওঁৰ সম্পত্তি আত্মসাৎ কৰাৰ পৰিকল্পনা কৰিছিল। মহীধৱে দুৰ্গাৰ অলঙ্কাৰো চুৰি কৰিছিল। ইটোৰ পিছত সিটোকৈ ঘৰুৱা জীৱনত সংঘটিত হোৱা দুৰ্যোগে ইন্দ্ৰনাথক ভাৰাক্ৰান্ত কৰি তুলিছিল। তাতে তেওঁৰ দেউতাকৰ প্ৰিয় হাতী জগন্নাথ ভাঠি খোলা হাতী হৈ উপদ্ৰপ কৰাত ৰাইজ আৰু প্ৰশাসন ব্যতিব্যস্ত হৈছিল। জগন্নাথে জামালুদ্দিনক হত্যা কৰাৰ পাছত তাক প্ৰশাসনে বধ কৰাৰ আদেশ জাৰি কৰিলে। ইন্দ্ৰনাথ আকৌ এবাৰ নিঃসঙ্গ হৈছিল। আমৰঙা সত্ৰৰ পৰা কানি নিবাৰণৰ অভিযানত ইন্দ্ৰনাথজড়িত হৈ পৰিছিল।ইয়াতো তেওঁৰ মনে শান্তি বিচাৰি পোৱা নাছিল।

ইন্দ্ৰনাথৰ শৈশৱৰ লগৰীয়া বলোৰাম দাস অৰ্থাৎ বলোৱে তেওঁৰ মানসিক জগতত তোলপাৰ লগাই থকা সংঘাতজৰ্জৰ পৰিৱেশৰ কথা জানিছিল। মৰাভিঠাত

থকা ইন্দ্রনাথহঁতৰ পৈতৃক ভূ-সম্পত্তিত কমিউনিষ্টসকলৰ চকু পৰিছিল। অৱশ্যে ইয়াত 'কমিউনিষ্ট' শব্দটো আমি কোনো ৰাজনৈতিক দল বুলি ধৰি নলৈ শোষিত আৰু প্ৰতাৰিত সাধাৰণ ৰাইজৰ গোট হিচাপে ধৰি লোৱাহে যুগুত হ'ব। দলটোৰ নেতা আছিল এজন উগ্ৰ স্বভাৱৰ যুৱক। মানুহৰ মুখত এইটো শুনা গৈছিল যে যুৱকজন ইন্দ্রনাথৰ ককাক আৰু এগৰাকী হীন জাতিৰ নাৰীৰ মিলনত জন্ম হোৱা জাৰজ সন্তান। উপন্যাসখন পঢ়িলে 'গোটেই জীৱন এক সংজ্ঞাহীন গ্লানি সহ্য কৰি একেবাৰে তিতিক্ষু' হৈ পৰা সেই ব্যক্তিজনৰ চিত্ৰ ঔপন্যাসিকে সমবেদনাপূৰ্ণভাৱে অঙ্কন কৰিছে। মৰমৰ ভনীয়েক গিৰিবালা শৈশৱৰ খেলৰ লগৰীয়া স্বৰূপ দঁতাল হাতী জগন্নাথক হেৰুৱাৰ দুখ আৰু ইলিমনৰ আগত মনৰ কথা ব্যক্ত কৰিব নোৱাৰা সংজ্ঞাহীন হতাশাই আচ্ছন্ন কৰি থকা অৱস্থাতে ইন্দ্রনাথে মৰাভিঠাত থকা মাটিডোখৰত ধান কটা চাবলৈ যাবলগীয়া হৈছিল। তেওঁৰ আন্তৰিক ইচ্ছা আছিল যে খেতি চপোৱাৰ পাছত তেওঁ সেই মাটিত খেতি কৰা ৰায়তসকলক তেওঁলোকে যি যি অংশৰ মাটিত খেতি কৰিছিল, সেই সেই অংশৰ মাটি তেওঁলোকৰ নামত 'কাঁচা পাট্টা' কৰি দিব। কিন্তু তেওঁৰ সেই আশা পূৰণ নহ'ল। আততায়ীৰ হাতত তেওঁ প্ৰাণ ত্যাগ কৰিলে। ইন্দ্রনাথৰ মৃত্যুত উপন্যাসখনৰ মূল কাহিনী ভাগ শেষ হৈছে। পিছে ইন্দ্রনাথৰ মহৎ উপলব্ধিৰ নিৰ্যাস জ্বলি শেষ হোৱা ধূপৰ সুগন্ধৰ দৰে ৰৈ গ'ল। উপন্যাসখনৰ এটা গৌণ অথচ গুৰুত্বপূৰ্ণ চৰিত্ৰ বলোৱে প্ৰকাশ কৰা মনোভাৱৰ মাজেদি ইন্দ্রনাথৰ সেই মহৎ মানৱতাবোধ আৰু দুখীয়া আৰ্তজনৰ প্ৰতি থকা দৰদী মনোভাৱৰ প্ৰকাশ ঘটিছে। স্বৰূপার্থত ইন্দ্রনাথে তেওঁৰ পিতৃ পুৰুষৰ সামন্তবাদী মানসিকতা পৰিহাৰ কৰি উদাৰভাৱে দৰিদ্ৰ ৰায়তসকলৰ মঙ্গলৰ কথা চিন্তা কৰিছিল। তেওঁ বিচাৰিছিল যে তেওঁলোক নিজেই খেতি কৰা মাটিৰ অধিকাৰী হওক আৰু স্বাৱলম্বী হৈ দুখ-দুৰ্ভাৱনাৰে পূৰ্ণ জীৱনৰ পৰা পৰিত্ৰাণ পাওক। দুৰ্ভাগ্যবশতঃ সেইটো হৈ নুঠিল। তেওঁৰ আশা আশা হৈয়েই ৰ'ল।



অগ্ৰগতি নিৰীক্ষণ

১নং প্ৰশ্ন ঃ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাৰ* মাজেদি কেনে ধৰণৰ সমাজ এখন প্ৰতিবিম্বিত হৈছে? (১৫০টা শব্দৰ ভিতৰত)

১৪.৩.৩ উপন্যাসখনৰ চৰিত্ৰ চিত্ৰণ

উপন্যাসৰ উপাদানসমূহৰ আলোচনাত কাহিনী আৰু প্লট (Plot)ৰ পিছতেই তৃতীয় গুৰুত্বপূৰ্ণ উপাদান হৈছে উপন্যাসৰ চৰিত্ৰ। চৰিত্ৰৰ মাজেদি যেনেদৰে ঘটনাই অগ্ৰগতি লাভ কৰে, তেনেদৰে ঔপন্যাসিকৰ অভিপ্ৰেত মানৱীয় প্ৰমূল্যৰ চিত্ৰণো চৰিত্ৰৰ মাজেদিয়েই হয়। চৰিত্ৰ দুই ধৰণৰ, সমতলীয় বা স্থিতিশীল আৰু চক্ৰাকাৰ বা গতিশীল

চৰিত্র। ই. এম. ফর্ষ্টাৰে কৰা চৰিত্রৰ এই শ্রেণীবিভাজন অনুসৰি সমতলীয় বা স্থিতিশীল (চেপেটা) চৰিত্র হৈছে সেইবোৰ চৰিত্র যিবিলাকক বাহ্যিক কথা-বতৰা আৰু আচাৰ-আচৰণৰ দ্বাৰা চিনিব পাৰি। তেনে চৰিত্রক দ্বিমাত্রিক চৰিত্রও বোলা হয়। ইয়াৰ লগতে ই. এম. ফর্ষ্টাৰে অন্য এবিধ চৰিত্রৰ কথাও কৈছে যিবোৰ চৰিত্রক সিবিলাকৰ বাহ্যিক কথা-বতৰা আৰু আচাৰ-আচৰণৰ উপৰিও তেনেবিলাকৰ আন্তৰিক ভাব-অনুভূতি আৰু মানসিক ক্রিয়া-প্রতিক্রিয়াৰ পৰাও জানিব পাৰি। ফলস্বৰূপে তেনে চৰিত্র সম্পূর্ণ ৰূপত উদ্ভাসিত হৈ উঠে। ফর্ষ্টাৰে তেনে চৰিত্রক ত্রিমাত্রিক চৰিত্র নাম দিছে। *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* উপন্যাসৰ চৰিত্রসমূহৰ আলোচনা প্রসঙ্গত ই. এম. ফর্ষ্টাৰৰ এই শ্রেণীবিভাজন কিছুদূৰ প্রযোজ্য হয়। এতিয়া আমি উপন্যাসখনৰ চৰিত্রকেইটাৰ আলোচনালৈ আহো—

- **গিৰিবালা ঃ** পুৰুষপ্রধান সমাজ এখনত অৱস্থান কৰা সত্ত্বেও গিৰিবালাই সমসাময়িক অন্যান্য ব্রাহ্মণ বিধৱা যুৱতীৰ দৰে নিয়তিৰ ওচৰত সম্পূর্ণ ৰূপে আত্মসমর্পণ কৰা নাছিল। সেয়েহে তাই নিজৰ ভাল লগা কামবোৰ কৰিবলৈ ইতস্ততঃ কৰা নাছিল। তাৰ বাবে তাই তাইৰ ৰক্ষণশীল, অনুশাসনপ্রিয় মাতৃ অর্থাৎ গোসাঁনী আইৰ গঞ্জনাবাণী আৰু অনুশাসনমূলক শাস্তি ভোগ কৰা সত্ত্বেও তাই কৰা 'পাপ'ৰ বাবে অনুশোচনা কৰা নাছিল। ৰক্ষণশীল পুৰুষপ্রধান সমাজ এখনত প্রদর্শন কৰা এনে আচৰণে ব্যক্তিবাদৰ প্রতি সচেতন ধাৰণা সূচায় য'ত ব্যক্তি বা চৰিত্রই 'মই' বা 'মোৰ' ভাল লগাৰ প্রহৰী ৰূপে স্থিতি লাভ কৰা সমাজৰ তথাকথিত বৰমূৰীয়া শ্রেণীয়ে তাইৰ গিৰীয়েক লাতু গোস্বামীৰ অনৈতিক আচৰণসমূহ নিয়ন্ত্রিত কৰাৰ বেলিকা উদাসীন আচৰণ প্রদর্শন কৰিছিল। অথচ অধ্যয়নশীল মনৰ খ্রীষ্টিয়ান যুৱক মার্কক সত্র আৰু তাৰ আশে-পাশে থকা অঞ্চলৰ পৰা পুৰণি সাঁচিপতীয়া পুথি যোগান ধৰি তেওঁক সহায় কৰাৰ বাবে গিৰিবালা পাপাচাৰিণী হ'ল। তাইৰ 'দোষ' এইটোৱেই যে তাই অন্যান্য বিধৱাৰ দৰে কায়মনোবাক্যে মৃত স্বামীৰ চিন্তাত দিন অতিবাহিত কৰাৰ পৰিৱর্তে এজন বিধর্মী পৰপুৰুষৰ লগত সৌহাদ্যপূর্ণ সম্বন্ধ গঢ়ি তুলিছিল। উপন্যাসখনত আৰম্ভণিৰে পৰা গিৰিবালাই প্রতিবাদী মনোভাৰ পোষণ কৰা পৰিলক্ষিত হয়। উদাৰ, প্রগতিবাদী চিন্তাৰ ককায়েক ইন্দ্রনাথ তাইৰ একমাত্র অনুপ্রেৰণাৰ স্থল আছিল। দায়িত্বশীল ভাতৃ হিচাপে ইন্দ্রনাথে তাইৰ মৰহা জীৱনটোক একেবাৰে নিঃশেষ হৈ যাবলৈ নিদিয়াকৈ জ্ঞানৰ এচেৰেঙা ৰ'দৰ পোহৰ সোমাই আহিবলৈ কাণি-দুৱাৰখন মেলি ৰখাৰ ব্যৱস্থা কৰিছিল। এই ক্ষেত্রত সন্ন্যাসী মার্কে তাইক সহায় কৰিছিল। মার্কৰ মাজত তাই এটা জ্ঞানান্বেষী মনৰ লগতে এক সহৃদয় আত্মাৰ সন্ধান লাভ কৰিলে। মার্কৰ প্রতি তাইৰ মোহ জন্মিল। এজন পুৰুষক আকৃষ্ট কৰিব পৰা গুণ তাইৰ আছিল। অথচ তাইৰ সমাজ স্বীকৃত পতি লাতু গোস্বামী নামৰ দাম্ভিক আৰু নৈতিক স্খলনৰ পথত ভৰি দিয়া পুৰুষজনে গিৰিবালা নামৰ

নিষ্পাপ, নির্দোষী নাৰী সত্তাটোক অপমান কৰিছিল। তদুপৰি ল'ৰালিৰে পৰা গিৰিবালা সাহসী আৰু স্বাভিমানী স্বভাৱৰ ছোৱালী আছিল। তাই আত্মসন্মান সহকাৰে মানুহ হিচাপে জীয়াই থাকিবলৈ বিচাৰিছিল। দুর্গাৰ দৰে পৰমুখাপেক্ষী অর্ধ-মানৰী ৰূপে জীয়াই থকাটো তাইৰ বাবে অসহনীয় আছিল। পৰম্পৰাগত ৰক্ষণশীল চিন্তাৰ পৰা ভালেখিনি মুক্ত গিৰিবালাৰ মনে মার্কৰ মাজত এজন সহৃদয় বন্ধু আৰু ত্রাণকর্তাৰ প্রতিৰূপ প্রত্যক্ষ কৰিছিল। সেয়েহে গিৰীয়েকে তাইক কৰা অপমানৰ কথা মার্কৰ নিচিনা বিধর্মী পৰপুৰুষৰ আগত ব্যক্ত কৰিবলৈ তাই কুণ্ঠাবোধ কৰা নাছিল। তেজ-মঙহৰ নাৰী সত্তাটোৱে জ্ঞানী আৰু বিবেকবান পুৰুষ মার্কক পাবলৈ হাবিয়াস কৰিছিল। গিৰিবালাৰ নিচিনা অৱহেলিতা, অপমানিতা নাৰীৰ অৱচেতন মনত তেনে হাবিয়াস জন্ম হোৱাটো একো অস্বাভাৱিক কথা নহয়।

কিন্তু তেনে আকাংক্ষাৰ বহির্প্রকাশহে মাৰাত্মাক। তাই অহৰহ নিজৰ ভিতৰত এটা জ্বালামুখী বহন কৰি ফুৰিছিল। তাইৰ জীৱনৰ সমস্ত অব্যক্ত ক্ষোভ, হতাশা, বঞ্চনা, প্রতাৰণা, অতৃপ্ত যৌন কামনা এই জ্বালামুখীতে নিহিত হৈ আছিল। জ্বালামুখীটোৱে মাথোন উদগীৰণৰ পথ বিচাৰি আছিল। সময়ত সেই ৰুদ্ধ পথ খোল খালে। ইতিমধ্যে পৰপুৰুষৰ লগত থকা গিৰিবালাৰ 'সম্বন্ধ'ৰ কথা তাইৰ মৃত স্বামীৰ ঘৰৰ মানুহৰ কাণত পৰিছিল। বোৱাৰীয়েকৰ এনে 'ব্যভিচাৰী' আচৰণৰ কথা জানিব পাৰি শহুৰেকে কঠোৰ স্থিতি গ্রহণ কৰি গিৰিবালাক মাতৃ গৃহৰ পৰা ওভোটাই আনিবলৈ মানুহ পঠিয়ালে।শহুৰেকৰ কঠোৰ বাণী তাই ঘৰলৈ ঘূৰি যাবলৈ অমান্তি হ'লে তাইক 'চুলিত থাপ মাৰি ধৰি' হ'লেও ঘূৰাই আনিব লাগে। এইবাৰ স্বাভিমানী গিৰিবালাৰ আত্মসন্মানত তীব্র আঘাত লাগিল। তাই দৃঢ় আৰু স্পষ্টভাৱে ব্যক্ত কৰিলে— "***তাকে যাৱা*** আৰু ***চচানক যাৱা*** একে কথা। মই জীয়াই জীয়াই ***গাঁৰাত সুমব নৰু*** চাহাব।" তাইৰ বাবে চুড়ান্ত সিদ্ধান্ত লোৱাৰ সময় আহি পৰিছিল। তাই মনৰ দেৱতাজনৰ ওচৰত আত্মসমর্পণ কৰিছিল। কিন্তু সেই দেৱতাজনে তাইক আঁকোৱালি নল'লে। প্রচণ্ড আত্মসংযমৰ অধিকাৰী মার্কে গিৰিবালাক সহায় কৰিব নোৱাৰিলে।কিন্তু ৰক্ষণশীল সমাজৰ দৃষ্টিত তাই ব্যাভিচাৰিণী ৰূপে প্রতিপন্ন হ'ল। তাই ভয়ঙ্কৰ প্রায়শ্চিত্ত বিধানৰ সন্মুখীন হ'ল। সেই চুড়ান্ত সঙ্কটৰ মুহূর্তত তাই মৌনব্রত ধাৰণ কৰিছিল। তাইৰ মনৰ ধীৰ, দৃঢ় ৰূপ দেখি সকলো আচৰিত হৈছিল। 'মেযদাহ' ৰূপী সেই অদ্ভুত প্রায়শ্চিত্ত বিধান তাই আখৰে আখৰে পালন নকৰিলে। এয়াও তাইৰ স্বাভিমানী, বিদ্রোহী, প্রতিবাদী সত্তাৰে প্রকাশ। তাই জীৱন্তে অগ্নিদগ্ধ হৈ মৃত্যুবৰণ কৰাটো শ্রেয় গণ্য কৰি তাকেই কৰিলে।



তাকে যাৱা ঃ তালৈ যোৱা।
চচানক যাৱা ঃ শ্মশানলৈ যোৱা।
গাঁৰাত ঃ গাঁতত।
সুমব ঃ সোমাব।
নৰু ঃ নোৱাৰোঁ।

➢ **সৰু গোসাঁনী ঃ** সৰু গোসাঁনী আমৰঙা সত্রৰ বুঢ়া সত্রাধিকাৰৰ কনিষ্ঠ পুত্র ৰমাকান্ত দেৱগোস্বামীৰ বিধৱা পত্নী আৰু গিৰিবালাৰ খুৰীয়েক। বুঢ়া সত্রাধিকাৰৰ অনৈতিক কার্যকলাপ আৰু স্বেচ্ছাচাৰিতাৰ বিৰুদ্ধে প্রতিবাদ কৰা বাবে ৰমাকান্তক তেওঁৰ

পিতৃয়ে তাজ্যপুত্ৰ কৰিছিল। অৱশ্যে দূৰদৰ্শী আৰু চৰিত্ৰবান ৰমাকান্তই নিজ গুণে কিছু স্থাৱৰ সম্পত্তি আহৰণ কৰাত তেওঁৰ পত্নী অর্থাৎ সৰু গোসাঁনী কাৰো মুখাপেক্ষী নোহোৱকৈ সসন্মানে প্ৰবর্তিব পাৰিছিল। তেওঁ আনকি শিষ্যক শৰণ দিয়াৰ লগতে বিবাদ মীমাংসা আৰু সমস্যাৰ সমাধান দিছিল। খুৰীয়েকৰ এনে সাহস আৰু আগৰণুৱা স্বভাৱে ইন্দ্ৰনাথক মোহিত কৰিছিল। খুৰীয়েকৰ প্ৰতি এক প্ৰশংসামূলক সন্মানবোধে তেওঁক তেওঁৰ মাতৃ গোসাঁনী আই আৰু পেহীয়েক দুর্গাক খুৰীয়েকৰ দৰে সাহসী হ'বলৈ পৰামর্শ দিবলৈ প্ৰেৰণা দিছিল। সেই নাৰী দুগৰাকীয়ে সৰু গোসাঁনীৰ সাহসী মনোভাৱৰ কথা স্বীকাৰ কৰিলেও সাতাম-পুৰুষীয়া ৰক্ষণশীল চিন্তা মনৰ পৰা জোকাৰি পেলাবলৈ সাহস গোটাব পৰা নাছিল। সৰু গোসাঁনী ৰক্ষণশীল সমাজৰ ঠেক গণ্ডীৰ মাজত থাকিও দুর্গাৰ তুলনাত যথেষ্ট ভাল স্থিতিত আছিল। তেওঁ বিধৱা হোৱা সত্ত্বেও কাৰো পুতৌৰ পাত্ৰ হ'ব খোজা নাছিল। বৰঞ্চ তেওঁৰ ব্যক্তিগত স্থিতি দেখি সমাজৰ অন্যান্য ৰক্ষণশীল মনৰ নাৰী হীনাত্মিক মনোভাবত নোভোগাকৈ থকা নাছিল। অৱশ্যে মুখ ফুটাই কোনেও একো প্ৰকাশ কৰিব পৰা নাছিল।

জীৱনত তেওঁ এটাই ভুল সিদ্ধান্ত লৈছিল। সেয়া আছিল মহীধৰ বাপুৰ নিচিনা সুবিধাবাদী পুৰুষক একান্ত বিশ্বাসভাজন লোক বুলি ভবাটো। তেওঁ তাৰ ভয়াবহ পৰিণাম ভুগিবলৈ আগবাঢ়িছিল। ভাগ্যক্ৰমে সমাজৰ বিবেকবান ৰাইজে তেওঁক বিপদত পৰাৰ পৰা ৰক্ষা কৰি মহীধৰৰ নিকৃষ্ট স্বৰূপ উদঙাই দিছিল। এগৰাকী অকলশৰীয়া নাৰী হিচাপে তেওঁৰ ব্যক্তিগত জগতখন নিঃসঙ্গ আছিল। তেওঁৰ ভিতৰত সুপ্ত হৈ থকা নিঃসঙ্গ নাৰী সত্তাটোৱে কাৰোবাৰ সান্নিধ্য, কাৰোবাৰ সহৃদয়তা কামনা কৰিছিল। নিজৰ স্বার্থ সিদ্ধিৰ বাবেই হওক অথবা অন্য কিবা কাৰণতেই হওক, মহীধৰ বাপুৱে তেওঁক সেই সহযোগিতা আগবঢ়াইছিল। ক্ৰমশঃ তেওঁৰ অৱচেতন মনত মহীধৱে স্থায়ী আসন পাৰি বহিছিল। মহীধৰ যেন তেওঁৰ জীয়াই থকাৰ প্ৰধান অৱলম্বন হৈ পৰিছিল। অৱশ্যে বাস্তৱ ক্ষেত্ৰত তেওঁ মহীধৰৰ পৰা যথেষ্ট দূৰত্ব ৰক্ষা কৰি চলিছিল। সমাজৰ শেনচকু যে তেওঁৰ নিচিনা বিধৱাৰ ওপৰত অহৰহ নিবদ্ধ হৈ থাকে, সেই কথা তেওঁ ভুলতো পাহৰি যোৱা নাছিল। তাড়ণাবশতঃ মহীধৰক কেন্দ্ৰ কৰি অসংলগ্ন ভাবনাত বুৰ গ'লেও বিবেকে যেন অহৰহ তেওঁক সংযত হৈ থাকিবলৈ সকীয়াই থাকে। শিয়ান আৰু অর্থলোলুপ মহীধৱে সৰু গোসাঁনীৰ সেই দুর্বলতাৰ উমান লৈ যেন সময়ত সেই দুর্বলতাৰ পূর্ণ সুযোগ গ্ৰহণ কৰিছিল। তেওঁ ছলনা কৰি সৰু গোসাঁনীৰ ভূ-সম্পত্তি নিজৰ নামত লিখাই লোৱাৰ লগতে দুখিনী দুর্গাৰ আশাৰ শেষ সম্বল সোণৰ গহনা কেইপদো চুৰ কৰিছিল। কিন্তু সত্ৰৰ ৰাইজে আৰু সৰু গোসাঁনীৰ প্ৰজাসকলে মহীধৰৰ সেই ধূর্তালি ধৰা পেলাই সৰু গোসাঁনীক জটিল বাস্তৱিকতাৰ লগত পৰিচয় কৰাই দিছিল।

➢ **দুর্গা ঃ** দুর্গা নৈৰাশ্য আৰু হতাশাৰ জীৱন্ত প্রতিমূর্তি। চিকাৰহাটীৰ গোসাঁইৰ পুত্রবধু দুর্গা নিঃসন্তান আছিল। স্বামী বিয়োগৰ পাছত তেওঁ আমৰঙাৰ পিতৃগৃহলৈ আহিছিল। কিন্তু তেওঁৰ শহুৰেকৰ ঘৰৰ মানুহে তেওঁৰ আবর্তমানত হোৱা শুভকার্য আৰু ধনাগমনৰ প্রতি লক্ষ্য ৰাখি অন্ধবিশ্বাসৰ বশৱর্তী হৈ দুর্গাৰ নিচিনা পাপ গ্রহ এটা গৃহৰ পৰা বাহিৰ হৈ যোৱাৰ বাবে গৃহলৈ ঐশ্বর্যৰ আগমন হোৱা বুলি ধাৰণা কৰিছিল। ফলস্বৰূপে তেওঁলোকে দুর্গাক স্বামী গৃহলৈ ওভোতাই আনিবলৈ ইচ্ছা নকৰিলে। পুৰুষপ্রধান ৰক্ষণশীল সমাজত লালিত-পালিত দুর্গাই নিজৰ দুর্ভাগ্যক দুর্ভাগ্য বুলি গণ্য নকৰি 'ভাল সময়' অহাৰ প্রতীক্ষাত ৰৈ থাকিল। কিন্তু কাহিনী আগবাঢ়ি যোৱা সত্ত্বেও দুর্গাৰ জীৱনলৈ সেই 'ভাল সময়' অহা দেখা নগ'ল।

সন্তানহীনা দুর্গাৰ বৈবাহিক জীৱন সুখৰ আছিল। গিৰীয়েকৰ মৃত্যুৰ পিছত তাই একেবাৰে নিঃসঙ্গ হৈ পৰিছিল। তাইৰ ৰক্ষণশীল, পৰম্পৰাগত সংস্কাৰত বিশ্বাসী মনটোৱে তাইৰ শৰীৰটোক কঠোৰভাৱে শাসন কৰিছিল। কিন্তু কেতিয়াবা তাইৰ ভিতৰত অবদমিত হৈ থকা জৈৱিক তাড়ণাই প্রচণ্ড ৰূপ ধাৰণ কৰি তাৰ বহির্প্রকাশ গটাইছিল। কিন্তু সেই প্রকাশ সুস্থ নাছিল। অস্বাভাৱিক জৈৱিক আচৰণৰ প্রদর্শনৰ দ্বাৰা দুর্গাই দেহ মনৰ বিধ্বস্ত ৰূপ প্রকাশ কৰিছিল। এই ফালৰ পৰা বিচাৰ কৰিলে এই গৰাকী ভাগ্যৰ দ্বাৰা প্রতাৰিত নাৰীৰ প্রতি পাঠকৰ অন্তৰ সহানুভূতিৰে আর্দ্র হৈ পৰে। সময়ে দুর্গাক শৰীৰ মন উভয় দিশে ইমান বিধ্বস্ত কৰি পেলাইছিলে যে তাই নিজৰ শেষ সম্বল স্বৰূপ সোণৰ গহনা কেইপদ হেৰুৱাৰ উপৰিও যক্ষ্মা ৰোগৰ দ্বাৰা আক্রান্ত হৈ এক জীর্ণ-শীর্ণ ৰূপত শহুৰেকৰ ঘৰলৈ প্রত্যাগমন কৰিছিল।

➢ **গোসাঁনী আই ঃ** ইন্দ্রনাথ আৰু গিৰিবালাৰ মাতৃ তথা সত্রাধিকাৰৰ পত্নীক আমি উপন্যাসখনত গোসাঁনী আই হিচাপে দেখা পাওঁ। সত্রাধিকাৰৰ পত্নী হিচাপে তেওঁ নিজৰ কর্তব্য আৰু দায়িত্ব পালন কৰিবলৈ চেষ্টা কৰিছিল। সামাজিক নিয়ম-শৃঙ্খলা অক্ষুণ্ণ ৰখাৰ প্রতি তেওঁ সদা সচেষ্ট। সেয়েহে তেওঁ সময়ৰ বিৰুদ্ধে যোৱা কাকো ক্ষমাৰ দৃষ্টিৰে চোৱা নাছিল। নিজৰ সন্তানকো তেওঁ ৰেহাই দিয়া নাছিল। সেয়েহে জীয়েক গিৰিবালাৰ দুয়োটা 'প্রয়শ্চিত্ত' পর্বত তেওঁ সক্রিয় ভূমিকা পালন কৰিছিল। তেওঁৰ নিচিনা অভিজাত ঘৰৰ নাৰীয়ে আভিজাত্য অক্ষুণ্ণ ৰখাৰ লগতে সমাজত নিজৰ প্রভাৱ বর্তাই ৰাখিবলৈ সমসাময়িক পুৰুষপ্রধান সমাজে নির্দ্ধাৰণ কৰা নীতি-নিয়মসমূহ আখৰে আখৰে পালন কৰিছিল।

উপন্যাসখনত অন্যান্য নাৰী চৰিত্র চিত্রিত নোহোৱাকৈ থকা নাই। সেই নাৰী চৰিত্রসমূহে মূল কাহিনীৰ বিকাশত বিশেষ ভূমিকা গ্রহণ কৰা নাই। অৱশ্যে সমসাময়িক সমাজ আৰু নাৰী মনৰ বিচিত্র জগতখনৰ সন্ধেদ দিয়াত মূল নাৰী চৰিত্রকেইটাৰ লগতে অন্যান্য নাৰী চৰিত্রকেইটাইয়ো অৰিহণা যোগাইছে। গিৰিবালাৰ চৰিত্রটোত আমি ত্রিমাত্রিক চৰিত্রৰ যৎকিঞ্চিৎ সন্ধান পাওঁ। তাইৰ কথা-বতৰা আৰু আচাৰ-আচৰণৰ

মাজেদি তাইৰ আন্তৰিক ভাব-অনুভূতি আৰু মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ কিছু উমান পাওঁ। অন্যান্য চৰিত্ৰসমূহ দ্বিমাত্ৰিক অৰ্থাৎ স্থিতিশীল চৰিত্ৰ। নিজৰ বাস্তৱ স্থিতিক চেৰাই গৈ সেই চৰিত্ৰকেইটাই অন্য স্থিতি গ্ৰহণ কৰা নাছিল।

এতিয়া আহোঁ উপন্যাসখনত চিত্ৰিত হোৱা পুৰুষ চৰিত্ৰকেইটালৈ—

- **ইন্দ্ৰনাথ ঃ** ইন্দ্ৰনাথ আমৰঙা সত্ৰৰ ভাবী অধিকাৰ। তেওঁ এক সংস্কাৰবাদী মনৰ গৰাকী আছিল। লোক কল্যাণৰ চেতনা তেওঁৰ চৰিত্ৰৰ অন্যতম ভূষণ। প্ৰতিশ্ৰুতি-সম্পন্ন তৰুণ হিচাপে তেওঁৰ চিন্তা আৰু পৰিকল্পনাও অভিনৱ। কিন্তু জীৱনৰ ধামখুমীয়াত পৰি তেওঁৰ আশা ভঙ্গ হৈছে। একমাত্ৰ ভনীয়েক গিৰিবালাৰ অকাল বৈধব্যই তেওঁক মনোকষ্ট দিয়াই নহয়, এক নামহীন হতাশাবোধে ক্ৰমশঃ তেওঁক গ্ৰাস কৰি পেলাইছিল। কিন্তু সত্ৰলৈ আগমন ঘটা খ্ৰীষ্টিয়ান ধৰ্মাৱলম্বী অনুসন্ধিৎসু মনৰ যুৱক মাৰ্কৰ আগমনে ইন্দ্ৰনাথৰ মনত কিঞ্চিৎ হ'লেও আশাৰ সঞ্চাৰ কৰিছিল। গিৰিবালা শিক্ষিতা আছিল। তদুপৰি তাই আছিল সৎ সাহসী। সেয়েহে প্ৰাচীন পুথি-পাঁজিৰ সন্ধানত সত্ৰলৈ অহা বিদ্যুৎসাহী মাৰ্কৰ কাৰ্যত সহায় কৰিবলৈ তেওঁ ভনীয়েক গিৰিবালাক উৎসাহিত কৰিছিল। প্ৰগতিবাদী চিন্তাৰ যুৱক ইন্দ্ৰনাথে তেওঁৰ মাতৃ গোসাঁনী আই আৰু পেহীয়েকৰ মনৰ পৰা অন্ধ সংস্কাৰৰ ডাৰৰ চমকা আঁতৰাবলৈ চেষ্টা কৰিছিল। তেওঁৰ সেই চেষ্টা অৰণ্যৰোদনৰ বাহিৰে আন একো নহ'ল। এই দুগৰাকী নাৰীৰ মানসিক পৰিৱৰ্তন ঘটোৱাটো সম্ভৱ নহ'ল। অৱশ্যে পাৰিবাৰিক জীৱনত নহ'লেও সামাজিক জীৱনত তেওঁ সংস্কাৰমূলক কাম কৰিছিল। তেওঁ সত্ৰৰ কানি আসক্ত দৰিদ্ৰ ৰায়তসকলৰ মঙ্গলৰ বিধান কৰিছিল। ব্যক্তিগত মোহ আৰু স্বাৰ্থ ত্যাগ কৰি তেওঁ কেৱল তেওঁলোকৰ পৰিয়ালৰ গৌৰৱৰ প্ৰতীক জগন্নাথ নামৰ হাতীটো মদমত্ত হোৱাৰ পাছত তাক চৰকাৰে গুলীয়াই মাৰিবলৈ প্ৰস্তুত কৰা চৰকাৰী নথিত কেৱল চহী কৰাই নহয়, আনকি তেওঁৰ জীৱনলৈ প্ৰেমৰ কোমল বা কঢ়িয়াই অনা গোসাঁই ধোৱা বামুণৰজীয়েক ইলিমনকো আপোন কৰি ল'ব নোৱাৰিলে। অৱশ্যে তেওঁ মানৱতাৰ খাতিৰত ইলিমনত কোচবিহাৰৰ পৰা অহা কুটিল মনৰ কানি ব্যৱসায় কৰা বামুণৰ কবলৰ পৰা ৰক্ষা নকৰাকৈ থকা নাছিল। তেওঁ আনকি মুছলমান সম্প্ৰদায়ৰজামালুদ্দিনৰ শটো বাহি নহ'বলৈ ৰাতিৰ ভিতৰতে মুছলমান গাঁৱলৈ তাৰ শটো নিবলৈ তৎপৰতা দেখুৱাইছিল। আনকি ককাকৰ বছৰেকীয়া শ্ৰাদ্ধৰ সময়ত গিৰিবালাই ভোজৰ বাবে ৰন্ধা মাংসৰ আঞ্জা খোৱা ঘটনাটোৱে ইন্দ্ৰনাথনৰ মনত কোনো বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা নাছিল। বৰঞ্চ বিধৱা গিৰিবালাই 'অভক্ষ' ভক্ষণ কৰাৰ বাবে মাতে তাইক নিৰ্দয়ভাৱে প্ৰহাৰ কৰাত তেওঁ মাকক বাধা প্ৰদান কৰি ভনীয়েকক আৰু অধিক শাৰীৰিক যাতনা পোৱাৰ পৰা ৰক্ষা কৰিছিল।

কিন্তু সমাজৰূপী হাতোৰাৰ কবলৰ পৰা ইন্দ্ৰনাথ সম্পূৰ্ণভাৱে মুক্ত হ'ব পৰা নাছিল। গিৰিবালাই মাৰ্কৰ প্ৰতি প্ৰদৰ্শন কৰা নিবিড় অন্তৰঙ্গতাই ৰক্ষণশীল

সমাজখনক ৰুষ্ট কৰিছিল। কেৱল সিমানেই নহয়, তাইৰ শহুৰেকৰ ঘৰতো তাইৰ আচৰণক লৈ তীব্ৰ অসন্তুষ্টিৰ সৃষ্টি হৈছিল। দীৰ্ঘদিনৰ অভিজ্ঞতাৰ পিছত মার্কৰ উপলব্ধি হৈছিল যে গিৰিবালা তাইৰ শহুৰেকৰ ঘৰলৈ যোৱা মানেই তাইক তিল-তিলকৈ মৃত্যুৰ মুখলৈ ঠেলি দিয়া হ'ব। সেয়েহে তাইক আমৰঙাতে ৰখাৰ ব্যৱস্থা কৰি তাইক অন্য কিবা প্ৰকাৰে ব্যস্ত কৰি ৰাখিব পৰা যায় নেকি সেই বিষয়ে মার্কে ইন্দ্রনাথক প্ৰশ্ন কৰিছিল। উত্তৰত ইন্দ্রনাথে কৈছিল— "মার্ক, তুমি অন্বেষণকাৰী। জগলীয়াৰ পাৰে পাৰে ঘূৰি ফুৰাওঁতে এনাই অনেক অভিজ্ঞতাৰ হেতি সন্মুখীন হবি, স্তম্ভিতো হবি। তাইক লগ পাৱা এক অভিজ্ঞতাই আছিল বুলি ভাবিবি।"

মার্কে সোধা প্ৰশ্নৰ বাবে ইন্দ্রনাথে দিয়া এই সমিধান তেওঁৰ ব্যক্তিত্বশীল চৰিত্রটোৰ লগত খাপ খোৱা বিধৰ নহয়। এইটো সত্য যে তেওঁৰ মনত সমাজখনক নকৈ গঢ়াৰ পৰিকল্পনা আছিল। অথচ বাস্তৱিকতাকো তেওঁ সম্পূৰ্ণভাৱে আওকাণ কৰিব পৰা নাছিল। তেওঁৰ বাবে নিৰ্মম বাস্তৱ এইয়ে যে প্ৰচলিত সমাজ ব্যৱস্থাৰ ৰক্ষণশীল ধ্যান-ধাৰণাক তেওঁ মনে-প্ৰাণে ঘৃণা কৰিলেও মুক্ত কণ্ঠে তেনে ধ্যান-ধাৰণাক অস্বীকাৰ কৰি তাৰ বিৰুদ্ধে নিজৰ গূঢ় স্থিতিৰ কথা ঘোষণা কৰিব পৰা নাছিল। এইখিনিতে তেওঁৰ দুৰ্বলতা। ইন্দ্রনাথনৰ মনত এই দোদুল্যমান স্থিতিৰ কথাউপন্যাসত এইদৰে বৰ্ণিত হৈছে—"অনেক কথা তেওঁৰ ভাল নালাগে। অনেক কথা সহ্যৰ সীমাৰ বাহিৰত। তথাপি নীৰৱ দৰ্শক হৈ সকলো চাই থাকিব লাগে। এনে যন্ত্রণাত কেতিয়াবা কোনোবা পৰিছে নে?"

সাময়িক দুৰ্বলতাৰ বাবেই হওক অথবা অন্য কিবা কাৰণতেই হওক, ব্যক্তিগত জীৱনত ইন্দ্রনাথে তেওঁৰ ইপ্সিত বস্তু লাভ কৰিব পৰা নাছিল। কিন্তু তেওঁৰ জীৱনৰ শলিতাগছি নিৰ্বাপিত হোৱাৰ আগতে দুখীয়া ৰায়তসকলৰ মঙ্গলৰ বাবে যি পৰীক্ষামূলক পদক্ষেপ ল'বলৈ আগবাঢ়িছিল,সিয়ে তেওঁৰ চৰিত্রৰ উজ্জ্বলতম দিশ ৰূপে পৰিগণিত হৈছে, মৰাভিঠাৰ সাৱুৰা ভূমিখণ্ড সত্রাধিকাৰ পৰিয়ালৰ মান-সন্মানৰ বিষয় হৈ পৰিছিল। অথচ আনুষ্ঠানিকভাৱে ধান কটা পৰ্বত প্ৰচুৰ শস্য উৎপন্ন হোৱা সেই ভূমিখণ্ডৰ স্বত্ব ভূমিৰ স্বত্বাধিকাৰী ইন্দ্রনাথে তাত খেতি কৰি অহা ৰায়তসকলক প্ৰদান কৰিবলৈ মনস্থ কৰিছিল। সেই মহান উদ্দেশ্য লৈ তেওঁ মৰাভিঠাত উপস্থিত হৈছিল যদিও এমুঠি ন্যস্ত স্বাৰ্থৰ লোকৰ হাতত তেওঁ প্ৰাণ হেৰুৱাবলগীয়া হৈছিল।

- **মার্ক ঃ** *দঁতাল হাতীৰ উঁয়ে খোৱা হাউদাৰ* আলোচনাৰ প্ৰসঙ্গত 'সন্ন্যাসী চাহাব' অৰ্থাৎ মার্কৰ কথা উল্লেখ নকৰিলে এইখন উপন্যাসৰ আলোচনা আধৰুৱা হ'ব। দামোদৰীয়া সত্রসমূহৰ ইতিবৃত্ত লিখিবলৈকে আমৰঙা সত্রলৈ মার্কৰ আগমন ঘটিছিল। সত্রলৈ আহি মার্কে পোনতে পৰিচিত হৈছিল জাতিভেদ প্ৰথাৰ সুউচ্চ প্ৰাচীৰখনৰ লগত। সত্রাধিকাৰৰ ঘৰত তেওঁ আতিথ্য লাভ কৰিছিল যদিও সেই

আতিথ্যৰ মাজতো জাতিভেদ প্রথাৰ প্রাচীৰখন প্রকট হৈছিল। 'ম্লেছ' বুলি তেওঁৰ বাবে অনা আছুতীয়া মেলাহি মুখৰ গিলাচটো ঢেঁকীশালৰ পিছফালে পেলাই থোৱা আছিল। কথাটো তেওঁৰ তীক্ষ্ণ দৃষ্টিৰ অগোচৰ নাছিল। তথাপিতো, তেওঁৰ শ্লেষপূর্ণ কথা শুনাৰ পিছতো গোসাঁনীৰ মুখৰ ভাৱাবেগ সলনি নহ'ল। গোসাঁনীৰ সেই উদাসীনতা দেখিয়েই সেই সত্রীয়া পৰিৱেশত 'ম্লেছ' হিচাপে নিজৰ স্থিতিৰ বিষয়ে মার্ক সচেতন হয়। পৰৱর্তী পর্যায়ত গিৰিবালাৰ লগত মার্কৰ অন্তৰঙ্গতা বৃদ্ধি পাইছিল যদিও মার্কৰ অৱচেতন মনত সাঁচ বহুৱা 'ম্লেছ' বিশেষণটোৰ বাবে সম্ভৱতঃ তেওঁ হতাশাগ্রস্ত, নিঃসঙ্গ গিৰিবালাৰ মানসিক স্থিতি উপলব্ধি কৰিও মুকলিমুৰীয়াকৈ তাইক সেই মানসিক স্থিতিৰ পৰা উদ্ধাৰ পাবলৈ পৰামর্শ দিবলৈ অপাৰগ হৈছিল। এক অভাৱনীয় পৰিস্থিতিত মার্কে গিৰিবালাক সর্পদংশনৰ পৰা ৰক্ষা কৰিছিল। নিজৰ চলিত দুর্ভাগ্যজনক স্থিতিৰ বিৰুদ্ধে বিদ্রোহ কৰিব জনা গিৰিবালাই এটা সময়ত মার্কৰ প্রতি থকা নিজৰ দুর্বলতাৰ কথা স্পষ্ট ভাষাত স্বয়ং মার্কক জনাই দিয়ে। তাই সকলো সংস্কাৰ, সকলো বন্ধন ছিন্ন কৰি প্রতিকূল সময়ত তাইৰ ম্লেছ প্রেমিকজনৰ লগত মিলিত হ'বলৈ উদবাউল হৈ পৰিছিল। কিন্তু তাইৰ অভিলাষ অপূর্ণ হৈ ৰ'ল। মার্কে তাইৰ সঁহাৰি নজনালে। ৰৰঞ্চ এক অনির্বচনীয় শোকে তেওঁৰ পৰিত্র আত্মা সিক্ত কৰিছিল। পিছে মার্কৰ সেই তপস্যা বিফলে গ'ল। গিৰিবালাৰ দৈহিক সতীত্ব অক্ষুণ্ণ থাকিল যদিও ৰক্ষণশীল সমাজৰ দৃষ্টিত তাই পতিত হৈছিল। গতিকে ম্লেছৰ সংস্পর্শলৈ অহা ব্রাহ্মণ বিধৱা হিচাপে তাই 'মেষ দাহ' প্রথাৰ মাধ্যমেৰে পৰাচিত হ'বলৈ বাধ্য হৈছিল। মার্কে কোনো ধৰণৰ অপৰাধ নকৰাকৈ গ্লানিকৰ পৰিস্থিতিত সত্র ত্যাগ কৰিবলৈ বাধ্য হৈছিল।

- **বলোৰাম দাস ঃ** ইন্দ্রনাথৰ অভিন্ন হৃদয়ৰ বন্ধু বলো অর্থাৎ বলোৰাম দাস উপন্যাসখনৰ এটা সৰু চৰিত্র। সত্রত দুগৰাকী ব্যক্তিৰ লগত ইন্দ্রনাথৰ অন্তৰঙ্গতা গঢ়ি উঠিছিল। এজন বলো আৰু অন্য গৰাকী মার্ক। বলো এগৰাকী বাস্তৱবাদী ব্যক্তি। তেওঁ সহানুভূতিশীল ব্যক্তি। পিছে তেওঁ তেওঁৰ বন্ধু ইন্দ্রনাথৰ দৰে দ্বিধাগ্রস্ত মনৰ ব্যক্তি নহয়। ইন্দ্রনাথৰ প্রতি তেওঁৰ পূর্ণ আন্তৰিকতা আছিল। তেওঁ ইন্দ্রনাথৰ মনৰ কথা বুজি পাইছিল। ইন্দ্রনাথৰ জীৱনৰ অন্তিম মুহূর্তলৈকে বলোৰামে তেওঁক সঙ্গ দান কৰিছিল। তেওঁ ইন্দ্রনাথৰ মহান উপলব্ধিক ওৰেটো জীৱন উজ্জীৱিত কৰি ৰাখিছিল।
- **মহীধৰ ঃ** মহীধৰে সৰু গোসাঁনীৰ বিশ্বাসভাজন হৈ তেওঁক বিভিন্ন কার্যত সহায় কৰি দিছিল। সময়ত লোভ ৰূপী ৰিপুটোৱে মহীধৰ ব্রাহ্মণক পাপত পতিত কৰালে। মহীধৰে কেৱল সৰু গোসাঁনীৰ ভূসম্পত্তি আত্মসাৎ কৰিবলৈ চেষ্টা চলোৱাই নহয়, সি দুর্গাৰ শেষ সম্বল সোণৰ গহণা কেইপদো চুৰ কৰিছিল। কিন্তু ৰাইজৰ তৎপৰতাত মহীধৰৰ প্রকৃত স্বৰূপ ওলাই পৰিছিল।

➢ **পুৰুষোত্তম ভাগৱতী ঃ** আমৰঙা সত্ৰৰ কুল পুৰোহিত পুৰুষোত্তম ভাগৱতী সেই শ্ৰেণীৰ লোকৰ ভিতৰত পৰে যিয়ে ধৰ্ম আৰু সংস্কাৰৰ দোহাই দি নিজৰ স্বাৰ্থ সিদ্ধি কৰে। তেওঁলোকে ব্যক্তিয়ে কৰা নৈতিক-অনৈতিক কাৰ্যৰ লেখ লয়। সেই মতে অনৈতিক কাৰ্যৰ বাবে ব্যক্তিক প্ৰায়শ্চিত্তৰ বিধান দিয়ে। পিছে একে সময়তে এই শ্ৰেণীৰ লোকে অনৈতিক কাৰ্য লুকুৱাই সমাজৰ তথাকথিত গণ্য-মান্য লোকৰ পৰা শকত মাননী ল'বলৈ কুণ্ঠাবোধ নকৰে। পুৰুষপ্ৰধান সমাজত এইচাম লোকে নিজকে সমাজৰ নীতি-নিয়ম আৰু পৰম্পৰাৰ সদা জাগ্ৰত প্ৰহৰী বুলি গণ্য কৰে। ধৰ্মৰ নামত এইচাম ভণ্ডই সাধাৰণ মানুহক শোষণ কৰে।

ইয়াৰ বাহিৰেও উপন্যাসখনত অন্যান্য ভালেকেইটা পুৰুষ চৰিত্ৰৰ চিত্ৰণ হৈছে। সত্ৰাধিকাৰকে ধৰি অন্য এনে বহুতো চৰিত্ৰ আছে যিয়ে কম সময়ৰ বাবে উপন্যাসত ভুমুকি মাৰিছে। উপন্যাসৰ কাহিনীভাগৰ বিকাশত এই শ্ৰেণীৰ চৰিত্ৰৰ বিশেষ অৰিহণা নাই যদিও চৰিত্ৰৰ বিচিত্ৰতা প্ৰকাশত এই চৰিত্ৰসমূহে কিছু পৰিমাণে অৰিহণা যোগাইছে।



অগ্ৰগতি নিৰীক্ষণ

২নং প্ৰশ্ন ঃ গিৰিবালা আৰু দুৰ্গা চৰিত্ৰৰ মাজত থকা পাৰ্থক্য বিচাৰ কৰক। (১৫০টা শব্দৰ ভিতৰত)

৩নং প্ৰশ্ন ঃ ইন্দ্ৰনাথৰ চৰিত্ৰৰ উজ্জ্বল দিশসমূহ উল্লেখ কৰক। (১৫০টা শব্দৰ ভিতৰত)

১৪.৩.৪ উপন্যাসখনৰ বৈশিষ্ট্যসমূহ

➢ **ভূমিৰ মাজেদি ভূমাৰ সন্ধান ঃ** এই আলোচনাৰ পূৰ্বৱৰ্তী উপশাখা এটাত এই বৈশিষ্টটোৰ বিষয়ে আলোচনা কৰা হৈছে। আমৰঙা সত্ৰৰ ভাবী সত্ৰাধিকাৰ ইন্দ্ৰনাথৰ যি মহৎ উপলব্ধি সিয়ে দুৰ্দশাগ্ৰস্ত মানুহখিনিক মুক্তিৰ সন্ধেদ দিছিল। কিন্তু কোনেও তেওঁক বুজিবলৈ চেষ্টা নকৰিলে। তেওঁৰ কৰ্তব্যনিষ্ঠা আৰু সৎ মনোভাৱক মানুহে জাত্যাভিমান আৰু কঠোৰতা বুলি জ্ঞান কৰিছিল।শিক্ষাৰ পোহৰ পাই জীৱন আৰু সমাজৰ কথা নতুন ধৰণে চিন্তা কৰা সত্ৰৰ ভাবী অধিকাৰ গৰাকীয়ে সঙ্কীৰ্ণতা আৰু অন্ধবিশ্বাসৰ প্ৰাচীৰ খহাই জীৱন আৰু জগতক প্ৰত্যক্ষ কৰিব খুজিছিল। তেওঁ আনকো তাৰ ভাগ দিব খুজিছিল।খুৰীয়েক সৰু গোসাঁনী আৰু বিধৱা ভনীয়েক গিৰিবালাই বিধৱা হোৱা সত্ত্বেও সমাজত সন্মানজনকভাৱে জীয়াই থাকিবলৈ সৎ সাহসৰ পৰিচয় দিছিল। ইন্দ্ৰনাথে তেওঁলোকক নিৰুৎসাহিত কৰা নাছিল। পিছে তেওঁৰ মাতৃ গোসাঁনী আই আৰু পেহীয়েক দুৰ্গাই তেওঁৰ সেই চিন্তাৰ লগত একমত হ'ব নোৱাৰিছিল। ৰক্ষণশীল পৰম্পৰাবাদী সমাজ চিন্তাত ব্যক্তিৰ ব্যক্তিত্বৰ প্ৰকাশ আৰু বিকাশৰ কোনো সুবিধা নাথাকে। তাতে আকৌ সেয়া যদি নাৰী হয়, তেন্তে

সমাজত তুমুল আলোড়নৰ সৃষ্টি হোৱাৰ সম্ভাৱনা থাকে। সমাজলৈ বৈ অহা নতুন বতাহ জাকত যাতে পেহীয়েক দুর্গা, ভনীয়েক গিৰিবালাৰ নিচিনা তথাকথিত 'দুর্ভগীয়া' নাৰীয়ে মুকলি মনেৰে উশাহ ল'ব পাৰে তাৰ প্রতি ইন্দ্রনাথ সচেষ্ট আছিল। সেইদৰে তেওঁ কানিত আসক্ত নিচলা ৰায়তসমূহৰ ভৰিষৎ উন্নয়নৰ চিন্তাত ব্যাকুল হৈছিল। সামন্তযুগীয় পৰম্পৰাৰ ধ্বজাবাহক হিচাপে তেওঁ আগে কাহানিও নোহোৱা, কোনেও নকৰা কাম হাতত লৈ তাক কার্যকৰী কৰিব খুজিছিল। তেওঁৰ সেই উদ্দেশ্যৰ আঁৰত আছিল ভূমিহীন ৰায়ত শ্রেণীৰ ভৰিষ্যৎ নিৰাপত্তা। পিছে ন্যস্ত স্বার্থ আৰু কিছু পৰিমাণে ক্ষোভৰ অগনি বুকুত বান্ধি ফুৰা শোষিত আৰু প্রতাৰিত লোকৰ দল এটাই ইন্দ্রনাথৰ সেই উদাৰতা আৰু দূৰদর্শিতাৰ কথা উপলব্ধি কৰিব নোৱাৰি তেওঁক হত্যা কৰে। ইন্দ্রনাথৰ কায়িক মৃত্যু হ'ল সঁচা। পিছে তেওঁ যি মহান আদর্শৰ বীজ সিঁচিবলৈ প্রয়াস কৰিছিল সেই প্রচেষ্টাৰ মাজেদি তেওঁ ভূমিৰ মাজত ভূমাৰ সন্ধান কৰিবলৈ প্রয়াস কৰিছিল।

- **প্রতিবাদী চৰিত্রৰ চিত্রণ ঃ** অসমীয়া উপন্যাস সাহিত্যত প্রতিবাদী চৰিত্রৰ চিত্রণত মামণি ৰয়ছম গোস্বামীয়ে বিশিষ্ট বৰঙণি আগবঢ়াইছে। বিশেষকৈ প্রতিবাদী নাৰী চৰিত্রৰ চিত্রণত ৰয়ছম গোস্বামীয়ে যি দক্ষতাৰ পৰিচয় দিছে সেয়া প্রশংসনীয়। *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত* চিত্রিত হোৱা গিৰিবালা চৰিত্রটো এনে এটা প্রতিবাদী চৰিত্র যিয়ে প্রচলিত সমাজ ব্যৱস্থাৰ কুসংস্কাৰ আৰু ৰক্ষণশীলতাৰ বিৰুদ্ধে প্রবল প্রতিবাদী কণ্ঠেৰে তেনে ব্যৱস্থাক প্রত্যাহ্বান জনাইছিল। গিৰিবালাৰ স্বামী লাতু গোসাঁয়ে উচ্ছৃঙ্খলতাৰ চৰম সীমাত উপনীত হৈ মৃত্যুমুখত পৰিছিল। সত্রাধিকাৰৰ জীয়াৰী হিচাপে তাই এগৰাকী পতিপ্রাণা, সৎ, নিষ্ঠাৱান ব্রাহ্মণ বিধৱা হিচাপে জীৱন পাত কৰিব বুলি মাকৰ লগতে শুভাকাংক্ষীয়ে তাইক পৰামর্শ দিছিল। কিন্তু তেতিয়া তাইৰ মনে বিদ্রোহ কৰি উঠে— যিজন পুৰুষে ঘৰত থকা বিবাহিতা যুৱতী স্ত্রীক বাদ দি ***কানিৰ কাণ কটা তিৰোতাৰ*** হাতেৰে ৰন্ধা পাৰৰ মাংসৰ সোৱাদ ল'ব পাৰে আৰু তেওঁৰ বৈধ স্ত্রীক বৈবাহিক জীৱনৰ সুখ দিব নোৱাৰে, তেনে পতিৰ স্মৃতিয়ে বিধৱা গিৰিবালাক কোনো দিনে আমনি কৰা নাছিল। পৰম সুহৃদ মার্ক চাহাবৰ আগত গিৰিবালাই তাইৰ অন্তৰৰ ক্ষোভ, হতাশা উজাৰি দিছিল। গিৰিবালাৰ গিৰীয়েকে তাইৰ নাৰীত্বক অৱমাননা কৰিছিল। তাই মার্কৰ আগত সেই অবদমিত ক্ষোভ উজাৰি কৈছিল, "সি চালপীৰাত উঠি মৰ গাতালা দলিয়ে কয়— বিয়া কৰাই আপীৰ লগত 'চালপীৰা'ত উঠি কোনো ৰহ নাই। কোনো ৰহ নাই।" গিৰিবালাৰ নিচিনা এজনী সুগঢ়ী, যুৱতী নাৰীক উদ্দেশ্য কৰি তাই গিৰীয়েকে কোৱা তেনে তাচ্ছিল্যপূর্ণ কথা মুঠেও যুক্তিসঙ্গত নহয়। স্বৰূপার্থত তেনে কথাই তাইৰ নাৰী সত্তাক অপমানিত কৰিছিল। স্বাভিমানী নাৰী গিৰিবালাই তাইৰ গিৰীয়েকক ক্ষমা কৰিব নোৱাৰিলে। কেৱল সিমানেই নহয়, তাই সমসাময়িক



কানিৰ কাণ কটা তিৰোতা ঃ কানি বেচা তিৰোতাক তাচ্ছিল্য কৰি কোৱা কথা।

ৰক্ষণশীল সমাজে সিহঁতৰ নিচিনা নাৰীৰ ওপৰত আৰোপ কৰা বাধা-নিষেধসমূহ অন্তঃকৰণেৰে সৈতে মানি ল'ব পৰা নাছিল। তেজ-মঙহৰ নাৰী হিচাপে তাই বিধৰা পেহীয়েক দুর্গাৰ নিচিনাকৈ সকলো ধৰণৰ মানৱীয় আৰু জৈৱিক ইচ্ছা, আশা-আকাংক্ষাক ত্যাগ কৰিব পৰা নাছিল। সেয়েহে তাই ককাকৰ বছৰেকীয়া শ্রাদ্ধত অনুষ্ঠিত ভোজত ৰন্ধা মাংস খাবলৈ প্রলোভিত হৈছিল। সমাজে সেই কথা গম পাই তাইক তাইৰ 'পাপ'ৰ প্রায়শ্চিত্ত কৰাবলৈ পৰম্পৰাগত বিধি-বিধানৰ সহায় লৈছিল। তাই আত্মপক্ষৰ সমর্থনত একো কোৱা নাছিল। আনকি প্রায়শ্চিত্তৰ বিধি-বিধানখিনিৰ নীৰৱে মানি লৈছিল। পিছে তাই অনুতপ্ত হোৱা নাছিল। বংশ মর্যাদাৰ বাবেই হওক বা অন্য কিবা কাৰণেই হওক তাই কান্দি-কাটি, শাও-শপনি দি তাইৰ প্রতি অন্যায় কৰাসকলৰ প্রতি উজাৰি দিয়া নাছিল। তাই প্রতিবাদৰ এটা অন্যান্য পন্থা অৱলম্বন কৰিছিল। মার্কৰ লগত তাইৰ অবৈধ সম্পর্ক ঘটা বুলি সমাজে কঠোৰ স্থিতি গ্রহণ কৰি প্রায়শ্চিত্তকল্পে তাইক 'মেঘদাহৰ ঘৰত'ত সুমুৱাই ঘৰৰ চালত জুই দিয়াৰ ব্যৱস্থা কৰিলে। ঘৰটো জ্বলিবলৈ আৰম্ভ হোৱাৰ সময়ত তাই জুমুধিৰে সজা ঘৰটোৰ সুৰুঙা এটাৰে বাহিৰলৈ ওলাই যাব লাগিব। পিছে গিৰিবালাই এটা আচৰিত কাম কৰিলে। মেঘদাহৰ ঘৰটো জ্বলিবলৈ আৰম্ভ হোৱাতো তাই বাহিৰলৈ ওলাই নগ'ল। তাই জীৱন্তে অগ্নিদগ্ধ হৈ মৃত্যুমুখত পৰিল। তাইৰ এই 'ইচ্ছামৃত্যু'ক আমি সমাজে তাইৰ প্রতি কৰা অবিচাৰৰ প্রতিবাদ হিচাপে আখ্যা দিব পাৰোঁ। ৰক্ষণশীল সমাজত অবদমিত নাৰী সত্তাৰ এই যি প্রতিবাদৰ চিত্র গিৰিবালা চৰিত্রটোৰ মাজেদি প্রদর্শন কৰা হৈছে, এয়া আধুনিক অসমীয়া কথা সাহিত্যই নহয়, সমগ্র আধুনিক ভাৰতীয় সাহিত্যতে বিৰল। গিৰিবালাৰ এই শক্তিশালী প্রতিবাদী সত্তা *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাৰ* এক বিশিষ্ট বৈশিষ্ট্য ৰূপে প্রতিপন্ন হৈছে।

- **নাৰী জীৱনৰ বর্ণাঢ্য অভিব্যক্তি ঃ** মামণি ৰয়ছম গোস্বামীৰ উপন্যাসসমূহত প্রত্যক্ষ কৰা নাৰী চৰিত্রসমূহৰ দীঘ আৰু প্রস্থ বিচাৰ কৰিলে আমি দেখিম যে তেওঁ অঙ্কন কৰা সৰু বৰ প্রত্যেকটো চৰিত্র নিজ গুণে বৈশিষ্ট্যপূর্ণ। তেওঁ ৰচনা কৰা উপন্যাস-সমূহত সমাজৰ বিভিন্ন স্তৰৰ নাৰীৰ চৰিত্র মনোজ্ঞ ৰূপত দাঙি ধৰা হৈছে। তেওঁ ৰচনা কৰা *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাখনো* ইয়াৰ ব্যতিক্রম নহয়। এইখন উপন্যাসত ভালেকেইটা স্ত্রী চৰিত্রৰ সমাৱেশ ঘটিছে। গিৰিবালা দুর্গা, সৰু গোসাঁনী, গোসাঁনী আই, ইলিমন, ননীচম্পা, ভূমিচম্পা, ইত্যাদি। মন কৰিবলগীয়া যে উল্লেখ কৰি অহা প্রত্যেক গৰাকী নাৰীক মানসিক পৰিমণ্ডল ভিন্ন প্রকাৰৰ। তেওঁলোকৰ বিচাৰধাৰা, বিশ্বাস আৰু নিষ্ঠা সকলো সুকীয়া। উপন্যাসখনৰ আটাইতকৈ চকুত লগা চৰিত্র হৈছে গিৰিবালা চৰিত্রটো। উপন্যাসৰ আৰম্ভণিৰে পৰা তাই এটা স্পষ্টবাদী, প্রতিবাদমুখৰ মনোভাৱ পোষণ কৰা মন কৰিবলগীয়া দিশ।এই স্বাভিমানী

নাৰী চৰিত্রটোৱে সমাজে বান্ধি দিয়া ৰক্ষণশীল, অমানৱীয় নিয়ম মানি বৈধব্য ব্রত পালন কৰিছিল যদিও সমাজে 'বিচৰা' দৰে তিল তিলকৈ মৰা নাছিল। নিজৰ মৃতুৰ পথ নিজেই নির্দ্ধাৰণ কৰিছিল। গিৰিবালাৰ বিপৰীতে দুর্গাই এটা হতাশাগ্রস্ত, স্বপ্নহীন জীৱন যাপন কৰিছিল। তাই সমাজে বান্ধি দিয়া কঠোৰ নিয়ম-শৃঙ্খলাৰ লক্ষ্মণ ৰেখাডাল পাৰ হ'বলৈ মুঠেও আগ্রহী নাছিল। জীৱনলৈ অহা দুখে তাইক শাৰীৰিক আৰু মানসিকভাৱে চেপি-খুন্দি নিঃশেষ কৰি দিছিল। তথাপিতো তাই ভাগ্যক ধিয়াই খহিবলৈ আৰম্ভ কৰা জৰাজীর্ণ বেৰ এখনৰ দৰে বহি থাকিল। দুর্গা চৰিত্রটোৰ প্রতি সহানুভূতি জাগে কিন্তু তাইৰ মাজত সুস্থ আশাবাদৰ জিলিঙণি নাই। সৰু গোসাঁনীও ৰক্ষণশীল পৰম্পৰাত বিশ্বাসী, কিন্তু তেওঁ প্রতিকূলতাৰ বিৰুদ্ধে থিয় হ'বলৈ সাহস সঞ্চয় কৰিছে। অৱশ্যে তেওঁ গিৰিবালাৰ দৰে অত্যুৎসাহী নহয়। সীমাবদ্ধতাৰ মাজত থাকিও কিছু পৰিমাণে জীৱনটো নিজৰ মতে চলাই নিব পাৰিছিলে। গোসাঁনী আইক আমি সমসাময়িক ৰক্ষণশীল সমাজৰ এগৰাকী ধ্বজা বহনকাৰী নাৰী ৰূপে চিত্রিত কৰিব পাৰোঁ। তেওঁ এগৰাকী মাতৃ যদিও তেওঁ সত্রাধিকাৰৰ অর্ধাঙ্গিনী। সেই সূত্রে তেওঁ সত্রৰ নিয়ম-শৃঙ্খলা আগবঢ়াই নিয়াত স্বামী সত্রাধিকাৰৰ সহায়কাৰিনী। নিজৰ কর্তব্য আৰু দায়িত্বৰ প্রতি সজাগ এই গৰাকী নাৰীৰ মন ৰক্ষণশীল। কর্তব্যৰ পথত তেওঁ নিজৰ মমত্ববোধক আহিবলৈ দিয়া নাছিল। উপন্যাসত চিত্রিত অন্যান্য লঘু স্তৰৰ নাৰী চৰিত্রই এখন ক্রমশঃ ক্ষয় পাবলৈ ধৰা সামন্তযুগীয় সমাজৰ স্বভাৱজাত মানবীয় দোষ-দুর্বলতা আৰু সঙ্কীর্ণমনা চিন্তাৰে ভাৰাক্রান্ত লোকজীৱন প্রতিনিধিত্ব কৰিছে। ননীচম্পা আৰু ভূমিচম্পা আদি চৰিত্র তেনে মানসিকতাৰ প্রতিৰূপ। এইদৰে ঔপন্যাসিক গৰাকীয়ে উপন্যাসখনত ভিন্ন মানসিকতাৰ নাৰী চৰিত্রক মনোজ্ঞভাৱে চিত্রণ কৰাত মনোনিৱেশ কৰিছে।

- **মানবতাবাদৰ প্রকাশ ঃ** মানৱতাবাদ মামণি ৰয়ছম গোস্বামীৰ ৰচনাৰ এক অভিন্ন অঙ্গ। মানৱতাবাদক নিলগাই থৈ ৰয়ছম গোস্বামীৰ কোনো ৰচনাৰ আলোচনাই সম্পূর্ণ নহয়। এই উপন্যাসখনৰ ক্ষেত্রতো একে কথা প্রযোজ্য। উপন্যাসত চিত্রিত সামন্ত যুগীয় সমাজত দাস-প্রভুৰ সম্পর্ক চিত্রিত হোৱা নাই যদিও ইয়াত ভূ-স্বামী আৰু ৰায়তৰ সম্বন্ধ দেখুওৱা হৈছে। তাত ইন্দ্রনাথ সামন্ত যুগীয় সমাজৰ প্রতিপত্তিশীল ভূস্বামী যদিও তেওঁৰ অন্তৰৰ পৰা দয়া আৰু মমত্ববোধ শেষ হৈ যোৱা নাই। তেওঁ ইলিমনৰ প্রতি আকৃষ্ট হৈছিল। কিন্তু পৰিস্থিতিয়ে তেওঁক ইলিমনৰ নিজৰ কৰি ল'বলৈ নিদিলে। পিছে তেওঁ ইলিমনৰ ধাই মাক যঁতৰ কটা বুটীক দিয়া প্রতিশ্রুতি ৰক্ষা কৰি কোচবিহাৰৰ বামুণৰ হাতৰ পৰা ইলিমনক উদ্ধাৰ কৰিবলৈ আহোপুৰুষার্থ কৰিছিল। কানিৰ বেপাৰী কোচবিহাৰৰ বামুণক কানি বিৰোধী অভিযানকাৰীৰ হাতত ধৰাই দিয়াৰ লগতে তেওঁ তেওঁলোকৰ অঞ্চলৰ ৰায়তসকল কানিৰ আসক্তিৰ পৰা মুক্ত কৰিবলৈ সহযোগিতা আগবঢ়াইছিল। সর্বসাধাৰণৰ কল্যাণৰ কথা চিন্তা কৰা

এই গৰাকী ভাবী সত্রাধিকাৰে মৃত্যুৰ সময়লৈকে সমাজ আৰু দহৰ কল্যাণৰ কথা চিন্তা কৰিছিল।এই ক্ষেত্রত সত্রলৈ অহা সন্ন্যাসী মার্কৰ কথাও স্মৰণীয়। এই গৰাকী খ্রীষ্টিয়ান যুৱকে আমৰঙা সত্রৰ বুৰঞ্জী লিখিবলৈ তথ্য সংগ্রহ কৰাৰ উদ্দেশ্য সত্রলৈ আহিছিল। সত্রলৈ অহাৰ পাছতেই তেওঁ এক অভূতপূর্ব পৰিস্থিতিত সাপে খোটা গিৰিবালাক ৰক্ষা কৰিছিল। সামাজিক ৰক্ষণশীলতাৰ অলংঘনীয় প্রাচীৰখন থকাৰ কথা জানিও মার্কে মানৱীয় ভাবনাৰ দ্বাৰা অনুপ্রাণিত হৈ সত্রাধিকাৰৰ বিধৱা জীয়ৰী গিৰিবালাক শাৰীৰিকভাৱে স্পর্শ কৰি সর্প দংশনৰ পৰা তাইক ৰক্ষা কৰিছিল। সেইদৰে তেওঁ সমাজৰ পৰা বহিষ্কৃত কুষ্ঠ ৰোগীক নিজৰ বস্ত্র দান কৰি মহানুভৱতাৰ পৰিচয় দিছিল। এই গৰাকী সৎ বিবেকবান পুৰুষে গিৰিবালাৰ প্রতি সহানুভুতিৰ মনোভাব পোষণ কৰিছিল। সেয়েহে তাইৰ মনৰ নিঃসঙ্গতাবোধ যাতে আঁতৰি যায় তাৰ বাবে তেওঁ এগৰাকী পৰম সুহৃদৰ দৰে চেষ্টা কৰিছিল। কিন্তু সমাজে তেওঁক ভুল বুজিছিল। ফলত এগৰাকী নিষ্কলুষ মনৰ ব্যক্তি সত্রৰ পৰা আঁতৰি যাবলগীয়া হৈছিল। কিন্তু তেওঁ আৰু ইন্দ্রনাথে মানৱতাবোধৰ যি দ্যোতিৰ সন্ধান দিছিল, সিয়ে উপন্যাসখনৰ কাহিনীভাগক গৰিমাময় ৰূপ প্রদান কৰিছে।

- **সাহিত্যি সৌন্দর্য্যৰ প্রকাশ ঃ** *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* উপন্যাসৰ ভাষাত বর্ণাঢ্য উপাদানৰ সমাৱেশ ঘটিছে। তাৰ লগতে ঔপন্যাসিকে পৰিস্থিতি বিশেষৰ চিত্রণত যি প্রতীক, চিত্রকল্প আদিৰ সহায় লৈছে সিয়ে পৰিস্থিতিৰ লগতে চৰিত্রৰ মানসিক জগতত তোলপাৰ লগোৱা বিচিত্র অনুভূতিৰ সম্ভেদ দিছে। উভয় প্রকৃতি জগত আৰু দৈনন্দিন জীৱনৰ অভিজ্ঞতালব্ধ খণ্ড চিত্র কিছুমানক প্রতীক আৰু চিত্রকল্পৰ আকাৰ প্রদান কৰি সংবেদনশীল মনৰ ঔপন্যাসিকে শব্দৰ এনে অপূর্ব জাল তৰিছে যে সিয়ে অনুভবী পাঠকৰ মনৰ আলোড়ন সৃষ্টি নকৰাকৈ নাথাকে। বিশেষকৈ প্রতীক আৰু চিত্রকল্পৰ শক্তিশালী প্রয়োগত ঔপন্যাসিকে নিজৰ কৃতিত্বৰ চানেকী দাঙি ধৰিছে।
- **উপন্যাসখনত প্রয়োগ হোৱা উপমা, প্রতীক, চিত্রকল্প আদি ঃ** আধুনিক অসমীয়া সাহিত্যত জীৱনৰ বিচিত্রতা আৰু বৈভৱক কথাশিল্পী মামণি ৰয়ছম গোস্বামীয়ে যিদৰে অঙ্কন কৰিছে সেয়া আন কাৰো কাপে ঢুকি পাব পৰাকৈ নাই। দুই এটা ব্যতিক্রম নোহোৱা নহয়। পিছে ৰয়ছম গোস্বামীৰ উপন্যাস কৃতিসমূহত প্রয়োগ কৰা ভাষাই যিদৰে সর্বসাধাৰণ পাঠকৰ দেহ-মন মথি নিব পৰা ক্ষমতা আহৰণ কৰিছে সেয়া এক বিৰল দৃষ্টান্ত স্বৰূপ। তেওঁৰ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত* প্রয়োগ হোৱা ভাষৰ যি সৰস, চিত্তকর্ষক ৰূপ সিয়ে এই উপন্যাসখনৰ ভাষাক সাহিত্যিক গুণসম্পন্ন কৰি তুলিছে। বিশেষকৈ উপমা, প্রতীক আৰু চিত্রকল্পৰ যথাযোগ্য প্রয়োগত ঔপন্যাসিকে মনোনিৱেশ কৰিছে। তাৰ লগতে গোন্ধে উপন্যাসখনৰ বিভিন্ন স্থানত শক্তিশালী স্থিতি গ্রহণ কৰিছে।

উপন্যাসত আৰম্ভণিৰে পৰা উপমাৰ প্ৰয়োগ ঘটিছে। জীৱ-জন্তুৰ ছালৰ উপমাটো সৰ্বাধিক ব্যৱহৃত উপমা।ছালৰ বিভিন্ন ৰঙৰ লগত অৱক্ষয় আৰু ধ্বংস জড়িত। সেই ধাৰণা দিবলৈকে উপন্যাসৰ বিভিন্ন ৰঙৰ লগত অৱক্ষয় আৰু ধ্বংস জড়িত। সেই ধাৰণা দিবলৈকে উপন্যাসৰ বিভিন্ন অংশত জন্তুৰ ছালৰ কথা আছে। উপন্যাসখনৰ আৰম্ভণিতে ঔপন্যাসিকে দিবাকৰ (জোকৰাম) ভাগৱতীৰ ঘৰৰ জৰাজীর্ণ ৰূপ বর্ণনা কৰোঁতে লিখিছে—"উটৰ ছালৰ বৰণ লোৱা ঘৰৰ পুৰণি টিনৰ ছালকেইখনো ভাগৱতীয়ে ৰাণীৰ হাতীৰ মহলদাৰটোক বেচিবলগীয়া হ'ল।"

নাৰী দেহৰ ৰহস্যময় ৰূপ বুজাবলৈ গাৰ ছালক এইদৰে তুলনা কৰা হৈছে—"চাকিৰ পোহৰত সৰু গোসাঁনীৰ গাৰ ছালখন জোনাকৰ পোহৰত জিলিকা পুৰণা পাটৰ কাপোৰৰ দৰে লাগিল।"

সেইদৰে যুৱতীৰ ৰূপ বর্ণনাত প্ৰয়োগ হোৱা উপমা— "জগলীয়াৰ গৰাৰ মাটিৰ দৰে আছিল সিহঁতৰ গাৰ ভাঁজ। স্পর্শ কৰিলেই যেন নদীৰ বুকুত খহি পৰিব সেই মাটি।"

পৰিৱেশ পৰিস্থিতিৰ লগতে মানৱ মনৰ বিচিত্ৰ অনুভূতি আৰু হিয়াৰ বতৰা প্ৰতীকৰ মাধ্যমেৰে প্ৰকাশ কৰাত ঔপন্যাসিক সিদ্ধহস্ত। সৰু গোসাঁনীৰ ভিতৰ চ'ৰাৰ কোঠাত থোৱা দুর্গাৰ সোণৰ অলঙ্কাৰ থকা বাকচটোৰ পৰা অলঙ্কাৰ চুৰ হোৱাৰ পাছত সন্দেহৰ কাঁড়ডাল মহীধৰৰ ফালে যোৱাত সৰু গোসাঁনীৰ মনত জাগ্ৰত হোৱা আশঙ্কাৰ কথা ঔপন্যাসিকে এইদৰে বর্ণনা কৰিছে— "হৰি ! হৰি ! হৰি ! কোনোবাই যেন সৰু গোসাঁনীৰ গাৰ ছালখন বখলিয়াবলৈহে আৰম্ভ কৰিলে। ৰবাবৰ তলৰ পৰা তেওঁ উঠি আহিল। ভিজা কাপোৰ বোকাৰে লথপথ হৈ পৰিছিল। তেওঁৰ গোৰা পল্টনৰ দৰে গাৰ ৰঙে এতিয়া যেন জুইৰ ফিৰিঙতিৰহে ৰূপ ধাৰণ কৰিলে।"

উপন্যাসৰ নামত থকা 'উঁয়ে খোৱা হাওদা'খনেও এটা বিশেষ প্ৰতীকী অর্থ বহন কৰিছে। হাতীৰএই বিশেষ হাওদাখন এখন সমাজৰ ক্ৰমশঃ ক্ষয়মান অৱস্থাৰ প্ৰতীক।

মামণি ৰয়ছম গোস্বামীৰ গদ্যৰ অন্য এটা শক্তিশালী দিশ হ'ল অপূর্ব ব্যঞ্জনাময় চিত্ৰকল্পৰ যথাযথ প্ৰয়োগ। এই উপন্যাসখনতো ইয়াৰ ব্যতিক্ৰম ঘটা নাই। এই উপন্যাসখনৰ আৰম্ভণিৰ প্ৰাকৃতিক দৃশ্যৰ বর্ণনাত ঔপন্যাসিকে লিখিছে— "সৌৱা জগলীয়াৰ সোণালী পানীৰ ৰেখা দেখা গ'ল। সূৰুযৰ বুকুৰ পৰা বাগৰি অহা চপৰা-চপৰি তেজৰ চেকুঁৰাৰে যেন জগলীয়াৰ পানী ৰাঙলী হৈ পৰিছে। কুঁৱলী আৰু ধোঁৱাই প্ৰত্যেক জোপা গছক এক ৰহস্যময় ৰেচমী কাপোৰেৰেহে যেন মেৰুৱাই থৈছে।"

এইবোৰৰ উপৰিইন্দ্ৰিয়গ্ৰাহ্য গোন্ধে উপন্যাসত এটা বিশেষভূমিকা গ্ৰহণ কৰিছে। গোন্ধে ইয়াত এক ৰোমাণ্টিক ধাৰণাৰ আভাস দিয়াৰ লগতে জীৱনৰ ক্ষয়মান

ৰূপ, জীৱনৰ বিভৎস ৰূপৰ চিত্তাকর্ষক বিৱৰণ আগবঢ়াইছে। ঔপন্যাসিকে গোন্ধৰ মাজেদি সমাজ বিৱর্তনৰ ধাৰা এটাক মনোজ্ঞভাৱে চিত্রিত কৰিবলৈ প্রয়াস কৰিছে। তেওঁৰ কাপৰ পৰা নিগৰি অহা শক্তিশালী শব্দই এই চিত্রখন দাঙি ধৰিছে—"বহু বছৰ আগেয়ে পলাশবাৰী হাইস্কুলত পঢ়ি থকা সময়ত আঘোণ মাহত এই আলিটোৱেদি আহোঁতে তেওঁৰ নাকত ধানৰ ফুৰ্ফুৰীয়া গোন্ধ এটাহে লাগিছিল। এতিয়া এই ধানৰ গোন্ধক কানি মিহলি ভজা পাণৰ গোন্ধই জয় কৰি পেলাইছে।"

প্রচুৰ প্রতীক, চিত্রকল্প, উপমা আৰু বৈশিষ্ট্যধর্মী বর্ণনাৰে মামণি ৰয়ছম গোস্বামীয়ে তেওঁৰ এই উপন্যাসখন ৰচনা কৰিছে। সাহিত্যিক গুণৰ ফালৰ পৰা বিচাৰ কৰিলে এইখন তেওঁ ৰচনা কৰা এখন লেখৰ উপন্যাস ৰূপে পৰিগণিত হৈছে।

১৪.৩.৫ উপন্যাসখনত প্রতিফলিত নাৰীকেন্দ্রিক চিন্তা

কোৱা হয় যে একোখন উপন্যাসত তাৰ স্রষ্টা গৰাকীৰ মানসিক জগত আৰু তেওঁৰ আদর্শই স্থান পায়। *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাৰ* ক্ষেত্রতো একে কথা প্রযোজ্য। ইয়াত ঔপন্যাসিক মামণি ৰয়ছম গোস্বামীৰ নাৰীকেন্দ্রিক চিন্তাৰ লগত পৰিচিত হোৱাৰ সুযোগ পোৱা যায়। এগৰাকী মানৱদৰদী, সংবেদনশীল মনা লেখিকা হিচাপে ৰয়ছম গোস্বামীয়ে এইখন উপন্যাসত কেইটামান এনে নাৰী চৰিত্রৰ চিত্রণ কৰিছে, যিকেইটা সমাজৰ পৰিমণ্ডলত থাকিও সমাজৰ পৰা বহু দূৰৈত অৱস্থান কৰিছে। তেওঁলোকে সমাজত থাকিও সমাজৰ অন্যান্য সদস্যৰ দৰে সামাজিক উৎসৱ-অনুষ্ঠান-পর্বত অংশ গ্রহণ কৰিব নোৱাৰে। নামত তেওঁলোক সম্ভ্রান্ত ঘৰৰ জীয়াৰী-বোৱাৰী। তেওঁলোক সত্রাধিকাৰৰ পৰিয়ালৰ স্ত্রী। কিন্তু বৈধব্য নামৰ অভিশাপে তেওঁলোকক 'অস্পৃশ্যলৈ' পর্যবসিত কৰিছে। গিৰিবালা, দুর্গা আৰু সৰু গোসাঁনীয়ে অভিসপ্ত জীৱন একোটা লৈ জীৱন পাত কৰিছে। তিনিও গৰাকীৰে মুক্তিৰ কোনো বাট নাই।দুর্গা আৰু সৰু গোসাঁনীৰ তুলনাত গিৰিবালা অধিক সাহসী। তাই প্রতিবাদৰ পন্থা বিচাৰি পাইছে। কিন্তু দুর্গা আৰু সৰু গোসাঁনীয়ে তেনে সাহস কৰিব খোজা নাই। বৈবাহিক জীৱনত তীক্ততা আৰু অপমানৰ বাহিৰে গিৰিবালাই একো নাপালে। অথচ যি পুৰুষে তাইৰ নাৰীত্বক অপমান কৰিছিল, সেই পুৰুষৰ খৰমত ফুল-তুলসী দিয়া নিয়মটো তাই কোনো পধ্যেই মানি ল'ব খোজা নাছিল। গিৰিবালাৰ তুলনাত দুর্গা আৰু সৰু গোসাঁনীৰ বৈবাহিক জীৱনৰ সুখৰ আছিল যদিও জীৱনলৈ অভিশাপ ৰূপে নামি অহা বৈধব্যই তেওঁলোকৰ চিন্তা আৰু চেতনাক এনেকৈ আলোড়িত কৰিছিল যে নিঃসঙ্গতাৰ বাহিৰে তেওঁলোকে আৰু একো দেখা পোৱা নাছিল। নিয়তিয়ে যেন অহৰহ তেওঁলোকৰ বিৰুদ্ধে ষড়যন্ত্র কৰিছিল। এফালে দুর্গাই তাইৰ সর্বস্ব হেৰুৱাই গিৰীয়েকৰ অস্থি বিসর্জন দিব নোৱাৰিলে আৰু আনফালে সৰু গোসাঁনীয়ে যাক পৰম সুহৃদ বুলি জ্ঞান কৰিছিল, তেৰেঁই তেওঁক

বিশ্বাসঘাটকতা কৰি তেওঁক তেওঁৰ সম্পত্তিৰ পৰা বঞ্চিত কৰিবলৈ চেষ্টা কৰিছিল। পাই হেৰুৱাৰ দুখ আৰু নোপোৱাৰ ক্ষোভ দুয়োটা ভাৱনাৰ অপূর্ব ব্যঞ্জনাৰে উপন্যাসত চিত্রিত নাৰী চৰিত্রকেইটাৰ মানসিক জগতৰ ৰেখা চিত্র ঔপন্যাসিকৰ হাতত উঠা-নমা কৰিছে। ইয়াত নাৰী মনৰ স্বভাৱজাত উমাল অনুভূতিসমূহৰ লগতে অসূয়া, ঈর্ষা আদি লঘু দিশসমূহৰো মনোজ্ঞ প্রকাশ ঘটিছে। বিশেষকৈ উপন্যাসত চিত্রিত হোৱা লঘু নাৰী চৰিত্রকেইটাৰ স্থিতি আৰু কথা-বতৰাৰ মাজেদি উল্লেখ কৰি অহা এই বিশেষ দিশটো উন্মোচিত হৈছে। ঔপন্যাসিকৰ শক্তিশালী কাপৰ স্পর্শই ভূমিচম্পা, ননীচম্পা আদি সাধাৰণ চৰিত্রকো এনে একোটা ৰূপ প্রদান কৰিছে যে সিবিলাক চৰিত্রৰ মুখত দিয়া কথা আৰু তাত অন্তর্নিহিত হৈ থকা উদ্দেশ্য আৰু লক্ষ্যই নাৰীৰ বিচিত্র জীৱন চিন্তা প্রতিফলিত কৰিছে।



চিন্তা-চর্চা কৰক - ১৪.১

মামণি ৰয়ছম গোস্বামীৰ আটাইকেইখন উপন্যাসৰ আধাৰত তেওঁ বিচিত্র নাৰী মনৰ প্রকাশ ঘটাইছে আলোচনা কৰক।

১৪.৩.৬ উপন্যাসখনত প্রয়োগ হোৱা ভাষা

দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা শীর্ষক উপন্যাসখনত প্রয়োগ হোৱা ভাষাৰ কথা আলোচনা কৰিলে আমি ইয়াৰ দুটা দিশ ল'ব লাগিব— এটা হৈছে ভাষাৰ সাহিত্যিক গুণ সমৃদ্ধ ৰূপটো আৰু আনটো হৈছে ভাষাৰ আঞ্চলিক ৰূপটো। প্রথম দিশটোৰ কথা ইয়াৰ আগৰ উপশাখাটোত আলোচনা কৰি অহা হৈছে। এই উপশাখাটোত আমি ভাষাৰ আঞ্চলিক ৰূপটোৰ কথা আলোচনা কৰিম। উপন্যাসখনত দক্ষিণ কামৰূপ অঞ্চলৰ কথিত ভাষাৰ ৰূপটো ব্যৱহাৰ কৰা হৈছে। ইয়াত আঞ্চলিকতাবাদৰ সুৰ স্পষ্ট। ভাষা প্রয়োগৰ এই বৈশিষ্ট্যপূর্ণ দিশে উপন্যাসখনৰ কাহিনীভাগ পল্লৱিত হৈ উঠোঁতে চৰিত্রৰ যি ভূমিকা আৰু চিন্তা, তাৰ লগত পাঠকক পৰিচিত কৰাবলৈ এনে সাৱলীলভাৱে খোজ মিলাই আগবাঢ়িছে যে কাহিনী আৰু বর্ণিত পৰিস্থিতিয়ে অধিক বিশ্বাসযোগ্য ৰূপ লাভ কৰিছে। ঔপন্যাসিকে শব্দৰূপী ব্রহ্মৰ প্রয়োগ ইমান নিষ্ঠা আৰু যথোপযোগ্যভাৱে কৰিছে যে ভিন্ন চৰিত্রৰ মুখত দিয়া কথাই আমাক সেই সেই পৰিস্থিতিক উপলব্ধি কৰি তাৰ মর্ম বিশ্লেষণ কৰাত সহায় কৰিছে। উপন্যাসৰ আৰম্ভণিৰ পৃষ্ঠা এটাত গোসাঁনী আয়ে পুত্র ইন্দ্রনাথক কোৱা "তই এই মাজৰাতিক গেলি সেই ওটা ৰোকা ভকতটোৰ ঘৰত থকাতকৈ দেখোন ৰঙা মাটিৰমাটিখিনিৰ খবৰ লৈ আহিব পাৰিলি হয়?"—তেওঁৰ এইযাৰ কথাৰ মাজেদি ভাষাৰ এটা আঞ্চলিক ৰূপ প্রকাশ পোৱাৰ লগতে সত্রাধিকাৰৰ ঘৰখনৰ ওপৰত গোমা ডাৰৰৰ দৰে ওলমি থকা এটা গুৰুত্বৰ সমস্যাৰ ইঙ্গিত দিছে। মাকৰ কথাত জাঙুৰ

খাই উঠি ইন্দ্রনাথে কৈছিল, "সৰু গহেনী! সৰু গহেনী কৰি থাকা যে তহঁত সৰু গহেনীৰ দৰে হবা নৰাহ কিয়া? কমিউনিষ্টহাঁতে গণ্ডগোল কৰি থাকা মাটি-বাৰী মখাৰ বন্দোৱস্থ তহঁতে দেখোন নিজেই কৰিবা পাৰা। মাটি-বাৰীৰ বিষয়ে তহঁতৰ বহুত জ্ঞান আছে।" —এইদৰে মাক পুতেকৰ মাজত হোৱা এই ভাবৰ আদান-প্রদানৰ মাজেদি ঔপন্যাসিকে অতি কৌশলেৰে উপন্যাসখনৰ অন্যতম পুৰুষ চৰিত্র ইন্দ্রনাথক কেন্দ্র কৰি ঘূৰিব ধৰা বিশেষ ঘটনাৰ আভাস দিছে।

সামাজিক উপন্যাস হিচাপে ইয়াত সমাজ জীৱনৰ কিছুমান চিনাকি দৃশ্য ফুটাই তোলাত ঔপন্যাসিক কৃতকার্য হৈছে। তাৰে কিছুমান চিত্র নাৰীকেন্দ্রিক চিন্তাৰ প্রতিফলন মাত্র। অৱশ্যে ইয়াত জীৱনৰ উচ্চ চিন্তা বা দিশৰ সলনি ঘৰুৱা জীৱনৰ সুখ-দুখ, খং-অভিমানৰ চিত্র যি হৃদয়গ্রাহী ভাষাত বর্ণিত হৈছে সিয়ে উপন্যাসত প্রত্যক্ষ কৰিবলৈ পোৱা দক্ষিণ কামৰূপৰ কথিত ভাষাত নিহিত থকা লোক-সংস্কৃতিৰ উপাদান আৰু কথিত ভাষাটোৰ কালিকাৰ লগত পৰিচয় কৰাই দিয়ে। তলত গোসাঁনী আই আৰু দুর্গাৰ মাজত সংঘটিত হোৱা ঘৰুৱা বাকযুদ্ধৰ আলমতে এই দিশ কেইটালৈ আঙুলিয়াব পাৰি— তাৰ পিছতে বন্ধ দুৱাৰখন ভুকুৱাই তাই চিঞৰিব ধৰিলে, "আই মৰাৰ সময়ত ***ম'ৰ*** বিয়াত দিবা ***কাণৰ ফুটি*** একোযোৱা দি যাৱা নাছিলনা বৌ? মই চব জানো, তই সেই যৰা ***লুকে*** থৈছা। দি, ***সেই যৰা*** মোক দি।"

ভিতৰৰ পৰা গোসাঁনীৰ অত্যন্ত কর্কশ মাত ভাঁহি আহিল, বেটী ***হাড়ীত খাইতী***। কোনে তোক ***গেলি*** কাণৰ ফুটি থৈ গেছিল এ? —গিৰিয়েৰেও দেখোন ফুটা কড়ি এটা থৈ নেগেল? তপাত ভাতৰ ***ধহাই ধচ্ছিল*** স্বামীৰ ভিঠা এৰি আইহবা!!"

অঞ্চল বিশেষৰ কথিত ভাশাৰ মাজেৰেওে হৃদয়ৰ অটল তলিৰ গুজৰি-গুমৰি থকা ক্ষোভ-অভিমানক কাহিনী প্রকাশিত হ'ব পাৰে। *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত* ঔপন্যাসিকে দক্ষিণ কামৰূপৰ কথিত অসমীয়া ভাষাৰ মাজতো সেই বর্ণাঢ্য ৰূপ ৰস সন্নিৱেশ কৰিব পাৰিছে। গিৰিবালাৰ হিয়াৰ আকুতি যি ৰূপে প্রকাশ পাইছে সিয়ে এইটো দর্শায় যে আঞ্চলিক কথিত ভাষাতো ৰূপ-ৰসৰ অৱস্থিতি আছে—"স্থিৰ দৃষ্টিৰে এই চকুলৈ চাই গিৰিবালাই ক'লে—"চাহাব, মই দুর্গা নাইবা সৰু গহেঁনীৰ দৰে বাচি থাকবা নৰো।" পিতা সত্রাধিকাৰ মহাপ্রভুৰে কয় 'তৰ ভাগ্য দুর্গাৰ হেতি সাঙোৰ খাই আছে। তাই উচিত পথত ভৰি দিছি। এই পথেদি ***তহনায়ো*** চলিলা লাগিব। তহনাই তাইৰ দৰে খৰমৰ ফুল-পানী দিবি। তিৰীৰ বাবে স্বামী পৰম দেৱতা। সেই দেৱতাক অহৰহ পূজা কৰিবি' সন্ন্যাসী চাহাব, ম'ৰ সেই দেৱতাই কানিৰ কাণ কাটি বেচা তিৰীৰ হাতত ধচ্ছিল। চালপীৰাত উঠি মক কি কৈছিল জানানা?"

এইদৰে আঞ্চলিক কথিত ভাষাৰ প্রয়োগৰ দ্বাৰা ঔপন্যাসিকে উপন্যাসখনত চিত্রিত সমাজ আৰু চৰিত্রসমূহৰ স্থিতি অধিক সজীৱ আৰু আকর্ষণীয় কৰি তুলিছে।



ম'ৰ ঃ মোৰ।
কাণৰ ফুটি ঃ কাণৰ থুৰিয়া।
লুকে ঃ লুকাই থোৱা।
সেই যৰা ঃ সেই যোৰ।
হাড়ীত খাইতী ঃ ওপৰতে খোৱা বুলি কোনোবা স্ত্রীক গালি পৰা।
গেলি ঃ কাৰণে।
ধহাই ঃ ধোঁৱাই।
ধচ্ছিল ঃ ধৰিছিল।
তহনায়ো ঃ তয়ো।

১৪.৩.৭ আঞ্চলিক উপন্যাস হিচাপে *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*

ইতিমধ্যে এই উপন্যাসখনৰ আলোচনাৰ পৰিচয় শাখাতে এইটো কোৱা হৈছে যে এইখন এখন আঞ্চলিক উপন্যাস। আলোচক গোবিন্দ প্রসাদ শর্মাই তেওঁৰ গ্রন্থ *উপন্যাস আৰু অসমীয়া উপন্যাসত* আলোচনাপ্রসঙ্গত কৈছে— "এটা অঞ্চলক কেন্দ্র কৰি, অর্থাৎ সেই অঞ্চলটোক অকল পটভূমিয়েই নহয়,বিষয়বস্তু হিচাপে লৈ যিবোৰ উপন্যাস ৰচনা কৰা হয়, সেইবোৰ উপন্যাসকে আঞ্চলিক উপন্যাস (Regional Novel) বোলে।"

আঞ্চলিক উপন্যাসত একোটা অঞ্চলৰ প্রকৃতিক পৰিৱেশ, তাৰ সমাজ, লোক-বিশ্বাস আৰু পৰম্পৰা, ৰীতি-নীতি, মাত-কথা, ঐতিহ্য, ভৌগোলিক অৱস্থানৰ বৈশিষ্টপূর্ণ দিশ, ইত্যাদিয়ে প্রাধান্য পায়। এই দিশবোৰৰ আধাৰতে আমি *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* উপন্যাসখন আলোচনা কৰিব পাৰোঁ।

- ঔপন্যাসিকে নিজে উপন্যাসৰ পাতনিত উল্লেখ কৰা মতে উপন্যাসৰ কাহিনীৰ পটভূমি হৈছে দক্ষিণ কামৰূপৰ আমৰঙা সত্র। সত্র আৰু তাত লগ পোৱা বিভিন্ন পাত্র-পাত্রীক ভিত্তি হিচাপে লৈ কাপত কল্পনাৰ মহী ভৰাই এই ভিন্ন স্বাদৰ উপন্যাসখন ৰচনা কৰিছে। নামনি অসমৰ দামোদৰীয়া সত্র এখনৰ চিত্রণত ঔপন্যাসিক কৃতকার্য হৈছে। উপন্যাসখনত অঙ্কিত হোৱা চিত্র কিছুমানৰ মাজেদি সত্র সমাজ আৰু সত্রীয়া পৰম্পৰা (দামোদৰীয়া সত্রসমূহ)ৰ আভাস পোৱা যায়।
- উপন্যাসত চিত্রিত হোৱা সমাজখন সামন্ত যুগীয় সমাজ। ইয়াত সত্রাধিকাৰ বা সমাজৰ অন্যান্য অৱস্থা সম্পন্ন লোক বিশাল ভূ-সম্পত্তিৰ গৰাকী। সাধাৰণ শ্রেণীৰ মানুহথিনি তেনে ভূ-স্বামীৰ অধীনস্থ ৰায়ত। সৰহভাগ ৰায়ত কানি পানত আসক্ত হোৱাত তেওঁলোক দাৰিদ্র্যৰ কবলত পৰিছিল। ক্রমশঃ তেওঁলোকৰ আর্থিক স্থিতি নিম্নগামী হৈছিল। আন্যহাতেদি একে সময়তে মহাজন শ্রেণীটোৰ স্থিতি পূর্বৰ তুলনাত অধিক টনকীয়াল হৈছিল। উপন্যাসত সেই চিত্র এইদৰে বর্ণিত হৈছে— "গোসাঁইৰ হাউলিৰ মুখে মুখে যিটো টিনৰ ঘৰ দিনে দিনে পৰিষ্কাৰ আৰু নদন বদন হৈ আহিব ধৰিছে সেইটোৱেই হৈছে হৰি মহাজনৰ ঘৰ।... ...সিহঁতৰ হাতৰ বুঢ়া আঙুলিত দস্তখতৰ ক'লা চিহ্ন। কোনে জানে এই ক'লা চিহ্নটোৱে এতিয়া কোন মুহূর্তত ভয়াবহ অন্ধকাৰ হৈ আহে?..."
- সমাজত যৌথ পৰিয়ালৰ ব্যৱস্থা আছিল। সত্রাধিকাৰ পৰিয়ালত তেওঁৰ পত্নী, পুত্র ইন্দ্রনাথ, পিতৃ গৃহলৈ উভতি অহা বিধৱা জীয়েক গিৰিবালাৰ উপৰিও তেওঁলোকৰ পৰিয়াললৈ অর্থাৎ সত্রলৈ পুনৰ উভতি আহিছিল সত্রাধিকাৰৰ বিধৱা ভনীয়েক দুর্গা।সময়ে সময়ে এনে যৌথ পৰিয়ালৰ ভিতৰ চ'ৰাত সদস্যসকলৰ মাজত মতান্তৰ হয় যদিও সেয়া সাময়িক। সামাজিক জীৱনৰ অদৃশ্য নীতি-নিয়ম আৰু বিশ্বাসসমূহ ইমান দৃঢ় যে সময়ত পৰিস্থিতি সামান্য হয়গৈ। গোসাঁনী আই আৰু দুর্গাৰ মাজত

অলঙ্কাৰক লৈ কিছু তর্কা-তর্কি হৈছিল যদিও সময়ত গোসাঁনী আয়ে দুর্গাক আঁকোৱালি লৈছিল। দুর্গাৰ শহুৰেকৰ ঘৰলৈ পুনঃগমনৰ সময়ত বৌৱেক আয়ে কোৱা কথাৰ মাজেদি সম্বন্ধৰ সেই নজহা-নপমা জৰীডালৰ আভাস পোৱা যায়— "স্খলিত কণ্ঠেৰে গোসাঁনীয়ে ক'লে, 'দায়-দোষ নধৰিবি। আজিকালি মন ঠিকে নাথাকে। তই ধর্মত থাকা মানুহ বুকু ফালি চাই সকলো বুজিবি।"

- লোকজীৱনৰ নানা আস্থা-নিষ্ঠা, বিশ্বাস, সংস্কাৰ আৰু ক-সংস্কাৰেৰে পূর্ণ। অঞ্চল বিশেষে লোকজীৱনো বৈশিষ্ট্যপূর্ণ হয়। এইখন আঞ্চলিক উপন্যাসতো বিশিষ্ট লোকজীৱনৰ কিছুমান টুকুৰা চিত্র সন্নিৱিষ্ট হৈছে। সাধাৰণ গঞাঁই ভূত-প্রেত আদি অপশক্তিক বিশ্বাস কৰিছিল। মানুহৰ মনত ভূত-প্রেতৰ ধাৰণাটো ইমান বদ্ধমূলভাৱে সোমাই গৈছিল যে সেই চিন্তাই তেওঁলোকক কিছুমান কাম কৰা, কিছুমান স্থানলৈ যোৱাৰ পৰা বিৰত কৰিছিল। জগলীয়াৰ কাঠৰ দলঙৰ আশে-পাশে ভূত ওলোৱা বুলি চলা অপপ্রচাৰ তেনে অন্ধবিশ্বাসৰে ফল। দৰাচলতে সেইটো গাঁৱৰ পৰা বিতাড়িত হোৱা অস্থি চর্মসাৰ কুষ্ঠ ৰোগীটো যিয়ে সেই ফালেদি যোৱা মানুহক ভয় খুৱাই খাদ্য বস্তু সংগ্রহ কৰি প্রাণ ধাৰণ কৰি আছিল। সমাজত ব্রাহ্মণ বিধৱাসকলৰ অৱস্থা অতি শোকলগা ধৰণৰ আছিল। বিশেষকৈ আমতিৰ সময়ত তেওঁলোকৰ দুখে কুলাই-পাচিয়ে নধৰা হৈছিল। ভৰিত ঢকুৰা পিন্ধি নিত্যনৈমিত্তিক কর্ম কৰিবলগীয়া হৈছিল। মাটিত থোৱা ফল-মুল খোৱা নিষেধ। চাঙত থোৱা ফল-মুল শুকাই গৈছিল। কল গেলিছিল আৰু কঁঠালত ভেনামাখি পৰিছিল। উপন্যাসত চিত্রিত সমাজখনত অৱস্থান কৰা দুর্গা, সৰু গোসাঁনীৰ নিচিনা বিধৱাই এনে অমানৱীয় সংস্কাৰ নীৰৱে মানি ল'বলগীয়া হৈছিল।
- ৰোগ চিকিৎসাৰ বাবে আধুনিক চিকিৎসা শাস্ত্রৰ নিদান মানুহে পৰাপক্ষত এৰাই চলিছিল। গাঁৱলীয়া বেজ-বেজালি, জৰা-ফুকাৰে সেই কাম সমাধা হৈছিল। স্বয়ং সত্রাধিকাৰৰ পত্নী আৰু সৰু গোসাঁনীয়ে নিজ নিজ শিষ্যগণক বিপদত পৰিলে দিহা-পৰামর্শ দিয়াৰ লগতে ঘৰুৱা আৰু আসুৰিক চিকিৎসাৰ নিদান দিছিল। এইটো আঞ্চলিকতাবাদী উপন্যাসৰ সমাজ জীৱনৰ সূক্ষ্ম দিশ প্রতিফলিত কৰা দৃশ্য।
- উপন্যাসত আঞ্চলিক বৈশিষ্ট্য প্রকট কৰা কেতবোৰ সামাজিক আৰু পাৰিবাৰিক স্তৰৰ উৎসৱ-পর্বৰ নামৰ উল্লেখ আছে। ইয়ে আমাৰ দৃষ্টি আকর্ষণ কৰে। ঔপন্যাসিকৰ ভাষাত তাৰ উল্লেখ এনে প্রসঙ্গত পাওঁ— "এনে কি ঠিক, কাৰোবাৰ মঙ্গলময় কামৰ সময়ত কি জানি দুর্গাৰ আবির্ভাৱ হয়? কত মঙ্গলময় কাম হয়, পুহন বিয়া হয়, পুত্র জন্ম হয়, বাসন্তী পূজা হয়।"

এইদৰে উপন্যাসখনৰ বিভিন্ন পৃষ্ঠাত চকু ফুৰালে আমি বৈশিষ্ট্যপূর্ণ সামাজিক পৰম্পৰা, লোক-সাংস্কৃতিক সমল, ভাষাতাত্ত্বিক বৈশিষ্ট্য, ইত্যাদিৰে ভৰপূৰ এখন মনোজ্ঞ আঞ্চলিক সমাজৰ লগত পৰিচিত হ'ব পাৰোঁ।এইখন সমাজত মানুহৰমুখে মুখে অলেখ

প্রবাদ, কিম্বদন্তিমুলক কাহিনীৰ প্রচলন আছে। ঔপন্যাসিকে সাধাৰণ স্তৰৰ লঘু চৰিত্র কেইটাৰ মুখেদি এনে অলেখ প্রবাদ, জনশ্রুতিমূলক কথা-কাহিনী কোৱাইছে। উপন্যাসৰ মূল কাহিনীৰ বিকাশত এই খণ্ড চিত্রসমূহৰ বিশেষ বৰঙণি নাই যদিও উপন্যাসখনত প্রতিফলিত আঞ্চলিকতাবাদৰ প্রকাশত এই উপাদানসমূহৰ বিশেষ গুৰুত্ব আছে।



অগ্রগতি নিৰীক্ষণ

৪নং প্রশ্ন ঃ আঞ্চলিকতাবাদী উপন্যাস হিচাপে *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদাত* উল্লেখিত স্ত্রীৰপ্রধান্য থকা উৎসৱ পর্বসমূহৰ বিষয়ে চমুকৈ লিখক। (১৫০টা শব্দৰ ভিতৰত)



১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- *দঁতাল হাতীৰ উঁয়ে খোৱা হাউদা* মামণি ৰয়ছম গোস্বামীৰ এখন বহু পঠিত আৰু বহুচর্চিত উপন্যাস। ইয়াত নাৰী জীৱনৰ বাস্তৱতা মর্মস্পর্শী বর্ণনাৰে উদ্ভাসিত হৈছে। বিশেষকৈ ব্রাহ্মণ বিধৱাসকলৰ দুর্দশা আৰু দেহ-মনৰ ৰিক্ততাৰ যি মনোজ্ঞ প্রকাশ ঘটিছে সেয়ে ঔপন্যাসিকক এগৰাকী সুদক্ষ কথাকাৰ ৰূপে তুলি ধৰিছে।
- সাহিত্যিক সৌন্দর্যৰে সমৃদ্ধ এই উপন্যাসখনে আমাক ঔপন্যাসিক গৰাকীৰ মাজত সুপ্ত হৈ থকা কলাপ্রেমী, শিল্পীসুলভ মনটোৰ অৱস্থিতিৰ বিষয়ে উমান দিছে।
- এইখন উপন্যাস আঞ্চলিকতাবাদী গুণবিশিষ্ট। ইয়াত প্রত্যক্ষ কৰিবলৈ পোৱা আঞ্চলিকতাবাদী গুণসমূহে উপন্যাসখনক এটা বিশিষ্ট ৰূপ প্রদান কৰিছে।
- কেৱল সিমানেই নহয়, উপন্যাসখনত চিত্রিত হোৱা সৰু-বৰ প্রায়ভাগ চৰিত্রই জীৱন আৰু বাস্তৱ সমাজৰ বহুতো চকুত পৰা দিশ আৰু সুপ্ত দিশৰ প্রতি আমাৰ মন উন্মুখ কৰিছে। চৰিত্রৰ মানসিক জগতৰ বিচিত্রতা ঔপন্যাসিকৰ কাপৰ পৰা নির্গত হোৱা শব্দৰাজিৰে ধৰি ৰখাটো পৰম সাধনাৰ কাম। এই ক্ষেত্রত ঔপন্যাসিক মামণি ৰয়ছম গোস্বামী কৃতকার্য হৈছে। ইয়াৰ প্রমাণ *দঁতাল হাতীৰ উঁয়ে খোৱা হাউদা* নামৰ উপন্যাসখন।



১৪.৫ অধিক জানিবলৈ

১) গগৈ, হৃদয়ানন্দ (২০০১) ঃ *আধুনিকতাৰ সন্ধানত মামণি ৰয়ছম*; গুৱাহাটী ঃ জ্যোতি প্রকাশন।

২) গোস্বামী, মামণি ৰয়ছম (১৯৭২) ঃ *চেনাবৰ সোঁত*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্ট'ল।

৩) গোস্বামী, মামণি ৰয়ছম (১৯৭৬) ঃ *নীলকণ্ঠী ব্রজ*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্ট'ল।

৪) গোস্বামী, মামণি ৰয়ছম (১৯৮০) ঃ *অহিৰণ;* গুৱাহাটী ঃ বাণী প্ৰকাশ।

৫) গোস্বামী, মামণি ৰয়ছম (১৯৮০)ঃ *মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস;* গুৱাহাটী।

৬) গোস্বামী, মামণি ৰয়ছম (১৯৮৬) ঃ *সংস্কাৰ, উদয়ভানুৰ চৰিত্ৰ, ইত্যাদি;* কলিকতা ঃ শ্ৰীভূমি পাব্লিছিং কোম্পানী।

৭) গোস্বামী, মামণি ৰয়ছম (১৯৮৮) ঃ *আধালেখা দস্তাবেজ;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

৮) গোস্বামী, মামণি ৰয়ছম (১৯৮৮)ঃ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা,* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

৯) গোস্বামী, মামণি ৰয়ছম (১৯৯৪) ঃ *তেজ আৰু ধূলিৰে ধূসাৰিত পৃষ্ঠা;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

১০) গোস্বামী, মামণি ৰয়ছম (১৯৯৪) ঃ *উপন্যাস সমগ্ৰ,* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

১১) গোস্বামী, মামণি ৰয়ছম (১৯৯৪) ঃ *দাশৰথীৰ পুত্ৰৰ খোজ;* গুৱাহাটী ঃ বাণী প্ৰকাশ।

১২) গোস্বামী, মামণি ৰয়ছম (১৯৯৪) ঃ *ছিন্ন মস্তাৰ মানুহটো;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

১৩) গোহাঁই, ৰাণী (১৯৯৯) ঃ *হৃদয়ৰ তপস্বিনী;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

১৪) ঠাকুৰ, নগেন (২০০০) ঃ *এশ বছৰৰ অসমীয়া উপন্যাস;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

১৫) ভৰালী, শৈলেন (২০০৪) ঃ *মাধৱ কন্দলিৰ পৰা মামণি গোস্বামীলৈ;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

১৬) শৰ্মা, গোবিন্দ প্ৰসাদ (১৯৯৫) ঃ *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

১৭) হুছেইন, নিকুমণি (২০০৯) ঃ *মামণি ৰয়ছম গোস্বামী ঃ জীৱন কৃতি আৰু কৃতিত্ব;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।



১৪.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ ঔপন্যাসিকে কিহৰ অনুপ্ৰেৰণাত উপন্যাসখন লিখিবলৈ উৎসাহিত হৈছিল তাৰ লেখ... ...এখন দামোদৰীয়া সত্ৰক কেন্দ্ৰ কৰি গঢ় লোৱা উপন্যাসৰ কাহিনীভাগৰ চমু লেখ... ...কাহিনীত ফুটি উঠা পুৰুষপ্ৰধান ৰক্ষণশীল সমাজৰ আলেখ-লেখ সেই সমাজে ব্ৰাহ্মণ বিধৱাসকলৰ প্ৰতি কৰা অমানবীয় ব্যৱহাৰ, ইত্যাদি।

২নং প্ৰশ্নৰ উত্তৰ ঃ গিৰিবালা চৰিত্ৰটোৰ চমু পৰিচয়... ...দুৰ্গা চৰিত্ৰৰ চমু পৰিচয়... ...গিৰিবালা নিৰ্ভীক, স্পষ্টবাদী দুঃসাহসী মানসিকতাৰ বিপৰীতে দুৰ্গাৰ ৰক্ষণশীল, কু-সংস্কাৰেৰে আচ্ছান্ন দেহ-মনৰ বিধ্বংসী ৰূপৰ চিত্ৰ আৰু দুয়োটা চৰিত্ৰৰ পাৰ্থক্য বিচাৰ।

৩নং প্ৰশ্নৰ উত্তৰ ঃ ইন্দ্ৰনাথ চৰিত্ৰটোৰ চমু পৰিচয়... ...চৰিত্ৰটোত ফুটি উঠা ন্যায়পৰায়ণতা, সত্যনিষ্ঠা, সহানুভূতিশীলতা, প্ৰগতিকামী চিন্তা আৰু মানসিকতা আদি গুণৰ চমু আলোচনা।

৪নং প্রশ্নৰ উত্তৰ ঃ আঞ্চলিকতাবাদী উপন্যাস হিচাপে *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'*...
...উপন্যাসৰ বিভিন্ন পৃষ্ঠাত উল্লেখ থকা আমতি, পুহন বিয়া আদিৰ উল্লেখ আৰু কি কি প্রসঙ্গত ইয়াৰ উল্লেখ আছে।



১৪.৭ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত নৰ-নাৰীৰ সম্পর্ক কি দৰে বিবৃত হৈছে?

প্রশ্ন ২ ঃ আঞ্চলিকতাবাদী উপন্যাস বুলিলে কি বুজে? আঞ্চলিকতাবাদী উপন্যাস হিচাপে *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*খনৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্রশ্ন ৩ ঃ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*ৰ প্রধান নাৰী চৰিত্রকেইটাৰ বিষয়ে আলোচনা আগবঢ়াওক।

প্রশ্ন ৪ ঃ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'*ত ইন্দ্রনাথৰ ভূমিকা কেনে ধৰণৰ আলোচনা কৰক।

প্রশ্ন ৫ ঃ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*ত খ্রীষ্টিয়ান মার্কৰ মহানুভৱতা ক'ত আৰু কেনেদৰে প্রকাশিত হৈছে —বিচাৰ কৰক।

প্রশ্ন ৬ ঃ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* উপন্যাসখনত দক্ষিণ কামৰূপৰ লোকসমাজখনৰ চিত্র কি দৰে প্রতিফলিত হৈছে?

প্রশ্ন ৭ ঃ গিৰিবালা, দুর্গা আৰু সৰু গোসাঁনী —এই তিনিওটা চৰিত্রৰ মাজত থকা সাদৃশ্য আৰু পার্থক্যসমূহ বিশ্লেষণ কৰক।

প্রশ্ন ৮ ঃ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* উপন্যাসত ইন্দ্রনাথৰ মনৰ দ্বন্দ্বাত্মক স্থিতি ক'ত কি দৰে ফুটি উঠিছে বিশ্লেষণ কৰক।

প্রশ্ন ৯ ঃ মামণি ৰয়ছম গোস্বামীৰ উপন্যাসত ফুটি উঠা সাহিত্যিক সৌন্দর্য —*দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*ৰ আধাৰত আলোচনা কৰক।

প্রশ্ন ১০ ঃ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*ৰ ভাষাৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্রশ্ন ১১ ঃ মানবতাবাদ অন্তঃসলিলা ফল্গুধাৰাৰ দৰে মামণি ৰয়ছম গোস্বামীৰ সকলো ৰচনাতে প্রৱহমান— *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*ত ইয়াৰ প্রতিফলন কেনেদৰে ঘটিছে।

প্রশ্ন ১২ ঃ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা*ত সর্বসাধাৰণ জীৱনচর্যা কিদৰে ৰূপায়িত হৈছে?

প্রশ্ন ১৩ ঃ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* উপন্যাসখনত ব্রাহ্মণ বিধৱাসকলৰ মর্মবেদনাৰ কথা ঔপন্যাসিকৰ কাপৰ পৰা কি দৰে নিগৰি ওলাইছে?

প্রশ্ন ১৪ ঃ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* উপন্যাসখনত সমাজ সংস্কাৰৰ মনোভাৱ চকুত পৰেনে? আপোনাৰ উত্তৰৰ সপক্ষে যুক্তি দর্শাওক।

প্রশ্ন ১৫ ঃ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা* উপন্যাসত নাৰী চৰিত্রৰ প্রতিবাদী সত্তাৰ প্রকাশ কি দৰে হৈছে?

*** ***** ***



প্ৰসঙ্গ পুথি

অসমীয়া গ্ৰন্থ ঃ

১) কটকী, প্ৰফুল্ল (১৯৯৫); *স্বৰাজোত্তৰ অসমীয়া উপন্যাস সমীক্ষা;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

২) খাউণ্ড, মলয়া (১৯৯৬); *বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য আৰু তেওঁৰ উপন্যাস;* গুৱাহাটী ঃ সাহিত্য প্ৰকাশ।

৩) গগৈ, হৃদয়ানন্দ (২০০১) ঃ *আধুনিকতাৰ সন্ধানত মামণি ৰয়ছম;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

৪) গোস্বামী শৰ্মা, প্ৰণতি আৰু শৰ্মা, অনিল (সম্পা.) (১৯৯৯) ঃ *কুৰি শতিকাৰ কুৰিজন বিশিষ্ট অসমীয়া;* নলবাৰী ঃ জাৰ্ণাল এম্প'ৰিয়াম।

৫) গোস্বামী, ত্ৰৈলোক্য নাথ (১৯৭১) ঃ *সাহিত্য-কলা আৰু তাৰ বিচাৰ,* তিনিচুকীয়া ঃ মিত্ৰ এজেন্সি এণ্ড কোম্পানী।

৬) গোস্বামী, মামণি ৰয়ছম (১৯৭২) ঃ *চেনাবৰ সোঁত,* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৭) গোস্বামী, মামণি ৰয়ছম (১৯৭৬) ঃ *নীলকণ্ঠী ব্ৰজ,* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৮) গোস্বামী, মামণি ৰয়ছম (১৯৮০) ঃ *অহিৰণ;* গুৱাহাটী ঃ বাণী প্ৰকাশ।

৯) গোস্বামী, মামণি ৰয়ছম (১৯৮০) ঃ *মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস;* গুৱাহাটী।

১০) গোস্বামী, মামণি ৰয়ছম (১৯৮৬) ঃ *সংস্কাৰ, উদয়ভানুৰ চৰিত্ৰ, ইত্যাদি;* কলিকতা ঃ শ্ৰীভূমি পাৱলিছিং কোম্পানী।

১১) গোস্বামী, মামণি ৰয়ছম (১৯৮৮) ঃ *আধালেখা দস্তাবেজ;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

১২) গোস্বামী, মামণি ৰয়ছম (১৯৮৮) ঃ *দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা;* গুৱাহাটী ঃ বাণী প্ৰকাশ প্ৰাইভেট লিমিটেড।

১৩) গোস্বামী, মামণি ৰয়ছম (১৯৯৪) ঃ *তেজ আৰু ধূলিৰে ধূসৰিত পৃষ্ঠা;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

১৪) গোস্বামী, মামণি ৰয়ছম (১৯৯৪) ঃ *উপন্যাস সমগ্ৰ,* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

১৫) গোস্বামী, মামণি ৰয়ছম (১৯৯৪) ঃ *দাশৰথীৰ পুত্ৰৰ খোজ;* গুৱাহাটী ঃ বাণী প্ৰকাশ।

১৬) গোস্বামী, মামণি ৰয়ছম (১৯৯৪)·ঃ *ছিন্নমস্তাৰ মানুহটো;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

১৭) গোস্বামী শৰ্মা, প্ৰণতি আৰু শৰ্মা অনিল (সম্পা.) (১৯৯৯) ঃ *কুৰি শতিকাৰ কুৰিজন বিশিষ্ট অসমীয়া;* নলবাৰী ঃ জাৰ্ণাল এম্প'ৰিয়াম।

১৮) গোহাঁই, ৰাণী (১৯৯৯) ঃ *হৃদয়ৰ তপস্বিনী;* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

১৯) ঠাকুৰ, নগেন (সম্পা.) (২০১২) ঃ *এশ বছৰৰ অসমীয়া উপন্যাস,* গুৱাহাটী ঃ জ্যোতি প্ৰকাশন।

২০) দাস, শোণিত বিজয় আৰু বায়ন, মুনিন (সম্পা.) (২০০৬); *কথা বৰেণ্য ১০০;* গুৱাহাটী ঃ কথা প্রকাশ।

২১) নেওগ, মহেশ্বৰ (২০০০) ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

২২) বৰকটকী, বীৰেন (১৯৬৭) ঃ *ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ;* যোৰহাট ঃ অসম সাহিত্য সভা।

৪) বৰগোহাঞি, হোমেন (সম্পা.) (১৯৬৭); *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য;* যোৰহাট ঃ অসম সাহিত্য সভা।

২৩) বৰগোহাঞি, হোমেন (সম্পা.) (১৯৯৩); *অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড);* অসম ঃ আনন্দৰাম বৰুৱা ভাষা কলা-সংস্কৃতি সংস্থা।

২৩) বৰগোহাঞি, হোমেন (১৯৯৮); *চাৰিটা দশকৰ ফচল ঃ উপন্যাস সমগ্র;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

২৪) বৰা শইকীয়া, লীলাৱতী (সম্পা.) (২০০৭); *অসমীয়া চুটি গল্পৰ প্রবাহ;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

২৫) ভৰালী, শৈলেন (১৯৯২) ঃ *আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৬) ভৰালী, শৈলেন (১৯৯৬); *অসমীয়া ঐতিহাসিক উপন্যাস;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

২৬) ভৰালী, শৈলেন (২০০৩); *উপন্যাস ঃ বিচাৰ আৰু বিশ্লেষণ;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

২৭) ভৰালী, শৈলেন (২০০৪); *মাধৱ কন্দলিৰ পৰা মামণি গোস্বামীলৈ;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

২৮) মালিক, চৈয়দ আব্দুল (১৯৮৭); *ধন্য নৰ তনু ভাল;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

২৯) ৰহমান, লুৎফুৰ (সম্পা.) (১৯৯৮); *চৈয়দ আব্দুল মালিক ৰচনাৱলী (প্রথম, দ্বিতীয়, তৃতীয়, চতুর্থ আৰু পঞ্চম খণ্ড);* গুৱাহাটী ঃ কস্তুৰী প্রকাশন।

৩০) লেখাৰু, উপেন্দ্র চন্দ্র (১৯৯০) ঃ *অসমীয়া সাহিত্যৰ সেৱক স্বর্গীয় ৰজনীকান্ত বৰদলৈ;* গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

৩১) মজুমদাৰ, বিমল (২০১১); *সাহিত্যৰ তত্ত্ব আৰু প্রয়োগ;* গুৱাহাটী ঃ জ্যোতি প্রকাশন।

৩২) শর্মা, গোৱিন্দ প্রসাদ (১৯৯৫); *উপন্যাস আৰু অসমীয়া উপন্যাস;* গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্টোৰ্ছ।

৩৩) শর্মা, বসন্ত কুমাৰ (সঙ্কলক) ঃ *ৰজনীকান্ত বৰদলৈৰ উপন্যাস সমগ্র;* গুৱাহাটী ঃ সাৰদা প্রকাশন।

৩৪) শর্মা, শশী (২০০৪); *সাহিত্যত আধুনিকতা;* নলবাৰী ঃ জার্নেল এম্প'ৰিয়াম।

৩৫) শর্মা, সত্যেন্দ্রনাথ (১৯৯২) ঃ *অসমীয়া উপন্যাসৰ ভূমিকা;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

৩৬) শর্মা, সত্যেন্দ্রনাথ (২০০৭); *অসমীয়া উপন্যাসৰ গতিধাৰা;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

৩৭) শর্মা, সত্যেন্দ্রনাথ (২০০৮) ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

৩৮) হুছেইন, নিকুমণি (২০০৯) ঃ *মামণি বয়ছম গোস্বামী ঃ জীৱন কৃতি আৰু কৃতিত্ব;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

ইংৰাজী গ্রন্থ ঃ

1) Dumont, Louis (1970): *Homo Hierarchicus*; UK: Oxford University Press.

2) Sharma, K. L. (Ed.) (2004): *Social Inequality in India*; New Delhi: Rawat Publications.